দেও লাংখুই

দেও লাংখুই

২০০৮ বৰ্ষৰ 'সাহিত্য অকাডেমী' বঁটাপ্ৰাপ্ত গ্ৰন্থ

ৰীতা চৌধুৰী

জ্যোতি প্ৰকাশন
জ্যোতি প্ৰকাশন
পাণবজাৰ, গুৱাহাটী-৭৮১ ০০১

DEOŪ LĀNGKHUI : An Assamese novel based on an illustrious character from the History of Assam written by Mrs. Rita Choudhury and published by Sri Nagen Sarmah, on behalf of **M/s. Jyoti Prakashan,** Jaswanta Road, Panbazar, Guwahati-781 001, Assam, first published on February, 2005.

Fifth edition : June, 2009 ***Price : Rs. 140.00 only.***

প্রকাশক :
শ্রীনগেন শর্মা
জ্যোতি প্রকাশন
যশোবন্ত পথ, পাণবজাৰ
গুৱাহাটী-৭৮১ ০০১

প্রথম প্রকাশ : ফেব্রুৱাৰী, ২০০৫
দ্বিতীয় প্রকাশ : জুলাই, ২০০৬
তৃতীয় প্রকাশ : ডিচেম্বৰ, ২০০৭
চতুর্থ প্রকাশ : ডিচেম্বৰ, ২০০৮
পঞ্চম প্রকাশ : জুন, ২০০৯

বেটুপাত : প্রদীপ নাথ

মূল্য : ১৪০.০০ টকা

:
ত্রিনয়ন গ্রাফিক অফছেট
উদ্যাগ পাম, বামুণীমৈদাম
গুৱাহাটী-৭৮১ ০২১

উপন্যাসখন সম্পর্কে ক'বলগীয়া

ছাত্র হৈ থাকোঁতে আৰু তাৰ পিছতো মাৰ্ঘেৰিটাৰ পৰা গুৱাহাটীলৈ আহোঁতে-যাওঁতে দেখা বহাৰ 'জোঙাল বলহু গড়'টোৱে সদায়েই মনত কৌতূহলৰ সৃষ্টি কৰিছিল। কিন্তু তেতিয়া ভবা নাছিলোঁ এই গড়টোক কেন্দ্ৰ কৰি মই এদিন এখন উপন্যাস লিখিম।

মই বুৰঞ্জীবিদ নহওঁ— অসমৰ অতীতকালৰ বিষয়ে বিস্তৃত অধ্যয়ন কৰিছোঁ বুলি দাবী কৰাৰ ধৃষ্টতা মোৰ নাই। আজিৰ পৰা তেৰ বছৰ আগেয়ে গুৱাহাটীৰ ৰাজ্যিক বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ গ্ৰন্থাগাৰত কিতাপ চাই থাকোঁতে উত্তৰ গুৱাহাটীৰ শ্ৰীমাধৱ চন্দ্ৰ কাকতীদেৱে ৰচনা কৰা 'বহাচকীৰ ইতিবৃত্ত' নামৰ সৰু পুথি এখন হাতত পৰে। উত্তৰ গুৱাহাটীৰ পণ্ডিত শ্ৰীকাকতীদেৱে বহা অঞ্চলৰ অনেক ব্যক্তিক লগ ধৰি মুখে মুখে চলি থকা কিম্বদন্তিসমূহ গোটাই 'জোঙাল বলহু'ৰ বীৰত্বপূৰ্ণ জীৱন সম্পৰ্কে এটা দীঘলীয়া প্ৰবন্ধৰ লগতে অন্যান্য কিছু তথ্যভিত্তিক প্ৰবন্ধ যুগুত কৰি কেইবাজনো বিজ্ঞ ব্যক্তিক দেখুৱাই তেওঁলোকৰ সমৰ্থনসূচক মন্তব্য সন্নিবিষ্ট কৰি পুথিখন প্ৰকাশ কৰিছে। সেই কিতাপখন পঢ়িয়েই বীৰ তিৰা ৰজা 'জোঙাল বলহু'ৰ জীৱন কাহিনীক ভেটি কৰি এখন উপন্যাস লিখাৰ ইচ্ছা জন্মে; কিন্তু প্ৰয়োজনীয় যোগাযোগ, সমল, আহৰি আদিৰ অভাৱত অতবছৰে বিষয়টো মনৰ মাজতে ইচ্ছা হৈ থাকি গৈছিল।

দুবছৰ আগতে বন্ধুবৰ ললিত নাথে মোৰ আগ্ৰহৰ কথা জানিব পাৰি শ্ৰীমহীকান্ত পাটৰে লেখা 'লালুং (তিৰা) ৰজা জোঙাল বলহু (জকাংক)ৰ ঐতিহাসিক কিম্বদন্তি কাহিনী' নামৰ আৰু শ্ৰীনীলকান্ত ডেকাই লেখা 'বসুন্ধৰী থান' নামৰ দুটা হাতে লিখা প্ৰবন্ধ গোটাই দিয়ে। প্ৰবন্ধ দুটাত 'জোঙাল বলহু' আৰু 'বসুন্ধৰী থান' সম্পৰ্কে যথেষ্ট সমল আছিল। কিছুদিন আগতে শ্ৰীযুত নীলমণি ফুকন ছাৰৰ লগত এই বিষয়ে আলোচনা হোৱাত তেখেতে অনেক আলোচনী, কেছেট, কিতাপ আদি দি সহায় কৰাৰ লগতে তিৰা সংস্কৃতিৰ বিষয়ে গভীৰ জ্ঞান থকা শ্ৰীযুত গণেশ সেনাপতি, শ্ৰীযুত তুলসী বৰদলৈ আদিৰ লগত যোগাযোগ কৰাই দিয়াৰ লগতে নিজেও আগ্ৰহেৰে আমাৰ প্ৰথম পদক্ষেপত গুৰি ধৰে। অন্যথাই এই উপন্যাসখন অতি ঠেক সীমাত আবদ্ধ হৈ পৰিলহেঁতেন।

সৰ্বশ্ৰী গণেশ সেনাপতি, তুলসী বৰদলৈ, বিৰিঞ্চি ডেকা আদিয়ে গোটাই দিয়া তিৰা সংস্কৃতিৰ বিভিন্ন পুথি আৰু আলোচনীসমূহে মোৰ সংগ্ৰহ আৰু গধুৰ কৰি তুলিলে; কিন্তু 'জোঙাল বলহু' সম্পৰ্কীয় সমলবোৰ অধ্যয়ন কৰিবলৈ গৈ মই বিভ্ৰান্ত হৈ পৰিলোঁ। জোঙাল

বলহু আৰু তেওঁৰ পিতৃ আৰিমত্তৰ বিষয়ে জানিবলৈ যাওঁতে পৰস্পৰবিৰোধী সমলবোৰে মোৰ দ্বিধাগ্রস্ত কৰি তুলিলে। তদুপৰি আৰিমত্তৰ পিতৃ পৰিচয়, আৰিমত্তৰ জীৱন, জোঙাল বলহুৰ জীৱনৰ বিষয়ে আৰু অধিক তথ্য জানিবলৈ যাওঁতে মই কিছু বুৰঞ্জী পুথি অধ্যয়ন কৰিবলগীয়া হ'ল। এই অধ্যয়নে মোক বিষয়টোৰ গভীৰলৈ লৈ গ'ল যদিও আৰু অধিক বিভ্রান্তহে কৰি তুলিলে। বুৰঞ্জীসমূহৰ মতৰ প্রায় প্রতিখনেই প্রতিখনতকৈ বেলেগ বুলি ক'ব পাৰি।

বিভিন্ন বুৰঞ্জী পুথি, অন্যান্য পুথি আৰু প্রবন্ধ আদিত সিঁচৰতি হৈ থকা তথ্যসমূহৰ পৰা আৰিমত্ত, জোঙাল বলহু আদিৰ পৰিচয়, পুৰুষানুক্রম, ৰাজত্বকাল আৰু ঘটনাৱলী সম্পর্কে সঠিক সিদ্ধান্তত উপনীত হোৱাটো অত্যন্ত কঠিন হৈ পৰিছিল। সেয়েহে উপন্যাসখন ৰচনা কৰিবলৈ যাওঁতে পুথিগত তথ্যসমূহৰ সহায় লোৱাৰ লগতে প্রচলিত কিম্বদন্তিসমূহ আৰু মৌখিক বুৰঞ্জীৰ ওপৰত বিশেষভাৱে নির্ভৰ কৰিছিলোঁ।

আমাৰ প্রাজ্ঞ বুৰঞ্জীবিদসকলে আহোমসকল অহাৰ পিছৰছোৱা কালৰ বুৰঞ্জী প্রণয়ন কৰোঁতে তাৰ আগৰ কালৰ অসমৰ বিচিত্র বুৰঞ্জীক মাত্র দুই-এখিলা পাততে সীমাবদ্ধ কৰি ৰাখিছে। ক্ষেত্রভিত্তিক অধ্যয়ন কৰি অসমৰ প্রাক্-আহোম যুগৰ বিভিন্ন ক্ষুদ্র ক্ষুদ্র জনজাতীয় সমাজবোৰৰ মৌখিক বুৰঞ্জী সংগ্রহ কৰি সংকলন নকৰাটো এক লক্ষণীয় দিশ। কামৰূপৰ ক্ষত্রিয়-কায়স্থসকলৰ বংশাবলী, গুৰুচৰিতসমূহ আৰু অন্যান্য সাহিত্যত নিহিত হৈ থকা বিভিন্ন তথ্য, আহোম বুৰঞ্জীসমূহ আৰু আৱিষ্কৃত তাম্রশাসন, মঠ-মন্দিৰ আদিত অসমৰ বুৰঞ্জী সিঁচৰতি হৈ আছে। তদুপৰি কোনো কোনো ৰাজবংশৰ বংশাৱলীও আছে। ব্রিটিছ অহাৰ পিছত অসমীয়া ভাষাত বুৰঞ্জী প্রণয়নৰ যি পৰম্পৰা আৰম্ভ হয় তাত প্রাক্-আহোম যুগত আৰু আহোমসকল অহাৰ পিছতো অসমৰ বিস্তৃত অঞ্চলৰ অধিকাংশ বৃহত্তৰ কছাৰী জাতিৰ জীৱন আৰু ইতিহাস উপেক্ষিত হৈ থাকিল। সেইদৰে মৰাণ, বৰাহী, মিচিং, চুতীয়া, ডিমাচা, তিৰা, কাৰ্বি আদি সমাজসমূহৰ বুৰঞ্জীও উপেক্ষিত হৈ থকা বুলিও ক'ব লাগিব। আনকি কোচ-আহোম সম্পর্কৰ জৰিয়তে পোহৰলৈ অহা তথ্যসমূহ আৰু দুই-এখন বুৰঞ্জীয়েহে বিশাল কোচ ৰাজ্যৰ ইতিহাস সীমাবদ্ধ ৰূপত ধৰি ৰাখিছে। প্রাক্-আহোম যুগৰ অসমৰ প্রামাণিক আৰু বিস্তৃত ইতিবৃত্ত ৰচনা কৰাত অসমৰ বুৰঞ্জীবিদসকলে বিশেষ উদ্যোগ লোৱা দেখা নাযায়। নতুন দিনৰ বুৰঞ্জীৰ ছাত্রসকলে অসমৰ মৌখিক বুৰঞ্জীক গুৰুত্বসহকাৰে লৈ, মুক্ত দৃষ্টিৰে, সত্য আৰু বস্তুনিষ্ঠৰূপত অসমৰ প্রকৃত ইতিহাসক তুলি ধৰিব বুলি আশা কৰিছোঁ।

উপন্যাসখনত মধ্যযুগৰ অসমৰ সমাজ জীৱনক যথাসম্ভৱ বিশ্বাসযোগ্যৰূপত তুলি ধৰিবলৈ যাওঁতে জনগোষ্ঠীসমূহৰ নাম পুৰণি ধৰণেই ৰখা হৈছে। এই কথাত অসন্তোষ নকৰিবলৈ সংশ্লিষ্ট জনগোষ্ঠীসমূহলৈ অনুৰোধ জনালোঁ।

মোৰ বুৰঞ্জীৰ জ্ঞান অতি সীমাবদ্ধ। উপন্যাসখন ৰচনা কৰিবলৈ যাওঁতেহে অসমৰ বিভিন্ন পুথি আৰু বিভিন্ন সমাজ-সংস্কৃতিৰ বিষয়ে ৰচনা কৰা কিছু পুথি অধ্যয়ন কৰিছোঁ।

মই এখন উপন্যাস ৰচনা কৰিছোঁ। পাঠকসকলক ইয়াক বুৰঞ্জী বুলি নধৰিবলৈ অনুৰোধ কৰিলোঁ। এটা কাল নির্ধাৰণ কৰি, পুথি, প্ৰবন্ধ আদিৰ পৰা সংগৃহীত তথ্যসমূহৰ ওপৰত নির্ভৰ কৰি সেই কালৰ সমাজ জীৱনক চুই যাবৰ চেষ্টা কৰিছোঁ। লগতে বিক্ষিপ্ত আৰু পৰস্পৰবিৰোধী তথ্যসমূহৰ মাজৰ পৰা নিজস্ব অন্তর্দৃষ্টিৰে প্ৰতাপসিংহ-চন্দ্ৰপ্ৰভা, আৰিমত্ত-গংগাৱতী, ৰত্নসিংহ-লখাইতৰা, জোঙাল বলহু-সুকোমলা আদিৰ জীৱনৰ একোখন যথাসম্ভৱ যুক্তিসংগত ছবি তুলি ধৰিবৰ চেষ্টা কৰিছোঁ। এই অত্যন্ত জটিল আৰু কঠিন কামটো সঠিকভাৱে সম্পন্ন কৰিবলৈ যথাসাধ্য চেষ্টা কৰিছোঁ। এই প্ৰচেষ্টাত অনেক ত্ৰুটি, বিসংগতি অজ্ঞানতাবশতঃ থাকি যাব পাৰে। সেই ত্ৰুটি, বিসংগতিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ। তদুপৰি সেই ত্ৰুটি, বিসংগতিসমূহে কোনো প্ৰাজ্ঞ পাঠকক অসমৰ প্ৰকৃত, সামগ্ৰিক আৰু যুক্তিনিষ্ঠ সমাজ ইতিহাস অধ্যয়নৰ প্ৰতি আগ্ৰহশীল কৰি তুলিলে মই এই ক্ষুদ্ৰ প্ৰচেষ্টা সার্থক হৈছে বুলি ধৰি ল'ম। আশা কৰোঁ এদিন অসমৰ সকলো জনগোষ্ঠীৰ প্ৰামাণিক বুৰঞ্জী ৰচিত হ'ব। আমি আমাৰ অতীতকালক সেই বুৰঞ্জীসমূহৰ মাজেৰে জল্‌জল্-পট্‌পট্‌কৈ দেখা পাম। জনগোষ্ঠীসমূহ যেনেকৈ এদিন এটা যোগাযোগকাৰী দোৱানেৰে সংযোজিত হৈ আছিল, তেনেকৈ ৰাজবিজাৰৰ ৰাজকীয় চুফলতকৈ সমাজৰ শক্তি উৰ্ধ্বত আছিল, যেনেকৈ লালি-হিলালী গীতৰ মাজেৰে প্ৰবাহিত হৈছিল বেলেগ বেলেগ তিনিটা জনগোষ্ঠীৰ সংহতি আৰু যেনেকৈ এই জনগোষ্ঠীসমূহে সীমা সংঘাত আৰু গোষ্ঠী সংঘাত এৰাই চলি সম্প্ৰীতিৰে জীয়াই আছিল সেই সমাজ জীৱন চকুৰ আগলৈ আহিলে আমি সকলোৱে গোষ্ঠীগত ভিন্নতাৰ মাজতো শান্তিৰে জীয়াই থকাৰ পথ নিশ্চয় বিচাৰি পাম। এই পথ তেতিয়াহে খোল খাব যেতিয়া ৰাজশক্তি সমাজৰ সংঘবদ্ধ শক্তিৰ প্ৰকৃতাৰ্থত অনুগত হৈ পৰিব।

কৃতজ্ঞতা :

উপন্যাসখনৰ ৰচনাকালত মোক বিশেষভাৱে অনুপ্ৰাণিত কৰা আৰু বিভিন্নধৰণে সহায় কৰা শ্ৰীযুত নীলমণি ফুকন, তিৰা সাহিত্য সভাৰ সভাপতি আৰু প্ৰাক্তন সভাপতি যথাক্ৰমে শ্ৰীযুত গণেশ সেনাপতি, শ্ৰীযুত তুলসী ৰবদলৈ আৰু বন্ধু চম্পক ৰবৰবৰা, কমলা ৰবৰবৰা, ডঃ দীপক কুমাৰ শর্মা, মীনা দেৱী, ললিত কুমাৰ নাথ, বিৰিঞ্চি ডেকা, সুভাষ ডেকা, বুলন নাথ, জিতেন ডেকা, সুৰেশ শর্মা, মোহন দাস, বিনোদ ভূঞা, মোৰ সহকর্মী কটন কলেজৰ অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীমতী দীপ্তি দত্ত দাস, ডঃ বিনীতা ৰবৰা, কল্পনা শর্মা কলিতা, দীপাঞ্জলি দাস গোস্বামী, মোৰ দেউতা শ্ৰীযুত বিৰজানন্দ চৌধুৰী, মা শ্ৰীযুতা মলিনা চৌধুৰী, ভাতৃ গৌতম, ভাই-বোৱাৰী অন্তৰা, গৃহস্থ শ্ৰীযুত চন্দ্ৰমোহন পাটোৱাৰী, জয়দীপ, ভূপেন, গৌৰী, কিশোৰ, নৰ আদি সকলো শুভাকাঙ্ক্ষীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। মোৰ কন্যা শুভ্ৰতা প্ৰিয়ম আৰু পুত্ৰ অভিষেকৰ সহযোগিতা অবিহনে এই উপন্যাসখন সম্পূর্ণ কৰাটো মোৰ বাবে সম্ভৱ নহ'লহেঁতেন।

যিসকল লেখকৰ পুথি, প্ৰবন্ধ আদিৰ সহায় লৈ এই উপন্যাসখন ৰচনা কৰিছোঁ, তেওঁলোকলৈও মোৰ কৃতজ্ঞতা জনালোঁ। সদৌ শেষত মৰ্যাদাপূৰ্ণ প্ৰকাশন প্ৰতিষ্ঠান 'জ্যোতি প্ৰকাশন'ৰ স্বত্বাধিকাৰী শ্ৰীযুত নগেন শৰ্মা আৰু প্ৰতিষ্ঠানটোৰ প্ৰতিজন কৰ্মীৰ প্ৰতিও কৃতজ্ঞতা জনালোঁ।

—লেখিকা

তৃতীয় প্রকাশের আগকথা

নিচেই কম দিনের ভিতরতে দুটা সংস্করণেরে পাঠকের সমাজত জনপ্রিয় হোরা দেও লাংখুই'র তৃতীয় প্রকাশ আগবঢ়াবলৈ পাই অতি আনন্দিত হৈছোঁ। আশাকরোঁ পাঠক সমাজে সুবৃহৎ কিন্তু সুখপাঠ্য উপন্যাসখনির এই সংস্করণটিকো সাগ্রহে আদরি লৈব।

—প্রকাশক

চতুর্থ প্রকাশ ঃ প্রকাশকৰ নিৱেদন

অসমীয়া গ্ৰন্থ প্ৰকাশনৰ ইতিহাসত 'দেওলাংখুই'ৰ প্ৰকাশ এক উল্লেখযোগ্য ঘটনা হিচাপে গণ্য কৰা হৈছে। কিযনো প্ৰকাশ পোৱাৰ লগে লগে এই গ্ৰন্থখনে গ্ৰন্থ জগতত এক মৃদু আলোড়নৰ সৃষ্টি কৰিছিল। ২০০৫ চনত প্ৰথম প্ৰকাশ পোৱা উপন্যাসখনে সম্প্ৰতি চতুর্থ মুদ্ৰণৰ গৌৰৱ অৰ্জন কৰিছে। প্ৰতিশ্ৰুতিসম্পন্ন লেখকৰ অভাৱ আৰু অসমীয়া কিতাপৰ দুৰ্দিন সমাগত বুলি সততে আক্ষেপ কৰি থকাৰ মুহূৰ্তত এয়া আমাৰ বাবে এক আশাৰ বতৰা। মানৱ মনৰ আৰ্তিভৰা নিপুণ গদ্য আৰু মনোগ্ৰাহী সংলাপৰ চমৎকাৰিত্বে বীতা চৌধুৰীয়ে যি কথাশিল্পৰ সৃষ্টি কৰে সি সকলোৰে হৃদয় চুই যায়। অগতানুগতিক প্ৰকাশভঙ্গি, হৃদয়পৰশা গদ্যশৈলী, চমৎকাৰিত্বপূৰ্ণ আঙ্গিকৰ সমন্বয়ত তেওঁৰ উপন্যাসসমূহে এক সুকুমাৰ ৰূপ পৰিগ্ৰহ কৰে। 'দেওলাংখুই' বীতা চৌধুৰীৰ কাপনিঃসৃত এক সাৰ্থক আৰু অনুপম সৃষ্টি। মনঃচক্ষুৰ তীক্ষ্ণ অন্তৰ্দৃষ্টিৰে অসম বুৰঞ্জীৰ এটা অধ্যায় নিৰহ নিপানীকৈ অধ্যয়ন কৰি তাৰপৰা চৰিত্ৰসমূহ অথবা চৰিত্ৰটো আনি তাত তেজ-মঙহৰ সঞ্চাৰ কৰি এক নিপুণ কাৰিকৰৰ দৰে তেওঁ এখন নিটোল উপন্যাসৰ সৃষ্টি কৰি পাঠকক উপহাৰ দিছে। সত্যানুসন্ধানী, মননশীল সাহিত্যৰ সৌষ্ঠৱ আৰু পৰিচ্ছন্নতাই ৰসগ্ৰাহী পাঠকক সদায় বিমল আনন্দ প্ৰদান কৰে। বীতা চৌধুৰীৰ 'দেওলাংখুই' সেই ফালৰপৰা এক অতুলনীয় সাহিত্যকৃতি। এনে এখন নিপোটল উপন্যাস প্ৰকাশ কৰিবলৈ পাই আমি ধন্য মানিছোঁ। শ্ৰীযুতা চৌধুৰীলৈ কৃতজ্ঞতা যাচিছোঁ। উপন্যাসখনৰ চতুর্থ সংস্কৰণটি সদাশয় পাঠকৰ হাতত তুলি দিয়া হ'ল। এই সংস্কৰণটিয়েও পূৰ্বৰ দৰে সুজন পাঠকৰ মৰম-চেনেহ পালে অনুগৃহীত হ'ম।

— প্ৰকাশক

মোৰ কন্যা শুভ্রতা প্রিয়মৰ উদ্দেশে—

মইনা,
মোৰ জীৱন আৰু কলমক তুমি
আহি উৰ্বৰ কৰি তুলিছা।
সেই উৰ্বৰতাৰ এটা শস্যকণা
তোমাক দিলোঁ।
মা _____

দেও লাংখুই

১

গধূলি।

গোভা ৰাজ্যৰ ৰাজহাউলি।

আনকালে কর্মব্যস্ত মানুহৰ অহা-যোৱা, কথা-বতৰাই গমগমিয়া কৰি ৰখা গোভাৰ ৰাজানঃ আজি শব্দহীন।

শোকস্তব্ধ।

গোভাৰ ৰাজপুত্র, কুমৈ বঘৰাৰ ৰজা মৃগাংকৰ মুণ্ডহীন শৰদেহ দাহ কৰি অলপ আগেয়ে উভতি আহিছে গোভাৰজা সাধুকুমাৰ আৰু কুলৰ লোকসকল। উভতি আহিছে চুবুৰীয়া ৰাজ্যসমূহৰ পৰা অহা ৰজা আৰু ৰাজপ্রতিনিধিসকল। উভতি আহিছে ৰাজ্যৰ সংখ্যাহীন প্রজা।

ৰাজানঃৰ সন্মুখৰ পথাৰত গোট খাইছে অগণন মানুহ। সাধুকুমাৰ তাতেই আছে। ৰজা মৃগাংকৰ মৃত্যুত উত্তেজিত প্রজাসকলক শান্ত কৰি, অনুগত আৰু বন্ধু ৰজাসকলৰ লগত বীৰ ৰজা মৃগাংকৰ মৃত্যুৰ ফলশ্রুতি হিচাপে সৃষ্টি হ'ব পৰা সম্ভাব্য ৰাজনৈতিক পৰিস্থিতি সম্পর্কে আলোচনাত বহিছে।

নবহি উপায় নাই।

সাধুকুমাৰ মাত্র বঘৰা আৰু কুমৈৰ ৰজা মৃগাংকৰ পিতৃয়েই নহয়— এক বিশাল আৰু শক্তিশালী ৰাজ্য গোভাৰ অধিপতিও।

পুত্রশোকত বিতত হ'লে নচলিব। ৰজা যদি শোকত ভাগি পৰে ৰাজ্যৰ পৰিস্থিতি নিয়ন্ত্রণহীন হৈ পৰিব।

ইতিমধ্যে মৃগাংকক হত্যা কৰা খলাৰ ৰজা জকাংকৰ ওপৰত খৰ্গহস্ত হৈ পৰিছে অধিকাংশ চুবুৰীয়া ৰজা।

গোভাৰজাৰ পুত্র হিচাপে আৰু গোভাৰ অনুগত কুমৈ, বঘৰাৰ ৰজা হিচাপে মৃগাংকই গোভাৰ ৰাজপ্রতিনিধি হৈ অনেক ৰাজনৈতিক দৰবাৰত অংশগ্রহণ কৰিছিল। সুদূৰ কমতাত ৰাজ্য স্থাপন কৰি বীৰ যোদ্ধা হিচাপে খ্যাতি লাভ কৰা অত্যন্ত জনপ্রিয় ৰজা মৃগাংক জীৱনকালতেই এক কিম্বদন্তীলৈ ৰূপান্তৰিত হৈছিল। যেনেকৈ কিম্বদন্তীলৈ ৰূপান্তৰিত হৈছিল মৃগাংকৰ মাক কনচাৰী আৰু পিতৃ সাধুকুমাৰ।

বিশাল গোভাত আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ কুলত ৰজা মৃগাংকৰ নাম নুশুনা ৰজা আৰু প্ৰজা নাছিল বুলিয়েই ক'ব লাগিব।

মৃগাংক আছিল গোভা আৰু অন্যান্য লালুং ৰাজ্যসমূহৰ গৌৰৱ।

সেই মৃগাংকক খলাৰ ৰজা জকাংকই অপ্ৰৰোচিত ভাবে হত্যাত কৰাত ক্ষুব্ধ হৈ উঠিছে ৰজাসকল। প্ৰজাসকল।

সকলোৱে মিলি খলা ৰাজ্য আক্ৰমণ কৰিব খুজিছে।

কিন্তু গোভাৰজা সাধুকুমাৰৰ অশেষ বুজনিত অৱশেষত খলা আক্ৰমণৰ সিদ্ধান্ত পৰিত্যাগ কৰিলেও ৰাজনৈতিক আৰু অৰ্থনৈতিকভাৱে খলাৰ লগত অসহযোগ কৰাৰ সিদ্ধান্ত লৈছে। এই সিদ্ধান্তই চিন্তিত কৰি তুলিছে সাধুকুমাৰক। খলাৰ ৰজা জকাংকক কোনো বেয়া পৰিস্থিতিৰ মাজলৈ ঠেলি দিয়াৰ পক্ষপাতি নহয় সাধুকুমাৰ।

নিজৰ পুত্ৰৰ হত্যাকাৰী হ'লেও খলা ৰজাৰ দুৰ্যোগ সাধুকুমাৰৰ বাঞ্ছিত নহয়।

কাৰণ আছে।

কাৰণটো কৈ দিলেই উত্তেজিত ৰজা-প্ৰজা সকলোবোৰ শান্ত হৈ পৰিব সেই কথা গোভাৰজাই জানে। কিন্তু তথাপি তেওঁ এতিয়ালৈকে কাকো কাৰণটো ভাঙি কোৱা নাই।

গোভাৰ ৰাণী নহৈও ৰাণীৰ মৰ্যাদাৰে বিভূষিতা কনচাৰীৰ নিষেধৰ কাৰণে! কনচাৰীৰ নিষেধ অমান্য কৰাৰ শক্তি থাকিলেও প্ৰস্তুতি নাই গোভাৰজা সাধুকুমাৰৰ।

সেয়েহে শান্তভাৱে, ৰাজনৈতিক যুক্তিৰে ৰজা-প্ৰজাসকলক খলাৰ শত্ৰু হিচাপে এৰাত্মিত নহ'বলৈ বুজাইছে সাধুকুমাৰে।

জনাৰণ্য হৈ পৰা ৰাজানঃৰ সন্মুখৰ পথাৰৰ কোলাহল লাহে লাহে স্তিমিত হৈ আহিছে। এজন এজনকৈ বিদায় ল'বলৈ আৰম্ভ কৰিছে চুবুৰীয়া ৰজাসকল।

শেষজন প্ৰজাক বিদায় দি প্ৰধান পুৰোহিত ল'ৰ'ৰ লগত মৃতকৰ কৰমৰ বিষয়ে আলোচনা কৰি সাধুকুমাৰ যেতিয়া গোভাৰ পুৰণি ৰাজধানী আম্চাই মাৰ্জঙলৈ যাবলৈ হাতীত উঠিছে তেতিয়া সন্ধ্যাকাল পাৰ হৈ ৰাতি হৈছিল।

গোভাৰ মধ্যস্থলত থকা প্ৰধান ৰাজানঃৰ অভ্যন্তৰৰ শয়নকক্ষৰ অবিন্যস্ত শয্যাত তেতিয়া অকলে অকলে বহি আছে কনচাৰী।

শব্দহীন স্তব্ধতাত ডুবগৈ আছে বিশাল ৰাজানঃ। ৰাজনঃহৰ অ'ত-ত'ত জ্বলি থকা সৰিয়হ তেলৰ বস্তিবোৰৰ পোহৰে যেন মিনতি কৰিছে শোকাৰ্ত এন্ধাৰক। আঁতৰি যাবলৈ।

কনচাৰীৰ শয়নকক্ষত দীপাধাৰত জ্বলি থকা বস্তিবোৰৰ পোহৰত আঁতৰি গৈছে ৰাতিৰ এন্ধাৰ। কিন্তু আঁতৰি যাওঁতে লৈ যোৱা নাই শোকৰ সুগভীৰ যন্ত্ৰণাখিনি।

থৈ গৈছে কনচাৰীৰ মুখত। সমগ্ৰ অবয়ৱত। কনচাৰীৰ শীৰ্ণ অৱস্থিতিক যেন মেৰিয়াই ধৰি আছে বিষাদৰ বিবৰ্ণ চাদৰ এখনে। শীৰ্ণ আৰু শোতোৰা পৰা হাত দুখনেৰে আঁঠুদুটা সাবটি, আঁঠুত মুৰ থৈ বহি আছে কনচাৰী। দীঘল চুলিকোছা মেৰিয়াই বন্ধা খোপাটো আধাখোলা হৈ পৰি আছে কান্ধৰ ওচৰত।

কনচাৰীক কোনো বিষাদগ্ৰস্ত শিল্পীয়ে আঁকা, বিবৰ্ণ হৈ পৰা তৈলচিত্ৰৰ দৰে লাগিছে। ৰং থাকিও ৰং নাই, জীৱন থাকিও জীৱন।

অনেক বছৰৰ অনেক যন্ত্ৰণাক্লিষ্ট দিনৰ স্মৃতিৰ ভাৰ বহন কৰি ক্লান্ত কনচাৰী। শিলৰ দৰে শীতল। স্তব্ধ। নিথৰ।

কনচাৰীক এনে ৰূপত আজিলৈকে কোনেও কেতিয়াও দেখা নাই। গোভাৰ মাটিত কনচাৰীয়ে যিদিনা প্ৰথম ভৰি থৈছিল তেতিয়া কনচাৰী আছিল এক সদ্যযৌৱনা নাৰী। সুদীৰ্ঘ দিন গোভাৰ মাটিত পাৰ কৰি সেই সদ্যযৌৱনা অপূৰ্ব সুন্দৰী নাৰী আজি আইতালৈ, আৰি কনচাৰীলৈ ৰূপান্তৰিত হৈছে। গোভা, ডিমৰুৱা, নেলী, ভূএঞা আৰু অন্যান্য অনুগত আৰু চুবুৰীয়া ৰাজ্যৰ প্ৰায় সকলো মানুহে আৰি কনচাৰীক চিনি পায়। চিনি পায় এক জীৱন্ত কিম্বদন্তীৰ নায়িকা হিচাপে। সমাজৰ হিতাৰ্থে নিজক উচৰ্গা কৰা দয়াশীলা আৰু জ্ঞানী নাৰী হিচাপে।

গোভাৰ ৰজা সাধুকুমাৰৰ ওচৰলৈ সংকট কালত যি আস্থা আৰু আশাৰে আহে ঠিক সমানেই আস্থা আৰু আশাৰে গোভাৰ প্ৰজা আৰি কনচাৰীৰ ওচৰলৈও আহে। আৰি কনচাৰী আৰু সাধুকুমাৰৰ ঔদাৰ্য আৰু বিবেচনাৰ মিলিত শক্তিয়ে গোভাক যেনেকৈ এক শক্তিশালী আৰু উন্নত ৰাজ্যত পৰিণত কৰিছে, গোভা আৰু জয়ন্তীয়াৰ নেতৃত্বত তেনেকৈ ওচৰ-চুবুৰীয়া সকলো ৰাজ্যই অনেক বছৰ ধৰি কোনো গুৰুত্বপূৰ্ণ সংঘাত নোহোৱাকৈ চলি আছে। আজিকালি অৱশ্যে আৰি কনচাৰীয়ে ৰাজহুৱা দায়িত্বৰ পৰা নিজকে কিছু আঁতৰাই আনিছে। পুঁথি-পাজি পঢ়া আৰু টাকুৰিৰে সূতা কটা এই দুয়োটা কামৰ মাজতেই নিজকে নিমগ্ন ৰাখিছে। অতি প্ৰয়োজনতহে আজিকালি তেওঁ ৰাজ্যৰ কামত অংশ লয়।

প্ৰকৃততে মৃগাংক কমতাপুৰৰ পৰা উভতি অহাৰ পিচৰ পৰাই কনচাৰী বহুখিনি নিৰ্মোহ হৈ পৰিছিল। বয়স আৰু যন্ত্ৰণাকৰ ঘটনাবোৰে কনচাৰীৰ পৰা যেন কাঢ়ি লৈ গৈছিল কামৰ উদ্যম।

তথাপিও কোনোবাখিনিত একেই আছিল আৰি কনচাৰী। সংহত। শান্ত। হাঁহিমুখীয়া। কোনেও কেতিয়াও কনচাৰীক দুখত ভাগি পৰা দেখা নাছিল। শোকত স্তব্ধ হৈ যোৱা দেখা নাছিল। নিৰ্মোহ গাম্ভীৰ্যৰে, স্থৈৰ্যৰে প্ৰতিটো সংঘাত, প্ৰতিটো যন্ত্ৰণাদগ্ধ মুহূৰ্তৰ মুখামুখি হৈ আহিছিল কনচাৰী।

গোভাৰ প্ৰধান ৰাজানঃত অকলে বাস কৰা বৃদ্ধা কনচাৰী আৰু আম্‌চাই মাৰ্জঙত

বাস কৰা সাধুকুমাৰ যেন ৰূপান্তৰিত হৈছিল দুজোপা প্ৰাচীন বটবৃক্ষলৈ। উদাৰ। বিশাল। গম্ভীৰ।

উত্তৰে ব্ৰহ্মপুত্ৰ, পশ্চিমে ডিমৰীয়া, দক্ষিণে বৰআমলি আৰু পূবে খাগৰিজানলৈ। এই বিস্তীৰ্ণ অঞ্চলত বাস কৰা তিৰাশাসকলে আৰু অন্যসকলেও পাহৰি গৈছিল নৱযৌৱনা কনচাৰীক। পাহৰি গৈছিল যে বৃদ্ধা আবি কনচাৰীও এদিন তৰুণী আছিল। আবি কনচাৰীৰো আছিল জুইযেন ৰূপ। আবি কনচাৰীৰো আছিল দেৱতাক মুগ্ধ কৰিব পৰা এটা শক্তিশালী মদালসা শৰীৰ।

সেই সৌন্দৰ্যৰ ভগ্নাৱশেষ অৱশ্যে এতিয়াও আছে। সোণৰ বৰণ ছাল, সাপৰ গা যেন চিকচিকিয়া চুলি, গভীৰ হ্ৰদৰ দৰে চকুযোৰ আৰু অঙ্গৰা যেন লগা গাৰ গঠন— এতিয়াও প্ৰায় একেই আছে। মাত্ৰ ছালৰ কুঞ্চনে কৈ উঠে সেয়া অতীতৰ পৰা উফৰি অহা এটা জিলিঙনি মাত্ৰ।

গোভালৈ অহাৰ পিচত যেতিয়া কনচাৰীয়ে প্ৰথম তিৰা নাৰীৰ সাজ কাছ্যং ফাচকাই পিন্ধিছিল, প্ৰথম প্ৰথম নিজকে বৰ আচহুৱা যেন লাগিছিল কনচাৰীক। ৰাজানঃৰ পখা বাহিৰলৈ ওলাই গ'লে বাটৰ বাটৰুৱাই ৰ' লাগি চাইছিল কনচাৰীক। নিজৰ মাজতে গুণগুণাইছিল—

'চা চোন চা— গছানীৰ দৰে লাগিছে— আমাৰ বানাত-বাথু পিন্ধিছে। মেকড' যেন নালাগেই। আমাৰ লিবুং যেনেই লাগে।'

মানুহবোৰৰ মন্তব্য শুনি লগত যোৱা মাৰগি খামছামাই সোণজিৰাই হাঁহিছিল। কৈছিল—

'মানুহবোৰে কি কৈছে জানে পাই? আপোনাক বোলে মেকড' যেন নালাগেই। লালুং যেনেই লাগে।'

'মেকড' মানে কি?' বুজি নাপাই কনচাৰীয়ে সুধিছিল।

'মেকড' মানে বেলেগ জাতিৰ মানুহ। আপুনি যে আমাৰ বানাত-বাথু অৰথাত কাপোৰ-কানি পিন্ধিছে সকলোৱে খুব ভাল পাইছে। আপোনাক সঁচাকৈয়ে বৰ ধুনীয়া লাগিছে পাই।'

কথকী সোণজিৰাৰ কথা শুনি কনচাৰীয়ে হাঁহিছিল। কৈছিল—

'বানাত-বাথু পিন্ধিলেই নহ'ব সোণজিৰা— মাত-কথাও শিকিব লাগিব। তোৰ পৰাই শিকিম।'

'তেনেকৈ ক'লে লাজ লাগে পাই। মই এজনী আখৰ চিনি নোপোৱা একোৰে আওভাও নোপোৱা খৰ্লা। আপোনাৰ যতন ল'বলৈহে মোক দেওৰাজাই খাম্ছামাই কৰি আনিছে। মইনো আপোনাক কি শিকাম পাই?'

'তেনেকৈ ক'ব নাপায় সোণজিৰা। তহঁতৰ সমাজত জানো এইবোৰ সৰু-ডাঙৰ

আছে? তই মোক পাই বুলি মাতিছ। তাৰ মানে তই মোৰ ভনী হ'লি। ভনীক কি বুলি কয় সোণজিৰা?'

'নানাঃও বোলে।'

'মই তোক নানাঃও বুলিব পাৰো?'

'পাৰে। কিন্তু খাম্ছামাইক জানো নানাঃউ বোলে পাই? দেওৰাজাই শুনিলে মোক বেয়া পাব।'

'তহঁতৰ দেওৰাজা জানো ইমান সৰু কথাত বেয়া পোৱা মানুহ?' কনচাৰীয়ে হাঁহিছিল।

'আমাৰ দেওৰাজাৰ লেখা মাথিনেগিৰি ক'তনো আছে পাই? ৰাতি আখাছত চা'নাই ওলাই যেনেকৈ দিনৰ নিচিনা কৰে তেনেকৈ আমাৰ দেওৰাজাই আমাৰ মাথি পোহৰ কৰি ৰাখিছে। এনে মাথিনেগিৰি বহুত খৰমৰ ফলতহে পায়।' দেওৰাজাৰ উদ্দেশে নমস্কাৰ জনাই সোণজিৰাই কৈছিল।

সেইবোৰ আছিল গোভালৈ অহাৰ বহু পিচৰ কথা। পুত্ৰ মৃগাংক তেতিয়া ডেকাচাঙলৈ যাবৰ উপযুক্ত হৈছে। তাৰ আগতে, মৃগাংকৰ জন্মৰ আগৰ আৰু পিচৰ সময়ছোৱাত কনচাৰীয়ে কাছ্যং ফাচকাই নিপিন্ধিছিল। তেওঁ তেতিয়া পিন্ধিছিল কঁপাহী সুতাৰ ৰিহা-মেখেলা আৰু চাদৰ। সাধুকুমাৰে সেই কাপোৰবোৰ মাৰ্গি খাম্ছামাই সোণজিৰাৰ হতুৱাই দাঁতিয়লিয়া গাঁৱৰ পৰা বোৱাই আনি দিছিল। কনচাৰীক সাধুকুমাৰে দিয়া বেতৰ পেৰাটোত তেতিয়াও উজ্জ্বল হৈ আছিল সোণফুল খটুওৱা, পাণচঁপা গছৰ পাতখুওৱা পলুৰ পৰা পোৱা সুতাৰে বোৱা ৰূপযেন চকচকিয়া পাটৰ মেখেলা আৰু ৰিহাখন। মণিপুৰৰ পৰা অনা কুঁৱলি যেন চাদৰখন এড়ি কাপোৰেৰে মেৰিয়াই থোৱা আছিল একেটা পেৰাতে। পেৰাটোৰ এটা চুকত কপাহী কাপোৰ এখনেৰে বান্ধি থোৱা আছিল মীনা কৰা, বাখৰ খটোৱা অলংকাৰবোৰ। এতিয়াও তেনেকৈয়ে আছে।

আজিলৈকে সেইবোৰ কাকো দেখুওৱা নাই কনচাৰীয়ে। নিজেও চোৱা নাই। সেই কাপোৰবোৰ দেখা মানুহবোৰৰ অধিকাংশই আজি নাই। যিসকল আছে সেইসকলৰ মাজত আছে গোভা ৰজা সাধুকুমাৰ।

আনকি সোণজিৰায়ো সেই সাজযোৰ দেখা নাই। সোণজিৰাতো পিচত আহিছে। কনচাৰীয়ে লালুং ভাষা নজনা কাৰণে দোভাষীৰ বাবে উপযুক্ত সোণজিৰাক সাধুকুমাৰে কিছুদিন পিচতহে বিচাৰি আনিছিল। সোণজিৰাই আহি লালুঙৰ মাংআন্থলা, ৰিহা আৰু এড়িচাদৰ পিন্ধা দ্বিধা আৰু জড়তাৰে ভৰা নিঃসংগ কনচাৰীক দেখিছিল। দেখি অবাক হৈ চাই আছিল দুৱাৰমুখৰ পৰা। সেৱা জনাবলৈও পাহৰি গৈছিল।

'কি চাই আছ এনেকৈ? যা— ৰাণীদেওৰ ওচৰলৈ যা। মই যেনেকৈ কৈছো তেনেকৈ চলিবি বুজিছ।' দুৱাৰ মুখত থিয় হৈ থকা সাধুকুমাৰে কৈছিল। তাৰ পিচত

কনচাৰীলৈ চাই অভিবাদন জনাই কৈছিল—

'ৰাণীদেও— এইৰ নাম সোণজিৰা। তাই আম্মাৰ ভাষা, আপোনালোকৰ ভাষা— দুয়োটাই ভালদৰে জানে। তাই আপোনাৰ লগে লগে থাকিব। আপোনাৰ সকলো কাম কৰিব। কিবা অসুবিধা হ'লে জনাব।'

সোণজিৰাক থৈ সাধুকুমাৰ ওলাই গৈছিল। তেতিয়ালৈকে সাধুকুমাৰ গোভাৰ প্ৰধান ৰাজানঃতেই আছিল।

তাৰ কিছুদিন পিচত আম্চাই মাৰ্জঙৰ ৰাজানঃলৈ গুচি গৈছিল সাধুকুমাৰ। এতিয়াও আম্চাই মাৰ্জঙতেই আছে। বহুদিনৰ মূৰে মূৰে কনচাৰী বাস কৰা ৰাজানঃলৈ আহে। কিন্তু কেতিয়াও ঘৰৰ ভিতৰলৈ নাহে। বাহিৰৰ কোঠাৰ পৰাই আলহীৰ দৰে গুচি যায়। বিশেষ প্ৰয়োজন থাকিলেহে কনচাৰীৰ লগত কথা পাতে। কনচাৰীয়েও।

সৌজন্য, বন্ধুত্ব, ভালপোৱাৰ মিশ্ৰণেৰে গঢ়া, ওচৰত থাকিও দূৰৈত আৰু দূৰৈত থাকিও ওচৰৰ এটা অদ্ভুত সম্পৰ্ক।

কনচাৰী মাজে মাজে আম্চাই মাৰ্জঙলৈ যায়। যেতিয়াই কোনো দ্বিধা-সংশয়ে বাট ভেঁটি ধৰে, যেতিয়াই কোনো সমস্যাৰ সমাধান বিচাৰি নাপায় তেতিয়াই আম্চাই মাৰ্জঙলৈ যায় কনচাৰী। সেই ব্ৰহ্মপুত্ৰৰ দৰে গম্ভীৰ আৰু গভীৰ মনৰ পুৰুষৰ ওচৰত কনচাৰীয়ে যেন সকলো সমস্যাৰ সমাধান বিচাৰি পায়। আশ্ৰয় পায়। আশ্বাস পায়। তেওঁৰ পৰা যেন লোৱাই কাম কনচাৰীৰ। গোভাৰ ৰাজানঃত ৰাজ্যৰ ৰাণী নহৈও ৰাণীৰ মৰ্যাদাৰে অধিষ্ঠিত কনচাৰীয়ে সাধুকুমাৰৰ বদান্যতা অবিহনে কোনোবা যুগতে হয়তো অপৰিচয় আৰু অসন্মানৰ এন্ধাৰত পোত খাই গ'লহেঁতেন। হেৰুৱাই পেলাব লাগিলহেঁতেন মৰ্যাদাপূৰ্ণ জীৱনৰ সকলোখিনি।

সাধুকুমাৰৰ সম্পত্তি হিচাপেইতো গোভাৰ মাটিত ভৰি থৈছিল কনচাৰীয়ে। সাধুকুমাৰৰ ইচ্ছানিৰ্ভৰ এটা ভৱিষ্যৎ হাতত লৈ প্ৰৱেশ কৰিছিল গোভাৰ ৰাজানঃত।

কিমান দুৰ্বল আছিল সেই কনচাৰী। কিমান অসহায় আৰু নিৰুপায়। ইচ্ছা কৰা হ'লে সাধুকুমাৰে কনচাৰীৰ পৰা দাবী কৰিব পাৰিলেহেঁতেন ভোগযোগ্য শৰীৰটো। দাবী কৰিব পাৰিলেহেঁতেন কিনি অনা দাসীৰ আনুগত্য। কাঢ়ি ল'ব পাৰিলেহেঁতেন নাৰীৰ সকলোখিনি।

দাবী নকৰিলে।

গুচি গ'ল আম্চাই মাৰ্জঙৰ পুৰণি ৰাজানঃলৈ। কনচাৰীক দি থৈ গ'ল জীৱনজোৰা আত্মগ্লানি আৰু উপশমহীন মনোকষ্ট।

কাঢ়ি লোৱাৰ প্ৰশ্ন উত্থাপন নোহোৱাকৈয়ে কনচাৰীয়ে তেওঁৰ হাতত নিজক উজাৰি দিব পাৰিব লাগিছিল। সাধুকুমাৰে দীৰ্ঘদিনীয়া পৰীক্ষাৰ মাজেৰে সেই প্ৰাপ্তি অৰ্জন কৰিছিল।

তথাপিও কনচাৰীৰ হাতৰ মুঠি নুখুলিল। হাতৰ মুঠিত লুকুৱাই থোৱা ভালপোৱা আৰু কৃতজ্ঞতাৰ মুকুতাটো তুলি দিব নোৱাৰিলে সাধুকুমাৰৰ হাতত।

কোনোদিন একো ক'ব নোৱাৰিলে সাধুকুমাৰক। ক্ষমা অথবা ভালপোৱা একোৱেই খুজিব নোৱাৰিলে।

দুটা পৃথক ৰাজানঃত পাৰ হৈ গ'ল হেজাৰটা ব্যর্থ ৰাতি। হেজাৰটা নিঃসংগ দিন।

সেই দিনবোৰতেই অঙ্গৰাতীত ৰূপৰ অধিকাৰী কনচাৰীয়ে ব্রহ্মপুত্রৰ দক্ষিণপাৰৰ অনার্য বসতিত এক জীৱন্ত কিম্বদন্তীৰ ৰূপ পাইছিল। অনার্যসকলৰ লগত নিমিলা শাৰীৰিক গঠন, ব্যতিক্রম অতীত আৰু ত্যাগনিষ্ঠ বর্তমানেৰে। ধীৰে ধীৰে গঢ় লৈ উঠা ব্যতিক্রম ব্যক্তিত্বৰে। আজিৰ দিনটোতো লালুং, জয়ন্তীয়া, মিকিৰ, কছাৰীৰ কোনো এখন ৰাজ্যৰ ৰাজপৰিয়ালত কনচাৰীৰ দৰে কোনো নাৰী নাই। চুবুৰীয়া ভূঞাসকলৰ ৰাজ্যত অৱশ্যে আছে; কিন্তু গৃহাবদ্ধ সেই নাৰীসকলক সাধাৰণ প্রজাই নেদেখে, যেনেকৈ দেখে কনচাৰীক।

কনচাৰী গৃহাবদ্ধ নাৰী নহয়।

ৰাজকার্যত সক্রিয়ভাৱে জড়িত হৈ থকা নেতৃস্থানীয় নাৰী। তদুপৰি এই সমাজখনত সাধাৰণ নাৰীও গৃহাবদ্ধ নহয়— খেতিবাতি সকলো কামত আগভাগ লোৱা এটা মুকলি মুৰীয়া জীৱনৰ অধিকাৰী। সেয়েহে কনচাৰীক সকলোৱে দেখা পায়। দেখি অবাক হৈ চায়। দীর্ঘদেহ, উত্তপ্ত স্বর্ণৰ দৰে দেহৰ বর্ণ, তীক্ষ্ণ নাক আৰু আয়ত চকুযুৰিয়ে কাছ্যং ফাচকাই পিন্ধা কনচাৰীক প্রদান কৰিছে এক অসাধাৰণ সৌন্দর্য।

সোণজিৰাই আগেয়ে প্রায়েই কৈছিল—

'আপোনাক মেকড' বুলি কিন্তু দেখিলেই বুজা যায়।' 'আমাৰ লালুঙৰ বানাথবাথু পিন্ধিলে, লালুঙৰ থ্রং-ফাইলা কাণে-হাতে পিন্ধিলেনো কি হ'ব পাই? কাপোৰ-গহনাই জানো নাক-মুখ সলাব পাৰে?'

তাইৰ কথা শুনি কনচাৰীয়ে হাঁহিছিল। কৈছিল—

'চাই থাকচোন— লালুং যেন লাগে নে নালাগে। তই মাত্র মোক কথাবোৰ বুজাই যাবি আৰু দেখুৱাই চিনাই যাবি। ভুল হ'লে শুধৰাই দিবি কিন্তু নানাঃও।'

সোণজিৰাক দাসী বুলি কেতিয়াও ভবা নাছিল কনচাৰীয়ে। গোভাৰ ৰাজানঃৰ কাহানিও নেদেখা-নজনা মানুহবোৰ আৰু আচহুৱা জীৱনৰ মাজত সংকুচিত হৈ থকা দুখী আৰু নিঃসংগ কনচাৰীয়ে প্রান্তীয় গাঁও এখনৰ পৰা অহা সমবয়সীয়া সোণজিৰাক পাই যেন উশাহ বিচাৰি পাইছিল। নিজৰ ভাষাৰে কথা পাতিবলৈ পাই ৰাংঢালী সোণজিৰাক পৰমাত্মীয় যেন লাগিছিল কনচাৰীৰ।

সেই সময়ত প্রতিটো ৰাতি কনচাৰীৰ বুকুখন ঢিপ্‌ঢিপাই থাকিছিল সাধুকুমাৰৰ খোজ শব্দ শুনাৰ আশংকাত।

প্রায় জোৰ কৰি সোণজিৰাক নিজৰ লগত শুৱাইছিল সোণজিৰাই। মজিয়াত শুই থকা সোণজিৰাক দেখি সেই ৰাতিবোৰত কনচাৰীৰ ঈশ্বৰৰ ওচৰত থকা যেন লাগিছিল।

তাৰ পিচত দিনবোৰ বেলেগ হ'ল।

সাধুকুমাৰ গুচি গ'ল আম্চাই মার্জঙৰ ৰাজানঃলৈ। ৰিহা-মেখেলা এৰি কাছ্যং ফাচকাই পিন্ধি কনচাৰী ৰূপান্তৰিত হ'ল সলসলিয়াকৈ লালুং ভাষা ক'ব জনা গম্ভীৰ, দায়িত্বশীল, হাঁহিমুখীয়া কনচাৰীলৈ।

কিন্তু তিৰাশা সমাজৰ এজন হৈ পৰিবলৈ মনে-প্ৰাণে চেষ্টা কৰিলেও, গহনা-গাঁথৰি, সাজ-পোছাকেৰে একে হ'লেও কনচাৰীক দেখিলেই বুজা যায় তেওঁ এই সমাজৰ সম্পূৰ্ণ অংশ নহয়।

তেওঁ বেলেগ।

আৰ্য।

এতিয়া কনচাৰীৰ বয়স হৈছে। সকলোৰে আৰি হৈ পৰিছে। তথাপিও তেওঁৰ সমগ্ৰ অবয়ৱত জিলিক মাৰি উঠে আৰ্য ঐতিহ্যৰ ৰূপলেখা।

আৰ্য— আৰ্য—

এই শব্দটো নুশুনা কিমান বসন্ত পাৰ হৈ গ'ল— এই দেশত কিমানবাৰ ছ'গ্ৰা উৎসৱ হ'ল, কিমানবাৰ লাংখন ফুজা, কিমানবাৰ য়াংলি ফুজা হৈ গ'ল আৰি কনচাৰীৰ ভালকৈ কিজানি মনতো নাই। এই শব্দটো শুনি থকা দিনবোৰ আজিকালি তেওঁৰ অবাস্তৱ সপোনৰ দৰে লাগে। অবাস্তৱ যেন লাগে প্ৰবল প্ৰতাপী ৰজা প্ৰতাপচন্দ্ৰক। সুদূৰ ৰূপীপীঠৰ প্ৰতাপপুৰৰ দুৰ্গবেষ্টিত ৰাজধানীৰ অন্তেষপুৰত বাস কৰা ৰাজমহিষী চন্দ্ৰপ্ৰভাৰ অস্তিত্বকো লাগে অবাস্তৱ স্বপ্নৰ দৰে।

মহিষী— মহিষী—

আৰ্য— আৰ্য—

এই দুটা শব্দ ৰজা প্ৰতাপচন্দ্ৰৰ মুখত উচ্চাৰিত হৈছিল যেন ইষ্ট মন্ত্ৰৰ দৰে। নৱবিবাহিতা ৰাণী চন্দ্ৰপ্ৰভাক তেওঁ মৰমতে মহিষী বুলি মাতিছিল। আৰ্য-ক্ষত্ৰিয়ৰ গৰ্বেৰে গৰ্বিত প্ৰতাপচন্দ্ৰই প্ৰায়েই নিজকে আৰ্য নৰপতি বুলি গৰ্বেৰে পৰিচয় দিছিল। তেওঁৰ জীৱন আৱৰ্তিত হৈছিল ৰাজ্য আৰু চন্দ্ৰপ্ৰভাক কেন্দ্ৰ কৰি।

ৰাজ্য বিস্তাৰৰ প্ৰতি তেওঁৰ আছিল ক্ষত্ৰিয়সুলভ প্ৰচণ্ড দুৰ্বলতা। এই শক্তিশালী অভিলাষৰ বাবেই বিশ্বনাথৰ পৰা মাজুলীলৈ বিস্তৃত হৈ পৰিছিল গৌড়ৰ পৰা অহা আৰ্য ক্ষত্ৰিয় ধৰ্মপালৰ বংশধৰ প্ৰতাপচন্দ্ৰৰ ৰাজ্য। দিখৌৰ পাৱৰ ৰাইজবো আনুগত্য প্ৰতাপচন্দ্ৰই লাভ কৰিছিল। এই অভিলাষ কিছু স্তিমিত হৈছিল চন্দ্ৰপ্ৰভাক বিয়া কৰোৱাৰ পিচতহে। চন্দ্ৰপ্ৰভাৰ ৰূপ-যৌৱনে প্ৰতাপচন্দ্ৰক যেন বিৱস কৰি পেলাইছিল।

ৰ'দ উফৰি যোৱা সোণৰ ৰূপৰ বনকৰা পাট কাপোৰে, মণিমাণিক খটোৱা

স্বর্ণলংকাৰে, উত্তপ্ত সোণৰ দৰে ৰঙৰ গাত অপার্থিৰ সৌন্দর্যৰ সৃষ্টি কৰি প্রতাপচন্দ্রৰ হৃদয় এনেকৈ জয় কৰি পেলাইছিল যে চন্দ্রপ্রভাক বাদ দি তেওঁ পৰাপক্ষত ক'লৈকে নগৈছিল। আনকি ৰাজকার্যৰ মাজতো মাজে মাজে সভা স্থগিত ৰাখি অন্তেষপুৰত শয়নকক্ষত চন্দ্রপ্রভাৰ সৈতে কিছুসময় কটাই গৈছিল প্রতাপচন্দ্রহ।

তেতিয়া কিমাননো বয়স আছিল চন্দ্রপ্রভাৰ।

চন্দ্রপ্রভাৰ যেতিয়া বিয়া হৈছিল তেতিয়া শহুৰৰজা সোমপালৰ মৃত্যু হোৱা বেছিদিন হোৱা নাছিল। প্রতাপগড়ৰ অভ্যন্তৰত ন-কইনা ৰূপেৰে যেতিয়া প্রৱেশ কৰিছিল তেতিয়া চন্দ্রপ্রভা কৈশোৰ অতিক্রম কৰি যৌৱনৰ দুৱাৰদলিত থিয় হোৱা একোৰেই আওভাও নোপোৱা এজনী অতি নম্র, অতি সৰল, অতি আনুগত্যপৰায়ণ কিশোৰী আছিল। স্বামীক পৰম গুৰুৰূপে পূজা কৰাৰ প্রশিক্ষণেৰে প্রশিক্ষিত চন্দ্রপ্রভাই প্রতাপচন্দ্রৰ চৰণ স্পর্শ নকৰাকৈ ৰাতিপুৱা মাটিত ভৰি নথৈছিল। এজনী দাসীৰ দৰে স্বামীক সেৱা কৰাই একমাত্র কর্তব্য বুলি জানি স্বামী সেৱাতেই মন-প্রাণ সঁপি দিছিল। অপৰিণত শৰীৰ লৈ অন্তেষপুৰত প্রৱেশ কৰা চন্দ্রপ্রভাক খুব কম দিনৰ ভিতৰতে প্রতাপচন্দ্রৰ মৰমবোৰে আঁহ-পাঁহ মুকলি কৰি এপাহ পদুমলৈ ৰূপান্তৰিত কৰিছিল। প্রবলপ্রতাপী প্রতাপচন্দ্র হৈ পৰিছিল পত্নীপ্রাণ স্বামী। মহিষীৰ মুগ্ধ প্রেমিক।

কিন্তু অলপ যেন বেছি মুগ্ধ।

অলপ যেন বেছি আবেগিক।

মাজে মাজে প্রতাপচন্দ্রৰ মৰমবোৰে পিতৃগৃহত কিছু মুকলিমুৰীয়াকৈ ডাঙৰ হোৱা চন্দ্রপ্রভাৰ যেন উশাহ বন্ধ কৰি পেলাব খুজিছিল।

'মইনো ইমান ধুনীয়ানে?'

সোণৰ দর্পণত মুখ চাই স্বামীৰ প্রশংসাধন্য চন্দ্রপ্রভাই নিজকে নিজে আচৰিত হৈ সুধিছিল। প্রতিটো অন্তৰংগ মুহূর্তই আছিল যেন প্রতাপচন্দ্রৰ উদ্ভ্রান্ত আদৰ, মুগ্ধ দৃষ্টি আৰু প্রশস্তি বাণীৰে ভৰপূৰ।

প্রতাপচন্দ্রই প্রায়েই কৈছিল—

'মই অনেক ৰূপৱতী নাৰী দেখিছো মহিষী। কিন্তু তোমাৰ দৰে কোনো নাই। তুমি বেলেগ। অপূর্বা। অসামান্যা। অমৰাৱতীৰ অপ্সৰা জানো তোমাতকৈ বেছি ধুনীয়া? নহয় কিজানি মহিষী।'

সেই প্রশংসা বাণীত তৃপ্তিৰে মন উপচি পৰিলেও লাজত মুচকচ যোৱা যেন হৈছিল ন-গাভৰু চন্দ্রপ্রভা।

'আপোনাতকৈ মই বেছি সৌভাগ্যৱতী আর্যপুত্র। আপোনাৰ দৰে সুপুৰুষ আৰু বীৰ ৰজা কিমান নাৰীয়ে লাভ কৰে?'

চন্দ্রপ্রভাৰ বিনয় আৰু সন্তুষ্টিয়ে ৰজা প্রতাপচন্দ্রকো সন্তুষ্ট কৰিছিল। এক মদালসা

নাৰীক নিজৰ যৌৱনেৰে পৰিতৃপ্ত আৰু পৰাভূত কৰিব পৰাৰ পৰিতৃপ্তিয়ে তেওঁৰ মুখখন পোহৰ কৰি তুলিছিল। কৈছিল—

'এখন বিশাল ৰাজ্যৰ ৰাজেশ্বৰী হোৱাৰ গৌৰৱ তোমাৰ প্ৰাপ্য মহিষী। তুমি প্ৰবলপ্ৰতাপী ৰজা প্ৰতাপচন্দ্ৰৰ মহিষী। জিতাৰী বংশীয় ৰজা ধৰ্মপালৰ উত্তৰপুৰুষ তোমাৰ যোগেদিয়ে পৃথিৱীলৈ আহিব। এই ঐতিহ্যময় আৰ্যবংশৰ ধাৰা তুমিয়েই বহন কৰিব লাগিব। তাৰ বাবে নিজক সকলোফালৰ পৰা প্ৰস্তুত কৰি তোলা। যাতে তুমি তোমাৰ সৌন্দৰ্য আৰু গুণাৱলীৰে এই বংশক আৰু অধিক গৰিমা প্ৰদান কৰিব পাৰা।'

ৰাণী চন্দ্ৰপ্ৰভাক বুকুত সাবটি লৈ মৰমেৰ উপচাই দিছিল ৰজা প্ৰতাপচন্দ্ৰই। সেই মৰমত যেন লুকাই আছিল ক্ষত্ৰিয় পুৰুষৰ অহংকাৰ। লগতে যেন মিহলি হৈ আছিল কিছু অনিশ্চয়তা। অনাহক কিছু সন্দেহ।

তেনে যেনেই লাগিছিল ৰাণী চন্দ্ৰপ্ৰভাৰ।

নিজৰ পৌৰুষৰ ওপৰত সম্পূৰ্ণ আস্থা যেন প্ৰতাপচন্দ্ৰৰ নাছিল। পত্নীৰ সন্তুষ্টিক লৈ তেওঁ যেন কিছু অনিশ্চয়তাত ভুগিছিল। তেওঁৰ অধিকাৰবোধৰ আধিক্যত তেওঁক মাজে মাজে সন্দেহপ্ৰবণ যেনো লাগিছিল চন্দ্ৰপ্ৰভাৰ। অৱশ্যে কেতিয়াবাহে। এই অত্যধিক অধিকাৰবোধক চন্দ্ৰপ্ৰভাই অতিমাত্ৰা মৰমৰ চিন বুলিয়েই গণ্য কৰিছিল।

ৰাজসভা চলি থকাৰ মাজতে প্ৰায়েই অন্তেষপুৰলৈ কিছু সময়ৰ বাবে গুচি অহা প্ৰতাপচন্দ্ৰক দেখি ৰাজগৃহৰ দাস-দাসীসকলৰ চকুবোৰত তিৰ্‌বিৰাই উঠা কৌতুক চন্দ্ৰপ্ৰভাই দেখিছিল। দেখিছিল ৰাজমাতাৰ চকুত ফুটি উঠা বিৰক্তি আৰু অসন্তোষ। লাজ[illegible] মুচকচ যোৱা যেন হ'লেও প্ৰতাপচন্দ্ৰক চন্দ্ৰপ্ৰভাই একো ক'ব নোৱাৰিছিল। তেওঁ নিজেও যে আছিল প্ৰতাপচন্দ্ৰৰ পৌৰুষ আৰ সৌন্দৰ্যৰ বিবস অনুৰাগিণী।

'আবি।'

মাৰগি খামছামাই এজনীৰ মাত শুনি বাস্তৱলৈ উভতি আহিল আবি কনচাৰী। উভতি আহিল অন্য এক জন্মলৈ। অন্য এক জীৱনলৈ। য'ত পাটকাপোৰ পিন্ধা ৰাণী চন্দ্ৰপ্ৰভা নাই। আছে কাছ্যং ফাচকাই পিন্ধা আবি কনচাৰী।

'সোণজিৰা আছি আহিছে।' খামছামাইজনীয়ে তলমুৰ কৰি লাহেকৈ ক'লে।

বাক্য নহয় যেন তীৰবেগে উৰি আহিল জুইৰ এপাট কাঁড়।

সোণজিৰা বয়সত কনচাৰীৰ সমসাময়িক হ'লেও তেওঁক বেছিভাগেই মাহী বুলিয়েই মাতে। খলাৰ ৰজা জকাংকই সোণজিৰাক আছি বুলি মতা কাৰণেই সোণজিৰা লাহে লাহে সকলোৰে মাহী হৈ.পৰিছে।

সোণজিৰা আজিকালি গোভাৰ ৰাজানঃত নাথাকে। বহু বছৰ ধৰি তাই খলাৰ ৰাণী গংগাৱতীৰ সহচৰী হৈ আছে। কেঁচুৱাকালৰ পৰা প্ৰতিপালন কৰিছে গংগাৱতীৰ পুত্ৰ জকাংকক।

সোণজিৰাক নিজেই লৈ গৈ গংগাৱতীৰ হাতত গটাই থৈ আহিছিল কনচাৰীয়ে। কনচাৰী তেতিয়াও আবি হোৱা নাছিল। কিন্তু আবি হোৱাৰ সপোন এটাই শোকৰ মোনা এখনত সোমাই বাহিৰলৈ ওলাবলৈ উকমুকাবলৈ ধৰিছিল।

তেতিয়াই— ঠিক তেতিয়াই ঘটিছিল ঘটনাটো।

ঘটনাটো নহয়— ঘটনাবোৰ।

এটা প্রচণ্ড বা-মাৰলিয়ে আহি কনচাৰীক যেন আকৌ এবাৰ মহতিয়াই গৈছিলহি।

'আবি।' মাৰগি খামছামাইজনীয়ে আকৌ মাতিলে।

'অ'— যা— সোণজিৰা আছিক ইয়ালৈকে লৈ আহগৈ।'

'দ'— আবি।' সন্মতিসূচকভাৱে মূৰ দুপিয়াই খামছামাইজনী গ'লগৈ। অন্যমনস্কৰ দৰে খোপাটো বান্ধি বান্ধি বিছনাৰ পৰা নামি আহি খিড়িকীমুখত থিয় হ'ল আবি কনচাৰী।

ৰাজানঃত আজি ব্যস্ততা নাই। শূন্য হৈ আছে বাহিৰখন। শোকস্তব্ধ মানুহবোৰ সোমাই আছে ৰাজানঃৰ ওচৰে-পাঁজৰে থকা নিজা নিজা ঘৰবোৰত।

প্রিয়ৱজা মৃগাংকৰ মুণ্ডহীন শৱদেহ দাহ হৈ গ'ল। হাথামলৈ সেই মুণ্ডহীন দেহ চাঙাত উঠাই দাহ কৰিবলৈ লৈ যাওঁতে গোটেই ৰাজ্য যেন শোকত ভাগি পৰিছিল। হাথামৰ নির্দিষ্ট ঠাইটুকুৰা ৰাইজে অনা বাঁহ-কাঠেৰে পাহাৰ হৈ গৈছিল। কেঁঙাদিয়ে চিতাত জুই দিওঁতে প্রথমতে শোকত স্তব্ধ হৈ গৈছিল সকলোবোৰ। তাৰ পিচত মানুহবোৰে হিয়া ভুকুৰাই কান্দিছিল।

কন্দা নাছিল মাত্র আবি কনচাৰীয়ে।

গোভাৰ ৰাজানঃত নিজৰ কোঠালিত স্তব্ধ হৈ বহি আছিল কনচাৰী।

তেনেকৈয়ে বহি আছে এতিয়ালৈকে। একো খোৱা নাই। শোৱা নাই।

এক অসম্ভৱ শূন্যতাই তেওঁক স্তব্ধ কৰি তুলিছে। তেওঁৰ এনে লাগিছে যেন চিৰদিনলৈ তেওঁ হেৰুৱাই পেলাইছে জীয়াই থকাৰ শক্তি।

কৰমৰ কাৰণে ইটো-সিটো সুধিবলৈ আহি উভতি গৈছে ল'ৰ', জেলা বাৰ', চামাদিৰ চাংদলৈ, চাংমাজি, মুখিয়াল গাঁওসমূহৰ দলৈসকল। কোনেও কনচাৰীক লগ পোৱা নাই।

নিশ্চুপ হৈ বহি আছে কনচাৰী।

সোণজিৰা নহ'লে এনেকৈয়ে আৰু কিমান সময় কটালেহেঁতেন কোনে জানে।

সোণজিৰাৰ নামটোৱে কনচাৰীক যেন জোকাৰি জগাই দিছে। এক অদ্ভুত অনুভূতিয়ে অস্থিৰ কৰি তুলিছে তেওঁক।

কিয় আহিছে সোণজিৰা? কি আছে তাইৰ ক'বলগা? সকলোখিনিয়েইতো শেষ হৈ গ'ল কনচাৰীৰ। এটা মুণ্ডহীন দেহৰ দাহন হৈ যোৱাৰ পিচত পুৰি ছাই হৈয়েইতো

গ'ল আৰি কনচাৰীৰ আনন্দৰ অকণমানি ভঁৰালটো।

অতবোৰ বছৰে খলা আৰু গোভাৰ মাজত যোগসূত্ৰ ৰক্ষা কৰি চলিছিল সোণজিৰাই। নহয়— গোভা আৰু খলাৰ মাজত নহয়— সোণজিৰা আছিল খলা ৰাজ্যৰ ৰাণী গংগাৱতী আৰু কুমৈ, বঘৰাৰ ৰাজমাতা কনচাৰীৰ মাজৰ যোগসূত্ৰ। সোণজিৰাই অতবোৰ বছৰে কনচাৰীৰ মৰম, আশীৰ্বাদ আৰু পৰামৰ্শবোৰ গংগাৱতীলৈ আৰু গংগাৱতীৰ দ্বন্দ্ব-যন্ত্ৰনা আৰু প্ৰশ্নবোৰ কনচাৰীলৈ কঢ়িয়াই আনিছিল।

আজি কি আনিছে সোণজিৰাই?

কি আনিছে আজি?

কেইটামান প্ৰহৰ আগতে দাহ কৰা দেহটোৰ দাহ নোহোৱা শিৰখণ্ড? কনচাৰীৰ বুকুত দাউ দাউকৈ জ্বলি থকা জুইকুৰাত ঘৃতাহুতি দিবলৈ?

কি কৰিব? কি কৰিব এতিয়া আৰি কনচাৰীয়ে? কেনেকৈ মুখামুখি হ'ব সোণজিৰাৰ? যি সোণজিৰা হত্যাকাৰী জকাংকৰ ধাতৃ?

'পাই।'

সোণজিৰাৰ কম্পিত মাতটো শুনি কনচাৰীয়ে মুখ ঘুৰাই চালে। মলিন ফাছকাই কাছ্যং পিন্ধা সোণজিৰাৰ ক্লান্ত, বয়সকুঞ্চিত মুখত বিষাদৰ মেঘ যেন থম মাৰি আছে। অনেক অশ্রু আৰু আর্তনাদ যেন ভেটা ভাঙো ভাঙো হৈ গোট খাই আছে।

খিড়িকী কাষৰ পৰা সোণজিৰাৰ ওচৰলৈ আহিল কনচাৰী।

ভনীৰ স্নেহ পালেও সোণজিৰাই কেতিয়াও নিজৰ স্থিতি পাহৰি যোৱা নাই। তাই মাৰগি খামছামাই হৈ কনচাৰীৰ ওচৰলৈ আহিছিল। কথা-বতৰাত বন্ধু আৰু ভগ্নীসুলভ হৈ পৰিলেও আচৰণত এতিয়াও খামছামায়েই হৈ আছে সোণজিৰা।

ওচৰলৈ অহাৰ লগে লগে কনচাৰীৰ ওচৰত আঁঠুকাঢ়ি বহি পৰিল সোণজিৰা।

'মই জকাংকক মানুহ কৰিব নোৱাৰিলো পাই— কি কৰিলে সি চাওঁকচোন। কেনেকৈ সকলো নষ্ট কৰি পেলালে সি।'

সাঁচি ৰখা চকুপানীৰ বান্ধ ভাগি গৈছে।

হাহাকাৰ কৰি কান্দি উঠিল সোণজিৰাই। থিয় হৈ থাকি কান্দি থকা সোণজিৰালৈ বহুত সময় স্তব্ধ হৈ চাই থাকিল কনচাৰীয়ে।

কান্দক। কান্দি কান্দি মনটো পাতল হওক।

কনচাৰীয়ে ভাবিলে আৰু কিয়জানো সোণজিৰালৈ সূক্ষ্ম এক ঈর্ষা অনুভৱ কৰিলে।

মাৰগি খামছামাই এজনীয়ে গৰাকীৰ আগত মন খুলি কান্দিব পাৰে। কান্দি কান্দি আজৰাই পেলাব পাৰে দুখৰ ভাৰ। কিন্তু ৰাজমাতা কনচাৰীয়ে হিয়া ভুকুৰাই কন্দাৰ উপায় নাই। তেওঁ ভাগি পৰিলে যে ভাগি পৰিব ৰাজ্যৰ মানুহবোৰ। আৰম্ভ হ'ব বিশংখলা। উত্তেজিত মানুহবোৰে আক্রমণ কৰিব পাৰে জনশক্তিত, সমৰ শক্তিত

দুর্বল খলাৰাজ্য। হত্যা কৰিব বাৰে জকাংকৰ মাতৃকুলৰ সকলোকে। সেয়েহে কনচাৰীয়ে ধৈর্য ধৰিব লগা হৈছে। বহু বছৰ আগতে সাধুকুমাৰৰ নেতৃত্বত হ'বলগা এখন ৰণ যি ধৈর্যেৰে বন্ধ কৰিছিল— তেনেকৈয়ে ধৈর্যৰে বন্ধ কৰিবলগীয়া হৈছে সম্ভাব্য ৰক্তপাত।

সোণজিৰাৰ পিঠিত লাহেকৈ নিজৰ শীর্ণ সোণবৰণীয়া হাত দুখন থ'লে কনচাৰীয়ে। ধীৰভাৱে ক'লে—

'উঠ নানাঃও। নাকান্দিবি।'

খামছামাইজনীয়ে ফুলৰ মৰ থকা ঢাৰি এখন পাৰি দিছিল।

'উঠ নানাঃও— এই আমছাখনত বহ। আইকণ আছিলৈ পানী লৈ আহ। নে জু অলপ খাবি সোণজিৰা? শক্তি পাবি। যা আইকণ জুৰেই লৈ আহ।'

'আপোনালৈ আনিমনে আবি? আপুনিওতো এতিয়ালৈকে পানী এটোপাও খোৱা নাই।' খামছামাইজনীয়ে ক'লে।

কনচাৰীয়ে একো নামাতিলে। অলপ সময় ৰৈ থাকি আইকণ গ'লগৈ। অলপ সময় মনে মনে থাকি কনচাৰীয়ে লাহে লাহে ক'লে—

'নানাঃও— চকুপানী মচ— তোৰ পাইলৈ চাচোন— তোৰ এই পাইজনীতকৈ দুর্ভগীয়া আৰু কোন আছে? তোৰ পাইক কাহানিবা জানো কন্দা দেখিছ? তয়ো নাকান্দিবি নানাঃও। মই তোক জকাংকৰ জন্মৰ পিচত খলাত থৈ আহোতে কি কৈছিলো মনত নাই? সি দেউতাক নোহোৱা ল'ৰা। লালুং সমাজত তাৰ দৰে ল'ৰা নাই। তাক মৰমেৰে ডাঙৰ কৰিবি— আমাৰ সমাজৰ কথাবোৰ শিকাবি। তই তোৰ কাম ভালদৰে কৰিছ। মই জানো। জকাংকই মৃগাংকক মাৰিলে। তাৰ কি দোষ নানাঃও? সি জানো সঁচা কথাবোৰ জানিছিল?'

'জানো পাই— জানো। তথাপিও তাক শাওপাত দিবলৈ মন যায়। মইতো মৃগাংককো ডাঙৰ কৰিছিলো পাই। মৃগাংক জানো মোৰ কম মৰমৰ আছিল?'

'জানো নানাঃও। তোৰ দুখ মই বুজো। সেই কাৰণেই কৈছো— তইতো সকলো কথা বুজ। জকাংকক তই এই সময়ত আশ্রয়হে দিব লাগে।'

'মই আপোনাৰ দৰে সহিব নোৱাৰো পাই। তাৰ কাৰণে মোৰ ল'ৰাকণ মৰিল। মোৰ ছাঃজ গংগাৱতীওযে শুচি গ'ল পাই। জকাংকক শাওপাত দি মনৰ দুখ সহিব নোৱাৰি মৰি গ'ল।'

আকৌ এবাৰ কান্দোনত ভাগি পৰিল সোণজিৰা।

'কি কৈছ তই নানাঃও? গংগাৱতী—' কথা ক'ব খুজিও ক'ব নোৱাৰি ৰৈ গ'ল কনচাৰী। প্রচণ্ড শোকৰ আন এটা শক্তিশালী ঢৌৱে আকৌ এবাৰ তেওঁৰ বুকুখন মোহাৰি সামৰি পেলালেহি।

সেই সুন্দৰ মুখৰ ছোৱালীজনী— শোক সহিব নোৱাৰি শুচি গ'ল পৃথিৱী এৰি?

অনেক স্মৃতি, বিষাদ আৰু মৰমৰ অনেক মুহূর্তৰ ছবিবোৰে জুমুৰি খাই ধৰিছেহি। কান্দি থকা সোণজিৰাৰ ওচৰত প্রস্তৰ মূর্তিৰ দৰে থিয় হৈ আছে কনচাৰী।

এটা সময়ত শিলীভূত কনচাৰী আকৌ সচল হৈ উঠিল। সোণজিৰাক দুহাতেৰে ধৰি থিয় কৰাই ধীৰভাৱে ক'লে কনচাৰীয়ে—

'চকুপানী মচ নানাঃও। মোক ক' কি হৈছিল। আহ। মোৰ ওচৰত— বিছনাতে বহ। আহ।'

জোৰ কৰি বিছনাত বহুৱাই কনচাৰীয়ে সোণজিৰা স্থিৰ হোৱালৈ শান্তভাৱে বৈ থাকিল। এটা সময়ত সোণজিৰাই মূৰ তুলি চালে। ধাৰাসাৰে বৈ অহা চকুপানী মচিবৰ চেষ্টা নকৰি কান্দোন বিজড়িত মাতেৰে ক'লে—

'গংগাৱতী ছাঃজই জকাংকক আপোনাৰ কথা কৈছে। পুৰণি কথাবোৰো অলপ কৈছে। কৈ শেষ কৰিব নোৱাৰিলে পাই। তাক কৰম কৰাৰ অধিকাৰো নিদিলে ছাঃজই। এই দুদিন সি জ্বৰ খাইছে আৰু কান্দিছে। মোকো যিহকে মুখত আহে তাকে কৈছে। আজি আপোনাৰ ওচৰলৈ আহিম বুলি কৈছে। মই পুৱাতে উঠি ল'ৰি ল'ৰি গৈ মাউত এটাক জগাইছো। হাতী লৈ আহিছো। সি আহিলে গোভাৰ মানুহে তাক জানো শুদাই এৰিব? মাৰি পেলাব তাক। জ্বৰ খাই ক'ব নোৱাৰা হৈ আছে সি। যুঁজ দিবই নোৱাৰিব। খলাৰ সকলোৱে কথাবোৰ গম পাইছে। ৰাজানঃৰ পৰা সি বাহিৰেই ওলোৱা নাই, — জ্বৰ খাইছে আৰু কান্দিছে— খাইছে আৰু কান্দিছে।'

সোণজিৰাৰ কথা শেষ হোৱাৰ আগতেই ৰাজানঃৰ বাহিৰৰ পৰা চিঞৰ-বাখৰৰ শব্দ[illegible]ভাঁহি আহিল।

সোণজিৰা আৰু কনচাৰী থিয় হ'ল। বিমোৰৰ দৰে দুয়ো দুয়োৰে মুখলৈ চালে।

মাৰগি খামছামাই এজনী উধাতু খাই সোমাই আহিল।

'আবি— বাহিৰত গোণ্ডকুল লাগিছে। খলাৰ ৰাজা আহিছে বোলে। আমাৰ ৰখীয়াই মাৰিব গৈছে।'

কাকো একো নকৈ উদ্ভ্রান্তৰ দৰে দৌৰি যোৱাদি ওলাই গ'ল কনচাৰী। সোণজিৰাও। কনচাৰী যেতিয়া বাহিৰলৈ ওলাই গৈছে তেতিয়া গোভাৰ ৰাজানঃৰ ৰক্ষীসকলে ঘেৰি ধৰিছিল নিচাগ্রস্ত জকাংকক আৰু লগত অহা দেহৰক্ষীকেইজনক।

খলাৰ ৰজা জকাংক নিচাগ্রস্ত। শোকার্ত। কিন্তু ভীৰুতো নহয়। সমৰকলাত সুদক্ষ তেওঁৰ দেহৰক্ষীসকল।

তুমুল ৰণৰ মাজলৈ উধাতু খাই সোমাই গ'ল আবি কনচাৰী আৰু সোণজিৰা।

'বন্ধ কৰ— যুদ্ধ বন্ধ কৰ।' আর্তনাদ কৰি উঠিল কনচাৰীয়ে।

সোণজিৰা আৰু কনচাৰীক দেখি হাতৰ অস্ত্র হাততে ৰাখি অবাক হৈ চাইছিল জকাংকই। মুহূর্তৰ অন্যমনস্কতা।

এজন সৈন্যৰ হাতৰ শাণিত খাংৰাৰ ঘাপ পৰিল জকাংকৰ কান্ধত। জকাংকই বিদ্যুৎবেগে আঁতৰি দিয়াত ঘাপটো পিচলি বাহু চুই নামি আহিল।

'নামাৰিবি— নামাৰিবি'

আর্তনাদ কৰি উঠিল কনচাৰী আৰু সোণজিৰাই।

দুই পক্ষৰ সৈন্যসকল সেই 'চিঞৰত থমকি ৰ'ল। অবাক হৈ উভতি চালে। উদ্ভ্রান্তৰ দৰে ল'ৰি গৈ জকাংকৰ ৰক্তাক্ত হাতখনত খামুচি ধৰিলেগৈ কনচাৰীয়ে। তাৰ পিচত অবাক, স্তব্ধ হৈ থিয় হৈ থকা সৈন্যসকললৈ চাই চকুপানীত তিতি যোৱা মাতেৰে ক'লে—

'নামাৰিবি— তাক নামাৰিবি— সি আমাৰ আপোন মানুহ।'

আপোন মানুহ!

বজ্রাহত ৰখীয়াবোৰে হাতৰ অস্ত্র নমাবলৈ পাহৰি নিথৰ হৈ আবি কনচাৰীলৈ চাই থাকিল।

কনচাৰীলৈ চাই আছিল জকাংকই। নিচাগ্রস্ত, শোকার্ত আৰু নিদ্রাহীন ৰক্তাভ চকুযোৰ ফাটি চকুপানীৰ সলনি যেন বাগৰি আহিব খুজিছিল তেজৰ ধাৰ।

কনচাৰীয়ে জকাংকলৈ চালে। সংহত আৰু গম্ভীৰ মাতেৰে ক'লে—

'ঘোঁৰাৰ পৰা নাম ছ্যা।'

যন্ত্রচালিতৰ দৰে ঘোঁৰাৰ পৰা নামিল জকাংক। চাই থাকিল কনচাৰীৰ চকুলৈ।

'কোনো প্রশ্ন নকৰিবি। সেইবোৰ পিচত। আহ।'

জকাংকৰ হাতত ধৰি অবাক, নিথৰ এজাক মানুহৰ মাজেৰে কনচাৰী ৰাজানঃৰ ভিতৰলৈ সোমাই আহিল।

২

'আইআমা'

বিষত কেঁকাই উঠিল ৰজা জকাংকই। আবি কনচাৰীৰ বনদৰৱ লগাই থকা হাতখন ৰৈ গ'ল। জকাংকলৈ এপলক মূৰ তুলি চালে। তাৰ পাচত আকৌ দৰব লগাই লগাই ক'লে—

'তেজবোৱা কিবাকৈ ৰ'ল। খুব বিষাইছে জকাংক?'

'নাই— কি দৰব লগাইছে— বৰকৈ চেক্‌চেকাইছে।' বিষাইছে বুলিবলৈ বেয়া পাই লাহেকৈ ক'লে জকাংকই।

'অলপ সময় সহি থাক— কমি যাব।'

জকাংকই একো নক'লে। ওঁঠ কামুৰি সহিবলৈ চেষ্টা কৰি কৰি জকাংকই দৰব লগাই থকা আবি কনচাৰীৰ মুখলৈ একেথৰে চাই থাকিল।

এইজনী তাৰ আবি!

তাৰ ইমান ধুনীয়া, ইমান মৰমীয়াল, ইমান ব্যক্তিত্বশালী এগৰাকী আবি আছিল! ইমান ওচৰৰ গোভাতেই আছিল! অতবোৰ বছৰত এবাৰো কাৰো মুখত নুশুনিলে জকাংকই। কোনেও নক'লে তাক।

ইমানদিনে নিজকে সি পিতৃহীন বুলিয়েই জানি আহিছিল। খলা ৰাজ্যৰ বাহিৰত তাৰ যে আৰু কোনোবা আত্মীয় থাকিব পাৰে সেই কথা সি সপোনতো ভবা নাছিল।

অৱশ্যে খলা ৰাজ্যতো তাৰনো কোন আছিল আপোন বুলিবলৈ? মাকৰ বাহিৰে? সোণজিৰা আছি আছিল। আপোনৰ দৰেই। হয়তো আপোনতকৈও বেছি।

মাক গংগাৰতীয়ে তাৰনো কিমান যত্ন লৈছিল? কিমাননো খবৰ ৰাখিছিল?

বেছিভাগ সময় মাকক সি সৰুৰে পৰা অকলে অকলে থকাই দেখিছিল। তাৰ লগতো মাকে বৰবেছি কথা-বতৰা নাপাতিছিল। ৰাজ্যৰ ৰাণী হ'লেও ৰাজ্য পৰিচালনাৰ ক্ষেত্ৰত কোনো আগ্রহো মাকৰ ক্ষেত্ৰত দেখা নাছিল জকাংকই। খলাৰ অভ্যন্তৰৰ গাঁওসমূহৰ মুখীয়াল দলৈসকলেই অনানুষ্ঠানিকভাৱে ৰাজ্য পৰিচালনাৰ সকলো সিদ্ধান্ত লৈ ৰাণী গংগাৰতীৰ পৰা অনুমোদন লৈছিল। প্রধান সেনাপতি আৰু অন্যান্য বিষয়াসকল অতি

বিশ্বস্ত হোৱা বাবে আৰু ৰাজ্যৰ সমাজগাঁঠনি ঠিকে থকা বাবেই খলা ৰাজ্য সুকলমে চলি আছিল।

এনেয়ো ৰজাসকলে দলৈসকলৰ ওপৰতেই নির্ভৰ কৰি চলিব লাগে। সেইদৰে দলৈসকলে নির্ভৰ কৰিব লাগে গাঁৱৰ বুঢ়া-মেথাসকলৰ মতৰ ওপৰত। বুঢ়াখেলৰ ওপৰত। ডেকাসকলৰ ডেকাচাঙৰ বা ছামাদিৰ বিষয়ববীয়া চাংদলৈ, চাংমাজি আদিৰ সহযোগ অবিহনেও দলৈসকল ক্ষমতাহীন হয়। লালুং ৰাজ্যসমূহৰ সকলোতে প্রায় একে নিয়ম। ৰাইজেই ৰজা। সমাজেই প্রধান। সেয়ে খলাৰ ৰাজ্য পৰিচালনাতো গংগাৱতীৰ ঔদাসীন্য সত্ত্বেও কেতিয়াও কোনো আউল লগা নাছিল।

গংগাৱতী যেন থাকিও নাই।

জকাংকৰ দায়িত্ব সোণজিৰাক দি গংগাৱতীয়ে যেন জগতৰ বাস্তৱতাৰ পৰা আঁতৰি এক ৰহস্যময় নিঃসংগতাত বাস কৰিছিল।

বুজা হোৱাৰ পৰা লাগ বুলিলেই সোণজিৰাকেই ওচৰত পাইছিল জকাংকই। মাকৰ ওচৰলৈ কেতিয়াও যাওঁ নুবুলিছিল জকাংকই। মাকক অত্যন্ত ভাল পালেও সম্পর্কটো ঘৰুৱা আৰু সহজ নহৈ কিছুদূৰ সৌজন্যমূলক হৈ পৰিছিল। মাকৰ ওচৰলৈ গ'লেও আগতীয়া অনুমতি লৈ যোৱা, সসম্ভ্রমে কথা পতা আদি ডাঙৰ হোৱাৰ লগে লগে জকাংকই নিজে নিজেই শিকি পেলাইছিল।

অৱশ্যে তাৰ চৌপাশৰ পৰিবেশেও তাক তেনে কৰি তুলিছিল।

আন ডেকাবোৰৰ দৰে ছামাদিত জকাংকই ডেকাকালটো কটোৱা নাছিল। সেই সময়ছোৱা পাৰ হৈছিল প্রধান সেনাপতিৰ তদাৰকত। সমৰকলাৰ প্রশিক্ষণত। অস্ত্রশিক্ষাত।

জকাংকৰ ডেকা কালটো যেন কোনো সামৰিক শিবিৰৰ প্রশিক্ষণ কালহে। ডেকাচাঙত পুৰণি চামৰ পৰা নতুন চামে শিকিবলগীয়া কথাবোৰ জকাংকই শিকিবলৈ পোৱা নাছিল। সমাজৰ বিষয়ে, সামাজিক আচাৰ-আচৰণ, বিশ্বাস, জীৱনপ্রণালী সম্পর্কে জকাংকৰ যি জ্ঞান, সেই জ্ঞান সোণজিৰাৰ পৰা পোৱা।

সোণজিৰাই যেন শিকাও বুলিয়েই তাক কথাবোৰ শিকাইছিল।

তেনেকৈয়ে সুখী আছিল জকাংক। আবদ্ধ কিন্তু প্রকৃতিৰ ওচৰচপা অকলশৰীয়া জীৱনটোৱেই তাৰ স্বাভাৱিক যেন লাগিছিল। তাৰ মনত কেতিয়াও কোনো প্রশ্নৰ জন্ম হোৱা নাছিল।

কিন্তু কি হৈ গ'ল।

তাৰ বুকুৰ মাজত কেনে এপাট শেল বহুৱাই থৈ গ'ল মৃত্যুমুখী মাকে। কিমানবোৰ প্রশ্ন তাৰ মনত জন্ম দি থৈ গ'ল। এই প্রশ্নবোৰে বলিয়া কৰি পেলাইছে জকাংকক। নিজৰ ধুঁৱলী-কুঁৱলি হৈ পৰা পৰিচয়ে তাৰ মনটো ক্ষত-বিক্ষত কৰি পেলাইছে। কেতিয়াও,— কেতিয়াও— আনকি সপোনতো ভবা নাছিল জকাংকই— তাৰ এজন

দে'তাক আছে। ভায়েক আছে। আইতাক আছে। ককা-দেউতাক আছে। কোনেও তাক কেতিয়াও ভুলতো এটা কথাও কোৱা নাছিল। আন কোনোবা আপোন মানুহ থাকিবও পাৰে বুলি সি ভাবিবলৈকে শিকা নাছিল।

কিয় নক'লে তাক কোনেও?

কি ৰহস্য আছে তাৰ জন্মত? কিয় দেউতাকক কেতিয়াও নেদেখিলে সি? কিয় তাৰ আবি আজ' কেতিয়াও খলালৈ নগ'ল? ক'ত আছে তাৰ ভায়েক? আৰু কোন কোন আছে তাৰ? ক'ত আছে সেই আত্মীয়বোৰ?

প্রশ্ন— প্রশ্ন—

প্রশ্ন নহয়— যেন সহস্র কীটে একেলগে দংশন কৰিবলৈ আৰম্ভ কৰিছে জকাংকক। কাঢ়ি লৈ গৈছে মনৰ শান্তি। চকুৰ নিদ্রা।

এটা শৰীৰহীন শিৰখণ্ডই তাৰ বুকুৰ ভিতৰখন যেন চকুপানীৰ নৈ এখনলৈ ৰূপান্তৰিত কৰিছে।

মৃত্যুৰ ভাবনাই হেঁচা মাৰি ধৰিছেহি জকাংকক। হেৰাই গৈছে জীৱনস্পৃহা। বিজয় তৃষ্ণা। তাৰুণ্যৰ সকলো সজীৱতা।

'আবি।' গম্ভীৰ শোকার্ত মাতেৰে জকাংকই মাতিলে।

'ক' জকাংক।'

'মোৰ আপোনাক বহুত কথা সুধিবলগীয়া আছে।'

'জানো।' বন-দৰবৰ বাতিটো আঁতৰাই ,আঘাত পোৱা ঠাইত লগাই থোৱা বন-দৰবখিনিৰ ওপৰত কেইখিলামান জুৰমণি গছৰ পাত দি, তাৰ ওপৰত জুইত সেকি লেৰেলাই লোৱা কলপাত এখিলা মেৰিয়াই দি কলৰ চোঁচেৰেই বান্ধি বান্ধি কনচাৰীয়ে ক'লে—

'সুধিবি— যি সুধিব খুজিছ সুধিবি। অলপ জিৰাই ল'। তোলৈ দৰব অলপ পঠিয়াই দিম। খাই জিৰাবি। মই বাহিৰত কথাখিনি বুজাই আহোঁগৈ। আমাৰ ৰাজ্যৰ সকলোৱেই বৰ দুখত আছে। খণ্ডতো আছে। বুজাই নিদিলে সিহঁতে তোক মাৰি পেলাব।'

'মাৰিলে মাৰক আবি— মই জীয়াই থাকি কি কৰিম?' জকাংকই বিষাদেৰে ক'লে।

কনচাৰী থমক খাই ৰ'ল। এখন্তেক জকাংকৰ চকুলৈ চাই থাকি ধীৰেভাৱে ক'লে—

'তোৰ এতিয়া দুখৰ সময়— জু খাই খাই তোৰ মূৰৰো ঠিক নাই— এতিয়া এনেবোৰ ভাব মনলৈ আহিবই। জীয়াই থাকিব লাগিব জকাংক। নমৰালৈকে ভালদৰে জীয়াই থাকিব পৰাটোহে বীৰত্বৰ কথা। তই যেতিয়া সকলো কথা জানিবি তেতিয়া

কি কৰা উচিত তই নিজেই জানিবি। মই কি ভাবো জান? দুখবোৰ হ'ল নৈত উটি অহা মেটেকাৰ দৰে। তই টানি আনিব খুজিলে টানি আনি পাৰতে এডৰা মেটেকানি গঢ়ি তুলিব পাৰ— মেটেকাৰ তলত সোমাই মৰিও যাব পাৰ— কিন্তু মেটেকাখিনিৰ পৰা দূৰৈত থাকি চা,— দেখিবি লাহে লাহে উটি গৈ নোহোৱা হৈ গৈছে—'

জকাংকই একো নামাতিলে। কনচাৰী গ'লগৈ। বিছনাত আউজি বহি কোঠাটোৰ ইফালে-সিফালে চালে জকাংকই।

কিমান সামান্য আয়োজনেৰে কি সুন্দৰকৈ ৰাখিছে কোঠালিটো।

কোঠালিৰ এযোগত বাঁহৰ চুঙা এটাত এথোপা বগা কুথিমালি ফুল সজাই থোৱা আছে। মৰহি গৈছে কিন্তু গোটেই কোঠাটোত এতিয়াও বিয়পি আছে কুথিমালি ফুলৰ গোন্ধ।

কুথিমালিৰ গোন্ধ জকাংকই আগেয়ে নোপোৱা নহয়— হাবিত, গাঁৱত এই ফুল য'তে-ত'তে পায়। কিন্তু খলাৰ ৰাজানঃত কোনেও সুগন্ধি ফুলেৰে সজোৱা কোঠা জকাংকই দেখা নাই।

তদাৰক কৰোতা নথকাৰ বাবেই হয়তো।

জকাংকক তুলি-তালি ডাঙৰ-দীঘল কৰা সোণজিৰায়েইতো খলাৰ ৰাজনঃৰ সকলো সিদ্ধান্ত লৈছিল। সোণজিৰাৰ হাততেই সকলো সঁপি দিছিল মাকে।

কিয় এনেকুৱা আছিল তাৰ মাক?

কিয় ইমান উদাসীন?

ইমান নিঃসংগ?

কিয় মন মাৰি থাকিছিল তাৰ মাকে?

প্রশ্নবোৰে জকাংকৰ মনৰ মাজত চাকনৈয়াৰ সৃষ্টি কৰিছে। উত্তৰবোৰ সি নাজানে। সি সোণজিৰাক সুধিছিল। নক'লে। নোকোৱা দেখি সি বলিয়াৰ দৰে হৈ গৈছিল। জু খাই নিচাত সি সোণজিৰাক মুখত যি আহে তাকে কৈছিল। আৰু কান্দিছিল। তাৰ পিচত সি সিদ্ধান্ত লৈছিল, যি ৰাজ্যৰ ৰজাক হত্যা কৰি বিধ্বংসী ফলাফল লাভ কৰিছে জকাংকই— সেই ৰাজ্যলৈ গৈ আবি কনচাৰীক লগ ধৰিব।

মাকে অলপ কোৱা আৰু বেছিখিনি নোকোৱা কথাবোৰ জানি ল'ব।

সি জানিছিল সেই বৈৰী ৰাজ্যৰ প্রজা আৰু সৈন্যই তাক দেখামাত্রকে হত্যা কৰিব পাৰে। সি জানে, তাৰ জাতিৰ মানুহবোৰ এনেই সহজ-সৰল আৰু নিৰ্জু হ'লেও আঘাত পালে ভীষণ হৈ উঠিব পাৰে। তথাপিও সি আহিছিল। সি অকলে ঘোঁৰাত উঠি ওলাই অহা দেখি ৰাজানঃত সৃষ্টি হোৱা হুলস্থূলৰ সি উমান পাইছিল। কিন্তু ভ্রূক্ষেপ কৰা নাছিল। তাৰ মনৰ ভিতৰত পাকঘূৰণি খাইছিল উত্তৰ নজনা ভয়ংকৰ প্রশ্ন কিছুমানে।

'জকাংক।'

সোণজিৰাৰ মাতত চিন্তাৰ জগতৰ পৰা বাস্তৱলৈ উভতি আহিল জকাংক।

'অ'— আছি।'

'এই দৰবখিনি খা। তোৰ আবিয়ে দি পঠাইছে। এইখিনি খাই টোপনি যাবি।'

বাতিটো আগবঢ়াই দি সোণজিৰাই ক'লে।

হাতপাতি বাতিটো লৈ মাহীয়েকৰ মুখলৈ চালে জকাংকই—

'আছি।'

'অই।'

'এটা কথা সোধো?'

'তইনো আগতে কেতিয়া কথা সোধাৰ বাবে অনুমতি লৈছিলি কচোন।' সেমেকা মাতেৰে সোণজিৰাই ক'লে।

'জানো আছি— লোৱা নাছিলো। কিন্তু কথাবোৰ চব খেলিমেলি হৈ গৈছে। এই মাথিত মোৰ যেন কোনো নাই।'

'তেনেকৈ নক'বি মোৰ পাবা। সোণজিৰা কান্দো কান্দো হৈ গ'ল। জকাংকৰ হাত এখন দুহাতেৰে তুলি লৈ মৰম কৰি কৰি ক'লে।

'এই মাথিত তোৰ সকলো আছে। মই আছো। তোৰ আবি আছে। দেওৰাজা আজ' আছে। আৰু অনেক আপোন মানুহ আছে। এই মাথিৰ কৰাখি ফা মাহাদেও আছে। আই বসুন্ধৰী, আই কালিখা আছে। তই কেতিয়াও তেনেকৈ নক'বি পাবা।'

ইমান কষ্টৰ মাজতো লাহেকৈ হাঁহিলে জকাংকই। এই মৰমীয়াল আছিজনী বৰ দুৰ্বল।

'তই বৰ অলপতে কান্দ অ' আছি। মোৰ দৰে কষ্ট হ'লে কি কৰিবি?'

'নাজানো দে— দৰবখিনি খা আৰু শুই থাক। আবি আহিলে কথা পাতিবলৈ জোৰ নালাগিবনে? মই যাওঁ।' জিৰিকৈকে হাঁহি পেলালে সোণজিৰাই।

সোণজিৰা তেনেকুৱাই। কোমল পাখিৰে গঢ়া বীজৰ দৰে। সামান্য বতাহতে উৰিব পাৰে। সামান্য পানীৰ কণিকায়ো মিহলাই দিব পাৰে মাটিৰ সৈতে।

'তই থাক আছি। ইয়াতে থাক। মোৰ অকলে থাকিবলৈ বেয়া লাগিছে।' জকাংকই অস্বস্তিৰে ক'লে।

'থাকিম বাৰু। তই খাচোন।'

একে উশাহতে ঔষধখিনি পি খাই জকাংক শুলে। ওচৰতে বহি থাকিল আৱেগ আন্দোলিত সোণজিৰা। বাহিৰত তেতিয়া আকৌ আহি গোট খোৱা উত্তেজিত মানুহবোৰৰ আগত কনচাৰীয়ে মেলি ধৰিছিল জকাংকৰ পৰিচয়ৰ গোপন পেৰাটো।

কনচাৰী যেতিয়া উভতি আহিছে তেতিয়া দোভাগ নিশা।

জকাংক তেতিয়ালৈ শুই পৰিছে জুৰ নিচা আৰু সুগভীৰ শৰীৰ মানসিক ক্লান্তিত। খুব লাহে লাহে, টোপনিতে কেঁকাই আছে জকাংকই। ওচৰতে মাটিত আমছাঃখনৰ ওপৰত বহি বিছনাত মূৰ থৈ শুই আছে সোণজিৰা।

দুৱাৰমুখত থিয় হৈ কিছু সময় নুয়োলৈকে নিঃশব্দে চাই থাকিল আবি কনচাৰীয়ে। মমতা আৰু মনোকষ্টত বুকুখন যেন ভাগি যাব খুজিছে।

এই অপৰিসীম ক্লান্তিত শুই পৰা মানুহ দুজন, বৈদ্যগড়ৰ ৰত্নসিংহ, সোণজিৰাৰ পুত্ৰ চামল আৰু সাধুকুমাৰৰ বাহিৰে এই পৃথিৱীত আপোন বুলিৰলৈ আৰু কোন আছে কনচাৰীৰ?

আপোন বুলিলে গোটেই দেশখনেই আপোন। সকলোৱে আবি কনচাৰীক আপোনতকৈও আপোন জ্ঞান কৰে। আবি কনচাৰীয়েও তেওঁলোকক নিজৰ যেনকৈয়ে চায়। কিন্তু সেই আপোনত্বৰ পিচতো আৰু এটা স্তৰ আছে , যি স্তৰত চকুমুদি ভাবিলে ভাঁহি উঠা মুখকেইখনৰহে ঠাই আছে।

কালিলৈকে আছিল গংগাৱতী। আছিল সোণজিৰাৰ গৃহস্থ ফুলেশ্বৰ বাৰিকা। মৃগাংকও আছিল আৰু আছিল ৰজা প্ৰতাপসিংহ। এই আটাইবোৰ মানুহে কনচাৰীৰ বুকুৰ বেলেগ বেলেগ অংশ জুৰি আছে।

জকাংকক কেতিয়াও নেদেখিলেও তেওঁৰ বুকুৰ ডাঙৰ এডোখৰ ঠাই জকাংকৰ বাবে আছুতীয়াকৈ আছিল।

নাথাকিব কিয়?

জকাংক যে তেওঁৰ নাতি। বীৰ নাতি। জকাংক যে সমাজৰ নিয়মে পিতৃ-মাতৃহীনতালৈ দলিয়াই দিয়া এটা দুৰ্ভাগ্যজনক পৰিণতি।

জকাংকক অতবছৰে দেখা নাছিল কনচাৰীয়ে; কিন্তু সকলো খবৰ পাইছিল। সোণজিৰাই মাজে মাজে আহি সকলো কথা জনাই গৈছিল।

জকাংক কেনেকৈ ডাঙৰ হৈছে কনচাৰীয়ে জানে। জানে কাৰণেই মৰমত পমি যায়। জানে কাৰণেই গোভাৰ সকলোৱে হত্যাকাৰী বুলি চিহ্নিত কৰা জকাংকক ক্ষমা কৰিব পাৰিছে কনচাৰীয়ে। নিজৰ সকলো হেৰুৱায়ো সোণজিৰাক ক'ব পাৰিছে— 'তাৰ কি দোষ?'

এই সোণজিৰাজনী। কি এক অদ্ভুত নাৰী। তিৰাশাসকলে সাধাৰণতে আনুগত্য স্বীকাৰ কৰাজনক কেতিয়াও বিশ্বাসঘাতকটা কৰা কনচাৰীয়ে দেখাও নাই শুনাও নাই। লালুংসকলৰ তেজত বোধকৰো বিশ্বাসঘাটকতাৰ বীজেই নাই। কিন্তু সোণজিৰাৰ আনুগত্যৰ যেন তুলনা নাই।

গাভৰু কালত সোণজিৰাক যেতিয়া গোভাৰ ৰজানঃলৈ কনচাৰীৰ সহায়কাৰী হ'বলৈ প্ৰান্তীয় গাঁৱৰপৰা সাধুকুমাৰে লৈ আনিছিল, তাৰ আগে আগে কাল আজাৰত সেই গাঁৱৰ অধিকাংশ লোকৰ মৃত্যু হৈছিল। মহামাৰীত উচ্ছন্ন যোৱা গাঁওখনৰ এমুঠি জীয়াই থকা মানুহৰ মাজত সোণজিৰাও আছিল। তাইৰ মাক-দেউতাক, পৰিয়ালৰ সকলোবোৰৰ সেই আজাৰত মৃত্যু ঘটিছিল।

সোণজিৰাও যেন কনচাৰীৰ দৰেই কোনোবাখিনিত একে আছিল।

দুখী। হতাশ। নিঃসংগ।

দুখী হৈয়ো স্থিৰ।

হতাশ হৈয়ো হাঁহিমুখীয়া।

নিঃসংগ হৈয়ো জীৱনমুখী।

সেই দিনবোৰত দুই নাৰী এক পৰম আত্মীয়তাৰ বান্ধোনত বান্ধ খাই গৈছিল। গোভাৰ ৰাজানঃত কিছুদিন থকাৰ পিচত সোণজিৰাৰ কুলৰ ৰৰজেলাই তাইক লৈ যাবলৈ আহিছিল। সোণজিৰা নগ'ল। তেতিয়ালৈ তাই ৰূপান্তৰিত হৈছিল কনচাৰীৰ ভনীয়েকলৈ। নানাঃওলৈ।

জেলা বাৰ'ই নিবলৈ আহোতে সোণজিৰা যাব নোখোজা দেখি দ্বিধাগ্ৰস্ত হৈ কনচাৰী আমচাই মাৰ্জঙলৈ গৈ সাধুকুমাৰক লগ ধৰি সিদ্ধান্ত এটা বিচাৰিছিল। সাধুকুমাৰে কৈছিল—

'কুলৰ জেলাবাৰ'ই নিবলৈ আহিছে ভাল কথা। তেওঁ কুলৰ মুৰব্বীৰ দায়িত্ব পালন কৰিছে। সোণজিৰা যদি যাব নোখোজে যাব নালাগে। জেলাবাৰ'ক ইয়ালৈ পঠিয়াই দিব— মই বুজাই দিম। তাই থাকিলে ভালেই। আপোনাৰ ভাষা ভালদৰে জানে। দাঁতিয়লিয়া গাঁৱৰ ছোৱালী হিচাপে তাই আপোনালোকৰ বহু কথা জানে। তাই থাকিলে আপোনাৰ লগ হয়। বৰ বুজা ছোৱালী। আপুনি তাইক ভনী বুলি মানিছে— তাই আমাৰ কুলৰ ছোৱালীৰ দৰেই আপোন হ'ল। তাইৰ দায়িত্ব আমাৰ ৰাণীদেও।'

নিঃশ্চিন্ত হৈ উভতি আহিছিল কনচাৰী।

সোণজিৰা নগ'ল।

গোভা ৰজাৰ পৰিয়ালৰ এজন হৈ থাকি গ'ল সোণজিৰা।

সোণজিৰাৰ যেতিয়া বিয়াৰ কথা উঠিছিল তেতিয়া মৃগাংকৰ বয়স দুবছৰ।

এই সমাজত বাল্য বিবাহ প্ৰথা নাই। কনচাৰীৰ আগবিয়া হৈছিল কন্যাকাল পোৱাৰ আগতেই। তাৰ পিচত কনচাৰীৰ ৰৰবিয়া হৈছিল। সোণজিৰা কিন্তু সোতৰ-ওঠৰ বছৰলৈ অবিবাহিতা হৈয়েই আছিল। এই সমাজত তেনে বয়সলৈ বেছিভাগ ছোৱালীয়েই বিয়া নোহোৱাকৈ থাকে।

সোণজিৰাক সাধুকুমাৰে ভাল ল'ৰা এজন বিচাৰি বিয়া দি পঠিয়াই দিব খুজিছিল। কিন্তু সোণজিৰাই আহি কনচাৰীক মৰসাহ কৰি কৈছিল—

'আপোনাক এৰি মই ক'লৈকো বিয়া হৈ নাযাওঁ পাই। বিয়া যদি দিবই খুজিছে মোক গভীয়া চপাই দিয়ক। গোটেই জীৱন আমি দুয়ো আপোনালোকক সেৱা কৰি থাকিম।'

সোণজিৰাৰ কথা শুনি কনচাৰী আচৰিত হৈছিল। তেতিয়ালৈকে তেওঁ গভীয়া শব্দটোৱেই শুনা নাছিল।

'গভীয়া চপোৱা কি?' তাই আচৰিত হৈ সুধিছিল।

'নাজানো। আপুনি আনক সোধক।' লাজত ৰঙা পৰি পলাই গৈছিল সোণজিৰা। তাৰ পিচত আক-তাক সুধি কনচাৰীয়ে গম পাইছিল লালুং সমাজত ছোৱালী বিয়া দি উলিয়াই দিয়া প্ৰথা যেনেকৈ আছে তেনেকৈ বিয়াৰ পিচত কইনাৰ ঘৰত দৰাই থাকিবলৈ অহা প্ৰথাও আছে। কৰ্মঠ ডেকাই এইক্ষেত্ৰত অগ্ৰাধিকাৰ পায়।

সোণজিৰালৈও কৰ্মঠ ডেকা ফুলেশ্বৰক গভীয়া চপাই লোৱা হৈছিল। গোভাৰ ৰাজানঃত খাম্ছামাই সকলৰ বাবে সজা ঘৰৰ পৰা ওলাই একেটা চৌহদত আন এটা ঘৰত সংসাৰ পাতিছিল সোণজিৰাই।

তাতেই জন্ম হৈছিল চামলৰ। চামল যেতিয়া ডেকা হৈছিল, তেতিয়া খলাৰ ৰাণী গংগাৱতীৰ ওচৰলৈ সোণজিৰাক পঠিয়াইছিল কনচাৰীয়ে।

চামল নগ'ল। দেহৰক্ষী হিচাপে অত্যন্ত বিশ্বস্ত চামল মৃগাংকৰ লগত থাকি গ'ল।

সোণজিৰায়ো জোৰ নকৰিলে। ফুলেশ্বৰ ইতিমধ্যে ঢুকাইছিল। সোণজিৰাই হয়তো সেয়ে আঁতৰি যাবলৈ পাই ভালেই পাইছিল। ফুলেশ্বৰক সুঁৱৰি তাইক কেতিয়াও কন্দা নেদেখিলেও তাইৰ মনৰ কষ্ট দেখিছিল কনচাৰীয়ে। ভাবিছিল খলালৈ গ'লে শিশু জকাংকক পাই মনৰ দুখ পাতলাব পাৰিব সোণজিৰাই।

বাহিৰত ৰাতিৰ ৰখীয়াৰ মাত শুনা গ'ল। কনচাৰী যেন উচপ খাই উঠিল।

নিশা দোভাগ হৈছে। উত্তেজিত আৰু বিস্ময়াহত প্ৰজাসকলক বুজাই বঢ়াই শান্ত কৰোতে বহুত সময় লাগিল কনচাৰীৰ।

বহুত কথা ক'ব লগা হ'ল।

কাকো কেতিয়াও নোকোৱা কথাবোৰ।

কোনোবা অচিন দেশৰ কথা শুনাৰ দৰে মানুহবোৰে ৰ' লাগি শুনিলে। হাঁহিব, কান্দিব নে খং কৰিব ঠিক কৰিব নোৱাৰি সকলোবোৰ অকঁৰাৰ দৰে বহি থাকিল।

'তহঁতে তাক একো নকৰিবি। মৰম কৰিবি তাক। সি কি জানে? জানিলে জানো তহঁতৰ ৰজাক সি মাৰে? মাৰিব পাৰে? সি বহুত দুখত আছে বুজিছ। কৰমটো যাওক।

জেলাবাৰ'সকলক মাতি, ল'ৰ'ক মাতি, দলৈসকলক মাতি আলোচনা কৰি আমি কি কৰো কৰিম। ৰাইজক জনাই দিব লাগিব কথাবোৰ। বাৰিকাসকলক মাতি কৰমৰ পিচতে সকলোকে একঠাই কৰিব লাগিব।'

মানুহবোৰক বিস্ময়, দ্বিধা, শোক, অস্বস্তিৰ অথাই সাগৰত পেলাই থৈ কনচাৰী গুচি আহিছে। কোনেও নাজানে কনচাৰীৰ বুকুত জ্বলি আছে শোকৰ কি একুৰা জুই।

'নানাঃও— এই— নানাঃও উঠ—'

সোণজিৰাৰ গাত ধৰি লাহে লাহে মাতিলে কনচাৰীয়ে। খক্‌মক্‌কৈ সাৰ পাই মুৰ তুলি চালে সোণজিৰাই।

'আহ্— উঠি আহ— লাহে লাহে, সি সাৰ পাব চাবি— বাহিৰলৈ ব'ল— খলাত কি হৈছিল শুনো— সি সাৰ পালেইতো তাৰ প্রশ্নবোৰৰ উত্তৰ দিব লাগিব। তাৰ আগতে মই সকলো জানিব লাগিব নানাঃও।'

যাবলৈ ওলাই কনচাৰীয়ে কিবা ভাবি জকাংকৰ গাত হাত থ'লে—

'আস্— ইমান তপত গাটো।' উচপ খাই উঠি ক'লে কনচাৰীয়ে। তেওঁৰ মনত তেতিয়া চাট্‌কৈ ভাহি উঠিছিল প্রতাপপুৰৰ ৰাজকাৰেঙত জ্বৰতপ্ত দেহাৰে শুই থকা আহত প্রতাপচন্দ্রৰ ক্লান্ত মুখখন।

অমংগল আশংকাত কনচাৰীৰ বুকুখন কঁপি উঠিল।

'কথা পিচত পাতিম নানাঃও। মাটিৰ কলহ এটাত পানী ভৰাই তলত ফুটা এটা কৰি লৈ যাননগৈ। কপালত দিওঁ। তাপ কমক। ৰাতিপুৱালেই বেজক খবৰ দিব লাগিব নানাঃও। লোৰ খাংৰাৰ কোব ইমান দকৈ পৰিল— এই দৰৱেৰে নহ'ব।'

জ্বৰৰ ঘোৰত থকা জকাংকৰ ওচৰত বহি মুৰত হাত ফুৰাই বহি থাকিল কনচাৰী। তেতিয়া দূৰৈৰ পাহাৰৰ পৰা বনকুকুৰাৰ ডাক ভাঁহি আহিবলৈ আৰম্ভ কৰিছিল।

৩

'আছি।'

জ্বৰৰ ঘোৰলগা ৰঙা চকুযোৰ মেলি ইফালে সিফালে চালে জকাংকই। ক'ত আছে যেন বুজি পোৱা নাই। দাৰ আঘাত লগা ঠাইড়োখৰ বিষাইছে। অসম্ভৱ দুৰ্বল লাগিছে গাটো।

গছাত জ্বলি থকা বাস্তিবোৰৰ পোহৰত শুইছিল জকাংকই। মনত আছে। মনত আছে কোনোবাই তাৰ কপালত টোপাল টোপালকৈ পানী পেলাইছে। কোনোবাই তাক খুৱাই খুৱাই দিছে তিতা তিতা, কেঁহা কেঁহা লগা দৰৱ। কোনোবাই কোমল ভিজা ভিজা আঙুলিৰে তাৰ বাহু চুইছে। কলপাতেৰে মেৰিওৱা দৰববোৰ গুচাই নতুন দৰৱ লগাই দিছে। বিষত কেঁকাই উঠিলে কোনোবাই চুলিত হাত বুলাই কৈছে—

'খুব বিষাইছে?'

কোন আছিল? কোন আছিল ছায়া ছায়া যেন লগা নাৰীগৰাকী?

মা?

মা নহয়— মাতো নাই। তাৰ কাৰণেই এই পৃথিৱী এৰি গুচি গ'ল তাৰ মাক। কান্দি কান্দি গুচি গ'ল।

যাওঁতে তাক দি গ'ল শাওপাত।

'যি অস্ত্রেৰে তই এনে পাপ কৰিছ সেই অস্ত্রই তই বিপদ কালত নাপাবি। তোৰ এই পাপী হাত দুখনেৰে মৰণকালত তই পানী খাবলৈ নাপাবি। গো-মুখে পানী খাই তোৰ মৃত্যু হ'ব। তই—'

আছি আছি—

ধৰফৰাই উঠি বহিব খুজিছে জকাংকই। এটা অসহ্যকৰ কষ্টই তাৰ যেন উশাহ বন্ধ কৰি আনিব খুজিছে।

'কি হ'ল জকাংক? কি হৈছে? সপোন দেখিছ? এয়া আছি— সোণজিৰা আছি— তোৰ ওচৰতে আছে— শুই থাক— শুই থাক— নুঠিবি।

শ্রান্ত হৈ বিছনাত শুই পৰিল জকাংক।

মুখৰ ওপৰত এখন উদ্বিগ্ন মুখ। থৰ হৈ চালে জকাংকই। এইখন কাৰ মুখ? এইখন মুখ ক'ত দেখিছিল জকাংকই? কেতিয়া দেখিছিল?

গামোচা পানীত তিয়াই মুখখন মচি দিলে আবি কনচাৰীয়ে। চকু দুটাত তিতা গামোচাখন ধৰি থাকিল।

আস্।

এটা নিশ্বাস কাঢ়িলে জকাংকই। পৰিষ্কাৰ হৈ আহিছে। সকলো কথা লাহে লাহে পৰিষ্কাৰ হৈ আহিছে। সকলো কথা মনত পৰিছে জকাংকৰ।

দুটোপাল তপত চকুলো তাৰ চকুৰ কাষেৰে বাগৰি গ'ল।

কনচাৰীয়ে নিঃশব্দে তাৰ চকুপানী দুটোপাল মচি দিলে। তেওঁৰো চকুযোৰ পানীৰে উপচি পৰিছিল। সোণজিৰাইতো নিঃশব্দে উচুপিবলৈ আৰম্ভ কৰিছে।

কনচাৰীয়ে চকুপানী মচা দেখিলে সোণজিৰাই হাহাকাৰ কৰি উঠিব। বাগৰি আহিব খোজা চকুপানী মনৰ জোৰেৰে ৰোধ কৰি কৰি নিঃশব্দে বহি থাকিল কনচাৰী।

সুদীর্ঘ চাৰিটা দিন আৰু পাঁচটা ৰাতি তমোময় জ্বৰত অচেতন হৈ থকা জকাংকৰ ওচৰত বহি আছে কনচাৰী আৰু সোণজিৰা।

নিজৰ শোক আঁতৰাই থৈ আহত জকাংকৰ পৰিচর্যাত ব্যয় কৰিছে দিন ৰাতি।

আজি গাৰ উত্তাপ কমিছে। ঘাঁড়োখৰে শুকনিৰ মুখ দেখিছে। মাত্র দুর্বলতা আছে। বহুত তেজ বৈ যোৱা কাৰণে আৰু অসুস্থতাৰ কাৰণে দুর্বল হৈ গৈছে জকাংক। ৰাজবৈদ্যই দিয়া দৰববোৰ আৰু দৰবৰ লগত দিয়া পনীয়া অনুপান আৰু পথ্যবোৰৰ বাহিৰে একোৱেই খোৱা নাই জকাংকই।

ৰাজানঃৰ বাহিৰৰ ওচৰৰে মুকলি ঠাইডোখৰত এতিয়া ৰভা সজাৰ কাম চলি আছে। কালিৰ পৰা কৰমৰ কাম আৰম্ভ হ'ব।

অনুগত ৰাজ্যৰ ৰজাসকল আৰু ৰাজপ্রতিনিধিসকল আহিব। আহিব দাঁতিয়লীয়া ৰাজ্যসমূহ, মিকিৰ, কছাৰী, জয়ন্তীয়াৰ ৰজাসকল, ভূঞাসকল। সকলো লালুং গাঁৱৰ মুখিয়ালসকলো আহিব। ওচৰ-পাঁজৰৰ গাঁৱৰ ৰাইজ আহিব। আহিব কুলৰ সকলো মানুহ। ৰজা ৰত্নসিংহও আহিব সুদূৰ বৈদ্যগড়ৰ পৰা। দচখোল-ৰাৰখোলৰ সকলো বাৰজেলাও আহিব।

জু তৈয়াৰ কৰা মানুহবোৰে চাউলৰ হৰাবোৰ ধুই-মচি নিকা কৰি ঘৰৰ মজিয়াত থুপাই থ'বলৈ আৰম্ভ কৰিছে। ৰান্ধিবলৈ প্রয়োজন হোৱা ডাঙৰ ডাঙৰ মিদুঃবোৰ ধুই-মাজি থুপাই থ'বলৈ আৰম্ভ কৰিছে ৰাজহুৱা ভোজভাত ৰন্ধা ৰান্ধনি ক্রা-কুৰুমীসকলে। বাৰিকাসকলে গাঁৱে গাঁৱে কৰমৰ নিমন্ত্রণ জনাবলৈ ৰাওনা হৈছে।

সাধুকুমাৰে আহি সকলো তদাৰক কৰিছেহি। পুত্রৰ মৃত্যুৰ কৰম কৰিব লগা

হোৱা বাবে শোকত ভাগি পৰিলেও কাকো দেখুওৱা নাই সাধুকুমাৰে। চিৰাচৰিত প্ৰশান্ত মুখেৰে ধীৰ-স্থিৰভাৱে সকলো কাম কৰি গৈছে। কিন্তু ৰাজানঃত ৰাতি কটোৱা নাই। আমচাই মাৰ্জঙৰ পৰা আহি গুচি যায়। হয়তো তাত জিৰণি ল'বলৈও নাপায়— তথাপি গোভাৰ মূল ৰাজানঃত নাথাকে। ভিতৰলৈ আহে, জকাংকৰ খবৰ লয়, কনচাৰীৰ লগত প্ৰয়োজনীয় কথা পাতে, তাৰ পিচত গুচি যায়।

সাধুকুমাৰ গোভাৰ ৰাজানঃৰ পৰা আমচাই মাৰ্জঙৰ ৰাজানঃলৈ কিয় গুচি গৈছিল— কিয় কেতিয়াও ইয়াত নাথাকে-সেই ৰহস্য মাত্ৰ আবি কনচাৰীয়ে জানে। তেওঁ আজিলৈকে কাকো কোৱা নাই— সাধুকুমাৰেও কাকো কোৱা নাই। সকলোৱে জানে ৰাজকাৰ্য পৰিচালনাৰ সুবিধা হ'ব বুলিয়েই পুৰণি ৰাজানঃলৈ থাকিবলৈ গৈছিল সাধুকুমাৰ; বহু বছৰ আগতে।

তাৰ পিচত আৰু কেতিয়াও গোভাৰ ৰাজানঃলৈ থাকিবলৈ অহা নাই। আহিলেও বাহিৰ চ'ৰাৰ পৰাই উভতি গৈছে। বিশেষ প্ৰয়োজন নহ'লে ভিতৰলৈ সোমোৱা নাই।

আগতে এবাৰ আহিছিল। কনচাৰী সেইদিনা প্ৰতাপপুৰলৈ যাবলৈ ওলাইছিল। নাও, মানুহ, হাতী আদিৰ যোগাৰ কৰি দি কনচাৰীৰ লগত কথা পাতি গুচি গৈছিল।

সেই সময় আছিল দুঃসময়।

আজিও দুঃসময়।

সেইকাৰণেই আহিছে সাধুকুমাৰ। পুত্ৰৰ শৰাধৰ তদাৰক কৰিছেহি।

মৃগাংকতো পুত্ৰই আছিল সাধুকুমাৰৰ। নুবাৰ'ত বহি মৃগাংকক নিজৰ বুলি কোলাত তুলি লৈছিল সাধুকুমাৰে বৰজেলা, ছখাজেলা, হাৰীকুঁৱৰী আৰু ল'ৰ'ক সাক্ষী কৰি, দচখোল-বাৰখোলৰ মুখিয়ালসকলক সাক্ষী কৰি। মৃগাংকক এতিয়া বোধকৰো সকলোৱে তোলনীয়া পুত্ৰ বুলি পাহৰিয়েই গৈছে। তাক আৰু কোনেও ছাঃ খৰা বুলি নাভাবে। সাধুকুমাৰৰ নিজৰ পুত্ৰ বুলিয়েই ভাবে। সাধুকুমাৰে—

'আবি।'

জকাংকৰ মাত শুনি কনচাৰী হাউলি গ'ল।

'কি ক'বি জকাংক? পানী খাবি?'

'খাম।'

সোণজিৰা খৰখোজেৰে উঠি গ'ল। ওচৰতে থোৱা কলহ এটাৰ পৰা ফুলকটা বাঁহৰ চুঙাত পানী-ভৰাই আনি দিলেহি। লাহে লাহে মুখত ঢালি দিলে কনচাৰীয়ে।

'এতিয়াও বিষাই আছে নেকি জকাংক?' কোমল মাতেৰে সুধিলে কনচাৰীয়ে।

'অলপ অলপ। মই কালি ৰাতি কেতিয়া শুলো গমেই নাপালো।'

'কালি ৰাতি নহয় পাবা— চাৰি ৰাতি হ'ল। তোৰ গা তপত হৈ কিবা যেন হৈ

গৈছিলি। আজিহে তাপ কমিছে।' সোণজিৰাই ক'লে।

বহুত সময় মনে মনে থাকিল জকাংক। তাৰ পিচত লাহেকৈ ক'লে—

'আবি।'

'কিবা ক'বি? ভোক লাগিছে?'

'মোৰ মনত বহুত দুখ হৈছে আবি।' জকাংকৰ চকুযোৰ চলচলিয়া হৈ গ'ল।

'জানো ছ্যা। কিন্তু 'সেইবোৰ কথা এতিয়া নাভাবিবি। যিবোৰ ঘটনা হৈ গ'ল সেইবোৰ জানো কোনোবাই নোহোৱা কৰিব পাৰে?' কনচাৰীয়ে ধীৰভাবে ক'লে।

'সেইবোৰ ঘটনানো কিয় ঘটিল আবি? কিয় মই একো নাজানিলো? কিয় মোক কোনেও একো নজনালে? জনা হ'লে জানো মই—' জকাংকৰ মাতটো থোকাথুকি হৈ গ'ল।

'জানো। জানো ছ্যা। তই মোক একোৱেই ক'ব নালাগে। তোৰ মনত কিমান দুখ হৈছে মই জানো। তোৰ আছিয়েও জানে। তোৰ একো দোষ নাই ছ্যা। যি ঘটিল সেয়াই আমাৰ খৰমত আছিল। তোক মই ক'ম। সকলো কথা ক'ম। কিন্তু তাৰ আগতে তই কিবা অলপ খাই ল'। ভাল পাবি। শক্তি পাবি।' শক্তি নাথাকিলে তই দুখৰ লগত যুঁজিব পাৰিবি নে শতৰুৰ লগত যুঁজিব পাৰিবি?

'মই নুযুঁজো আবি— মই আৰু নুযুঁজো। কাৰো লগত কেতিয়াও নুযুঁজো।' জকাংকৰ চকুযোৰ পানীৰে উপচি পৰিল। চকুপানী মচি দি কনচাৰীয়ে মৰমেৰে ক'লে—

'হ'ব বাৰু— যুঁজিব নালাগে। উঠ— উঠি বহ।'

জকাংকক ধৰি ধৰি উঠাই বহাই দিলে কনচাৰীয়ে। ইতিমধ্যে সোণজিৰাই ধোঁৱা বলি থকা তুলসী জহা চাউলৰ ভাত, শুকান মাছেৰে ৰন্ধা লাইশাক আৰু দুই-এপদ আঞ্জা লৈ আহিছিল।

জকাংকৰ পেটটো কলমলাই উঠিল। সোণজিৰা আৰু কনচাৰীৰ প্ৰতি কৃতজ্ঞতাত মূৰ দোঁ খাই গ'ল। ভোক লাগিলে জকাংক অস্থিৰ হৈ যায়। দুৰ্বল হৈ যায়। ভাতৰ বাহিৰে আন জা-জলপানৰ প্ৰতি তাৰ কোনো আগ্ৰহ নাই। শাকেৰে হওক, খাৰেৰে হওক, লোণেৰে হওক, ভোকৰ সময়ত তাক ভাত লাগিবই। ভোকৰ সময়ত ভাত নাপালে ভয়ংকৰ খং উঠে জকাংকৰ।

সোণজিৰাই সেই কথা জানে। খলাৰ ৰাজানঃত তেওঁ আন একোতে নহ'লেও সময়ত ভাত-আঞ্জা হৈছেনে নাই সেই কথাত সদায় চকু ৰাখিছিল।

ইয়াতো ৰাখিছে।

জ্বৰত অচেতন জকাংকৰ কাৰণে বিগত দিনৰাতি কেইটাত ভাত ৰান্ধি ৰান্ধি

জুহালৰ অঙঠাত থৈ বহু ৰাতিলৈকে তপতাই থৈছিল সোণজিৰাই। আজিও এপাকত গৈ ৰান্ধি থৈ আহিছিল,— জকাংকই খাব খোজক বা নোখোজক।

ইমান মৰম জকাংকলৈ।

জকাংকনো কোন সোণজিৰাৰ?

মাকতকৈও ডাঙৰনে?

মাকে দেখোন তাক শাও দি পৃথিৱী এৰি গুচি গ'ল। কোনোদিন কাৰো টান কথা এটা নুশুনা জকাংকই সেই শাওপাত সহি কেনেকৈ জীয়াই থাকিব এবাৰো নভবাকৈ গুচি গ'ল। মাৰগি খামছামাই সোণজিৰাই শোতোৰা পৰা হাতেৰে তাক খুৱাই দিছে ধোঁৱাবলা ভাত। কোনোদিন নেদেখা আবি কনচাৰীয়ে তাৰ মূৰত বতাহ লগাকৈ বিচি আছে।

বিচাৰ অভ্যাস নাই।

ৰাজানঃত আবি কনচাৰীক বিচিবলৈ মাৰ্‌গি খামচামাইহঁত তৎপৰ হৈ থাকে। অনভ্যস্ত হাতেৰে বিচোতে বিচনিৰ পৰা অদ্ভুত শব্দ এটা ওলাইছে। বতাহৰ বা-বোৰত কোনো লয় নাই।

চকুত চকুপানী উপচি পৰিল জকাংকৰ।

এনে এজনী আবি আছিল তাৰ।

ইমান মৰমীয়াল এজনী আবি। কিয় তাক কেতিয়াও নজনালে মাকে? কিয় নক'লে একো?'

কাঁহি-বাতি সামৰি জকাংকৰ মুখখন মচি দি সোণজিৰা ওলাই গ'ল। জকাংকই কনচাৰীলৈ চালে। কোঠাৰ একোণত কাঁহৰ বাতি এটাত কিবা এটা মিহলি কৰাত ব্যস্ত হৈ আছে কনচাৰী।

'আবি।'

'আহিছো ৰ ছ্যু। তোৰ দৰবটো সাজু কৰি লওঁ।'

একান্ত মনে কাম কৰি থকা আবিলৈ চাই জকাংকৰ বুকুখন মোচৰ খাই উঠিল।

কিমান বেলেগ তাৰ আবিজনী। এনে নাৰী খলাত কেতিয়াও দেখা নাছিল জকাংকই। কিমান বেলেগ দেখিবলৈ। কিমান ধুনীয়া। চাবলৈ গ'লে কোনো অলংকাৰো পিন্ধা নাই আবি কনচাৰী। কাণত এযোৰ সোণৰ লংকেৰ আৰু ডিঙিত এধাৰ কলচীয়া ৰঙা চন্দনৰ মণি। ইমানেই। আন লালুং তিৰোতাসকলে পিন্ধাৰ দৰেই এসাঁজ ক'লা কাছ্যং ফাচকাই পিন্ধিছে। এই সাধাৰণ সাজতো কি অসাধাৰণ লাগিছে আবি কনচাৰীক।

কি গম্ভীৰ!

কি প্ৰশান্ত!

কি দৃঢ়!

এইজনী আবিৰ পৰা তাক আঁতৰাই ৰাখিছিল তাৰ মাকে। জকাংকৰ জন্মকেন্দ্রিক সকলো ঘটনা গোপন কৰি তাক আঁতৰাই ৰাখিছিল আত্মীয় দেশ এখনৰ পৰা।

শৈশৱৰ পৰা যৌৱনলৈ।

জকাংকলৈ মাত্র সাঁচি থৈছিল যন্ত্রণাৰ এটা বীজ।

সেই বীজে আজি পুলি-পোখা মেলি ছাটি ধৰিছে জকাংকক।

কি কৰিব এতিয়া জকাংকই?

কি কৰিব হত্যা কলুষিত হাত দুখনেৰে? টৌমৰা পাহাৰৰ ওপৰৰ নির্জন গাঁওখনৰ প্রান্তভূমি এই দুখন হাতেৰেইতো ৰক্তাক্ত কৰি তুলিছিল জকাংকই। তাৰ হাতৰ শান চিক্‌মিক্ লাংখুইৰ ঘাপতেইতো দেহৰ পৰা পৃথক হৈ গৈছিল ৰজা মৃগাংকৰ শিৰ।

আস্। কি অদ্ভুত— কি অদ্ভুতভাৱে শান্ত হৈ আছিল ৰজা মৃগাংক। সেই অতর্কিত আক্রমণ প্রতিহত কৰাৰ সামান্য সুযোগো নোপোৱা ৰজা মৃগাংকই কি অবাক হৈ চাইছিল জকাংকৰ মুখলৈ। তাৰ পিচত কি অদ্ভুতভাৱে শান্ত হৈ গৈছিল সেই চকুযোৰ।

ৰজা মৃগাংকই জকাংক কোন সেই কথা মৃত্যুৰ আগমুহূর্তত জানি গৈছিল। কিন্তু জানিও একো নক'লে তাক। অবাক হৈ চাই থকা শান্ত চকুযোৰ মাটিত পৰি যোৱাৰ পিচতো মেল খাই আছিল। জকাংকইহে চকুযোৰ জপাই দিছিল। তাৰ পিচত সেই নৰমুণ্ড কাঁহিত তুলি মাকক দেখুৱাবলৈ লৈ আহিছিল।

জকাংকৰ তেজত তেতিয়া নাচি আছিল জান্তৱ আনন্দৰ পিশাচিনীবোৰে। পূর্ব-পশ্চিম দুয়োদিশ বিজয়ৰ আনন্দত মতলীয়া জকাংকই মুহূর্তলৈও ভবা নাছিল ঢাকোন দাঙি সেই নৰমুণ্ড মাকক দেখুওৱাৰ পিচত কি ভয়ানক প্রতিক্রিয়া হ'ব পাৰে। ভবা নাছিল সেই দেহহীন শিৰখণ্ডই জকাংকক লৈ যাব পাৰে জীৱনযোৰা সন্তাপৰ অগ্নি গহ্বৰলৈ।

'গাটো আকৌ বেয়া লাগিছে নেকি ছ্যা?'

ওচৰত বহি এহাতে বাতি এটা ধৰি থাকি আনখন হাতেৰে জকাংকৰ কপালত হাত থলে কনচাৰীয়ে।

জকাংক উচপ খাই উঠিল। কোনো উত্তৰ নিদি চাই থাকিল কনচাৰীৰ মুখলৈ। তাৰ পিচত কপালৰ পৰা কনচাৰীৰ হাতখন এহাতেৰে ধৰি নমাই আনি দুহাতৰ মাজত লৈ ভাগৰুৱা চকুযোৰ তুলি চালে। খুব ধীৰ কিন্তু স্পষ্ট মাতেৰে ক'লে—

'আপুনি কোন আবি?'

কনচাৰীয়ে এখন্তেক জকাংকৰ চকুলৈ চাই থাকিল। ধীৰে ধীৰে তেওঁৰ ওঁঠত বিয়পি পৰিল এটা বিষাদ মলিন হাঁহি।

'মই তোৰ আবি হওঁ— ইয়াতকৈ আৰু বেছি জনাৰ প্ৰয়োজন আছে জানো ছ্যা?'

জকাংকই কনচাৰীৰ চকুলৈ চালে। তাৰ ৰঙচুৱা চকুযোৰ মুহূৰ্ততে পানীৰে উপচি পৰিল। সেমেকা, ভাগৰুৱা মাতেৰে ক'লে—

'প্ৰয়োজন আছে নে নাই আপুনি জানো নাজানে আবি?'

কনচাৰীয়ে জকাংকৰ চলচলিয়া চকুযোৰলৈ কিছু সময় চাই থাকি গাঢ়, গভীৰ মাতেৰে ক'লে—

'খুব টান প্ৰশ্ন কৰিছ ছ্যা। এফালৰ পৰা চালে ভাব হয়— একো নজনাকৈ থাকিলেই ভাল। কি লাভ হ'ব জানি,— যিবোৰ ঘটনা হৈ গ'ল সেইবোৰতো নোহোৱা কৰিব নোৱাৰি। আকৌ ভাব হয় সকলো কথা জানিলে তোৰ মনাটো পাতল লাগিব। কি কৰিব লাগে তই বুজিবি।'

'জানিব লাগিব আবি। আধাজনা কথাবোৰ আগৰ পৰা শেষলৈ মোক কওঁক। মই সোণজিৰা আছিক সুধিছিলো— নক'লে। আপুনি নোকোৱাকৈ নাথাকিব আবি— মোৰ হাতৰ ঘাঁ ভাল হৈ গ'ল— কিন্তু মোৰ মনৰ ঘাঁডোখৰ একেই আছে আবি। জানে আবি— মায়ে মোৰ হাতত আফাৰ মুৰ দেখি কান্দিছিল— কান্দি কান্দি মোক টান কথা কৈছিল— মোক শাও দিছিল— মোৰ কাৰণে মোৰ মা মৰি গ'ল— মোৰ আফা— বুজিছেনে আবি? মোৰ কিমান কষ্ট হৈছে বুজিছেনে?'

আৱেগত অধীৰ হৈ পৰিছে জকাংক। তাৰ ৰঙচুৱা, আৱেগ বিহ্বল মুখখনলৈ থৰ হৈ চাই আছে কনচাৰীয়ে। ভাগ্যৰ ধুমুহাত বিপৰ্যস্ত জকাংকই অধীৰ হাতেৰে যেন খুলি পেলাব ধৰিছে কনচাৰীৰ মনৰ বন্ধ দুৱাৰখন। কনচাৰী আলোড়িত হৈ উঠিছে ভিতৰে ভিতৰে। ৰোমন্থন নকৰাকৈ সামৰি-সুতৰি থৈ দিয়া স্মৃতিবোৰে অনেক-অনেক বছৰৰ মূৰত কনচাৰীৰ মনৰ ভিতৰত গঢ়ি তুলিব খুজিছে সুতীব্ৰ আৱেগৰ গভীৰ চাকনৈয়া এটা।

কনচাৰীয়ে জকাংকক সকলো কথা ক'বই লাগিব। যি কথা বাহিৰৰ মানুহক ক'বলগা হ'ল তাতোকৈ বহু বেছি কথা ক'ব লাগিব জকাংকক। উপায় নাই।

নিজৰ শিপা বিচাৰি উদ্ভ্ৰান্ত হৈ উঠা শোকবিপৰ্যস্ত ল'ৰাটোৰ হাতত ধৰি কনচাৰী উভতি যাব লাগিব পিচলৈ— বহু পিচলৈ।

কনচাৰীয়ে জকাংকৰ হাতৰ পৰা নিজৰ হাতখন উলিয়াই আনিলে। ধীৰভাৱে ক'লে—

'উঠ— ছ্যা— দৰৱখিনি খা। মই তোক ক'ম— সকলো কথা ক'ম।'

কনচাৰীয়ে আগবঢ়াই দিয়া ঔষধখিনি একে উশাহে খাই জকাংকই হাতৰ তলুৱাৰে মুখখন মচিলে। কনচাৰীয়ে বাতিটো ওচৰতে থকা কাঠৰ মেজ এখনত নমাই থৈ উঠি

আহিল। কোঠাৰ এচুকত থোৱা বেতৰ পেৰাটোৰ পৰা ভলুকা বাঁহৰ পুৰঠ চুঙাত ভৰাই থোৱা চপাপতীয়া সোণফুল খটুওৱা মেখেলা আৰু ৰিহাখন উলিয়াই আনিলে। উলিয়াই আনিলে এড়ী চাদৰেৰে মেৰিয়াই থোৱা কুঁৱলি যেন চাদৰখন আৰু গহনাৰ টোপোলাটো।

জকাংকই কনচাৰীলৈ অবাক হৈ চাই আছিল।

তাৰ নিস্কম্প চকুযোৰৰ আগত বস্তুকেইপদ মেলি ধৰিলে কনচাৰীয়ে।

'মই যেতিয়া প্ৰথম গোভালৈ আহিছিলো— তেতিয়া এইসাজ কাপোৰ পিন্ধিয়েই আহিছিলো জকাংক। প্ৰতাপপুৰৰ মোৰ কোঠাটোৰ বৰপেৰা এনে জাপ জাপ কাপোৰ আৰু গহনাৰে ঠাহ খাই থাকিছিল।'

'আপোনাৰ ঘৰ প্ৰতাপপুৰত আছিল? উত্তৰপাৰৰ প্ৰতাপগড়ত?' জকাংকই অপৰিসীম আশ্চৰ্যৰে সুধিলে।

'তাতেই আছিল ছ্যা। মোৰ নাম তেতিয়া চন্দ্ৰপ্ৰভা আছিল। মহাৰজা প্ৰতাপচন্দ্ৰৰ ৰাণী আছিলো মই।'

'তেনেহ'লে গোভাৰজা আজ'?'

'সেই কথা ক'বলৈ হ'লে আৰু বহুত কথা ক'ব লাগিব ছ্যা। সেইবোৰ কথা পিচত শুনিবি। ক'ম। তাৰ আগতে তই তোৰ ভাইক লগ পাই ল'ব লাগিব।'

'মোৰ ভাই? ক'ত আছে মোৰ ভাই?' জকাংক উঠি বহিব খুজিছিল। কনচাৰীয়ে তাক শুৱাই দিলে।

'আছে। ইয়াতে আছে। তই নুঠিবি। শুই থাক। সি আহিছে। তোক চাবলৈ ৰৈ আছে। মাতি দিওঁ?'

'মোৰ ভাই ক'ত থাকে আবি?'

'বহুত দূৰৈত। কমতাত। তাৰ নাম ৰত্নসিংহ।' কনচাৰী উঠিল। আৰু সেই মুহূৰ্ততে দুৱাৰমুখত থিয় হ'লহি ৰজা ৰত্নসিংহ। নিচাত ৰক্তাভ চকুযোৰ জকাংকৰ চকুত থৈ দুৱাৰমুখৰ পৰাই ক'লে ৰত্নসিংহই—

'মই ভিতৰলৈ আহিব পাৰোনে?'

জকাংকই একো নামাতিলে। চকুৰ নিমিষ নেপেলোৱাকৈ ৰত্নসিংহৰ মুখলৈ চাই থাকিল—

ভাই!

এনে এজন ভাই আছিল জকাংকৰ?

'আহ— বাপা— ভিতৰলৈ আহ। এইখন তোৰ নিজৰ ঘৰ। তই জানো আলহী?' কনচাৰীয়ে বিষাদেৰে ক'লে।

'মই আলহী নহয়— মই এটা শিপা নথকা মানুহ।' মধুমদৰ নিচাত আৰক্ত মুখ উজ্জ্বল কৰি ৰত্নসিংহই হাঁহি উঠিল।

জকাংকৰ এনে লাগিল— ৰত্নসিংহই হঁহা নাই। কান্দিছে। আৰু কিয় জানো হঠাতে— হঠাতে জকাংকই অনুভৱ কৰিলে বুকুত গধুৰ হৈ থকা শিলচটাৰ ভাৰটো যেন কমি গৈছে। সোণৰ পুতলী যেন লগা, মণি ৰত্ন খচিত কাপোৰ পিন্ধা ডেকা ল'ৰাটোৱে যেন তুলি ধৰিছে তাক, দুখৰ অন্ধকাৰৰ পৰা,— বিষাদৰ হাত মেলি।

তেতিয়া বাহিৰত কৰমৰ কামত ব্যস্ত হৈ পৰা মানুহবোৰে ৰভাৰ কাৰণে বাঁহকটাৰ কাম আৰম্ভ কৰিছিল।

ৰত্নসিংহ আৰু জকাংকক একেলগে বহুৱাই কনচাৰীয়ে যেতিয়া উভতনি যাত্রা আৰম্ভ কৰিছিল সেই যাত্রাত লগ লাগিছিলহি সোণজিৰাও।

অবাক হৈ কনচাৰীৰ মুখলৈ চাই আছে জকাংক, ৰত্নসিংহ আৰু সোণজিৰাই। এক অবাস্তৱ যেন লগা জীৱনলৈ উভতি গৈছে কনচাৰী। তেওঁ যেন আকৌ হৈ পৰিছে ৰ'দ পিচলি যোৱা কাপোৰ পিন্ধা সালংকৃতা চন্দ্রপ্রভা। ৰজা প্রতাপচন্দ্রৰ মহিষী।

৪

'কর্ণ সুবর্ণৰ পৰা আহি আমাৰ প্রপিতামহ ধর্মপাল কামৰূপৰ ৰজা হৈছিল। তেওঁ ব্রহ্মপুত্রৰ উত্তৰ কুলৰ গোদণ্ড পর্বত বা কুবেৰাচলত কামৰূপত ৰাজধানী পাতিছিল। কর্ণ সুবর্ণ গৌড়ৰেই এক অংশ। সেয়ে তেওঁক গৌড়েশ্বৰ বুলিও কোৱা হৈছিল। কামৰূপৰ ৰজা হোৱা কাৰণে তেওঁক কামেশ্বৰ বা কামৰূপেশ্বৰো বোলা হৈছিল। জিতাৰী বংশ ব্রহ্মপুত্রৰ দুয়োকুল আৰু পশ্চিমৰ সমগ্র গৌড়দেশত জনাজাত। সন্মানীয়। এই বংশৰ গৌৰৱোজ্জ্বল ইতিহাস সদায় মনত ৰাখি চলিবা বধুমাতা।'

মহাৰাজমাতা যজ্ঞৱতীয়ে ক'লে।

প্রতাপপুৰৰ ৰাজগৃহত, ৰাজমাতা যজ্ঞৱতীৰ শয়নকক্ষত, সোণখটোৱা বৰপীৰাত বহি আছে কিশোৰীযেন লগা মহাৰাণী চন্দ্রপ্রভা। তেওঁৰ পিচফালে আন এখন তাতোকৈ ওখ আসনত বহি ৰাজমাতাই চন্দ্রপ্রভাৰ দীঘল চুলিটাৰিত সোণৰ গুণা মেৰিয়াই মেৰিয়াই খোপা এটা সাজি দি আছে। ওচৰতে এখন ফুলকটা কাঠৰ মেজত ৰূপৰ কাঁহী এখনত থোৱা আছে সোণৰ কাঁটা, কপালী, সোণৰ সৰু কাকৈ আৰু অন্যান্য কিছু অলংকাৰ।

চন্দ্রপ্রভাৰ হাতত মণি মুকুতা খটোৱা সোণৰ মণিময় দর্পণ। দর্পণত চাই চাই চন্দ্রপ্রভাই একান্তমনেৰে শিকি আছে খোপা বন্ধাৰ কলা-কৌশল।

প্রায়েই আবেলি চন্দ্রপ্রভাক নিজৰ কক্ষলৈ মাতি আনি যজ্ঞৱতীয়ে বিভিন্ন ধৰণৰ খোপা বান্ধি দিয়ে। খোপা বন্ধাৰ লগে লগে নিজে শাহুৰেকৰ পৰা শিকা কথাবোৰ কৈ যায়। কৈ যায় নিজে দেখি শুনি শিকা কথাবোৰ। প্রসাধনৰ কলা-কৌশল, স্বাস্থ্যবিধি, গৃহ পৰিচালনাৰ খুটিনাটিৰ পৰা ৰাজ্য, ৰাজনীতিলৈ নানা কথা কয় যজ্ঞৱতীয়ে। পুত্র প্রতাপচন্দ্রৰ নৱবিবাহিতা ভার্যা সকলো ফালৰ পৰা উপযুক্ত কৰি তুলিবলৈ চেষ্টাৰ ত্রুটি কৰা নাই যজ্ঞৱতীয়ে। বংশৰ পৰম্পৰা ৰক্ষা কৰিবলৈ অনেক কথা জানিব লাগিব চন্দ্রপ্রভাই। কুশলী হৈ উঠিব লাগিব অনেক বিদ্যাত। চন্দ্রপ্রভাই কৈশোৰ উত্তীর্ণ হৈ যৌৱনত ভৰি থৈছে মাত্র। প্রতাপচন্দ্রৰ লগত বিয়া হৈ প্রতাপপুৰত প্রৱেশ কৰা বেছিদিন হোৱা নাই। সেয়েহে এতিয়াও আবেলিৰ কিছু

সময় আৰু দ্বিপ্রহৰৰ আগৰ কিছুসময় চন্দ্রপ্রভাৰ প্রশিক্ষণত ব্যয় কৰে যজ্ঞৱতীয়ে।

অৱশ্যে সদায় নহয়।

অধিকাংশ দিনতো প্রতাপচন্দ্রৰ লগতেই ব্যস্ত হৈ থাকিব লাগে চন্দ্রপ্রভাই। ৰাজধানীত থকা সময়খিনিত ৰাজকার্যৰ সময়ছোৱাৰ বাহিৰে আজৰি সময়খিনি চন্দ্রপ্রভাৰ লগতেই কটায় প্রতাপচন্দ্রই। ক'ৰবালৈ ওলাই গ'লেও চন্দ্রপ্রভাক লৈ যায়। আজি চুবুৰীয়া ভূঞা ৰাজ্য টেম্বুৱানীৰ ৰজা ৰাজধৰ আহিছে। সেয়েহে আজি ৰাজকার্যৰ পৰা উভতি আহোতে সময় লাগিব প্রতাপচন্দ্রৰ। ৰাজমাতা যজ্ঞৱতীয়ে ভালেই পাইছে। এইকেইদিন প্রতাপচন্দ্র আৰু চন্দ্রপ্রভা ৰাজধানীত নাছিল। মহাভৈৰৱৰ পূজা দি ৰাজ্য ভ্রমণ কৰিবলৈ গৈছিল। আজি কেইবাদিনৰো মূৰত চন্দ্রপ্রভাক পাইছে যজ্ঞৱতীয়ে।

নিঃসংগভাৱে দিন কটাই বিৰক্ত হৈ পৰা যজ্ঞৱতীয়ে চন্দ্রপ্রভাক পাই সকাহ পাইছে। খোপা বান্ধি দি বিভিন্ন কথাত মগ্ন হৈ পৰিছে।

চন্দ্রপ্রভাক অত্যন্ত মৰম কৰে যজ্ঞৱতীয়ে। এই সৰল আৰু উজ্জ্বল মুখৰ অনিন্দ্য সুন্দৰী ছোৱালীজনী তেওঁৰ যেন বোৱাৰী নহয় জীয়ৰীহে মাজে মাজে তেনে যেন লাগে যজ্ঞৱতীৰ। চন্দ্রপ্রভা অহাৰ পিচত আনন্দময় হৈ পৰিছে প্রতাপপুৰৰ ৰাজগৃহ। আগতে প্রতাপচন্দ্র ঘৰতেই নাথাকিছিল। স্বামী সোমপালৰ মৃত্যুৰ পিচত নিঃসংগ হৈ পৰিছিল যজ্ঞৱতী। চন্দ্রপ্রভা অহাৰ পিচত দিনবোৰ সলনি হৈ গৈছে। মন খুলি কথা কোৱাৰ লগ এটা হৈছে। অৱশ্যে কথা পতা বুলি ক'ব নোৱাৰি। কথা খুব কমেই কয় চন্দ্রপ্রভাই। শুনেহে। শাহুৰেক যজ্ঞৱতীৰ প্রতিটো কথা একান্ত মনোযোগেৰে শুনি থাকে চন্দ্রপ্রভাই। একান্ত বাধ্যতাৰে পালন কৰাৰ চেষ্টা কৰে যজ্ঞৱতীৰ প্রতিটো নির্দেশ।

এতিয়াও সোণৰ দর্পণত চাই চাই খোপা বান্ধিবলৈ শিকি থকাৰ লগে লগে যজ্ঞৱতীৰ কথাবোৰ মন দি শুনি গৈছে চন্দ্রপ্রভাই। দুই-এটা প্রশ্ন কৰাৰ বাহিৰে আন একো কোৱা নাই।

খোপাটো বন্ধা শেষ কৰি খোপাত সোণৰ কাঁটাবোৰ খুৱাই খুৱাই যজ্ঞৱতীয়ে ক'লে—

'আজি টেম্বুৱানীৰ ভূঞা ৰাজধৰ আহিছে— গম পোৱানে বধুমাতা?'

'নাপাওঁ আই মাতৃ।'

'তেওঁৰ নাম শুনিছানে নাই?'

'এবাৰ কোৱা শুনিছিলো আইমাতৃ।'

'এই ৰাজধৰৰেই পিতৃ চণ্ডীবৰ শিৰোমণি ভূঞা আছিল বুজিছা। মোৰ পিতামহ শহুৰ ৰজা তাম্রধ্বজৰ দিনত তেওঁ টেম্বুৱানীলৈ আহি ৰাজ্য পাতিছিল। মোৰ প্রপিতামহ শহুৰ ৰজা ধর্মপাল আৰু পশ্চিমৰ ৰজা দুর্লভ নাৰায়ণ একে বংশৰ বেলেগীয়া ভাই

আছিল। দুর্লভ নাৰায়ণ ৰজায়ো গৌড়েশ্বৰ উপাধি লৈছিল। গৌড়েশ্বৰ উপাধিতো তেতিয়া খুব সন্মানজনক আছিল বুজিছা। আনকি ভূমি শূন্য ৰজায়ো নিজক 'পঞ্চ গৌড়েশ্বৰ' বুলি গৌৰৱ কৰিছিল। আমাৰ প্রপিতামহ শহুৰ ৰজা ধর্মপাল আৰু দুর্লভ নাৰায়ণ কিন্তু বৰ শক্তিশালী ৰজা আছিল বুজিছা। দুর্লভ নাৰায়ণৰ লগত আনকি উজনিৰ সৌমাৰখণ্ডত এতিয়া শক্তিশালী হৈ উঠা আহোমসকলৰ লগতো সংঘর্ষ আৰু পিচত ৰাজনৈতিক মিত্রতা হৈছিল।'

'আই মাতৃ আমাৰ প্রথম পুৰুষ শহুৰ ৰজা ধর্মপালে যদি কামৰূপৰ অধীশ্বৰ হৈছিল আৰু গোদণ্ড পর্বতত ৰাজধানী পাতিছিল তেনেহ'লে আমি তাৰ পৰা ইয়ালৈ কেনেকৈ আহিলো?' চন্দ্রপ্রভাই সুধিলে।

'সেইবোৰ বহুত কথা বধুমাতা। ময়ো বিশেষ নাজানো। শুনিছো আমাৰ প্রথম পুৰুষ ধর্মপাল ৰজাদেৰে বংগৰাজ্যৰ ৰজা মাণিকচন্দ্র বা প্রতাপধ্বজৰ ৰাণী ময়নাৱতীৰ ভগ্নী বনমালাক বিয়া কৰায়। ৰজা মাণিকচন্দ্রৰ কেইবাজনীও ৰাণী আছিল। তেওঁৰে প্রথমা পত্নী পার্বতীৰ পুত্র হ'ল দুর্লভ নাৰায়ণ। সম্বন্ধত ভাতৃ হ'লেও ধর্মপাল ৰজাদেৰে ধর্মপুৰত ৰাজধানী পাতি ৰাজ্য বিস্তাৰ কৰিবলৈ যাওঁতে দুর্লভ নাৰায়ণৰ লগত যুঁজ লাগে। এতিয়া য'ত মহাদেৱ বিল্বেশ্বৰৰ দেৱালয় আছে সেই সমস্ত অঞ্চলজুৰি ধর্মপাল ৰজাদেৰেৰ ৰাজ্য আছিল। দুর্লভ নাৰায়ণৰ লগত ধর্মপাল ৰজাদেৱৰ সন্ধি হয়। ধর্মপাল ৰজাদেৰে উচ্চশ্রেণীৰ লোক কিছুমান খোজাত দুর্লভ নাৰায়ণে চণ্ডীবৰ আৰু অন্যান্য কেইজনমান কায়স্থ ক্ষত্রিয় বীৰক আৰু লগতে কেইজনমান সদ্ ব্রাহ্মণ পণ্ডিতক ধর্মপাল ৰজাদেৱৰ ৰাজ্যলৈ পঠিয়াই দিয়ে। তেওঁ সেই বীৰ আৰু পণ্ডিতসকলক কামৰূপ নগৰৰ ওচৰত স্থাপন কৰিছিল। কিন্তু তুমিতো জানাই ক্ষত্রিয় ৰজাসকলৰ ৰাজ্য বিস্তাৰৰ আকাংক্ষা কিমান বেছি। মোৰ পুত্র ৰামচন্দ্রও একেই নহয় জানো? দুর্লভ নাৰায়ণে চক্রান্ত কৰি ধর্মপাল ৰজাদেৱক হত্যা কৰি কামৰূপ কমতা দখল কৰি লয়। চণ্ডীবৰ বীৰে কামৰূপ ৰাজ্য ত্যাগ কৰি বৰনদী পাৰ হৈ গুচি আহে। ধর্মপাল ৰজাদেৱৰ পুত্র তাম্রধ্বজ বা ৰত্নপাল, অর্থাৎ মোৰ শহুৰ ৰজাই কামৰূপৰ পৰা উজাই আহি ইয়াৰে কন্যকা গ্রামত বাস কৰিবলৈ আৰম্ভ কৰে। টেম্বুৰানীত চণ্ডীবৰে ৰাজ্য পাতি শিৰোমণি ভূঞা হয় বুলিতো কৈছোৱেই। তেওঁৰ প্রথম পুত্র ৰাজধৰে টেম্বুৰানীত আৰু দ্বিতীয় পুত্র গদাধৰে ৰৌতাত থাকি দেশ শাসন কৰিবলৈ ধৰে। মোৰ শহুৰ ৰজা আৰু মোৰ স্বামীৰজা সোমপালৰ দিনত আমাৰ ৰাজ্য ইমান ডাঙৰ নাছিল। ৰামচন্দ্রইহে গদাধৰ ভূঞাক পৰাস্ত কৰি বৰনদীলৈ ৰাজ্য বহলাইছে। দক্ষিণে মাজুলী আৰু পশ্চিমে প্রায় কমতালৈকে ৰাজ্য বিস্তাৰ কৰিছে। আমি এতিয়া য'ত আছো ইয়াত চতুর্থ শতিকাৰ নাগশংকৰ ৰজাৰ ৰাজধানী আছিল। ৰামচন্দ্রই গড়বেৰ দি ভালকৈ ৰাজধানীখন পাতিছে।

ইমান ডাঙৰ ৰাজ্য এখন চলোৱা সহজ কাম নহয়। আৰু ৰাজ্য বহলোৱাৰ প্ৰয়োজন নাই বুজিছা। মন্ত্ৰী সগৰ জনাবুজা লোক কাৰণেই ৰাজ্যখন ৰামচন্দ্ৰই ভালদৰে চলাব পাৰিছে। ৰাম চন্দ্ৰই যদি আকৌ ৰাজ্য বিস্তাৰৰ কাৰণে যাব খোজে তুমি বাধা দিবা— বুজাবা। ময়ো বুজাম।'

'বাৰু আইমাতৃ।'

যজ্ঞৱতীৰ দীঘলীয়া বক্তব্যৰ শেষত চন্দ্ৰপ্ৰভাই ক'লে। তাইৰ দৰ্পণ ধৰি থকা হাতখন টন্‌টনাইছে। কান্ধৰ ওচৰতো টন্‌টনাইছে। অস্বস্তি লাগিছে। বহুত সময় ধৰি এনেকৈয়ে বহি আছে চন্দ্ৰপ্ৰভা। উঠি যাওঁ বুলি ক'বলৈ সুযোগ পোৱা নাই। সাহসো কৰা নাই। চন্দ্ৰপ্ৰভাই হাতত লৈ থকা মণিময় দৰ্পণত প্ৰতিবিম্বিত হোৱা মুখখন যজ্ঞৱতীৰ চকুত পৰিছে। পশ্চিমাকাশত ঢলিবলৈ আৰম্ভ কৰা সূৰ্যৰ তেজহীন ৰশ্মি ঘঁহি-মাজি সোণ যেন কৰি থোৱা জালিকটা কুম্ভাক্ষৰ পিতলৰ বাওত লাগি উফৰি আহি চন্দ্ৰপ্ৰভাৰ মুখত পৰিছেহি। এক অপাৰ্থিৱ জ্যোতিত উদ্ভাসিত হৈ উঠিছে দেৱীযেন লগা মুখখন। যজ্ঞৱতীৰ মনটো অন্তহীন পৰিতৃপ্তিত উপচি পৰিছে। অনেক বিচাৰ কৰি বিশুদ্ধ ক্ষত্ৰিয় পৰিয়ালৰ এই অপৰূপা কিশোৰীক পুত্ৰ ৰামচন্দ্ৰলৈ বোৱাৰী কৰি আনিছে তেওঁ। অপৰূপ সৌন্দৰ্য, সুনাৰীসুলভ আচাৰ আচৰণ আৰু গুণাৱলীৰে ৰজা-প্ৰজা সকলোকে মুগ্ধ কৰি তুলিছে চন্দ্ৰপ্ৰভাই।

ৰাজ্য বিস্তাৰৰ বাহিৰে আন একোৰেই প্ৰতি আগ্ৰহ নথকা প্ৰতাপচন্দ্ৰ বিয়াৰ পিচত যেন থমক খাই ৰৈছে। প্ৰকৃততে প্ৰতাপচন্দ্ৰক সংহত কৰিবলৈকে কইনা বিচাৰোতে ইমান কষ্ট কৰিছিল ৰাজমাতাই।

জিতাৰী বংশৰ বোৱাৰী হিচাপে আৰ্য ক্ষত্ৰিয় নৰপতিৰ বিজয়তৃষ্ণা ভালদৰেই দেখিছে ৰাজমাতাই। শুনিছে গৌড়ীয় ক্ষত্ৰিয় ধৰ্মপালৰ পৰা আৰম্ভ কৰি বংশৰ ৰজাসকলৰ ৰাজ্যবিস্তাৰৰ আকাংক্ষা, অহংকাৰ আৰু যুদ্ধান ৰূপৰ কথা। নিজৰ জীৱনেৰে উপলব্ধি কৰিছে এনে পুৰুষৰ গৰ্বিতা পত্নীসকলৰ মনৰ মাজত লুকাই থকা সুগভীৰ নিঃসংগতা আৰু ব্যৰ্থ ৰাতিবোৰত সৰি পৰা হুমুনিয়াহবোৰৰ কথা। পুত্ৰ ৰামচন্দ্ৰ, যি প্ৰতাপৰ বাবে নাম পাইছে প্ৰতাপচন্দ্ৰ, তাৰ মাজতো একেই অহংকাৰ, বিজয়ৰ একেই তৃষ্ণা, ৰাজ্য বিস্তাৰৰ একেই আকাংক্ষা দেখিছে যজ্ঞৱতীয়ে। বিয়াৰ পাচৰে পৰা শুনি-দেখি যজ্ঞৱতীয়ে বুজিছে, এই জিতাৰী বংশৰ পুৰুষৰ তেজত আছে বিজয়ৰ তৃষ্ণা। ৰাজ্য বিস্তাৰৰ আকাংক্ষা। ক্ষত্ৰিয় আৰু আৰ্য হিচাপে প্ৰচণ্ড উচ্চাত্মিকাবোধ। একে সময়তে আছে দুহাত উজাৰি দান দিব পৰা উদাৰতা। দুৰ্বাৰ সাহস। অসম্ভৱ জেদ। প্ৰচণ্ড শাৰীৰিক শক্তি। ৰণ-কুশলতা।

পুত্ৰ ৰামচন্দ্ৰৰ গাত এই সকলো কথাৰ আধিক্য দেখা পাই শংকিত হৈছিল

ৰাজমাতা। ৰজা হৈ কিছুদিনৰ ভিতৰতে প্রতাপপুৰৰ দক্ষিণে সুদূৰ মাজুলীলৈ নিজ ৰাজ্য বিস্তাৰ কৰি প্রখ্যাত হৈ পৰিছিল ৰামচন্দ্র।

যজ্ঞৰতীৰ মাতৃহৃদয় একমাত্র পুত্রৰ অমংগল আশংকাত কম্পিত হৈছিল। সেয়েহে বিবাহ কৰাই দি পুত্র প্রতাপচন্দ্রক সংসাৰমুখী কৰাৰ প্রয়াস কৰিছিল। তেওঁৰ প্রয়াস সফল হৈছে। ৰজা প্রতাপচন্দ্র কম বয়সীয়া অপূর্ব ৰূপৰতী পত্নী চন্দ্রপ্রভাৰ ৰূপত মুগ্ধ হৈছে। চন্দ্রপ্রভাৰ তীব্র আকর্ষণে বন্দী কৰি পেলাইছে প্রতাপচন্দ্রক।

এই আকর্ষণ— পত্নীৰ প্রতি এই মোহতো আধিক্য দেখিছে যজ্ঞৰতীয়ে। ৰাজকার্যলৈ আগৰ দৰে আগ্রহ নথকাটো ভাল হৈছে যদিও অধিক অনাগ্রহে ৰাজ্যৰ নিৰাপত্তা আৰু উন্নতি বিঘ্নিত কৰিব পাৰে বুলি চিন্তিত হৈছে যজ্ঞৰতী। বিৰক্তও হৈছে। স্বামী, শহুৰৰ আচৰণত অভ্যস্ত যজ্ঞৰতীয়ে প্রতাপচন্দ্রৰ চন্দ্রপ্রভাময়তাত অসন্তুষ্ট হৈছে। ধর্মপালৰ বংশৰ নৰপতিৰ ক্ষেত্রত এনে দুর্বলতা অশোভনীয় আৰু অনাকাংক্ষিত।

কিন্তু চন্দ্রপ্রভাৰ প্রতি সেইবুলি তেওঁ কোনো বিদ্বেষ অনুভৱ নকৰে। বৰঞ্চ স্বামীৰ মৰমৰ আধিক্যত মাজে মাজে অতীষ্ঠ হৈ পৰা দেখি কম বয়সীয়া বোৱাৰীয়েকৰ প্রতি অনুভৱ কৰে মমতা।

'মাতৃ — দর্পণখন অলপ সময়লৈ নমাই থ'ব পাৰোনে?' লাহেকৈ, কিছু ভয়ে ভয়ে সুধিলে চন্দ্রপ্রভাই।

'কিয়? হাত বিষাইছে?'

'অকণমান বিষাইছে মাতৃ।'

'নমাই থোৱা বাৰু। ময়ো ৰও। খোপাবন্ধা শেষেই হৈছে। সজাবলৈহে আছে। এই খোপাটো কেনেকৈ বান্ধে দেখিলা নহয়। খুব জটিল যেন লাগিলেও আচলতে কিমান সহজ দেখিছা? নিজেই বান্ধিব পাৰিবা। এইটো খোপা বান্ধিলে চুলিখিনি বৰ সুন্দৰ আৰু উজ্জ্বল দেখায়। সোণৰ গুণাকেইডালৰ বাবে। তুমি পাৰিবানে? নে দেখুৱাই দিম আকৌ?'

'পাৰিম মাতৃ।'

'পিচত নিজেই বান্ধি মোক দেখুৱাবা। ভুল হ'লে শুধৰাই ল'ব পাৰিবা।' কপালীডাল শিৰত পিন্ধাই পিন্ধাই ক'লে যজ্ঞৰতীয়ে।

তাৰ পিচত সোণৰূপৰ ফুলবোৰ তুলি লৈ বহুৱাই দি দি আকৌ ক'লে—

'মইতো সদায় নাথাকো— মোৰ শাহু মাতৃৰ পৰা মই যিখিনি কথা শিকিছো সেইখিনি মই তোমাক শিকাই দিব লাগিব। এই বিদ্যা, এই জ্ঞান এটা পুৰুষৰ পৰা আন এটা পুৰুষে শিকা। তুমি তোমাৰ বোৱাৰীক এইবোৰ কথা শিকাব লাগিব। স্বামীৰ মনোৰমা পত্নী হ'বলৈ মাত্র ৰূপ থাকিলেই নহ'ব— অনেক কলাত বিশাৰদাও হ'ব

লাগিব। নিজৰ ৰূপ-যৌৱনক দীৰ্ঘস্থায়ী কৰাৰ কৌশলসমূহ আয়ত্ত কৰি ল'ব লাগিব। ৰাজনীতিৰ জ্ঞানো থাকিব লাগিব। তুমি এতিয়া মোৰ মুখামুখিহৈ বহাচোন। প্ৰসাধনৰ দুটা নিয়ম আৰু প্ৰস্তুতপ্ৰণালী শিকাই দিওঁ।'

চন্দ্ৰপ্ৰভা মুখামুখি হৈ বহিল। ৰূপৰ কাঁহীখনত থোৱা এটা সৰু ৰূপৰ বাতি তুলি ল'লে যজ্ঞৱতীয়ে। বাভিঁচোত থকা হালধীয়া গাখীৰত কপাহ অলপ তিয়াই মুখখন মচি দি ক'লে—

'ইয়াত গাখীৰ আৰু ফুলৰ কেশৰ আছে। কেশৰৰ ৰঙৰ কাৰণে গাখীৰখিনি হালধীয়া হৈ পৰিছে। এই ফুলৰ কেশৰ এই দেশত নাপায়। সুদূৰ কাশ্মীৰৰ পৰা এই কেশৰ সংগ্ৰহ কৰিব লাগে। অনেক ব্যয় কৰি এই কেশৰ আনা হয়। সাৱধানে ব্যয় কৰিবা— যাতে অপব্যয় নহয়।'

'হ'ব মাতৃ।'

কপাহডোখৰ থৈ, আন এডোখৰ কপাহ তুলি লৈ, আন এটা বাতিত থকা ৰঙা গোলাপৰ পাপৰি উপঙি থকা পানীত তিয়াই মুখখন মচি মচি ক'লে—

'এই ৰঙা গোলাপ ইয়াত নহয়। মোৰ শহুৰ ৰজাই বহুত দূৰৈৰ, পশ্চিমৰ দেশৰ পৰা আনিছিল। শুনিছো টগ্ৰল খাঁ মল্লিক যুজবেকে কামৰূপ আক্ৰমণ কৰিবৰ সময়ত এই গোলাপৰ গছ লগত লৈ আহিছিল। বৰ যত্নেৰে ৰাখিব লাগে। নহ'লে মৰি যায়। এই ফুলৰ পাহি পানীত তিয়াই মুখ আৰু শৰীৰ মচিলে ছাল পৰিষ্কাৰ হয়। কেশৰ দিয়া গাখীৰেৰে সদায় ৰাতিপুৱা গা-মুখ পৰিষ্কাৰ কৰিবা। তাৰ পিচত এই গোলাপৰ পাহি দিয়া পানীৰে মচিবা। ৰাতি শুৱাৰ আগতেও একেদৰেই পৰিষ্কাৰ কৰিবা। গাৰ ছাল সোণৰ দৰে উজ্জ্বল আৰু মসৃণ হৈ থাকিব। বুজিছা?'

'বুজিছো আইমাতৃ।'

'নিজকে সদায় সুন্দৰ কৰি ৰাখিব লাগে বুজিছা। আমি গৃহাবদ্ধ নাৰী। ৰজাৰ পত্নী হ'ব পাৰো— কিন্তু আমিও অনেক বাধা-নিষেধৰ মাজত চলিব লাগে। আমাৰ পূৰ্বজসকলে ৰাজ্য জয় কৰি আনন্দ পাইছিল। বনৰ পশু-পক্ষী চিকাৰ কৰি আনন্দ পাইছিল। মোৰ পুত্ৰ ৰামচন্দ্ৰয়ো পায়। এই বংশৰ পুৰুষসকল এনেকুৱাই। এওঁলোকে নাৰী হওক, ৰাজ্য হওক, জয় কৰি আনন্দ পায়। কোনো কথাত পৰাজিত হ'লে বা পৰাজিত অনুভৱ কৰিলে এওঁলোক ক্ষিপ্ত হৈ উঠে। হিতাহিত জ্ঞান হেৰুৱাই পেলায়। এই কথা সদায় মনত ৰাখি চলিবা। এই বংশৰ পুৰুষৰ সংসাৰৰ মোহতকৈ বহির্জগতৰ প্ৰতি আকৰ্ষণ অধিক। অন্তেষপুৰত পত্নীসকলে কেনেকৈ দিন কটায় সেই কথা তেওঁলোকে নাজানে। নাভাবে। উপলব্ধি নকৰে। সেই কাৰণেই নাৰীসকলে নিজক

সকলো ফালৰ পৰা আকৰ্ষণীয় কৰি ৰাখিব লাগে। নিজৰ যৌৱনক দীৰ্ঘস্থায়ী কৰি ৰাখিবলৈ নিয়মিত ৰূপ-চৰ্চা কৰিব লাগে। তুমিও কৰিবা। তোমাৰ ক্ষেত্ৰত অৱশ্যে অলপ বেলেগ হৈছে। মোৰ পুত্ৰ ৰামচন্দ্ৰ তোমাৰ ৰূপ-গুণত মুগ্ধ। এয়া শুভ লক্ষণ। কিন্তু ধৰ্মপালৰ বংশৰ আন ৰজাসকলৰ দৰে তাৰ তেজতো বিজয় তৃষ্ণা আছে। ৰাজ্য বিস্তাৰ কৰি সুদূৰ মাজুলী দ্বীপ পোৱাৰ পিচতো সি পৰিতৃপ্ত হোৱা নাই। এই বিজয়তৃষ্ণা ক্ষতিকাৰক চন্দ্ৰপ্ৰভা। তুমি এই তৃষ্ণাক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰিবা। পাৰিলে তাক বুজাবা— ৰাজ্য বিস্তাৰ যথেষ্ট হৈছে আৰু আগবঢ়াৰ প্ৰয়োজন নাই।'

'আই মাতৃ।' এজনী বয়সস্থা লিগিৰি সোমাই আহি আঁঠু ল'লেহি।

'অ' মাঘী— তই ক'লৈ গৈছিলি? ইমান সময় দেখা নাই যে?'

'ৰাণী আইদেউৰ ওচৰতে আছিলো আইদেৱতা। তাৰ পিচত ৰাজবৈদ্যৰ ওচৰলৈ গ'লো। ৰাণী আইদেৱে জানো কোৱা নাই?'

'নাইতো— তই এওঁৰ লগত কিয় আছিলি? বকুলী ক'ত?'

'বকুলীও আছিল। বকুলীয়েই মোক মাতি নিছিল। আইদেউৰ গাটো বেয়া লাগিছিল। মোৰতো গা বেয়াৰ ধৰণ দেখি অইন কিবাহে মনলৈ আহিছে আইদেৱতা। ৰাজবৈদ্যদেৱক মাতি থৈ আহিলোগৈ।'

'কিনো অসুখ হ'ল? মোক কোৱা নাই কিয় বধুমাতা?'

'আপুনি আইতা হ'বলৈ ওলাইছে যেন লাগিছে আইদেৱতা।'

ৰাণীৰ আগত কি হৈছিল চমুকৈ ক'লে দাসী মাঘীবুঢ়ীয়ে। আনন্দৰ তীব্ৰ এক তেজৰ সোঁত ৰাজমাতা যজ্ঞৱতীৰ বুকুখনত ঢৌ তুলি বৈ গ'ল। লাজত তলমূৰ কৰি থকা চন্দ্ৰপ্ৰভালৈ এপলক অবাক হৈ চাই থাকি পুৰণি বিশ্বস্ত লিগিৰিজনীলৈ চালে—

'তই নিশ্চিত নে মাঘী?'

'কেনেকৈনো কওঁ আই দেৱতা। ৰাণী আইদেৱে ক'বলৈ বেয়া পাইছে বোধহয় আইমাতৃ। কিন্তু দেখি শুনি যি শিকিছো সেইমতে তেনে যেন লাগিছে বুলিও ক'বৰ মন যায়।' পিন্ধি থকা ৰুদ্ৰাক্ষৰ মণিদাল চুই চুই মাঘীয়ে চিন্তিত ভাৱে ক'লে।

ৰাজমাতা অলপ সময় মনে মনে থাকিল। তাৰ পিচত ক'লে—

'যদি নিশ্চিত নহয়— কাকো কথাটো নজনাবি মাঘী। জনালেই গোটেইখন ৰজনজনাই যাব। ৰামচন্দ্ৰই গম পালে যাগ-যজ্ঞ পাতি, দান-দক্ষিণা কৰি হুলস্থূল কৰিব— পিচত মিছা হ'লে বৰ লাজত পৰিব লাগিব। আৰু কিছুদিন যাওঁক— নিশ্চিত হওঁ— তাৰ পিচত ক'ম। ময়েই। বকুলীক তই একো ক'ব নালাগে— মই মাতিছো বুলি ক'গৈ— যি মুখ পাতল ছোৱালী, মই ক'লেহে যদি মনে মনে থাকে।'

'বাৰু আইমাতৃ— মই এতিয়াই পঠিয়াই দিও গৈ।'

সেৱা কৰি মাঘীবুঢ়ী গ'লগৈ। লাজত মৰো মৰো হোৱা, তলমুৰকৈ বহি থকা বোৱাৰীয়েকৰ মুৰত হাত থৈ মৰমেৰে ক'লে যজ্ঞৱতীয়ে—

'লাজ লাগিছে নেকি আই? লাজ নকৰিবা। সহজকৈ ল'ব লাগে। বিয়া হৈছা যেতিয়া মাক হ'বাই। তুমি কিন্তু ৰামচন্দ্রক নক'বা আই। মই যেতিয়া ক'বলৈ ক'ম— তেতিয়াহে ক'বা বুজিছা। ইমান আৰম্ভণিতে কথাটো সঁচানে মিছা বুজিব নোৱাৰি নহয়— পিচত মিছা বুলি জানিলে সি দুখ পাব। সি কেনে আৱেগপ্রবণ জানাইতো।'

'হ'ব মাতৃ। নকওঁ।'

'চাবা— হঠাতে যেন মুখৰ পৰা ওলাই নাযায়। তুমিও জানো কম চঞ্চল হৈ পৰা মাজে মাজে। সেইদিনা চৰাই যেন ডাঙৰ বগা পখিলাটো দেখি যেনেকৈ জঁপিয়ালা বকুলীহঁতে কেনেকৈ হাঁহিছিল তুমিতো দেখা নাই। তুমি সৰু ছোৱালী সঁচা। এনেয়ে তুমি বৰ গহীন ছোৱালী। বৰ লখিমী। ৰাজ হাউলীত তোমাক সকলোৱে ভাল পায়। কিন্তু তুমি নিজকে প্রতাপচন্দ্রৰ ৰাণী বুলি মাজে মাজে পাহৰি যোৱা— বৰ সৰু ছোৱালীৰ দৰে কৰা— নকৰিবা— ৰামচন্দ্রয়ো এনেকৈ হাঁহি-ধেমালি কৰিলে বেয়া পাব পাৰে।'

'মাজে মাজে সঁচাকৈ পাহৰি যাওঁ মাতৃ। মোৰ আয়ে মোক এই কাৰণেই মাজে মাজে বৰ খং কৰিছিল।'

'তোমাৰ আই যে ভাল বংশৰ ছোৱালী। ছোৱালী জনম কেনে বান্ধোনৰ তেওঁ জানে কাৰণেই খং কৰিছিল। আমি উচ্চ কুলৰ, ৰজাঘৰৰ মানুহ। আমি নিজৰ মর্যাদা ৰক্ষা কৰি চলিবই লাগিব। প্রয়োজন হ'লে নিজৰ ইচ্ছা-আকাংক্ষাও বিসর্জন দিব লাগিব।'

ইতিমধ্যে সোণৰূপৰ ফুলবোৰ বহুওৱা হৈ গৈছিল। খোপাৰ ওপৰত সোণৰ ওপৰত মীনা কৰা কাকৈখন বহুৱাই দি চন্দ্রপ্রভাক নিজৰপিনে ঘুৰাই মুগ্ধ দৃষ্টিৰে চাই থাকিল যজ্ঞৱতীয়ে। কুহুম ফুলৰ ৰসেৰে ৰং কৰা কুহুমবুলীয়া পাটৰ বনকৰা মেখেলা আৰু ৰিহা এখন পিন্ধিছে চন্দ্রপ্রভাই। গাত লা সিজোৱা পানীত তিয়াই ৰং কৰা গাঢ় ৰঙা কপাহী চাদৰ এখন লৈছে। নীলা ফুল বচা চাদৰ। কঁকালত এধাৰ ৰূপৰ পোৱালমণি গঁঠা কৰধনী। ডিঙিত নাভিলৈ নামি অহা উজ্জ্বল ৰত্নসূত্র আৰু শৃংখল। ভৰিত ৰূপৰ কিংকিনি। দুহাতত দুজাপ কংকন। আঙুলিত আংগুলি আচ্ছাদক।

'বৰ সুন্দৰ লাগিছে। সৰগৰ অপ্সৰাৰ দৰে ধুনীয়া লাগিছে। তুমি ভালকৈ বহা। তোমাক মই এই অৱস্থাত কেনেকৈ চলিব লাগে কওঁ। বাবা বিশ্বনাথৰ কৃপাত সকলো

ভালেৰে যাব।' ৰাজমাতা যজ্ঞৱতীয়ে ক'লে।

লাজ সংকোচত তলমুৰ কৰি বহি আছে চন্দ্রপ্রভা। শশ্রুমাতাই তেওঁক যথেষ্ট মৰম কৰে। প্রশ্রয়ো দিয়ে। তথাপিও তেওঁৰ গম্ভীৰ মুখখন দেখিলে কিয় জানো ভয় লাগে। চন্দ্রপ্রভাৰ ভাব হয়— মাকৰ উপস্থিতিৰ কাৰণেই কিজানি ৰজা প্রতাপচন্দ্রই অনবৰতে তাইৰ লগত মগ্ন হৈ থাকিবলৈ সাহস নকৰে। অন্যথাই হয়তো তেওঁ ৰাজ্য শাসনলৈও পিঠি দিলেহেঁতেন। চন্দ্রপ্রভাই সকলো সময়তে সাজি-কাচি থকাটো কামনা কৰে প্রতাপচন্দ্রই। তেওঁৰ প্রতি চন্দ্রপ্রভাই সামান্যতম অনাগ্রহ দেখুৱালেও ক্ষুণ্ণ হয় প্রতাপচন্দ্র। ঘৰত থকা সময়খিনিত অনবৰতে প্রতাপচন্দ্রৰ লগে লগে থাকিব লাগে। শাহুমাতাৰ উপস্থিতিয়ে সেয়েহে চন্দ্রপ্রভাক অনেক সকাহ দিয়ে। মাকৰ ঘৰৰ পৰা লৈ অহা কামৰূপীয়া কুমাৰে গঢ়া মাটিৰ পুতলাবোৰ এটা পেৰাত সংগোপনে থোৱা আছে শয়নকক্ষত। সুবিধা পালেই উলিয়াই লৈ খেলাত মগ্ন হৈ থাকে চন্দ্রপ্রভা। প্রতাপচন্দ্রই তেনে সময়ত মৰম কৰিবলৈ নাহিলেই চন্দ্রপ্রভাই ভাল পায়। মাজে মাজে চন্দ্রপ্রভাৰ ভাব হয় চন্দ্রপ্রভাৰ পুতলাৰ পেৰাটোক যেন ৰজাই ঈর্ষা কৰে।

এদিনতো তাই হাঁহি হাঁহি কৈয়েই পেলাইছিল—

'মোৰ পুতলাকেইটালৈ আপোনাৰ ঈর্ষা হয় নহয়?'

তাইৰ কথা শুনি প্রাণ খুলি হাঁহি উঠিছিল প্রতাপচন্দ্রই। তাৰ পিচত গম্ভীৰ হৈ গৈছিল—

'সঁচা— তুমি আন কাৰোবাক, আন কিহবাক ভাল পাইছা বুলি ভাবিলেই মোৰ মুৰত জুই জ্বলি উঠে মহিষী। মোৰ তোমাৰেই ওপৰত খং উঠে তেতিয়া।'

প্রতাপচন্দ্রৰ গম্ভীৰ মুখখন দেখি ভয় ভয় লাগি গৈছিল চন্দ্রপ্রভাৰ।

'মই কোৱা কথাবোৰ নাপাহৰিবা— মানি চলিবা বুজিছা।'

'চলিম আইমাতৃ।' চন্দ্রপ্রভাই নম্রভাৱে ক'লে।

যজ্ঞৱতীয়ে ফুলকটা কাঠৰ মেজখনৰ পৰা ৰূপৰ ঢাকোন থকা পাত্র এটা তুলি ল'লে। ঢাকোনখন খুলি তৈলসিক্ত মিশ্রণ অকণমান তুলি লৈ চন্দ্রপ্রভাৰ হাতত তাৰে অলপ দি বাকীখিনি তাইৰ গালত সানি সানি ক'লে—

'আহিন মাহ পৰিছে। গাৰ ছাল মসৃণ কৰি ৰাখিবলৈ এতিয়াৰ পৰা ব'হাগলৈ এই 'গ্রন্ত' অলপ গায়ে-মুখে সানিবা। তাৰ পিচতহে চূর্ণীকৃত চন্দন নহ'লে কেতেকী ফুলৰ ৰেণু সানিবা। এই 'গ্রন্ত' ওঁঠতো সানিব পাৰা। কোমল কৰি ৰাখিব।'

'এই গ্রন্ত কিহেৰে তৈয়াৰ কৰে আইমাতৃ?'

সুগন্ধি মিশ্রণখিনি দুহাতত সানি সানি চন্দ্রপ্রভাই সুধিলে।

'পকা সুমথিৰাৰ বাকলিৰ হালধীয়াখিনিৰ লগত পিৰিকা শাক আৰু কগা সৰিয়হৰ ফুল একে লগ কৰি খুন্দি ৰস উলিয়াই ল'ব লাগে। তাৰ পিচত তাৰ লগত কেঁচা হালধিৰ ৰস মিহলাই মাটিৰ চৰুত গৰুৰ ঘিউ মিহলাই তপতাব লাগে। মিশ্রণখিনি যেতিয়া গোট মাৰিব তেতিয়া জুইৰ পৰা নমাই অগ্নৰু, চন্দন মিহলাব লাগে। মই যেতিয়া বিয়া হৈ আহিছিলো মোৰ শাহু মাতৃয়ে শিকাইছিল। তুমি তোমাৰ বধুমাতাক শিকাব পাৰিবা। আৰুনো কেইদিন আছে।' যজ্ঞৱতীয়ে হাঁহিলে। লাজত ৰঙা পৰি গ'ল চন্দ্রপ্রভা।

যজ্ঞৱতী উঠি গ'ল। শয্যাৰ কাষতে থকা বেতৰ মেজ এখনৰ পৰা কাপতিক পাতেৰে মেৰিয়াই থোৱা বাঁহৰ চুঙা এটা তুলি লৈ আহিল। ৰিহাৰ বেষ্টনিৰ পৰা ওলাই থকা চন্দ্রপ্রভাৰ মসৃণ, উন্নত বক্ষত সুগন্ধি কৃষ্ণ-গুৰু তেল দুটোপাল সানি দি চুঙাটো বান্ধি বান্ধি কৈ উঠিল—

'মোৰ পুত্রই কৃষ্ণ-গুৰুৰ সুগন্ধি বৰ ভাল পায়। তোমাৰ লগত আছে নহয়। সদায় লগাবা। শয্যাতো সানিবা। বুকুত চন্দনৰ প্রলেপ লগাবা। সুগন্ধিয়ে মন ভাল কৰে। বুজিছা?'

'বুজিছো আইমাতৃ।' চন্দ্রপ্রভাই নম্রভাৱে ক'লে।

তাইৰ হাতত মণিময় দর্পণখন তুলি দি যজ্ঞৱতীয়ে হাঁহিলে—

'চোৱাচোন— কিমান সুন্দৰ লাগিছে তোমাক।'

চন্দ্রপ্রভাই কিবা কোৱাৰ আগতে ৰজা প্রতাপচন্দ্রৰ অত্যন্ত উৎকণ্ঠিত স্বৰ দুৱাৰৰ বাহিৰৰ পৰা ভাঁহি আহিল—

'আই মাতৃ।'

'আহা ভিতৰলৈ আহা।'

'আই মাতৃ— মহিষী দেখোন শয়নকক্ষত নাই।' কৈ কৈ প্রতাপচন্দ্র সোমাই আহিল। মাকৰ ওচৰত বহি থকা চন্দ্রপ্রভাক দেখাৰ লগে লগে ৰজাৰ এন্ধাৰ মুখখন পোহৰ হৈ গ'ল।

'তোমাৰ মহিষী অনবৰতে শয়নকক্ষতে সোমাই থাকিব নেকি? তুমি ৰাজসভা এৰি আহিলা কিয়?' যজ্ঞৱতীয়ে হাঁহিলে।

'অলপ সময়লৈ সভা স্থগিত ৰাখিছো। মূৰটো বিষাইছে আইমাতৃ। আৰু আন এটা কথাও আপোনাক জনাবলগীয়া আছিল। কালিলৈ পুৱা আমি মাজুলীৰ মায়াপুৰ ৰাজধানীৰ উদ্বোধনলৈ যাম। মহিষীকো লৈ যাম।'

'মহিষী যাব বাৰু? 'মোক নিনিয়া?' যজ্ঞৱতীয়ে ধেমালি কৰিলে।

'গ'লেতো ভালেই পাম আইমাতৃ।' প্রতাপচন্দ্রই উৎসাহেৰে ক'লে।

'ধেমালি কৰিছো অ'। মই নাযাওঁ। বধুমাতা— যোৱা, ৰামচন্দ্রৰ যত্ন লোৱা। মূৰ বিষাইছে বুলিছে।'

প্রতাপচন্দ্রৰ উদ্দেশ্য বুজি মুখ টিপি হাঁহি ৰাজমাতাই ক'লে।

চন্দ্রপ্রভা লাজত ৰঙা হৈ তলমূৰকৈ ওলাই আহিল।

শয়নকক্ষত সোমাই চন্দ্রপ্রভাক বুকুৰ মাজলৈ টানি আনি প্রতাপচন্দ্রই ক'লে—

'মই তোমাক কিমান কওঁ— তোমাক বিচাৰি আহি ইয়াত নেদেখিলে মই বেয়া পাওঁ— আজিতো আহিম বুলি কৈও গৈছিলো— নাথাকিলা কিয়?'

'আই মাতৃয়ে খোপাটো বান্ধি দিব বুলি মাতিলে। নগ'লে জানো হয়?'

'নহয় অৱশ্যে। তোমাক আজি আনদিনাতকৈও ধুনীয়া লাগিছে মহিষী।'

'আইমাতৃয়ে সজাই দিছে।'

লাজত ৰঙা পৰি চন্দ্রপ্রভাই প্রতাপচন্দ্রৰ বুকুত মুখ লুকুৱালে।

মৰমৰ পৰ্বটো পাৰ হোৱাৰ পিচত নিশ্চিন্ত আৰু সন্তুষ্ট প্রতাপচন্দ্র ৰাজসভালৈ উভতি গ'ল। সম্ভাব্য মাতৃত্বৰ আনন্দ আৰু ভীতিৰ দোলনাত দুলি দুলি শয়নকক্ষৰ বাহিৰৰ অলিন্দত বহি থাকিল স্নেহশ্রান্ত চন্দ্রপ্রভা।

৫

নতুনকৈ গঢ়ি তোলা ৰাজধানী মায়াপুৰ আটকধুনীয়াকৈ সজাই তোলা হৈছে। ব্ৰহ্মপুত্ৰৰ বুকুৰ এই বৃহৎ দ্বীপটোত এতিয়া আনন্দই আনন্দ।

চুবুৰীয়া সকলো ৰাজ্যৰ ৰজা আৰু ৰাজপুত্ৰসকললৈ নিমন্ত্ৰণ পঠোৱা হৈছিল। ইতিমধ্যে নিমন্ত্ৰণ ৰক্ষা কৰাৰ সম্মতি দিয়া ৰজাসকল আহি পাইছে। ব্যক্তিগতভাবে উপস্থিত থাকিব নোৱাৰা ৰজাসকলে হয় পুত্ৰ ডেকাৰজাসকলক বা আন কোনো ৰাজপ্ৰতিনিধিক নিমন্ত্ৰণ ৰক্ষা কৰিবলৈ পঠিয়াইছে। ব্ৰহ্মপুত্ৰৰ বালিচৰত গঢ়ি তোলা শাৰী শাৰী অস্থায়ী শিবিৰত ভাগে ভাগে অতিথিসকল আছেহি।

শৰৎমহীয়া মায়াপুৰ।

আকাশৰ নীলাৰ লগত মিহলি হৈ গৈছে নদীৰ নীলা। বিস্তীৰ্ণ অঞ্চলত ফুলি থকা কঁহুৱাবোৰৰ শুভ্ৰতাৰ সৈতে মিলি গৈছে আকাশৰ অত-ত'ত আলাসতে উপঙি থকা মেঘৰ শুভ্ৰতা। শেৱালীৰ সুগন্ধৰ সৈতে মিলি গৈছে কস্তুৰী হৰিণৰ নাভিৰ পৰা ভাঁহি অহা ৰাইজাই লগা সুগন্ধ।

আলাসতে উপঙি ফুৰিম যেন লগা বতৰৰ সৈতে মিলি গৈছে উৎসৱ মতলীয়া ৰাইজৰ মনবোৰ।

আজি নিজৰ আটাইতকৈ সুন্দৰ সাজযোৰ পিন্ধিছে চন্দ্ৰপ্ৰভাই। ধলপাটৰ মেখেলাখন ৰঙীণ মীনা কৰা সোণৰ সৰু সৰু ফুলেৰে জিলিকি উঠিছে। আটি আটি বন্ধা ৰিহাখনে যেন মৰমবলীয়া পুৰুষৰ দৰে সাৱটি ধৰিছে নতুন বৰষুণৰ পানী পাই ঠন ধৰি উঠা কলপুলি যেন গাটো। মণিপুৰৰ পৰা অনা কুঁৱলি যেন চাদৰ এখনে ঢাকি থৈছে গাটো। যেন জকমকাই ফুলা কাঞ্চন এজোপাৰ ওপৰত বিয়পি আছে পুৱাৰ কুঁৱলি এথোপা— ৰ'দৰ তাপত এই উৱো এই উৱা হৈ।

আৰু চন্দ্ৰপ্ৰভাৰ মুখখন?

সুদূৰ কাশ্মীৰৰ পৰা অনা ফুলৰ কেশৰ গাখীৰত তিয়াই ধোৱা এখন গোলাপৰ পাহিযেন মুখত কেতেকী ফুলৰ ৰেণুৱে যেন থাউনি বিচাৰি পোৱা নাই। ৰৰহমথুৰীৰে বোলোৱা চন্দনৰ গুটিযেন ওঁঠৰ ফাঁকেৰে জিকমিকাই, যেন চন্দ্ৰপ্ৰভাই ডিঙিত পিন্ধা

মুকুতাবোৰৰ লগত প্রতিযোগিতা কৰিব খুজিছে দাঁতৰ শাৰীয়ে। পুৰাৰ বেলিটো আহি যেন থমকি ৰৈছে তেওঁৰ কপালত। ঘন কলা চুলিৰে বন্ধা খোপাটোৰ পৰা অলপ ৰং নামি আহি যেন থুপ খাই ৰৈছে অঞ্জন ৰঞ্জিত গভীৰ আয়ত চকুযুৰিত। চকুৰ পতাৰ দীঘল দীঘল নোমবোৰত যেন লাগি আছে নিয়ৰৰ দেখনেদেখ টোপালবোৰ। চন্দ্রপ্রভাৰ কঁকালত সোণৰ কৰধনী। কঁপালত মুকুতাৰে গঁঠা ললাটিকা। ডিঙিত মুকুতা আৰু পোৱালমণি খটোৱা সোণৰ গলপতা, নাভিলৈকে নামি অহা ৰত্নখচিত হাৰ, দুগ্‌দুগীৰ আকৃতিৰ বাখৰপতোৱা মণিমালা। দুহাতৰ আঙুলিত পিন্ধা বাখৰপতোৱা আঙুঠিবোৰত বন্ধা সোণৰ মিহি মিহি শিকলিৰে সজা আঙুলি আচ্ছাদক। দুহাতৰ মণিবন্ধত মুকুতা আৰু পোৱালগঁঠা দুজাপ কংকন। কাণতো মুকুতা গঁঠা কুণ্ডল। ৰূপযেন বগা পাটৰ সাজৰ লগত সোণ, পোৱাল, মুকুতাৰ অলংকাৰ আৰু মীনা কৰা সোণৰ ফুলৰ ৰঙীণ পোহৰে উদ্ভাসিত কৰি তুলিছে উত্তপ্ত স্বর্ণৰ দৰে উজ্জ্বল শৰীৰ। আনন্দ উজ্জ্বল মুখ।

জিলমিলাইছে চন্দ্রপ্রভা।

গভীৰ হ্রদৰ বুকুত যেন জিলিকিছে শাৰদীয় পূর্ণিমাৰ জোন।

বাট ভুল কৰি যেন সৰগৰ পৰা নামি আহিছে অপ্সৰা।

'আস্— কি সুন্দৰ।'

ঠিক একে সময়তে কৈ উঠিল চন্দ্রপ্রভা আৰু প্রতাপচন্দ্রই। পিচমুহূর্ততে দুয়ো আকৌ ইজনে সিজনক সুধিলে—

'কি সুন্দৰ?'

'তুমি কোৱা মহিষী। মইতো তোমাৰ কথা কৈছো। তুমি কাৰ কথা কৈছা?' প্রতাপচন্দ্রই ক'লে।

সম্মুখৰ ব্রহ্মপুত্রলৈ চাই পঠিয়ালে চন্দ্রপ্রভাই। চন্দ্রপ্রভাই ব্রহ্মপুত্র নেদেখা নহয়— মহাভৈৰৱত পূজা দিবলৈ আহোতে ব্রহ্মপুত্রৰ অনির্বচনীয় সৌন্দর্য বহুবাৰ উপভোগ কৰিছে চন্দ্রপ্রভাই। কিন্তু এই সৌন্দর্য যেন বেলেগ। ব্যতিক্রম। তুলনাহীন।

সাগৰ নেদেখিলেও সাগৰৰ কথা তেওঁ শুনিছে। সাগৰ হয়তো এনেকুৱাই। এনেকুৱাই বিশাল। কিন্তু এনেকুৱাই ধুনীয়ানে?

'মই ইমান ধুনীয়া ব্রহ্মপুত্র আগেয়ে দেখা নাছিলো আর্যপুত্র।' চন্দ্রপ্রভাই ক'লে।

চন্দ্রপ্রভাই প্রতাপচন্দ্রক আর্যপুত্র বুলি মাতে। প্রতাপচন্দ্রৰ নির্দেশত। আর্যসম্ভূত পৰিচিতিৰ গর্বেৰে গর্বিত প্রতাপচন্দ্রই সকলো কথাত, সকলো কামত নিজৰ আর্যত্ব প্রকাশ কৰি ভাল পায়। আনেও তেনে কৰিলে সন্তুষ্ট হয়। সেই সন্তুষ্টি বুজিয়েই আর্যপুত্র বুলি সম্বোধন কৰে চন্দ্রপ্রভাই।

তথাপিও প্রতাপচন্দ্র গম্ভীৰ হৈ গ'ল। কিন্তু পিচমুহূর্ততে হাঁহি উঠিল—

'ব'লা ভিতৰলৈ যাওঁ। তোমাক আজি যিমান সুন্দৰ দেখাইছে— ব্রহ্মাপুত্রও তোমাৰ প্রেমত পৰি যাব পাৰে।'

'কি যে কয়—' লাজত ৰঙা পৰি গ'ল চন্দ্রপ্রভা। তৃপ্তিত মনটো ভৰি পৰিল। ধেমালিৰ সুৰেৰে কৈ উঠিল— 'মোক ব্রহ্মাপুত্রক নালাগে নহয়। আপোনাকহে লাগে।'

প্রতাপচন্দ্রৰ মনৰ পৰা ক্ষণিকৰ মেঘ আঁতৰি গ'ল।

তেওঁৰ আজি মনটো আনন্দেৰে পৰিপূর্ণ হৈ আছে। সৌভাগ্য লক্ষ্মী আহি যেন বন্দী হৈ গৈছে তেওঁৰ ৰাজ্যত। চৌপাশে জয় জয় ময় ময়। পত্নী হিচাপে লাভ কৰিছে চন্দ্রপ্রভাৰ দৰে ৰূপৰতী আৰু গুণৰতী, পদ্মগন্ধা নাৰী।

আৰু কি লাগে তেওঁক?

তথাপিও— তথাপিও যেন ক'ৰবাত অকণমান বিৰক্তি জন্ম হৈছে।

স্বামীৰ সংগত থাকোতে আন কথা কেনেকৈ ভাবিব পাৰে মহিষীয়ে? স্বামীৰ সংগই তৃপ্ত নকৰে নেকি মহিষীক? মহিষীৰ মনৰ গভীৰত প্রিয় পুৰুষৰ আসনখনত নাই নেকি প্রতাপচন্দ্রৰ প্রতিচ্ছবি?

'তুমি মোৰ কথা নাভাবি— নৈৰ কথা ভাবি আছা কিয়?' আকৌ কৈ উঠিল প্রতাপচন্দ্রই।

চন্দ্রপ্রভা থতমত খাই গ'ল। কি উত্তৰ দিব ভাবি নাপাই তেওঁ অস্বস্তিৰে তলমূৰ কৰিলে।

'কোৱা মহিষী।' প্রতাপচন্দ্রই তীক্ষ্ণ দৃষ্টিৰে চন্দ্রপ্রভাৰ চকুলৈ চালে। চন্দ্রপ্রভা অলপ সময় মনে মনে থাকিল। তাৰ পিচত কোমলকৈ ক'লে—

'আপুনি ওচৰত থকা কাৰণেই হয়তো নৈখন ধুনীয়া দেখিছিলো আর্যপুত্র। মনত আনন্দ নাথাকিলে জানো বাহিৰৰ কথাই আনন্দ দিব পাৰে?'

প্রতাপচন্দ্রৰ মনটো মুহূর্ততে ফৰকাল হৈ পৰিল।

'ঠিক। ঠিক। এই কাৰণেই— এই কাৰণেই তোমাক ইমান ভাল পাওঁ মহিষী। তুমি এনেকৈ কথা কোৱা— মনটো ভাল লাগি যায়। তোমাৰ লগত সংসাৰ কৰি মই পৰিতৃপ্ত মহিষী।'

'ময়ো আর্যপুত্র। পৰিতৃপ্ত। সম্পূর্ণ।'

'সম্পূর্ণ? নহয়— তুমি সম্পূর্ণ নহয়— তুমি এতিয়াও মোক যুগ্ম জীৱনৰ ফল উপহাৰ দিয়া নাই। ধর্মপালৰ বংশৰ ধাৰাবাহকক তুমি এতিয়াও পৃথিৱীলৈ অনা নাই। আনা মহিষী। সোনকালে আনা। মই মোৰ পৰৱর্তী পুৰুষক চাবলৈ অধৈর্য হৈ পৰিছো। এই মায়াপুৰৰ ৰাইজে মোক মায়ামত্ত নাম দিছে— মোৰ যদি পুত্র হয় তাৰ নাম মই অৰিমত্ত থম। ৰজা মায়ামত্তৰ পুত্র আৰিমত্ত। কেনে হ'ব মহিষী?'

'ভাল হ'ব আর্যপুত্র।' কওঁ কওঁ বুলি ভাবিও ৰাজমাতাৰ নিষেধলৈ মনত পৰি নিজৰ সন্তান সম্ভাৱনাৰ কথা নক'লে মহিষীয়ে। মাত্র তপত তেজ এসোঁতাই আকৌ এবাৰ তপত আৰু ৰঙচুৱা কৰি তুলিলে গোলাপৰ পাহি যেন গাল দুখন।

তেনে সময়ত বেৰৰ সিপাৰৰ পৰা দ্বাৰপতিৰ মাত ভাঁহি আহিল।

'আহিব পাৰোনে বৰৰজা?'

'আহা।'

দুৱাৰেৰে বাহিৰলৈ আহি অভিবাদন জনাই দ্বাৰৰক্ষীয়ে ক'লে—

মহামন্ত্রী ডাঙৰীয়াই আপোনাৰ সাক্ষাৎ বিচাৰিছে ৰজা দেৱতা।'

' ইয়ালৈকে আহিবলৈ ক।' গম্ভীৰ ৰজালৈ ৰূপান্তৰিত হৈ দ্বাৰৰক্ষীজন যোৱাৰ পিচত চন্দ্রপ্রভালৈ চালে প্রতাপচন্দ্রই—

'গা ঢকা কাপোৰখন ভালকৈ লোৱা মহিষী।'

অলপ পিচতে মহামন্ত্রী সগৰ আহিল।

সগৰ নামৰ প্রধানমন্ত্রীজন ৰজা প্রতাপচন্দ্রৰ মাত্র বিশ্বস্ত আৰু অনুগতই নহয়— শুভাকাংক্ষী বন্ধুও। মনৰ সকলো কথা এই এজন ব্যক্তিকেই খুলি ক'ব পাৰে প্রতাপচন্দ্রই। পৰম নিশ্চিন্ততাৰে নির্ভৰ কৰিব পাৰে। তেওঁৰ সকলো সাফল্যত এই সুদক্ষ আৰু বিচক্ষণ মহামন্ত্রীজনৰ অনেক অৱদান আছে। ৰজাৰ গৃহৰ অভ্যন্তৰলৈ প্রৱেশৰ অধিকাৰ পোৱা বিশিষ্টসকলৰ ভিতৰত মহামন্ত্রী সগৰ অন্যতম।

সগৰ সোমাই আহি অভিবাদন জনোৱাৰ লগে লগে অন্তৰালৰ পৰা দাস এজন ওলাই আহি আসন এখন দি গ'ল।

'কি বার্তা মহামন্ত্রী?' প্রতাপচন্দ্রই হাঁহিমুখেৰে সুধিলে।

'উৎসৱৰ সকলো প্রস্তুতি সম্পূর্ণ হৈছে। ৰাইজ আপোনালোক দুয়োৰে অপেক্ষাত আছে। আপোনালোক উপস্থিত হ'লেই কার্যসূচী আৰম্ভ হ'ব। ঈশ্বৰ পুত্র।'

'আমিও প্রস্তুতেই হৈ আছো মহামন্ত্রী।' প্রতাপচন্দ্র উঠিল। চন্দ্রপ্রভাও।

ৰাজহাউলীৰ বাহিৰলৈ ওলাই অবাক হৈ গ'ল চন্দ্রপ্রভা।

যোৱা নিশা মায়াপুৰ আহি পাইছিল। তেতিয়ালৈ বাহিৰখন দেখাই নাছিল।

ৰাজগৃহৰ প্রধান দুৱাৰৰ পৰা লুইতপাৰৰ বলুকালৈ পাৰি দিয়া হৈছে পাটী দৈৰে সজা পাটী। পাটীৰ দুয়ো কাষে দুশাৰী কলপুলি। দুয়োশাৰী কলগছত দীঘলকৈ আৰু পথালিকৈ বান্ধি দিয়া হৈছে জবা, তগৰ, নাজী ফুলৰ মালাবোৰ। কলগছৰ দুয়োটা শাৰীত প্রতি দুজোপা কলগছৰ মাজে মাজে একোডালকৈ চুচি চুচি ফুল তোলা আৰু ফুলকটা বাঁহ পুতি দিয়া হৈছে। বাঁহবোৰত আৰু কলগছবোৰত ওলোমাই দিয়া হৈছে কাঠ-বাহেঁৰে তৈয়াৰ কৰা সৰু সৰু চৰাই, পহু, ফুল আদি নানা আর্হিৰ বস্তু। ফুলৰ

চন্দ্রাতপেৰে ঢকা এটা সুদীর্ঘ পাটীৰে গঢ়া বাট। ৰ'দৰ জিলিঙনি আহি কলপাত আৰু ফুলৰ মালাবোৰৰ ফাঁকেৰে পাটীত পৰি বিচিত্র চানেকিৰ সৃষ্টি কৰিছে।

চন্দ্রপ্রভা আৰু প্রতাপচন্দ্রই পাটীৰ ওপৰত প্রথম খোজটো দিয়াৰ লগে লগে আৰম্ভ হৈ গ'ল উৰুলী আৰু শংখধ্বনি। গমগমাই উঠিল অজস্র ঢোল দগৰৰ মাত।

বান্ধি থোৱা নাৰৰ গাত থাকি থাকি খুন্দা মাৰি টোৰে যেনেকৈ হেন্দোলনি তোলে তেনেকৈ চন্দ্রপ্রভাৰ বুকুত হেন্দোলনি তুলিবলৈ আৰম্ভ কৰিছে উৎসৱৰ ঢৌৰে।

উজ্জ্বল চকুযোৰ তুলি চন্দ্রপ্রভাই প্রতাপচন্দ্রলৈ চালে।

প্রতাপচন্দ্রই এখন চঁপাপতীয়া পাটৰ ধুতি পিন্ধিছে। কঁকালত টঙালিৰ দৰে বন্ধা, মণিমৰকত খটুওৱা পহু চালৰ পৰিবেশ। কেঁচাসোণবৰণীয়া গাটো উদং হৈ আছে। কান্ধৰ দুযো কাষেৰে নামি আহিছে পোৱালমণি গঁঠা বটিয়া তোলা চপাপতীয়া উত্তৰীয়। কঁকালত সোণৰ খাপত ভৰোৱা অসি। মূৰত কুহুম ফুলৰ ৰসেৰে বোলোৱা মণিমৰকত গঁঠা পাগ। উদং পুৰুষালি বুকুত তিৰবিৰাই উঠিছে সোণৰ শিলিখামণি, কাণত তিৰবিৰাইছে সোণ পোৱালৰ কৰিয়া, বাহুত তিৰবিৰাইছে অংগদ আৰু কেয়ূৰ, হাতৰ আঙুলিত তিৰবিৰাইছে মীনা কৰা আৰু বাখৰ পতোৱা স্বর্ণলংকাৰ।

শুধবগা পাটকাপোৰেৰে সজা মণি মুকুতা গঁঠা চত্র এটা মূৰৰ ওপৰত ধৰি গৈছে এজন যুৱকে।

চন্দ্রপ্রভা মুগ্ধ হৈ গ'ল।

দেৱৰাজ ইন্দ্রৰ দৰে লাগিছে প্রতাপচন্দ্রক।

পহুচালৰ পাদুকা পিন্ধা ভৰিৰে পাটীৰ ওপৰেৰে খোজকাঢ়ি গৈ গৈ চন্দ্রপ্রভাই গুণগুণাই ক'লে—

'আপোনাক ইন্দ্রৰ দৰে লাগিছে আর্যপুত্র।'

কৃষ্ণগুৰু তেল আৰু চন্দনৰ সুগন্ধি বিযপাই আগবাঢি গৈ থাকি প্রতাপচন্দ্রই হাঁহিলে। একো নক'লে।

'ইমান ধুনীযা ছত্র। মই দেখা নাছিলো দেখোন। ইয়াতে পালো নেকি?'

'প্রতাপপুৰতেই আছিল। বিশেষ সময়ত ব্যৱহাৰ হয়। এইধৰণৰ ছত্র প্রথম ভগদত্তই ব্যৱহাৰ কৰিছিল জানা? তেওঁক শ্রীকৃষ্ণই বোলে উপহাৰ দিছিল। অভোগ ছত্র বুলিছিল। আমি সেই আৰ্হিৰেই তৈয়াৰ কৰিছো। বৰুণ ছত্রও বোলে। তোমাকো এটা লাগিব নেকি?'

'মই দেখোন শিবিকাতেই অহা-যোৱা কৰো। ছত্রও আছে। ইমান মণি মৰকত গুঁঠা ছত্র ল'বলৈ ভয়েই লাগিব। মই জানো আপোনাৰ দৰে মহাৰাজাধিৰাজ?' চন্দ্রপ্রভাই হাঁহি উঠিল।

'নাহাঁহিবা।' প্রতাপচন্দ্র গম্ভীৰ হৈ গ'ল। 'বেয়া দেখি।'

'নাহাহো বাৰু।' গহীনকৈ ক'ব খুজিও মিচিক্‌কৈ হাঁহি উঠিল চন্দ্রপ্রভাই।

ঢোলৰ মাত, উৰুলীৰ ধ্বনি, স্থানীয় মানুহৰ উত্তাল নৃত্য-গীতৰ মাজেৰে, ৰঙীণ ফুলৰ মালা আৰু কলপাতৰ তলেৰে, ফুলাম পাটীৰ ওপৰেৰে পহু ছালৰ পাদুকা পিন্ধা ভৰি পেলাই পেলাই, গছে গছে আৰু ফুলকটা বাঁহবোৰত আঁৰি দিয়া বিভিন্ন আৰ্হিৰ কাঠ-বাঁহেৰে সজা বস্তুবোৰ চাই চাই সপোনত খোজকঢ়াৰ দৰে গৈ থাকিল চন্দ্রপ্রভা।

প্রতাপসিংহৰ এনে উৎসৱৰ অভিজ্ঞতা আছে। চন্দ্রপ্রভাৰ নাই। এক প্রবল আনন্দ আৰু আৱেগৰ জোৱাৰে চন্দ্রপ্রভাক বাৰে বাৰে টোৱাই গৈছেহি। যিমানে আগবাঢ়ি গৈছে গাম্ভীৰ্যৰ প্রশিক্ষণ পাহৰি আত্মহাৰা কিশোৰীলৈ ৰূপান্তৰিত হৈছে চন্দ্রপ্রভা।

কাণৰ কাষত গুমগুমাই উঠিছে সহস্র মানুহৰ জয়ধ্বনি। জয়। বৰৰজা মায়ামত্তৰ জয়। উত্তাল হৈ উঠিছে মায়াপুৰৰ আকাশ বতাহ।

ৰজা প্রতাপচন্দ্র আৰু ৰাণী চন্দ্রপ্রভাৰ আসন মাজত ৰাখি দুয়োফালে দুশাৰীত ওচুৰ-চুবুৰীয়া ৰাজ্যৰ ৰজাসকল একেলগ বহাৰ ব্যৱস্থা হৈছে। প্রতাপচন্দ্র আৰু চন্দ্রপ্রভা উপস্থিত হোৱাৰ লগে লগে আটায়ে আসন এৰি থিয় হৈ অভিবাদন জনালে। জয়ধ্বনিত কাণতাল মাৰি গ'ল চন্দ্রপ্রভাৰ। অবাক হৈ তাই চাৰিওফালে চালে। এনে সভা, এনে বিৰাট উৎসৱৰ আয়োজন আগেয়ে কেতিয়াও দেখা নাছিল চন্দ্রপ্রভাই। ইমানবোৰ ৰজা একেলগে বহিছে। কিমান বেলেগ বেলেগ ধৰণৰ, আগেয়ে নেদেখা সাজ-পোছাক পিন্ধিছে ৰজাসকলে।

'ইফালে সিফালে চাইছা কিয়? বেয়া দেখিছে।' আসনত বহি স্মিত হাঁহি মুখত আঁকি প্রচণ্ড বিৰক্তিৰে ক'লে প্রতাপচন্দ্রই।

চন্দ্রপ্রভা সচেতন হৈ উঠিল। গম্ভীৰ মহাৰাণী হ'বৰ চেষ্টা কৰি নিজৰ আসনত শান্তভাৱে বহিল।

প্রতাপচন্দ্রই অলপ দূৰৈত বহি থকা মহামন্ত্রী সগৰক ইংগিতেৰে মাতি আনি অনুষ্ঠান সম্পৰ্কীয় দুটামান প্রশ্ন কৰিলে। উত্তৰবোৰ শুনি তেওঁৰ মুখত সন্তুষ্টিৰ পোহৰকণা স্পষ্টৰূপত ফুটি উঠিল।

ৰাজধানী মায়াপুৰৰ উৎসৱত জড়িত হৈ আছে ৰাজনীতি। এই উৎসৱলৈ আহি দক্ষিণপাৰৰ চুবুৰীয়া সৰু সৰু ৰাজ্যৰ ৰজাসকলে প্রকাৰান্তৰে ৰজা প্রতাপচন্দ্রৰ আনুগত্য স্বীকাৰ কৰিছে। উত্তৰ পাৰৰ প্রতাপপুৰ বা নতুন ৰাজধানী মায়াপুৰৰ পৰা দক্ষিণ পাৰলৈ গৈ ৰাজ্য শাসন কৰাটো শ্রম আৰু ব্যয়সাধ্য কাম। সেয়েহে এইদিশে ৰাজ্য বিস্তাৰৰ চিন্তা সদ্যহতে স্থগিত ৰাখিছে প্রতাপচন্দ্রই। উজনিত, নৰাদেশৰ পৰা অহা চুকাফাৰ বংশৰ ইতিমধ্যে এক শক্তিশালী ৰূপত উত্থান হৈছে। দক্ষিণপাৰৰ ৰাজ্যলৈ

তেওঁলোকে সীমা বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছে। প্ৰত্যক্ষ সংঘাতলৈ যোৱাৰ ইচ্ছাও নাই প্ৰতাপচন্দ্ৰৰ। মায়াপুৰত খোপনি লৈ, পিচলৈ ৰাজ্য বিস্তাৰৰ কথা ভাবিব বুলি ঠিক কৰিছে। সেয়েহে মায়াপুৰৰ ৰাজধানীৰ উদ্বোধনী অনুষ্ঠানক ৰাজনৈতিক উদ্দেশ্যত ব্যৱহাৰ কৰিছে প্ৰতাপচন্দ্ৰই। সঁহাৰিও লাভ কৰিছে। সৰু সৰু ৰাজ্যত বিভক্ত হৈ থকা শান্তিপ্ৰিয় মিকিৰ, লালুং আৰু যোদ্ধা হ'লেও আক্ৰমণাত্মক নোহোৱা জয়ন্তীয়াসকলে প্ৰতাপচন্দ্ৰৰ মিত্ৰতাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। অৱশ্যে দুখনমান সৰু সৰু কছাৰী ৰাজ্যই নিজৰ আনুগত্য দেখুৱালেও ডিমাৰঙৰ ৰজাৰ আনুগত্যত বিদ্ৰোহৰ ইংগিতো দেখিছে প্ৰতাপচন্দ্ৰই। ডিমাৰঙৰো শক্তিশালী ৰূপত উত্থান হৈছে। এই উৎসৱলৈ ডিমাৰঙৰ ৰজা গজৰাজ বড়চাঁই নিজে নাহি ৰাজপ্ৰতিনিধি পঠিয়াইছে। সৌজন্য ভালদৰেই ৰক্ষা কৰিলেও এই ৰাজ্যখনৰ মনোভাবত সম্পূৰ্ণ আনুগত্যৰ প্ৰতিফলন ঘটা দেখা নাই প্ৰতাপচন্দ্ৰই।

'দেখা যাব। কিছুদিন যাওঁক। সকলো কথা পৰিষ্কাৰ হৈ পৰিব।'

নিজৰ আসনত বহি উৎসৱৰ কাৰ্যসূচী উপভোগ কৰাৰ মাজতে ভাবিছে প্ৰতাপচন্দ্ৰই।

চন্দ্ৰপ্ৰভাই এইবোৰ একো নাজানে।

কৌতুহলত তিৰবিৰাই উঠা আয়ত চকুযোৰ তুলি ইফালে সিফালে চাইছে চন্দ্ৰপ্ৰভাই। কাযসূচীসমূহ উপভোগ কৰিছে। প্ৰতাপচন্দ্ৰৰ নিৰ্দেশ পাহৰি আনন্দৰ দোলা লাগি উচ্চল হৈ উঠিব খুজিছে ভিতৰখন। ৰাজমহিষীসুলভ গাম্ভীৰ্য ৰক্ষা কৰিবৰ চেষ্টা কৰিলেও মাজে মাজে জিলিক্ মাৰি উঠিছে কৈশোৰ যৌৱনৰ সন্ধিস্থলৰ স্বাভাৱিক উচ্চলতা। জীৱনমুখী উজ্জ্বলতা।

'এতিয়া ওচৰ-চুবুৰীয়া ৰাজ্যৰ মাননীয় নৰপতিসকলে মহান ৰৰৰজা প্ৰতাপচন্দ্ৰ তথা মায়ামত্ত ৰজাদেৱক নিজৰ নিজৰ উপহাৰ আগবঢ়াব।'

ঘোষকৰ কথা শুনি নিজৰ আসনত লৰিচৰি বহিল চন্দ্ৰপ্ৰভা।

উপহাৰ? কি উপহাৰ আনিছে ৰজাসকলে? তেওঁলৈয়ো আনিছেনে কোনো উপহাৰ?

উপহাৰ পৰ্ব আৰম্ভ হ'ল। এজন এজনকৈ ৰজাসকল উঠি আহি ৰজা প্ৰতাপচন্দ্ৰক অভিবাদন জনাই লৈ অহা উপহাৰবোৰ দিবলৈ আৰম্ভ কৰিলে।

প্ৰতাপচন্দ্ৰই গ্ৰহণ কৰিছে। গম্ভীৰ অথচ স্মিত হাঁহিৰে দুই-এষাৰ কথা কৈছে। আদৰণী জনাইছে ৰূপৰ বঁটাত থোৱা তামোল-পাণেৰে। চিক্‌মিকাই থকা ৰূপৰ বঁটাবোৰে চন্দ্ৰপ্ৰভাৰ চকু ছাট মাৰি ধৰিছে।

প্ৰতিজন ৰজাৰ মুখলৈ চাইছে চন্দ্ৰপ্ৰভাই— সকলো নিষেধ পাহৰি। আচৰিত

লাগিছে তাইৰ। কিমান বেলেগ যেন লাগিছে ৰজাসকলক। সকলোৰে গাত পৰম্পৰাগত পোছাক। কোনোবাই উপহাৰ দিছে হাতীদাঁত, কোনোবাই লোণ আৰু মচলা, তামোলৰ লগত খোৱা বহঁত চালি আৰু লতা জাতীয় মেকুৰী চালি, চুণ, দালচেনি, সাঁচিগছৰ পুলি, কলফুৰ বা লাই ক্রানথা গছৰ শিপাৰ মচলা, শুকান মাছ, লা, কস্তুৰীমৃগৰ নাভি, মৌ, মণি, অলংকাৰ, কাপোৰ, হোৰা আৰু অনেক অনেক চন্দ্রপ্রভাই নেদেখা নজনা কিবাকিবি।

অবাক হৈ বস্তুবোৰলৈ চাইছে চন্দ্রপ্রভাই। অতুল আনন্দ আৰু পৰিমাপহীন কৌতুহলত তাইৰ চকুযোৰ তিৰ্‌বিৰাই উঠিছে। পোহৰ হৈ উঠিছে মুখখন।

সেই পোহৰ মন কৰিছে ৰজাই। তেওঁ অত্যন্ত বিৰক্ত হৈ উঠিছে। চন্দ্রপ্রভাক ল'ৰামতীয়া আচৰণৰ কাৰণে এজাউৰি গালি দিয়াৰ সিদ্ধান্ত লৈ গম্ভীৰ মুখেৰে উপহাৰবোৰ গ্রহণ কৰি গৈছে। প্রতিজন ৰজাই উপহাৰ দিয়াৰ লগে লগে সেই ৰাজ্যৰ পুৰা অহা ডেকাসকলে নিজা নিজা বাদ্যযন্ত্র বজাই গান গাই নাচিছে। খলা, বৰডোবা, ডিমৰুৱা, নেলী, বেলতলা, ৰাণী, জয়ন্তীয়া, কছাৰী, আৰু অনেক ৰাজ্যৰ ৰজা আহিছে। মনটো অলপ যেন মৰহি গ'ল চন্দ্রপ্রভাৰ। কোনেও তেওঁলৈ একো অনা নাই। তথাপিও আনন্দেৰেই উপহাৰ দিয়া চাই থাকিল চন্দ্রপ্রভাই।

'এইবাৰ গোভাৰ ৰজা সাধুকুমাৰক উপহাৰ দিবলৈ আমন্ত্রণ জনোৱা হৈছে।'

ঘোষকৰ কথা শুনি চন্দ্রপ্রভাই ইফালে সিফালে চালে।

'সাধুকুমাৰ।'

নামটো যেন অলপ বেলেগ।

আনবোৰ ৰজাৰ লগত নিমিলা। চন্দ্রপ্রভাইঁতৰ দৰেই একে। সাধুকুমাৰ নামৰ গোভা ৰাজ্যৰ ৰজাজনক চাবলৈ কৌতুহলী দৃষ্টিৰে দুয়োফালে বহি থকা ৰজাবোৰলৈ চালে চন্দ্রপ্রভাই। এই ৰজাসকলৰ ভিতৰত কোনজন গোভাৰজা সাধুকুমাৰ? সোঁফালে বহি থকা ৰজাসকলৰ মাজৰ পৰা তৰুণ যেন লগা ৰজা এজন উঠি আহিল। এজাক ডেকা ল'ৰাই কেইবাটাও ঢোল বজাই সভাথলী মুখৰিত কৰি গান গাই উঠিল।

এটা মজলীয়া বয়সৰ হৰিণা। হৰিণাটো কোলাতলৈ আগবাঢ়ি আহিছে সাধুকুমাৰ। ডাড়িগোঁফহীন এখন মসৃণ মুখ, সৰু আৰু উজ্জ্বল এযোৰ চকু, টিকটিকীয়া ৰঙা এযোৰ ওঁঠ, অত্যন্ত বলিষ্ঠ এটা যুৱদেহ। সাধুকুমাৰে এখন মুগাৰ দুয়োফালে ফুল থকা এখন ধুতিৰ দৰে কাপোৰ পিন্ধিছে। বাহু উদং হৈ থকা এটা ক'লাত ফুলবচা বতীয়া তোলা চোলা পিন্ধিছে। মূৰত শুধবগা কপাহী কাপোৰৰ পাগ।। অত্যন্ত নম্র যেন লগা, অতি মৰমলগা এজন তেনেই তৰুণ ৰজা।

'গোভা ৰজা। ব্রহ্মপুত্রৰ দক্ষিণপাৰৰ এখন ৰাজ্য। ৰজাদেৱৰ নাম লুইত। কিন্তু

সাধুকুমাৰ নামেৰেহে জনাজাত।' ঘোষকে কৈ গৈছে—

'....প্রজাৰ অত্যন্ত প্রিয়, জনহিতকাৰী ৰজা লুইত দেৰক প্রজাই মৰমেৰে সাধুকুমাৰ নাম থৈছে। মহাৰাজাধিৰাজ প্রতাপচন্দ্রৰ বিশাল ৰাজ্যৰ এই নতুন ৰাজধানী মুকলি কৰিবলৈ আয়োজন কৰা উৎসৱথলীত আমি সাধুকুমাৰ ৰজাদেৰক স্বাগতম জনাইছো। ....'

সাধুকুমাৰ আগবাঢ়ি আহিছে। চন্দ্রপ্রভাই মুগ্ধ হৈ চাই আছে সেই দৃপ্ত পুৰুষে কোলাত লৈ থকা হৰিণাটোলৈ।

ৰজাক অভিবাদন জনাই সাধুকুমাৰ ৰ'ল। ৰজালৈ আগবঢ়াই দিলে বেতৰ পেৰাত ভৰাই অনা এৰীসূতাৰ বহল কাপোৰ চাৰিখন আৰু দুটা ভলুকা বাঁহৰ চুঙাত দুচুঙা মৌ। তাৰ পিচত চন্দ্রপ্রভাক অভিবাদন জনাই ওচৰত নমাই থ'লে হৰিণাটো। ওচৰে ওচৰে অহা, প্রায় একেই পোছাক পৰিহিত মানুহ এজনে হৰিণাটো ধৰি থাকিল।

'এয়া ৰাণী আইদেউৰ বাবে। গোভাৰাজ্যৰ মৰমৰ চিন।'

সাধুকুমাৰে হাঁহিলে। হাঁহি নহয় যেন এমুঠি শেৰালীহে সৰি পৰিল।

চন্দ্রপ্রভা মুগ্ধ হৈ গ'ল।

ইমানবোৰ ৰজা আৰু ৰাজকুমাৰ আহিল।

চন্দ্রপ্রভালৈ কোনেও একো অনা নাই। মাত্র গোভা ৰজাই আনিছে। অনন্য এক উপহাৰ। আনন্দৰ ঢৌ সামৰি ৰাখিব নোৱাৰি চন্দ্রপ্রভাই কৈ উঠিল—

'ভাল হৈছে। বৰ ভাল হৈছে। মোৰ বৰ ভাল লাগিছে। ইমান ধুনীয়া হৰিণা।'

'এইটো শিলপহু। আমি মহু অৱলং বোলো। গুহাত থাকে। যত্নেৰে ৰাখিব লাগিব। এই মহু পিছাঃ— মানে পহু পোৱালিটোৰ কেনেকৈ যতন ল'ব লাগে কোনোবা এজনে জানি ল'লে ভাল হয়।' সাধুকুমাৰে হাঁহিলে।

'মোকেই শিকাই দিব। ময়েই ল'ম। ইমান ধুনীয়া শিলপহু। দেখাও নাছিলো। নামো শুনা নাছিলো।' এমুখ হাঁহিৰে মুখ উজ্বলাই চন্দ্রপ্রভাই কৈ উঠিল। ওচৰতে থিয় হৈ থকা প্রতাপচন্দ্রৰ মুখখন এন্ধাৰ হৈ গ'ল। চন্দ্রপ্রভাক উপেক্ষা কৰি কৈ উঠিল—

'মহাৰাণীয়ে ধেমালিকৈ কৈছে গোভাৰজা— এইবোৰ জানো কপাহ চুলেও ঢৌ ফুটি যোৱা হাতৰ কাম? আমাৰ মহামন্ত্রীয়ে কোনোবা এজন দাসক এই দায়িত্ব দিব। তাক শিকাই দিলেই হ'ল।'

সাধুকুমাৰে নম্রভাৱে হাঁহিলে। একো নক'লে। অভিবাদন জনাই উভতি গ'ল।

চন্দ্রপ্রভাই প্রতাপচন্দ্রৰ অসন্তুষ্টি লক্ষ্য কৰা নাই। আসনৰ পৰাই হাউলি হৰিণাটো চুই চাইছে।

'এইবাৰ খলাৰ ৰজাদেৰক মহাৰাজাধিৰাজ প্রতাপসিংহ তথা মায়ামত্ত দেৱতাক

উপহাৰ আগবঢ়াবলৈ অনুৰোধ জনাইছো।'

ঘোষকৰ কথা শুনি অভিবাদন জনাই হৰিণাটো ওচৰত আহি থিয় হোৱা দাস এজনক দি যুৱকজন উভতি গ'লগৈ। হৰিণাটো লৈ দাসজনো গ'লগৈ।

আনন্দ মনেৰে অনুষ্ঠান উপভোগ কৰাত লাগিল চন্দ্রপ্রভা। তাৰ পিচত আৰু কোন কোন ৰজা আহিল চন্দ্রপ্রভাৰ মনত নাই। তাই বাৰে বাৰে অলপ দূৰৈত থকা হৰিণাটোলৈ চাইছে, তাৰ পিচত চাইছে সাধুকুমাৰলৈ। বাৰে বাৰে চকুৱে চকুৱে পৰিছে।

চকুৱে চকুৱেনো কাৰ পৰা নাই? যালৈকে চাইছে তাৰেই চকুত চকু পৰিছে চন্দ্রপ্রভাৰ। ইমান সুন্দৰী আৰ্যনাৰী কোনেওতো আগেয়ে দেখা নাই। আগেয়ে কোনেওতো দেখা নাই ৰজা মায়ামত্তৰ মহিষীক।

সকলোৱে চাই আছে চন্দ্রপ্রভালৈ। মুগ্ধ আৰু বিস্মিত দৃষ্টিৰে।

সাধুকুমাৰেও। তেৱোঁতো দেখা নাই এনে নাৰী।

গোভা কিয়— ওচৰ-পাঁজৰৰ কোন ৰাজ্যত এনে নাৰী আছে?

বিৰক্তি ৰূপান্তৰিত হৈছে ক্রোধলৈ।

ৰজা প্রতাপচন্দ্রৰ মুখ ৰক্তাভ হৈ উঠিছে অৱদমিত ক্রোধত। চন্দ্রপ্রভাৰ প্রতি তীব্র অভিমান, ক্রোধ আৰু সাধুকুমাৰৰ প্রতি তীব্র বিদ্বেষৰ দহনত তেওঁ ছটফটাই উঠিছে।

আনন্দত মতলীয়া চন্দ্রপ্রভাই একো গম পোৱা নাই। তাই মাতি আনিব খুজিছে সৰ্বনাশৰ কলীয়া ডাৱৰ এচপৰা। নিজেও নজনাকৈ।

অনুষ্ঠানৰ শেষত আটাইবোৰ ৰজাৰ সৈতে সাধুকুমাৰ ৰাজনৈতিক আলোচনাত বহিলগৈ। বালিচৰতেই গঢ়ি তোলা হৈছে চাৰিওফাল খোলা সভাগৃহ। তাতে বহিলগৈ ৰজাসকল। প্রতাপচন্দ্রই সকলোৰে লগত হাঁহিমুখেৰেই কথা পাতি আছে যদিও ভিতৰে ভিতৰে প্রচণ্ড বিৰক্ত হৈ উঠিছে।

অসহ্য! অসহ্য!

অসহ্য চন্দ্রপ্রভাৰ এই আনন্দমতলীয়া ৰূপ।

সৌজন্যমূলক সভাত বহি থাকোতেও মনৰ মাজত গুজৰি গুমৰি আছে ৰজা প্রতাপচন্দ্রই। কামপীঠৰ পৰা অনা সোণযেন কাঁহৰ পাত্রত পৰিবেশন কৰা হৈছে মৌযেন মিঠা মধুমদ। ফুলকটা কাঁহৰ কাঁহীত পৰিবেশন কৰা হৈছে জুইত সেঁকা পহুৰ মাংস, বেঁতৰ পেটাৰীত পেৰি উলিওৱা জুইযেন সোৱাদৰ সৰিয়হ তেলত ভজা শৰালি হাঁহৰ মাংস, কুঁহিয়াৰৰ ৰস ঘন কৰি তৈয়াৰ কৰা জুলীয়া মিঠে আৰু কুমলীয়া খলম বাঁহত সিজোৱা মুকুতা বুলীয়া চুঙা চাউল আৰু অনেক কিবাকিবি। ৰাতিৰ আহাৰলৈ এতিয়াও অনেক সময় আছে। নৈপাৰৰ মুকলি বালিয়ৰিত বৃহৎ চন্দ্রাতপ তৰি, তলত

শিমলু কঁপাহৰ গধুৰ দলিচা ৰ'দত তপতাই পাৰি দিয়া হৈছে ; তাৰ ওপৰত মেলি দিয়া হৈছে স্থানীয় শিপিনীয়ে বোৱা শুধবগা চাদৰ। শিমলু তুলাৰ ডাঙৰ ডাঙৰ গাৰুত আউজি ৰজাসকল বহিছে। শীত শীত বতাহে জুৰ পেলাই দিয়া শৰীৰে ৰ'দত তপতোৱা দলিচা আৰু গাৰুৰ উমত যেন অসম্ভৱ আমেজত শুই পৰিব খুজিছে। আৰিয়া জ্বলাই দিনযেন কৰি থোৱা বালিচৰত ডেকা-গাভৰুসকলে নাচিছে— গাইছে— ঐনিতমৰ মন-প্রাণ হৰি নিয়া সুৰধ্বনিয়ে বুকুৰ পৰা নমাই আনিছে আনন্দৰ ঢল।

সকলোৰে মনত আনন্দ।

সকলোৰে ৰাইজাই লগা গা।

ৰজা প্রতাপচন্দ্রৰ বাহিৰে।

প্রতাপচন্দ্রৰ মনত শান্তি নাই। গোভাৰজা সাধুকুমাৰে হৰিণা পোৱালিটো উপহাৰ দিয়া দৃশ্যটো বাৰে বাৰে মনলৈ আহি আছে। বাৰে বাৰে মনলৈ আহি আছে গোভা ৰজাৰ চকুৰ চাৱনিত ফুটি উঠা মুগ্ধতা আৰু আনন্দৰ হাঁহিটো। ভাঁহি উঠিছে উপহাৰ পোৱাৰ আনন্দত উজ্জ্বল হৈ পৰা চন্দ্রপ্রভাৰ মুখখন।

যিমানেই দৃশ্যবোৰ মনলৈ আহিছে সিমানেই সুতীব্র ঈর্ষাত দহি গৈছে প্রতাপচন্দ্রৰ মনটো।

প্রতাপচন্দ্রই সাত ৰাজ্য ভ্রমী চন্দ্রপ্রভালৈ কত মূল্যবান উপহাৰ আনি দিছে, কত স্বর্ণালংকাৰ, কত পাটৰসাজ গঢ়ি দিছে— ক'তা চন্দ্রপ্রভাৰ মুখত কেতিয়াওতো এনে সন্তুষ্টিৰ প্রভা ফুটি উঠা দেখা নাছিল প্রতাপচন্দ্রই।

চন্দ্রপ্রভাই আনন্দ পাইছিল সঁচা। কিন্তু এটা সাধাৰণ অনার্য ৰজাই দিয়া এটা সামান্য হৰিণা পোৱালি পাই যি আনন্দ চন্দ্রপ্রভাই প্রকাশ কৰিছে সি অতিৰিক্ত। বিৰক্তিকৰভাৱে অতিৰিক্ত। ৰাজহুৱা ঠাইত চন্দ্রপ্রভাক একো ক'ব পৰা নাই প্রতাপচন্দ্রই। ৰাণী চন্দ্রপ্রভা দুজনমান অতিথি ৰজাৰ লগত অহা ৰাণীসকলৰ লগত কথা পতাত ব্যস্ত। প্রতাপচন্দ্রই দেখিছে,—চন্দ্রপ্রভাৰ সোণৰ ফুল খটুওৱা মেখেলাখন, চঁপাপতীয়া পাটৰ ৰিহাখন, কুঁৱলি যেন চাদৰখন, সোণৰ গুণা মেৰিয়াই বন্ধা খোপাটো আৰু অলংকাৰবোৰ কেনেকৈ ৰাণীসকলে পৰম কৌতুহলেৰে পিটিকি পিটিকি চাইছে। চন্দ্রপ্রভায়ো একেই কৌতুহলেৰে পিটিকি পিটিবি চাইছে ৰাণীসকলে পিন্ধা উজ্জ্বল ৰঙৰ কাহানিও নেদেখা পোছাকবোৰ।

আর্যবংশ সম্ভূত নাৰী হৈ, ৰজা প্রতাপচন্দ্রৰ মহিষী হৈ চন্দ্রপ্রভাই হীন মানুহৰ দৰে প্রকাশ কৰিছে মনৰ দুর্বলতা। কি বিৰক্তিকৰ! কি অসহ্যকৰভাৱে বিৰক্তিকৰ এই আচৰণ।

অপৰিমিত বিৰক্তি আৰু ক্রোধত ভিতৰে ভিতৰে উত্তপ্ত হৈ উঠিছে প্রতাপচন্দ্র।

ঠাঁৰে চিঞাৰে চন্দ্রপ্রভাক ৰাজহাউলিলৈ উভতি যাবলৈ অনেকবাৰ ইংগিত দিও ব্যর্থ হৈছে প্রতাপচন্দ্র। তেওঁৰ এনে লাগিছে যেন স্বামীৰ উপস্থিতিৰ কথাই বিস্মৃত হৈ গৈছে চন্দ্রপ্রভাৰ।

কথাটো সিমান অসত্যও নহয়।

প্রতাপচন্দ্র কিয় নিজৰ কথাও কিজানি পাহৰি পেলাইছে চন্দ্রপ্রভাই। পাহৰি পেলাইছে নিজৰ গর্ভত স্থিতি লোৱা সন্তান নামৰ ৰোমাঞ্চকৰ সত্যটোৰ কথা। পাহৰি গৈছে ৰাজমাতাৰ নিষেধবাণী। পাহৰি গৈছে দিগ্বিজয়ী আর্য নৰপতি প্রতাপচন্দ্রৰ সহধর্মিনী তেওঁ। পাহৰি গৈছে প্রজাবর্গৰ সম্মুখত আনন্দ উচ্চলতা প্রকাশ কৰাটো চন্দ্রপ্রভাৰ বাবে শোভনীয় নহয়।

উজ্জ্বল ৰঙৰ পোছাক পিন্ধা স্থানীয় নৰ-নাৰীসকল, উজ্জ্বল আৰু বিচিত্রবর্ণী, বিচিত্র প্রকাৰৰ কাপোৰ আৰু অলংকাৰ পিন্ধা নাচনীসকল— উৎসৱথলীৰ আনন্দ মুখৰতা— অচিনাকি আৰু বিচিত্র উপহাৰবোৰ— অচিনাকি পোছাক পিন্ধা ৰজা, ৰাণী আৰু ৰাজকুমাৰবোৰ আৰু হৰিণা পোৱালিটো—।

কি শিহৰণ— কি শিহৰণ—

ৰাজহাউলীৰ চাৰিবেৰৰ মাজত আবদ্ধ জীৱনৰ পৰা ওলাই আহি ওপৰত শৰতৰ নীলা আকাশ, বগা মেঘ, তলত বিস্তীর্ণ বলুকা নীলা পানী আৰু বগা কহুৱা, ঢোলৰ মাত, গগনাৰ মাত, পেঁপাৰ মাত আৰু কি কি অচিনাকি বাদ্যৰ মাত— কেতিয়াও নেদেখা নাচবোৰ— কেতিয়াও নুশুনা গানবোৰ—

অতিথি ৰাণীসকলৰ সংগ এৰি দাসীসকল আৰু বকুলীৰ লগত নৈৰ পাৰে পাৰে ফুৰিবলৈ আহিছে চন্দ্রপ্রভা। কিছু দূৰে দূৰে সতর্ক দৃষ্টি ৰাখি আহি আছে দেহৰক্ষীসকল।

খোজকাঢ়ি আহি আহি প্রতাপচন্দ্রহঁত বহি থকা ঠাইৰ ওচৰেৰে পাৰ হৈ গ'ল চন্দ্রপ্রভা। চন্দ্রতাপৰ তলত বহি থকা ৰাজন্যবর্গলৈ এখন্তেক ৰৈ চালে, তাৰ পিচত পাৰ হৈ গুচি গ'ল।

কথা ক'বলৈ এৰি চন্দ্রপ্রভালৈ চাই থকা প্রতাপচন্দ্রলৈ এবাৰো নাচালে।

ক্রোধত আৰক্ত হৈ উঠিল প্রতাপচন্দ্রৰ মুখ। উঠি গৈ চন্দ্রপ্রভাক টানি টানি হাউলিলৈ লৈ যোৱাৰ ইচ্ছাক প্রতিহত কৰি বহি থাকিল।

উপস্থিত ৰাজন্যবর্গক সংগ নিদিলে কেনেকৈ হয়? বন্ধুত্ব স্বীকাৰ কৰা চুবুৰীয়া ৰজাসকলক অসন্তুষ্ট কৰাটো উচিত নহয়। পোৱালি ৰজা হ'ল কি হ'ল— ৰজাৰ অহংকাৰত কম কোন?

চন্দ্রপ্রভাক চকুৱে চকুৱে ৰাখিব নোৱাৰি অধৈর্য হৈ উঠিছে প্রতাপচন্দ্র। মধু মদৰ নিচাই তাত ইন্ধন যোগাইছে। বিভিন্ন সন্দেহে তেওঁৰ মনত উখল-মাখল লগাইছেহি।

আকৌ মনত ভাঁহি ভাঁহি উঠিছে হৰিণা পোৱালি কঢ়িয়াই অনা গোভা ৰজাৰ হাঁহিটো— ভাঁহি ভাঁহি উঠিছে চন্দ্রপ্রভাৰ আনন্দ উজ্জ্বল মুখখন— আগ্রহত তিৰবিৰাই উঠা চকুযোৰ।

'মই ইয়াতে অলপ সময় বহিম। ব্যৱস্থা কৰা।'

গধুলি গধুলি পৰত প্রায় নির্জন বালিচৰত দলিচা পাৰি চন্দ্রপ্রভা বহিল।

'গান গোৱা। শুনিম। বকুলী— তয়েই গা।'

গোটেই দিনটো উৎসৱমুখৰতাৰ মাজত থকা দাসীকেইজনীৰ লগতে বকুলীৰো এনেয়েও নাচো নাচো, গাও গাও লাগি আছিলেই। তেওঁলোকেও আজি পাৰেমানে সাজিকাচি আহিছে। উৎসৱথলীত দেখা পোৱা সমশ্রেণীৰ ডেকাবোৰে তেওঁলোকৰ মনলৈও লৈ আহিছে যৌৱনৰ স্বাভাৱিক উচ্চলতাৰ, জোৱাৰ কালৰ সাগৰ এখন। বকুলীৰ ডিঙিত কাউৰী মণিৰ আৰু সাপৰ ৰাজহাড়েঁৰে গঢ়া মালা। কাণত পোৱাল গঁঠা কেৰু এযোৰ। গাত এৰী সুতাৰ ফুলবচা ৰিহা মেখেলা। চকুত অঞ্জন। হাতত হাতীদাঁতৰ আঙঠি। সোণপাত লগোৱা খাৰু। আনবোৰ দাসীতকৈ বেলেগ যেন লাগিছে বকুলীক। দেখিলেই বুজা যায় বকুলী মহাৰাণী চন্দ্রপ্রভাৰ স্নেহৰ পাত্রী।

সঁচা।

চন্দ্রপ্রভাই মৰমতে দিয়া অনেক সপোনতো আশা নকৰা বস্তুৰে ভৰি আছে বকুলীৰ বেতেৰে গঢ়া একমাত্র পুৰণি পেৰাটো।

চন্দ্রপ্রভাৰ প্রতি অন্তহীন ভালপোৱা আৰু কৃতজ্ঞতাৰে ভৰি থাকে বকুলীৰ মন।

এনেয়েও বকুলী চঞ্চল। ধেমেলীয়া। স্পষ্টবাদী, খোলামনৰ ছোৱালী। কিনি অনা দাসী হ'লেও যেন দাসী হৈ থকা নাই বকুলী। চন্দ্রপ্রভাৰ সহচৰী হৈ গৈছে। সমবয়সীয়া ৰাণীৰ নির্দেশ পাই প্রথমে লাজ লাজ কৰি তাৰ পিচত প্রাণ খুলি গাই উঠিল বকুলীয়ে। এটা সময়ত বিহু নাচি মতলীয়া হৈ পৰিল ছোৱালীকেইজনী। দূৰৈৰ পৰা ৰ' লাগি চাই থাকিল দেহৰক্ষীসকলে।

চন্দ্রপ্রভাৰ কথা পাহৰি গ'ল সকলোৱে ছোৱালীবোৰে নাচি থকাৰ মাজতে এপাকত চন্দ্রপ্রভা উঠি আহিল। পহুচালৰ পাদুকাযোৰ খুলি উদং ভৰিৰে পানী যুঁৱলিত ভৰি থলেগৈ। পানীযুঁৱলিত থিয় হৈ সোণখটুওৱা মেখেলাখন সৰু গাঁঠিলৈ তুলি এখন ভৰিত থিয় হৈ আনখন সোণৰ কিঙ্কিনি পিন্ধা ভৰিৰে পানী চুই চুই ধেমালি কৰাত লাগিল।

সেই ঠাইৰ পৰা কিছু দূৰৈত বালিচৰত দেহৰক্ষীসকলৰ সৈতে বহি জু খাই

আছিল সাধুকুমাৰে। কোনোবা এজনে বাঁহী বজাই আছিল। কজলা হৈ অহা নৈখনে, শীত শীত লগা বতাহে আৰু নির্জনতাই তেওঁক লৈ গৈছিল প্রশান্তিৰ এক অন্য দেশলৈ।

ভোজথলীৰ পৰা ৰিণিকি ৰিণিকি ভাঁহি আহিছে হাই-উৰুমি, মাত ঢোল-পেঁপাৰ। অলপ দূৰৈৰ জোৰ বস্তিৰে আলোকিত বালিচৰৰ পৰা ভাঁহি আহিছে বিহুৰ সুৰ। গাভৰুৰ হাঁহিৰ খলকনি। আৰেশত ডুব যাব খুজিছে গোভাৰজা।

ঠিক তেনে সময়তে গাভৰুসকলৰ হাঁহিৰ খলকনি স্তব্ধ হৈ গ'ল। তাৰ ঠাইত ভাঁহি আহিল আতংকিত নাৰীৰ চিঞৰ।

'তাত কিবা এটা হৈছে।' এজন দেহৰক্ষীয়ে ক'লে।

'পাংচী বন্ধ কৰ। বুজিবলৈ দে।' সাধুকুমাৰে ক'লে।

বাঁহীৰ শব্দ বন্ধ হোৱাৰ লগে লগে কোলাহলৰ কাৰণ স্পষ্ট হৈ উঠিল। কোনোবা এজন পানীত পৰিছে।

সাধুকুমাৰ উঠিল। দৌৰি গ'ল জোৰ-বস্তিৰে আলোকিত ঠাইটুকুৰালৈ।

'ৰাণীদেও পানীত পৰিল— অ' মোৰ গোসাঁই কি হ'ব এতিয়া— কোন আছা— ৰাণীদেওক বচোৱাহি...'

কোনোবা এজনীয়ে ইনাই-বিনাই কান্দিছে। কান্ধৰ ধনুখন নমাই থৈ পানীলৈ নামি গ'ল সাধুকুমাৰ।

চন্দ্রপ্রভা পানীত পৰিছিল। একঁকাল পানীত পৰি এন্ধাৰ ব্রহ্মপুত্রত সাঁতুৰিব নজনা চন্দ্রপ্রভা কক্‌বকাই আছিল।

পানী যুঁৱলিৰ নৈ। সোঁতো নাই— গভীৰতাও নাই।

শব্দ শুনি শুনি সাধুকুমাৰে তুলি লৈ আহিল চন্দ্রপ্রভাক।

ৰজা প্রতাপচন্দ্র যেতিয়া সেই ঠাইত উপস্থিত হ'ল তেতিয়া সাধুকুমাৰে উবুৰিয়াই শুৱাই থোৱা চন্দ্রপ্রভাৰ পিঠিত হাত দি পেটত সোমোৱা পানীবোৰ উলিয়াই আছিল।

৬

মায়াপুৰৰ ৰাজগৃহৰ শয়নকক্ষত, হিমচেঁচা মজিয়াত বহি আছে চন্দ্রপ্রভা।

প্রচণ্ড আঘাতত স্তব্ধ।

প্রস্তৱীভূত।

মেঘৰ ময়ূৰপংখীত উঠি আলাসতে উপঙি ফুৰা উৎসৱ মতলীয়া চন্দ্রপ্রভা স্বামী প্রতাপচন্দ্রৰ আঘাতত হুৱমুৰাই খহি পৰিছে শিলশীতল বাস্তৱতাৰ কঠিন মাটিত।

প্রতাপচন্দ্রৰ ক্রোধ উন্মাদ কণ্ঠৰ পৰা উদ্‌গীৰিত হোৱা বিষাক্ত, অগ্নিতপ্ত শব্দবোৰে পুৰি পুৰি ছাই কৰি পেলাইছে বাক্যাহত চন্দ্রপ্রভাক। ক্ষত বিক্ষত কৰি পেলাইছে সর্বশৰীৰ প্রতাপচন্দ্রৰ কঠিন হাতৰ সংখ্যাহীন আঘাতে।

কি হৈ গ'ল প্রতাপচন্দ্র!

চন্দ্রপ্রভাৰ প্রেমত মগ্ন, সুখী, পৰিতৃপ্ত স্বামী প্রতাপচন্দ্র কি হৈ গ'ল সামান্য এটা ঘটনাত! এই ৰূপ ক'ত লুকাই আছিল অতদিনে? ক'ত লুকাই আছিল এই জিঘাংসাত বিকৃত, ঈর্ষাত অস্থিৰ, ক্রোধত উন্মাদ প্রতাপচন্দ্র?

এতিয়াও, এটা সুদীর্ঘ অত্যাচাৰ বিধ্বস্ত প্রহৰৰ পাচতো শান্ত হোৱা নাই প্রতাপচন্দ্র। চন্দ্রপ্রভাক ক্ষত বিক্ষত কৰি তুলিও নির্বাপিত হোৱা নাই প্রতাপচন্দ্রৰ বুকুত দাউ দাউকৈ জ্বলি উঠা ক্রোধৰ অগ্নিকুণ্ড। শয়নকক্ষ সংলগ্ন আনটো কক্ষৰ পৰা ভাঁহি আহিছে প্রতাপচন্দ্রৰ উন্মাদ কণ্ঠ। সেই কণ্ঠৰ পৰা উদ্‌গীৰিত হোৱা প্রতিটো শব্দ চন্দ্রপ্রভাৰ কাণত পৰিছে। প্রতিটো শব্দই একো একোপাট তীক্ষ্ণাগ্র কাঁড় হৈ উৰি উৰি আহি শালি ধৰিছেহি চন্দ্রপ্রভাক।

'নহ'ব আপোনাৰ কোনো কথাই মই নুশুনো মহামন্ত্রী। মোৰ পত্নী অসতী। দুর্ঘোৰ অসতী। পৰপুৰুষৰ স্পর্শৰে কলুষিত। ঘৃণ কৰো মই তাইক। পৰপুৰুষৰ মোহত নিজৰ মানমর্যাদা বিসর্জন দিয়া নষ্ট চৰিত্রৰ নাৰীৰ লগত এক শয্যাত শয়ন কৰাটো অসম্ভৱ। ৰজা প্রতাপচন্দ্রৰ বংশমর্যাদা আছে মহামন্ত্রী। বিশুদ্ধ আর্যৰক্ত আছে আমাৰ গাত। মহান ৰজা ধর্মপালৰ বংশত কোনো ৰাজমহিষীয়ে কেতিয়াও এনেকৈ নিজৰ মর্যাদা নষ্ট কৰা নাই। চন্দ্রপ্রভাই কৰিলে। কলুষিত কৰিলে জিতাৰী বংশক।

হাটৰ পৰা কিনি অনা দাস-দাসীৰ আগত, মায়াপুৰৰ তুচ্ছাতিতুচ্ছ প্ৰজাৰ আগত পানীত ভিজা শৰীৰ দেখুৱালে। আনৰ কোলাত পানীৰ পৰা উঠি আহিল। মোৰ মূৰত জুই জ্বলিছে মহামন্ত্ৰী। এই অসতী নাৰীক মই নিজক উজাৰ কৰি ভালপোৱা দিছিলো— ইন্দ্ৰপত্নীৰ দৰে যত্ন আৰু মৰ্যাদাৰে ৰাখিছিলো। কি কৰিলে তাই দেখিলে মহামন্ত্ৰী? কেনেকৈ ভৰিৰে গচকি পেলালে মোৰ মৰ্যাদা,— বংশৰ সুনাম? লৈ যাওঁক মহামন্ত্ৰী— তাইক লৈ যাওঁক ইয়াৰ পৰা— মই আদেশ দিছো— তাইক আৰু সেই পোৱালি ৰজাটোক নৈৰ বালিত টুকুৰাটুকুৰকৈ কাটি কাউৰী-শগুণক খুৱাওক। কিয় নামানিব মোৰ আদেশ? ৰজা প্ৰতাপচন্দ্ৰৰ তলতীয়া বিষয়া আপুনি। মানিবই লাগিব। নামানিলে আপোনাকো বন্দী কৰিম— সিহঁত দুটাক কটাৰ আগতে আপোনাক কাটিম—

প্ৰতাপচন্দ্ৰই উন্মাদৰ দৰে চিঞৰি চিঞৰি কথা কৈছে। সেই কণ্ঠই বুৰাই পেলাইছে মহামন্ত্ৰী সগৰৰ নম্ৰ কণ্ঠৰ বুজনি।

ৰাজহাউলিৰ এই অংশটো অতি নিৰ্জন। বিনা অনুমতিত কাৰো প্ৰৱেশৰ অনুমতি নাই। আজি ৰজাৰ নিৰ্দেশত আৰু কঠোৰ হৈ পৰিছে এই অংশৰ প্ৰৱেশদ্বাৰৰ দ্বাৰৰক্ষী।

এক প্ৰহৰ আগতে ৰজাৰ নিৰ্দেশ পাই আহিছিল মহামন্ত্ৰী সগৰ। আহি পৰম আশ্চৰ্যত স্তব্ধ হৈ গৈছিল।

এয়া কেনে কথা!

বাবা বিশ্বনাথৰ শপত খাই ৰাণী চন্দ্ৰপ্ৰভাক ত্যাগ কৰিছে ৰজা প্ৰতাপচন্দ্ৰই। গোভা ৰজা সাধুকুমাৰ আৰু চন্দ্ৰপ্ৰভাক মৃত্যুদণ্ড দিছে।

নিচাত বিভ্ৰান্ত, ক্ৰোধত উন্মত্ত প্ৰতাপচন্দ্ৰক শান্ত কৰিবলৈ অনেক চেষ্টা কৰিছে সগৰে। সিদ্ধান্ত প্ৰত্যাহাৰ কৰাবলৈ চেষ্টা কৰিছে। কৈছে —

'এইটো মাত্ৰ এটা দুৰ্ঘটনা ঈশ্বৰপুত্ৰ। ৰাণীআইদেওক ৰক্ষা কৰিবলৈ যাওঁতে-'

তেওঁক আদবাটত ৰখাই কৈ উঠিছে প্ৰতাপচন্দ্ৰই—

'দুৰ্ঘটনা? আপুনি কাক কি বুজাব খুজিছে মহামন্ত্ৰী? দুৰ্ঘটনা? নহয়— দুৰ্ঘটনা নহয়— এয়া ইচ্ছাকৃত। কুহকিণী নাৰীৰ ছলনা মাত্ৰ। আস্— এই নাৰীৰ ৰূপৰ পূজাৰী আছিলো মই— এই নাৰীৰ গুণৰ সেৱাদাস আছিলো— ছিঃ ছিঃ কি মুৰ্খ মই! কি মুৰ্খ! ক্ষমা নকৰো— কেতিয়াও ক্ষমা নকৰো— ধৰি আনক গোভা ৰজাক— এতিয়াই, এই মুহূৰ্ততে ধৰি আনক।'

'আনিম— আপুনি স্থিৰ হওঁক—' সগৰে তেওঁক শান্ত কৰিবলৈ চেষ্টা কৰিছিল।

অৱশেষত অনেক কথা ব্যয় কৰি হত্যাৰ নিৰ্দেশ প্ৰত্যাহাৰ কৰিবলৈ সক্ষম হ'ল মহামন্ত্ৰী সগৰ। কিন্তু প্ৰতাপচন্দ্ৰই চন্দ্ৰপ্ৰভাক ত্যাগ কৰাৰ সিদ্ধান্তত অটল হৈ থাকিল।

'ঠিক আছে— আপোনাৰ কথা মানি লৈছো মহামন্ত্ৰী—মৃত্যুদণ্ড প্ৰত্যাহাৰ

কৰিছো— কিন্তু সেই অসতী নাৰী প্ৰতাপপুৰলৈ উভতি যাব নোৱাৰে। জিতাৰী বংশৰ মৰ্যাদাপূৰ্ণ অন্তেষপুৰত তাইৰ স্থান নাই। সেই পোৱালি ৰজাটোক দি দিয়ক তাইক— অনাৰ্য পোৱালি ৰজাৰ আকাশৰ তৰা দেখা ৰাজগৃহত বাস কৰি মনৰ হেঁপাহ পূৰণ কৰকগৈ। বাবা বিশ্বনাথৰ শপত খাই তাইক মই ত্যাগ কৰিছো। ইয়াৰ অন্যথা নহয়— মোক বুজাবৰ চেষ্টা নকৰিব— যাওঁক— লৈ যাওঁক তাইক—'

নিৰুপায় হৈ প্ৰতাপচন্দ্ৰৰ সিদ্ধান্তত সন্মতি দি বাহিৰলৈ ওলাই আহিল মহামন্ত্ৰী সগৰ। কি কৰিব ঠিক কৰিব নোৱাৰি বাহিৰচ'ৰাত বহি থাকিল।

সাধুকুমাৰ সম্পৰ্কে ৰজা প্ৰতাপচন্দ্ৰই যি জানে তাতোকৈ বহু বেছি কথা জানে মহামন্ত্ৰী সগৰে। ৰাজ্য আৰু ৰাজনীতিৰ প্ৰয়োজনত জানিবলগীয়া হয়। নম্ৰতা, বিবেচনা শক্তি, দয়াশীলতা আৰু উদাৰতাৰ কাৰণে গোভাৰ নাগৰিকে মৰমতে তেওঁক সাধুকুমাৰ নাম দিছে। কৈশোৰত যেতিয়া লালুং সমাজৰ ডেকাসকলৰ অনুষ্ঠান ডেকাচাং বা চামাদিত ভর্তি হৈছিল লুইত, তেতিয়াই চামাদিৰ অগ্ৰজ খাৰা-পাহ্বাইসকলে তেওঁক মৰমতে সাধুকুমাৰ নামেৰে মাতিবলৈ লৈছিল। কালক্ৰমত সেই নামটোৱেই বিখ্যাত হৈ গ'ল— লুইত নামটো অপ্ৰাসংগিক হৈ পৰিল।

গোভা ৰাজ্যত অত্যন্ত জনপ্ৰিয় সাধুকুমাৰ। গোভাৰাজ্যৰ অনুগত বাৰখন সৰু সৰু ৰাজ্য থকাৰ উপৰি দাঁতিকাষৰীয়া ৰাজ্যসমূহৰ লগতো গোভাৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক আছে। লালুং ৰাজ্যসমূহৰ ৰজাসকলে একেলগে বহি বহু ৰাজনৈতিক, অর্থনৈতিক আৰু সামাজিক সিদ্ধান্ত লয় বুলিও সগৰে শুনিছে। জয়ন্তীয়া ৰজাৰ লগতো লালুং ৰাজ্যসমূহৰ বিশেষকৈ গোভাৰ সম্পৰ্ক অত্যন্ত ভাল। অৱশ্যে কছাৰী ৰাজ্যৰ লগত তেওঁলোকৰ সম্পৰ্ক তিক্ততাপূৰ্ণ নহ'লেও সৌহার্দ্যপূৰ্ণও নহয়।

এতিয়া মায়াপুৰত দাঁতিকাষৰীয়া প্ৰায় সকলো ৰজাই উপস্থিত আছে। অমায়িক কিন্তু মৰ্যাদাপূৰ্ণ আচাৰ-আচৰণেৰে ৰজা-প্ৰজা সকলোকে মুগ্ধ কৰি তোলা তৰুণ গোভাৰজা সাধুকুমাৰে ৰাণীৰ জীৱন ৰক্ষা কৰি কিমান জনপ্ৰিয় হৈ পৰিব পাৰে বা বীৰৰ সন্মান লাভ কৰিব পাৰে বিচক্ষণ ৰাজনীতিক সগৰে অনুমান কৰিব পাৰে।

তেওঁ জানে ৰাণী চন্দ্ৰপ্ৰভায়ো ৰূপ আৰু সৰলতাৰে ৰাইজক মুগ্ধ কৰিছে। এই ঘটনাটোৰ কাৰণে ৰাণীক ত্যাগ কৰিলে আৰু সাধুকুমাৰক অপমান কৰিলে সকলো মানুহ অসন্তুষ্ট হ'ব পাৰে। ৰজা প্ৰতাপচন্দ্ৰৰ ভাৰমূৰ্তি নষ্ট হৈ যাব পাৰে। আনকি বিদ্ৰোহৰো সৃষ্টি হ'ব পাৰে। ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ এই বিস্তৃত অঞ্চলৰ ৰজাসকলক আৰু মায়াপুৰৰ প্ৰজাসকলক অসন্তুষ্ট কৰি সুদূৰ প্ৰতাপপুৰৰ পৰা ৰাজ্য শাসন কৰাটো কঠিন হৈ পৰিব। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল,— এই ৰজাসকল অসন্তুষ্ট হ'লে ৰাজ্য বিস্তাৰ কৰিবলৈ আগ্ৰহী আহোম ৰাজশক্তিয়ে এই সৰু সৰু ৰজাসকলৰ

সহায় লৈ স্বর্ণপীঠ আক্রমণ কৰি দখললৈ নিয়াৰ চেষ্টা কৰিব পাৰে।

কিন্তু এই কথা ৰজা প্রতাপচন্দ্রক বুজাব কোনে? কাৰ কথা শুনে প্রতাপচন্দ্রই?

অতি আৱেগিক, অতি অহংকাৰী, অতি অধিকাৰবোধ থকা ৰজা প্রতাপচন্দ্রক মহামন্ত্রী সগৰে যিমানখিনি চিনি পায় আন কোনেও হয়তো নাপায়। তেওঁ জানে ক্রোধ আৰু আৱেগত উন্মত্ত হৈ পৰিলে প্রতাপচন্দ্রক সম্বৰণ কৰোৱাৰ সাধ্য কাৰো নাই। তেওঁৰ সকলো কথাই চূড়ান্ত। স্নেহ-ঘৃণা, দান, প্রতিহিংসা, আশা-আকাংক্ষা সকলোবোৰে চূড়ান্ত। অত্যধিক।

এক প্রহৰ ধৰি এই উন্মত্ত ৰূপ দেখিছে সগৰে।

কোঠাটোৰ গাতে লগা শয়নকক্ষত বহি থকা ৰাণী চন্দ্রপ্রভাইও শুনিছে বুলি মহামন্ত্রী সগৰ নিশ্চিত। কোমল বয়সীয়া, সৰল আৰু আলসুৱা চন্দ্রপ্রভাৰ ওপৰেদি কি ধুমুহা পাৰ হৈ গৈছে সগৰে অনুমান কৰিব পাৰে। এই মুহূর্তত ৰাজমাতা উপস্থিত থকা হ'লে প্রতাপচন্দ্রক কিছু নিয়ন্ত্রণ কৰিব পৰা গ'লহেঁতেন। মহাৰাণী চন্দ্রপ্রভাক অচিনাকি গোভা ৰজাৰ হাতত অর্পণ কৰাৰ দৰে দুর্ভাগ্যজনক ঘটনাটো অন্ততঃ ৰোধ কৰিব পৰা গ'লহেঁতেন। একমাত্র তেওঁৰ কথাই ৰজাই অলপ হ'লেও শুনে।

কি কৰিব? কি কৰা উচিত এতিয়া সগৰে? কি উপায় কৰা যায়?

বহুত ভাবি-চিন্তি সাধুকুমাৰক মাতি আনিবলৈ নির্দেশ দি সগৰ পুনৰ ৰজাৰ শয়নকক্ষৰ সংলগ্ন কোঠাটোলৈ উভতি গ'ল।

ৰজাই তেতিয়াও মধু মদ খাই খাই বহি আছিল। ক্রোধ শাম কটাৰ কোনো ইংগিত তেওঁৰ বহাৰ ভংগীমা আৰু চকুৰ চাৱনিত দেখা নাপালে সগৰে।

তেওঁ সোমাই যোৱাৰ লগে লগে প্রতাপচন্দ্রই কৈ উঠিল—

'ক'ত— সেই পোৱালি ৰজাটো ক'ত?'

'আহিব ঈশ্বৰপুত্র। এই নিশাৰ শেষ প্রহৰত শিবিৰৰ পৰা ৰাজহাউলীলৈ আহিবলৈ সময় লাগিব। নিজৰ নিৰাপত্তা বিঘ্নিত কৰি তেওঁতো অকলে নাহে। নিশ্চয় দেহৰক্ষীসকলক লৈ আহিব। ঈশ্বৰপুত্র, মই এটা পৰামর্শ দিব খোজো—'

'অ'— কওঁক—'

'ৰাণী আইদেউক যদি আপুনি ত্যাগেই কৰিব খুজিছে এই কাম গোপনে কৰক। এই ৰাজধানী নতুন। ইয়াৰ নিৰাপত্তা ব্যৱস্থা এতিয়াও সম্পূর্ণ নিশ্ছিদ্র নহয়। কোনো বিদ্রোহ অথবা যুদ্ধ হ'ব লাগিলে আত্মৰক্ষাৰ সমস্যা হ'ব পাৰে।'

'কোনে কৰিব বিদ্রোহ? কোনে দিব যুদ্ধ? এই মহাপ্রতাপী প্রতাপচন্দ্রৰ বিৰোধিতা কৰাৰ সাহস, বিৰোধিতা কৰাৰ শক্তি কাৰ আছে? কওঁক— কাৰ আছে?' প্রতাপচন্দ্রই গর্জন কৰি উঠিল।

'নাই— সঁচা। কিন্তু কেতিয়াবা স্ফুলিংগৰ পৰাও খাণ্ডৱ দাহন হয় ঈশ্বৰপুত্ৰ। কেতিয়াবা সৰু এটা কীটেও বিষাক্ত দংশনেৰে হস্তীৰ দৰে বিশাল জীৱকো বিনষ্ট কৰিব পাৰে। মই একমাত্ৰ নিৰাপত্তাৰ কাৰণেই এই কথা কোৱা নাই ঈশ্বৰপুত্ৰ। এইটো এটা ৰাজনৈতিক পৰামৰ্শ বুলিও ধৰক। বহলাই ক'ব খোজা নাই। এই মুহূৰ্তত আপুনি ক্লান্ত আৰু অস্থিৰ হৈ আছে। ৰাণীক গোপনে বিদায় দিয়াটোৰেই সঠিক সিদ্ধান্ত হ'ব বুলি বিবেচনা কৰো। সিদ্ধান্ত আপোনাৰ। যি কৰে।'

'ঠিক আছে। আপোনাৰ পৰামৰ্শ মানি লৈছো। কিন্তু ব্ৰহ্মমুহূৰ্তৰ আগতেই এই অসতী নাৰী মোৰ দেশৰ সীমা পাৰ হৈ যাব লাগিব।'

সগৰে কিবা কোৱাৰ আগতে দুৱাৰমুখত থিয় হ'লহি গোভাৰজা সাধুকুমাৰ।

'এই গভীৰ নিশা— কি সকামত মোক মাতি আনিলে ৰজাদেউ?'

বিস্মিত আৰু সন্দিগ্ধ কণ্ঠেৰে কিন্তু শান্তভাৱে প্ৰশ্ন কৰিলে সাধুকুমাৰে।

যথাযথ সৌজন্যসহকাৰে ৰজাই মতা বুলি টোপনিৰ পৰা জগাই কোৱাত সাধুকুমাৰ আচৰিত হৈছিল। বিশেষ কোনো সন্দেহৰ জন্ম নহ'লেও সকলো দেহৰক্ষী লৈ প্ৰথা অনুসাৰে ৰাজহাউলিলৈ আহিছিল সাধুকুমাৰ। কিন্তু ৰাজহাউলিৰ ভিতৰ সোমোৱাৰ লগে লগে গোপন হৈ থকা সৈন্য অতৰ্কিতে ওলাই আহি বন্দী কৰি পেলাইছিল গোভাৰজাৰ দেহৰক্ষীসকলক। তীক্ষ্ণ যাঠিৰ বিদ্যুৎ জিলিকা অগ্ৰভাগ সাধুকুমাৰৰ বুকুৰে-পিঠিয়ে টোৱাই ৰজা বহি থকা কোঠাটোৰ দুৱাৰমুখলৈ লৈ আহিছিল আৰু মুহূৰ্ততে আঁতৰি গৈছিল। মহামন্ত্ৰীৰ নিৰ্দেশত।

নিৰস্ত্ৰ আৰু অকলশৰীয়া সাধুকুমাৰ যিমান শংকিত হৈছিল, আচৰিত হৈছিল তাতোকৈ বেছি। ৰাজনীতিৰ মেৰপেচ নজনা,— পোন, সৰল এজন স্নেহশীল আৰু বিবেচক যুৱকে কেনেকৈ ভাবিব পাৰে ৰাণীক ৰক্ষা কৰাৰ বাবে কৃতজ্ঞতাৰ সলনি ৰজাৰ বুকুত জ্বলি উঠিছে সন্দেহ প্ৰতিহিংসা আৰু ঈৰ্ষাৰ দাবানল।

'সোমাই আহক গোভা ৰজা— আসন গ্ৰহণ কৰক।' সগৰে আহ্বান জনালে। আসনত উপবিষ্ট হোৱাৰ আগতেই ৰজাই হাত এখন দাঙি কৈ উঠিল—

'ইয়াত বহাৰ প্ৰয়োজন নাই— আপুনি এওঁক লৈ যাওঁক মহামন্ত্ৰী। এওঁৰ লগত কথা পতাৰ প্ৰবৃত্তি মোৰ নাই।'

'মই কিবা অপৰাধ কৰিলো নেকি ৰজাদেউ?' আৰু বেছি অবাক হৈ সাধুকুমাৰে ক'লে।

'কৰিছ। অপৰাধ কৰিছ। ঘোৰ অপৰাধ। অপৰাধীক আসন আগবঢ়াই দিয়াৰ নিয়ম প্ৰতাপচন্দ্ৰৰ ৰাজ্যত নাই।'

'কোন অপৰাধী ৰজাদেও? মই?' অবাক হৈ ৰজালৈ চালে সাধুকুমাৰে।

'অ' তই।' তই অপৰাধী। প্রতাপসিংহৰ পত্নীক অসৎ উদ্দেশ্যেৰে স্পর্শ কৰি তই অপৰাধ কৰিছ। দুর্ঘোৰ অপৰাধ।'

আনন্দিত, সৰল সাধুকুমাৰৰ মুখখনৰ পোহৰ দপ্‌কৈ নুমাই গ'ল। অবাক, স্তব্ধ হৈ চাই থাকিল ৰজা প্রতাপচন্দ্রৰ ক্রোধত কুৎচিৎ হৈ উঠা মুখলৈ।

বহুত সময়— ব-হু-ত সময় তেনেকৈয়ে ৰজাৰ মুখলৈ চাই থাকিল সাধুকুমাৰে। তাৰ পিচত ধীৰ-গম্ভীৰ মাতেৰে ক'লে—

'মই ৰাণী আইদেউক পানীৰ পৰা তুলিছিলো—আপুনি সেই কথা পাপ চকুৰে চাইছে— চাব নাপায় ৰজাদেউ।'

'তই এটা সাধাৰণ অনার্য ৰজা হৈ আর্যপুত্র প্রতাপসিংহক পায় নাপায় শিকাব খুজিছ? তোৰ ইমান সাহস।' প্রতাপচন্দ্র উত্তপ্ত হৈ উঠিল। প্রতাপচন্দ্রৰ মুখলৈ এখন্তেক স্থিৰ হৈ চাই থাকি সাধুকুমাৰে গম্ভীৰ, শান্ত কণ্ঠেৰে ক'লে—

'সাহস আছে ৰজাদেউ। সঁচাক সঁচা মিছাক মিছা বুলি কোৱাৰ সাহস আমাৰ আছে। মই আর্য কি, অনার্য কি নুবুজো। মই নিজে এখন দেশৰ ৰজা। মোৰ দেশৰ সমাজে মোক অন্তত আপোনাতকৈ ভাল এযোৰ চকু, দুখন কাণ, এখন মুখ আৰু এটা কলিজা দিছে। 'ফা মাহাদেৱে জানে মই কোনো পাপ কৰা নাই। যি বেয়া কাম মই কৰা নাই— মানি ল'ম কিয়? আমি নিজৰ পত্নীক অবিশ্বাস নকৰো। আপুনি কৰিছে। আর্যসকলে পত্নীক অবিশ্বাস কৰাটোৱেই নিয়ম নেকি?'

'উদ্ধত ৰজা। তই কাৰ আগত কথা কৈ আছ জাননে? প্রতাপচন্দ্রৰ আগত। বৰনদীৰ পৰা মাজুলীলৈ বিস্তৃত সাম্রাজ্যৰ অধিকাৰী জিতাৰী বংশীয় প্রতাপচন্দ্রৰ আগত। মহামন্ত্রী সগৰক কথা নিদিয়া হ'লে তোৰ এই উদ্ধত শিৰ মোৰ অসিৰ আঘাতত মাটিত পৰি গ'লহেঁতেন। চিঞৰি মাতিলে ইমূৰৰ মাত সিমূৰে শুনা কাঁহিৰ সমান ডাঙৰ ৰাজ্যৰ এটা সাধাৰণ পোৱালি ৰজা তই। তই মহাপ্রতাপী প্রতাপচন্দ্রৰ পত্নীক স্পর্শ কৰিছ। পাপ চকুৰে চাইছ। সেই কলুষিত নাৰীক মই চুৱাপাতনিতকৈও ঘৃণনীয় জ্ঞান কৰো। তই লৈ যাব লাগিব তাইক। মোৰ ৰাজ্যৰ আৱর্জনাৰে তই নিজৰ ৰাজ্যত সোণৰ সংসাৰ পাতগৈ। মই কোনো যুক্তি নুশুনো। তই চন্দ্রপ্রভাক লৈ যাব লাগিব। নহ'লে—

'নহ'লে কি ৰজাদেউ?' শান্ত চকুযোৰ প্রতাপচন্দ্রৰ চকুত থৈ সাধুকুমাৰে সুধিলে।

'নহ'লে কি নাজান? তোৰ ৰাজ্য আক্রমণ কৰি চাৰখাৰ কৰি পেলাম— তোৰ প্রজাৰ তেজৰ নৈ বোঁৱাই দিম। পৰনাৰীত আসক্ত হোৱাৰ ফল তই নহয়— তোৰ প্রজায়ো ভুগিব লাগিব। নিব লাগিব তই চন্দ্রপ্রভাক। অসতী স্ত্রীক পৰিত্যাগ কৰিছো মই। যদি নামান,— তোৰ দেহৰক্ষীবোৰৰ, তোৰ আৰু চন্দ্রপ্রভাৰ মণ্ডহৰ টুকুৰা পৰি ব্রহ্মপুত্র

ৰাঙলি হৈ যাব। যা— ইয়াৰ পৰা যা— মোৰ হাতৰ অসি উঠি অহাৰ আগতে ওলাই যা—'

মহামন্ত্রী সগৰে কঠিন হৈ থিয় হৈ থকা সাধুকুমাৰৰ কান্ধত হাত থ'লে। ইংগিতেৰে বাহিৰলৈ আহিবলৈ কৈ নিজে আগতে ওলাই আহিল। কিছুসময় প্রতাপচন্দ্রলৈ একেথিৰে চাই থাকি সাধুকুমাৰো ওলাই আহিল। বাহিৰত, চন্দ্রপ্রভাৰ শয়ন কক্ষৰ সন্মুখত বৈ আছিল মহামন্ত্রী। সাধুকুমাৰ ওলাই অহাৰ পিচত ধীৰ মাতেৰে মহামন্ত্রীয়ে এটা এটাকৈ সকলো কথা কৈ গ'ল। তেজৰঙা হৈ পৰা চকুযোৰ মহামন্ত্রীৰ চকুত থৈ স্তব্ধ হৈ শুনি থাকিল সাধুকুমাৰে। সকলো কথা কোৱা হোৱাৰ পিচত মহামন্ত্রীয়ে সাধুকুমাৰৰ কান্ধত হাত এখন থ'লে। বুজনিৰ সুৰেৰে ক'লে—

'গোভা ৰজা— এখন ৰক্তাক্ত যুদ্ধতকৈ এক সুন্দৰী নাৰী লাভ কৰাটো অধিক ভাল নহয়নে? ৰজা প্রতাপচন্দ্র বৰ জেদী মানুহ। যি কয় তাৰ অন্যথা নহয়। আপোনাৰ গোভাক ৰক্ষা কৰক গোভাৰজা। ৰাণীক লৈ যাওক। মই সকলো ব্যৱস্থা কৰি দিম। ৰাতিৰ ব্রহ্মাপুত্রত কোন নাৱত কোন গৈছে কোনে জানিব।

কান্ধৰ পৰা মহামন্ত্রীৰ হাতখন আঁতৰাই সাধুকুমাৰে দৃঢ় আৰু শীতল মাতেৰে ক'লে—

'মই কাপুৰুষ নহয় মহামন্ত্রী। এই কথা মই সকলোকে কৈ দিম। এই মায়াপুৰতেই মই বিদ্রোহৰ জুই জ্বলাই দিম।'

'নোৱাৰিব। ৰাণী চন্দ্রপ্রভা ৰজাৰ কিমান প্রিয় ৰাইজে জানে। আপোনাকহে সকলোৱে অবিশ্বাস কৰিব। নিজৰ ৰাজ্যৰ প্রজাৰ কথা ভাবক। ৰাণী চন্দ্রপ্রভাৰ কথাও ভাবক। ৰজাৰ লগত তেওঁক প্রতাপপুৰলৈ উভতি যাবলৈ দি কি লাভ? তেওঁ জানো তাত ভালেৰে থাকিব পাৰিব? অত্যাচাৰ, অপমানত তিলতিলকৈ নমৰিবনে? লৈ যাওক গোভা ৰজা। আৰ্য পুৰুষৰ অহংকাৰে সকলোকে চাৰখাৰ কৰাৰ আগতে আপুনি তেওঁক লৈ যাওক।'

সাধুকুমাৰে কিবা কোৱাৰ আগতে দুৱাৰমুখত থিয় হ'লহি চন্দ্রপ্রভা। বজ্রাহতৰ দৰে স্তব্ধ হৈ চাই থাকিল মহামন্ত্রী সগৰ আৰু সাধুকুমাৰে।

চন্দ্রৰ পোহৰ যেন কোনোবাই মচি লৈ শুচি গৈছে। পৰি ৰৈছে প্রভাহীন মাটি।

চন্দ্রপ্রভাৰ মলিন মুখলৈ চাই দুয়োজন পুৰুষৰ বুকু মোচৰ খাই উঠিল। দুয়ো চন্দ্রপ্রভাক অভিবাদন জনালে।

একে সময়তে দুয়ো কিবা ক'ব খুজিছিল— চন্দ্রপ্রভাই হাত এখন দাঙিলে। ধীৰ, অকম্পিত মাতেৰে চন্দ্রপ্রভাই ক'লে—

'মই সকলো কথাই শুনিছো মহামন্ত্রী। মোৰ স্বামীৰ অজস্র বাক্যবানে মোক থকা-সৰকা কৰিছে। মাত্র তিনিটা প্রহৰত মই অনেক কঠিন সত্য উপলব্ধি কৰিছো। মই মাত্র গোভা ৰজাক এটা প্রশ্ন সুধিব খুজিছিলো।'

'কওঁক ৰাণীদেউ।' গোভাৰজাই বিষাদেৰে ক'লে।

'প্রতাপচন্দ্রৰ পত্নীক অপযশ শিৰত লৈ লগত লৈ গ'লে গোভাৰ প্রজাই আপোনাক ত্যাগ কৰিব নেকি গোভাৰজা?'

ৰাণীয়ে কি কৈছে বুজিব নোৱাৰি সাধুকুমাৰে ক'লে—

'মোৰ ৰাজ্যৰ প্রজা ইমান হীন নহয় ৰাণীদেউ— তেওঁলোকৰ মনবোৰত ইমান বেয়া কথা সোমাবলৈ ঠাই নাই। মই যি কওঁ সেয়াই বিশ্বাস কৰিব আৰু মোৰ ওচৰত থিয় হ'ব ৰাণীদেউ। ত্যাগ কৰাৰ প্রশ্নই নুঠে— কিন্তু মই ইমান অন্যায় কথা সহিম কিয় ৰাণীদেউ? আপুনি কিয় সহিব?'

'মহামন্ত্রী ডাঙৰীয়াই জানো কোৱা নাই,— এখন ৰক্তাক্ত যুদ্ধতকৈ এজনী সুন্দৰী নাৰী অধিক ভাল? সত্য-অসত্যৰ ধুলি-ধুমুহাত সোমাই বাট ভুল কৰাৰ প্রয়োজন কি গোভাৰজা? উচ্চ বংশ, উচ্চ ক্ষমতা, উচ্চ বৈভৱৰ গৌৰৱেৰে গর্বিত আর্য নৰপতিৰ ৰাজগৃহত মই বাস কৰিলো। দেখিলো কেনেকৈ তাত নাৰীৰ মর্যাদা সামান্য কাৰণত পদানত হয়। মই এই মর্যাদাহীন জীৱনৰ পৰা নিজেই মুক্তি বিচাৰিছো গোভাৰজা— মোক লৈ যাওঁক।'

গোভাৰজাৰ ওচৰত উৎসৱৰ ক্লান্তি, অশ্রুৰ ক্লান্তি, অপমানৰ ক্লান্তি, আশ্চর্যৰ ক্লান্তি আৰু মাতৃত্বৰ ক্লান্তিৰ ভাৰত আঁঠুকাঢ়ি বহি পৰিল চন্দ্রপ্রভা।

ৰাতি শেষ হ'বলৈ তেতিয়াও কিছু সময় বাকী আছিল।

৭

ৰাতিৰ নিৰ্জন ব্ৰহ্মপুত্ৰ।

অগণন ৰঠাৰ মিলিত শব্দই এক ৰহস্যময় গীতিধ্বনিৰ সৃষ্টি কৰিছে কুঁৱলীয়ে ঢাকি থোৱা নৈখনৰ বুকুত।

ওপৰত শৰতৰ নিৰ্মল আকাশ।

তলত কুঁৱলীৰ সাগৰ। জোনাকৰ পোহৰত এখন যেন গাখীৰৰ নৈ সাৰ পাই উঠিছে। সেই নৈখনে যেন কঢ়িয়াই লৈ গৈছে ৰহস্যময় এক অভিযাত্ৰী দলক।

ভটিয়নী সোঁত।

মাজে মাজে ৰঠা মৰিছে, মাজে মাজে লৈছে। ৰাতি পুৱাৰৰ হৈছে। ম্লান হৈ পৰিছে চন্দ্ৰৰ প্ৰভা।

ম্লান হৈ পৰিছে চন্দ্ৰপ্ৰভাও।

সাধাৰণ টকৌপাতৰ ছৈ দিয়া নাও টাংখ্ৰং এখনত আঁঠুত মূৰ গুজি বহি আছে চন্দ্ৰপ্ৰভা। নিৰ্বাসিত, নিসংগ, স্তব্ধ চন্দ্ৰপ্ৰভা।

সাধুকুমাৰৰ লগত অহা দুজন দেহৰক্ষীয়ে দুফালে বহি নিৰীক্ষণ কৰি আছে চন্দ্ৰপ্ৰভাক।

সাধুকুমাৰৰ নিৰ্দেশ।

আত্মহত্যা কৰিব পাৰে চন্দ্ৰপ্ৰভাই। জঁপিয়াই পৰিব পাৰে ব্ৰহ্মপুত্ৰত।

চন্দ্ৰপ্ৰভাৰ নিৰ্বাক চকুযুৰিত তেনে এক সৰ্বনাশৰ ছায়া দেখিছিল সাধুকুমাৰে। চন্দ্ৰপ্ৰভাই কন্দা নাছিল। এটা কথাও কোৱা নাছিল।

নাৱত উঠি অহা এমুঠি দেহৰক্ষী, ৰজা প্ৰতাপচন্দ্ৰ, মহামন্ত্ৰী সগৰ, সাধুকুমাৰ আৰু কিছু বিশ্বস্ত সৈনিকৰ বাহিৰে চন্দ্ৰপ্ৰভাৰ নিৰ্বাসনৰ কথা কোনেও গম পোৱা নাই। দেখা নাই বিদায়ৰ দৃশ্য। অতি গোপনে, নিশাৰ শেষ প্ৰহৰত গোভাৰজাৰ নাৱত উঠাই দিছিল চন্দ্ৰপ্ৰভাক। খুব শান্ত, খুব ধীৰভাৱে তলমূৰ কৰি নাৱত উঠিছিলহি চন্দ্ৰপ্ৰভা। কাৰোফালে চোৱা নাছিল। কাকো একো কোৱা নাছিল। শোকৰ বা আক্ষেপৰ এটা শব্দও তেওঁৰ ওঁঠৰ পৰা সৰি পৰা নাছিল।

আন এখন নাৱত থিয় হৈ চন্দ্রপ্রভালৈ চাই আছিল সাধুকুমাৰে। গোটেই দিনটো দেখি থকা কাপোৰসাজেৰেই সালংকৃতা চন্দ্রপ্রভা নাৱলৈ উঠি আহিছিল। পিচলৈ এবাৰো উভতি নোচোৱাকৈ। দেখি বুকুখন টনটনাই গৈছিল সাধুকুমাৰৰ। অপৰিসীম সহানুভূতিৰে তেওঁৰ বুকুখন ভৰি উঠিছিল। একে সময়তে শৰীৰৰ সমস্ত তেজ যেন উতলি উঠিছিল। সকলো বিবেচনা আঁতৰাই থৈ হাতত অস্ত্র লৈ জঁপিয়াই পৰিবলৈ মন গৈছিল প্রতাপসিংহৰ কঠিন মুখৰ সৈনিকসকলৰ ওপৰত। কাটি-মাৰি বিনষ্ট কৰি পেলাবৰ মন গৈছিল অহংকাৰী প্রতাপচন্দ্রৰ ৰাজ্য।

নাৱত উঠি সাধুকুমাৰলৈ চকু তুলি চাইছিল চন্দ্রপ্রভাই। সেই চাৱনিত সৰি পৰিছিল অবিমিশ্র মিনতি। ৰক্তপাত ৰোধ কৰাৰ মিনতি। চিক্‌চিকিয়া লাংখুইখন ধৰি থকা টান মুঠিটো লাহে লাহে ঢিলা হৈ পৰিছিল। নাও মেলি দিয়াৰ নির্দেশ দিছিল সাধুকুমাৰে।সেইমুহূর্তত নিজৰ পদমর্যাদা, নিজৰ গাম্ভীর্য পাহৰি কান্দি উঠিছিল সগৰে। চন্দ্রপ্রভাৰ ওচৰত আঁঠুকাড়ি বহি তেওঁ চকুপানী টুকি টুকি ক্ষমা বিচাৰিছিল। চন্দ্রপ্রভাৰ মুখত কোনো প্রতিক্রিয়া ফুটি উঠা দেখা নাছিল সাধুকুমাৰে। শান্তভাৱে চন্দ্রপ্রভাই কৈছিল—

'উঠক মহামন্ত্রী। চকুপানী মচক। যি সম্পর্কৰ শিপা সামান্য বতাহতে উঘালি পৰে সেই সম্পর্কৰ কথা ভাবি আক্ষেপ কৰা অর্থ কি?'

'আপুনি প্রতিবাদ কৰক ৰাণীদেউ।' সাধুকুমাৰে অতিষ্ঠ হৈ কৈ উঠিছিল।

চন্দ্রপ্রভাই সাধুকুমাৰলৈ চাইছিল। ধীৰভাৱে কৈছিল—

'নকৰো গোভাৰজা। নিজৰ ন্যায়ৰ বাবে যুঁজ কৰিবলৈ গৈ মই আন এখন ৰাজ্যৰ নির্দোষী প্রজাসকলৰ অন্যায় কৰিব নোৱাৰো। আপোনাৰ ৰাজ্যত যদি মোৰ বাবে আশ্রয় নাই— বাবা ব্রহ্মাপুত্র আছে। ভয় কি?'

গম্ভীৰ আত্মস্থ খোজেৰে নাৱলৈ উঠি গৈছিল চন্দ্রপ্রভা। সিদ্ধান্তৰ সেই কাঠিন্যই স্তব্ধ কৰি তুলিছিল সাধুকুমাৰক। সগৰক। হয়তো সকলোকে।

নির্জন নদীৰ ঘাটটো কোনো উচুপনি আৰু হাহাকাৰৰ শব্দই আলোড়িত কৰি তোলা নাছিল। অত্যন্ত নিঃশব্দে, অতি সাধাৰণ ঘটনাৰ দৰে, মহাপ্রতাপী প্রতাপচন্দ্রৰ ৰাজমহিষী চন্দ্রপ্রভা নির্বাসিত হৈছিল নিজ ৰাজ্যৰ পৰা।

চন্দ্রপ্রভা ওলাই অহা কোনেও দেখা নাছিল। বিপদকালত ব্যৱহাৰ কৰিবলৈ তৈয়াৰ কৰা এখন গোপন দুৱাৰেৰে চন্দ্রপ্রভা, প্রতাপচন্দ্রৰ সৈন্যৰে পৰিবেষ্টিত গোভাৰজা আৰু তেওঁৰ দেহৰক্ষীসকল মহামন্ত্রী সগৰৰ নির্দেশত ওলাই আহিছিল।

চন্দ্রপ্রভা শুচি নোযোৱালৈকে ৰাজহাউলিৰ সেই অংশটোত সকলোৰে প্রৱেশ নিষিদ্ধ কৰি থৈছিল মহামন্ত্রী সগৰে। ৰাজগৃহত থকা সকলোৱে বুজিছিল— ডাঙৰ

কিবা এটা ঘটনা ঘটিছে। চন্দ্রপ্রভাৰ পানীত পৰা ঘটনাটোৱে সৃষ্টি কৰা উত্তেজনা মাৰ নাযাওঁতেই ভিতৰে ভিতৰে আন এটা উত্তেজনাৰ সৃষ্টি হৈছিল যদিও কোনেও কাকো একো সোধা নাছিল। কোনেও কাকো একো কোৱা নাছিল।

অপৰাধ হোৱাৰ শংকাত।

ৰাজগৃহত নিয়ম ভংগকাৰী দাস-দাসীৰ কি শাস্তি হয়, কোনে নাজানে।

ৰাজগৃহত প্ৰতিজন মানুহ সাৰে আছিল। কিন্তু কোনেও কোঠাৰ বাহিৰলৈ ওলোৱা নাছিল। তেওঁলোকে ভয়ে ভয়ে কাণ উনাই সৈন্যসকলৰ গধুৰ গধুৰ খোজৰ শব্দ, লৰা-ঢপৰা, দুৱাৰ খোলা আৰু বন্ধ হোৱাৰ শব্দ শুনিছিল। শুনিছিল ৰজা প্ৰতাপচন্দ্ৰৰ উচ্চকণ্ঠ। কিন্তু দুষৈৰ পৰা ভাঁহি অহা কথাবোৰৰ এটাও শব্দ কোনেও বুজা নাছিল।

এটা সময়ত সকলো শব্দ স্তব্ধ হৈ গৈছিল। পৰি ৰৈছিল অখণ্ড নিৰৱতা। চন্দ্রপ্রভা যেতিয়া নাৱত উঠিছিল তেতিয়ালৈ ৰাজগৃহৰ প্ৰায় সকলো মানুহ বিৰক্ত হৈ শুই পৰিছিল।

আৰু ৰজা প্ৰতাপচন্দ্ৰ?

মদৰ নিচা, পৰিশ্ৰম, ক্ৰোধ আৰু উত্তেজনাৰ ক্লান্তিত শুই পৰিছিল প্ৰতাপচন্দ্ৰও। ৰাজগৃহৰ শয়ন কক্ষৰ পৰা যাবলৈ ওলাই আহি সংলগ্ন কক্ষত বহি থকা, আসনতে টোপনিত লালকাল প্ৰতাপচন্দ্ৰৰ মুখলৈ এখন্তেক চাই ৰৈছিল চন্দ্রপ্রভাই— তাৰ পিচত শুচি আহিছিল।

ওচৰতে থকা মন্ত্রী সগৰ আৰু সাধুকুমাৰে চঞ্চলা কিশোৰী যেন লগা ৰাণী চন্দ্রপ্রভাক এটা ৰাতিৰ দুৰ্যোগত জীৱন অভিজ্ঞ গম্ভীৰ নাৰীলৈ ৰূপান্তৰিত হোৱা দেখিছিল। তেওঁলোকৰ বুকুত নিৰুপায় ক্ৰোধ আৰু সীমাহীন শোকে খুন্দা মাৰি ধৰিছিল। এতিয়াও সেই শোক, সেই ক্ৰোধ প্ৰশমিত হোৱা নাই সাধুকুমাৰৰ। নিজৰ নাৱত এতিয়াও বহি আছে সাধুকুমাৰ।

নিৰ্বাক। শোক, ক্ৰোধ আৰু অপমানৰ গ্লানিত অস্থিৰ।

সাধুকুমাৰেই মাত্ৰ নহয়— সাধুকুমাৰৰ নাৱৰ চাৰিওফালে থকা নাওবোৱত বহি থকা দেহৰক্ষীসকলো নিৰ্বাক হৈ আছে।

এজাক ডেকা ল'ৰা।

অনুশাসন থাকিলেও ডিঙি চেপিধৰা ভীতিকৰ শাসন নাই। নাৱেৰে মায়াপুৰলৈ আহি থাকোতে তেওঁলোকে প্ৰাণ খুলি গান গাই আনন্দ কৰি আহিছিল। তেওঁলোকে কেতিয়াও ভবা নাছিল— ৰজা প্ৰতাপচন্দ্ৰৰ দেৱীৰ দৰে ৰাণীক লগত লৈ তেওঁলোক দুখেৰে উভতি যাব লাগিব।

শোণিতত টগবগাই উঠিছে ৰণতৃষ্ণা। উচ্‌পিচাই আছে অস্ত্রধৰা হাত।

নিশ্চুপ হৈ বহি আছে আটাইবোৰ।

অপমানৰ গ্লানিত অস্থিৰ।

ক্রোধত আৰক্ত।

কিন্তু নিৰুপায়।

গোভাৰ নিৰাপত্তা আৰু স্বাধীনতাৰ প্রশ্নত বন্দী।

প্রবল প্রতাপী প্রতাপচন্দ্রৰ ক্রোধ আৰু ক্রূঢ়তাৰ ওচৰত দুর্বল।

কৌশলী ৰাজনীতিক মহামন্ত্রী সগৰৰ যুক্তিত অৱৰুদ্ধ।

ৰাণী চন্দ্রপ্রভাৰ ইচ্ছাত আৰু ৰজা সাধুকুমাৰৰ বিবেচনাত পথহীন।

সাধুকুমাৰক কোনেও অবিশ্বাস কৰা নাই। ৰাণী চন্দ্রপ্রভাক কোনেও ঘৃণা কৰা নাই। বৰঞ্চ স্তব্ধ হৈ বহি থকা ৰাণীৰ মুখখন দেখি তেওঁলোকৰ মনবোৰ দহি গৈছে।

এই নাৰীৰ জোনযেন পোহৰ মুখ তেওঁলোকে কালি মাত্র দেখিছিল। মায়াপুৰৰ শিবিৰে শিবিৰে ৰাণীৰ সৌন্দর্য আৰু সৰলতা, ৰজাৰ শৌর্য আৰু অতিথিপৰায়ণতাৰ বাহিৰে আন কথা নাছিল।

স্বর্গৰ দেৱীযেন লগা সেই নাৰীগৰাকী এতিয়া আঁঠুত মূৰ গুজি তেনেই নিঃকিনৰ দৰে বঁহি আছে ৰাণীৰ যোগ্য বিশ্রামৰ আয়োজনহীন সাধাৰণ নাও টাংখ্রং এখনত।

ভাবি ভাবি পাৰ পোৱা নাই সৈন্যসকলে। তেওঁলোকৰ সমাজতো ব্যাভিচাৰি নাৰী-পুৰুষক শাস্তি বিহাৰ প্রথা আছে। সমাজ গাঁথনি ঠিকে ৰাখিবলৈ এনে প্রথাৰ প্রয়োজনো আছে।

পৰনাৰীত আসক্ত পুৰুষক আৰু পৰপুৰুষত আসক্ত নাৰীক মূল পুৰোহিত ল'ৰ'ই বিচাৰ কৰি শাস্তি দিব পাৰে। এই বিচাৰত দোষীক আত্মপক্ষ সমর্থনৰ সুযোগ দিয়া হয়। প্রমাণহীন অভিযোগৰ ক্ষেত্রত তুলসী গছৰ শপত খাই অভিযুক্তই অপৰাধ অস্বীকাৰ কৰিলে বিচাৰ স্থগিত ৰাখি কিছুদিন অপেক্ষা কৰে। যদি তুলসী গছৰ শপত খাই কোনোবাই মিছা কথা কয় তেনেহ'লে ঈশ্বৰৰ অভিশাপত মিছলীয়াজনৰ দুর্যোগ ঘটিবই বুলি তিৰালিবুংসকলে বিশ্বাস কৰে। কিছুদিন অপেক্ষা কৰাৰ পিচত তেনে অঘটন নঘটিলে সত্য কথা কোৱা বুলি বিচাৰ সভাই মানি লয়। কোনো শাস্তি নিদিয়ে।

বিশ্বাস আৰু আস্থাৰ ওপৰত চলি আহিছে লালুং সমাজ।

ৰাণী চন্দ্রপ্রভাৰ ঘটনাত সেয়েহে আশ্চর্যত স্তব্ধ হৈ গৈছে ডেকা ল'ৰাবোৰ।

এইবোৰ কেনে মানুহ! কেনে সমাজ এইখন! অবিশ্বাস, সন্দেহ, আস্থাহীনতাৰে এখন সংসাৰ জানো চলিব পাৰে? চলিব পাৰে এখন সমাজ?

লালুং সমাজত নাৰীৰ স্বাধীনতা আছে। সম্মান আছে। অধিকাৰ আছে। চন্দ্রপ্রভাৰ বয়সৰ কোনো ছোৱালীক তেওঁলোকৰ সমাজত বিবাহৰ উপযুক্ত বুলিয়েই নাভাবে।

তেওঁলোকে মায়াপুৰত শুনিছে গাভৰু কাল পোৱাৰ আগতেই হেনো ৰাণী চন্দ্রপ্রভাৰ বিয়া হৈছিল। এনে নিয়ম তেওঁলোকৰ সমাজত নাই। নাৰীক ইচ্ছা কৰিলেই কোনো পুৰুষে অত্যাচাৰ কৰিব নোৱাৰে— ত্যাগো কৰিব নোৱাৰে। ঐশ্চর্য বিভূতি হয়তো তিৰাশাসকলৰ অধিক নাই, কিন্তু তেওঁলোকৰ সমাজত অনুশাসন আছে। সমাজৰ মুখিয়ালসকলে সমঅধিকাৰৰ দৃষ্টিৰে বিচাৰ কৰে। একপক্ষীয় বিচাৰেৰে তেওঁলোকৰ সমাজত কোনো নাৰীয়ে কেতিয়াও শাস্তি পোৱা নাই।

'আমি ক্ষমা কৰিব জানো।'

মনে মনে নিজকে কৈছে সাধুকুমাৰেও।

'আমাৰ সমাজে সাধাৰণ অপৰাধ কৰাজনক, হৃদয়জনিত কাৰণত কোনো নিয়ম ভংগ কৰাজনক প্রায়শ্চিত্তৰ বিধান দি ৰাইজক ভোজভাত খুৱাই সমাজৰ এজন হৈ পৰাৰ সুযোগ দিয়ে। কিন্তু নিজকে আর্য নৰপতি বুলি অহংকাৰ কৰা প্রতাপচন্দ্রই কোন বিবেচনাৰে নিৰপৰাধী চন্দ্রপ্রভা আৰু সাধুকুমাৰক আত্মপক্ষ সমর্থনৰ কোনো সুযোগ নিদি একপক্ষীয় বিচাৰেৰে শাস্তি দিব পাৰিলে? এয়া কেনে বিচাৰ? কেনে পৌৰুষ? কেনে বীৰত্ব? নিজৰ প্রিয়তমা পত্নীক মিছা সন্দেহত কেনেকৈ ত্যাগ কৰিব পাৰে প্রজাপালক ৰজাই? এই মানসিকতাৰে তেওঁ কেনেকৈ প্রজাক পালন কৰিব?'

নিশাৰ শেষ প্রহৰৰ ব্রহ্মপুত্রৰ মাজবুকুত ফা মহাদেৱৰ নামত শপত খাইছে সাধুকুমাৰে—

'মই ৰাখিম ৰজা প্রতাপচন্দ্র, তোমাৰ মহিষীক মোৰ ৰাজ্যত সন্মানেৰে মূৰত তুলি ৰাখিম। তোমাৰ ৰাজ্যত পোৱা শোক মই মোৰ ৰাজ্যত পাহৰাই পেলাম। প্রতাপপুৰ আৰু মায়াপুৰৰ ৰাজঐশ্বর্য গোভাত নাথাকিব পাৰে। কিন্তু গোভাত মৰম আছে। সৰলতা আছে। বিশ্বাস আছে। আস্থা আছে। তাত মানুহ আছে। তোমাৰ অহংকাৰৰ পৰাজয় হ'ব ৰজা প্রতাপচন্দ্র। গোভাৰজা সাধুকুমাৰে তোমাক হৰুৱাই দিব।'

'দেওৰাজা।'

চন্দ্রপ্রভাৰ নাৱৰ পৰা দেহৰক্ষী এজনৰ চিঞৰ ভাঁহি আহিল—

'ৰাণীদেউ ঢলি পৰিছে। মাতিলেও মাত নিদিয়ে।'

নাৱে নাৱে জপিয়াই চন্দ্রপ্রভাৰ নাও পালেগৈ সাধুকুমাৰ। ছৈৰ তলত জ্ঞান হেৰুৱাই শুই পৰিছিল চন্দ্রপ্রভা। সাধুকুমাৰ গৈ ওচৰত বহিল।

নির্নিমেষ দৃষ্টিৰে কিছু সময় চন্দ্রপ্রভাৰ ম্লান মুখখনলৈ চাই থাকিল। তাৰ পিচত নিজৰ ভাষাত ক'লে—

'পানী অলপ দে। চকুত দিলে সাৰ পাব। বহুত কষ্ট পালে— সেইকাৰণে এনে

হৈছে কিজানি।'

কোনোবা এজনে পানীভৰা বাঁহৰ চুঙা এটা আনি দিলেহি। হাতত অলপ পানী লৈ চন্দ্রপ্রভাৰ চকুত ছটিয়াই দিলে সাধুকুমাৰে।

চন্দ্রপ্রভা জিকাৰ খাই উঠিল। তাৰ পিচত লাহে লাহে চকু মেলি চালে। বিভ্রান্তিৰ পৰা মুক্ত হওঁতে অলপ সময় লাগিল চন্দ্রপ্রভাৰ। তাৰ পিচত অস্বস্তিৰে উঠি বহিল। ভয়ে ভয়ে চাই থাকিল সাধুকুমাৰৰ চকুলৈ।

কি কৰিব খুজিছে সাধুকুমাৰে? কি কৰি আছিল তাইৰ ওচৰত? প্রতাপচন্দ্রই জাপি দিয়া অধিকাৰ সাব্যস্ত কৰিবলৈ আহিছে নেকি সাধুকুমাৰ? ব্রহ্মপুত্রৰ বুকুতেই কাঢ়ি লৈ যাব খুজিছে নেকি চন্দ্রপ্রভাৰ নাৰীত্বৰ মর্যাদা?

'আপুনি শুই থাকক ৰাণীদেউ। আপুনি অসুস্থ। নাৱত কল আছে, টোপোলা ভাত আছে, পানী আছে। পাৰিলে অলপ খাওক। শক্তি পাব। মই বাহিৰত বহোঁগৈ। প্রয়োজন হ'লে মাতিব।'

পানীভৰা বাঁহৰ চুঙাটো চন্দ্রপ্রভাৰ ওচৰত, ছৈত আওজাই থৈ সাধুকুমাৰ ওলাই আঁহিল।

স্বস্তিৰ নিশ্বাস পেলাই আকৌ শুই পৰিল চন্দ্রপ্রভা।

তেতিয়া ৰাতি পুৱাইছিল।

৮

'মই বিশ্বাস নকৰো মাধীবাই। এইবোৰ কথা সঁচা হ'ব পাৰে নেকি? ব্ৰহ্মপুত্ৰই ৰজাক সপোন দেখুৱাই ৰাণী আইদেউক খুজিব পাৰে নেকি? আৰু খুজিলেই যেনিবা— ৰজাদেৱে সেইবুলি এনে গোসাঁনীহেন ৰাণী আইদেউক ব্ৰহ্মপুত্ৰক দি দিব নেকি?' উত্তেজিত আৰু উচ্চ কণ্ঠেৰে কৈ উঠিল ৰাণী চন্দ্ৰপ্ৰভাৰ মূল দাসী বকুলীয়ে।

প্ৰতাপপুৰৰ ৰাজধানীৰ পৰিবেশ গোমা হৈ পৰিছে। ৰাইজৰ মনত দুখেই দুখ। ৰজা প্ৰতাপচন্দ্ৰ মায়াপুৰৰ পৰা আহি প্ৰতাপপুৰৰ ৰাজহাউলিত প্ৰৱেশ কৰা একপ্ৰহৰো হোৱা নাই— ৰাজধানীত, হয়তো সমগ্ৰ ৰাজ্যতে প্ৰচাৰ হৈ গৈছে চন্দ্ৰপ্ৰভা যে মায়াপুৰৰ পৰা উভতি অহা নাই। চন্দ্ৰপ্ৰভাক হেনো নৈৰ পানীযুঁৱলিত ৰৈ থাকোতে ব্ৰহ্মপুত্ৰই টানি লৈ গৈছিল। তাৰ পিচত ব্ৰহ্মপুত্ৰই ৰজা প্ৰতাপচন্দ্ৰক সপোনত দেখা দি ৰাণী চন্দ্ৰপ্ৰভাক ব্ৰহ্মপুত্ৰত অৰ্পণ কৰিবলৈ আদেশ দিছে। যদি আদেশ অমান্য কৰে তেনেহ'লে ব্ৰহ্মপুত্ৰই প্ৰতাপসিংহৰ ৰাজ্য চাৰখাৰ কৰি পেলাব। ৰাইজৰ মংগলৰ অৰ্থে সেয়েহে প্ৰতাপচন্দ্ৰই প্ৰাণাধিকা পত্নীক ব্ৰহ্মপুত্ৰত বিসৰ্জন দিবলৈ বাধ্য হ'ল।

ৰজাৰ কাৰ্যত প্ৰজাৰ অসন্তুষ্টি ৰোধ কৰিবলৈ এই কাহিনী মহামন্ত্ৰী সগৰেই ৰজাৰ সম্মতিসাপেক্ষে প্ৰচাৰ কৰিছে। চন্দ্ৰপ্ৰভা পানীত পৰিছিল। এই কথা সকলোৱে বিশ্বাস কৰিছে। কাৰণ ৰজাৰ লগত যোৱা বেছিভাগ লোকেই চন্দ্ৰপ্ৰভাক পানীত পৰা দেখিছিল। তেওঁলোকে সেই কথা নিজমুখে কৈছে। চন্দ্ৰপ্ৰভাক ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়া কথাটো তেওঁলোকে কিন্তু কোৱা নাই। কৈছে মহামন্ত্ৰী সগৰে। আহিয়েই ৰাজসভা আহ্বান কৰি সেই কথা সকলোৰে অৱগত কৰিছে মহামন্ত্ৰী সগৰে। বনজুইৰ দৰে বিয়পি গৈছে কথাটো। অনেকেই কথাটো বিশ্বাস কৰিছে। অনেকেই কৰা নাই। নানা মুখ বাগৰি বাগৰি এই কথাৰ লগত আৰু অনেক কথা যোগ হৈছে। বাটে-ঘাটে, মেলে-হাটে ৰাণী চন্দ্ৰপ্ৰভাৰ কথাই এতিয়া আলোচিত হৈছে।

ৰাজগৃহ কিন্তু স্তব্ধ।

দাস-দাসীসকলৰ মাজত নিম্নস্বৰত আলোচনা হ'লেও কোনেও ডাঙৰ মাতেৰে মন্তব্য দিবলৈ বা দুখ কৰিবলৈ সাহস কৰা নাই। ৰজা প্ৰতাপচন্দ্ৰৰ আচৰণ, অভিব্যক্তিয়ে

স্পষ্ট কৰি তুলিছে— মহামন্ত্রীয়ে প্রচাৰ কৰা কথাবোৰৰ আঁৰত আৰু কিবা কথা আছে। কোনেও নাজানে সেইকথা কি হ'ব পাৰে। ৰোষত আৰু দোষত পৰাৰ ভয়ত সকলো মনে মনে আছে।

বকুলীৰ বাহিৰে।

বকুলী চন্দ্রপ্রভাৰ লগত মায়াপুৰলৈ গৈছিল। চন্দ্রপ্রভা পানীত পৰা, তাৰ পিচত গোভাৰ ৰজাই পানীৰ পৰা উঠোৱালৈকে লগে লগে আছিল। তাৰ পিচত চন্দ্রপ্রভাক ৰাজগৃহৰ শয়নকক্ষলৈ লৈ যোৱা হ'ল। তেতিয়াও বকুলী লগত আছিল। ৰজা প্রতাপচন্দ্রৰ ক্রোধত আৰক্ত মুখখন বকুলীয়ে দেখিছিল।

তাৰ পিচত মন্ত্রী সগৰৰ নির্দেশত সকলোকে তাৰ পৰা আঁতৰাই নিয়া হ'ল। বন্ধ কৰি দিয়া হ'ল সেই অংশলৈ যাব পৰা চেগুণ কাঠৰ প্রকাণ্ড দুৱাৰখন।

সকলোকে নিজৰ নিজৰ কোঠাত সোমাই থাকিবলৈ নির্দেশ দিয়া হ'ল। তথাপিও বকুলী বাহিৰত আছিল। তাই এনেয়ো ভয়-ভীতহীন ছোৱালী। চন্দ্রপ্রভাক প্রাণভৰি ভাল পায় বকুলীয়ে।

সেয়েহে বকুলীয়ে নিষেধ নামানি ইফালে সিফালে ঘুৰি চন্দ্রপ্রভাৰ বার্তা লৈ ফুৰিছিল। ৰাজগৃহৰ ভিতৰত আহি গোটখোৱা সৈন্যবোৰ দেখি তাইৰ বুকুখন অজান আশংকাত কঁপি উঠিছিল। ৰাণী চন্দ্রপ্রভাৰ কোনো অপায় অমংগল নহ'লে বাবা বিশ্বনাথক পূজা দিয়াৰ মানসো কৰিছিল বকুলীয়ে। তাৰ পিচত কি হ'ল বকুলীয়ে নাজানে। মহামন্ত্রী সগৰৰ প্রচণ্ড ডাবিত মূল দুৱাৰৰ ওচৰৰ পৰা ফৰিং ছিটিকাদি পলাই আহিছিল দাসী বকুলী।

সেয়েহে এই অদ্ভুত কাহিনী বকুলীয়ে বিশ্বাস কৰা নাই। অৱশ্যে তাই কাকো একো কোৱা নাছিল। ৰাজমাতাই মাঘীবুঢ়ীক প্রকৃততে কি হৈছিল জানিবলৈ পঠিওৱা কাৰণেহে কৈছে। কিন্তু কৈ থাকোতে উত্তেজিত হৈ উঠিছে বকুলী। দুখ, খং, নিৰুপায়তা একেলগ হৈ কান্দোন হৈ ওলাই আহিব খুজিছে।

'মনে মনে,— মনে মনে ক' বকুলী— কোনোবাই শুনিব লাগিলে বেয়া হ'ব। নাকান্দিবি, মাঘীবুঢ়ীয়ে ভয়ে ভয়ে কৈ উঠিল।

মাঘীবুঢ়ীৰ কথা শুনি বকুলী জ্বলিপকি উঠিল।

'মই কাক ভয় কৰিম? ৰজাই কাটিলে কাটক— খেদিলে খেদক— এইখন পাপ লগা ৰাজহাউলীত বকুলী আৰু নাথাকেও।'

'বকুলী— শপত দিছো আৰু নকবি— ক'ৰবাৰ পৰা কিবা হ'বগৈ। আমি সৰু মানুহ। ৰজা বিষয়াৰ কথাত সোমাই আমি কি কৰিম? তই গাভৰু হৈ আছ, সেয়েহে এনেকৈ ক'ব পাৰিছ। মই দেখি দেখি চুলি পকালো। মই নকওঁ নহয়। নক'বি বুজিছ—

যি জান— যি দেখিছ— কাকো একো নক'বি। ব'ল আমি আইমাতৃৰ ওচৰলৈ যাওঁ। তেওঁকেই কবিগৈ যি ক'বলৈ আছে। তেৱোঁ অধৈর্য হৈ আছে। তই কিন্তু আৰু কাকো একো নক'বিদেই বকুলী।' বকুলীক বুজাই বুজাই শান্ত কৰি লগত লৈ মাঘীবুঢ়ী ৰাজমাতা যজ্ঞৱতীৰ শয়নকক্ষ পালেগৈ।

শয়নকক্ষত অস্থিৰ হৈ মাঘীবুঢ়ীলৈ অপেক্ষা কৰি আছিল ৰাজমাতাই।

চন্দ্রপ্রভাক ব্রহ্মপুত্রক উচৰ্গা কৰাৰ বার্তা পাই হতভম্ব হৈ পৰিছে যজ্ঞৱতী। আন বহুতৰ দৰেই তেৱোঁ এই কথা বিশ্বাস কৰা নাই। সুধিবলৈ পুত্রকো লগ পোৱা নাই। দুর্ঘোৰ নিচাত অর্ধচেতন প্রতাপচন্দ্র ৰাজহাউলিত প্রৱেশ কৰিয়েই শুই পৰিছে।

আনকালে ৰাজধানীৰ বাহিৰলৈ গ'লে উভতি আহিয়েই মাকক দেখা কৰিবলৈ আহে প্রতাপচন্দ্র। এইবাৰ ব্যতিক্রম ঘটিছে। প্রতাপচন্দ্রই কেতিয়াবাই সাৰ পাইছে বুলি খবৰ পাইছে ৰাজমাতাই। কিন্তু এতিয়ালৈকে তেওঁ কক্ষৰ বাহিৰ ওলোৱা নাই। অধৈর্য হৈ সকলো কথা জানিবলৈ আটাইতকৈ বিশ্বস্ত দাসী বৃদ্ধা মাঘীবুঢ়ীক বকুলীৰ ওচৰলৈ পঠিয়াইছে।

মাঘীবুঢ়ী আৰু বকুলী সোমাই আহি সেৱা জনালেহি। যজ্ঞৱতীয়ে মুখৰ পৰা উৎকণ্ঠাৰ চিন মচি পেলাই স্বাভাৰিক গম্ভীৰ কণ্ঠেৰে ক'লে—

'কি হৈছিল, পোনে পোনে ক' বকুলী। এটাও কথা নুলুকুৱাবি।'

বকুলীয়ে ক'লে।

চকুৰ পলক নেপেলোৱাকৈ কথাবোৰ শুনিলে ৰাজমাতা যজ্ঞৱতীয়ে। শুনি শুনি তেওঁৰ উৎকণ্ঠিত মুখখন গম্ভীৰ হৈ গ'ল। বহুত সময় মনে মনে বহি থাকি কান্দি থকা বকুলীলৈ চাই ধীৰভাৱে ক'লে—

'এইবোৰ কথা কাকো নক'বি বকুলী। এইবোৰ কথা বাহিৰত প্রচাৰ হ'লে ৰাজমর্যাদা নষ্ট হ'ব। ৰাজ্যৰ অনুশাসন দুর্বল হৈ পৰিব। তই বুজন ছোৱালী। মনৰ কথা মনতে সামৰি থ।' তাৰ পিচত যজ্ঞৱতীয়ে মাঘীবুঢ়ীলৈ চাই ক'লে—

'ৰামচন্দ্রক মই মাতিছো বুলি ক'বলৈ কৱোবাক পঠিয়া মাঘী।'

মাঘীয়ে কিবা কোৱাৰ আগতেই দাসী এজনী সোমাই আহিল—

'মহামন্ত্রী সগৰদেৱে আপোনাৰ সাক্ষাৎ বিচাৰিছে আইমাতৃ।'

মহামন্ত্রী সগৰক দেখা কৰি ৰাজমাতা যজ্ঞৱতী যেতিয়া উভতি আহিছে তেতিয়া তেওঁৰ শয়ন কক্ষত বহি আছিল প্রতাপচন্দ্র।

দেখিলেই বুজা যায় অনেক যন্ত্রণা, অনেক অসংযম, অনিয়মৰ ধুমুহা পাৰ হৈ

গৈছে তেওঁৰ ওপৰেদি। দীর্ঘদিনীয়া অভ্যাসৰ কাৰণে কাপোৰসাঁজ আৰু মূৰৰ চুলি পৰিপাটী হৈ থাকিলেও মুখখনত নাই কোনো মসৃণতা। নাই ৰজাসুলভ উজ্জ্বলতা। লালিত্য।

এখন ক্লান্ত আৰু অসুস্থ যেন লগা মুখ। এযোৰ নিদ্রাহীন আৰু নিচাগ্রস্ত যেন লগা চকু। শুকান এযোৰ ওঁঠ।

বহাৰ ভংগীমাত, মুখৰ অভিব্যক্তিত ফুটি উঠিছে স্পষ্ট ক্লান্তি আৰু ঔদাসীন্য। ফুটি উঠিছে সুগভীৰ নিঃসংগতা আৰু বিভ্রান্তি।

দুর্বাৰ ক্রোধ আৰু ঈর্ষাৰ লগতে প্রতিশোধ স্পৃহাত উন্মাদ হৈ উঠা প্রতাপচন্দ্র এতিয়া নাই। ৰাজ্য আহি পোৱাৰ পিচত লাহে লাহে উষ্মা শাম কাটিছে। অনেক স্মৃতিয়ে আহি আমনি কৰিবলৈ আৰম্ভ কৰিছে। পাৰ হৈ যোৱা ঘটনাবোৰে খুন্দিয়াবলৈ আৰম্ভ কৰিছে কলিজাৰ মূলকোঁহটোত।

আস্। মহিষী!

কি মলিন, কি স্তব্ধ যেন লাগিছিল মুখখন। ব্রহ্মপুত্রৰ পানী খাই অসুস্থ হৈ পৰা চন্দ্রপ্রভাক ৰাজগৃহলৈ ওভতাই অনাৰ পিচত যেতিয়া শয্যাত শুই থকা চন্দ্রপ্রভাৰ ওচৰত থিয় হৈছিল প্রতাপচন্দ্র— কি ক্লান্ত যেন লাগিছিল তেওঁৰ চকুযোৰ।

সেই চকুযোৰত কোনো অপৰাধবোধ, কোনো শংকা দেখিছিলনে প্রতাপচন্দ্রই? দেখিছিলনে পৰপুৰুষত আসক্ত কোনো নাৰীৰ কলুষ? মালিন্য?

তেতিয়াতো দেখা যেনেই লাগিছিল। এতিয়া কিয় দেখা নাই, দেখা নাই লাগিছে?

প্রতাপচন্দ্রক দেখি উঠি বহিব খুজিছিল মহিষী। ক্লান্ত কণ্ঠেৰে কৈছিল—

'মোক বেয়া পাইছে নহয়? মই কিন্তু সঁচাকৈয়ে অধিক দূৰলৈ যোৱা নাছিলো। সেইখিনিতে যে ইমান দ' মই জনাই নাছিলো।'

চন্দ্রপ্রভাৰ কথা শুনি প্রতাপচন্দ্রৰ মনৰ ভিতৰত জ্বলি থকা ঈর্ষা আৰু সন্দেহৰ দাবানল দুগুণ তেজেৰে জ্বলি উঠিছিল।

সশব্দ ধিক্কাৰত চন্দ্রপ্রভাক থকা-সৰকা কাৰ পেলাইছিল প্রতাপচন্দ্রই। চন্দ্রপ্রভাৰ ওপৰত থকা অধিকাৰ সম্পূর্ণৰূপে সাব্যস্ত কৰিছিল আঘাতৰ পিচত আঘাতেৰে।

মনত পৰিছে।

এতিয়া মনত পৰিছে— কি গভীৰ আশ্চর্য ফুটি উঠিছিল চন্দ্রপ্রভাৰ চকুত।

প্রতাপচন্দ্রৰ আঘাতৰ পৰা নিজৰ ৰক্ষা কৰিবৰ তিলমাত্রও চেষ্টা নকৰি অবাক হৈ চাই আছিল। চাই আছিল। চায়েই আছিল।

তাৰ পিচত কান্দোনত ভাগি পৰিছিল।

প্রতিবাদৰ এটাও শব্দ উচ্চাৰণ কৰা নাছিল চন্দ্রপ্রভাই। নিজক সমর্থন কৰিবলৈ এটাও শব্দ কোৱা নাছিল। প্রতাপচন্দ্রই হেজাৰবাৰ ক্ষমা খুজিবলৈ কোৱাৰ পিচতো

এটাও কথা কোৱা নাছিল চন্দ্রপ্রভাই। তেওঁ মাত্র কান্দিছিল আৰু কান্দিছিল।

সেই চকুপানীয়ে নুমুৱাব পৰা নাছিল প্রতাপচন্দ্রৰ বুকুত দাউদাউকৈ জ্বলি থকা প্রতিহিংসা, আক্রোশ, ঈর্ষা, অবিশ্বাসৰ অগ্নিকুণ্ড। বৰঞ্চ দুগুণে জ্বলিহে উঠিছিল। চন্দ্রপ্রভাক আৰু গোভাৰজাক কাটি খণ্ড খণ্ড কৰি পেলোৱাৰ তীব্র ইচ্ছাই তেওঁৰ হাতত নাচিবলৈ আৰম্ভ কৰিছিল। মন্ত্রী সগৰৰ বাধা নোপোৱা হ'লে সেই দুই অবিশ্বাসী নাৰী-পুৰুষৰ দেহ খণ্ড খণ্ড হৈ ব্রহ্মপুত্রৰ বুকু ৰাঙলি কৰি মাছৰ খাদ্য হ'লহেঁতেন।

সগৰে তেওঁৰ হাতৰ পৰা তৰোৱালখন লৈ গ'ল। তেওঁক জোৰ কৰি আঁতৰাই লৈ গ'ল কাষৰ কোঠালৈ। হত্যাৰ সংকল্প ত্যাগ কৰি নির্বাসনৰ সিদ্ধান্ত ল'বলৈ সৈমান কৰালে প্রতাপচন্দ্রক।

প্রতাপচন্দ্রই ভাবিছিল এই সিদ্ধান্ত শুনি মহিষী ভাগি পৰিব। পুৰুষবর্জিতা নাৰী হৈ জীয়াই থাকিব নুখুজি তেওঁৰ ভৰিত পৰিবহি।

কিন্তু চন্দ্রপ্রভা নাহিল।

আহিব আহিব বুলি ৰৈ থাকোতে মদৰ নিচাত শুই পৰিল প্রতাপচন্দ্র। চন্দ্রপ্রভা তাৰ মাজতে গুচি গ'ল। সেই অনাচাৰী, অনার্য গোভা ৰজাৰ লগত গুচি গ'ল।

বিদ্রূপ কৰি, উপেক্ষা কৰি গুচি গ'ল নিজৰ স্বামীদেৱতা, প্রবল প্রতাপী আর্যপুত্র প্রতাপচন্দ্রৰ শক্তি আৰু ঐশ্বর্যক।

প্রতাপচন্দ্রই যেতিয়া সাৰ পাইছিল তেতিয়া দুপৰীয়া।

লুইতৰ বালিচৰ তেতিয়ালৈ উদং হৈ পৰিছে। গুচি গৈছে সকলো আমন্ত্রিত অতিথি আৰু প্রজা।

পৰি আছে মাত্র উৎসৱ শেষৰ বিশৃংখলা। শূন্য শিবিৰবোৰ।

কাকো একো সোধা নাছিল প্রতাপচন্দ্রই। প্রতাপচন্দ্রকো কোনেও একো কোৱা নাছিল। কোনোবাই তেওঁক দিনৰ আহাৰ যতনাই দিছিল— কোনোবাই যতনাই দিছিল স্নানৰ সৰঞ্জাম।

চন্দ্রপ্রভাৰ শয়নকক্ষৰ ওচৰেৰে আহোতে যাওঁতে বুকুখন ধক্ ধক্‌কৈ উঠিছিল প্রতাপচন্দ্রৰ। খোৱা-বোৱাৰ পিচত সুস্থিৰ হৈছিল প্রতাপচন্দ্র। মদৰ নিচা কমি যোৱা কাৰণে আৰু ৰ'দৰ পোহৰত বাস্তৱতাক উপলব্ধি কৰিব পৰা কাৰণে মানসিকভাৱে দুর্বল হৈ পৰিছিল।

চন্দ্রপ্রভাৰ প্রতি জন্ম হোৱা বিদ্বেষৰ দেৱালত যেন ফাঁট মেলিবলৈ আৰম্ভ কৰিছিল। প্রতাপচন্দ্র যেন দ্বিধাগ্রস্ত হৈ পৰিছিল। কাকো একো সুধিব নোৱাৰি অস্থিৰ হৈ উঠিছিল প্রতাপচন্দ্র। তেনে সময়তে মন্ত্রী সগৰ আহি যাত্রাৰ সময় হোৱা বুলি জনাইছিলহি।

ৰাজকীয়ভাৱে সজোৱা হাতীৰ পিঠিত উঠিবলৈ গৈ প্রতাপচন্দ্র যেন থমকি ৰৈছিল।

অবাক হৈ ওচৰ-পাঁজৰৰ হাতীবোৰলৈ চাইছিল, কিছু দূৰৈত থিয় হৈ থকা দাসী বকুলীলৈ চাইছিল।

মহিষী ক'ত? মহিষী?

'উঠক ঈশ্বৰপুত্ৰ, যাত্ৰাৰ শুভলগ্ন পাৰ হৈ যাব।' মহামন্ত্ৰীৰ কথা শুনি তেওঁৰ মুখলৈও অবাক হৈ চাইছিল প্ৰতাপচন্দ্ৰই। তাৰ পিচত হঠাতে— হঠাতে— তেওঁ সত্যটো উপলব্ধি কৰিছিল।

চন্দ্ৰপ্ৰভা নাই। গোভাৰাজ সাধুকুমাৰৰ হাতত সঁপি দিয়া হৈছে চন্দ্ৰপ্ৰভাক।

কিমান নিঃসংগ— কিমান যন্ত্ৰণাদায়ক আছিল সেই উভতনি যাত্ৰা। পত্নীৰ প্ৰতি ঘৃণা আৰু অবিশ্বাস আৰু আনফালে তীব্ৰ ভাল পোৱাৰ টনা-আঁজোৰাত তেওঁৰ মনটো যন্ত্ৰণাৰে ক্ষত-বিক্ষত হৈছিল।

'ৰামচন্দ্ৰ।'

ৰাজমাতাৰ মাতত যেন উচপ খাই উঠিল ৰজা প্ৰতাপচন্দ্ৰ। তেওঁ অপৰাধী আৰু তলতীয়া মানুহৰ দৰে তৎক্ষণাৎ থিয় হ'ল। তাৰ পিচত মাকৰ মুখলৈ চাই জোৰ কৰি হাঁহি এটা ফুটাই তুলি ক'লে—

'আপুনি মোক মাতিছিল আইমাতৃ।'

'মাতিছিলো ৰামচন্দ্ৰ— ব'হা— তোমাক খুব ক্লান্ত যেন লাগিছে।'

প্ৰতাপচন্দ্ৰ বহিল। তলমুৰ কৰি ৰৈ থাকিল মাকৰ পৰা আহিব পৰা আৱশ্যম্ভাৰী প্ৰশ্নটোলৈ।

ৰাজমাতাই তলমুৰকৈ বহি থকা পুত্ৰ ৰামচন্দ্ৰৰ মুখলৈ চালে। এই পুৰুষক কিবা সুধি লাভ আছেনে? পত্নীক হেৰুৱাই বিপৰ্যস্ত হৈ পৰা এই পুৰুষক?

দেখিলেই গম পায়— পত্নীক বিসৰ্জন দি সুখী হোৱা নাই ৰামচন্দ্ৰ। ভাগি পৰিছে।

নিজৰ পুত্ৰক চিনি পায় ৰাজমাতাই। চন্দ্ৰপ্ৰভাৰ প্ৰতি প্ৰতাপচন্দ্ৰৰ আকৰ্ষণ আৰু অধিকাৰবোধৰ আধিক্য তেওঁ দেখিছে। অত্যন্ত আৱেগিক, আৱেগৰ মুহূৰ্তও বিবেচনা হেৰুৱাই পেলোৱা পুতেকৰ বিবেচনা ঘূৰি অহাৰ পিচত কেনে মানসিক সংঘাত হ'ব পাৰে সেই কথা ৰাজমাতা যজ্ঞৱতীয়ে ধাৰণা কৰিব পাৰে।

নিজৰ পত্নীক অনাহক সন্দেহত বিসৰ্জন দিয়া এই অবিবেচক পুৰুষক ক্ষমা কৰিব পাৰিনে? শুনাব পাৰিনে শান্ত্বনাৰ বাণী? দিব পাৰিনে সমৰ্থন?

নোৱাৰি— নোৱাৰি—

ৰাজমাতাৰ অন্তৰাত্মাই বিদ্ৰোহ কৰি উঠিল। সন্তানসম্ভৱা বধূমাতা চন্দ্ৰপ্ৰভাৰ শান্ত, সৰল পোহৰ পোহৰ মুখখন মনত পৰি দুখত আকুল হৈ উঠিল ৰাজমাতা।

মহামন্ত্ৰী সগৰে তেওঁক সকলো কথা কৈছে। সগৰক তীক্ষ্ণ ধিক্কাৰেৰে জৰ্জৰিত

কৰিছে ৰাজমাতাই।

'কিয় কৰিলা এনে কাম মহামন্ত্রী সগৰ? কিয় মোৰ ৰাজ্যলক্ষীক অনাহকত বিসর্জন দি আহিলা?'

'মই নিৰুপায় হৈ পৰিছিলো আই মাতৃ। সম্ভাব্য যুদ্ধ, ৰক্তপাত আৰু অপযশ ৰোধ কৰিবলৈ আন একো উপায় নাছিল।'

'উপায় নাছিল? কিয় উপায় নাছিল? সহস্রবাৰ জটিল ক্ষণত তোমাক সুন্দৰ সমাধান বিচাৰি উলিওৱা মই দেখি আহিছো মহামন্ত্রী। এজন বিচক্ষণ ৰাজনীতিক হৈও তুমি নিষ্পাপ ৰাজৰাণীক ৰক্ষা কৰিব নোৱাৰিলা? অচিন অজান ৰজা এজনৰ লগত অচিন অজান দেশলৈ পঠিয়াই দিলা? নিজৰ ৰাজ্য ৰক্ষা কৰিবলৈ? অন্যান্য ৰজাসকলৰ লগত ৰাজনৈতিক সম্পর্ক ভালে ৰাখিবলৈ? এয়া কেনে ৰাজনীতি মহামন্ত্রী? বীৰ ক্ষত্রিয়ৰ বাবে ই ধিক্কাৰজনক। মাতৃদুগ্ধৰ শপত খাই ক্ষত্রিয়ই ৰণলৈ ওলায়। নাৰীক শক্তি ৰূপত, বিদ্যা ৰূপত, লক্ষীৰূপত পূজা কৰে— সেই ক্ষত্রিয়ই কেনেকৈ অপমান কৰিব পাৰে মর্যাদাময়ী ৰাজৰাণীক? তোমাৰ অসি ক'ত আছিল? এই ৰাজ্যৰ সৈন্যবোৰ ক'ত আছিল? উন্মত্ত ৰজাক বন্দী কৰি ৰাজ্যলৈ উভতাই নানিলা কিয়? মদৰ পাত্র তুলি দি কিয় আৰু বেছি উন্মত্ত কৰি তুলিলা?'

'মই ৰজাৰ অনুগত অধস্তন আইমাতৃ। ৰাজআদেশ উলংঘন কৰাৰ ধৃষ্টতা মোৰ নাই। কষ্ট মোৰো হৈছে আইমাতৃ। কিন্তু মই নিৰুপায়। ৰাণী আইদেউৰ প্রাণদণ্ড মই যেনেকৈয়ে নহওক ৰোধ কৰিছো। ৰোধ কৰিছো সম্ভাব্য ৰাজনৈতিক দুর্যোগ। পৌৰুষ আৰু মানৱীয় কর্তব্যত যি ত্রুটি আপুনি বিচাৰি পাইছে সেই ত্রুটি মই স্বীকাৰ কৰিছো। এই অপৰাধৰ কিবা শাস্তি দিলে শিৰপাতি ল'ম।' মহামন্ত্রী সগৰে দীঘলীয়াকৈ ব্যাখ্যা কৰিছিল চন্দ্রপ্রভাৰ নির্বাসনৰ সিদ্ধান্তৰ সকলো কাৰণ।

সেই যুক্তিসমূহ মানি ল'লেও অন্তৰেৰে স্বীকাৰ কৰিব পৰা নাই ৰাজমাতাই। মহামন্ত্রী সগৰ আৰু নিজপুত্র ৰামচন্দ্রৰ প্রতি প্রচণ্ড ক্ষোভ বুকুত লৈ নিজকক্ষলৈ উভতি আহিছে।

'নিজৰ অবিবেকী সিদ্ধান্তত তুমি এতিয়া দ্বিধাগ্রস্ত নহয়নে পুত্র?'

ৰাজমাতাৰ প্রশ্নটো যেন শান দিয়া শেলৰ দৰে ৰজা প্রতাপচন্দ্রক শালি পেলালেহি। প্রচণ্ড অবাক হৈ মাকলৈ মুৰ তুলি চালে প্রতাপচন্দ্রই।

এয়া কেনে প্রশ্ন?

কি ভয়ংকৰ প্রশ্ন!

প্রতাপচন্দ্রই অপেক্ষা কৰি আছিল মাকৰ ধিক্কাৰলৈ অথবা প্রশংসালৈ। কিন্তু তাৰ সলনি এয়া কি প্রশ্ন?

ক'ত পালে গৃহাবদ্ধ ৰাজবধূৰে এনে অন্তর্দৃষ্টি? ইয়াকেই কয় নেকি মাতৃত্ব?

এয়াই নেকি নাৰীৰ প্ৰকৃতিয়ে দিয়া অতিৰিক্ত শক্তি?

'আপোনাৰ এনে ধাৰণাৰ কাৰণ কি আইমাতৃ?' মনৰ কথা প্ৰশ্ন হৈ ওলাই আহিল।

'মই তোমাৰ মাতৃ হওঁ পুত্ৰ। তোমাৰ মনত কি চলি আছে— মই নুবুজিলে কোনে বুজিব? কোৱা— মই যি কথা কৈছো সঁচা নহয়নে?'

প্ৰতাপচন্দ্ৰ অলপ সময় মনে মনে থাকিল তাৰ পিচত ক্লান্ত স্বৰেৰে ক'লে—

'মই দ্বিধাগ্ৰস্ত হয়তো নহয় আইমাতৃ— কিন্তু যন্ত্ৰণাত দগ্ধ।'

'যন্ত্ৰণাত দগ্ধ। তাৰ অৰ্থ তুমি দ্বিধাগ্ৰস্ত ৰামচন্দ্ৰ। এই দ্বিধা তোমাৰ মনৰ গভীৰৰ পৰা আহিছে। চন্দ্ৰপ্ৰভা কেনে নাৰী তুমি জানো নাজানা? চন্দ্ৰপ্ৰভাৰ দ্বাৰা ব্যভিচাৰ জানো সম্ভৱ? তুমি তোমাৰ অত্যধিক ভাল পোৱাৰ বলি হৈ, অতি আৱেগিক হৈ ভুল সিদ্ধান্ত ল'লা ৰামচন্দ্ৰ। ভুল।'

'ভুল বুলি আপুনি কেনেকৈ ক'ব পাৰে আইমাতৃ? মই নিজ চকুৰে তেওঁলোকৰ অন্তৰংগতা দেখিছো। ইজনৰ প্ৰতি সিজনৰ আকৰ্ষণ আৰু দুৰ্বলতা দেখিছো—

'সেয়া তোমাৰ দৃষ্টিৰ ভ্ৰম।' প্ৰতাপচন্দ্ৰক আদবাটতে ৰখাই ৰাজমাতাই কৈ উঠিল—

'মই নিশ্চিত পুত্ৰ— তোমাৰ দৃষ্টি ভুল। সিদ্ধান্ত ভুল। বিশ্লেষণ ভুল। ক্ৰোধ ভুল। তুমি চন্দ্ৰপ্ৰভাক অযথা শাস্তি প্ৰদানৰ অপৰাধত অপৰাধী। তুমি অনাহকত মিছা সন্দেহত, নিজৰ লক্ষীৰ দৰে পত্নীক বিসৰ্জন দিলা পুত্ৰ।'

'আপুনি কেনেকৈ ইমান নিশ্চিত হ'ব পাৰে? আপুনি জানো মায়াপুৰত উপস্থিত আছিল? মহিষীৰ আচৰণ আপুনি জানো দেখিছিল?'

'নেদেখিব পাৰো— মায়াপুৰত মই উপস্থিত নাথাকিব পাৰো— কিন্তু মই সত্য কি জানো। যি নাৰীয়ে তোমাৰ সন্তান গৰ্ভত ধাৰণ কৰিছে, যি তোমাৰ বংশৰ পুৰুষক পৃথিৱীলৈ আনিবলৈ ওলাইছে—সেই নাৰীয়ে কেনেকৈ নিজৰ মৰ্যাদা নষ্ট কৰিব পাৰে? কেনেকৈ বিশ্বাসঘাটকতা কৰিব পাৰে নিজৰ স্বামীক?'

অবাক হৈ স্তব্ধ হৈ মাকৰ মুখলৈ চাই আছে প্ৰতাপচন্দ্ৰই।

এয়া কেনে সংবাদ? এয়া কি যুক্তি? মহিষী গৰ্ভৱতী আছিল? প্ৰতাপচন্দ্ৰই যেতিয়া পৰপুৰুষৰ লগত সন্দেহত জৰ্জৰিত হৈ ক্ৰোধাৰক্ত দৃষ্টিৰে চন্দ্ৰপ্ৰভাৰ গতিবিধি নিৰীক্ষণ কৰিছিল সেই সময়ত চন্দ্ৰপ্ৰভাৰ গৰ্ভত আছিল প্ৰতাপচন্দ্ৰৰ সন্তান? ৰজা ধৰ্মপালৰ উত্তৰপুৰুষ?

পৰিষ্কাৰ হৈ গৈছে।

সকলো কথা পৰিষ্কাৰ হৈ গৈছে। চন্দ্ৰপ্ৰভাৰ আনন্দ, উচ্চলতাৰ প্ৰকৃত কাৰণ কি বুজি গৈছে প্ৰতাপচন্দ্ৰই। ক্ষুব্ধ ৰাজমাতাই তেতিয়াও কৈ আছিল—

'মই জানিছিলো— এনেকুৱাই কিবা এটা হৈছে। তুমি ভুল কৰিছা ৰামচন্দ্ৰ। মহা ভুল কৰিছা তুমি। তুমি তোমাৰ কুটিল মনেৰে চন্দ্ৰপ্ৰভাক অপবিত্ৰ কৰিছা। এই বংশৰ

ধ্বংস মাতি আনিছা তুমি। শুনা নাই পাণ্ডৱ আৰু কৌৱৱ কুলৰ কথা? অপমানিতা-নিৰপৰাধ দ্রৌপদীৰ হুমুনিয়াহে কেনেকৈ ধ্বংস কৰি পেলালে ঐশ্বৰ্যশালী এখন ৰাজ্য? কেনেকৈ স্তব্ধ হৈ গ'ল এটা বংশধাৰা? আৰ্যপুত্ৰৰ অহংকাৰত মত্ত হৈ তুমি অভিশপ্ত কৰি তুলিলা তোমাৰ নিজৰেই বংশধাৰা। কি অধিকাৰ আছে তোমাৰ এনে কৰিবলৈ? তোমাৰ পত্নী কাৰণেই তুমি মন গ'লে নিজৰপত্নীক শিৰত তুলি থ'বা আৰু মন গ'লেই বিসর্জন দিবা? কি কৰিলা তুমি ৰামচন্দ্ৰ? ৰাজ্যলক্ষ্মীক, বংশৰ পৰৱৰ্তী পুৰুষক জন্মাৰ আগতেই আনৰ হাতত সপি দিলা?'

প্রতাপচন্দ্রই স্তব্ধ হৈ চাই আছিল ক্রোধ আৰু আৱেগত অধীৰ হৈ পৰা মাকৰ মুখলৈ। চাই থাকি থাকি গলি যাব ধৰিছিল প্রতাপচন্দ্র। এটা সময়ত প্রতাপচন্দ্র উঠিল। মাকৰ ওচৰলৈ আহি মাকৰ হাত এখনত দুহাতেৰে ধৰি কম্পিত, ভীৰু ভীৰু কণ্ঠেৰে ক'লে—

'আইমাতৃ— তুমি মোক মানসিক শাস্তি দিবলৈ এই কথা কোৱা বুলি কোৱা। কোৱা এই কথা মিছা। চন্দ্রপ্রভা গর্ভৱতী নাছিল আইমাতৃ। তেনে হোৱা হ'লে মই নিশ্চয় জানিলোহেঁতেন।'

তুমি কেনেকৈ জানিবা ৰামচন্দ্র। তোমাক এই বার্তা দিবলৈ মই তাইক নিষেধ কৰিছিলো। নিশ্চিত নোহোৱালৈ। তুমি যেনে উত্তাৱল মানুহ, হুলস্থূল কৰি প্রজাক জনাই দিলাহেঁতেন। পিচত লাজ পাবলগীয়া নহ'বলৈ মই নিশ্চিত নোহোৱালৈ কথাটো গোপনে ৰাখিব খুজিছিলো। কি কৰিলা তুমি ৰামচন্দ্র— তুমিও মোৰ সীতাৰ দৰে বধুমাতাক নির্বাসন দিলা? কোনো অপৰাধ নকৰাকৈ?'

মাকলৈ নিথৰ হৈ চাই আছে ৰজা প্রতাপচন্দ্রই। সকলো উষ্মা গলি গলি অনুতাপৰ চকুপানী হৈ বৈ আহিছে।

মাকৰ ওচৰত আঁঠুকাঢ়ি বহি কান্দি উঠিছে ৰজা প্রতাপচন্দ্রই।

'ভুল হৈ গ'ল আইমাতৃ, মহাপাপ হৈ গ'ল। কি কৰো মই এতিয়া? মই যাওঁ— এতিয়াই যাওঁ। গোভালৈ গৈ ওভতাই আনোগৈ মহিষীক। লাগিলে গোভাৰজাৰ ভৰিত ধৰিম। মহিষীৰো ভৰিত ধৰি ক্ষমা খুজিম।'

'অসম্ভৱ। প্রজাৰ মাজত তাইক ব্রহ্মপুত্রক উচৰ্গা কৰা বুলি প্রচাৰ কৰিছ। এতিয়া চন্দ্রপ্রভাক উভতাই অনাৰ প্রশ্ন নুঠে। এই ভুলৰ কোনো শুধৰণি নাই। বিসর্জিত ৰাজ মহিষীক পুনৰ গ্রহণ অসম্ভৱ। মন বান্ধ পুত্র। চন্দ্রপ্রভা অবিহনে জীয়াই থাকিব লাগিব তই। উপায় নাই। যা। নিজৰ কক্ষলৈ যা।'

শোকার্ত মাতৃক এৰি প্রতাপচন্দ্র উঠিল। অসংলগ্ন খোজেৰে ওলাই গ'ল। ওলাই গ'ল জীৱনজোৰা নিঃসংগতালৈ। জীৱনজোৰা সন্তাপলৈ। অস্থিৰতালৈ। উপায়হীনতালৈ।

৯

'এই কাখিৰখিনি খাওক ৰাণীদেউ। আপুনি ভালদৰে খোৱা-বোৱা নকৰিলে দেওৰাজাই মোক বেয়া পাব।' চন্দ্রপ্রভালৈ গাখীৰ এবাতি আগবঢ়াই দি সোণজিৰাই ক'লে।

গোভাৰ ৰাজানঃত চন্দ্রপ্রভাক থাকিবলৈ দিয়া কক্ষত বহি আছে পূর্ণগর্ভা চন্দ্রপ্রভা। শাৰীৰিক আৰু মানসিক ক্লান্তিত অৱশ।

তেওঁৰ ম্লান মুখখনলৈ চাই মনটো বেয়া লাগি গ'ল সোণজিৰাৰ। গোভাৰ ৰাজানঃলৈ অহা বেছিদিন হোৱা নাই সোণজিৰাৰ। লাংখন মিছাৱা উৎসৱৰ পিচতেই সোণজিৰাক গোভা ৰজাৰ ঘৰৰ পৰা যোৱা মানুহে লৈ আহিছিল। পিচত শুনিছে সোণজিৰাই, অনেক বিচাৰ-খোচাৰ কৰি উত্তৰপাৰৰ মেকড' সকলৰ ভাষা আৰু আচাৰ-আচৰণ জনা কাৰণেই সোণজিৰাক লৈ আহিছিল। কাল আজাৰত পৰিয়ালৰ আটাইবোৰ আৰু অনেক আত্মীয়স্বজনক হেৰুৱাই সোণজিৰা তেতিয়া বৰ দুখত আছিল। তেওঁলোকৰ ফৈদৰ মূল মানুহ জেলা বাৰ'ই নির্দেশ দিয়া কাৰণেহে সোণজিৰা আহিছিল। কথা হৈছিল— কিছুদিন থাকি চন্দ্রপ্রভাৰ সন্তান জন্মালৈকে পৰিচর্যা কৰি উভতি যাব সোণজিৰা। চন্দ্রপ্রভাই তিৰালিবুংসকলৰ ভাষা নাজানে, আচাৰ-নীতি নাজানে— আনকি সংযোগী ভাষাও নাজানে। সাধুকুমাৰৰ বাহিৰে ৰাজানঃত বাস কৰা আন কাৰো লগতেই কথা পাতিব নোৱাৰে চন্দ্রপ্রভাই। আকাৰে-ইংগিতে মনৰ ভাব প্রকাশ কৰিব লাগে। সেয়েহে সোণজিৰাক কোৱা হৈছিল চন্দ্রপ্রভাৰ ওচৰে ওচৰে থাকি সহায় কৰিবলৈ।

অহানো কিমানদিন হ'ল—চন্দ্রপ্রভাৰ মুগ্ধ আৰু অনুগত সহচৰীত পৰিণত হৈছে চন্দ্রপ্রভাৰ প্রায় সমবয়সী সোণজিৰা।

ইমান ধুনীয়া ৰাণীগৰাকী। কিন্তু ইমান মন মাৰি থাকে। কিমান ডাঙৰ ৰাণী আছিল চন্দ্রপ্রভা। বিনা দোষত শাস্তি দি দেওৰাজা সাধুকুমাৰৰ লগত নির্বাসন দিলে উত্তৰপাৰৰ কোনোবা দুষ্ট ৰজাই।

ইমান বেয়া মানুহ।

এই ইমান মৰম লগা, গোসানীযেন ধুনীয়া ভাল মানুহজনীকনো এনে শাস্তি দিব লাগেনে।

চন্দ্রপ্রভাৰ কথা ভাবিলে মনটো বেথাৰে ভৰি যায় সোণজিৰাৰ। যিমান পাৰে সিমান যত্ন লয়। মন ভালে ৰাখিবলৈ গীত শুনায়— সাধু শুনায়— আৰু কিযে নকৰে। সোণজিৰাৰ কথা শুনি তেওঁ আজিকালি মাজে মাজে হাঁহে, তাৰ পিচত আকৌ মন মাৰি থাকে।

মন মাৰি থকা বুলি জানিলে ৰজা সাধুকুমাৰে বেয়া পায়। সোণজিৰাক মাতি নি কয়—

'তই ৰাণীদেউক মন ভাল লগাই ৰাখিব নোৱাৰ কিয় নানাঃও?'

'চেষ্টা দেখোন কৰো দেওৰাজা। তথাপি মন মাৰিয়েই থাকে। কিমান দুখ আছে ৰাণীদেৱেহে জানে।'

'আমিও জানো। সেই কাৰণেহে তোক আনিছো। যতনেৰে ৰাখিবি বুজিছ। মৰমেৰে ৰাখিবি। আমাৰ মাত-কথাবোৰ শিকাবি। তেহে পিচত তই নাথাকিলেও চলিব পাৰিব।'

'তেওঁ সদায়, ইয়াতেই থাকিব নেকি দেওৰাজা?' সোণজিৰাই সুধিছিল।

'থাকিব। নাথাকিব কিয়? আমাৰ সমাজে তেওঁক আপোন কৰি লৈছে— মৰম কৰিছে— তই দেখোন সকলো কথা জানই নানাঃও। তেওঁ এতিয়া আমাৰ আপোন মানুহ বুজিছ। ৰাণীদেউক ভালেৰে ৰাখিবি। ভালদৰে খুৱাবি। আলপৈচান ধৰিবি। কিমান সুখত, ডাঙৰ ৰজাৰ ৰাজানঃত আছিল। আহি পৰিল আমাৰ দৰে দুখীয়া ৰজাৰ তাত।'

'আমি দুখীয়া কিয় হ'ম দেওৰাজা? আমাৰনো কি নাই?' সোণজিৰাই প্ৰতিবাদ কৰিছিল।

'ঠিকেই। আমাৰনো কি নাই নানাঃও। আমাৰ অন্তৰত মৰম আছে। আমি বেয়া কথা ভাবিব নাজানো। বেয়া কাম কৰিব নাজানো। আমি ৰাণীদেউক মৰম-যতন কৰি ভালেৰে ৰাখিব কিয় নোৱাৰিম কচোন?' সাধুকুমাৰে কৈছিল।

'পাৰিম দেওৰাজা। ৰাণী ইমান ভাল। খোৱাৰ-থকাৰ দুখৰ কথা তেওঁ কেতিয়াও নাভাবে।'

সোণজিৰাই সাধুকুমাৰক কৈছিল। সোণজিৰাক ভনী বুলি সম্বোধন কৰা সাধুকুমাৰক ঈশ্বৰৰ দৰে মানে সোণজিৰাই। আপোনৰো আপোন যেন ভাবে। ৰজা সাধুকুমাৰৰ দৰে ৰজা আৰু কোন আছে? লালুং ৰাজ্যসমূহৰ কোনো গাঁৱৰ, কোনো চামাদিত বিচাৰিলেও কিজানি সিমান ভাল পাহাই এজন পোৱা নাযাব। সকলোকে কিমান মৰম কৰে সাধুকুমাৰে। সকলোৰে ভাল হওক বুলি কিমান কাম কৰে।

ৰাণীদেউৰ সা-সুবিধাৰ কথাও কিমান ভাবে সাধুকুমাৰে। ৰাণীদেউক লাগিব বুলি ভবা বস্তুবোৰ ক'ৰ ক'ৰ পৰা যে গোটাই আনি নিদিয়ে। মাজে মাজে দেখা কৰি ৰাণীদেউক সুবিধা-অসুবিধাৰ কথা সুধিলেও বেছিভাগ সোণজিৰাকেই সোধে। কি

কৰিব লাগিব সোণজিৰাকেই কয়।

সোণজিৰাই মন কৰিছে— সাধুকুমাৰে দেখা কৰিব খুজিলে ৰাণীদেৱে যেন ভায় খায়। নাযাও-নথও কৰে। কিয় যে কৰে সোণজিৰাই ভাবি নাপায়। সাধুকুমাৰ জানো বাঘ? খাই পেলাব?

এদিন এই প্ৰশ্ন সুধিয়েই পেলাইছিল সোণজিৰাই। কিন্তু প্ৰশ্নটো শুনি ৰাণীদেৱে যেন আৰু বেছি ভয় খাইছিল। তেওঁ ভয় খাই কোৱাৰ দৰে কৈছিল—

'কিয় ভয় লাগিব সোণজিৰা? যিজনে মোক বিপদত আশ্ৰয় দিছে তেওঁক জানো ভয় কৰিব পাৰি?'

'তেনেহ'লে দেওৰাজাই দেখা কৰিব খুজিলে আপুনি নাযাও নাযাও কৰে কিয়?'

'এই দেহাৰে ওলাবলৈ লাজ লাগে অ'।' চন্দ্ৰপ্ৰভাই কৈছিল।

চন্দ্ৰপ্ৰভাই যে সঁচা কোৱা নাছিল মুখ দেখিয়েই সোণজিৰাই বুজি পাইছিল।

সোণজিৰাই জানে— সাধুকুমাৰেও কিছুদিনৰ পৰা এই ভয় কৰা কথাটো বুজি পাইছে। সেই কাৰণেই কিজানি আজিকালি সাধুকুমাৰে ৰাণীদেউক বেছিকৈ দেখা নকৰে। সোণজিৰাক মাতিয়েই যি ক'ব লাগে কয়।

'কাখিৰখিনি খাওক ৰাণীদেউ। চেঁচা হৈ গ'ল।'

গাখীৰবাতি আগত লৈ অন্যমনষ্ক হৈ বহি থকা চন্দ্ৰপ্ৰভাক আকৌ ক'লে সোণজিৰাই।

'খাবলৈ মন নাই অ' সোণজিৰা।'

'মন নগ'লেও খাব লাগে। আমি কোনেও কাখিৰ নাখাওঁ। দেওৰাজাই আপোনাৰ কাৰণে ভুঞা ৰাজ্যৰ পৰা গাইগৰু আৰু মানুহ লৈ আহিছে। আৰু পেটৰ পোৱালিক জানো ভোকত ৰাখিব পায়?'

'তই পেটৰ পোৱালিৰ কথা কি জান অ'?'

হাঁহি পেলালে চন্দ্ৰপ্ৰভাই। লাজত ৰঙা হৈ গ'ল সোণজিৰা।

এই সৰলমতীয়া ধুনীয়া ছোৱালীজনীক মৰম নকৰি নোৱাৰি। কিমানযে যত্ন লয়। চন্দ্ৰপ্ৰভাৰ মন ভালে ৰাখিবলৈ কিযে নকৰে।

চন্দ্ৰপ্ৰভাই জানে এই আদৰ-যত্নৰ আঁৰত গোভাৰজাৰ সতৰ্ক দৃষ্টি যেনেকৈ জড়িত হৈ আছে, তেনেকৈ সোণজিৰাৰ আন্তৰিকতাও জড়িত হৈ আছে।

চন্দ্ৰপ্ৰভালৈ আন্তৰিকতা কাৰ নাই? এই ৰাজানঃৰ সকলোৱে চন্দ্ৰপ্ৰভাক পৰম পূজ্য অতিথিৰ দৃষ্টিৰে চায়। মৰম আৰু শ্ৰদ্ধাৰে মাত দিয়ে। খোৱা-বোৱা যতনাই দিয়ে।

গোভালৈ আহি যেন এক নতুন জগত দেখিছে চন্দ্ৰপ্ৰভাই। প্ৰতাপপুৰৰ ৰাজগৃহৰ জীৱনৰ পৰা এই জীৱন যেন শত যোজন দূৰৈত, এনে লাগে।

মায়াপুৰৰ পৰা নাৰেৰে আহি দক্ষিণপাৰে নামি অসুস্থ, পৰিশ্ৰান্ত আৰু শোকস্তব্ধ চন্দ্রপ্রভা যেতিয়া হাতীৰ পিঠিত উঠি গোভাৰ ৰাজহাউলী পাইছিল তেতিয়া সূর্য পাটত বহিবলৈ অনেক বাকী। আচহুৱা গঢ়নৰ ঘৰটোলৈ প্রথমতে অবাক হৈ চাইছিল চন্দ্রপ্রভাই। তাৰ পিচত চুচুক-চামাককৈ ইফাল সিফালৰ পৰা চাই থকা ল'ৰা-তিৰোতাবোৰলৈ চাইছিল। এক অদ্ভুত কুণ্ঠাত জই পৰি গৈছিল চন্দ্রপ্রভা।

কিমান অপযশ শিৰত লৈ এই দেশলৈ আহিছে চন্দ্রপ্রভা। এই দেশেও তেওঁক জর্জৰিত কৰিব নেকি? ব্যভিচাৰী নাৰী বুলি এই দেশেও অমান্তি হ'ব নেকি আশ্রয় দিবলৈ? ঘিণ কৰিব নেকি বিদেশীনি, স্বামী পৰিত্যক্তা চন্দ্রপ্রভাক? ৰজা প্রতাপচন্দ্রই সাধুকুমাৰৰ হাতত পত্নী ৰূপত গটাই দিয়া চন্দ্রপ্রভাক?

পাৰ হৈ অহা জীৱনটোত নিজৰ ৰূপৰ অনেক প্রশংসা শুনিছে চন্দ্রপ্রভাই। চন্দ্রপ্রভাৰ শৰীৰ মুগ্ধ প্রতাপচন্দ্রৰ কামাতু�ৰ মৰমৰ অভিজ্ঞতাৰে অভিজ্ঞ চন্দ্রপ্রভা। সেই কাৰণেই প্রতিমুহূর্ততে আতংকৰ তীক্ষ্ণ হাতোৰাই আঁচুৰি থাকে চন্দ্রপ্রভাক। সাধুকুমাৰেও চুব নেকি চন্দ্রপ্রভাক? যেনেকৈ চুইছিল প্রতাপচন্দ্রই? তেনেকৈ? শক্তিৰে জয় কৰি ল'ব নেকি প্রতাপচন্দ্রই দিয়া অধিকাৰ?

এই সমাজক চন্দ্রপ্রভাই নাজানে। নাজানে এই সমাজৰ পুৰুষক। পুৰুষ মানেই প্রতাপচন্দ্র বুলি বুজে তেওঁ। সেই কাৰণেই গোভাৰ ৰাজানঃৰ বাহিৰত থিয় হৈ নাৰীত্বৰ মর্যাদা হেৰুওৱাৰ আশংকাত কঁপি উঠিছিল চন্দ্রপ্রভা। যি শংকা আজিও একেই আছে।

গোভাৰজাই চন্দ্রপ্রভাক ভিতৰলৈ লৈ আনিছিল। এটা কোঠাত শুবলৈ দি তেওঁ পৰিয়ালৰ লোকসকলৰ লগত নুবুজা ভাষাৰে কথা পাতিছিল। পৰিয়ালৰ মানুহবোৰৰ কণ্ঠত—দ'— দ', আব্রা, আই, আয়া, আয়াও আদি অদ্ভুত শব্দ কিছুমান শুনিছিল তেওঁ। সেই কথাবোৰৰ এটা বর্ণও বুজা নাছিল চন্দ্রপ্রভাই। আজিকালি বুজে। সোণজিৰাৰ প্রশিক্ষণত আৰু শুনি শুনি বুজিছে চন্দ্রপ্রভাই— সেই শব্দবোৰ আছিল বিস্ময়, দুখ, আশ্চর্য আৰু সমর্থন প্রকাশ কৰা শব্দ।

আৰু অনেক শব্দ ইতিমধ্যে শিকি পেলাইছে চন্দ্রপ্রভাই। অনেক কথা বুজা হৈছে। এই সমাজৰ আচাৰ-নীতিৰ কথাবোৰো বহুখিনি জানিছে। লাহে লাহে সকলো ভয় শাম কাটিছে।

এটাৰ বাহিৰে।

সাধুকুমাৰলৈ এতিয়াও ভয় লাগে চন্দ্রপ্রভাৰ। সাধুকুমাৰৰ অভিব্যক্তি আৰু আচৰণত আজিলৈকে লালসাৰ কোনো প্রতিবিম্ব দেখা নাই চন্দ্রপ্রভাই। দেখিছে মুগ্ধতা আৰু শ্রদ্ধা।

তথাপিও।

ৰাতি ৰাতি সামান্য শব্দ হ'লেই গাটো সিৰিক্‌কৈ উঠে চন্দ্রপ্রভাৰ। ৰাজানঃৰ আন এটা কোঠাত শুই থকা সাধুকুমাৰৰ খোজৰ শব্দ শুনে বুলি উচপ্‌ খাই খাই উঠে। নিদ্রাহীন ৰাতি আৰু দিনে দিনে গধুৰ হৈ অহা শৰীৰৰ বাবে অনবৰতেই ক্লান্তি অনুভৱ কৰে চন্দ্রপ্রভাই। শুই থাকিবলৈ মন যায়। কিন্তু সোণজিৰাই নিদিয়ে। জোৰ কৰি ৰাজানঃৰ বাহিৰলৈ লৈ যায়। উৰালত ধান খুন্দা চাবলৈ লৈ যায়। মাটিত খুঁটা পুতি তৈয়াৰ কৰা তাঁতশালত কাপোৰ বোৱা চাবলৈ লৈ যায়। ৰান্ধনীশালত খাৰ দি শাকৰ আঞ্জা কেনেকৈ ৰান্ধে দেখুৱাবলৈ লৈ যায়। জুহালৰ হুকাৰিত শুকুৰাই থোৱা মাছ দেখুৱাবলৈ লৈ যায় লৈ যায়। তামোল পানৰ বাৰীলৈ। পুখুৰীৰ পাৰলৈ।

'আপোনাৰ চুলিখিনি বৰ ধুনীয়া ৰাণীদেউ।' সোণজিৰাৰ মাতত বাস্তৱলৈ উলটি আহি হাঁহিলে চন্দ্রপ্রভাই।

'হয় নেকি? নিজৰখিনি পিছে? ৰাতিৰ এন্ধাৰেও লাজ পাব।'

'আমি বাঁহগাজ পুৰি খাৰ উলিয়াই সেই খাৰেৰে চুলি ধোওঁ। চুলি ভাল হয়। আপুনিও ধুইছে নহয়— আৰু ভাল হৈছে। আপোনালোকে কিহেৰে চুলি ধুইছিল ৰাণীদেউ?'

চন্দ্রপ্রভাৰ মনটো মৰি গ'ল। একে মুহূর্ততে যেন প্রতাপপুৰৰ ৰাজগৃহ মনৰ মাজত সোমাই পৰিলহি।

'কওকনা ৰাণীদেউ, কিহেৰে ধুইছিল? আমিও ধুই চাম।'

'আমি মণিচালৰ গুটিৰে, ঔৰ বীজেৰে আৰু অনেক কিবাকিবিৰে ধুইছিলো। কিবা এবিধ মাটি আৰু মাহেৰেও ধুইছিলো। মই ইমান নাজানো। দাসীবোৰেহে আনি দিয়ে। ধুয়ো দিয়ে। তাৰ পিচত আমি কি কৰিছিলো জান? ধূপ জ্বলাই তাৰ ধোঁৱাবোৰ চুলিত লগাইছিলো।'

'তেনে কৰিলে কি হয়?'

'চুলিবোৰ ভাল গোন্ধায়। আমি তহঁতৰ দৰে মুৰত সৰিয়হৰ তেল সানি এঠা লগাই নথৈছিলো বুজিছ।' চন্দ্রপ্রভাই হাঁহিলে। সোণজিৰাই জিৰজিৰাই হাঁহি উঠিল।

'আজি দেওৰাজা আহিলে ধূপ আনি দিবলৈ ক'ব লাগিব। ক'লেই আনি দিব। আপোনাক লাগে বুলিলে দেওৰাজাই কিজানি আকাশৰ চ্যনাইও পাৰি আনি দিব। আজি তেওঁ জংকং পূজালৈ গৈছে নহয়,— আহোতে সুগন্ধী কাঠ লৈ আহিব বুলি কৈ গৈছে। কস্তুৰীও আনিব বোলে। আপোনাক সুগন্ধি কাঠ জ্বলাই চুলিত ধোঁৱা লগাই দিম। ধূপ নহ'লেও হ'ব। কস্তুৰী আপুনি কি কৰিব ৰাণীদেউ?'

'কস্তুৰী? মোক কস্তুৰী লাগিব বুলি কোনে ক'লে?'

'কোনেও কোৱা নাই। আপোনালৈ আনিব বুলিহে কৈ গৈছিল।'

চন্দ্রপ্রভাৰ মনটো বিৰক্তিৰে ভৰি পৰিল। কিয় এইবোৰ কৰিছে সাধুকুমাৰে? কস্তুৰীৰে চন্দ্রপ্রভাই সৌন্দর্যচর্চা কৰে বুলি কেনেকৈ জানিলে সাধুকুমাৰে? কি প্রয়োজন ইমান যত্নৰ? কিয় ইমান আগ্রহ চন্দ্রপ্রভাৰ প্রতি? সঁচাকৈ চন্দ্রপ্রভাক পত্নী বুলি ভাবি লৈছে নেকি সাধুকুমাৰে? অপেক্ষা কৰি আছে নেকি সন্তান জন্মলৈ?

'কওকনা কি কৰিব কস্তুৰীৰে? কস্তুৰীতো বৰ আটকীযা বস্তু— আমাৰ ৰজা-ৰাণীসকলে কেতিযাবা কস্তুৰী পালে ভাঙি অকণ অকণ মুখত লয— ঔষধি বোলে। সেই কাৰণে নেকি?'

'অ'— সেই কাৰণেই। জংকং উৎসৱ কি সোণজিৰা?' মনৰ বিৰক্তি আৰু শংকা দমন কৰি কথা ঘুৰাবলৈ সুধিলে চন্দ্রপ্রভাই।

'অ'— জংকং পূজা। এইটো আমাৰ পূজা হয়। এই পূজা কৰিলে আমাৰ গৰু-ম'হৰ অপায-অমংগল, আফৎ-পিঘিনি নহয। বেমাৰ আজাৰ নহয়। খেতি ভাল হয়। সেয়ে আমি পথৰ বুঢা পথৰ বুঢ়ীক পূজা দিওঁ।

'পথৰ বুঢা পথৰ বুঢী কোন?'

'আমাৰ খেতিৰ দেৱতা। খেতি ভাল হ'লেহে আমি খাবলৈ থাকিবলৈ পাম। জংকং পূজা হ'লে আমি আমাৰ পূর্বপুৰুষ থমবুঢা-থমবুঢীকো পূজা দিও। ফ্রাদেৱে সকলো ভালে কুশলে ৰাখিলে আপুনি ল'ৰা পোৱাৰ পিচত জংকং পূজা দেখুৱাবলৈ নিম বাৰু। এই পূজা এই আগন মাহতেই হয। অহা বছৰ আগনত আকৌ হ'ব। ফ্রাদেৱে সকলো ভালে-কুশলে ৰাখিলে, আমাৰ সকলো পূজা-উৎসৱ দেখুৱাম আপোনাক। ব'হাগ পিসু, মাঘ পিসুও দেখা পাব।'

'ফ্রাদেৱ কোন সোণজিৰা?'

'ফা মাহাদেউ। আমাৰ প্রধান দেৱতা। আমাৰ পুৰোহিত লৰ'ই কয়— তেৱেঁই জীৱজগতৰ কৰাখি। তেৱেঁই সচ খইদাৰ— মানে সঁচ কঠিয়াৰ কৰাখি। তেৱেঁই কানঠি-চ্যাৰি আৰু ৰখমৰ পালনৰ ৰীতি-নীতি, খেতিকৰা সজুলি, নাচ-কিতৰ বাদ্যযোৰ আৰু নাচনীসকলক নাচৰ বানাথ-বাথু মানে সাজ-পোছাক দিছিল। আমাৰ গৰু-মহ-গাহৰি-কুকুৰা তেৱেঁই দিয়া। তেৱেঁই কৰাখি।'

'তই ধর্মকথাও বহুত জান দেখোন অ' সোণজিৰা।' চন্দ্রপ্রভাই প্রশংসাৰ সুৰেৰে ক'লে।

'আমাৰ সকলোৱে এইবোৰ জানে। আমাৰ পূজা-সেৱা কৰা ৰৰঘৰ নুবাৰ'ত পূজা উৎসৱবোৰত এইবোৰ কথা আমি শুনিয়েই থাকো। আপুনি ল'ৰা পোৱাৰ পিচত এদিন মহা দেওশাল আৰু বসুন্ধৰী থানলৈও লৈ যামদেই ৰাণীদেউ। মহাদেওশালত ফা মাহাদেউৰ পূজা হয়। দেওশালৰ দেউৰীয়ে কিবোৰ যে মন্ত্র মাতে বুজিবই নোৱাৰিব।

আমিও নুবুজো। পূর্বপুৰুষৰ পৰা শুনি শুনি শিকি থকা মন্ত্রবোৰ গায়। আপোনাৰ কেঁচুৱা হ'বলৈ আৰু বেছিদিন নাই নহয়?'

'মই নাজানো সোণজিৰা।'

'হয়তোন— কেনেকৈ জানিব। আপোনাৰ মাঃ ওচৰত নাই। আপোনাৰ কৰাখিৰ মাঃ নিওউও নাই। কোনে ক'ব। আমাৰ ঘৰৰ বুঢ়ীবোৰৰ কথাও নুবুজে। মই সুধি আহি ক'ম বাৰু।'

'এই— নুসুধিবি— নুসুধিবি সোণজিৰা, লাজ লাগিব।'

'নোসোধো বাৰু। যদি কাখিৰ খায়, তেতিয়া নোসোধো। নহ'লে সুধিম।'

জিলমিলাই হাঁহি উঠিল সোণজিৰাই। চন্দ্রপ্রভায়ো।

ঠিক তেনে সময়তে দুৱাৰমুখত থিয় হ'লহি এটা উত্তেজিত সৰু ল'ৰা।

সি লালুং ভাষাতে কিবা এষাৰ ক'লে।

'কি কৈছে সি?' চন্দ্রপ্রভাই আচৰিত হৈ সুধিলে।

'উত্তৰপাৰৰ কোনোবা ৰাজ্যৰ এটা চোৰাংচোৱাক আমাৰ সৈন্যই বোলে ধৰি আনিছে। ৰাজানঃৰ বাহিৰত হাতীবন্ধা গছডালতে বান্ধি থৈছে। দেওৰাজা আহি পাইছে। আমি চাব খুজিলে চাব পাৰো বোলে। বাহিৰ ওলালেই দেখিম। বহুত মানুহ গোট খাইছে।'

চন্দ্রপ্রভাৰ বুকুখন ধক্‌কৈ উঠিল। উত্তৰপাৰৰ ৰাজ্যৰ চোৰাংচোৱা! উত্তৰ পাৰৰ ৰাজ্য! প্রতাপচন্দ্রৰ ৰাজ্য?

কিয় আহিছে প্রতাপচন্দ্রৰ ৰাজ্যৰ চোৰাংচোৱা? কি বার্তা সংগ্রহ কৰিবলৈ?

চন্দ্রপ্রভা থিয় হ'ল। উশাহটো চুটি চুটি হৈছে। ভাগৰ ভাগৰ লাগিছে।

এইকেইদিন এনেকুৱা প্রায়েই হৈ আছে চন্দ্রপ্রভাৰ। গর্ভৰ সন্তানৰ বাবেই এনে হৈছে বুলি সোণজিৰাই কাৰোবাক সুধি জানি আহিছে। গর্ভত দিনে দিনে বাঢ়ি অহা সন্তানে লৰচৰ কৰাৰ উমান পোৱাৰ কিছুদিন হৈ গ'ল। গাটো গধুৰ আৰু ভাগৰ ভাগৰ লাগিলেও নিজৰ অভ্যন্তৰত হাত-ভৰি ল'ৰাই, ঘৰিপকি নিজৰ উপস্থিতিৰ জাননী দিয়া অনাগত সন্তানে চন্দ্রপ্রভাৰ মনটো আগতকৈ বহুখিনি মুকলি কৰি তুলিছে। তেওঁলোকে চন্দ্রপ্রভাক সাৱধানে খোজকাঢ়িবলৈ উপদেশ দিছে। ৰাতি বিয়লি বাহিৰলৈ ওলাই যাবলৈ মানা কৰিছে আৰু অনেক কিবাকিবি উপদেশ দিছে। শুই-বহি থকা চন্দ্রপ্রভাক সোণজিৰাই প্রায়েই ফুৰাবলৈ লৈ যায়।

'শুই-বহি থাকিব নাপায় বুলি কৈছে। আমাৰ মাক হ'বলগাবোৰেতো সকলো কাম কৰে। আনকি উৰলত ধান-চিৰাও খুন্দে। খুন্দিলে ভাল হ'ব বুলি কয়। আপোনাকো উৰল এটা আনি দিম নেকি?' সোণজিৰাই কয়। হাঁহি হাঁহি ধেমালিকৈ কয়। শুনি শুনি

মনটো পমি যায় চন্দ্রপ্রভাৰ।

তেওঁনো এই লোকসকলৰ কোন? স্বামীয়ে খেদি দিয়া আত্মীয়হীন এজনী তিৰোতাহে। তেওঁতো ৰাণী নহয়। তেওঁ এই ৰাজ্যৰ আশ্রিত মাত্র। তথাপিও কিমান যত্ন। চন্দ্রপ্রভাৰ স্বাস্থ্য আৰু অনাগত সন্তানটোৰ মংগল-অমংগল লৈ কিমান চিন্তা।

কি আচৰিত এই দেশৰ মানুহবোৰ।

কিমান সৰল।

কিমান পোনপটীয়া।

কিমান সৎ।

কিমান ঐক্যবদ্ধ।

নহ'লে জানো চন্দ্রপ্রভাই ইয়াত এনে সম্মানজনক আশ্রয় পালেহেঁতেন?

গোভাৰ ৰাজানঃত প্রৱেশ কৰাৰ পিচতেই গোভাৰজাই মাতি আনিছিল ৰাজ্যৰ মুখিয়ালসকলক। কুলৰ বৰজেলা, হাৰীকুঁৱৰী, চখা বৰজেলা, গাঁওসমূহৰ দলৈসকল, ল'ৰ', হাদাৰী সকলোকে। বৰ ডাঙৰ সভা হৈছিল।

সেই সভালৈ গৈছিল চন্দ্রপ্রভা। চন্দ্রপ্রভাক সম্মুখত ৰাখি তেওঁলোকে ৰজা সাধুকুমাৰ আৰু দেহৰক্ষীসকলক প্রশ্ন কৰিছিল। কি প্রশ্ন কৰিছিল চন্দ্রপ্রভাই বুজা নাছিল— কিন্তু তেওঁলোকৰ মুখৰ শব্দ, মুখভংগী, অভিব্যক্তি চাই চাই কিছু অনুমান কৰিব পাৰিছিল। তেওঁ মানুহবোৰক কেতিয়াবা উত্তেজিত, কেতিয়াবা আচৰিত আৰু কেতিয়াবা দুখী হোৱা দেখিছিল। তাৰ পিচত তেওঁলোকে সোণজিৰাৰ জড়িয়তে চন্দ্রপ্রভাকো কিছু প্রশ্ন কৰিছিল। চন্দ্রপ্রভাই দিয়া উত্তৰবোৰ সোণজিৰাই অনুবাদ কৰি দিছিল।

কাৰো চকু-মুখত ঘৃণা অথবা অবিশ্বাসৰ কোনো অভিব্যক্তি ফুটি উঠা দেখা নাছিল চন্দ্রপ্রভাই। বৰঞ্চ সভাৰ শেষত তেওঁলৈ চোৱা মানুহবোৰৰ মুখত ফুটি উঠা দেখিছিল শ্রদ্ধা আৰু ভালপোৱা। সাধুকুমাৰে সমাজৰ সিদ্ধান্ত চন্দ্রপ্রভাক অনুবাদ কৰি শুনাইছিল।

'আপোনাক আমাৰ সমাজে আপোন বুলি গ্রহণ কৰিছে ৰাণীদেউ। আপুনি সসম্মানে এই ৰাজ্যত থাকিব পাৰিব। আমাৰ সমাজ আপোনাৰ ওচৰত থিয় হৈছে। তেওঁলোকে প্রতাপচন্দ্রক খুব বেয়া পাইছে। আপুনি নিশ্চিন্তে থাকক ৰাণীদেউ। নিজৰ ঘৰ, নিজৰ ৰাজ্য বুলি থাকক। এই বিচাৰলৈ আপোনাক মাতি অনা বাবে বেয়া নাপাব। সকলোৰে কথা নুশুনাকৈ আমাৰ সমাজে কোনো সিদ্ধান্ত নলয়। সেয়েহে। মই ৰজা হ'ব পাৰো,— কিন্তু সমাজৰ নিয়ম আমি মানি চলিবই লাগিব। সমাজেই ইয়াত শ্রেষ্ঠ।'

সেই কথা শুনি চন্দ্রপ্রভা আশ্বস্ত হৈছিল সঁচা। কিন্তু সাধুকুমাৰৰ মনোভাবত অন্য

কোনো চিন্তাৰ ইংগিতো যেন বিচাৰি পাইছিল। বিচাৰ সভাৰ পৰা গধুৰ মনেৰে উভতি আহিছিল চন্দ্রপ্রভা। কাকো ক'ব নোৱাৰা চিন্তাবোৰে তেওঁক খুলি খুলি খাবলৈ আৰম্ভ কৰিছে। প্রতিটো মুহূর্ততে ভাব হয় এই যেন সাধুকুমাৰ আহিব আৰু তেওঁক পত্নী হিচাপে পোৱাৰ প্রস্তাৱ দিবহি।

পৰপুৰষৰ অংকশায়িনী হোৱাৰ কথা ভাবিলেই শিঁয়ৰি উঠে চন্দ্রপ্রভা।

সংস্কাৰ।

আর্য সমাজৰ পৰম্পৰাৰে প্রশিক্ষিত নাৰী চন্দ্রপ্রভা। সতী নাৰীৰ উপাখ্যান শুনি শুনি, গুৰুজনৰ উপদেশ নির্দেশ শুনি শুনি ডাঙৰ হোৱা নাৰী। স্বামীয়ে পৰিত্যাগ কৰি আন পুৰুষক গটাই দিলেও পৰপুৰুষ এজনক কেনেকৈ স্বামী স্বীকাৰ কৰিব চন্দ্রপ্রভাই? যদি সাধুকুমাৰে অন্যায় প্রস্তাৱ দিয়ে কোন শক্তিৰে প্রতিৰোধ কৰিব? সন্তান গর্ভত লৈ আত্মহত্যা কৰাটোও যে মহাপাপ। কি কৰিব চন্দ্রপ্রভাই? কি কৰিব?

সাধুকুমাৰৰ চকুত চন্দ্রপ্রভাই কেতিয়াও কোনো লালসা দেখা নাই সঁচা। মায়াপুৰত যেনেকৈ সন্মান প্রদর্শন কৰিছিল সাধুকুমাৰে এতিয়াও দেখা হ'লেই ঠিক তেনেকৈয়ে সন্মান প্রদর্শন কৰে। কিন্তু সাধুকুমাৰৰ চকুত যে চন্দ্রপ্রভাই ফুটি উঠা দেখিছে অবিমিশ্র ভালপোৱা। সুগভীৰ মুগ্ধতা। নাৰীৰ সহজাত শক্তিৰে বুজি উঠিছে সাধুকুমাৰৰ মনত চন্দ্রপ্রভালৈ জন্ম হোৱা সুতীব্র ভালপোৱাৰ কথা।

এই ভালপোৱাক কিমান দিনলৈ প্রতিৰোধ কৰিব? কেনেকৈ?

'লাহে লাহে খোজ দিয়ক ৰাণীদেউ— এইখিনিত পোহৰ কম আছে।' সোণজিৰাই ক'লে।

অন্যমনষ্কভাৱে সোণজিৰাৰ লগে লগে ঘৰৰ পৰা ওলাই অহা চন্দ্রপ্রভা উচপ্ খাই উঠিল।

কি চাবলৈ আহিছে তেওঁ? কাক চাবলৈ আহিছে? উত্তৰপাৰৰ ৰাজ্যৰ পৰা অহা চোৰাংচোৰাক? কিয়? কিয় এই আগ্রহ অনুভৱ কৰিছে চন্দ্রপ্রভাই?

সংগোপনত এতিয়াও অপেক্ষা আছে নেকি চন্দ্রপ্রভাৰ? প্রতাপচন্দ্রৰ আহ্বানলৈ? উন্মুখ হৈ আছে নেকি তেওঁ নিজৰ স্বামীগৃহলৈ উভতি যাবলৈ? ক'ব নোৱাৰাকৈ?

নহয়।

নহয়।

নহয়।

প্রতাপপুৰক চিৰদিনলৈ ত্যাগ কৰি আহিছে চন্দ্রপ্রভাই। অবিবেচক স্বামী প্রতাপচন্দ্রৰ প্রতি চন্দ্রপ্রভাৰ মনত তিলমাত্রও আকর্ষণ অৱশিষ্ট নাই।

নহয়— তথাপিও কিবা আছে। নামহীন, নুবুজা কিবা এটা। কিবা অলপ অনুভূতি

তেওঁৰ মনত এতিয়াও আছে। গর্ভস্থ সন্তানে লৰি-চৰি উঠি তেওঁক বাৰে বাৰে সোঁৱৰাই দিয়ে তেওঁ প্রতাপচন্দ্রৰ পত্নী। প্রতাপচন্দ্রৰ সন্তান গর্ভত ধাৰণ কৰিছে তেওঁ। শিৰত এতিয়াও সেন্দুৰ লৈ আছে চন্দ্রপ্রভাই। মায়াপুৰৰ পৰা নির্বাসিত হোৱাৰ সময়ত পিন্ধি থকা অলংকাৰবোৰ এতিয়াও পিন্ধি আছে। মাত্র খোপাত লগোৱা গুণাবোৰ, সোণৰ কাঁটাবোৰ, সোণৰ কাকৈখন, সোণ-ৰূপৰ ফুলবোৰ, কপালীডাল আৰু কৰধনীডাল খুলি থৈছে।

মনে-প্রাণে এতিয়াও এক আর্যপুৰুষৰ নাৰী হৈ আছে চন্দ্রপ্রভা। পাহৰি যোৱা নাই নিজৰ উৎসক। নিজৰ অস্তিত্বৰ আধাৰক।

'সৌৱা— ৰাণীদেউ- সৌৱা— সৌটো মানুহ। কি আচৰিত, দেওৰাজাই কিয় মাৰিব ধৰিছে মানুহজনক? কিয় ইমান খং উঠিছে দেওৰাজাৰ?' সোণজিৰাই উত্তেজিতভাবে কৈ উঠিল।

অবাক হৈ দূৰলৈ চাই পঠিয়ালে চন্দ্রপ্রভাই।

সঁচা।

ক্রোধত উগ্র হৈ উঠিছে সাধুকুমাৰ। শান্ত, নম্র, বিবেচক সাধুকুমাৰৰ মুখ সীমাহীন ক্রোধত আৰক্ত হৈ উঠিছে।

কি অচিনাকি যেন লাগিছে সাধুকুমাৰক। ঠিক যেন প্রতাপচন্দ্র।

'কিয় আহিছ? এই ৰাজ্যলৈ কিয় আহিছ? কি বাতৰি লাগে? খেদি দিয়া ৰাণীৰ বাতৰি? ক'গৈ যা তোৰ ৰজাক— চন্দ্রপ্রভাৰ মৃত্যু হৈছে। গোভাৰাজ্যত কোনো চন্দ্রপ্রভা নাই। ক'বি— ক'বিগৈ তহঁতৰ ৰজাক,— আৰু কেতিয়াও যেন এই ৰাজ্যলৈ চোৰাংচোৱা নপঠিয়ায়। পঠিয়ালে ধৰি আনি মা কালিখাৰ আগত বলি দি তেজ পী খাম। কি ভাবিছে গোভাৰ প্রজাক? গোভাৰ ৰজাক? ভয়াতুৰ? দুর্বল? সৈন্যবল নথকা নামমাত্র ৰজা? শক্তি, সাহস আছে যদি যুঁজ দি গোভাত সোমাই বাতৰি লৈ যাবলৈ ক'বি। চোৰৰ দৰে নাহিবি।'

হাতীবন্ধা ৰচিৰে বান্ধি থোৱা যুৱকজনক অথালি-পথালিকৈ মাৰিছে সাধুকুমাৰে। হিতাহিত জ্ঞান যেন হেৰুৱাই পেলাইছে চিৰপ্রশান্ত গোভা ৰজাই।

'সোণজিৰা— যা— গোভা ৰজাক মাতি আন— মোৰ নাম নক'বি— ক'বি ৰাণীদেৰে মাতিছে। যা। যা।'

অবাক হৈ একমুহূর্ত চন্দ্রপ্রভাৰ মুখলৈ চাই থাকি দৌৰি গৈছে সোণজিৰা।

চন্দ্রপ্রভাই চাই আছে।

সোণজিৰাই কিবা কৈছে।

মুহূর্ততে থমকি ৰৈছে সাধুকুমাৰ। তাৰ পিচত প্রচণ্ড ঘৃণাৰে মাটিলৈ থুৰাই গম্ভীৰ খোজেৰে গুচি আহিছে।

'মোক মাতিছিল ৰাণীদেউ।' মুখৰ উষ্মা মচি শান্তভাৱে সুধিলে সাধুকুমাৰে।

'মাতিছিলো। মোৰ কক্ষলৈ বলক গোভাৰজা। দুটামান কথা সুধিম।'

কোনোদিন প্রশ্নৰ উত্তৰ দিয়াৰ বাহিৰে আন এটা শব্দও নোকোৱা চন্দ্রপ্রভাৰ মুখত এনে প্রস্তাৱ শুনি অবাক হৈ গ'ল সাধুকুমাৰ। থমকি ৰৈ এখন্তেক চন্দ্রপ্রভাৰ মুখলৈ চাই থাকিল। কিবা যেন বুজিব খুজিলে। তাৰ পিচত ধীৰভাৱে ক'লে—

'বলক ৰাণীদেউ।'

শয়নকক্ষত মুখামুখি হৈ পোনে পোনে সাধুকুমাৰৰ মুখলৈ চালে চন্দ্রপ্রভাই। গম্ভীৰ আৰু শীতল মাতেৰে ক'লে—

'এজন সাধাৰণ চোৰাংচোৱাৰ ওপৰত ইমান অত্যাচাৰ কৰাৰ অর্থ কি গোভাৰজা?'

সাধুকুমাৰ বিস্ময়ত স্তব্ধ হৈ গ'ল। কিছুসময় চন্দ্রপ্রভালৈ চাই থাকি ঘূৰাই সুধিলে—

'এটা সাধাৰণ চোৰাংচোৱাৰ বাবে আপুনি উৎকণ্ঠিত হেৱাৰ কাৰণ কি ৰাণীদেউ?'

'প্রতাপপুৰৰ চোৰাংচোৱা কাৰণে গোভা ৰজা। মই শুনিছো আপুনি অত্যাচাৰী শাসক নহয়। আজিলৈকে আপুনি কাকো নিজহাতে শাস্তি দি পোৱা নাই। মায়াপুৰৰ অপমানজনক পৰিস্থিতিতো আপুনি অধৈর্য হৈ পৰা নাছিল। আজি কিয় অধৈর্য হৈছে? কিয় ক্রোধ সম্ভৰণ কৰিব পৰা নাই?'

'আপোনাৰ কাৰণে ৰাণীদেউ। আপোনাৰ কাৰণে। মিছা কথাত কোনো বিচাৰ নোহোৱাকৈ আপোনাক খেদি দিলে— এতিয়া চোৰাংচোৱা পঠিয়াই কি বার্ত্তা ল'বলৈ আছে? ঘূৰাই নিব আপোনাক? আকৌ ৰাণী কৰি ৰাখিব?'

'যদি ৰাখে আপোনাৰ আপত্তিৰ কাৰণ কি? যদি নিজ কার্যত অনুতপ্ত হৈ তেওঁ নিজৰ পত্নীৰ বাতৰি ল'ব খোজে তাত আপুনি ক্ষিপ্ত হোৱাৰ অর্থ কি?'

'বাতৰি লওঁক। কিন্তু চোৰৰ দৰে চোৰাংচোৱা পঠিয়াই নহয়। আপোনাৰো নিজৰ মর্যাদা আছে ৰাণীদেউ। প্রতাপপুৰত আপোনাৰ কিমান সম্মান আছিল মই নাজানো। কিন্তু এই ৰাজ্যত আপোনাৰ সম্মান আছে। এই ৰাজ্যৰ আপুনি আপোন মানুহ। আপোনাক অপমান কৰাৰ অধিকাৰ কাৰো নাই ৰাণীদেউ। ৰজা প্রতাপচন্দ্রৰো নাই।'

'অপমান বুলি ভাবিলেই অপমান গোভা ৰজা। আপোনাৰ এই অনাহক উত্তেজনাত মোৰ অন্য সন্দেহ হৈছে গোভাৰজা।'

'অন্য সন্দেহ? কি সন্দেহ ৰাণীদেউ?' অবাক হৈ সুধিলে সাধুকুমাৰে।

'কি সন্দেহ আপুনি নিজেও জানে। এই ৰাজহাউলিত মই নিৰাপদ অনুভৱ নকৰো গোভাৰজা।'

'নিৰাপদ অনুভৱ নকৰে? কিয়?' দুগুণ অবাক হৈ সুধিলে সাধুকমাৰে।

'কাৰণ মই আর্য নাৰী। হিন্দু নাৰী। আমি দ্বিতীয় স্বামী গ্রহণ কৰিবলৈ অপাৰগ।'

'দ্বিতীয় স্বামী?' বিস্ময়ে যেন পাৰ ভাঙি পেলাব খুজিছে। অবাক হৈ চন্দ্রপ্রভাৰ মুখলৈ চাই আছে গোভাৰজাই। লাহে লাহে ছবিখন পৰিষ্কাৰ হৈ উঠিছে। চন্দ্রপ্রভাৰ মনৰ ছবিখন। লাজ আৰু অপমানত গোভাৰজাৰ কাণ-মূৰ তপত হৈ উঠিল।

'মই বুজিছো ৰাণীদেউ।' ৰৈ ৰৈ এটা এটাকৈ উচ্চাৰণ কৰিলে গোভা ৰজাই।

'বুজিলেই মংগল। মই ৰজা প্রতাপচন্দ্রৰ সন্তানৰ মাতৃ হ'বলৈ ওলাইছো গোভা ৰজা। মই আপোনাক শ্রদ্ধা কৰো। আপোনাৰ সাহস আৰু উদাৰতাৰ বাবে, মোক সন্মানজনক আশ্রয় দিয়া বাবে আপোনাৰ ওচৰত মই কৃতজ্ঞ। তাতকৈ অধিক নহয় গোভাৰজা। অর্থহীন সপোন দেখি সময় আৰু শক্তিৰ অপচয় নকৰিব।'

সাধুকুমাৰে চাই আছে— চায়েই আছে। সুতীব্র অপমানবোধত, সীমাহীন কষ্টত বুকুৰ ভিতৰত তোলপাৰ লাগিছে। এটা সময়ত সকলো তোলপাৰ শাম কাটিল। গোভাৰজাৰ ওঁঠত ফুটি উঠিল এটা তীক্ষ্ণ হাঁহি—

'মই বুজিছো ৰাণীদেউ। সকলো বুজিছো। বুজা নাছিলো। সঁচাকৈ একো বুজা নাছিলো। বেঁকা কথা ভবাৰ বুদ্ধিবৃত্তি আমাৰ নাই। আপুনি আর্য। উচ্চস্তৰৰ মানুহ। আপোনালোকে আমাতকৈ বেছি জানে। তথাপিও কওঁ,— বেঁকা কথা ভাবি আপুনি মোক দুখ দিছে। দুখ দিয়ক। কিন্তু আপুনি অযথা ভয়ত নিজৰ দেহৰ ক্ষতি নকৰিব। আমি আপোনাক সন্মান কৰো ৰাণীদেউ। ভাল পাওঁ। কিন্তু লোভ নকৰো। আমাৰ সমাজে আমাক এনে লোভ কৰিবলৈ শিকোৱা নাই। আপোনালোকৰ সমাজৰ চকুৰে এই সমাজৰ মানুহক বিচাৰ নকৰিব। বিচাৰত ভুল হৈ যাব ৰাণীদেউ। ফা মাহাদেৱে জানে মোৰ মনত কি আছে। ফা মহাদেউৰ শপত খাই কৈছো, — নিচিন্তে, যিমান দিনলৈ মন যায় ইয়াত থাকক। এই ৰাজানঃ আপোনাৰ। যদি প্রতাপপুৰলৈ উভতি যোৱাৰ ইচ্ছা হয়, ক'ব—সসন্মানে থৈ আহিমগৈ। ফা মাহাদেউৰ শপত এই ৰাজানঃত মই কেতিয়াও ৰাতি নাথাকো। বিশেষ প্রয়োজন নহ'লে ভিতৰো নোসোমাও। মই আমচাই মার্জণ্ডৰ ৰাজানঃলৈ গুচি যাম। আজিয়েই গুচি যাম। নিশ্চিন্তে থাকক ৰাণীদেউ। এই ৰাজ্যৰ সন্মানিত অতিথি হিচাপে আপোনাৰ সুৰক্ষাৰ অভাৰ কেতিয়াও নহয়।'

চন্দ্রপ্রভাৰ উত্তৰলৈ বাট নাচাই ধীৰ খোজেৰে গুচি গ'ল সাধুকুমাৰ। সৰিয়হ তেলৰ বস্তিৰে আলোকিত শয়নকক্ষত হতভম্ব চন্দ্রপ্রভা নির্বাক হৈ ৰৈ থাকিল।

সকলো সন্দেহ নিৰসন হৈ, প্রচণ্ড লজ্জাত তেতিয়া শিলামূর্তি হৈ গৈছে চন্দ্রপ্রভা।

১০

কেঁচুৰাই কান্দিছে।

চন্দ্রপ্রভাৰ সন্তানে। কোলাত লৈ নিচুকাবৰ চেষ্টা কৰি কৰি ভাগৰি পৰিছে সোণজিৰা। ৰাজানঃৰ গাতে লগা কুঁৱৰীয়ে গাধোৱা পুখুৰীত আজি গা ধুবলৈ গৈছে চন্দ্রপ্রভা। নিজৰ কাপোৰ-কানিবোৰো ধুবলৈ লৈ গৈছে।

সোণজিৰাই খুব বেয়া পাইছিল।

ৰাণীদেৱে নিজেই কাপোৰ ধুব? দেওৰাজাই শুনিলে কি বুলি ভাবিব সোণজিৰাক?

'মই ধুই আনো ৰাণীদেউ। তাৰ পিচত আপুনি গাটো ধুই আহিবগৈ।' তাই কৈছিল।

'নালাগে নানাঃও। এইকেইদিন তয়েইতো ধুইছ। জীয়ৰী ছোৱালী এজনীক পোৱাতী মানুহৰ কাপোৰ ধুবলৈ দিছো। আজি কেঁচুৱাক বাহিৰলৈ উলিয়াব। নিয়মৰ কামখিনি ময়েই কৰো দে সোণজিৰা। একো নহয়। তই ইয়াক ৰাখ।'

ৰাণীদেউ গুচি গৈছে। সোণজিৰাই অৱশ্যে লগত কেইবাজনীও জীয়ৰী-বোৱাৰীক যাবলৈ দিছে। সিহঁতক জোৰ কৰি কাপোৰখিনি ধুই দিবলৈ শিকাই পঠিয়াইছে। কিন্তু কেঁচুৱাটো ৰাখি ৰাখি ভাগৰি পৰিছে সোণজিৰা।

নতুনকৈ নাড়ী সৰা কেঁচুৱা। জন্ম হোৱানো কেইদিন হৈছে? মাকক এৰি থাকিব পাৰেনে?

সোণজিৰাই ধৈর্যৰ শেষ সীমাত উপস্থিত হোৱাৰ আগতেই চন্দ্রপ্রভা সোমাই আহিল।

'বৰকৈ আমনি কৰিছে?' চন্দ্রপ্রভাই হাঁহিলে।

'অ'তোন। কান্দিয়েই আছে। নাকান্দিবনে? ই এতিয়াও নুনাই হৈয়েই আছে। কেইদিননো হৈছে জন্ম পোৱা। নুনাইৰ ঘনে ঘনে ভোক লাগিবই। দিয়ক ইয়াক কাখিৰ দিয়ক— অ' ৰ'ব— গাধুই আহিছে নহয়,— বুকুৰ কাখিৰ চেঁচা হৈ আছে। চেঁচা কাখিৰ খালে অসুখ কৰিব পাই। খাবলৈ কিবা এটা আনি দিওঁ। কাখিৰ এপাথিকে আনি দিও নেকি?'

'নেলাগে নানাঃও। গাখীৰ নেলাগে। তই লৰ মাৰি গৈ চাউল দুটামান লৈ আহ। মুখত দিও। মই পূজাৰ পিচত খাম।' সোণজিৰাৰ পৰা কেঁচুৰাটো লৈ চন্দ্রপ্রভাই ক'লে।

দৌৰি গুচি গ'ল সোণজিৰা। কেঁচুৰাক নিচুকাই নিচুকাই ৰৈ থাকিল চন্দ্রপ্রভা।

কেঁচুৰা জন্মৰ পিচৰে পৰা কোঠাটোত অনবৰতে একুৰা তুঁহ জুই জ্বলাই থোৱা হৈছে ৰাজানঃত বাস কৰা অভিজ্ঞ নাৰীসকলৰ নির্দেশত। এই জুইত ভূত-প্রেত খেদাবলৈ মাজে মাজে নহৰু আৰু সৰিয়হ চতিয়াই দি আছে। চন্দ্রপ্রভাৰ বিছনাৰ তলত দা-কটাৰী থৈ দিছে। গৰৈ মাছ, জালুকৰ টেপা, অমিতা, উখোৱা চাউল অনেক যত্নেৰে ৰান্ধি-বাঢ়ি খুৱাইছে। ন-পোৱাতীৰ ল'ৰ লগা সকলো যতন অত্যন্ত আন্তৰিকতাৰে লৈছে নাৰীসকলে। সোণজিৰাই।

কেঁচুৰা জন্মৰ সময়ত, তাৰ পিচত নাড়ী নসৰালৈকে এইকেইটাদিন কি যে কৰা নাই ৰাজানঃৰ নাৰীসকলে। আজিও ইমানকৈ বাধা দিয়া সত্ত্বেও চন্দ্রপ্রভাৰ কাপোৰবোৰ খাৰেৰে ধুই দিলে লগত যোৱা বোৱাৰী দুজনীয়ে। খাৰেৰে চন্দ্রপ্রভাৰো মুৰ-গা ধুৱাই দিলে তেওঁলোকে।

সোণজিৰালৈ, এই ৰজানঃত বাস কৰা সকলোলৈ অপৰিসীম মৰমত মনটো পমি গৈছে চন্দ্রপ্রভাৰ। সীমাহীন কৃতজ্ঞতাত মুৰ দোঁ খাই গৈছে।

কি কৰিলে এই মানুহবোৰৰ ঋণ সুজিব পাৰিব চন্দ্রপ্রভাই? কেনেকৈ প্রতিদান দিব এই মৰম আৰু সন্মানৰ?

নিজৰ মাক ওচৰত থকা হ'লে, শাহুৰেক যজ্ঞৱতী ওচৰত থকা হ'লে ইয়াতকৈ অধিক কিবা কৰিলেহেঁতেননে?

আৰু এই সোণজিৰাজনী—

নিজৰ ভনীয়েকতকৈ কিহত কম সোণজিৰা? আজিকালি সেয়েহে তাইক ভনী বুলি মাতে চন্দ্রপ্রভাই। ভনীয়েকক নানাঃও বুলি কয় কাৰণে নানাঃও বুলি মাতে। সোণজিৰাকো তেওঁক বাই বুলি মাতিবলৈ শিকাইছে। বাইতো নকয়— পাই বুলি কয়।

কি মিঠা লাগে।

কি ভাল লাগে চন্দ্রপ্রভাৰ।

মৰমত, কৃতজ্ঞতাত এওঁলোকে যি কৈছে তাকেই শুনিছে চন্দ্রপ্রভাই।

'লওক— লওক পাই।'

হাতৰ মুঠি খুলি চাউল দুটামান দিলেহি উধাতু খাই লৰি অহা সোণজিৰাই। চাউল দুটা মুখত দি কেঁচুৰাক গাখীৰ খুৱাবলৈ বহিল চন্দ্রপ্রভা।

'মই অলপ ফুজাৰ কামবোৰ চাই আহোগৈ পাই। আৰম্ভ হ'বৰে হৈছে।'

'অ'— যা নানাঃও।'

সোণজিৰা ওলাই গ'ল।

আজি ৰাজানঃটো নতুন নতুন যেন লাগিছে। কেঁচুৰাৰ নাড়ী সৰাৰ পিচত আজি বাহিৰলৈ উলিয়াব কাৰণে ঘৰ-দুৱাৰ লিপা-মচা কৰা হৈছে। তুলসী-দুৰৰি ছটিয়াই পবিত্ৰ কৰা হৈছে। সকলো কাপোৰ-কানি ধুই পৰিষ্কাৰ কৰা হৈছে।

কুলৰ নুবাৰ'ৰ পূজা-সেৱা কৰা মুলপুৰুষ জেলাবাৰ' আৰু হেতাৰীৰ লগতে পূজা-সেৱা কৰা মুল নাৰী হাড়ী-কুঁৱৰীও আহি পাইছে। আজি কেঁচুৰাৰ জন্ম অশৌচ শুদ্ধি হ'ব।

সোণজিৰা চোতাললৈ ওলাই আহিল।

চোতালৰ পূব দিশৰ চোতাল সাৰি মচি ঘৰৰ বয়সস্থা মহিলাসকলে হাড়ীকুঁৱৰীৰ লগত বহি এজাঁপ আগলি কলপাততে এটা মাটিৰ চাকি জ্বলাই ৰাখিছে। অন্য এজাপ কলপাততে নডাল ফুলাই লোৱা বাঁহৰ কাড় আৰু এখন ধনু ৰাখিছে। চাকিগছৰ পিচতে পাঁচটা তামোল আৰু পাঁচখিলা পাণো ৰাখিছে।

ওচৰত থিয় হৈ সোণজিৰাই পূজাৰ প্ৰস্তুতি কৰা চাই থাকিল। অলপ পিচত হাড়ী কুঁৱৰীয়ে নিজৰ ভাষাত ক'লে—

'এতিয়া মাক আৰু কেঁচুৰাক আনিব লাগে।'

কোনোবাই কিবা কোৱাৰ আগতেই উলাহ উলাহ খোজেৰে দৌৰি যোৱাদি ভিতৰলৈ সোমাই গ'ল সোণজিৰা।

কেঁচুৰা টোপনি গৈছে।

ওচৰতে কাপোৰ-কানি ভালকৈ পিন্ধি বহি আছে চন্দ্ৰপ্ৰভা। কপাহী সুতাৰ এযোৰ ৰিহা-মেখেলা পিন্ধিছে চন্দ্ৰপ্ৰভাই। বগাৰ ওপৰত ৰঙা ৰঙা বুটা বচা মেখেলাখন বুকুত মেথনি মাৰি তাৰ ওপৰত ৰিহা মেৰিয়াই মেৰিয়াই টানকৈ কঁকাল আৰু বুকু বান্ধিছে। তাৰ ওপৰত এখন ফুলবচা এৰী চাদৰ লৈছে। এই কাপোৰবোৰ ওচৰৰ গাঁৱৰ পৰা বোৱাই আনি দিছে সাধুকুমাৰে। এড়ী চাদৰখন অৱশ্যে ৰাজানঃৰ নাৰীয়ে বোৱা কাপোৰ।

শীত শীত ভাবটো এতিয়াও যোৱা নাই। ব'হাগ বিহু বোধকৰো পাবৰেই হ'ল। পাহাৰতলীৰ ঠাই। সহজতে জাৰ নাযায়। সোণমণি আৰু সোণফুল গঁঠা চপাপতীয়া পাটৰ ৰিহা-মেখেলাযোৰ আৰু মণিপুৰৰ পৰা অনা কুঁৱলীযেন চাদৰখন এটা বেতৰ পেৰাত ভৰাই থৈ দিছে চন্দ্ৰপ্ৰভাই। তাতেই থৈ দিছে খোপা সজোৱা গহণাবোৰ। হাতৰ, কাণৰ গহনাবোৰ এতিয়াও পিন্ধি আছে চন্দ্ৰপ্ৰভাই।

অভ্যাস।

বিশ্বাস।

আভৰণহীন হৈ থকাটো বিবাহিতা নাৰীৰ বাবে শোভনীয় নহয়। মংগলজনকো নহয়।

সৰুৰে পৰা দেখি-শুনি শিকা কথা।

এই বিশ্বাস এতিয়াও গভীৰত প্ৰোথিত হৈ আছে। কিন্তু ইয়ালৈ আহি লাহে লাহে যেন সেই বিশ্বাসৰ শিপাডাল দুৰ্বল হৈ পৰিবলৈ আৰম্ভ কৰিছে।

ইয়াৰ নাৰীয়েও গহনা-গাঁথৰি পিন্ধে। নিজক সজায়। কিন্তু ই সৌন্দৰ্যৰ কাৰণেহে। কোনো নিয়মৰ বান্ধোন নাই।

শিৰত সেন্দূৰ নল'লে স্বামীৰ অকল্যাণ হয় বুলি জানিছিল চন্দ্রপ্রভাই। কিন্তু ইয়ালৈ আহি সেন্দূৰ নোলোৱা বিবাহিতা নাৰীসকলক দেখি প্ৰথমতে আচৰিত হৈছিল চন্দ্রপ্রভা, তাৰ পিচত নিজৰ বিশ্বাসৰ অৰ্থহীনতাক উপলব্ধি কৰিছিল।

তথাপিও এতিয়াও শিৰত সেন্দূৰ লয় চন্দ্রপ্রভাই। উকা সেওতাৰে চলিৰ পৰা মনৰ প্ৰস্তুতি তেওঁৰ এতিয়াও গঢ়ি উঠা নাই।

ক'ৰ পৰা যে সেন্দূৰৰ ফলবোৰ গোটাই আনি দিয়ে সাধুকুমাৰে। এতিয়াও কেইবাটাও সেন্দূৰ ভৰি থকা ফল শুকুৰাই থোৱা আছে। অনেক দিনলৈ সেন্দূৰৰ অভাৱত নপৰে চন্দ্রপ্রভা।

সাধুকুমাৰৰ কথা মনত পৰি মনটো বেয়া লাগি গ'ল চন্দ্রপ্রভাৰ। এক ভীষণ লজ্জা আৰু আক্ষেপত বুকুখন গধুৰ হৈ গ'ল।

সাধুকুমাৰৰ কথা মনত পৰিলেই আজিকালি এনে হয় চন্দ্রপ্রভাৰ। ভয় ভয় ভাবৰ ঠাই আজিকালি অধিকাৰ কৰিছেহি আত্মগ্লানি আৰু গভীৰ লজ্জাৰ অনুভূতিয়ে।

এনে এজন সাধুপুৰুষক নাৰী লোভী বুলি সন্দেহ কৰিছিল চন্দ্রপ্রভাই। ভয় কৰিছিল। চন্দ্রপ্রভা কিমান ঠেক মনোবৃত্তিৰ! কিমান সন্দেহবাদী। কিমান স্বাৰ্থপৰ!

সেইদিনধৰি গোভাৰ ৰাজানঃলৈ আৰু এবাৰো থাকিবলৈ অহা নাই সাধুকুমাৰ। কেতিয়াবা বিশেষ প্ৰয়োজনত আহিলেও বাহিৰে বাহিৰে গুচি গৈছে। চন্দ্রপ্রভাক এবাৰো দেখা কৰা নাই।

সাধুকুমাৰ যিমানবাৰ গোভালৈ আহিছে সিমানবাৰ অপৰিসীম লজ্জাত সংকুচিত হৈ গৈছে চন্দ্রপ্রভা। অপৰাধবোধৰ তীব্র দংশনত কাতৰ হৈ পৰিছে।

সাধুকুমাৰে আঁতৰত থাকি যোগান ধৰি যোৱা, লালুং নাৰীসকলক নলগা কিন্তু চন্দ্রপ্রভাক লগা আটকীয়া বস্তুবোৰে চন্দ্রপ্রভাক যেন ঠেলি ঠেলি দিয়ে যন্ত্রণাৰ অতললৈ। কাঢ়ি নিয়ে মনৰ স্বস্তি। ৰাতিৰ নিদ্রা।

'পাই— আপোনাক আৰু কেঁচুৰাকনক হাড়ীকুঁৰৰীয়ে লৈ যাব কৈছে।'

সোণজিৰাৰ উৎসাহত টগবগাই উঠা মাতটো শুনি চন্দ্রপ্রভা উঠিল।

শুই থকা কেঁচুৱাটোলৈ চালে।

'সি শুই আছে যে।'

'ফূজা আৰম্ভ হৈছে নহয়। কোলাত তুলি লওক। সাৰ পালে ভালহে।'

কপাহী কাপোৰেৰে মেৰিয়াই থোৱা কেঁচুৱাটোক এড়ীচাদৰ এখনেৰে মুখখন ওলাই থকাকৈ ঢাকি কোলাত তুলি লৈ বাহিৰলৈ ওলাই আহিল চন্দ্রপ্রভা।

চন্দ্রপ্রভা ওলাই অহাৰ পিচতে জেলাবাৰ' উঠি আহিল। এজাপ কলপাততে তামোল-পাণ এযোৰ, আৰৈ চাউল কেইটামান, তুলসী-দুৱৰি আদি লৈ ঘৰৰ ভিতৰলৈ সোমাই গ'ল। চন্দ্রপ্রভাৰ কোঠাৰ বাহিৰৰ দুৱাৰমুখত থ'লে। তাৰ পিচত উভতি আহি চোতালত বহি থকা চন্দ্রপ্রভাৰ কোলাত থকা কেঁচুৱাটোৰ চুলি কাটি আগলি কলপাততে থ'লে।

'এইখিনি পিচত গোবৰত সানি ভিতৰত কড়ি এটা দি প্রধান দুৱাৰৰ গাত লগাই থ'ব লাগিব।'

জেলাবাৰ'ই ক'লে।

হাড়ী কুঁৱৰীয়ে লালুং ভাষাত কিবা এষাৰ ক'লে।

চন্দ্রপ্রভাই সোণজিৰালৈ চালে—

'কি কৈছে তেখেতে?'

'কেচুৱাকনক পূব দিশলৈ মুৰ কৰি তুলি ধৰিবলৈ কৈছে ৰাণীদেউ।'

ৰৱজেলাই কণী এটা হাতত তুলি ল'লে।

এতিয়া ফা মাহাদেউ, মা কালিখা কামাখ্যাৰ লগতে চাৰিভাই চাৰিকৰা দেৱতাক পূজা কৰিব ৰাণীদেউ।' সোণজিৰাই শুন নুশুনকৈ ক'লে। জেলাবাৰ'ই তেতিয়া স্তুতিমন্ত্র আৰম্ভ কৰিছিল।

অবাক হৈ শুনি থাকিল চন্দ্রপ্রভাই। কেতিয়াও নেদেখা কেতিয়াও নুশুনা মন্ত্র। কেতিয়াও নেদেখা নুশুনা পূজাৰ নিয়ম।

জেলাবাৰ'ই এটা বগা পাৰ পোৱালি হাতত তুলি ল'লে—

'এই চৰাই পোৱালিটো ফা-মাহাদেউক উচৰ্গা কৰিব ৰাণীদেউ।' সোণজিৰাই লাহেকৈ ক'লে।

চৰাই পোৱালিটো হাতত লৈ জেলাবাৰ'ই খৰকৈ আৰু সুৰীয়াকৈ মন্ত্র মাতিবলৈ আৰম্ভ কৰিলে—

'আ' ৰাম ঈশ্বৰ ফৰ্‌ভু হজাউদেউ মাহাদেউ। ঐ মা কালিখা কামাইখা। নাগ' চেঁৰা ৰীদং-ফূজা ৰীদং। নিথাউ ৰীদং-নিৰান্ ৰীদং। তাছুন তিনে ফাৰা। খাৰু খাৰু জালা-খাৰু খাৰু ৰৰইনে অছানা। না-নে নিয়ম থাইদ'— নীতি থাইদ'। ৰেবুৰ নীতি-নিয়ম

মানেগেৰে। নাগ' ভাগ অছদং-যোগ অছদং। চেঁৰা অছদং-ফুজা অছদং। থল মূৰি থল আৰ' জীউ মূৰি জীউ। হেবে কিছা চিঞাপ লাইগাৰে সুন্তোষ হংগা। হেবে নুনাইবা। নুনাই ছাজ'গ' মা-নে লগচঙে। — থিৰাই ৰাখানা— জিৰাই ৰাখানা। চক্লৰ' আফৎ-পিগিনি/চিকাই লাইগাৰে। বেৰৌগ' অচাচী অছাউ ঐ ফৰভূ হজাইদেউ মাহাদেউ। ঐ মা কালিখা কামাইখা।'

চৰাই পোৱালিটো একেকোৰে কাটি তেজৰোৰ আগলি কলপাততে ঢালি দিলে জেলাবাৰ'ই।

চন্দ্রপ্রভা শিয়ঁৰি উঠিল। ক'ব নোৱাৰাকে চকুযোৰ মুদ খাই গ'ল।

'চকু মুদিব নাপায় ৰাণীদেউ। দেৱতাই বেয়া পায়।' সোণজিৰাই ফুচফুচাই ক'লে।

উচপ খাই চকুমেলি চালে চন্দ্রপ্রভাই।

দেৱতাই বেয়া পায়!

দেৱতাই বেয়া পালেতো নহ'ব!

পুত্রৰ অকল্যাণ হ'লে কি লৈ জীয়াই থাকিব চন্দ্রপ্রভা?

ক'ব নোৱাৰাকে হাতযোৰ কৰি বাবা বিশ্বনাথক স্তুতি কৰিলে চন্দ্রপ্রভাই।

বাবা বিশ্বনাথ জানো ফা মহাদেউ নহয়? চন্দ্রপ্রভাৰ স্তুতি সোণজিৰাইতৰ ফা মাহাদেওৰে গ্রহণ নকৰিবনে?

হাড়ীকুঁৱৰীয়ে মন্ত্র মাতিছে। মাক আৰু সন্তানৰ কল্যাণ কামনা কৰি ফা-মাহাদেউ আৰু কালিখা-কামাখ্যাৰ লগতে দশদিক্পাল দেৱতাক স্তুতি কৰিছে। মনদি মন্ত্রবোৰ শুনিবলৈ আৰু বুজিবলৈ চেষ্টা কৰিছে চন্দ্রপ্রভাই।

লাহে লাহে যেন মনটো শান্ত আৰু সমাহিত হৈ পৰিছে। আনন্দ আনন্দ লাগিছে। নিজকে এইদেশৰ মানুহৰ এজন যেন লাগিছে। ভাল লাগিছে চন্দ্রপ্রভাৰ। ভাল লাগিছে। ক'ৰবাত যেন খোপনি বিচাৰি পাইছে চন্দ্রপ্রভাই। সুদীর্ঘ, নিদ্রাহীন আৰু ক্লান্তিৰে ভৰা অশান্তিকৰ দিন-ৰাতিৰ শেষত সুস্থিৰ জীৱনৰ মাজলৈ যেন উভতি আহিব ধৰিছে চন্দ্রপ্রভা।

'আ' ৰাম ঈশ্বৰ ফৰভূ হজাইদেউ-মাহাদেউ। ঐ মা কালিখা কামাখ্যা...

জেলা বাৰ'ৰ দৰেই একেই সুৰেৰে স্তুতি কৰিছে হাড়ী কুঁৱৰীয়ে।

সন্তানৰ কল্যাণ কামনাৰে মনৰ ভিতৰত প্রার্থনা আওৰাই আওৰাই তন্ময় হৈ গৈছে চন্দ্রপ্রভা।

হাড়ীকুঁৱৰীয়ে ধনুকাঁড় হাতত তুলি ল'লে। খৰকৈ মন্ত্র মাতিবলৈ আৰম্ভ কৰিলে—

ফুৰবনে চেওল' চকলৰ' আফৎ-পিগিনি। হেবে প্লা-চেলেনে লগচঙে চিকাই লিমে। পশ্চিমনে দেও ল' পশ্চিমা লিমে। উত্তৰণে দেও ল' উত্তৰা লিমে। থিৰাই

ৰাখানা-জিৰাই ৰাখানা। চকলৰ' দেও পিতৃ চন্তোষ হঙ'। ঐ ফা হজাইদেউ মাহাদেউ। ঐ মা ঘৰদেউ ঘৰগাঁছানী। কালিখা— কামাইখা।

কেঁচুৰাটোৰ হাতত ধৰাই ধৰাই সাত কোণলৈ সাতডাল কাঁড় মাৰিলে হাড়ীকুঁৰৰীয়ে। এডাল কাঁড় আকাশলৈ টোঁৰাই এৰি নিদি ধনুৰ পৰা গুচাই কেঁচুৰাৰ হাতত থৈ তিৰা ভাষাত কিবা এষাৰ ক'লে।

'কি কৈছে?' গুণগুণাই সুধিলে চন্দ্রপ্রভাই।

'কৈছে— 'বোপাই, তোৰ ৰণ সদায় বাহিৰত।' ছোৱালী হ'লে তোৰ ৰণ সদায় ঘৰৰ ভিতৰত বুলি কয়।' সোণজিৰাই ক'লে।

কাঁড়ডাল কেঁচুৰাৰ হাতৰ পৰা লৈ কলপাতত থৈ দিলে হাড়ীকুঁৰৰীয়ে।

ইতিমধ্যে ঘৰৰ ভিতৰৰ পৰা জীয়ৰী-বোৱাৰীবোৰে জালুকৰ গুড়ি দিয়া পহন মদ 'জু-চা' ভৰি থকা জু লাউবোৰ দাঙি আনি চোতালত থ'বলৈ আৰম্ভ কৰিছিল। চোতালত বহি থকা মহিলাসকল আগত জু খোৱা বাতিবোৰ থ'বলৈও আৰম্ভ কৰিছিল।

তিৰা ভাষাত কিবা এষাৰ কৈ হাড়ীকুঁৰৰীয়ে চন্দ্রপ্রভালৈ চাই হাঁহিলে।

'কি কৈছে সোণজিৰা?' বুজি নাপাই চন্দ্রপ্রভাই সুধিলে।

'আপোনাক কেঁচুৰাকনক লৈ ভিতৰলৈ যাবলৈ কৈছে ৰাণীদেউ।'

মনত অপাৰ প্রশান্তি আৰু আনন্দ লৈ চন্দ্রপ্রভা উঠিল।

ঠিক সেই মুহূর্ততে এজাক ঘোঁৰাৰ খুৰাৰ শব্দৰে চৌদিশ মুখৰিত কৰি ৰাজানঃৰ বাহিৰলগ'লহি সাধুকুমাৰ আৰু দেহৰক্ষীসকল।

চন্দ্রপ্রভাৰ বুকুখন ধক্‌কৈ উঠিল। মনৰ ভাব প্রকাশ নকৰি গম্ভীৰ খোজেৰে শোৱা কোঠালৈ উভতি আহিল চন্দ্রপ্রভা।

অলপ পিচতে সোণজিৰাও সোমাই আহিল।

'অলপ জু-চা খাব নেকি পাই?'

সোণজিৰাৰ এখন হাতত এটা বাঁহৰ সৰু সৰু টঙাল গুঠি সাজি উলিওৱা পাত্র। আনখন হাতত জলপানৰ কাঁহি।

'জু-চা? নাখাও নানাঃও। মই কেতিয়াও এনে বস্তু খাই পোৱা নাই। ভয় লাগে।'

কাঁহিখন বেতৰ মেজ এখনত নমাই থৈ সোণজিৰাই হাঁহিলে—

'এয়া চাউলৰ পানীহে ৰাণীদেউ। আমি খাওঁ। বৰ সোৱাদ। জালুকগুড়ি মিহলোৱা থাকে। জু-চা আৰু জু-লাম্ফু সদায় তৈয়াৰ কৰা নহয়। আমি জু-মাগ্রাহে খাও। জু-চা বেছি সোৱাদ ৰাণীদেউ। মই এই 'ড্রান'টোত ভৰাই আপোনালৈ অকণমান লৈ আহিছো।'

সোণজিৰাৰ হাতৰ পাত্রটোলৈ চাই আচৰিত হৈ গ'ল চন্দ্রপ্রভা। বাঁহৰ পাত্রত কেনেকৈ পানী যেন মদ কঢ়িয়াই আনিছে সোণজিৰাই?

'বাঁহৰ পাত্রত কেনেকৈ জু-চা থৈছ' নানাঃও?'

'পাৰি। বুধিৰে সাজিছে নহয়। এয়া দেখিছে এইটো বাহিৰ ফালৰ পাত্র। বাঁহেৰে সঁজা। ভিতৰতো এটা বাঁহেৰে সজা পাত্র আছে চাওঁক। গাজৰ ৰবফাংগছৰ আঠাৰে দুয়োভাগ লগলগাই দিছে। এই আঠা শুকালে পানী পালেও নগ'লে।'

'আচৰিত। সঁচায়ে আচৰিত। মই কেতিয়াও এনে পাত্র দেখা নাছিলো নানাঃও।'

'কেনেকৈ দেখিব? দেওৰাজাই আপোনাক কাঁহৰ কাঁহী-পাথিতহে ভাত-পানী দিব লাগে বুলি কৈ থৈছে। এইবোৰ আপোনাক কোনে দেখুৱাব?'

'দেখুৱাবি নানাঃও। দেখুৱাবি। মোৰ তহঁতৰ সকলো কথা ভাল লাগিছে। সকলো কথা জানিবলৈ শিকিবলৈ মন গৈছে।' গভীৰ আন্তৰিকতাৰে ক'লে চন্দ্রপ্রভাই।

ড্রানটো নমাই থৈ চন্দ্রপ্রভাৰ পৰা কেঁচুৰাটো সোণজিৰাই নিজৰ কোলালৈ নিলে। এহাতেৰে কাহিখন তুলি আনি চন্দ্রপ্রভাৰ হাতত দি কৈ উঠিল—

'শিকিনো কি লাভ? আপুনি জানো আমাৰ মাজত সদায় থাকিব?'

'মই সদায় নাথাকো বুলি কিয় ভাবিলি নানাঃও?' চন্দ্রপ্রভাই আচৰিত হৈ সুধিলে।

'আপোনাক দেখিলেই বুজা যায় পাই।'

চন্দ্রপ্রভাক যেন এপাট প্রচণ্ড চৰ সোধালে সোণজিৰাই।

আপোনাক দেখিলেই বুজা যায়!

এয়া কেনে বাক্য?

চন্দ্রপ্রভাক দেখিলেই বুজা যায় তেওঁ মাত্র দুদিনৰ অতিথি? ইমান পৰৰ দৰে থাকে চন্দ্রপ্রভা? ইমান আন্তৰিকতাহীন যেন লাগে চন্দ্রপ্রভাক? অতিথি যেন লাগে?

চকুযোৰ হঠাতে পানীৰে উপচি পৰিল চন্দ্রপ্রভাৰ। গভীৰ সেমেকা মাতেৰে ক'লে—

'তেনেকৈ নাভাবিবি নানাঃও। তহঁতক এৰি মই ক'লৈ যাম? মোৰ আৰু কোন আছে?'

'ময়োতো তাকেই কওঁ। ৰাজানঃৰ সকলোকে কওঁ— আমাৰ ৰাণীদেউ, আমাৰ পায়ে আমাক এৰি ক'লৈকো গুচি নাযায়। চিৰদিন ইয়াতেই থাকিব। কোনেও বিশ্বাস নকৰে জানে।'

'কিয় বিশ্বাস নকৰে নানাঃও?' চন্দ্রপ্রভাই বিষাদেৰে সুধিলে।

'আপুনি যে আমাৰ তিৰোতাসকলে পিন্ধা কাছ্যং ফাচকাই নিপিন্ধে— আপুনি যে আমাৰ কথা শিকা নাই— আমাৰ ভাষা নকয়— সেন্দুৰ পিন্ধে আৰু সকলোৰে পৰা আঁতৰি আঁতৰি মন মাৰি ৰহি থাকে সেই কাৰণে। মই সকলোকে কৈছো— পাইৰ মনত কিমান দুখ তহঁতে কি জান'— কেঁচুৰা হ'ৰলগীয়া মানুহ এজনীয়ে মন মাৰি

নাথাকি মাগ্র' মিছাৱাত নাচিবলৈ যাব নেকি?'

'মাগ্র' মিছাৱা কি?' সোণজিৰাৰ উষ্মা দেখি হাঁহি পেলালে চন্দ্রপ্রভাই।

'আমাৰ মাগ্র'ৱালী ফৈদৰ নাচ। মাগ্র' মিছাৱা বুলিও কয়— মুইনাৰী কাঠি মিছাৱা বুলিও কয়। ডেকা ল'ৰা-ছোৱালীয়ে একেলগে নাচে। এটা ল'ৰা এজনী ছোৱালী এনেকৈ শাৰী পাতি নাচে। একে কুলৰ ডেকা-গাভৰুৱে একেলগে নাচিব নাপায়। মই ইয়ালৈ অহাৰ আগতে নাচিছিলো। তুমডিং আৰু তগৰ ঢোল বজায়। বাঁহীৰ নিচিনা মুহুৰি বজায়। তাতেইতো লগ পালো ফুলেশ্বৰক।'

'ফুলেশ্বৰ কোন?' চন্দ্রপ্রভাই সামান্য আচৰিত হৈ সুধিলে।

'নকও— লাজ লাগে—' লাজত ৰঙা পৰি হাঁহি পেলালে সোণজিৰাই।

'কচোন— লাজ কৰিব নালাগে।' চন্দ্রপ্রভায়ো হাঁহিলে।

হাঁহি তলমূৰ কৰিলে সোণজিৰাই। সেই মুহূর্ততে দুৱাৰমুখত জীয়ৰী ছোৱালী এজনী থিয় হৈ সোণজিৰাক নিজৰ ভাষাৰে কিবা এষাৰ ক'লে।

"আপোনাক দেওৰাজাই দেখা কৰিব খুজিছে পাই— যদি অনুমতি দিয়ে।' সোণজিৰাই ক'লে।

অনুমতি!

লাজ আৰু অপৰাধবোধত শিৰ দোঁ খাই গ'ল চন্দ্রপ্রভাৰ।

এই ৰাজ্যৰ আশ্রিত চন্দ্রপ্রভা।

এই ৰাজ্যৰ ৰজাৰ দয়া আৰু উদাৰতাৰ ওপৰত নির্ভৰশীল।

এই ৰাজ্যৰ প্রজাৰ মৰম, সন্মান আৰু আত্মীয়তাৰ ঋণেৰে ঋণী।

এই ৰাজ্যৰ ৰজাৰ চৰিত্রক কৰা সন্দেহেৰে অপৰাধী।

নিজৰ প্রধান ৰাজধানী এৰি সুদূৰ আমছাই মার্জঙৰ ৰাজধানীলৈ গুচি গৈছে সাধুকুমাৰ এক আশ্রিতা নাৰীৰ অহংকাৰ আৰু অপমানজনক বাক্যত মর্মাহত হৈ।

ইচ্ছা কৰা হ'লে চন্দ্রপ্রভাৰ সেই বিষযেন বাক্যবাণৰ সমুচিত উত্তৰ দিব পাৰিলেহেঁতেন সাধুকুমাৰে। অথবা শক্তি প্রয়োগেৰে চন্দ্রপ্রভাক অধিকাৰ কৰি প্রতিশোধ ল'ব পাৰিলেহেঁতেন।

যেনেকৈ লৈছিল স্বামী প্রতাপচন্দ্রই।

ক্ষমা নুখুজি স্তব্ধ হৈ ৰৈ থকা চন্দ্রপ্রভাক বিনাদ্বিধাই বিসর্জন দি যেনেকৈ নিজৰ পুৰুষসুলভ শ্রেষ্ঠত্ব প্রতিষ্ঠা কৰিছিল প্রতাপচন্দ্রই।

গোভাৰজা সাধুকুমাৰেও পাৰিলেহেঁতেন। কিন্তু তেওঁ একো নকৰিলে। তীক্ষ্ণ হাঁহিৰে চন্দ্রপ্রভাক শালি থৈ নিজৰ মর্যাদা অক্ষুণ্ণ ৰাখি গোভাৰ ৰাজানঃ এৰি গুচি গ'ল সাধুকুমাৰ। হৰুৱাই থৈ গ'ল চন্দ্রপ্রভাক। অৱনত কৰি থৈ গ'ল। সেই চন্দ্রপ্রভাৰ

সাক্ষাতৰ অনুমতি বিচাৰিছে গোভা ৰজাই। অনুমতি বিচাৰি বিদ্রূপৰ আন এপাট শেল যেন দলিয়াই দিছে চন্দ্রপ্রভাৰ বুকুলৈ।

'মই দেওৰাজাক আপুনি আহি আছে বুলি কওঁগৈ পাই?' সোণজিৰাই উৎসাহেৰে ক'লে।

'অ'— ক'গৈ নানাঃও।'

'কিন্তু আপুনি যে একো খোৱা নাই?' যাবলৈ ওলায়ো ৰৈ গ'ল সোণজিৰা।

'খাম নানাঃও। দেখা কৰি আহো।'

'কাখিৰ খিনিকে খাই আহক পাই। নহ'লে গা বেয়া লাগিব।'

'খাম বাৰু। তই যা।'

সোণজিৰা টগ্‌বগাই গ'লগৈ। কাঁহৰ বাতিত দিয়া গাখীৰখিনি খাই এটা হুমুনিয়াহ কাঢ়ি চন্দ্রপ্রভাই গা ঢাকি লোৱা এড়ী চাদৰখন ভালকৈ ল'লে। তাৰ পিচৰ্ত তুলি ল'লে শুৱাই থোৱা পুত্রক।

অৰিমত্তক।

এই নামটোৰ দুৰ্বলতা পৰিত্যাগ কৰিব নোৱাৰিলে চন্দ্রপ্রভাই।

মৰমেৰে উপচা এৰাতি ৰজা প্রতাপচন্দ্রই সপোন হৈ থকা সন্তানৰ নাম অৰিমত্ত থৈছিল। এই নাম কোন স'তে নিদিয়াকৈ থাকে চন্দ্রপ্রভাই? তেওঁ সিদ্ধান্ত লৈছে অৰিমত্ত নাম তেওঁ দিছে যদিও গোভাৰ সমাজক, সাধুকুমাৰক এটা নিজাকৈ নাম ৰাখিবলৈ ক'ব।

ধীৰে ধীৰে যেন অন্য এটা সিদ্ধান্তত উপনীত হোৱাৰ চেষ্টা কৰিছে চন্দ্রপ্রভাই। এই ৰাজ্যত কি ৰূপত থাকিব চন্দ্রপ্রভা? ৰজা প্রতাপসিংহৰ পৰিত্যক্তা পত্নীৰ ৰূপত নে তিৰাশা সমাজৰ অংশ ৰূপত? কিমানখিনিলৈ নিজৰ ৰূপান্তৰ ঘটাব চন্দ্রপ্রভাই? নিজৰ ঐতিহ্য আৰু পৰম্পৰাক কিমান খিনিলৈ ধৰি ৰাখিব?

ৰাখি কৰিব কি চন্দ্রপ্রভাই?

চন্দ্রপ্রভাৰ সেই সমাজখন ক'ত?

নিজৰ সমাজখন?

এজন পুৰুষৰ আঙুলিৰ নির্দেশত যিখন সমাজৰ পৰা নির্বাসিত হৈছিল চন্দ্রপ্রভা?

সেই কথা মনত পৰিলেই চন্দ্রপ্রভাৰ তেজত যেন জুই জ্বলে। এক ভয়ংকৰ ক্রোধানলত দহি যায় চন্দ্রপ্রভা। কলিজালৈকে। বিদ্রোহৰ এক সুতীব্র ইচ্ছাই যেন দপ্‌দপাবলৈ আৰম্ভ কৰে শিৰাই শিৰাই।

কি লাভ?

নিজৰ উৎস, নিজৰ পৰম্পৰা, নিজৰ অতীতক মনত ৰাখি কি লাভ? কি লাভ

নিজৰ পৰিচিতিক ধৰি ৰাখি? যি পৰিচয়ে পৰিত্যাগ কৰিছে চন্দ্রপ্রভাক? মচি পেলাইছে পৰিচিত আপোন মাটিৰ পৰা? যি দেশে যি সমাজে চন্দ্রপ্রভাক সম্মানেৰে ঠাই এৰি দিছে,— যি সমাজে বুকু খুলি চন্দ্রপ্রভাক গ্রহণ কৰিছে,— যি দেশৰ মানুহে হিয়া উবুৰিয়াই দিছে স্নেহ আৰু স্বীকৃতি— সেই সমাজক উপেক্ষা কৰি নিজৰ পোছাক পিন্ধি, নিজৰ ভাষাক ধৰি ৰাখি, নিজৰ নিজত্বক খামুচি ধৰি ৰাখি কি কৰিব চন্দ্রপ্রভাই?

তেওঁৰ পুত্র, ৰজা প্রতাপচন্দ্রৰ উত্তৰ পুৰুষতো প্রতিপালিত হ'ব এই সমাজতেই। তাকতো নিজৰ সমাজৰ আচাৰ নীতি নিজৰ পৰম্পৰা শিকাব নোৱাৰিব চন্দ্রপ্রভাই। এইবোৰ জানো পাঠশালাত শিকোৱা কথা? এই প্রশিক্ষণ জানো কথাৰে দিব পাৰি? শিকাব পাৰি আৰ্হি নেদেখুৱাকৈ?

অৰিমত্ত যেতিয়া ডাঙৰ হ'ব তেতিয়া ৰিহা-মেখেলা পিন্ধা, সেন্দুৰ লোৱা চন্দ্রপ্রভাক দেখিলে তাৰ মনত প্রশ্নৰ জন্ম নহ'বনে? সি নিজকে আচহুৱা অনুভৱ নকৰিবনে? এই সমাজক তাৰ পিচত সি নিজৰ বুলি গ্রহণ কৰিব পাৰিবনে? নিজৰ সমাজ বুলিবলৈ, নিজৰ পৰিচিতি বুলিবলৈ একো বিচাৰি নাপাই তাৰ জীৱনটো ত্রিশংকুৰ দৰে হৈ নপৰিবনে? ইকুল-সিকুল দুয়োকুল হেৰুৱাই সি বিভ্রান্ত হৈ নপৰিবনে?

অৰিমত্তক এই সমাজৰ পৰা আঁতৰাই প্রতাপপুৰৰ ৰাজধানীলৈ উভতাই পঠিয়াব নেকি চন্দ্রপ্রভাই? ৰজা প্রতাপচন্দ্র আৰু ৰাজমাতা যজ্ঞৱতীৰ হাতত তুলি দিবগৈ নেকি আর্য ক্ষত্রিয় ধর্মপালৰ বংশৰ ধ্বজাবাহকক?

পাৰিবনে?

পাৰিবনে চন্দ্রপ্রভাই?

সিমানখিনি আত্মমর্যাদাহীন, সিমানখিনি নতশিৰ হ'ব পাৰিবনে চন্দ্রপ্রভা?

নোৱাৰে। নোৱাৰে।

কেতিয়াও নোৱাৰে।

অসম্ভৱ।

ৰজা প্রতাপচন্দ্রৰ ওচৰত ক্ষমাপ্রার্থিনী হৈ, অনুগ্রহপ্রার্থিনী হৈ কেতিয়াও আঁঠু ল'ব নোৱাৰে চন্দ্রপ্রভাই।

তাতকৈ ইয়াতেই ভাল।

এই সমাজেই ভাল।

এই সমাজে, এই ৰাজ্যই বহুত দিছে চন্দ্রপ্রভাক। প্রতাপপুৰৰ ৰাজগৃহতো নোপোৱা নাৰীত্বৰ মর্যাদা এই ৰাজ্যত লাভ কৰিছে চন্দ্রপ্রভাই। পাইছে ভৰিৰ তলত কঠিন মাটি।

প্রতাপপুৰত কি আছিল চন্দ্রপ্রভাৰ?

আছিল নে ভৰিৰ তলত কঠিন মাটি?

আছিলনে নিজা কোনো পৰিচিতি?

কোনো অধিকাৰ?

মর্যাদা?

নাছিল। একো নাছিল। থকা হ'লে প্রতাপচন্দ্রই চন্দ্রপ্রভাক নির্বাসন দিব নোৱাৰিলেহেঁতেন। নিজৰ অধিকাৰ, নিজৰ পৰিচিতি, নিজৰ মর্যাদাৰ শক্তিত প্রতাপচন্দ্রক প্রত্যাহ্বান জনাব পাৰিলেহেঁতেন চন্দ্রপ্রভাই।

পালেহেঁতেন ন্যায়।

সুবিচাৰ।

নাযায়। সেই দেশলৈ কেতিয়াও উভতি নাযায় চন্দ্রপ্রভা। তেওঁ ইয়াতেই থাকিব। এই সমাজৰ সুতাৰে লেটালৈ নতুন ৰূপেৰে জন্ম হ'ব চন্দ্রপ্রভা।

গঢ়ি তুলিব অবিমত্তক।

দৃঢ় আৰু গম্ভীৰ খোজেৰে গোভা ৰজাক দেখা কৰিবলৈ ৰাজানঃৰ বাহিৰচ'ৰালৈ ওলাই গ'ল চন্দ্রপ্রভা। বাহিৰচ'ৰাত অপেক্ষা কৰি আছিল সাধুকুমাৰে। চন্দ্রপ্রভাক সোমাই অহা দেখি থিয় হৈ অভিবাদন জনাই ক'লে—

'অসময়ত আমনি দিয়া বাবে ক্ষমা বিচাৰিছো ৰাণীদেউ।'

'কঠিন কথা কৈ মোক আৰু অধিক কষ্ট নিদিব গোভাৰজা। মই মোৰ আচৰণৰ বাবে লজ্জিত। আপোনাৰহে ক্ষমা প্রার্থী।' চন্দ্রপ্রভাই বিষাদেৰে ক'লে।

'তেনেকৈ নক'ব ৰাণীদেউ। দুখ পাওঁ। আপোনাৰ কথাই মোক আঘাত দিছিল সঁচা। কিন্তু মই বহুত ভাবি চালো, আপোনাৰ কোনো দোষ নাই। মই বহুত কথা নাজানো। নাজানো কাৰণেই আপুনি কষ্ট পাবলগীয়া হ'ল। সেইবোৰ কথা মনত ধৰি নাৰাখিব ৰাণীদেউ।'

'আপুনি গোভাৰ ৰাজগৃহ এৰি দূৰণিৰ আমছাই মার্জঙৰ ৰাজগৃহলৈ গুচি গ'ল। ভাবিলে মই কষ্ট অনুভৱ কৰো গোভাৰজা।'

'একো নহয় ৰাণীদেউ। নিজৰেই ৰাজ্য। তাৰ আকৌ ওচৰ দূৰণি কি? মই পিচে অন্য দুটা বিশেষ কথাহে আপোনাৰ লগত আলোচনা কৰিব খুজিছিলো ৰাণীদেউ।'

'কওক গোভাৰজা।'

'আপোনাৰ পুত্রৰ ভৱিষ্যতৰ কথা লৈ মই চিন্তিত ৰাণীদেউ। আপুনি কি ভাবিছে মই নাজানো। মই বহুত ভাবি দুটা কথা বিচাৰি পাইছো। আপুনি যদি তেওঁক প্রতাপপুৰলৈ উভতাই লৈ যাব খুজিছে তেনেহ'লে মোক কওক। মই মূৰ দোঁৱাই ৰজা প্রতাপচন্দ্রৰ ওচৰলৈ যাম। এতিয়ালৈ তেওঁৰ খং নিশ্চয় শাম কাটিছে। সকলো কথা পোনকৈ ভাবিব পৰা হৈছে। তেওঁ নিশ্চয় আপোনালোকক গ্রহণ কৰিব। মই মহা ভৈৰৱৰ বিগ্রহ

চুই শপত খাই সকলো কথা ক'ম। কিন্তু এয়া আপোনাৰ ইচ্ছাৰ কথা। মই আপোনাক উভতি যোৱাৰ কথা কোৱা নাই। আপুনি আমাৰ সম্মানীয় অতিথি। আপোনাৰ ইচ্ছাই আদেশ। আনটো কথা কোৱাৰ আগতে আপোনাৰ মনত কি আছে জানিব লাগিব ৰাণীদেউ।'

চন্দ্রপ্রভা হতবাক হৈ গ'ল। এই সৰল, পোনপটীয়া তৰুণ ৰজাজনৰ চিন্তাশক্তি ইমান প্রখৰ? ইমান শক্তিশালী বিবেচনা শক্তি? ইমান উদাৰতা? ইমান সাহস?

দ্বি-ধাৰ শেষ সুতাডাল যেন ছিন্ন হৈ গ'ল। বহুত সময় মনে মনে বহি থাকিল চন্দ্রপ্রভা। গোভাৰজাও।

এটা সময়ত মুৰ তুলি চালে চন্দ্রপ্রভাই। সিদ্ধান্ত দৃঢ়, গভীৰ, আৱেগসিক্ত মাতেৰে ধীৰে ধীৰে ক'লে—

'মই নিজেও অনেক ভাবিলো গোভাৰজা। ভাবি পালো— এই সমাজৰ পৰা আঁতৰি যোৱাৰ কোনো অর্থ নাই। মোৰ পুত্র অৰিমত্ত এই সমাজৰ আন শিশুসকল যেনেকৈ ডাঙৰ হয় তেনেকৈ ডাঙৰ হওঁক। তাক এটা নাম দিয়ক। সমাজে দিয়া নাম। বা আপুনি দিয়া নাম। ৰাজপুত্র হৈতো মোৰ পুত্র জন্ম হোৱা নাই— পৰৰ ৰাজ্যত আশ্রয় লোৱা নিঃকিন নাৰীৰ পুত্র হৈ সি জন্ম লৈছে। সি তেনেকৈয়ে ডাঙৰ হওঁক। এই সমাজে তাক মানুহৰ দৰে জীয়াই থাকিবলৈ শিকাব। ভাল হ'ব গোভা ৰজা। মই নিজেও নিজৰ পৰিচয় ত্যাগ কৰিম। ময়ো এই সমাজৰ এজন হৈ পৰিম। নতুন নাম ল'ম।'

চন্দ্রপ্রভাৰ আৱেগেৰে ৰঙচুৱা মুখলৈ থৰ লাগি চাই থাকিল গোভাৰজাই। এটা সময়ত তেওঁৰ চকুযোৰ পানীৰে উপচি পৰিল। পৰম মমতা আৰু শ্রদ্ধা সনাসনি হৈ থকা মাতেৰে ক'লে—

'নিজকে নিঃকিন বুলি নাভাবিব ৰাণীদেউ। গোভা আৰু গোভাৰ অনুগত সকলো ৰাজ্যৰ প্রজা আপোনাৰ লগত আছে। আমাৰ সমাজ আপোনাৰ লগত আছে। আপুনি নিঃকিন নহয় ৰাণীদেউ। এতিয়া মই ক'ব খোজা আনটো কথা কওঁ— আপোনাৰ পুত্র অৰিমত্তক আমাৰ সমাজে মোৰ কুলৰ অধিকাৰী হ'বলৈ অনুমতি প্রদান কৰিছে। আপুনি সম্মতি দিলে আমি নুবাৰ'ত নিয়ম কৰি তেওঁক কুলৰ ভিতৰুৱা কৰি ল'ম। ভৰিষ্যতে গোভাৰ ৰজা হ'ব পাৰিব তেওঁ।'

সাধুকুমাৰৰ মমতাৰে উপচা চকুযোৰলৈ কিছুসময় চাই থাকিল চন্দ্রপ্রভাই। এজোলোকা চকুপানীয়ে হঠাতে অস্বচ্ছ কৰি তুলিলে চন্দ্রপ্রভাৰ আয়ত চকুযোৰ। ম্লান হৈ যোৱা মাতেৰে ধীৰভাৱে ক'লে চন্দ্রপ্রভাই—

'কি কৈছে আপুনি গোভাৰজা? বিজন অহংকাৰী, অবিবেচক ৰজাই আপোনাক

ইমান অপমান কৰিলে সেই ৰজাৰ পুত্রক আপুনি গোভাৰ ৰজা পাতিব?'

'ৰজা প্রতাপচন্দ্রহে অবিবেচক আৰু অহংকাৰী। মইতো নহয় ৰাণীদেউ। মোৰ দায়িত্ব মই পালন কৰিম।'

'নকৰিব গোভাৰজা— এনে কাম নকৰিব। আপুনি তাক আপোনাৰ কুলৈলে তুলি লওক। মই আনন্দেৰে সম্মতি দিছো। কিন্তু তাক ৰজা পতাৰ কথা নক'ব গোভাৰজা। কেতিয়াও নক'ব। ই অন্যায়। দুর্যোৰ অন্যায়। আপোনাৰ পুত্রসকলক বঞ্চিত কৰি অন্য দেশৰ, অন্য জাতিৰ, বৈৰী ৰজাৰ পুত্রক ৰাজ সিংহাসন এৰি নিদিব। এনে কাম কৰি মোক নৰকত নেপেলাব গোভাৰজা।' চন্দ্রপ্রভাৰ মাতটো অপ্রকাশিত কান্দোনত কঁপি উঠিল।

চন্দ্রপ্রভাৰ চকুলৈ চাই আছিল সাধুকুমাৰে। তেওঁৰ মুখখন পৰম উদাৰতাৰ অপার্থিব জ্যোতিত উদ্ভাসিত হৈ উঠিছিল। চন্দ্রপ্রভাক স্থিৰ হ'বলৈ সময় দি সাধুকুমাৰে ধীৰভাৰে ক'লে—

'আপোনাৰ কথা একপ্রকাৰে সত্য ৰাণীদেউ। মোৰ পুত্রসকলক বঞ্চিত কৰি আপোনাৰ পুত্রক গোভাৰ ৰজা পতাটো অন্যায়। কিন্তু অন্যায় তেতিয়াহে হ'ব যেতিয়া মোৰ পুত্রৰ জন্ম হ'ব। জন্ম নহয় ৰাণীদেউ। ফা মাহাদেউৰ শপত খাই কৈছো— মই কেতিয়াও সংসাৰ নকৰো। আপোনাৰ পুত্রকেই মই মোৰ পুত্র হিচাপে সমাজ মাতি নিজৰ কৰি ল'ম— যদি আপুনি অনুমতি দিয়ে।'

বিস্ময়াহত হৈ পৰিল চন্দ্রপ্রভা। অস্থিৰ হৈ পৰিল অগাধ আৱেগত।

গোভাৰজাৰ চকুলৈ চন্দ্রপ্রভাই নির্বাক হৈ, স্তব্ধ হৈ চাই থাকিল। চায়েই থাকিল। বুকু ভাঙি পেলাব খোজা বলিয়া বানৰ দৰে চকুৰ পানীয়ে তেতিয়া চন্দ্রপ্রভাৰ দুচকুৰ বৰভেটাত খুন্দিয়াই খুন্দিয়াই বাট বিচাৰিবলৈ আৰম্ভ কৰিছিল।

১১

'লালি-হিলালি লাই অ' পিতাদেউ
লালি হিলালি লাই।
হিলালি গীত গাওতে পলুৱাই আনিলে
অজলা লালুঙক পাই।'

নুবাৰ'ৰ চোতালত শাৰী পাতি মুখামুখিকৈ বহিছে গাঁৱৰ বুঢ়াসকল। তেওঁলোকৰ সম্মুহীয়া কণ্ঠত প্ৰাণ পাই উঠিছে লালি হিলালি গীত।

'লালি হিলালি লাই
সাতখন পথাৰত
ঘুৰাইলৈ আহিলে
অজলা লালুঙক পাই।'

এটা শাৰীৰ বুঢ়াসকলে গোৱাৰ পিচতে মুখামুখিকৈ বহা বুঢ়াসকলে গীতেৰেই উত্তৰ দিছে।

বুঢ়াসকলৰ ওচৰে-পাঁজৰে ৰাইজ বহিছে। সকলোৰে মাজত আচুতীয়া আসনত বহিছে চন্দ্ৰপ্ৰভা।

নহয়। চন্দ্ৰপ্ৰভা নহয়।

গোভাৰ ৰাইজে মাতৃৰ সন্মান দিয়া আই খামাৰি কনচাৰী।

গোভাৰ ৰাজগৃহৰ মূল নাৰী কনচাৰী।

কনচাৰীৰ গাত ৰঙা আৰু হালধীয়া ফুলবচা উজ্জ্বল ক'লা ৰঙৰ কাছ্যং ফাচকাই। কনচাৰীৰ ডিঙিত ৰূপৰ বনমলা। হাতত ৰূপৰ খাৰু। কাণত ৰূপৰ খৰিয়া। বাঁহগাজৰ খাৰেৰে ধোৱা কিচকিচিয়া ক'লা দীঘল চুলিকোচা ওখকৈ আৰু সেওঁতা নফলাকৈ টানকৈ বন্ধা খোপাত আবদ্ধ। প্ৰসাধনহীন, সেন্দূৰৰ ফোঁট ৰেঘাহীন এখন সোণবৰণীয়া উজ্জ্বল মুখ। অঞ্জনবহীন এযুৰি গভীৰ, গভীৰ আয়ত চকু।

এখন অন্য— অনন্য মুখ।

এজনী বেলেগ নাৰী।

এটা অন্য ব্যক্তিত্ব।

আজি নিজৰ আটাইতকৈ ভাল কাপোৰ সাজ পিন্ধিছে কনচাৰীয়ে। এই কাপোৰসাজ সোণজিৰাই নিজহাতে বৈ দিছিল। সূতাকটা, সূতাত ৰং দিয়াৰ পৰা কাপোৰ বোৱালৈ সকলো কাম নিজহাতে কৰিছিল সোণজিৰাই।

কনচাৰীক দেখুৱাবলৈ। শিকাবলৈ।

নিলি গছৰ পাত আৰু ক'লা জামুৰ বাকলিৰে টাকুৰিত কটা কপাহী সূতাবোৰত ক'লা ৰং বুলাইছিল সোণজিৰাই। হাজুগছৰ শিপাৰ আলুৰে হালধীয়া ৰং আৰু ওৰালত লা খুন্দি কুহুমীয়া গৰম পানীত সিজাই সূতাবোৰত ৰঙা ৰং বুলাইছিল। দেখি আচৰিত হৈ গৈছিল চন্দ্রপ্রভা।

'শিকি লওক পাই। আমি আবি আইৰ পৰা শিকা কথাবোৰ এনেকৈ কামৰ মাজেদিয়ে শিকিছিলো।' সোণজিৰাই কৈছিল।

সোণজিৰাৰ সহায়ত লাহে লাহে আৰু অনেক কথাই শিকি পেলাইছে কনচাৰীয়ে। আয়ত্ত কৰিছে স্থানীয় অনেক অভ্যাস।

কনচাৰীয়ে যেতিয়া টাকুৰীৰে সূতা কাটিবলৈ আৰম্ভ কৰিছিল তেতিয়া টাকুৰীটো মাটিৰে গঢ়া আছিল। কিছুদিন পিচত সোণজিৰাই কাছৰ চলঙৰ টাকুৰী এটা আনি দিছিল।

'এইটো কাছৰ চলঙৰ টাকুৰী পাই।' পৰম উৎসাহেৰে কৈ উঠিছিল সোণজিৰাই।

'এই টাকুৰীৰে ৰজা আৰু বিষয়াসকলৰ ঘৰৰ তিৰোতাবোৰেহে সূতা কাটে। আমি মাটিৰে গঢ়া টাকুৰীৰে কাটো।'

'টাকুৰীটো ক'ত পালি? নতুন যেন লাগিছে।'

টাকুৰীটো ঘুৰাই পকাই চাই আচৰিত হৈ সুধিছিল কনচাৰীয়ে।

'দেওৰাজাক খুজি আনিলো। মাটিৰ টাকুৰীৰে সূতা কাটিলে জানো ভাল দেখি? দেওৰাজাই লগে লগে আনি দিলে।'

'তই বৰ বেয়া ছোৱালী নানাঃও। গোভাৰজাক খুজিবলৈ গলিনো কিয়? কি ভাবিছে তেওঁ?'

'কি ভাবিব আৰু? ভালহে পাইছে। দেওৰাজাই আপোনাক বহুত ভাল পায় পাই। বহুত সন্মান কৰে।' সোণজিৰাই কৈছিল।

কনচাৰীৰ গাল-মুখ ৰঙা হৈ যোৱা দেখা নাছিল সোণজিৰাই।

আজিকালি টাকুৰীৰে সূতা কটাতো কনচাৰীৰ কাৰণে এক আনন্দদায়ক কাম হৈ পৰিছে। কনচাৰীৰ শোৱনী কোঠাত নিজৰ বাহিৰেও চাবি বহুৰীয়া অৰিমন্তৰ কাপোৰ আৰু অন্যান্য বস্তুৰ লগতে কপাহ আৰু এড়ি মুগাৰ লেটা থোৱা বেতেৰে সজা পাচিও

থাকে। তাৰ লগত যোগ হৈছে এটা নতুন বস্তু। পুথি। সাধুকুমাৰে কনচাৰীক আনি দিছে সাঁচিপতীয়া অনেক পুথি। শিলিখা আৰু কেহেঁৰাজৰ তৈয়াৰ কৰা মৈলাম আৰু ইকৰাৰ কাপ। জাপে জাপে আনি দিছে উকা সাঁচিপাত। আজৰি সময়ত পুথিবোৰ পঢ়ে কনচাৰীয়ে। এই কনচাৰীলৈ অবাক হৈ চায় ৰাজনঃত বাসকৰা নাৰীসকলে। শিশুবোৰে। আনৰ আগত কৈ গর্ব কৰে। কনচাৰী এক নতুন ৰূপ, নতুন পৰিচয়েৰে উদ্ভাসিত হৈ উঠিছে। যিয়ে দেখে সিয়েই মুগ্ধ হৈ চায়। শ্রদ্ধাত মুৰ দোৱায়।

এতিয়াও পূজাৰ থলী নুবাৰ'ত গোট খোৱা মানুহবোৰৰ লগতে গীত গাই থকা বুঢ়াসকলৰো সভক্তি চাৰনিয়ে মাজে মাজে চুই গৈছে কনচাৰীক। কনচাৰীয়ে কালৈকো চোৱা নাই। একান্তমনে গীত শুনিছে। পৰম কৌতূহলেৰে লক্ষ্য কৰিছে অনুষ্ঠানৰ কাম-কাজবোৰ। আজি মনশ্ব ফূজাৰ দিন। এই ফৈদৰ কিছু বছৰৰ ভিতৰত জন্ম হোৱা শিশুসকলৰ সামুহিক অশৌচ খেদা অনুষ্ঠান। এই অনুষ্ঠান নহ'লে ফৈদৰ মৃতকসকলৰ ৰাজহুৱা কৰম কৰিব পৰা নাযায়।

গীত গাই থকা বুঢ়াসকলৰ ওচৰত একেলগে বহি আছে ফৈদৰ অশৌচ গুচাব লগা এদিনীয়াৰ পৰা চাৰি বছৰৰ বয়সৰ ল'ৰা শিশুসকল। এই সকলো শিশুৰ মাজত বহি আছে আৰিমত্ত। কনচাৰীৰ পুত্র।

কনচাৰীয়ে নাম থৈছিল অৰিমত্ত। লোকৰ মুখত পৰি চাৰিটা বছৰত আৰিমত্ত হ'লগৈ।

কনচাৰীয়ে কোনো প্রতিবাদ কৰা নাই। প্রতাপচন্দ্রই দিয়া নামৰ এই পৰিবর্তনত অসন্তুষ্টও হোৱা নাই।

সমাজৰ ইচ্ছা।

এই ইচ্ছাক অসম্মান নকৰে কনচাৰীয়ে। যিদিনা এই সমাজৰ এজন হৈ থাকিম বুলি সাধুকুমাৰৰ আগত ঘোষণা কৰিছিল চন্দ্রপ্রভাই, সেইদিনাই সিদ্ধান্ত লৈছিল এই সমাজৰ ইচ্ছা আৰু আগ্রহৰ, — এই সমাজৰ নিয়ম আৰু সিদ্ধান্তৰ কেতিয়াও বিপৰীতে নাযায় চন্দ্রপ্রভা।

সেই দিনটোৰ পিচত লাহে লাহে নিজৰ ৰূপান্তৰ ঘটাইছে চন্দ্রপ্রভাই। নিজৰ নাম বুঢ়াখেলক সুধি কনচাৰী৷ ৰাখিছে। মচি পেলাইছে সেন্দুৰৰ ফোঁট ৰেখা। শিকিবলৈ আৰম্ভ কৰিছে সমাজৰ ভাষা, ৰীতি-নীতি, আচাৰ-অনুষ্ঠান সকলোবোৰ।

সোণজিৰাৰ সহায়ত।

সোণজিৰা যেন কনচাৰীৰ শিক্ষয়িত্রী।

কনচাৰীতকৈও উৎসাহ বেছি সোণজিৰাৰ। যিটো কথাই শিকাবলগীয়া যেন পায় সেইটোকেই জনাখিনি লগে লগে আৰু নজনাখিনি জনালোকক সুধি-পুচি আহি শিকায়।

এই মুহূর্ততো ওচৰতে ঢাৱিত বহি থকা সোণজিৰাই মুৰ তুলি চাই কনচাৰীক ক'লে—

'আমাৰ 'ক্রাৰাও' মানে বুঢ়ালোক সকলে গোৱা লালি-হিলালি কিত শুনি ভাল লাগিছেনে পাই?'

'লাগিছে।' কনচাৰীয়ে হাঁহিলে।

'লালি-হিলালি-লাই আচলতে তিনিজনী বাই-ভনী আছিল জানে পাই। আবি আজ'ই কোৱা কথা।'

'হয় নেকি? ক'চোন কাহিনীটো।'

'মই অৱশ্যে বেছি একো নাজানো পাই। মোৰ আবিয়ে কৈছিল— এই তিনিওজনী পাই নানাঃওৰ মাজত বহুত মৰম-চেনেহ আছিল। কেনেবাকৈ তেওঁলোকৰ এৰাএৰি হ'ল। লালিয়েই আমাৰ চুবুৰীয়া মিকিৰসকলৰ আদি মাঃ। হিলালীৰ পৰাই বোলে বড়ো-কছাৰীসকল হ'ল। লাই আছিল সৰু নানাঃও। আমাৰ লালুংসকল হেনো তেওঁৰ পৰাই হ'ল। সেয়ে আমি ল'ৰা-ছোৱালীৰ জন্ম অশৌচ খেদাওতে তেওঁলোকৰ নাম লৈ কিত গাও। অন্য কিবাকিবি ফুজাতো গাও। ধান ৰুওতে-কাটোতেও গাও। আমি লালি হিলালী কিত গাই বৰ ভালপাওঁ পাই। চাৰচোন এতিয়া বুঢ়াসকলে ল'ৰাবোৰক কেনেকৈ ৰাইজৰ মাজত নচুৱাবহি।'

' 'নুবাৰ'ৰ ভিতৰত যে থৈছে কেঁচুৱা ছোৱালীবোৰ তেওঁলোককো এনেকৈ গাই নচুৱাব নেকি?'

'অ'। এতিয়া গাই আছে। তাৰ পিচত নচুৱাব। হাড়ীকুঁৰৰীয়ে নচুৱাব। ল'ৰাবোৰক বৰজেলা আৰু ছখাজেলায় নচুৱায়।'

'এতিয়া মোক শুনিবলৈ, চাবলৈ দে। কথা কৈ নেথাকিবি নানাঃও। বৰ কথা পাত তই।' কনচাৰীয়ে হাঁহিলে।

'ক'বলৈ মন যায় অ' পাই। চাওঁকচোন আমাৰ ল'ৰাকণক। কেনেকৈ জিলিকি আছে। ডাঙৰ হ'লে বৰ ধুনীয়া হ'ব আমাৰ ল'ৰাকণ।'

'তোৰো ল'ৰা হ'লে ভাল হয়। আৰিমস্তৰ লগ হ'ব পাৰিব। তোৰোতো সময় হৈ আহিল।'

লাজ আৰু আনন্দত মুখখন ৰঙা পৰি গ'ল সোণজিৰাৰ। সুখ সুখ অনুভূতিৰে মনটো ভৰি গ'ল।

সোণজিৰা আজিকালি ৰাজানঃৰ ওচৰতে থকা গাঁৱলীয়া নামৰ গাঁওখনত থাকে। এই গাঁওখনতে ৰজাৰ লগুৱা-লিকচৌ, সৈন্য, পালি-পহৰীয়াসকল থাকে। প্রয়োজনত মুহূর্ততে আহি ওলাব পাৰে। এতিয়াও তাৰ পৰা প্রায় সদায় আহে সোণজিৰা। মুইনাৰী

কাঠি মিছাৱাত নাচোতে লগপোৱা ফুলেশ্বৰৰ লগত সংসাৰৰ কামত ব্যস্ত হৈ থাকিলেও কনচাৰীৰ আল-পৈচান ধৰাটোৱেই তাইৰ মূল কাম। আজিকালি অৱশ্যে গা গধুৰ হোৱাৰ পৰা কনচাৰীয়ে তাইক বেছি কাম-বন কৰিবলৈ নিদিয়ে। ওচৰত বহুৱাই কথা-বতৰা পাতি থাকে।

'মোৰ ল'ৰা হ'ব বুলি সকলোৱে কৈছে পাই। মই বোলে বৰকৈ খীনাইছো আৰু আন কিবাকিবিও চিন পাইছে বোলে। মোৰ অলপ ভয় ভয়হে লাগে পাই।'

'বুঢ়া গোসাঁইৰ কৃপাত সকলো ভালে-কুশলে হ'ব। ভয় নকৰিবি নানাঃও। ভয় কৰিব নাপায়।'

'সেয়া চাওঁক— ল'ৰাবোৰক এতিয়া নচুৱাৱ। চাওক।' নিজৰ কথা পাহৰি উচ্চল হৈ উঠিল সোণজিৰা।

কনচাৰীয়ে চালে—

কোলাই কোলাই ল'ৰাবোৰ লৈ বুঢ়াসকল উঠি আহিছে। ছখাজেলাই কোলাত লৈছে আৰিমত্তক। ৰজাৰ ল'ৰা। গোভা ৰজা সাধুকুমাৰে সমাজ মাতি নিজৰ বুলি তুলি লোৱা ল'ৰা। সম্মানৰ পাত্ৰ।

বুঢ়াসকলে ল'ৰাবোৰক কোলাত লৈ ৰাইজৰ মাজলৈ উলিয়াই আনি ঘুৰাই ঘুৰাই নচুৱাইছে। ছখাজেলাৰ কোলাত উঠি থকা আৰিমত্তয়ো গীতৰ সুৰে সুৰে হাঁহি হাঁহি হাত-ভৰি নচুৱাইছে।

'ললে লাহ ললে বাহ লালা হেলয়া লাই
বাহ লালা হেলয়া লাই
হেই লালি লাং লেহে ল বাই হেই
লালি লাং লহে ল বাই
লা লা হেলয়া লাই।'

তন্ময় হৈ চাই আছে কনচাৰীয়ে।

মনশ্ব অনুষ্ঠান লাহে লাহে শেষ হৈ আহিছে। নুবাৰ'ৰ ভিতৰৰ সমবেত নাৰীকণ্ঠ আৰু বাহিৰৰ সমবেত পুৰুষ কণ্ঠৰ তৰংগবোৰে মতলীয়া কৰি তুলিছে সমবেত ৰাইজক।

নুবাৰ'ৰ পৰা কিছু দূৰৈত মুকলি ঠাইত দহ-বাৰজনমানে কলৰ ডোনা সাজিছে। অলপ পিচত অনুষ্ঠান শেষ হ'লেই সমজুৱাক ভাত আৰু জু-চা খুওৱা হ'ব।

কলপাতেৰে চাউনি দিয়া বাঁহৰ অস্থায়ী ৰান্ধনিশালত ডাঙৰ ডাঙৰ উধানত, ডাঙৰ ডাঙৰ মিদুঃত উতলি আছে মালভোগ জহা চাউলৰ ভাত। ৰাজহুৱা ৰান্ধনি ক্ৰা-কুৰুমীসকলে ডাঙৰ ডাঙৰ মিন্দুত ৰন্ধা আদাৰে সিজোৱা পিঠাগুড়িৰ তৰকাৰী আৰু গাহৰি মঙহৰ গোন্ধে উৎসৱ মতলীয়া মানুহবোৰক আৰু বেছি আনন্দিত কৰি তুলিছে।

মদ খাবলৈ ব্যৱহাৰ কৰা কাঠৰ 'দাৰান'বোৰ আৰু কলৰ বৌখাৰে সজা থলাবোৰ ধুই-মচি একে ঠাইত পাৰি লোৱা কলপাতৰ ওপৰত থোৱা হৈছে। জু-চা চাকিবলৈ ব্যৱহাৰ কৰা চেকনিবোৰ বাঁহেৰে সজা 'দৰাপাৰি'বোৰৰ ওপৰত থৈ 'জু-লাও'বোৰ গোটাই সাজু হৈ আছে চাকনী-বাঢ়নী কৰা নাৰীসকল। লৰ', ববজেলা, চখাজেলা, হাড়ীকুৰৰী, দলৈ, বয়োবৃদ্ধ আৰু মুখিয়ালসকলক দিবলৈ সাজু কৰা খুছা-খাংছি, কাঁহী-পাথিবোৰ সোণযেনকৈ ঘঁহি-মাজি বাঁহৰ তমালেৰে সজা 'খাতা'ত থোৱা হৈছে।

উৎসৱ উৎসৱ গোন্ধে, শব্দই, বৰ্ণই পোহৰ কৰি তুলিছে নুবাৰ' আৰু নুবাৰ'ৰ চৌপাশ।

'ল'ৰা কনক লওক।' নুবাৰ'ৰ সৰুজনা পুৰুষ পূজাৰী চখা জেলা ওচৰত আহি থিয় হোৱাত চক্‌মক্ খাই থিয় হ'ল কনচাৰী। চখাজেলাই আহি আৰিমস্তক আগবঢ়াই দি হাঁহিলে—

'তাৰ নাম আমি মৃগাংক ৰাখিলো। কেনে হ'ব?' ছখাজেলাই ক'লে।

'বৰ ধুনীয়া নাম।'

'অৱশ্যে আপুনি দিয়া নামটোও ৰাইজে ভাল বুলিছে। এই নামটোও থাকিব। হজাইদেৰে মংগল কৰক। পদলমাজিয়ে আফত পিগিনিৰ পৰা ৰইখা কৰক। ল'ৰাকণ ডাঙৰ হ'লে বাৰখুলৰ নাম ৰাখিব। দশোদিশে জনাজাত হ'ব।'

আশীৰ্বাদ কৰাৰ নিয়ম নাথাকিলেও নকৰি নোৱাৰিলে ছখা জেলাই।

'আপোনালোকৰ এনেকৈ আশীৰ্বাদ, মৰম পালে কাৰ ভাল নোহোৱাকৈ থাকিব পাৰে ছখা জেলা? ফামিন্দাই, আই কালিখাৰ দয়া আৰু ৰাইজৰ মৰমেই সকলো চখাজেলা।'

'হয়।'

সন্মান দেখুৱাই আঁতৰি গ'ল ছখাজেলা।

'চখা জেলাৰ কথা যেন সঁচা হয়। আৰিমস্ত ৰজা হ'লে আই বসুন্ধৰীৰ থানত কুকুৰা কাটি পূজা দিম। মহাদেউশালতো বস্তি জ্বলাম।'

মনে মনে দেৱতাৰ নামত পূজা আগবঢ়াই আৰিমস্তক ল'ৰলৈ সোণজিৰাই হাত আগবঢ়ালে। কনচাৰীয়ে বাধা দি ক'লে—

'তই তাক নল'বি নানাঃও। গধুৰ। তোৰ গালৈ বেয়া।'

'বাৰু পাই। তাক তেনেহ'লে হাতত ধৰিয়েই অলপ ফুৰাই আনোগৈ।'

'যা বাৰু।'

আৰিমস্তৰ মূৰত হাত বুলাই যাবলৈ দি কনচাৰী বহি থাকিল। ৰাইজৰ বেছিভাগে তেওঁলৈ চাইছে। কিন্তু কোনো উঠি অহা নাই। কনচাৰীৰ লগত সোণজিৰাৰ বাহিৰে

অনাহক কথা আন কোনেও নাপাতে। আন দেশৰ পৰা অহা এই গোসানীৰ দৰে সুন্দৰ আৰু মৰমীয়াল মানুহজনী সকলোৰে শ্রদ্ধা সম্মানৰ পাত্র। তিৰাশাসকলৰ দৰে সাজপাৰ পিন্ধি আচাৰ-আচৰণ শিকি সমাজৰ এজন হৈ পৰা কনচাৰীয়ে তেওঁলোকৰ মনত আছুতীয়া ঠাই লাভ কৰিছে।

কনচাৰীয়ে এইকথা জানে।

জানে কাৰণেই এই মানুহবোৰৰ প্রতি মৰম আৰু কৃতজ্ঞতাত বিগলিত হৈ যায় কনচাৰী।

মৃগাংক। মৃগাংক।

নিজৰ মনতে আওৰালে কনচাৰীয়ে। ধুনীয়া নাম।

আৰিমত্ত আৰু মৃগাংক।

দুজন ৰজাই দিয়া দুটা নাম। এটা নাম এজন অংহকাৰী ৰজাই নিজৰ অনাগত বংশৰ বাহকৰ বাবে থোৱা নাম। আনটো এজন উদাৰ ৰজাই এজনী নিঃকিন নাৰীৰ সন্তানক এক উচ্চস্তৰৰ পৰিচিতিলৈ তুলি নিওতে দিয়া নাম।

কিমান বৈপৰীত্য।

অৰিমত্ত নামটো শুনি প্রথম প্রথম মানুহবোৰ আচৰিত হৈছিল। প্রকৃততে নামটো অৰিমত্তহে ৰাখিছিল চন্দ্রপ্রভাই। প্রতাপচন্দ্রই যেতিয়া নাম থৈছিল তেতিয়া নামটোৰ অর্থ কি কোৱা নাছিল। পিচত ভাবি ভাবি অর্থটো বিচাৰি উলিয়াইছিল কনচাৰীয়ে। মায়াপুৰ অধিকাৰ কৰা প্রতাপচন্দ্রক মায়াপুৰৰ প্রজাই মায়ামত্ত নাম থৈছিল। অৰি মানে শত্রু। শত্রুক দমন কৰাৰ অর্থত অৰিমত্ত নাম থৈছিল নেকি প্রতাপচন্দ্রই?

কোনে জানে।

সোণজিৰাইতো কৈয়েই পেলাইছিল—

'কি নাম ৰাখিলে পাই? আৰিমত্ত।'

'তহঁতে আৰিমত্ত কিয় ক'ব? অৰিমত্তহে।'

'অৰিতো দেখোন মুখতে নুফুটে— আৰিটোহে সকলোৰে সহজ পায়। আমাৰ মানুহবোৰে কি বুলি কোৱাকুই কৰিছে জানে?'

'কি বুলি কচোন?' আচৰিত হৈ সুধিছিল চন্দ্রপ্রভাই।

'ল'ৰাকণৰ মুৰটো বোলে আৰি মাছৰ দৰে লাগে। ল'ৰাকণ বোলে আৰি বুকুৰাও। সেই কাৰণে আৰিমত্ত থোৱা বুলি ভাবিছে। মিলিছে বুলিও কৈছে। মোৰো কিন্তু কথাটো সঁচা যেন লাগে। এই নামটোনো কিয় থ'লে পাই?'

'কিয় থ'লো এৰচোন। তোৰ যদি ভাল লাগিছে, সকলোৰে যদি ভাল লাগিছে হ'ব আৰু।'

কথাটো এৰাই গৈছিল চন্দ্রপ্রভাই। তেওঁ তেতিয়াও চন্দ্রপ্রভাৰ পৰা কনচাৰীলৈ ৰূপান্তৰিত হোৱা নাছিল। ৰূপান্তৰৰ প্রস্তুতি আৰম্ভ হৈছিল মাত্র।

'মা—'

আৰিমত্তই দৌৰি আহি আঁকোৱালি ধৰাত অন্যমনস্কতাৰ পৰা ওলাই আহি কনচাৰীয়ে তাক কোলাত তুলি ল'লে। আৰিমত্তই অকণ অকণ হাত এখনেৰে মুঠি মাৰি ধৰি আছে এখন ধনু আৰু আনখন হাতেৰে ধৰি আছে এমুঠি বাটলুগুটি ভৰাই থোৱা কাপোৰৰ ফুলাম সৰু মোনা এটা।

'ধনু ক'ত পালা বোপাই?' আৰিমত্তৰ পোহৰ পোহৰ মুখখনলৈ চাই সুধিলে কনচাৰীয়ে।

'দেওৰাজাই দিলে।'

'দেওৰাজাই?'

'অ'— দেওৰাজাই দিলে। আহি পাইছে। ভোজথলীত কোনে কি কৰিছে চাইছে।' সোণজিৰাই ক'লে।

'এই অকণমানি ল'ৰাটোৱে ধনু চলাব পাৰিবনে? আকৌ বাটলুগুটিও আনিছে।'

'বাটলুগুটিৰেইতো এইখন ধনু মাৰে। এইখনক 'পাথুলি' বুলি কয়। চৰাই মাৰিবলৈহে দিছে। চৰাই মাৰি মাৰিহে ধনু চলাবলৈ শিকিব। এই যে গুণডাল দেখিছে পাই এইডালক খুংকুৰা কয়। কাঁড়মৰা ধেনুত খুংকুৰা নলগায়। এবিধ গছৰ বাকলিৰ ভিতৰৰ বস্তুৰে এই খুংকুৰাডাল তৈয়াৰ কৰে।' সোণজিৰাই বিজ্ঞৰ দৰে ক'লে।

কনচাৰীয়ে হাঁহিলে।

আৰিমত্তই তেতিয়া হাতত লৈ থকা মোনাটোৰ পৰা বাটলুগুটিবোৰ উলিয়াই গণিবলৈ আৰম্ভ কৰিছিল—

'ছিৰাণ্ঠা, ছিৰান্নিং, ছিলাণ্ঠাম, ছিৰানব্রয়, ছিৰানবা', ছিৰানদক', ছিৰানছিন—

আৰিমত্তক কোলাত লৈ কনচাৰী উঠিল। তেতিয়া উৎসৱৰ কাম শেষ হৈছিল। ৰাইজ ভোজথলীৰপিনে যাবলৈ ধৰিছিল।

আৰিমত্তক কোলাত লৈ প্রশান্তি আৰু আনন্দৰে ভৰা মনেৰে নুবাৰ'ৰ চোতালৰ পৰা ওলাই আহিল কনচাৰী।

১২

বিস্তীর্ণ পথাৰৰ মাজেৰে ফালি যোৱা টাৰিৰে ঘোঁৰা চলাই গৈ আছে ডেকা আৰিমত্ত। পুহমহীয়া গধুলিৰ পথাৰ। কুঁৱলীৰে ভৰা, জোনাকে ধোৱা পথাৰত অগনন খাং জাং তিৰঅবিৰাই ধিমিক-ধামাককৈ জ্বলি উৰি ফুৰিছে। আকাশৰ পৰা যেন ধানহীন উদং পথাৰৰ সৈতে ধেমালি কৰিবলৈ নামি আহিছে তৰাবোৰ।

ধান কটা শেষ হৈছে।

দিনৰ পৰিশ্রমৰ অন্তত গধুলিতে শুই পৰা গাঁওখনৰ নিস্তব্ধতা গভীৰ কৰি তুলিছে কাওলেং পোকবোৰৰ সমস্বৰে কৰা বিৰতিহীন জিঁজি শব্দই।

এনেকুৱা এটা প্রচণ্ড জাৰ পৰা দিনতেই আৰিমত্ত এই অঞ্চলৰ ডেকাচাঙলৈ থাকিবলৈ আহিছিল। চামাদিত বাস কৰা গাঁৱৰ অবিবাহিত ডেকাসকলৰ 'পাছ্থাই খেল' আৰু গাঁৱৰ গৃহস্থালী কৰা 'বুঢ়া খেল'ৰ লোকসকলে মিলি পুৰণি চামাদিটো ভাঙি নতুনকৈ গঢ়ি তুলিছিল। নিয়ম। প্রতি ছবছৰৰ মুৰে মুৰে চামাদি ভাঙি নতুনকৈ গঢ়ি তোলা হয়। চামাদিক বাৰ বছৰ পাৰ কৰা অগ্রজ 'খৰ্কিয়া পাছ্থাই'সকলক বিদায় দি গাঁৱৰ দহ বছৰৰ ওপৰৰ নতুন চাম ল'ৰাক অনুজ 'খাৰাপাছ্থাই'ৰ খেলত যোগ দিয়ায়। এই 'খেলযোৱা' উৎসৱ 'পাছ্থাই'সকলৰ বাবে এক বিশেষ উৎসৱ। দহ বছৰ বয়সত আৰিমত্তয়ো দেওৰাজাৰ হাতত ধৰি চামাদিৰ নতুন চাম 'খাৰাপাছ্থাই'ৰ সদস্য হৈছিলহি।

সাধুকুমাৰক এতিয়াও আৰিমত্তই দেওৰাজা বুলিয়েই মাতে। ফা বুলি নামাতে। সোণজিৰা আছিয়ে কোৱা শুনি শুনি সেই যে সৰুতেই দেওৰাজা বুলি মাতিবলৈ আৰম্ভ কৰিছিল, সম্বোধনটো তেনেকৈয়ে থাকি গ'ল। সৰু ল'ৰাৰ মুখত মিঠা শুনি কাৰণে কোনেও সম্বোধনটো সলাবৰ চেষ্টা নকৰিলে। তেনেকৈয়ে থাকি গ'ল। দেওৰাজাৰ আৰিমত্তলৈ কিমান যে মৰম। আৰিমত্ত চামাদিলৈ অহাৰ আগতে দেওৰাজা যেতিয়াই আম্চাই মার্জঙৰ পৰা গোভাৰ মূল ৰাজানঃলৈ আহিছিল তেতিয়াই কিবা নহয় কিবা এটা আৰিমত্তলৈ লৈ আহিছিল। সেইকেইটা বছৰত দেওৰাজাই পঠিয়াই দিয়া লোককেইজনে আৰিমত্তক ৰজাৰ ল'ৰাই জানিবলগীয়া কথাবোৰ শিকাইছিল। ব্রহ্মপুত্রৰ উত্তৰ কুলৰ পৰা অহা ব্রাহ্মণ আচার্য প্রভাকৰ দ্বিজভূষণে আৰিমত্তক লিখিবলৈ-

পঢ়িবলৈ শিকাইছিল। চামাদিলৈ অহাৰ পিচতো প্ৰায়েই দিনটোলৈ চামাদিৰ পৰা আঁতৰত থাকিছিল আৰিমন্ত। ৰাজ্যৰ প্ৰধান সেনাপতিয়ে আৰিমন্তক নিজে আগত থাকি ৰাজনীতি আৰু অস্ত্ৰচালনাৰ শিক্ষা দিছিল। শিকাইছিল ৰণ-কৌশল আৰু অনেক অনেক কিবাকিবি।

এজন ৰজা হ'ব পৰাকৈ সকলো দিশৰ পৰা উপযুক্ত হৈ উঠিছে আৰিমন্ত।

তেওঁৰ খোজকাটল, আচাৰ-আচৰণত ফুটি উঠে ৰাজকীয় প্ৰশিক্ষণৰ জিলিকনি। চামাদিতো অনেক কথাই শিকিছে আৰিমন্তই। খাৰাপাছাই হৈ থকা কালত অগ্ৰজ খৰ্কিয়া পাছাইসকলে হাতত ধৰি ধৰি কাম শিকাইছিল আৰিমন্ত আৰু তেওঁৰ লগৰ অনুজ ডেকাসকলক। বাঁহ-বেতৰ কাম, খেতিৰ কাম, ইয়াতেই শিকিছে আৰিমন্তই। শিকিছে উৎসৱ-পাৰ্বণসমূহৰ নিয়ম-নীতি। সমাজৰ সকলো আচাৰ-আচৰণ। পাৰ হৈ গৈছে সুদীৰ্ঘ বাৰটা বছৰ। এই বাৰটা বছৰৰ ছবছৰৰ অন্তত আকৌ এবাৰ চামাদি ভাঙি নতুনকৈ চামাদি গঢ়িছে পাছাইসকলে। গঢ়ি তোলোতে শিকি পেলাইছে ঘৰ সজাৰ সকলো কলা-কৌশল। সেই খেলযোৱা উৎসৱত খাৰাপাছাই সকলে খৰকিয়া পাছাইসকলক বিদায় দি খৰকিয়া পাছাইৰ স্তৰলৈ উত্তীৰ্ণ হৈছে। পুৰণি পাছাইসকলৰ লগতে মুখিয়াল চাংদলৈ, চাংমাজি আদি বিষয়া সকলক বিদায় দি গাঁৱৰ বুঢ়াখেলৰ নিৰ্দেশত নতুন বিষয়ৱবীয়া নিৰ্বাচন কৰিছে।

আৰিমন্ত চাংদলৈ হৈছে।

চামাদিৰ সকলোৰে প্ৰিয় নেতা চাংদলৈ আৰিমন্তৰ তত্ত্বাৱধানত পাৰ হৈ গ'ল সুদীৰ্ঘ ছটা বছৰ।

আজি চামাদিত আৰিমন্ত আৰু খৰ্কিয়া পাছাইসকলৰ শেষ ৰাতি। আজি সোমবাৰ। ল'ৰই আজি 'বুঢ়া খেল'ৰ লগতে চামাদিৰ বিষয়াসকলৰ এখন সভা পাতিছিল।

পৰহিলৈ এই চামাদিৰ নৱনিৰ্মাণৰ কাম আৰম্ভ হ'ব। ফা-মহাদেউ, চাৰিভাই-চাৰিকৰা আদি দেৱতাক পূজা দি চামাদি সাজিবলৈ, চামাদিৰ থুনা খুঁটা কাটিবলৈ হাৰিলৈ যাব ল'ৰ' আৰু হাদাৰি। চামাদিৰ আটাইবোৰ ডেকা। বুঢ়াখেলৰ লোকসকল।

ঘৰ সজাৰ এই এটা সপ্তাহ চামাদিৰ বাহিৰত বাস কৰিবলৈ অস্থায়ী ঘৰ এটা সজা হৈছে। কালিলৈ সেইটো ঘৰলৈ শুচি যাব আটাইবোৰ পাছাই।

সভাৰ পৰা বাহিৰে বাহিৰে গোভাৰ ৰাজানঃলৈ গৈছিল আৰিমন্ত। দেওৰাজা বৈ আছিল আৰিমন্তলৈ। এক আশ্চৰ্য উপহাৰ লৈ।

এটা ঘোঁৰা।

এটা তেজী শুকুলা ঘোঁৰা।

লালুংপাছাইসকলৰ সপোনৰ বস্তু। ঘোঁৰাৰ লাগাম হাতত তুলি লৈ হাঁহি পেলাইছিল আৰিমন্তই। ওচৰতে থিয় হৈ থকা মাক, সোণজিৰা আছিহঁতেও হাঁহিছিল।

'চামাদিৰ পৰা ওলালেই তোৰ ৰাজঅভিষেক হ'ব মৃগাংক। প্ৰথমতে তোক কুমৈ আৰু বঘৰাৰ ৰজা পাতিম।' দেওৰাজাই কৈছিল। আচৰিত হৈ গৈছিল আৰিমত্ত।

'ইমান সোনকালে।'

'সোনকালে ক'ত— মই জানো বুঢ়া হোৱা নাই— কিমান ৰাজ্য চলাম? তই ৰজা হৈ কাম-বন শিকিগোভাৰ দায়িত্ব ল'লেহে মই জিৰণি ল'ব পাৰিম।'

'ৰজা হ'লে নহ'ব। বিয়াও পাতিব লাগিব সোনকালে।' সোণজিৰাই কৈ উঠিছিল।

'কি যে কোৱা আছি।' আৰিমত্তৰ কাণ-মুৰ তপত হৈ উঠিছিল।

'ঠিকেই কৈছো। চামাদি এৰাৰ পাচত ফাঃদেৱা নাপাতিলে কেনেকৈ হ'ব। মুৰ ঠিক নথকা পাওলা বোৱেহে ফাঃদেৱা নাপাতে।'

কথাটো কৈয়েই ওচৰতে থিয় হৈ থকা সাধুকুমাৰৰ কথা ভাবি মুখত হাত দি ৰৈ গৈছিল, তাৰ পিচত ফৰিং ছিটিকাদি পলাই গৈছিল সোণজিৰা।

প্ৰাণ খুলি হাঁহি উঠিছিল দেওৰাজাই। হাঁহিল কনচাৰীয়েও। লাজত ৰঙা-ছিঙা পৰা আৰিমত্তয়ো নহঁহাকৈ থাকিব পৰা নাছিল।

আনন্দভৰা মন এটা লৈ দেওৰাজাই উপহাৰ দিয়া ঘোঁৰাটো চলাই চামাদিলৈ উভতি আহি আছে আৰিমত্ত। গাঁৱৰ মাজত অৱস্থিত চামাদিৰ ওচৰ চাপি অহাৰ লগে লগে ৰিণিকি ৰিণিকি শুনা ঢোলৰ মাত ডাঙৰ হৈ আহিছে। চামাদিৰ পাছ্থাইসকলে বজোৱা খ্ৰাম পাছ্থাইৰ বুকু গুমগুমাই উঠা চেওৰ শব্দই শীতৰ গধুলিৰ গাঁৱৰ সুগভীৰ নিস্তব্ধতা থানবান কৰি পেলাইছে।

'গাঁৱৰ মানুহ যেতিয়া শুই পৰে তেতিয়াহে চামাদিত প্ৰাণচাঞ্চল্যই পূৰ্ণতা পায়। এবাতি জু দি গাঁৱৰ কোনোবাই কৰি দিবলৈ অনুৰোধ কৰা খেতিপথাৰৰ কামবোৰ কৰি দি আহি ৰাতি পাছ্থাইসকলে চামাদিত আনন্দ কৰে। ডাঙৰসকলে সৰুসকলক কাম-বন শিকায়। খ্ৰাম অজাই নাচ শিকায়। গান শিকায়। খ্ৰাম, পাংচি বজাবলৈ শিকায়। গাঁৱৰ দহ বছৰৰ ওপৰৰ কোনো অবিবাহিত ডেকা ঘৰত থকা নিয়ম নাই। ঘৰত থাকিব খোজাসকলক সমাজে দণ্ড বিহে। চামাদিৰ ডেকাহঁতেই সমাজৰ শক্তিৰ উৎস। গাঁৱৰ নিৰ্জন ৰাতি নাচ-গান, হাঁহি-ধেমালিৰে মুখৰিত কৰি তোলাৰ মাজতে সতৰ্ক চকুৰে লক্ষ্য কৰি থাকে গাঁৱৰ নিৰাপত্তালৈ। দেশৰ নিৰাপত্তালৈ।

চামাদিৰ তলত আহি ঘোঁৰাৰ পৰা নামিল চাংদলৈ আৰিমত্ত।

গাঁৱৰ এইটোৱেই একমাত্ৰ চাংঘৰ।

বেৰহীন এই ঘৰটোৰ চালখনে দুয়োফালে মাটি চুই থকা বাবে দুয়োফাল খোলা থাকে। একোঠলীয়া বৃহৎ চামাদিৰ প্ৰথম খুঁটা থকা সম্মুখৰ ভাগটো পূজা উৎসৱ আদি কামত লাগে। সেই নুমাজিতেই থিয় হৈ বাঁহী বজাই আছিল চামলে।

সোণজিৰাৰ পুতেক।

এইবাৰ খৰ্কিয়া পাছ্থাইলৈ উন্নীত হ'বলগা খাৰাপাছ্থাই। ঘোঁৰাৰ খুৰাৰ শব্দ শুনি পাছ্থাই পাংচীটো ওঁঠৰ পৰা আঁতৰাই সি সতর্ক আৰু কৌতুহলী দৃষ্টিৰে নুমাজিত থিয় হৈ বাহিৰলৈ চালে।

চাংদলৈ।

জোনাকৰ পোহৰত জিলিকি উঠা ঘোঁৰাত বহি থকা আৰিমন্তক দেখি সি খৰখোজেৰে তললৈ নামি আহিল।

আনন্দ আৰু আশ্চর্য মিহলি মাতেৰে কৈ উঠিল—

'ইমান ধুনীয়া কৰা। ক'ত পালে চাংদলৈ?'

'দেওৰাজাই দিলে অ'। কৰাটো বান্ধচোন। পানীও দিবি।'

'আপুনি নঃলৈ গৈছিল? আমি ভাবিলো কি হ'ল। চাংমাজিয়েহে ক'লে নঃৰ পৰা মাতি পঠিয়াইছে। এতিয়াহে বুজিলো কৰাটো দিবলৈ মাতিছিল নহয়?'

'অ'। আৰু এটা কথা আছে। ক'ম ৰ'। তই আহচোন।'

একান্ত অনুগত, সৰুকালৰ লগৰী চামলক ঘোঁৰাটো গটাই দি চামাদিলৈ উঠি আহিল থেনাচ, টাগ্লা পিন্ধা আৰিমন্ত।

নুমাজিত থিয় হৈ আৰিমন্তই ভিতৰলৈ চালে। নুমাজিৰ পিচৰ বহিবলৈ ব্যৱহাৰ কৰা ঠাই নুক্থিত বহি আছে বিষয়ববীয়াসকল। পৰহিৰ পৰা আৰম্ভ হ'বলগীয়া চামাদি নির্মাণ আৰু খেলযোৱা উৎসৱৰ আলোচনাত মগ্ন। মাজে মাজে যুৱকসুলভ ধেমালিত হাঁহি উঠিছে নুক্থিত বহি থকা বিষয়াবোৰে। নুক্থিৰ বাওঁফালে মাটিৰ লেও দি সজা চাৰিকোণীয়া জুহালৰ চৰিওফালে কাঠৰ টুকুৰা পাৰি বহি আছে পাছ্থাইকেইজনমান। দক্ষিণফালে বহি খাৰাপাছ্থাইকেইজনে একান্তমনে পাচি, হৰা, থোৰাং, পাংচী আদি কিবাকিবি লাগতীয়াল বাঁহ-বেতৰ সঁজুলি আৰু বাদ্যযন্ত্র সাজি আছে। জুহালৰ জুইৰ পৰা উফৰি অহা ফিৰিঙতিবোৰে এন্ধাৰলৈ উৰি গৈ এক ৰহস্যময় আনন্দৰ পোহৰ বিৰিঙাইছে। দপদপাই জ্বলি থকা জুইকুৰাৰ ৰঙা হালধীয়া পোহৰে পোহৰাই তুলিছে কামত মগ্ন পাছ্থাইসকলৰ প্রাণ শক্তিৰে ভৰপুৰ পুৰঠ গাবোৰ। সৰল সৰল মুখবোৰ।

'চাংদলৈ, আহোতে ইমান পুলুনা হ'ল যে? তিফুৰ বেলাতে গ'লি।' নুক্থিত বহি থকা চাংমাজিয়ে ক'লে।

'এহ্— নকবি— আজি বৰ ডাঙৰ কথা এটা হ'ল।'

'হা!— কি ডাঙৰ কথা হ'ল?' আটাইবোৰে চিঞৰি উঠিল।

'আজি মই কৰা এটা পালো জান'। দেওৰাজাই দিলে।' নুক্থিলৈ আহি আৰিমন্তই ক'লে।

'হা।' আটাইবোৰে আনন্দিত আৰু আচৰিত হৈ একেলগে কৈ উঠিল—

'চত্‌ল?'

'চত্‌। মই কেতিয়াও ভবা নাছিলো নঃলৈ কৰাটো আনিবলৈকে মাতিছে বুলি।'

'অ' মোৰ গছাই, কৰা দিলে?' হুৰুমা বাৰ'ই আনন্দ আৰু আশ্চৰ্যত প্ৰায় চিঞৰি উঠিল।

'নিদিব কিয়? ৰাজাৰ ছাঃ। তাতে তেওঁ চাংদলৈক বহুত মৰমো কৰে।' চাংমাজিয়ে ক'লে।

'কৰাটো ক'ত থৈছ?' ৰে-পাসাৰিয়ে ক'লে।

'আনিছো। চামলে বান্ধিব গৈছে।'

'ঐ চাও ব'ল।' চাংমাজিয়ে কৈ উঠিল।

'আমি উঠিব পাৰিমনে চাংদলৈ?' কৰাইমাজিয়ে ক'লে।

'কিয় নোৱাৰিবি। সকলোৱে পাৰিব। কৰাটো মোক দিলে বুলি মোৰেই হ'বনে? তহঁতৰো। যা খাৰাপাছাইবোৰকো মাত।'

খবৰটো দিয়াৰ লগে লগে চামাদিত যেন লাংখন ফূজাৰ নাচহে আৰম্ভ হ'ল। ডেকা ল'ৰাবোৰে জপিয়াই কিৰিলি পাৰি হুৰমুৰাই চোতাললৈ নামি আহিল।

ঘোঁৰাটোক সকলোৱে ঘেৰি লৈ হাতবালাই বুলাই চালে। আনন্দত মতলীয়া হৈ পৰা ল'ৰাবোৰৰ মন্তব্য আৰু কিৰিলিত ৰজনজনাই গ'ল ৰাতিৰ গাঁও।

এটা সময়ত আৰিমণ্ডই ক'লে—

'ব'ল— এতিয়া ওপৰলৈ ব'ল। কামবোৰ শেষ কৰি পেলাব লাগিব। সকলোৱে ফুৰিমছৰ উদয় হোৱাৰ আগতেই সাৰ পাব লাগিব। ব'ল, ব'ল।'

চাংদলৈৰ নিৰ্দেশত আটাইবোৰ ওপৰলৈ উঠি আহিল। চাংদলৈৰ আদেশ মানিচলাটোৱেই চামাদিৰ নিয়ম।

বাঁহ-বেতৰ কাম কৰি থকাবোৰ জুহালৰ কাষত, খ্ৰাম অ'জাৰ পৰা বাদ্য বজাবলৈ শিকি থকাসকল আন এফাললৈ গ'ল।

খ্ৰামপাছাই, খ্ৰামপাংচি, খ্ৰামখুজুৰাৰ সমূহীয়া শব্দত আকৌ প্ৰাণময় হৈ উঠিল চামাদি।

'আজিয়েই শেষ ৰাতি।' নুকথিত বহি ভেট্টামাজিয়ে ক'লে।

'ভাবিলে বেয়া লাগে।' ৰে-পাসাৰিয়ে দুখেৰে ক'লে।

নুকথিত বহি থকা খৰকিয়া পাছাইসকলৰ মনবোৰ গধুৰ হৈ গ'ল।

এইটো চামাদিৰ বাৰ বছৰীয়া জীৱনৰ আজিয়েই শেষ ৰাতি। আজি আৰু কাৰো টোপনি নাহে। বিশেষকৈ খৰকিয়া পাছাইসকলৰ।

আহিবই বা কেনেকৈ।

আৰু এসপ্তাহ পিচত চামাদি সজা শেষ হোৱাৰ লগে লগে আৰম্ভ হ'ব ৰানঝুৱা উৎসৱ। এই পিঠাগুড়ি খুন্দা উৎসৱেই এই চামাদিত অগ্ৰজ খৱ্কিয়া পাম্থাইসকলৰ শেষ উৎসৱ। তাৰ পিচতেই তেওঁলোকে চিৰজীৱনলৈ চামাদি এৰি গুচি যাব গাঁৱৰ মাজলৈ। গার্হস্থ্য জীৱনলৈ। বিয়া-বাৰু কৰাই নিজাকৈ সংসাৰ আৰম্ভ কৰিব।

চামাদিৰ অনুজসকল তেতিয়া অগ্ৰজ হ'ব। অগ্ৰজ খৱ্কিয়া পাম্থাইসকলৰ মাজৰ পৰা গাঁৱৰ বুঢ়া খেলে নির্বাচন কৰি দিব চামাদি পৰিচালনাৰ বিষয়ৱবীয়াসকলক। গাঁৱৰ দহ বছৰ বয়সৰ আৰু তাৰ ওপৰৰ সকলো ল'ৰাই ঘৰৰ মোহ এৰি খাৰাপাম্থাই হিচাপে চামাদিত যোগ দিবহি।

মাকৰ কোলা, ঘৰৰ যতন এৰি তেওঁলোক গুচি আহিব জীৱনৰ এক নতুন স্তৰলৈ। চামাদিলৈ।

আৰম্ভ হ'ব এই সমাজ জীৱনৰ বাবে প্ৰয়োজন হোৱা সকলো প্ৰশিক্ষণ। অগ্ৰজে অনুজক শিকাই যাব নিজে অনুজ হৈ থাকোতে শিকা কথাবোৰ। যেনেকৈ শিকিছিল আৰিমত্তই।

প্ৰথম যিদিনা এই চামাদিলৈ আহিছিল আৰিমত্ত সেইদিনা মাকে নাকান্দিলেও কন্দাতকৈ বেছি কৰিছিল। তাক ইমান বেছি মৰম কৰিছিল যে আৰিমত্তইহে কান্দি পেলাইছিল। আৰু কান্দিছিল সোণজিৰা আছিয়ে।

চামাদিলৈ অহাৰ পিচত লাহে লাহে মাকৰ লগত, ঘৰৰ লগত বিচ্ছেদৰ দুখ পাহৰি পেলাইছে আৰিমত্তই। চামাদিৰ ব্যস্ততাই, আনন্দই, প্ৰশিক্ষণে তাক মাক আকলুৱা সৰু ল'ৰাৰ পৰা এজন স্বাধীনচিতিয়া ডেকালৈ, এজন পাহোৱাল, সাহসী, কর্মঠ, ৰণপটু ডেকালৈ ৰূপান্তৰিত কৰিছে।

চামাদি এৰাৰ পিচতেই ৰাজঅভিষেক হ'ব আৰিমত্তৰ। চামাদিৰ পাম্থাইসকলে সেই কথা জানে।

চাংদলৈ হিচাপে সম্মান কৰাৰ লগতে ভৱিষ্যতৰ ৰজা হিচাপেও মানি চলে। গোভাৰ ৰজাক নিজৰ চামাদিত পাই গর্ব অনুভৱ কৰে।

'জু-মাগ্রা দিম নেকি চাংদলৈ?'

চামলৰ মাত শুনি অন্যমনস্ক আৰিমত্তই মূৰ তুলি চালে।

'অ'— দে।'

'চৰাই মাংসও আছে দিম?'

'কি চৰাই?'

'আৰ্লি হাচ।'

'দে। তহঁতে খালি?' লগৰীয়াসকললৈ চালে আৰিমত্তই।

'খালো। সোৱাদ হৈছে। হ'লে কি হ'ব— সোৱাদ ভালকৈ নালাগিলেই। দুখ লাগি আছে চাংদলৈ।' চাংমাজিয়ে ক'লে।

'কি কৰিবি। সমাজৰ নিয়ম। আৰু সদায় জানো এনেকৈ অকলশৰীয়া পহু হৈ কটাবি? তইতো গভীয়া চাপো চাপোকৈয়ে আছ। ওলায়েই খুমডেলাৰ ঘৰ চাপিবিগৈ। তাইৰ মৰমত যিহে লঃ লঃ থঃ থঃ হৈ আছ।' হুৰুমা বাৰ'ই হাঁহিলে।

'ইঃ ইয়েঃ — চত্‌ল?' আচৰিত হৈ সুধিলে ৰে-পাসাৰিয়ে।

'চত্‌। ই লুকাই ৰাখিছে বুজিছ।' হুৰুমা বাৰ'ই চাংমাজিয়ে দিবলৈ ওলোৱা ঢকাটোৰ পৰা নিজকে বচাই হাঁহি উঠিল।

জু খাবলৈ কাঠৰ দাৰান এটা আৰু শৰালি হাঁহৰ মাংস দিবলৈ অহা চামলে দাৰানটো আৰু মাংস অনা কলপাতখন নমাই থৈয়েই চাট্‌কৈ গুচি গ'ল।

খৰ্‌কিয়া পাম্থাইসকলৰ এনেকুৱা ধেমালিত খাৰাপাম্থাইসকলে ভাগ লোৱা নিয়ম নাই। হঁহাও নিষেধ।

'নিজৰতো পিচে?' হুৰুমা বাৰ'লৈ চাই চাংমাজিয়ে কৃত্রিম খঙেৰে ক'লে—

'তইযে আগনিক যোৱা ব'হাগৰ পৰাই লুকাই লুকাই লগ পাই আছ আমি হ'বলা নেজানো?'

'জান যদি জান। ভালহে। মই একো লুকুওৱা নাই দেই।'

'মাই ঐ— যিমান জানাং-জাঠাং যেন দেখুৱাইছ তই সিমান নহয় দে। তোৰ পেটতহে কথাবোৰ জমা হৈ থাকে।' চাংমাজিয়ে ক'লে।

হুৰুমা বাৰ'ৰ খং উঠি গ'ল। জুৰ নিচাও লাগিছিল। এনেও সি অলপ একাচেকা ধৰণৰ।

'তোৰ দৰে মই কিন্তু ছগ্রা নাচিবলৈ গৈ ছোমালী চাই নুফুৰো— ঐ তহঁতে নাজান'— ই চগ্রা মিছাৰাত ঘৰে ঘৰে নাচিবলৈ গৈহে খুমজাৰাথিক চকু দিছিল। তাৰ পিচত কি কৰিছিল ইয়াক সোধ। সি কেতিয়া খেলযোৱা উৎসৱ হয় তালৈকে ৰৈ আছে বুজিছ। পোনে পোনে গভীয়া চাপিবগৈ।'

'তইতো ৰান্‌ঝুৱা শেষ নহওঁতেই আগনিক পলুৱাই আনিবি। তই কৰাইমাজিক কৈ থাকোতে মই নাছিলো নেকি।'

নুকথিত বহি থকা আনবোৰ খৰ্‌কিয়াপাম্থাই হাঁহিত বাগৰি পৰিছে। কিৰিলিয়াই উঠিছে। হুৰুমা বাৰ' আৰু চাংমাজিৰ তৰ্কযুদ্ধ আৰিমত্তয়ো উপভোগ কৰিছে। মিচিক্‌মাচাককৈ হাঁহি আছে। এটা সময়ত তৰ্ক বেছি হোৱা যেন দেখি আৰিমত্তই কৃত্রিম খঙেৰে কৈ উঠিল—

'আঃৰি। ইমানকৈ আওৰি কৰিছ কিয়? মনে মনে থাকচোন।'

'এই— পাক্‌ৰাজাই আওৰি নকৰিবলৈ কৈছে। মনে মনে থাক।'

আৰিমন্তক সিংহৰ লগত তুলনা কৰি ভয় খোৱা যেন দেখুৱাই কৰাই মাজিয়ে ক'লে।

আটাইবোৰ হাঁহিত উত্তাল হৈ উঠিল।

'পাক্‌ৰাজাইতো আওৰি নকৰিবলৈ ক'বই। ছোৱালীৰ কথা পাতিলে দেও পিশাচৰ কথা পতা যেনহে পায়।' চাংমাজিয়ে ক'লে।

আটাইবোৰৰ গির্জনি মৰা হাঁহিত চামাদি ৰজনজনাই গ'ল।

'পাক্‌ৰাজাৰ স্বোৱামুনিজনীক বা কেতিয়া দেখিবলৈ পাওঁ।' হুৰুমা বাৰ'ই ক'লে।

'দেখিবি— সময় হওঁক।' আৰিমন্তই ক'লে।

'তই কেতিয়া ৰজা হ'বি চাংদলৈ?' হুৰুমা বাৰ'ই ক'লে।

'দেওৰাজাই কৈছে— 'খেল যোৱা'ৰ পিচতেই।'

'তোকতো ৰাণী এজনীহে লাগিব। আমাৰ দৰে বাৰিকাৰ জীয়েকেৰেতো নহ'ব। ৰাণী এজনী ক'ত পোৱা যায় সুধিপুচি আহিম ৰ'।' চাংমাজিয়ে ক'লে। তাৰ পিচত হঠাৎ মনত পৰাৰ দৰে কৈ উঠিল—

'আ—ব্রা— মোৰ মনতেই নাই। খলা ৰাজ্যত আছে দেখোন। ৰাণী গংগাৱতী।'

'এই— ট' ট'— খলাৰ ৰাণীয়ে গভীয়া চপোৱা নিয়ম। পাক্‌ৰাজাই নোৱাৰিব।' হুৰুমাবাৰ'ই ক'লে।

'কিয় নোৱাৰিব অ'। ৰাজাৰ আৰু গভীয়া কি। মাজে মাজে থাকিবগৈ। বৰ ধুনীয়া বুলি শুনিছো। কৰাইমাজিয়ে জোনবিল মেলাত দেখি আহিছিল নহয়! হয়নে নহয় ক'চোন?' চাংমাজিয়ে ক'লে।

'হয়। গংগাৱতী বোলে জোনবিল মেলালৈ যায়েই। মই চাম বুলিয়েই গৈছিলো। চত্‌— বৰ ধুনীয়া খৰ্‌লা। জয়ন্তীয়াই অনা মণিবোৰ এড়ী কাপোৰ দি সলাই লোৱা দেখিছিলো। মণিবোৰ পিন্ধি খুব ভাল পায় বোলে। খুব গহীন। কাৰোফালে নাচায় বোলে।'

'ইমান খবৰ কৰাইমাঝিয়ে ক'ৰ পৰা গোটালে অ'?'

'খলাত তাৰ স্বোৱামুণি আছে। তাইৰ পৰা জানিলে। সি কয় কি জান— চামাদিৰ পৰা ওলায়েই তাইক পলুৱাই আনিব।'

'তহঁতি আজিকালি বৰকৈ খৰ্‌লাৰ কথা পাত অ'।' আৰিমন্তই হাঁহিলে।

'সেয়া— মই কৈছিলো নহয়— পাক্‌ৰাজাই ছোৱালীৰ কথা ওলালে দেও পিশাচৰ কথা পতা যেন পায়। কিয় নাপাতিম। তোৰ দৰে ছোৱালীৰ কথা নাভাবি ছাৰিংত থুৱাল লাংখুই ধৰাই থাকিলেহে হ'ব। আমি দা থুৱালত শান দি থকাতকৈ ছোৱালীৰ

কথা ভাবিয়েই বেছি ভাল পাওঁ।'

গির্জনিমৰা হাঁহিত আকৌ এবাৰ টলমলাই উঠিল চামাদি।

হাঁহি উঠিল আৰিমত্তয়ো।

তেতিয়াও খাৰাপাহ্থাই কিছুমানে খ্রাম অজাৰ পৰা খ্রাম বজোৱা শিকি আছিল। কিছুমানে চেৰে চেৰে নাচি আছিল। এচুকত দুজন খাৰাপাহ্থায়ে জাল, যাঠি, ধনু-কাড়বোৰ থানথিত লগাই আছিল। আন এফালে কেইজনমানে শোৱা ঠাই নুচাত বিছনা পৰাত লাগিছিল।

জু খাই খাই নিজৰ সপোনত বুৰ গ'ল আৰিমত্ত।

'মই ৰজা হ'লে মোৰ ৰাজ্য আৰু বেছি ডাঙৰ কৰিম। বহুত ডাঙৰ। বেছিকৈ কৰভাৰ গোটাই মোৰ মানুহক ভালেৰে ৰাখিম।'

তৰুণ বয়সৰ তেজস্বী সপোনে জু খাই গধুৰ হোৱা চকুৰ পতাত ভৰ কৰিছেহি। তাৰ মাজে মাজে ভাঁহি উঠিছে জয়ন্তীয়া পাহাৰৰ মণি ভালপোৱা, বৰ ধুনীয়া বুলি শুনা— কিন্তু কেতিয়াও নেদেখা খলাৰৰাণী গংগাৱতীৰ এটা সপোন সপোন ধুঁৱলী কুঁৱলি অৱয়ব।

১৩

'ৰাণীদেউ।'

প্ৰধান সেনাপতিৰ মাত শুনি খলা ৰাজ্যৰ গাঁওসমূহৰ দলৈসকলৰ লগত গুৰুত্বপূৰ্ণ আলোচনাত ব্যস্ত হৈ থকা ৰাণী গংগাৱতীয়ে মুখ ঘু�ৰাই চালে।

'হুৰুমাক আপুনি মাতি আনিবলৈ কৈছিল। আহিছে ৰাণীদেউ।'

'ৰ'বলৈ কওঁক। মই আহি আছো। বাৰিকা আৰু খুৰীনলকেইজনক খবৰ দিলেনে?'

'দিছো ৰাণীদেউ। বাৰিকাই পুৰোহিত ল'ৰ' আৰু হাদাৰিক কিবা এটা কথা জনাবলৈ গৈছে। আহি পাবৰ হৈছে। খুৰীনলে ৰান্ধনিশালত বৰাচাউল ভাপত বহুৱাইছে। আধাতে আহিলে অসুবিধা হয়। আহিব। অলপ পুলুনা হ'ব পাৰে।'

'হ'ব। আপুনি সভাঘৰৰ কামখিনি তদাৰক কৰকগৈ। মই সকলোকে মাত দি আহিছোৱেই। গোভাৰ ৰাজপ্ৰতিনিধি কুমৈ বঘৰাৰ ৰজা আৰিমত্ত আহি পালে মোক অলপ আগতীয়াকৈ জনাবহি।'

'হ'ব ৰাণীদেউ।' অভিবাদন জনাই সেনাপতি গ'লগৈ।

আজি খলাৰাজ্য উখল-মাখল। বিশেষকৈ ৰাজধানী।

ৰাজধানীত আজি গোট খাবহি আটাইবোৰ লালুং ৰাজ্যৰ ৰজাসকল। গোভা ৰজাৰ অনুগত ৰাজ্যসমূহৰ লগতে দাঁতিয়লিয়া ৰাজ্যসমূহৰ ৰজাসকল ইতিমধ্যে আহি পাইছে। ৰাজনৈতিক আলোচনা,— প্ৰধানকৈ সীমা সুৰক্ষা, কৰ সংগ্ৰহ, লালুং ৰাজ্যসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ জটিলতাবোৰ আৰু চুবুৰীয়া অন্যান্য ৰাজ্যসমূহৰ লগত লালুং ৰাজ্যসমূহৰ সম্পৰ্কৰ নানা দিশ এই দৰবাৰত আলোচনা হ'ব।

দৰবাৰৰ শেষত মৈত্ৰী ৰাজ্য জয়ন্তীয়াৰ ৰজাক সম্বৰ্ধনা জনোৱা হ'ব।

প্ৰত্যেক বছৰে এই দৰবাৰ লালুং ৰাজ্যসমূহৰ কোনোবা এখনত বহে। যাৰ ৰাজ্যত এই দৰবাৰ বহে, সেই ৰাজ্যখনৰ ৰাজনৈতিক গুৰুত্ব বাঢ়ে। এইবছৰ ৰাণী গংগাৱতীয়ে নিজৰ ৰাজ্যত সভাখন অনুষ্ঠিত কৰাৰ অনুমতি পাইছে। গোভাৰজা সাধুকুমাৰৰ বিবেচনাৰ কাৰণেই এই দৰবাৰ খলালৈ আনিবলৈ সক্ষম হৈছে গংগাৱতী। নহ'লে আন কোনোবা ৰাজ্যৰ হাতলৈ দৰবাৰৰ দায়িত্ব গুচি গ'লহেঁতেন।

এই সভাখনৰ অনুমতি সাধুকুমাৰে দিলেও তেওঁ কিন্তু আজি সভালৈ নাহে। তেওঁৰ সলনি তেওঁৰ পুত্ৰ, কুমৈ আৰু বঘৰাৰ ৰজা আৰিমত্ত আহিব।

আৰিমত্তৰ অভিষেক হৈ যোৱা বেছিদিন হোৱা নাই। অভিষেকৰ অনুষ্ঠানলৈ গংগাৱতীয়েও নিমন্ত্ৰণ পাইছিল যদিও চুবুৰীয়া ৰাজ্য বেলতলাৰ লগত সীমা সম্পৰ্কীয় জৰুৰী আলোচনা থকা বাবে গংগাৱতী সেই অনুষ্ঠানত উপস্থিত থাকিব নোৱাৰিলে। গোভাৰ ডেকাৰজা আৰিমত্তক গংগাৱতীয়ে দেখা নাই; কিন্তু বহুত কথা শুনিছে। আৰিমত্তৰ মাক কনচাৰীৰ কথাও বহুত শুনিছে গংগাৱতীয়ে। প্ৰজাসকলৰ দৰেই গংগাৱতীৰো মনত কনচাৰী আৰু কনচাৰী পুত্ৰ আৰিমত্তৰ প্ৰতি আগ্ৰহ, ভালপোৱা আৰু কৌতূহল আছে।

কনচাৰীয়ে সমাজৰ হিতৰ কাৰণে অনেক কষ্ট কৰিছে। তিৱালিবুংসকলে নজনা-নুশুনা বহুত ভাল ভাল কথা শিকাইছে। গোভাৰ ৰাজানঃত বাস কৰা কনচাৰীক দেৱীৰ দৰে মানে সকলোৱে। যিকোনো সমস্যাত কনচাৰীৰ ওচৰলৈ গ'লেই সহায় পোৱা যায়। কনচাৰীক চাবলৈ বৰ মন যায় গংগাৱতীৰ। কিন্তু যাম যাম বুলিও যাব পৰা নাই। খলাৰাজ্যৰ দায়িত্বৰ পৰা আজৰিয়েই নাপায় গংগাৱতীয়ে। পিতৃৰ মৃত্যুৰ পিচত অকলশৰে সকলো দায়িত্ব পালন কৰিবলগীয়া হৈছে গংগাৱতীয়ে। তদুপৰি কিছুদিনৰ পৰা পাহাৰৰ পৰা গাৰোসকলে প্ৰায়েই নামি আহি চুবুৰীয়া লুকী, ৰাণী, বেলতলা, ছয়গাঁও আদি ৰাজ্য আক্ৰমণ কৰিছেহি। এই সৰু সৰু ৰাজ্যবোৰে একত্ৰিত হৈ গাৰোসকলৰ আক্ৰমণ প্ৰতিহত কৰিছে। সেই কাৰণে প্ৰায়েই কোনোবা নহয় কোনোবা চুবুৰীয়া ৰাজ্যৰ পৰা ৰাজপ্ৰতিনিধি খলালৈ আৰু চুবুৰীয়া ডিমৰুৱা ৰাজ্যলৈ আহিয়েই থাকে। ডিমৰুৱা ডাঙৰ আৰু তুলনামূলকভাৱে শক্তিশালী ৰাজ্য। গোভা আৰু জয়ন্তীয়াৰ লগতো ডিমৰুৱাৰ বিশেষ মিত্ৰতা আছে। খলাৰ লগতো আছে। প্ৰায়েই ডিমৰুৱা আৰু খলাৰ মাজত ৰাজনৈতিক কথাৰ আদান-প্ৰদান হয়। কপিলীৰ পৰা কলঙৰ শেষ সীমালৈ এই বৃহৎ অঞ্চলটোৰ ৰাজ্যসমূহৰ মাজত কোনো যুদ্ধ লাগিবলগা বিবাদ নাই। সকলো ৰজাই শান্তিপূৰ্ণ সহাৱস্থানত বিশ্বাসী। পাণ্ডু, গুৱাহাটী, লুকী, ঔগুৰি, বেলতলা, লুকী, ৰাণী, হেঙেৰাবাৰী, ছয়গাঁও আদি ৰাজ্যৰ ৰজাসকলেও এই শান্তিপূৰ্ণ সহাৱস্থানৰ ৰীতি মানি চলিবলৈ চেষ্টা কৰে। অৱশ্যে পাণ্ডু, গুৱাহাটী, লুকী, ঔগুৰি আদিত ৰাজত্ব কৰা ভূঞাসকলৰ ৰাজ্যবিস্তাৰৰ আকাংক্ষা দেখা যায়। ভূঞাসকল যোদ্ধা। কৌশলী জনগোষ্ঠী। ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণৰ অনেক ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য ভূঞাসকলৰ দখলত আছে। খলাৰ মাটিকালি কম হ'লেও ভৌগোলিক অৱস্থানৰ ফালৰ পৰা খলাৰ ৰাজনৈতিক ক্ষেত্ৰত বিশেষ গুৰুত্ব আছে। এই বৃহৎ অঞ্চলত বৰদোৱাৰ ভূঞা, গোভা, ডিমৰুৱা, নেলী আৰু খলাই বেলেগ বেলেগ ধৰণৰ গুৰুত্ব পায়। সেয়েহে ৰাজ্যৰ

ভিতৰুৱা কাম-কাজ পৰিচালনা কৰাৰ লগত আন্তঃৰাজ্যিক ৰাজনৈতিক কামত অত্যন্ত ব্যস্ত হৈ থাকিব লাগে গঙ্গাৱতী। এতিয়াও খলাৰ ৰাজধানীত আজিৰে পৰা আৰম্ভ হ'বলগা আন্তঃৰাজ্যিক দৰবাৰৰ আয়োজনত ব্যস্ত হৈ আছে গংগাৱতী।

আজি কুমৈ, বঘৰাৰ ৰজা, গোভাৰ ৰাজপুত্ৰ যুৱৰাজ আৰিমত্ত এই সভালৈ মুখ্য অতিথি হিচাপে আহিব। আৰিমত্তক চাবলৈ উদগ্ৰীৱ হৈ আছে গংগাৱতী।

খলাৰাজ্যৰ এজন বার্তাবাহক বাৰিকাৰ ছোৱালী গংগাৱতীৰ ৰাজানঃলৈ বন-বাৰী কৰিবলৈ আহি থাকে। তাইক অলপতে গোভাৰ ডেকা এটাই পলুৱাই লৈ গ'ল।

পিচত তাই গংগাৱতীক দেখা কৰিবলৈ আহিছিল। তাইৰ মুখৰ পৰা আৰিমত্তৰ অনেক প্ৰশংসা শুনিছে গংগাৱতীয়ে। অইৰ গিৰিহঁত হেনো আৰিমত্তৰ লগত একেটা চামাদিত আছিল। তাক এতিয়া আৰিমত্তই বিভা পাতিছে।

'আপোনাৰ কথা আমাৰ তাত খুব আলোচনা হয় ৰাণীদেউ। মোৰ মানুহটোৱে কৈছে চামাদিত সকলোৱে বোলে আপোনাৰ লগত আৰিমত্ত ৰাজাৰ বিয়া হ'লে খুব ভাল জোৰা মিলিব বুলি কৈছিল।' ছোৱালীজনীয়ে লাজ লাজকৈ কৈছিল।

তাইক ডবিয়াই মনে মনে থাকিবলৈ কৈছিল গংগাৱতীয়ে। মাজে মাজে কথাটো মনত পৰিলে হাঁহি উঠি যায় গংগাৱতীৰ। একেটা সময়তে এক নামহীন, গা সিৰিক্‌কৈ যোৱা অনুভূতিয়ে মনটো ছানি ধৰে।

আৰিমত্তৰ ৰূপ-গুণৰ কথা ৰাজঅভিষেকৰ সময়ত মানুহৰ মুখে মুখে আলোচনা হৈছিল। সেই সকলোবোৰ কথাই গংগাৱতীৰ কাণত পৰিছিল।

খলা এখন অত্যন্ত সৰু ৰাজ্য। খলা ৰাজ্য গোভাৰ তলতীয়া নহয়। জয়ন্তীয়া ৰাজ্যৰ লগত খলাৰ মিত্ৰতা থকাৰ কাৰণে গোভাৰজাই কেতিয়াও খলাক নিজৰ তলতীয়া কৰি লোৱাৰ চেষ্টা কৰা নাই। অৱশ্যে গোভাৰজা সাধুকুমাৰ আগ্ৰাসীৰজাও নহয়। নিজৰ ব্যক্তিত্ব আৰু ৰাজনৈতিক কুশলতাৰে গোভা আৰু জয়ন্তীয়াৰ দৰে বৃহৎ আৰু শক্তিশালী ৰাজ্য দুখনৰ লগতে ওচৰ-চুবুৰীয়া সকলো ৰাজ্যৰ লগত সন্তাৰেৰে চলিবলৈ সক্ষম হৈছে গংগাৱতী। অৱশ্যে লালুং ৰাজ্যসমূহৰ মাজত বিৰোধ নাই বুলিলেই হয়। চুবুৰীয়া মিকিৰসকলৰ লগতো বন্ধুত্বপূর্ণ সম্পর্ক ৰক্ষা কৰি চলিছে লালুং ৰাজ্যসমূহে। অন্যান্য চুবুৰীয়া ৰাজ্যসমূহৰ লগতো সম্পর্ক ভালেই। অৱশ্যে ডিমাবঙৰ কছাৰী ৰজা গজৰাজ বডচাৰ শক্তিশালী উত্থানৰ পিচত কছাৰী ৰাজ্যৰ চুবুৰীয়া হিচাপে এই অঞ্চলৰ ৰজাসকল ৰাজ্যৰ নিৰাপত্তা আৰু স্বাধীনতাৰ প্ৰশ্নত চিন্তিত হৈ পৰিছে। বিশেষকৈ লালুং ৰজাসকল। সেয়েহে প্ৰতিবছৰে হোৱা দৰবাৰবোৰতকৈ আজি হ'বলগীয়া সভাখনৰ ৰাজনৈতিক গুৰুত্ব অধিক। আজি কছাৰী ৰাজ্যৰ লগত ৰাজনৈতিক সম্পর্ক লৈ বিশেষভাৱে আলোচনা হোৱাৰ কথা।

ৰাণী গংগাৱতী আজি কিছুদিন ধৰি এই দৰবাৰ অনুষ্ঠিত কৰাৰ আয়োজনক লৈ অত্যন্ত ব্যস্ত হৈ আছে। ৰাজধানী খলা এই উপলক্ষে নতুনকৈ সজাই তোলা হৈছে। খলাৰ অন্তর্গত গাঁওসমূহে এই সভাৰ বাবে প্রয়োজন হোৱা সকলো বস্তুৰ যোগান ধৰিছে। গাঁওসমূহৰ বুঢ়াখেলসমূহৰ এই সহযোগিতাত অত্যন্ত সুখী গংগাৱতী।

আজিৰ সভাৰ আৰম্ভণি অনুষ্ঠানত সকলো গাঁৱৰ বুঢ়াখেলৰ দলৈসকলক উপস্থিত থাকিবলৈ বাৰিকাৰ হতুৱাই গাঁৱে গাঁৱে খবৰ দিছিল গংগাৱতীয়ে।

আটাইবোৰ দলৈ ইতিমধ্যে আহি পাইছেহি। সভা আৰম্ভ হ'বলৈ এতিয়াও অনেক বাকী। সেয়েহে এই চেগতে ৰাজ্যৰ অন্য কিছু গুৰুত্বপূর্ণ কথা পাতি লৈছে। আৰিমত্ত ৰজা আহি পালেহে সভা আৰম্ভ হ'ব। জয়ন্তীয়া ৰজা আজিৰ দৰবাৰৰ শেষলৈ আহি পাবহি।

আলহীক আপ্যায়নৰ বাবে ভাগে ভাগে মানুহ ৰাখিছে গংগাৱতীয়ে। অনেক বাহৰ সজা হৈছে। পুহ মাহৰ শেষৰ ঠেঁটুৱৈ ধৰা জাৰতো কলঙত মাছ মাৰিবলৈ গৈছে ডেকাবোৰ। হা-পিচি লতা থেতেলিয়াই নৈত পেলাই গাঁৱৰ জীয়ৰী-বোৱাৰীবোৰে লতাৰ ৰস খাই উপঙি উঠা মাছবোৰ ভাটিফালে আহি ধৰিছেহি। মাছবোৰ শুকুৰাই থৈছে। গাঁৱে গাঁৱে ঢেকী-উৰালৰ মাত। মাঘ পিচুৰ বাবে পিঠা-পনা লাগে, গোভা ৰজাই পতা মাঘপিচুত হোৱা জোনবিল মেলাত বস্তু বিনিময় কৰিবলৈকো পিঠা-পনা, দিবা, সান্দহ লাগে। তাৰ উপৰিও অতবোৰ ৰজা আৰু ৰজাৰ লগত আহিবলগীয়া পালি-পহৰীয়া, লগুৱা-লিকচৌবোৰলৈকো পিঠা-পনা তৈয়াৰ কৰিব লাগে।

দলৈসমূহৰ আৰু ল'ৰ'ৰ তত্ত্বাৱধানত চামাদিসমূহৰ ডেকাবোৰে কলগছ আৰু বনৰীয়া কল গোটাই আনিছে। ৰজাসকলৰ লগত কমবোৰ হাতী আহিবনে। পাহ্তাইসকলক কামবোৰ ভগাই দিয়া হৈছে। গাহৰি গোটোৱাই গাহৰি গোটাইছে। কুকুৰা গোটোৱাই কুকুৰা গোটাইছে। বনৰ পহু, দৰিক, পর্ঘুমা, হাইঠা গোটাইছে। খৰি গোটোৱাই খৰি গোটাইছে। ৰান্ধিবলৈ লগা খাৰ, খালোন, সৰিয়হৰ তেল আদি তৈয়াৰ কৰিবলৈ ভাগে ভাগে পুৰুষ-মহিলাসকল ব্যস্ত হৈ পৰিছে।

ক্রা-কুৰুমীয়ে ইতিমধ্যে ভাগে ভাগে জু-চা, জু মাগ্রা আৰু জু লাম্ফু প্রস্তুত কৰি উলিয়াইছে। জু প্রস্তুত কৰা কামৰ পৰা আজৰি হৈ বিশাল ৰান্ধনিশালত, বৰ বৰ উধানত, দপদপিয়া জুইত ক্রা-কুৰুমীয়ে ৰন্ধা-বঢ়াত লাগিছে। অতিথি সৎকাৰৰ দায়িত্ব দিয়া পাহ্তাইসকলে আৰু গাভৰু ছোৱালীবোৰে ঢুলীয়া আৰু বাঁহী বজোৱা লোকসকলৰ লগত ৰজাসকলক আদৰিছে। এই আদৰণী তোৰণত থিয় হৈ আছিল গংগাৱতীও। সকলো ৰজা আহি পোৱাৰ পিচতহে ওচৰতে দলৈসকলৰ লগত আলোচনাত বহিছে।

আৰিমত্ত আহিলেই ওলাই যাব।

'আমি তেতিয়া হ'লে উঠোহে ৰাণীদেউ।'

ৰৱদলৈয়ে উঠি অভিবাদন জনাই ক'লে।

'হয়। যাব পাৰে।'

দলৈসকলক বিদায় দি সভাগৃহৰ বাহিৰলৈ ওলাই আহিল গংগাৱতী।

বাৰিকা, হুৰুমা আৰু খুৰীনল আহি বাহিৰত ৰৈ আছিল।

'গোভাৰ প্ৰতিনিধি, কুমৈ বঘৰাৰ ৰজা আৰিমত্ত অলপ পিচতে পাবহি ৰাণীদেও।' বাৰিকাই ক'লে।

'অ'— মই তোৰণৰ ওচৰলৈ গৈ আছো। আপুনি ৰৱদলৈক লগত লৈ তালৈ যাওঁক। ৰৱদলৈ গৈছেই। যাওঁক।' গংগাৱতীক অভিবাদন জনাই বাৰিকাজন গ'লগৈ।

'আপুনি মোক মাতিছিল ৰাণীদেও?' উৎসৱ-অনুষ্ঠানৰ সময়ত গাঁৱৰ বাট-পথ আৰু খোৱাপানীৰ উৎসৱ ওপৰত চকুৰখাৰ দায়িত্বত থকা হুৰুমাই ক'লে।

'মাতিছিলো। তোৰণৰ ওচৰত ফুল-পাত পৰি মলিয়ন দেখা হৈছে। গোভাৰ ডেকাৰজা আহি পাবৰ হৈছে। হুৰুমফালিক পঠিয়াই ঠাইখিনি পৰিষ্কাৰ কৰিবলৈ দিয়ক। ৰান্ধনিশালত পানীৰ নাটনি হ'ব পাৰে। অলপ পানীৰ যোগাৰ কৰক।'

'আৰু কিবা আদেশ আছে ৰাণীদেও?'

'নাই। আপুনি যাব পাৰে। অ'— এটা কথা, দৰবাৰঘৰৰ ভিতৰ-বাহিৰ এবাৰ চাই ল'ব। সকলো ভালকৈ সজোৱা হৈছেনে নাই চাব। লগতে তালৈ যোৱা বাটটোও এবাৰ চাই অহা হ'ব।'

প্ৰণাম জনাই হুৰুমা গ'লগৈ।

জু আৰু তামোল-পাণৰ দায়িত্বত থকা খুৰীনলৰ লগত জু আৰু তামোল-পাণৰ যা-যোগাৰ সম্পৰ্কে আলোচনা কৰি গংগাৱতী তোৰণলৈ আহে মানে গোভাৰ ডেকাৰজাক আৰু লগত অহা দেহৰক্ষী আৰু বিষয়াসকলক কঢ়িয়াই অনা সুসজ্জিত হাতীৰ শাৰীটো তোৰণৰ সম্মুখ পাইছিলহি।

হাতীৰ ওপৰত বহি আছিল আৰিমত্ত।

চুচি চুচি ফুলৰ দৰে কৰি লোৱা বাঁহ, ফুলপাত, কলপুলিৰে সজাই তোলা তোৰণৰ সম্মুখত থিয় হৈ থকা সুসজ্জিত পাছাই, খৰ্লাসকলে আৰিমত্তৰ লগতে লগত অহা লোকসকলক আদৰণি জনাইছে। পাছাইসকলৰ হাতৰ মাৰিৰ কোবত গমগমাই উঠিছে দীঘল দীঘল খ্ৰামবোৰ। উজ্জ্বল ৰঙা, হালধীয়া, কলা, বগা, কাছ্যং ফাচ্কাই পিন্ধা খৰ্লাবোৰে বাঁহৰ সৰু সৰু খৰাহিৰ পৰা মুঠিয়ে মুঠিয়ে নাৰ্জিফুলৰ পাহিবোৰ ওপৰলৈ ছটিয়াই দিছে। ম'হৰ শিঙৰ অনেক শিঙা একেলগে বাজি উঠিছে। আৰিমত্তৰ জয়ধ্বনিত উত্তাল হৈ উঠিছে খলাৰ ৰাজধানী। গংগাৱতী তোৰণৰ সম্মুখত থিয় হোৱাৰ লগে

লগে একেলগে বহি পৰিল হাতীবোৰ।

হাতীৰ পিঠিৰ পৰা নামি আহিল আৰিমত্ত। গংগাৰতীয়ে কৌতুহলী চকু তুলি আৰিমত্তলৈ চালে।

কঁকালৰ পৰা ভৰিৰ সৰু গাঁঠিলৈকেপৰা দুইমূৰে ফুলাম পাৰি থকা ধুতিৰ দৰে মুগাৰ থেনাচ পিন্ধিছে আৰিমত্তই। গাত ক'লা ৰঙৰ কপাহী সূতাৰ সোণমনি গঁথা বতীয়াতোলা টাগ্‌লা পিন্ধিছে। ডিঙিত এধাৰ সোণৰ চেওমণি। কাণত সোণৰ কুণ্ডল। মূৰত মুগাৰ পাগুৰিৰ দৰে বন্ধা ফাগা। মেদহীন বলিষ্ঠ আৰু শালপ্রাংশু শৰীৰৰ কেঁচা সোণৰ দৰে বৰণে আয়ত আৰু গভীৰ ক'লা চকুযোৰে, তীক্ষ্ণ নাক আৰু ৰক্তাভ ওঁঠেৰে আৰিমত্তক দেৱপুত্ৰ যেন লাগিছে।

থিয় হৈ থকাৰ ভংগীমাই, মুখৰ গাম্ভীৰ্যই আৰু গভীৰ চকুযুৰিয়ে যিকোনো মানুহকে বুজাই দিব পাৰে এই ডেকা ৰজা পৰাক্রমী। ৰাজ্য শাসনৰ সকলো গুণেৰে অভিষিক্ত।

ৰজাক আদৰণি জনাবলৈ আগবাঢ়ি গ'ল গংগাৰতী। আৰিমত্তই গংগাৰতীলৈ চাঁলে।

লাহি অথচ পুৰঠ কলপচলাৰ দৰে গাত উজ্জ্বল ক'লা হালধীয়া কাছ্যং ফাচকাইযোৰ আটিলকৈ পিন্ধিছে গংগাৰতীয়ে। হাতে-কাণে, ডিঙিত জিলিকি আছে জয়ন্তীয়াৰ পৰা বিনিময় কৰি লোৱা উজ্জ্বল মণিবোৰ। কোনো লালুং গাভৰুৱে সাধাৰণতে এই মণি নিপিন্ধে। অন্তত আৰিমত্তই আজিলৈকে কাকো পিন্ধা দেখা নাই।

'আজিৰ দৰে এখন গুৰুত্বপূর্ণ ৰাজনৈতিক দৰবাৰত নিজৰ পৰম্পৰাগত কাপোৰ পিন্ধিলেও গহনা কিয় পিন্ধা নাই গংগাৰতীয়ে? চামাদিত শুনাৰ দৰে জয়ন্তীয়াৰ খাৰুমণি ভাল পায় কাৰণে?

নিজকে নিজে সুধিলে আৰিমত্তই। আৰু সাধুকুমাৰৰ পৰা লাভ কৰা ৰাজনৈতিক জ্ঞানেৰে মুহূর্ততে উত্তৰটো পাই গ'ল।

এই সভালৈ বিশেষ অতিথি হিচাপে জয়ন্তীয়া ৰজা আহিব।

সেয়েহে!

ৰাণী গংগাৰতীৰ ৰাজনৈতিক কুশলতাত মুগ্ধ হৈ গ'ল আৰিমত্ত। মুগ্ধ হৈ গ'ল ৰূপ আৰু ব্যক্তিত্বত।

ওচৰ চুবুৰীয়া ৰাজ্যৰ লগত সম্ভাৰেৰে চলাৰ মন্ত্র গংগাৰতীয়ে জানে। জানে মিলা-প্রীতিৰ নিয়ম।

ৰাজঅভিষেকৰ পিচত সাধুকুমাৰেও আৰিমত্তক কৈছিল—

'নিজৰখিনি ভালকৈ সাঁচি-সামৰি ৰাখিব লাগে। নিজৰ ৰীতি-নীতি এৰিব নালাগে।

সেইবুলি নিজৰখিনিকে বুকুত বান্ধি চুকত সোমাই থাকিবও নালাগে। অলপমান এৰাধৰা, অলপমান বুজা বুজিৰেহে সমাজ চলে। অকল নিজৰখিনিকে লৈ সকলোৰে পৰা আঁতৰি আঁতৰি থাকিব খুজিলে এদিন সকলোৰে পৰা আঁতৰ হৈ পৰিব লগা হয়।'

গংগাৱতীয়ে এই কথা জানে। কাৰ পৰা শিকিলে গংগাৱতীয়ে?

প্রশ্নটো মনলৈ অহাৰ লগে লগে আৰিমত্তই মনে মনে নিজৰ মুৰ্খামিত নিজকে হাঁহিলে।

এই কথা এই অঞ্চলৰ ৰজাসকলৰ কোনে নাজানে? মিকিৰ হওক— লালুং হওক— জয়ন্তীয়া হওক— কোন ৰজাই কেতিয়া কাৰ সৈতে কাজিয়া কৰিছে? ৰাজ্যৰ ভিতৰতে দুই ভাইৰ মাজত হয়তো কেতিয়াবা খৰিয়াল লাগিছে। এই খৰিয়ালে কোনো ৰাজ্য হয়তো বিভক্তও কৰিছে— তাৰ বাহিৰে আৰু ক'ত কেতিয়া ৰণ লাগিছে?'

সাধুকুমাৰে কৈছিল—

'লালি হিলালী গীতৰ তিনিভনীৰ কথা মনত ৰাখিবা মৃগাংক। এই তিনি ভনীৰ সন্তানসকলে যদি নিজৰ মাজত যুঁজ-বাগৰ কৰে কাৰ লাভ হ'ব? নিজৰ মাজত কেতিয়াও যুঁজ নকৰিবা। লাগিলে ৰাজ্য এৰি দিবা। ৰাজ্যতকৈ ৰাইজ ডাঙৰ। ৰাজ্যতকৈ নিজৰ মাজত মিলি থকাটো ডাঙৰ। ডাঙৰৰ হাক-বচন মানি চলিবা। কাৰো কথা নুশুনা আবাজং মানুহৰ দৰে নভবা নিচিন্তাকৈ কাম নকৰিবা। তুমি এদিন বিশাল গোভা ৰাজ্যৰ ৰজা হ'বাগৈ। অনুগত ৰাজ্য কেইখনৰ বাহিৰেও দাঁতিয়লীয়া ৰাজ্যসমূহেও গোভাক মানি চলে। এই সকলোবোৰ ৰাজ্যত থকা মানুহবোৰ আমাৰ আপোন মানুহ। নিজৰ মানুহ। সেই কথা মনত ৰাখি চলিবা। তুমি ভাল বাট দেখুৱালেহে আনবোৰেও ভাল বাটে যাব।'

আৰু যে কিমান কথা কৈছিল সাধুকুমাৰে। ৰাজ অভিষেকৰ পিচত গোভাৰ পৰা কুমৈৰ ৰাজধানীলৈ গুচি গৈছে যদিও আমচাই মার্জঙতো প্রায়েই থাকেগৈ আৰিমত্ত। গোভাৰ প্রধান ৰাজানঃত মাকৰ লগতো থাকে। সাধুকুমাৰৰ লগত বেছিভাগ সময় কটায়। সাধুকুমাৰেই আৰিমত্তক ৰাজ্য শাসনৰ অন্ধি-সন্ধিবোৰ শিকাইছে। কিন্তু সাধুকুমাৰৰ সকলো কথাত একমত নহয় আৰিমত্ত। নিজৰ অঞ্চলত কোনো আগ্রাসী অভিযান চলোৱাৰ কথা নাভাবিলেও এই অঞ্চলৰ বাহিৰলৈ গৈ ৰাজ্য বিস্তাৰ কৰাৰ পৰিকল্পনা কৰি থৈছে আৰিমত্তই। মাত্র গোভাই নহয়, এই সমগ্র অঞ্চলক ৰাজনৈতিক আৰু অর্থনৈতিকভাৱে শক্তিশালী কৰি তোলাৰ সোপোন দেখিছে। আন্তঃৰাষ্ট্রীয় বাণিজ্যত নিজৰ অঞ্চল আৰু ৰাজ্যক অংগীভূত কৰি পশ্চিমৰ আৰু পুবৰো উন্নত ব্যৱস্থাসমূহ প্রবর্তন কৰাৰ ইচ্ছা মনত পুহি ৰাখিছে। ক'ব। সময়ত।

এতিয়া ক'লে মাক কনচাৰী আৰু আফাক সাধুকুমাৰে নিশ্চয় বিধি-পথালি দিব।

তেওঁলোক ৰাজ্য বিস্তাৰৰ বিৰোধী। বৈপ্লৱিক পৰিবৰ্তনৰো বিৰোধী। এখুজি-দুখুজিকৈ আগবঢ়া শান্তিপূৰ্ণ উন্নতিত বিশ্বাসী। আৰিমত্ত তেওঁলোকৰ দৰে নহয়। আৰিমত্ত গতিত বিশ্বাসী। দুৰ্বাৰ গতিত। গোভাৰ প্ৰশস্ত ৰাজপথেৰে যেতিয়া তীব্ৰগতিত ঘোঁৰা চেকুৰাই কুমৈ, বঘৰা, আমচাই মাৰ্জঙলৈ অহা-যোৱা কৰে তেতিয়া গতিময়তাৰ তীব্ৰ আনন্দত টগ্‌বগাই উঠে আৰিমত্ত।

কুমৈ, বঘৰাৰ দায়িত্ব পোৱাৰ পিচত লাহে লাহে সমৰশক্তি বৃদ্ধি কৰিছে আৰিমত্তই। পূবৰ পৰা দূৰৈৰ পশ্চিমলৈকে ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে থকা ৰাজ্যসমূহৰ গতিগোত্ৰ, সমৰশক্তি, ভৌগোলিক অৱস্থান আদিৰ তথ্য গোটাবলৈ আৰম্ভ কৰিছে। সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠাৰ পিচতহে কোন দিশে অভিযান আৰম্ভ কৰিব সেই সিদ্ধান্ত ল'ব আৰিমত্তই।

'দৰবাৰলৈ যোৱাৰ আগতে অলপমান জিৰাই ল'ব নেকি ৰজাদেউ?'

গংগাৱতীৰ কথা শুনি সচকিত হৈ উঠিল আৰিমত্ত।

'নালাগে। সভালৈকে যাওঁ।' গম্ভীৰভাৱে হাঁহিলে আৰিমত্তই।

ৰাণী গংগাৱতী আৰু ৰজা আৰিমত্ত আদৰি নিয়া ঢুলীয়াসকল আৰু পালি-পহৰীয়াৰ সৈতে দৰবাৰথলীলৈ ওচৰা-উচৰিকৈ আগবাঢ়ি গ'ল।

সভাথলীত প্ৰৱেশ কৰি আকৌ এবাৰ মুগ্ধ হৈ গ'ল আৰিমত্ত।

চাৰিকোণীয়াকৈ পাৰি থোৱা ফুলকটা শিলৰ চালে চকুৰোৱা আসনত বহি আছে ৰজাসকল।

আৰিমত্ত সোমাই যোৱাৰ লগে লগে বহি থকা অৰলং খামলিবোৰ এৰি থিয় হৈ ৰজাসকলে অভিবাদন জনালে।

সভাগৃহৰ বাহিৰত খ্ৰামৰ চেও লাহে লাহে বন্ধ হৈ গ'ল। দক্ষিণফালৰ শাৰীটোত শিলৰ, অন্যধৰণে ফুলকটা, অন্য আকাৰৰ অৰলং খামলি তিনিখন থোৱা আছিল।

কুথিমালি ফুলৰ থোপাবোৰ সভাগৃহৰ চাৰিওফালে বেৰত লগাই থোৱা আছিল। আসনসমূহৰ মাজত এখন শিলৰেই ডাঙৰ ফুলকটা মেজ। তাৰ ওপৰত কুথিমালি ফুলৰ কেইবাটাও থোপা সজাই থোৱা আছিল। ফুলৰ থোপাবোৰৰ মাজে মাজে ক'লা-ৰঙা আৰু হালধীয়া সূতাৰ মাজে মাজে মণি গাঁঠি লগাই থোৱা বাঁহৰ সৰু সৰু ফুলকটা চুঙা থোৱা আছিল।

ৰজাসকলেও হাতে হাতে একেই ধৰণৰ ফুলকটা মণিগঁঠা বাঁহৰ চুঙা লৈ আছিল।

অভিবাদন জনাই ৰজাসকল বহিল।

আৰিমত্ত আৰু গংগাৱতীও বহিল।

'ইমান ধুনীয়া মণিগঁঠা বাঁহৰ চুঙা ক'ত পালে ৰাণী গংগাৱতী?' চুঙা এটা হাতত

তুলি পানী এঢোক খাই দৰবাৰ চলি থকাৰ মাজতে সুধিলে আৰিমত্তই।

'আমাৰ ল'ৰাবোৰে সাজিছে। জয়ন্তীয়াসকলৰ পৰা মণিবোৰ আনি ময়েই তেনেকৈ সজাবলৈ দিছিলো ৰজাদেউ। 'আমাৰ খলা ৰাজ্য বৰ সৰু। কৰভাৰো বেছি নাপাওঁ। আপোনালোককনো কিদৰে মৰম জনাম?' গংগাৱতীযে নম্রভাৱে ক'লে।

'মৰম জনাব খলাৰ ৰাইজে দেখিছো ভালেই জানিছে। লুখুমীৰ দৰে ৰাণী পাইছে যে।' আৰিমত্তই হাঁহিলে।

গংগাৱতীৰ গাল দুখন ৰঙচুৱা হৈ গ'ল। কিন্তু লাজৰ অনুভূতি প্রকাশ নকৰি ৰাজনৈতিক প্রসংগলৈ ফালৰিকাটি গ'ল—

'এইবাৰ আমি পোৱা কৰভাৰৰ কথাটো আলোচনা কৰিব দেওৰজা। আপুনি যিমতে কয় সেইমতেই হ'ব। চহৰিৰ পৰা যিখিনি কৰভাৰ পাওঁ সেইখিনি ক'ম হয়। তাত খেতি-বাতি, বেহা-বেপাৰো ভাল হয়। মহঙৰ হাটলৈ বেছি দূৰো নহয়। গোভাহাটতো ওচৰতেই। আমি বেছি জোৰ কৰিবলৈ টান পাওঁ। দূৰৈৰ ঠাই। ফালি গুচি যায় বুলি ভয় লাগে। আপুনি যদি এই সভাতেই কথাটো কয় বৰ ভাল হয়।'

গংগাৱতীৰ ৰাজনৈতিক ভাষা শুনি আৰিমত্ত চমকি উঠিল। এই লাহি দেহৰ আলসুৱা যেন লগা ধুনীয়া ছোৱালীজনীয়ে আৰিমত্তৰ দৰে সুপুৰুষৰ প্রশংসা উপেক্ষা কৰি নিজৰ ৰাজ্যৰ কথা পাতিছে।

আচৰিত।

চামাদিত ঠিকেই শুনিছিল আৰিমত্তই।

খলাৰ ৰাণীয়ে ডেকা ল'ৰাৰ কথা নাভাবে। ৰজ্যৰ কথাহে ভাবে।

'খলা ৰাণীও মোৰ দৰে।' ভাবিলে আৰিমত্তই।

ছাট্‌কৈ মনত পৰিল চামাদিত কোৱা কথা— গংগাৱতীৰ লগত আৰিমত্তৰ বিয়া হ'লে বৰ ভাল যোৰা হ'ব।

'আপুনি মোৰ কথা শুনা নাই দেওৰজা।'

গংগাৱতীৰ কথা শুনি আৰিমত্ত চমকি উঠিল। মনৰ ভাব প্রকাশ নকৰি গম্ভীৰভাৱে ক'লে—

'শুনিছো। আপুনি কোৱা কথাটো মই উলিয়াম।'

সভা আৰম্ভ হৈছিল।

বিভিন্ন ৰাজ্যৰ পৰা অহা ৰজাসকলে এফালৰ পৰা নিজৰ নিজৰ সমস্যাসমূহ আৰু আন্তঃৰাজ্যিক জটিলতাসমূহৰ বিষয়ে নিজৰ নিজৰ মতামত আগবঢ়াবলৈ আৰম্ভ কৰিছিল। ৰাজনৈতিক আলোচনাত মগ্ন হৈ পৰিল আৰিমত্ত আৰু গংগাৱতী।

১৪

গাঁওবোৰ উদং কৰি ওলাই আহিছে মানুহবোৰ। সৰু ল'ৰা-ছোৱালী থকা মাকবোৰ আৰু অসমর্থ লোকসকলৰ বাহিৰে গাওঁবোৰত বোধকৰো এজনো বয়স্ক মানুহ নাই। এক নির্দিষ্ট তালত হাতচাপৰি মাৰি মাৰি জাক পাতি পাতি পথাৰৰ মাজৰ বাটেৰে আগবাঢ়ি গৈছে মানুহবোৰ। হাত চাপৰিৰ লগে লগে ডেকা-গাভৰু, সমর্থ বুঢ়া-বুঢ়ী সকলোৱে গাই আহিছে জাত-জাত নাম। গা নাচি উঠা গান। এন্ধাৰি এন্ধাৰি হৈ থকা গাঁৱৰ ৰাতিপুৱাৰ ঠেঁটুৱৈ ধৰা জাৰ আৰু নির্জনতা ভেদি আকাশলৈ উৰি গৈছে ৰৈ ৰৈ মৰা সমস্বৰ কিৰিলি। বিয়পি গৈছে পথাৰ পাৰ হৈ নিঃপালি দি থকা গাঁওবোৰলৈ।

জোনবিল মেলাত আজি মাছমৰা হ'ব। ৰং-ৰহইচ কৰি গাঁৱৰ ডেকা-বুঢ়া, জীয়ৰী-বোৱাৰীয়ে জোনবিলত নামি আজি মাছ মাৰিব।

জোনবিলৰ পাৰত বছৰেকীয়া মেলা বহিছে।

আজি গোভা ৰজাৰ বিহুৰ উৰুকা। মাঘৰ সংক্রান্তি পাৰ হৈ যোৱাৰ পিচতহে গোভা ৰজাৰ বিহুৰ উৰুকা হয়।

উৎসৱৰ আনন্দত মতলীয়া হৈ পৰিছে সকলো মানুহ।

লখিমী চপোৱাৰ পিচত এতিয়া সকলোৰে আজৰিয়েই আজৰি। বিহুৰ বতৰ শেষ হোৱাৰ পিচতেই আকৌ আৰম্ভ হ'ব খেতিৰ বতৰ। খ্ৰাম-পাংচী সামৰি আটাইবোৰে আকৌ কর্মজীৱনলৈ উভতি যাব।

গাঁৱৰ মাজে মাজে থকা বিস্তীর্ণ পথাৰৰ মাজে মাজে থকা লুংলুঙীয়া টাৰিবোৰেৰে বেলেগ বেলেগ গাঁৱৰ মানুহ মাছমৰা সজুলি লৈ জাক পাতি পাতি হাত চাপৰি বজাই বজাই গান গাই গাই আহি আছে।

পূবৰ আকাশ লাহে লাহে পোহৰ হৈ আহিছে।

কপাহী, পাট, এৰী, মুগাৰ বিচিত্র বর্ণৰ, বিচিত্র আৰ্হিৰ কাপোৰ পিন্ধা বিভিন্ন জনগোষ্ঠীৰ মানুহৰ লানি-নিছিগা সমাগমে বর্ণময় কৰি তুলিছে মেলাৰ থলী আৰু মেলাৰ থলীলৈ অহা বাটবোৰ।

সেই শব্দ বর্ণ আনন্দৰে মোহময় উজ্জ্বল ৰাতিপুৱা সকলো শব্দ চেৰ পেলাই ঘাই

আলিবাটত গুমগুমাই উঠিল অগণন খ্রাম আৰু মহৰ শিঙাৰ মাত।

টাৰিবোৰেৰে আহি থকা মানুহবোৰে, ঘাইআলিৰে আহি থকা মানুহবোৰে সেই শব্দত উৎকর্ণ হৈ উভতি চালে।

ৰৈ গ'ল।

তাৰ পিচত স্তব্ধ হৈ গ'ল কিৰিলিৰ শব্দ, হাতচাপৰিৰ শব্দ, গানৰ শব্দ।

টাৰিবোৰ আৰু ঘাইআলিৰ পৰা নামি গৈ মানুহবোৰ নিয়ৰত তিতি থকা নৰাৰে ভৰা পথাৰত জুম বান্ধিলেগৈ।

ৰজা আহিছে।

গোভা ৰজা।

আজি গোভা ৰজাৰ বিষয়াসকলে ৰজাৰ উপস্থিতিত জোনবিলত মাছমৰা লোকসকলৰ পৰা মাছৰ কৰ সংগ্রহ কৰিব।

'আজি দেওৰাজা ইমান পুৱাই আহিল দেখোন। কথা কি?' মাছৰ জালখন কান্ধত ভালকৈ লৈ আঁঠুমুৰীয়াকৈ কাপোৰ পিন্ধা লোক এজনে কৈ উঠিল।

'উ— তই নাজানই নেকি? এইবাৰ দেখোন খলাত দৰবাৰ বহিছে। সকলো ৰজাই বোলে আজি মেলালৈ মাছমৰা চাবলৈ আহিব।'

'চত্‌ল? মই আকৌ কালিয়েই দৰবাৰ শেষ হৈ সকলো ৰাজা গুচি যোৱা বুলিহে শুনিছিলো।'

'জু খাই পৰি থাকোতে সপোনত শুনিছিলি নেকি?' আন এটাই ক'লে।

'সপোনত শুনা নাই অ'— ৰাতি শোৱাপাটীত ঘৈণীৰ লগত থাকোতে শুনা যেন পালে।' আন এজনে কৈ উঠিল।

জুম বান্ধি থিয় হৈ থকা একে গাঁৱৰ মানুহখিনিয়ে গির্জনি মাৰি হাঁহি উঠিল। কিৰিলিয়াই উঠিল কেইবাটাও বিয়া নকৰোৱা ডেকাই।

'চুপ থাক— মুখৰ বান্ধ নাইকিয়া ক'ৰবাৰ।' লাজত ৰঙা পৰি ন-কৈ বিয়া কৰোৱা ডেকাটোৱে খঙেৰে ক'লে।

'উ—— ই আকৌ সঁচা কথা কওঁতে দাং খাইহে উঠিল। পাটীত পৰি ৰাতি ৰাতি তই লালি হিলালি কিত গাই থাক নেকি?'

'নহয় ই খুম্‌খাতিঃ পিন্ধি ছগ্রা নাচি থাকে।' আকৌ সমস্বৰে হাঁহি উঠিল একগাঁও মানুহে।

ওচৰে-পাঁজৰে জুম খাই থকা মানুহবোৰেও মিছিক-মাচাক হাঁহিছে। বিয়া নকৰোৱা ডেকাবোৰে কিৰিলিয়াই উঠিছে। হাতত জাকৈ লোৱা গাভৰুবোৰে মুখত হাত দি খিলখিলাই হাঁহি উঠিছে।

তেনেতে হাঁহিৰ শব্দ দেওদি বাৰিকাৰ খ্ৰামৰ মাত ভাহি আহিল।

'ৰাইজ ঐ— দেওৰাজা আহিছে, বাট এৰি আঁতৰি যা।'

বাৰিকাৰ চিঞৰ শুনি জুমবন্ধা মানুহবোৰ ঘাইবাটৰ দুয়োপিনে লানি পাতি থিয় হ'ল।

পাৰ হৈ গ'ল খ্ৰাম বজোৱা মানুহজন আৰু বার্তাবাহক বাৰিকাক কঢ়িয়াই নিয়া হাতীটো।

'আনবোৰ ৰাজাও আহিছে নেকি অ' বাৰিকা?' কোনোবা এজনে চিঞৰি সুধিলে।

'আহিছে। দাঁতিয়লীয়া ৰাজাবোৰো আহিছে। জয়ন্তীয়া ৰাজাও আহিছে। খলাৰ ৰাণীও আহিছে।'

খলাৰ বাৰিকা হোৱা বাবে নিজৰ ৰাণীৰ কথাও কৈ গ'ল বাৰিকাই।

'বৰ ভাল লাগিব আজি। ইমানবোৰ ৰাজাক আজি একেলগে দেখিবলৈ পাম।' মানুহবোৰে নিজৰ মাজত কোৱাকুই কৰিলে।

'গোভাৰ নতুন ডেকাৰাজাকো দেখিবলৈ পাম আজি।'

'মই দেখিছো। বৰ ধুনীয়া। বৰ বাহুবলী পাছাই। এনে ৰাজা পোৱা খৰমৰ কথা।'

'বুঢ়া দেওৰাজানো কি বেয়া অ'? খৰমৰ কথাযে কৈছ? তেওঁৰ দৰে সাধু পুৰুষ পোৱাটোহে খৰমৰ কথা।'

'ঠিকেই। নতুন ৰাজা বাহুবলী হ'ব পাৰে। ধুনীয়া হ'ব পাৰে। গোভাৰ ৰাজা হৈ লওঁক। কাম কৰিলেহে চিন ওলাব— আমাৰ খৰম ভাল নে বেয়া।'

'ভাল ভাল অ'— আমি শুনিছো নহয়, তেওঁ ৰাইজৰ হকে ভাল কাম কৰিবই চাবি। পাই কনচাৰীৰ ল'ৰাহে তেওঁ।'

'সঁচাই। পাই কনচাৰীৰ দৰে মাক এজনী থাকোতে আমাৰ ৰাজাই ৰাইজৰ হকে কাম নকৰি পাৰিবনে?'

'ডেকাৰাজা কুমৈত থাকিব বোলে। বঘৰাত নাথাকে। এতিয়া আমচাই মার্জঙতে বেছিকৈ থাকে। পিচত কুমৈৰ ৰাজানঃত থাকিব।'

'হয় নেকি? ক'ত শুনিলি?'

'গাঁৱলীয়ালৈ গৈছিলো— তাতে শুনি আহিলো।'

'হওক। থাকক। ৰাইজৰ ভাল হ'লেই হ'ল।'

'হ-য়া— আহিছে আহিছে।' ৰাইজৰ মাজৰ কিছুমানে চিঞৰি উঠিল।

'আওৰি নকৰিবি। দেওৰাজাই বেয়া পাব। আলহী ৰজাবোৰ আছে।'

মুখিয়াল যেন লগা এজনে ডাঙৰ মাতেৰে ক'লে।

উৎসাহত চঞ্চল হৈ উঠা মানুহবোৰ শান্ত হ'ল। প্ৰবল কৌতুহলেৰে তেওঁলোকে

বহু দূৰৈত ৰিণিকি ৰিণিকি দেখা পোৱা হোৱা হাতীৰ সমদলটোলৈ চাই থাকিল।

লাহে লাহে স্পষ্ট হৈ উঠিল শিঙা আৰু খ্ৰামৰ শব্দবে দহগাঁও মুখৰিত কৰি আহি থকা হাতীৰ দীঘলীয়া লানিটো।

পথাৰত ৰৈ থকা মানুহবোৰে অবাক হৈ সেই অভূতপূৰ্ব দৃশ্যলৈ চাই থাকিল।

হিচাপ কৰি শেষ কৰিব নোৱাৰা সুসজ্জিত হাতীৰ শাৰী। প্ৰথমতে কেইটামান হাতীত উঠি আহিল খ্ৰাম, পাংচী, শিঙা বজোৱা মানুহবোৰ। তাৰ পিচত এজাক গা-ৰখীয়া সৈন্য কঢ়িয়াই অনা হাতীবোৰ। তাৰ পিচত জয়ন্তীয়া ৰজা।

জয়ন্তীয়া ৰজাৰ পিচতে তিনিটা হাতীত কেইজনমান গা-ৰখীয়া সৈন্য।

তাৰ পিচৰ হাতীটোত গোভাৰ ডেকাৰজা আৰিমত্ত।

তাৰ পিচত আন তিনিটা হাতীত কেইজনমান গা-ৰখীয়া সৈন্য। তাৰ পিচত খলাৰৰাণী গংগাৱতী। তাৰ পিচত আৰু এজাৰ্ক গা-ৰখীয়া সৈন্য। তাৰ পিচত ডিমৰুৱা ৰজা। আকৌ গা-ৰখীয়া সৈন্য তাৰ পিচত নেলী ৰজা। এজনৰ পিচত এজনকৈ গা-ৰখীয়া সৈন্য কঢ়িওৱা হাতীবোৰৰ মাজে মাজে আন সকলো ৰজা। শাৰীটোৰ মাজে মাজে খ্ৰাম আৰু শিঙা বজোৱা মানুহ কঢ়িওৱা হাতীবোৰ। একেবাৰে শেষত বিষয়াসকল।

বাটৰ দুয়োফালে পথাৰত থিয় হৈ থকা মানুহবোৰে যেন সপোনহে দেখিছে। কুথিমালি, গেন্ধাই, ৰঙা জবাফুল আৰু পাতাবাহাৰৰ পাতেৰে সজোৱা হাতী আৰু সোণ-ৰূপৰ পাত মেৰিওৱা হাওদাবোৰে, হাতীৰ পিঠিত বহি যোৱা ৰজাবোৰে, কোমল ৰ'দত তিৰবিৰাই উঠা অস্ত্ৰবোৰে মানুহবোৰৰ চকু চাট্ মাৰি ধৰিছে।

পথাৰতে আঁঠু লৈ অভিবাদন জনোৱা মানুহবোৰৰ অভিবাদন গ্ৰহণ কৰি কৰি আগবাঢ়ি গ'ল সুসজ্জিত হাতীৰ সুদীৰ্ঘ সমদলটো।

গংগাৱতীয়ে চাৰিওফালে চাই চাই গৈছে।

জোনবিল মেলালৈ প্ৰতি বছৰেই আহে গংগাৱতী। জোনবিল মেলাৰ বিচিত্ৰ সমাবেশে, বিচিত্ৰ বেহানিয়ে আৰু মন-প্ৰাণ উতলোৱা প্ৰাণচঞ্চলতাই গংগাৱতীক আনন্দ দিয়ে। জোনবিলত মাছমৰা পুৰুষ তিৰোতাবোৰৰ অবাধ ধেমালি আৰু উৎসাহে গংগাৱতীক অন্য কোনো জগতলৈ লৈ যায়। পুহ মাঘৰ ক্ৰান্তি কালৰ পথাৰ, কুঁৱলী আৰু উৎসৱ উৎসৱ যেন লগা ভোগালী দিনবোৰে গংগাৱতীক প্ৰদান কৰে অনন্য পৰিতৃপ্তি।

জোনবিলত অনুষ্ঠিত হোৱা মাছমৰা উৎসৱৰ কথা মনত ৰাখিয়েই তিনিদিনীয়া আন্তঃৰাজ্যিক দৰবাৰৰ কাল নিৰ্দিষ্ট কৰিছিল গংগাৱতীয়ে। এই দিনবোৰত প্ৰকৃতি শান্ত হৈ থাকে। কৃষিকৰ্মত বিৰতি পৰে। ভঁৰালবোৰ ভৰি থাকে। হাৰি-বন পাতলে। ম'হ, মাখি সাপ, পানী একোৰেই উপদ্ৰৱ নাথাকে। এনে সময়ত দৰবাৰ বহিলে সকলো

ফালৰ পৰাই সুবিধা। দৰবাৰলৈ অহা অতিথিসকলৰ কাৰণে প্ৰতিনিশা মনোৰঞ্জনৰ ব্যৱস্থা কৰিছে গংগাৱতীয়ে। দূৰ-দূৰণিৰ পৰা বিভিন্ন ধৰণৰ গীত-বাদ্য জনা মানুহ আনিছে। মনোৰঞ্জনৰ অংগ হিচাপেই আজি জোনবিলৰ পাৰত ভোজৰ আয়োজন কৰিছে গংগাৱতীয়ে। মেলাও চোৱা হ'ব। মাছমৰাও চোৱা হ'ব। একে সময়তে ৰাজনৈতিক আলোচনাও হ'ব। পৰম্পৰা অনুসৰি প্ৰতি বছৰে জয়ন্তীয়া ৰজাৰ লগত আজিৰ দিনটোত গোভাৰজাই উপঢৌকন বিনিময় কৰে। গোভাৰজাৰ মাঘবিহুৰ উৰুকাৰ দিনা প্ৰতি বছৰে জয়ন্তীয়া ৰজা ভৈয়ামলৈ নামি আহি জোনবিল মেলাত উপস্থিত হয়। লালুং ৰজাসকলৰ দৰবাৰত জয়ন্তীয়া ৰজাৰ সৌজন্যমূলক উপস্থিতি ৰাজনৈতিকভাৱে অতি লাভজনক হ'ব বুলি ভবাৰ কাৰণেও এই সময়তেই তিনিদিনীয়াকৈ দৰবাৰৰ আয়োজন কৰিছে গংগাৱতীয়ে। অতিথিসকলৰ খোৱা-থকাৰ সুব্যৱস্থাৰ লগতে মনোৰঞ্জনৰ কাৰণেও কড়িৰ ভঁৰাল খুলি দিছে গংগাৱতীয়ে। অতিথি সৎকাৰৰ স্বাভাৱিক আগ্ৰহৰ লগতে চুবুৰীয়া ৰজাসকল, গোভা আৰু জয়ন্তীয়া ৰজাক সন্তুষ্ট কৰি ৰাজনৈতিক সম্পৰ্ক দৃঢ় আৰু উন্নত কৰাৰ উদ্দেশ্যও আছে।

গঙ্গাৱতীৰ পিতৃৰজাৰ বন্ধু জয়ন্তীয়া ৰজাই গংগাৱতীক স্নেহৰ চকুৰে চায়। গোভাৰজা সাধুকুমাৰেও। এইবাৰ গোভাৰ যুৱৰাজ আৰিমত্ত আহিছে। আৰিমত্তৰ লগতো সুসম্পৰ্ক গঢ়ি তোলাৰ চেষ্টা কৰিছে গংগাৱতীয়ে। আৰিমত্তক ভালো লাগিছে গংগাৱতীৰ।

আৰিমত্ত অহংকাৰী নহয়।

অত্যধিক গম্ভীৰো নহয়।

নিজৰ মৰ্যাদা আৰু গাম্ভীৰ্য অটুট ৰাখিও কেনেকৈ সহজভাৱে মিলিব লাগে সেই কথা আৰিমত্তই জানে। কালি গোটেই দিনটো আৰু ৰাতিও অনেক সময়লৈ আৰিমত্তক ওচৰৰ পৰা লগ পাইছে গংগাৱতীয়ে। ইতিমধ্যে অনেক সহজ হৈ পৰিছে দুয়ো সমবয়সীয়া ৰজা-ৰাণী। সমবয়সী হোৱা বাবেও বন্ধুত্ব গঢ়ি উঠা সহজ হৈছে। মাজে মাজে আৰিমত্তই এনে একোটা দ্যৰ্থক বাক্য কৈ পেলায় যে ৰঙা-চিঙা পৰি যায় গংগাৱতী। তৰল যুৱকৰ ধেমালি বুলি গম্ভীৰ হৈ যাব পৰাও নাযায়,— গহীন ৰাজনৈতিক কথা বুলি মন্তব্য আগবঢ়াবও পৰা নাযায়। কথাবোৰে গংগাৱতীৰ মনটো খেলিমেলি কৰি পেলায়। ৰজাৰ পোছাকৰ আঁৰৰ পৰা যেনেকৈ আৰিমত্তৰ তাৰুণ্যসুলভ মনটো মাজে মাজে জিলিক্ মাৰি উঠে তেনেকৈ গংগাৱতীৰো ৰাণীৰ গাম্ভীৰ্য এৰি জিলিক্ মাৰি উঠিবলৈ মন যায়।

হাতীবোৰে পানীত খোজ পেলাইছে। বিচিত্ৰ শব্দত মুখৰিত হৈ উঠিছে চৌপাশ। সেই শব্দত অন্যমনস্ক গংগাৱতীয়ে সচকিত হৈ উঠি ইফালে-সিফালে চালে।

হাতীৰ লানিটো এখন সৰু নৈ পাৰ হৈছে।

শীতকালৰ নৈ।

পানী নাই বুলিলেই হয়।

কিছু দূৰৈত মহগুৱাল এজনে গলধন ধৰা মহ এটাক নৈৰ বালিয়ৰি গৰাৰ ওচৰত ৰাখি বালিৰ গৰাত শিং ধৰাবলৈ দিছে। মুৰটো বেঁকা কৰি ইফালে-সিফালে ঘুৰাই গৰাত শিঙেৰে টান টানকৈ খোঁচ মাৰিছে ম'হটোৱে। গৰাৰ বালিয়ৰি মাটি খহি খহি পৰিছে। ৰাতিপুৱাৰ কোমল ৰ'দৰ পোহৰত চিক্‌মিকাই উঠিছে তজবজীয়া মহটোৰ পুৰঠ তেলপিচলা গাটো।

যুঁজাৰু মহ।

মাঘৰ বিহুৰ ওচৰে-পাঁজৰে অনুষ্ঠিত হোৱা মহযুঁজলৈ যাব নিশ্চয়।

গংগাৰতীয়েও দৰবাৰলৈ অহা অতিথিসকলক দেখুৱাবলৈ মহ যুঁজৰ আয়োজন কৰিছে। বাৰপূজীয়াৰ পৰা মহ যুঁজোৱা লোকসকলৰ প্ৰায়ভাগেই আহি পাইছে। ৰজাই নিজে আগবাঢ়ি আহি এই দায়িত্ব লৈছে। গংগাৰতী মহযুঁজৰ অনুষ্ঠানক লৈ নিশ্চিন্ত। মাত্ৰ আজিৰ দিনটোৰ কাৰ্যসূচী ভালদৰে পাৰ হ'লেই হয়। কালিলৈ মহযুঁজৰ পিচতেই অতিথিসকল গুচি যাব।

দৰবাৰৰ আলোচনাৰ বিভিন্ন দিশ মনৰ মাজতে বিশ্লেষণ কৰি কৰি আৰু জোনবিলৰ বাহৰত ৰজা আৰিমত্তক ক'ব খোজা ৰাজনৈতিক কথাখিনি জুকিয়াই জুকিয়াই গৈ থাকিল খলাৰাণী গংগাৰতী। জোনবিলৰ বাহৰত উপস্থিত হয়গৈ মানে ভালকৈ ৰ'দ ওলাইছিল। ভাপ হৈ উৰি যাব ধৰিছিল কুঁৱলিৰ চাদৰখন।

জোনবিলৰ পাৰত সজা শাৰী শাৰী বাহৰৰ সম্মুখত চৌপাশ সচকিত কৰি সমদলটো আহি ৰ'লহি।

আৰিমত্ত হাতীৰ পৰা নামি আহিল। অন্যান্য ৰজাসকল, বিষয়াসকল, খ্ৰাম, শিঙা বজোৱা পাছাইসকলো হাতীৰ পৰা নামি আহিল। জয়ন্তীয়া ৰজা নমা নাই। পৰম্পৰা অনুসৰি আৰিমত্তই আদৰি আনিব।

হাতীৰ ওচৰত থোৱা কাঠ-বাঁহেৰে সজা খটখটীৰ দৰে সজুলি এটাত ভৰি থৈ নামি আহিল গংগাৰতী। ক'লাৰ ওপৰত ৰঙা, হালধীয়া বুটাবচা মাংআন্‌থলা, তাৰ ওপৰত মুগা ৰিহা পিন্ধিছে গংগাৰতীয়ে। কাণত উজনিৰ পৰা অনা বাখৰখটোৱা জাংফাই কেৰু, ডিঙিত জোনবিৰি আৰু লতা বাখৰৱা বিৰি, কপালত কপালি, শিৰত শিৰপতা, হাতৰ ঠাৰিত গামখাৰু আঙুলিত মৰা নেজীয়া আৰু পদুমকলি আঙঠি আদি গহনাৰে নিজক সজাইছে গংগাৰতীয়ে।

বাহৰৰ সম্মুখত আদৰিবলৈ ৰৈ থকা লোকসকলে আৰু বাটৰ দুয়োকাষে ৰৈ

থকা লোকসকলে বিস্ময় মুগ্ধ দৃষ্টিৰে আৰিমত্ত আৰু গংগাৱতীলৈ চালে। পনীয়া সোণৰ নৈত গা ধুই যেন.এইমাত্ৰ উঠি আহিছে পুৱাৰ সূর্য। গংগাৱতীয়েও চাইছে মেজাংকৰিৰ থেনাচ, ৰঙা ৰং কৰা, সোণমণিৰ বতীয়া তোলা টাগ্‌লা আৰু কুহুমবুলিয়া পাটৰ সোণপোৱাল খটুওৱা ফাগা পিন্ধা আৰিমত্তলৈ। আৰিমত্তয়ো চাইছে গংগাৱতীলৈ। দুয়োৰে চকুত ফুটি উঠিছে অন্তহীন মুগ্ধতা। হাতীৰ পৰা নামিয়েই দুয়ো ওচৰ চাপি আহিল।

'বৰ ধুনীয়া দেখাইছে আপোনাক খলাৰাণী।' আৰিমত্তই আনে নুশুনাকৈ ক'লে।

'ৰজাদেৱে কিযে কয়।' লাজত ৰঙা হৈ গ'ল গংগাৱতীৰ গালমুখ।

'খলাৰ নিৰাপত্তাক লৈহে মই চিন্তিত হৈছো খলাৰাণী।' জয়ন্তীয়া ৰজা বহি থকা হাতীটোৰ ওচৰলৈ একেলগে গৈ থাকোতে গম্ভীৰ মাতেৰে ক'লে আৰিমত্তই।

'কিয় দেওৰজা?' লাজ পাহৰি উৎকণ্ঠিত হৈ উঠিল গংগাৱতী। লাজকুৰীয়া গাভৰুৰ পৰা মুহূর্ততে ৰূপান্তৰিত হৈ গ'ল দায়িত্বশীল শাসকলৈ।

'খলাত যে সোণৰ খনি আছে।' চিন্তিত ভাবেৰে ক'লে আৰিমত্তই।

গম্ভীৰ খোজেৰে গংগাৱতীৰ ওচৰে ওচৰে গৈ আছে আৰিমত্ত। জয়ন্তীয়া ৰজাক আদৰিবলৈ। দেখাসকলে ভাবিছে তেওঁলোক গম্ভীৰ ৰাজনৈতিক আলোচনাত মগ্ন।

'সোণৰ খনি? সোণৰ খনিতো খলাত নাই।' গংগাৱতীয়ে আচৰিত হৈ ক'লে।

'আছে। ক'ম। অলপ পিচত। জয়ন্তীয়া ৰজাক আনি বাহৰত বহুৱাই লওঁ।' গংগাৱতীলৈ নোচোৱাকৈ গম্ভীৰ মাতেৰে ক'লে আৰিমত্তই।

অগনন খ্ৰামৰ চেওত গমগমাই উঠিল বাহৰৰ চোতাল। জয়ন্তীয়া ৰজা বহি থকা হাতীৰ ওচৰত থিয় হ'ল আৰিমত্ত আৰু গংগাৱতী।

নামি আহিল জয়ন্তীয়া ৰজা।

আদৰণীৰ উত্তাল পর্ব পাৰ হৈ যোৱাৰ পিচত বাহৰৰ সন্মুখত পাৰি থোৱা আসনত এশাৰীহৈ বহিল ৰজাসকল। মাজৰ আসনত গংগাৱতী, আৰিমত্ত আৰু জয়ন্তীয়া ৰজা।

আসনবোৰৰ সন্মুখত দীঘলীয়াকৈ সজা বাঁহৰ চাঙৰ ওপৰত বর্ণীল আন্থ্‌লা পাৰি থোৱা আছে। তাৰ ওপৰত মণি গঁঠা বাঁহৰ চুঙাবোৰ থোৱা আছে। ভলুকা বাঁহৰ ফুলকটা চুঙাত কুথিমালি ফুলৰ থোপা আৰু পাতাবাহাৰৰ পাতবোৰ সজাই থোৱা হৈছে।

একাষে অন্য এখন বাঁহৰ চাঙত ৰঙীন আনথ্‌লা পাৰি বহিছে বিষয়াসকল আৰু খ্ৰাম, পাংচি বজোৱা পাছ্থাইসকল।

কোনোবা এজন পাছ্থায়ে পাংচি বজাইছে। পাংচিৰ মোহলগা সুৰে কোমল কৰি তুলিছে কোমল কোমল ৰাতিপুৱা কুমলি যোৱা মনবোৰ। কুঁৱলি এতিয়াও ভালদৰে

আঁতৰি যোৱা নাই। সম্মুখৰ বিস্তীৰ্ণ জোনবিলত জাকে জাকে মানুহ নামি মাছ মাৰিবলৈ আৰম্ভ কৰিছে। জাকৈৰ চাবে চাবে গান গাই উঠা নাৰীসকলৰ মিঠা মাতৰ লগত মিলি গৈছে জাল পেলোৱাৰ শব্দ। থাকি থাকি উফৰি উঠা জাকৰুৱা কিৰিলিবোৰে মাতি আনিছে জিৰণিৰ আনন্দ। মেটমৰা ভঁৰালৰ আনন্দ। ভোগৰ আনন্দ।

ৰঙীণ কাছ্যং ফাচকাই আৰু ৰূপৰ গহনা পিন্ধা খৰ্লাবোৰে ড্রানবোৱৰ পৰা মণিগঁঠা বাঁহৰ চুঙাবোৰত বাকী দি গ'ল জালুকৰ গুড়ি দিয়া জু-চা। অলপ দূৰৈত একুৰা জুইৰ চাৰিওফালে বহি খৰিকাত মাছ সেকি আছে এজাক তিৰোতাই। জোনবিলৰ পৰা তুলি অনা সতেজ মাছ খৰিকাত দি তপতে তপতে কলপাতৰ ওপৰত দি পঠিয়াই দি আছে।

আজি মাংস নাই।

মাত্ৰ মাছৰ দিন।

বাহৰৰ পিচফালে ৰান্ধনিশালত চেৰা দিয়া ৰৰাভাত, গমিৰি ৰৰাৰ চিৰা, কোমল চাউল, মহৰ দৈ, গুৰ, পোৰা মধু আলু, চুঙা পিঠা, সান্দহ, পোৰা কাঠআলুৰ পিটিকা, বন নহৰুৰে ৰন্ধা ক'লা মাহৰ আঞ্জা আদিৰে জলপান দিয়াৰ যো-জা চলিছে।

মেলাৰ হুলস্থূলৰ শব্দ ভাঁহি আহিছে।

এক নামহীন আৱেশত বুৰ গৈছে সকলোবোৰ।

'খলাৰ নিৰাপত্তাৰ কথা কি ক'ব খুজিছিল ৰজাদেউ?'

গংগাৱতীয়ে ওচৰত বহি থকা আৰিমস্তক সুধিলে।

আৰিমস্তই গংগাৱতীলৈ চালে। তেওঁৰ চকুত এটা চিননিচিন কৌতুকৰ হাঁহি মুহূৰ্তৰ কাৰণে যেন চমকি উঠিল।

সম্মুখত থোৱা কুথিমালি ফুলৰ থোপাটোলৈ চকুৰ ইংগিতেৰে দেখুৱাই ক'লে—

'কুথিমালিবোৰৰ গোন্ধ নাই দেখোন।'

'কি কৈছে?' আচৰিত হৈ সুধিলে গংগাৱতীয়ে।

'পাছ্থাইটোৱে পাংচি বজাইছে নেকি?'

'বজাইছে তো। আপোনাৰ কথাৰ কি অৰথ ৰজাদেউ?'

'মই ভাবিছিলো আপুনি কুথিমালিৰ গোন্ধো পোৱা নাই। পাংচিৰ মাতো শুনা নাই।'

'মই একো বুজা নাই ৰজাদেউ।' বিমোৰ হৈ পৰিল গংগাৱতী।

'বুজি নাপাবই। ৰাজ্যৰ কথাৰ বাহিৰে আন কথা বুজি পায় জানো? আচৰিত খৰ্লা আপুনি।' 'এই সময়ত এই পৰিবেশত এজনী খৰলাই ৰাজ্যৰ কথা ভাবে নেকি?'

আৰিমস্তৰ চকুযোৰ হাঁহিত তিৰবিৰাই উঠিল।

গংগাৱতী গম্ভীৰ হৈ গ'ল। অলপ সময় মনে মনে থাকি ক'লে—

'মই মাত্র এজনী খৰ্‌লা নহয় ৰজাদেউ, মই খলাৰ ৰাণী। সকলো কথাৰ আগমাত হ'ল ৰাইজৰ হিত ৰজাদেউ। অন্তত মোৰ বাবে।'

'মোৰ কথাত বেয়া পালে নেকি? ময়ো ৰজা, ৰাণী গংগাৱতী। কুমৈ, বঘৰাৰ ৰজা। গোভাৰ ডেকা ৰজা। খলাৰ দৰে বাৰখন ৰাজ্য গোভাৰ অনুগত। ৰাইজৰ হিত মোৰ কাৰণেও সকলো কথাৰ আগমাত। কিন্তু মই এজন পাষ্টায়ো। ৰাজ্যৰ কাম কৰিও মই আনন্দ কেনেকৈ কৰিব লাগে জানো।' আৰিমত্ত গম্ভীৰ হৈ গ'ল।

গংগাৱতী শংকিত হৈ পৰিল।

আৰিমত্ত অসন্তুষ্ট হ'ল!

গোভাক অসন্তুষ্ট কৰি খলাৰ দৰে সৰু ৰাজ্য এখন স্বস্তিৰে থকাটো কঠিন। কেইটামান অস্বস্তিকৰ মুহূৰ্ত পাৰ হৈ গ'ল। তাৰ পিচত নমনীয়, অনুতপ্ত মাতেৰে গংগাৱতীয়ে ক'লে—

'ক্ষমা বিচাৰিছো ৰজাদেউ। আপোনালোকৰ দৰে সৈন্যবল আমাৰ নাই। ওপৰত জয়ন্তীয়া আৰু ওচৰত ৰাণী, ডিমৰুৱা, বেলতলাৰ দৰে ৰাজ্যৰ কথা মনত ৰাখি আমি চলিব লাগে। মই আপোনাক কৈছোৱেই— বেহা-বেপাৰ, হাবিৰ ধন, কৰভাৰ সকলোতে আমি দুৰ্বল। সেয়ে আমাৰ ভয় আৰু চিন্তা অধিক। তাতে মই খৰ্‌লা বুলি আন ৰজাসকলেও সুবিধা পালেই বৰমাত মাতিব খোজে—'

আৰিমত্তৰ কণ্ঠৰ গমগমাই যোৱা হাঁহিত মাছমৰা চোৱাত আৰু জু খোৱাত মগ্ন ৰজাবোৰ, গা-ৰখীয়া সৈন্য আৰু বিষয়াবোৰ সচকিত হৈ উঠিল। আৰিমত্তৰ মুখলৈ একমুহূৰ্ত অবাক হৈ চাই থাকিল আটাইবোৰে ,তাৰ পিচত কৌতূহল প্রদর্শন অশোভনীয় বুলি বুজি নির্বিকাৰভাৱে আকৌ মাছমৰা চোৱাত লাগিল।

গংগাৱতীৰ কাণমূৰ তপত হৈ উঠিল।

'গোভাৰ ডেকাৰজাই হাঁহিবলগীয়া ডাঙৰ কথা পাইছে যেন পাওঁ।' বয়সস্থ জয়ন্তীয়া ৰজাই হাঁহিলে।

এই ডেকাৰজাজনক বৰ ভাল পাইছে জয়ন্তীয়া ৰজাই। খলাৰ ৰাণীৰ আতিথ্যতো সন্তুষ্ট হৈ আছে জয়ন্তীয়া ৰজা।

'খলাৰ ৰাণীক জোকাই চাইছিলো ৰজাদেউ।' বয়স আৰু ক্ষমতাত ডাঙৰ জয়ন্তীয়া ৰজাক সন্মানেৰে অথচ ধেমালিৰ সুৰেৰে কৈ উঠিল আৰিমত্তই।

'খলা ৰাণীক নোজোকোৱাই ভাল ৰজা। জুই যেন ছোৱালী।'

হাঁহি উঠিল জয়ন্তীয়া ৰজাই।

দুই পুৰুষৰ সহজ ধেমালিত সহজ হৈ পৰিল গংগাৱতী। কিন্তু একেটা সময়তে এক নাম নজনা অনুভূতিত ভিতৰে ভিতৰে জিকাৰ খাই উঠিল। আৰিমত্তই কি ক'ব

খুজিছে এতিয়াহে বুজিব পাৰিছে গংগাৱতীয়ে।

যোৱা দুদিনৰ সভাত মাজে মাজে এনেকুৱাই বুজা যেন লগা অথচ বুজি নোপোৱা দুই-এটা কথা কৈছিল আৰিমত্তই। ৰাজনৈতিক আলোচনাৰ গম্ভীৰ পৰিবেশত সেই কথাবোৰ ৰাজনৈতিক কথা যেনেই লাগিছিল।

'খলাত সোণৰ খণি আছে।' আৰিমত্তই কৈছে। ক'ত আছে খলাত সোণৰ খনি? এতিয়াহে বুজিছে গংগাৱতীয়ে। আজি তেওঁ মুগাৰ ৰিহা পিন্ধিছে। সোণৰ গহনাৰে নিজকে সজাইছে।

ধুনীয়া লাগিছে গংগাৱতীক। কোনোবা ৰজাই খলা আক্রমণ কৰি গংগাৱতীক অধিকাৰ কৰিব পাৰে বুলি ক'ব খুজিছে আৰিমত্তই। কথাটো বুজি পোৱাৰ লগেলগে এসোঁতা তপত তেজ গংগাৱতীৰ দুগালৈলৈ বৈ আহিল। লাজুক নাৰীৰ পৰা ৰাণীলৈ ৰূপান্তৰিত হওঁতে কিছু সময় লাগিল গংগাৱতীৰ।

অৱশ্যে সঁচা কথাই কৈছে আৰিমত্তই। গংগাৱতীক আজি সঁচাকৈ বৰ ধুনীয়া দেখাইছে।সেই কথা গংগাৱতীয়ে জানে। নিজৰ ৰূপ সম্পর্কে গংগাৱতী সচেতন। কিন্তু নিজৰ ৰূপক লৈ ব্যস্ত হৈ থকা নাৰী তেওঁ নহয়।

ৰাজ্যৰ উন্নতি, সীমা সুৰক্ষা আদি বিষয় লৈয়েই দিনটোৰ অধিকাংশ সময় ব্যয় হয়। অস্ত্র চালনাৰ প্রশিক্ষণতো ব্যয় হয় অনেক সময়। আজৰি সময়খিনি পঢ়া-শুনা কৰে গংগাৱতীয়ে। নিজৰ ভাষাত লিখা পুথি-পাঁজি যি দুই-এখন আছে সেইখিনি গংগাৱতীৰ পঢ়া হৈ গৈছে। কমতাৰ পৰা অহা আচার্য এজনে গোভালৈ আহি মাজে মাজে আৰিমত্তক সংস্কৃত আৰু কামৰূপীয়া ভাষাৰ আখৰ শিকাই গৈছিল। পুথি-পাঁজিও দি গৈছিল। ওচৰ-পাঁজৰৰ ৰাজ্যসমূহৰ লগত সুসম্পর্ক ৰাখিবলৈ ভাষাবোৰ ক'বলৈ লিখিবলৈ জনাটো ৰজাসকলৰ বাবে অতি প্রয়োজন। কটকীসকলে জানিলেও নচলা নহয়। কিন্তু গোভাৰজাই আৰিমত্তৰ কাৰণে কামৰূপীয়া পণ্ডিত ৰাখিছিল। সেইজন পণ্ডিতেই উভতি যাওঁতে খলাত সোমাই ৰাজ অতিথি হৈ থাকি গংগাৱতীকো পঢ়িবলৈ, লিখিবলৈ শিকাইছিল। আজৰি সময়খিনি পঢ়া-লিখাতেই ব্যয় কৰে গংগাৱতীয়ে।

কোনো পাছাইৰ প্রতি গংগাৱতীয়ে কেতিয়াও কোনো আগ্রহ অনুভৱ কৰা নাই। ৰাণী কাৰণেই সকলো পাছায়ে গংগাৱতীৰ ওচৰত পাছাই এজনে খৰ্লা এজনীৰ প্রতি দেখুওৱা আচৰণ নেদেখুৱায়। ভয়, সম্মান কৰি চলে। গংগাৱতীৰ মনত কোনেও ৰেখাপাত কৰিবলৈ সেই কাৰণেই সক্ষম হোৱা নাই। গংগাৱতীয়ে কাকো নিজৰ উপযুক্ত বুলি অনুভৱ কৰা নাই।

এই প্রথম এজন পাছায়ে গংগাৱতীৰ মনত ঢৌ তুলিছে। মাছমৰীয়া তিৰোতাসকলে জোনবিলত জাকৈৰ চাব বহুৱাই বহুৱাই খলকনি তোলাৰ দৰে বুদ্ধিদীপ্ত কথাবে, ৰূপ

আৰু ব্যক্তিত্বৰে গংগাৱতীৰ বুকুৰ তৰংগহীন পানীত চাব মাৰি মাৰি খলকনি তুলিছে আৰিমত্তই।

আৰিমত্তৰ মনতো এনে খলকনি উঠিছে নেকি?

সভাৰ গম্ভীৰ আলোচনাৰ মাজে মাজে হোৱা বিৰতিবোৰত কিয় আৰিমত্তই দুটা অৰ্থ উলিয়াব পৰা কথাবোৰ কৈছিল?

আৰিমত্তৰ চকুত মুগ্ধতা দেখিছে গংগাৱতীয়ে। পুৰুষৰ চকুৰ এনে মুগ্ধতা বুজাত নাৰীয়ে ভুল নকৰে।

নিজৰ চিন্তাত বুৰ গ'ল গংগাৱতী। গোভাৰ বিষয়াসকলে তেতিয়া পাৰলৈ উঠি গৈ মাছৰ কৰ সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰিছিল। ৰজাসকলৰ সম্মুখত জলপানৰ বাতি-কাঁহিবোৰ যতনাই দিবলৈ আৰম্ভ কৰিছিল ৰঙীণ বানাত বাথু পিন্ধা খৰ্লাবোৰে।

'আজি এড়ি কাপোৰ দি জয়ন্তীয়াৰ মণি নলয়?'

আৰিমত্তৰ কথা শুনি অন্যমনস্ক গংগাৱতী উচপ্ খাই উঠিল।

'মই জয়ন্তীয়াৰ মণি লওঁ বুলি আপুনি কেনেকৈ জনিলে ৰজাদেউ?' আচৰিত হৈ সুধিলে গংগাৱতীয়ে।

'এইটো দেখি।' মণিগঁঠা বাঁহৰ চুঙাটো দেখুৱাই আৰিমত্তই হাঁহিলে।

'অহ্।'

'মই যেতিয়া চামাদিত আছিলো তেতিয়া আপোনাৰ কথা মোৰ লগৰ পাম্থাইবোৰে কৈছিল। আপুনি জোনবিল মেলালৈ আহি জয়ন্তীয়াৰ মণিবোৰ বছৰে বছৰে এড়ীচাদৰ দি সলাই লয় বুলিও কৈছিল।

খলাৰ ৰাজানঃত বনবাৰী কৰিবলৈ অহা খৰলাজনীয়ে বিয়াৰ পিচত লাজ লাজকৈ কোৱা কথা চাট্কৈ মনত পৰি গ'ল গংগাৱতীৰ। অজান আৱেগত বুকুখন মুহূৰ্ততে কঁপি উঠিল। মনৰ ভাব প্ৰকাশ নকৰি গংগাৱতীয়ে হাঁহিলে। একো নক'লে। অলপ সময় মনে মনে থাকি আৰিমত্তই ক'লে—

'মোৰ লগৰ পাম্থাইবোৰে আৰু কি কৈছিল শুনিব নেকি?'

'নুশুনো।' লাজত ৰঙা পৰি গ'ল গংগাৱতী।

প্ৰাণখুলি হাঁহি উঠিল আৰিমত্তই। হাঁহি হাঁহিয়েই সুধিলে—

'কিয়?'

গংগাৱতীয়ে কিবা কোৱাৰ আগতে বিষয়া এজন আগবাঢ়ি আহি আৰিমত্তৰ কাণে কাণে কিবা ক'লে। মুহূৰ্ততে ধেমেলিয়া পাম্থাইৰ পৰা গম্ভীৰ ৰজা হৈ গ'ল আৰিমত্ত।

'জয়ন্তীয়া ৰজাৰ লগত এতিয়া উপঢৌকন বিনিময় কৰিব লাগিব খলা ৰাণী।'

আৰিমত্ত উঠিল।

দুয়োফালৰ পৰা দুটা বিষয়াৰ দল আগবাঢ়ি আহিল।

জয়ন্তীয়া ৰজাও উঠিল।

বাজি উঠিল খ্ৰাম। মহৰ শিঙৰ পেঁপা।

ডাঙৰ ডাঙৰ দুটা হাতী দাঁত। এজাপ এড়ী কাপোৰ। বতীয়া তোলা, ক'লাৰ ওপৰত হালধীয়া বুটাবচা আৰু ৰঙাৰ ওপৰত ক'লা বুটাবচা কেইখনমান আহল-বহল আন্থলা। ফুলকটা ভলুকা বাঁহৰ ডাঙৰ ডাঙৰ দুটা চুঙাত মৌ, কেইটামান ৰং বোলোৱা ড্ৰান, দুটোম কেঁচা মাছ, দুটোম শুকান মাছ আৰু এটা কুন্কী হাতী জয়ন্তীয়া ৰজালৈ আগবঢ়ালে আৰিমত্তই। জয়ন্তীয়া ৰজাই দুটা হোৰাত ভৰোৱা কমলা, শুকান খৰিচাৰে ঠাহ খাই থকা কাঠৰ চুঙা, ৰঙীণ কাপোৰ, ফুলকটা কাঠৰ বাকচত এবাকচ বিচিত্ৰবৰ্ণী মণি, কাঠেৰে সজা হেতা, জাপি থ'ব পৰা কটাৰী, সৰল কাঠ চেপি উলিওৱা সুগন্ধি তেলৰ কেইটামান চুঙা আদি উপঢৌকন তুলি দিলে আৰিমত্তৰ হাতত।

জয়ন্তীয়া ৰজাই সাবটি ধৰিলে পুত্ৰৰ বয়সৰ আৰিমত্তক। অভিবাদন জনাই উভতি আহিল আৰিমত্ত।

তাৰ পিচত এজনৰ পিচত এজনকৈ ৰজাসকল আসনৰ পৰা উঠি গৈ জয়ন্তীয়া ৰজালৈ নিজা নিজা একোটা উপঢৌকন আগবঢ়ালে। জয়ন্তীয়া ৰজায়ো একোটাকৈ উপঢৌকন সকলোলৈকে আগবঢ়ালে। গোভাৰজাৰ হৈ ৰাজবিষয়াই তাৰ পিচত আটাইবোৰ ৰজাক কেঁচা মাছৰ টোম, মহঙৰ কোমল চাউল, আন্থলা আৰু এড়ীচাদৰ উপহাৰ দিলে। উপঢৌকন বিনিময় শেষ হোৱাৰ পিচত আটাইবোৰ জোনবিল মেলা চাবলৈ খোজকাঢ়ি ওলাই গ'ল।

জোনবিলত তেতিয়াও পূৰ্ণোদ্যমে মাছমৰা চলি আছিল।

জোনবিল মেলা বহা পথাৰত মানুহেই মানুহ। শাৰী পাতি পাতি আগত বেহানিলৈ বহিছে নানা ঠাইৰ পৰা অহা বিভিন্ন সম্প্ৰদায়ৰ মানুহবোৰ। মিকিৰ পাহাৰ, জয়ন্তীয়া পাহাৰৰ পৰা নামি অহা বিচিত্ৰ বৰ্ণৰ পোছাক পিন্ধা মানুহবোৰে আনিছে তিল, হালধি, আদা, আনাৰস, কচু, জলকীয়া, জাতিলাও, ৰঙালাও, বাঁহৰ গাজ, চিলাম, কাঠবাদাম, দালচেনি, জালুক, চিৰতা, ভীমৰাজ চৰাইৰ পাখি, বিচিত্ৰ খাৰুমণি, কাপোৰ, ৰঙীণ সুঁতা, সুগন্ধী কাঠ আৰু অনেক অনেক কিবাকিবি।

ভৈয়ামৰ লালুং আৰু অন্যসকলে আনিছে তিলপিঠা, সান্দহ, পাতত দিয়া পিঠা, শুকান মাছ, এড়ী-চাদৰ, মুগা সুতা, পাটসুতা, কমলা, লাইশাক, দিনদুলি, কলডিল, ফুলৰ মৰ থকা বাঁহ-বেতৰ আম্ছা, বিছনাত পাৰিবলৈ আৰু গাত ল'বলৈ বহুবৰ্ণী আন্থলা আৰু অনেক কিবাকিবি। মানুহবোৰে সান্দহ দিছে— ৰঙালাও লৈছে। পাতত

দি..া পিঠা দিছে— তিল লৈছে। আন্থ্লা দিছে— ভীমৰাজ চৰাইৰ পাখি লৈছে, খাৰুমণি লৈছে। এড়ীচাদৰ দিছে— জয়ন্তীয়া মণি লৈছে। মহঙৰ পৰা আৰু গোভাহাটৰ পৰা বেপাৰ কৰি ভটিয়াই অহা বেপাৰীয়ে আনিছে পানী দি মোহাৰিয়েই খাব পৰা কোমল চাউল, মাটিৰ চৰু-হাৰী, কাঠৰ সা-সঁজুলি, হাতীদাঁতৰ অলংকাৰ, কাঁহ-পিতলৰ কাঁহীবাতি, চৰিয়া আদি। এটা কাঁহৰ বাতি দি লৈছে এদোন তিল। এক খাং জালুক, এবোজা চিৰতা, এদোন কোমল চাউল দি লৈ গৈছে তিনি মুঠি ৰঙীন সুঁতা। কাঠৰ আচবাব দি লৈ গৈছে মুগা, পাটৰ লেটা।

'জয়ন্তীয়া ৰজাই দিয়া মণিৰ পেৰাটো আপোনাক দিলো খলা ৰাণী।' আৰিমত্তই ক'লে।

গংগাৱতীয়ে তেতিয়া কাঠৰ চৰাই নচুওৱা চাই আছিল।

মাটিত আঁঠুকাড়ি বহিছে শুধবগা কঁপাহৰ আঁঠুৰ তললৈ পৰা চুৰিয়া পিন্ধা আৰু এড়ী চাদৰ লোৱা লোকজন। কাঠেৰে সজা দুটা হেঙুল হাইতাল বোলোৱা সৰু সৰু চৰাই কাঠৰ মাৰি এডালত লগাই থৈছে। জৰি এডালেৰে চৰাই দুটা এনেকৈ বান্ধিছে যে জৰিডাল টানিলেই চৰাই দুটা উঠা-নমা কৰে। জৰিডাল টানি টানি এটা নির্দিষ্ট তালত, এক নির্দিষ্ট সুৰত গাই আছে মানুহজনে—

ঔ— ভদকলী চৰায়ে—

একান্তমনে চৰাই নচুৱা চাই থকা গংগাৱতীয়ে আৰিমত্তৰ কথা শুনি মুখ ঘুৰাই চালে, তাৰ পিচত হাঁহি পেলালে—

'মই জয়ন্তীয়াৰ মণি ভাল পাওঁ বুলিয়েই আপোনাৰ ৰাজ্যৰ সম্পদ মোক দি দিব নেকি?'

'দিয়াটো উচিত নহয়। কিন্তু দিলে যদি দুগুণ হৈ উভতি আহে দিয়াত আপত্তি কি?'

গংগাৱতীৰ হাঁহি থকা চকুযোৰত চকু থৈ আৰিমত্তই ক'লে।

গংগাৱতীয়ে বুজিছে। গাল-মুখ ৰঙচুৱা হৈ পৰিলেও সকলো কুণ্ঠা জোকাৰি পেলাই গংগাৱতীয়ে কৈ উঠিল—

'অপাত্রত দান কৰিলে হেৰুওৱাৰহে সম্ভাৱনা।'

আৰিমত্তই তেতিয়াও চকু আঁতৰোৱা নাছিল।

'প্রথম কথা আপুনি অপাত্র নহয়। দ্বিতীয়তে মই হেৰুওৱাৰ সম্ভাৱনা আছে বুলিও ভবা নাই।'

'ইমান নিশ্চিত?' গংগাৱতীয়ে হাঁহিলে।

'সোণৰ খনি থকা ৰাজ্যক এপেৰা জয়ন্তীয়াৰ মণি এবাৰো নভবাকৈ দি দিব পাৰি।

আমাৰতো সোণৰ খনি নাই। জয়ন্তীয়াৰ মণি যদি সোণৰ খনিৰে সৈতে উভতি আহে ক্ষতি হ'ব বুলি ভাবে নেকি?' গংগাৱতীৰ চকুৰ পৰা চকু আঁতৰাই নিনিয়াকৈ ক'লে আৰিমত্তই।

'খনি আছে বাৰু। খনিত সোণ বা আছে নে নাই চাই লওক।'

'আছে। দেখিছো।'

'তেনেহ'লে জয়ন্তীয়াৰ মণি ল'বই লাগিব যেন পাইছো।' জিলমিলাই হাঁহি উঠিল গংগাৱতীয়ে। সেই মুহূর্ততে ভিতৰমাঝি আহি থিয় হ'ল।

'দুপৰীয়াৰ আহাৰ প্রস্তুত হৈছে।'

আৱেগ আন্দোলিত মনেৰে বাহৰলৈ উভতি আহিল গংগাৱতী। আৰিমত্তও।

জোনবিল তেতিয়া মাছমৰীয়াহীন।

শান্ত।

১৫

খলাৰ ৰাজধানীৰ দৰবাৰবহা ঠাইৰ পৰা কিছু দূৰৈৰ ৰাজানঃৰ ওচৰতে থকা ৰংচোৱা পথাৰত মানুহেই মানুহ। পথাৰখন মাজত ৰাখি তিনিওফালে শাৰী শাৰীহৈ বহি আছে মানুহবোৰ। বহিলে পথাৰখন ভালকৈ নেদেখিব বুলি ভবা মানুহবোৰ থিয় হৈ আছে।

পূবফালে খেৰ-বাঁহেৰে গঢ়ি তোলা বৃহৎ ৰভা এখন। তাৰ তলত বেঁতেৰে সজা আসনবোৰ শাৰী শাৰীকৈ পাৰি দিয়া হৈছে। প্ৰথম শাৰীৰ মাজত বহিছে আৰিমত্ত, গংগাৰতী, ডিমৰুৰা আৰু নেলী ৰজা। গংগাৰতীয়ে আজি হালধীয়া আৰু ৰঙা ফুলবচা ঘন সেউজীয়া কাছ্যং আৰু উজ্জ্বল হালধীয়াত ৰঙা ফুল বচা ফাচকাই পিন্ধিছে। গাত লালুং সকলৰ নিজস্ব চানেকিৰে বোৱা এড়ি কাপোৰৰ জৰবৰা এখন চাটি মাৰি লৈছে। আৰিমত্তৰ গাত ধলপাটৰ থেনাচ, গাঢ় ৰঙা টাগ্‌লা। গাৰ ওপৰত পেলাই লৈছে ৰঙা, হালধীয়া, সেউজীয়া আৰু ক'লা সুতাৰে ফুলবচা এড়ি চাদৰ এখন। মূলত ধলপাটৰ পোৱা মণি গঠা ফাগা। ৰংবিৰঙৰ পখিলা এজাকৰ মাজলৈ আকাশৰ পৰা নামি আহিছে যেন ৰূপোৱালি তৰা দুটা। পখিলাৰ পাখিবোৰে সাবটি ধৰিছে যেন তৰাৰ পোহৰবোৰ।

সংগীৰ ৰূপমুগ্ধ তৰা দুটালৈ চাই আছে ৰংচোৱা পথাৰৰ মানুহে।

আজি দৰবাৰৰ শেষ দিন।

জোনবিল মেলাৰ পৰা আহিয়েই জয়ন্তীয়া ৰজা উভতি গৈছিল। তাৰ পিচত যোৱা নিশা অনুষ্ঠিত হৈছিল মনোৰঞ্জনৰ অনুষ্ঠান।

মিকিৰ পাহাৰ, ৰাণী, বেলতলাৰ পৰা আহিছিল নাচনী আৰু টুলীয়াসকল। পাণ্ডু আৰু গুৱাহাটীৰ পৰা অহা লোকসকলে বভ্রুবাহন আৰু অৰ্জুনৰ যুঁজ আৰু লৱ-কুশৰ অযোধ্যা আগমনৰ নাট দেখুৱাইছিল, দেৱৰ গাঁৱৰ দেৱালয়ৰ পৰা অহা নট নটী কেইজনমানেও নৃত্য প্ৰদৰ্শন কৰিছিল। এই নটনটীসকল আজিকালি মন্দিৰৰ নাটঘৰৰ পৰা বাহিৰলৈও নৃত্যানুষ্ঠান কৰিবলৈ ওলাই আহিবলৈ আৰম্ভ কৰিছে। য'লৈ ত'লৈ নাযায়, ৰাজকীয় নিমন্ত্ৰণ পালেহে যায়। কমতাৰ পৰা আহিছিল পুতলা নাচ দেখুওৱা আৰু ওজাপালি গোৱা লোকসকল।

লালুঙৰ খৰলা, পাম্থাইবোৰেও মুইনাৰীকাঠি মিছাৰা আৰু ছগ্রা মিছাৰাত নচা নাচ দেখুৱাইছিল। কাহানিও নেদেখা নুশুনা নৃত্যগীত, নাটক আদি চাবলৈ উবুৰি খাই পৰিছিল ৰাইজ। খলাৰেই নহয়— দূৰদূৰণিৰ ৰাজ্যবোৰৰ পৰাও মানুহ আহিছিল। জোনবিলৰ মেলালৈ অহা মানুহবোৰ ওচৰ-পাঁজৰ গাঁওবোৰত আলহী হৈ থাকি ৰাতিৰ অনুষ্ঠান চাবলৈ আহিছিল।

কাৰোবাৰ ঘৰত আলহী হৈ থাকিবলৈ আত্মীয় অথবা পৰিচিত হোৱাৰ প্রয়োজন নাই। নিশাৰ আশ্রয় বিচাৰি পদুলিত আহি থিয় হোৱা মানুহক ঈশ্বৰ বুলি আদৰি নিয়ে গৃহস্থই। এই তিনিদিনত অচিনাকি আলহীসকল গাঁওবোৰৰ বহুদিন পৰিচিত আত্মীয়ৰ দৰে হৈ পৰিছে। দল বান্ধি বান্ধি গাঁওবোৰৰ পৰা ওলাই আহিছে মানুহবোৰ,— খলাৰ ৰাজধানীলৈ। উভতি গৈছে দুপৰ নিশা।

নতুন ধানৰ জু খাই মতলীয়া হোৱা মানুহবোৰৰ মন অভূতপূর্ব আনন্দত উপচি পৰিছে কাহানিও নেদেখা দৰবাৰৰ মনোৰঞ্জনৰ অনুষ্ঠান চাই।

আজি দৰবাৰৰ শেষ দিন।

ৰাতিপুৱাই আটাইবোৰ ৰজাই দৰবাৰ গৃহত বহি যোৱা দুদিনত গ্রহণ কৰা সামুহিক সিদ্ধান্তসমূহৰ বিষয়ে শেষবাৰ আলোচনাত বহিছিল। তাৰ পিচত দুপৰীয়াৰ আহাৰ কিছু আগতীয়াকৈ খাই আটাইবোৰ ৰংচোৱা পথাৰলৈ ওলাই আহিছে।

আজি মহযুঁজ দেখুওৱা হ'ব।

খলাত আগেয়ে কেতিয়াও ইমান ডাঙৰকৈ মহযুঁজৰ আয়োজন কৰা হোৱা নাছিল।

মহযুঁজ ডাঙৰকৈ হয় বাৰপূজীয়াতহে। অ'ত ত'ত সৰু-সুৰা মহযুঁজ অনুষ্ঠিত হ'লেও সেইবোৰ যুঁজিবলৈ ভালপোৱা ডেকা মহগুৱালসকলৰ অনানুষ্ঠানিক ধেমালিহে। যুঁজৰ প্রতিযোগিতাত ভাগ ল'বলৈ হ'লে বাৰপূজীয়ালৈ যাব লাগে। ৰজাঘৰে পৃষ্ঠপোষকতা কৰে। বিজয়ী মহৰ গৰাকীয়ে বঁটা-বাহন পায়। প্রশংসা পায়। মহৰ যত্ন ল'বলৈ কড়ি পায়।

গংগাৱতীয়ে মহযুঁজ দেখা নাই।

চাওঁ বুলিলে চাব পাৰিলেহেঁতেন। কিন্তু মহে মহে যুঁজোৱা চাবলৈ ভাল নালাগে গংগাৱতীৰ। মহযুঁজৰ বর্ণনা শুনিছে গংগাৱতীয়ে। শুনিয়েই অসহ্য লাগিছিল। সেয়ে চোৱাৰ প্রশ্নই উঠা নাছিল।

এই প্রথম উপায় নাপাই যুঁজ চাবলৈ আহিছে গংগাৱতী।

এই দৰবাৰৰ খলা এইবাৰ গৃহস্থ ৰাজ্য। গৃহস্থ ৰাজ্যৰ ৰাণী উপস্থিত নথকা অপমানসূচক। সেয়েহে ৰজা আৰিমত্তৰ ওচৰত অস্বস্তিৰে বহি আছে গংগাৱতী।

মাত্র মহযুঁজৰ অস্বস্তি নহয়।

আৰিমত্তৰ কাৰণেও এই অস্বস্তি।

প্ৰথম দিনা, খলাৰ তোৰণ মুখত হাতীৰ পৰা নামোতে আৰিমত্তক এটুকুৰা কঠিন সোণৰ দৰে গধুৰ, উজ্জ্বল আৰু বহুমূলীয়া যেন লাগিছিল গংগাৱতীৰ। সেই ঔজ্জ্বল্য আৰু মূল্যৰ এতিয়াও হেৰফেৰ হোৱা নাই। বৰঞ্চ এই দুদিনৰ ৰাজনৈতিক আলোচনাসমূহত দিয়া বিচক্ষণ মন্তব্য, সকলো ৰজালৈ দেখুওৱা সম্মান আৰু ঔদাৰ্যৰ লগতে নিজৰ গাম্ভীৰ্য অটুট ৰাখিও সৰু সৰু ধেমালিৰে সহজ বন্ধুত্বৰ পৰিবেশ সৃষ্টি কৰি স-লাৰে মনত এক উজ্জ্বল ভাবমূৰ্তি গঢ়ি তুলিবলৈ সক্ষম হৈছে আৰিমত্তই। গংগাৱতীৰ মনতো।

একেটা সময়তে সেই কঠিন যেন লগা সোণৰ খণ্ডটো এই দুদিনত লাহে লাহে গলি যোৱা দেখিছে গংগাৱতীয়ে। গলি গলি বৈ অহা দেখিছে গংগাৱতীৰ ওচৰলৈ।

নিজক দেখিও আচৰিত হৈ গৈছে গংগাৱতী। নিজৰ ভিতৰত অতদিনে ক'ত লুকাই আছিল এনে অনুভূতি? ক'ত লুকাই আছিল এই ভালপোৱা?

কোনেও কাকো একো কোৱা নাই। মাত্ৰ সৰু সৰু কথা। সৰু সৰু মন্তব্য। সৰু সৰু ধেমালি।

তাৰ মাজতেই যেন গঢ় লৈ উঠিছে পৃথিৱীৰ ইমুৰ-সিমুৰজোৰা ৰামধেনু এখন।

ৰামধেনুখন বুকুত লৈ শিয়ঁৰি শিয়ঁৰি উঠিছে গংগাৱতী। কাৰণ অকাৰণত তপত তেজৰ সোঁতবোৰে গাল দুখনত ৰঙচুৱা বোল সানিছেহি।

কোনেও দেখা নাই এজন প্ৰতাপশালী গম্ভীৰ ৰজা আৰু এগৰাকী দায়িত্বশীলা গম্ভীৰ ৰাণীৰ হৃদয়ৰ অভ্যন্তৰত কেনেকৈ গঢ়ি উঠিব ধৰিছে ৰামধেনুৰ সাঁকো এখন। প্ৰচণ্ড শক্তিশালী আৱেগৰ চাকনৈয়া এটা।

পাতিঢোলৰ মাত আৰু ৰাইজৰ উল্লাসৰ শব্দ শুনি ভাবৰ জগতত হেৰাই যোৱা গংগাৱতীয়ে সচকিত হৈ মূৰ তুলি চালে। পথাৰৰ মাজলৈ সোমাই আহিছে যুঁজিবলৈ অহা ম'হ এটা। ওচৰে-ওচৰে ম'হৰ নাকীডাল ধৰি আহি আছে ম'হ গুৱাল এজন। গুৱালজনৰ হাতত তেল সানি চিক্‌চিকিয়া কৰি তোলা এডাল মাৰি। ম'হটোৰ পিচে পিচে আহি আছে পাতিঢোল বজাই বজাই অহা ডেকা ল'ৰাৰ দলটো। তেওঁলোকৰ পিচে পিচে এজুম মানুহ। এখন গাঁও যেন মহটোৰ পিচে পিচে উঠি আহিছে।

অলপ পিচতে বিপৰীত দিশৰ পৰাও এটা গলধনধৰা মহৰ নাকীত ধৰি তেল সানি চিকচিকিয়া কৰা মাৰি এডাল লৈ গুৱাল এজন আগবাঢ়ি আহিল। গুৱালজনৰ পিচে পিচে একেই পাতিঢোল বজোৱা ডেকা ল'ৰাৰ দলটো আৰু তাৰ পিচে পিচে একগাঁও মানুহ। গম্ভীৰ খোজেৰে আহি থকা মহ দুটা লাহে লাহে চঞ্চল হৈ উঠিছে। মূৰ ঘুৰাই ঘুৰাই সচকিত দৃষ্টিৰে ইফালে সিফালে চাইছে। অগণন পাতিঢোলৰ মিলিত

শব্দ, অগনন মানুহৰ সমস্বৰ কিৰিলি আৰু চিঞৰ-বাখৰত উৰি যাওঁ উৰিযাওঁ হৈছে ৰংচোৱা পথাৰৰ আকাশ।

'গুৱাল দুজনে যে হাতত মাৰি দুডাল লৈ আহিছে সেই দুডাল মায়ঙৰ মন্ত্রপূত জানেনে?' আৰিমত্তই ক'লে।

'হয় নেকি? সকলোৱে এনেকৈ মন্ত্রপূত কৰি আনে নেকি?' আচৰিত হৈ সুধিলে গংগাৱতীয়ে।

'আনে। গুৱালবোৰৰ চুলি আৰু কপাল তেলেৰে জেবজেবিয়া হৈ আছে দেখিছে? সেইবোৰো মন্ত্রপূত তেল।'

কৌতুহলী কিশোৰীৰ চকুৰে মহগুৱালবোৰলৈ চালে গংগাৱতীয়ে।

তেলসনা মন্ত্রপূত লাঠিডালেৰে কোবাই কোবাই দুজন গুৱালে নিজৰ নিজৰ মহ দুটা আগবঢ়াই দিছে।

মূৰ তল কৰি যুঁজিবলৈ সাজু হৈছে মহ দুটা।

'মই মহযুঁজ ভাল নাপাওঁ।' গংগাৱতীয়ে কৈ উঠিল।

'কিয়?' আৰিমত্তই ঘূৰি চালে।

'মই যুঁজ-বাগৰেই ভাল নাপাওঁ।'

'সোণৰ খনি দেখি কোনোবা যুঁজিবলৈ আহিলে কি কৰিব?' আৰিমত্তই গংগাৱতীৰ চকুলৈ চালে।

'গভীয়া থাকিব নেকি সুধিম।' ৰঙা-চিঙা পৰিলেও কৈ উঠিল গংগাৱতীয়ে।

'ইমান সাহস। গভীয়া নাথাকো বুলিলে?' হাঁহিত তিৰ্‌বিৰাই উঠিল আৰিমত্ত।

'আপোনাৰ লগত কথাত মই নোৱাৰো ৰজাদেউ।' হাঁহি তলমূৰ কৰিলে গংগাৱতীয়ে।

'মোৰ নাম আৰিমত্ত। লগ-সমনীয়াই মোক মৃগাংক বুলি মাতে।'

'মৃগাংক। এই নামটো নাজানিছিলো।' লাজ পাহৰি কৈ উঠিল গংগাৱতীয়ে।

'এতিয়াহে নামটো মোৰ লগত মিলিছে যেন লাগিছে নেকি? আৰিমত্তটো শুনিলে আৰিমাছৰ মূৰ যেন লাগে নহয়?' হাঁহি উঠিল আৰিমত্তই।

গংগাৱতীয়েও। ৰাণীৰ গাম্ভীৰ্য এৰি। মুকলি মনেৰে।

আৰু হঠাতে— হঠাতে যেন সহজ হৈ পৰিল গংগাৱতী। গোভাৰজাৰ প্রতাপ আৰু খলা ৰাণীৰ আতিথ্যৰ দায়িত্বৰ গধুৰ দেৱালদুখন খহি পৰিল।

'এনেকৈ হাঁহিলেহে ভাল লাগে। খৰলাযেন লাগে।' উভতি চোৱা মানুহবোৰক মন কৰি গম্ভীৰ হৈ লাহেকৈ ক'লে আৰিমত্তই— 'তিনিদিন ধৰি ল'ৰ', বাৰিকা, দলৈ, ক্রা-কুৰুমীক চলাই ফুৰা খলাৰ ৰাণীক দেখি দেখি আমনি লাগি গৈছিল।'

'এতিয়া?'

'মহ যুঁজ চাবলৈ মন যোৱা নাই।'

'মোৰো।' গভীৰ মাতেৰে ক'লে গংগাৱতীয়ে।

চাবলৈ মন যোৱা নাই বুলি ক'লেও নোচোৱাকৈ নোৱাৰিলে গংগাৱতী আৰু আৰিমত্তই।

ৰংচোৱা পথাৰ মানুহৰ হাই-উৰুমী আৰু উদ্দাম কিৰিলিত উত্তাল হৈ উঠিছে। গলধন ধৰা মহ দুটা উত্তেজিত হৈ উঠিছে।

গাঁঠি নমৰাকৈ সুমুৰাই থোৱা নাকীজৰীদুডাল মহগুৱাল দুটাই একে সময়তে খুলি দিলে। তীব্ৰ গতিৰে আগবাঢ়ি গৈ ম'হ দুটাই ইটোৱে সিটোক মুৰেৰে প্ৰচণ্ড শক্তিৰে খুন্দিয়াই দিলে। অলপসময় মুৰে মুৰে যুঁজি থাকি মহদুটা পিচু�ৱাই আহিল। তাৰ পিচত মুৰ তল কৰি আগবাঢ়ি গৈ আকৌ মুৰে মুৰে খুন্দিয়াই যুঁজিবলৈ ধৰিলে। মুৰটো বেঁকা কৰি কৰি ইটোৱে সিটোক শিঙেৰে কাণৰ কাষত খুঁচিবলৈ চেষ্টা কৰিছে। কিছুসময় চেষ্টা কৰি আকৌ পিচুৱাই আহি তাৰ পিচত আগবাঢ়ি গৈ খুন্দিয়াইছেগৈ। মুৰে মুৰে খুন্দা লাগি প্ৰচণ্ড শব্দ হৈছে। মহ দুটা ৰণউন্মাদ হৈ উঠিছে। উন্মাদ হৈ উঠিছে গুৱাল দুজনো। মন্ত্ৰপুত মাৰি দুডাল দুহাতেৰে ধৰি মাটিত গাৰ সমস্ত শক্তিৰে খুচি খচি অশ্লীল শব্দ কিছুমান ক'বলৈ আৰম্ভ কৰিছে।

অন্য উল্লাসত উন্মাদ হৈ পৰিছে ৰংচোৱা পথাৰত গোটখোৱা মানুহবোৰ। আনকি আলহী ৰজাবোৰেও ৰজাৰ গাম্ভীৰ্য ত্যাগ কৰি বহা আসনৰ পৰা মাজে মাজে উঠো উঠো কৰিছে। হাতৰ মুঠি টান কৰি বহা আসনৰ হাত থোৱা ঠাইত সৰু সৰুকৈ কোব মাৰিছে।

স্থিৰ হৈ বহি আছে আৰিমত্ত। কিন্তু আৰিমত্তৰো ওঁঠযোৰ চাপখাই আহিছে। কঠিন হৈ উঠিছে মুখ। বাহুৰ পেশী।

গংগাৱতীৰ অস্বস্তি লাগিছে।

উঠি যাবলৈ মন গৈছে।

ৰণপটু খলাৰাণী গংগাৱতীক দেওদি ভিতৰৰ পৰা ওলাই আহিব খুজিছে যুঁজ দেখি ভয় কৰা ভয়াতুৰ ছোৱালী এজনী।

হঠাৎ আগতকৈ তীব্ৰ উত্তেজনাৰ কোলাহল ৰংচোৱা পথাৰজুৰি বিয়পি পৰিল।

এটা মহে শিঙেৰে হেঁচা মাৰি ধৰিছে আনটো মহক। প্ৰচণ্ড জোৰেৰে খুন্দিয়াই ফালি পেলাইছে আনটো মহৰ পুৰঠ তেলপিচলা কৰঙন। তেজেৰে ৰাঙলী হৈ গৈছে মহটোৰ ঠেং এখন। আহত হৈ মহটো পিচুৱাবলৈ আৰম্ভ কৰিছে। বিজয়ী মহটো জিংঘাসাত উন্মাদ হৈ আঘাতৰ পিচত আঘাতেৰে ধৰাশায়ী কৰি পেলাব খুজিছে

আহত মহটোক।

কেইটামান মুহূর্ত আত্মৰক্ষাৰ বাবে পিচুৱাই আহি আহি মহটো ঘুৰিল আৰু উধাতুখাই দৌৰি আহিল গংগাৱতীইঁত বহি থকা দিশটোলৈ।

গংগাৱতী শিঁয়ৰি উঠিল। স্থান-কাল পাহৰি ঘপ্‌কৈ থিয় হ'ল। আৰু সেই মুহূর্ততে আৰিমত্তৰ উমাল, গধুৰ হাত এখনে খামোচ মাৰি ধৰিলে গংগাৱতীৰ হাত এখন। পথাৰত গোট খোৱা মানুহবোৰে চিঞৰিছে। মহটো দৌৰি শাহা দিশলৈ আগবাঢ়ি গৈছে অগণন দেহৰক্ষী। আনফালে খেদি দিব লাগিব। নহ'লে মহতীয়াই নিব মহটোৱে। দক্ষিণ ফালৰ দর্শকবোৰ ফৰিং ছিটিকাদি আঁতৰি গৈ বাট এৰি দিছে। এজাক গা-ৰখীয়া সৈন্যই আঁৰ কৰি ধৰিছে অতিথি ৰজাসকলক। আৰিমত্ত আৰু গংগাৱতীলৈ কোনেও লক্ষ্য কৰা নাই।

'বহা। একো নহয়।' গভীৰ, শান্ত মাতেৰে ক'লে আৰিমত্তই।

গংগাৱতীয়ে আৰিমত্তৰ চকুলৈ চালে। এক অচিন অনুভূতিয়ে গভীৰলৈকে জোকাৰি পেলালে গংগাৱতীক। আত্মবিস্মৃত হৈ তেওঁ আৰিমত্তৰ মুখলৈ চাই থাকিল।

'বহা।' একেই গভীৰতাৰে আকৌ ক'লে আৰিমত্তই। এটা সৰু শব্দ মাত্ৰ। কিন্তু গংগাৱতীৰ এনে লাগিল যেন এখন মহাকাব্য কোৱা হৈ গ'ল।

আৰিমত্তই হাতখন এৰি দিলে।

গংগাৱতী বহিল। অন্য এক গংগাৱতী।

অৱসন্ন। অধীৰ। বৰ্মহীন। পৰাজিত।

মহগুৱালজনে আহত মহটোক ধৰিছে। নাকীজৰীডাল সুমুৱাই এহাতেৰে ধৰি টানি টানি লৈ আনিছে। গংগাৱতীইঁত বহি থকা ঠাইডোখৰৰ পৰা অলপ দূৰৈত গুৱালজন ৰ'ল। লগে লগে আহি থকা ল'ৰা এটাই হাতৰ মোনাৰ পৰা এমুঠি পাত উলিয়াই দিলে। গুৱালজনে দুহাতেৰে পাতবোৰ মোহাৰিছে। মোহাৰি মোহাৰি মহটোৰ ক্ষতস্থানবোৰত লগাই দিবলৈ আৰম্ভ কৰিছে।

গংগাৱতীয়ে পথাৰলৈ চালে—

আন দুটা মহ পথাৰলৈ আগবঢ়াই নিয়াৰ প্ৰস্তুতি আৰম্ভ কৰিছে দুজন গুৱালে।

ৰংচোৱা পথাৰৰ কোলাহল স্তিমিত হৈ পৰিছে।

সোঁফালৰ আসনত বহি আছে আৰিমত্ত। গম্ভীৰ। নিৰুদ্বেগ।

যেন একো হোৱাই নাই।

অপৰিসীম লাজ আৰু সংকোচত আৰিমত্তলৈ চাব নোৱাৰি বাওঁফালে মুখ ঘুৰাই গুৱালজনে আহত মহটোক কৰা পৰিচর্যা চাই থাকিল গংগাৱতীয়ে।

'গুৱালজনে কি লগাইছে মহটোক?' সহজ হ'বৰ চেষ্টা কৰি গংগাৱতীয়ে সুধিলে।

'লাইশাক। মানুহে শৰীৰত দুখ পালেও লাইশাক লগাব পাৰি। কিন্তু মনত দুখ পালে কি লগায় মই নাজানো।' আৰিমত্তই হাঁহিলে।

'জানিব লাগে কিয়?' গংগাৱতীয়ে আৰিমত্তৰ চকুত চকু থ'লে।

'নালাগে নেকি?' মৃগাংকই গংগাৱতীৰ চকুলৈ চালে—

'নালাগে।' গংগাৱতীৰ ওঁঠত এটা কোমল হাঁহি বিৰিঙি উঠিল। কিন্তু চকুযোৰ চলচলিয়া হৈ গ'ল। চকুপানী ভৰি থকা চকুযোৰলৈ এখন্তেক চাই থাকি আৰিমত্তই ক'লে—

'আজি দৰবাৰ শেষ। অলপ পিচতে যামগৈ। খলা স্বাধীন ৰাজ্য। স্বাধীন হৈ থকাটোৱেই বাঞ্ছনীয়। কিন্তু অন্যধৰণেও গোভাৰ লগত যোগ হ'ব পাৰি নেকি ভাবিলে ভাল পাম।'

'ভাবিম ৰজাদেউ।'

'মৃগাংক। ইয়াৰ পিচত দেখা হ'লে ৰাণীৰ সলনি এজনী খৰ্লাক লগ পাম বুলি ধৰি ল'ব পাৰো নেকি?'

'এতিয়া নকওঁ ৰজাদেউ।'

'ক'ব নালাগে। মই পাছ্থাই হৈ আহিলে ক'লেই হ'ব।'

গংগাৱতীয়ে তলমূৰ কৰিলে।

মহযুঁজৰ পথাৰখন তেতিয়া নামি আহিছিল গংগাৱতীৰ হৃদয়লৈ।

১৬

'কুমৈ বঘৰাৰ ৰজাৰ বার্তা লৈ বিষয়া এজন আহিছে ৰাণীদেউ।' ভিতৰমাঝি সোমাই আহি ক'লে।

মন্ত্রণাকক্ষত বেলতলাৰ ৰাজ্যৰ পৰা অহা ৰাজ প্রতিনিধি এজন আৰু প্রধান সেনাপতিৰ লগত সীমা সম্পর্কীয় এক বিশেষ সমস্যাৰ কথা আলোচনা কৰি আছিল ৰাণী গংগাৱতীয়ে।

পশ্চিমৰ চুবুৰীয়া ৰাজ্যসমূহৰ লগত সীমাক লৈ বিশেষ জটিলতাৰ সন্মুখীন নহ'লেও মাজে মাজে দুই-এটা সৰু-সুৰা সমস্যা নোহোৱা নহয়। কোচ ৰাজ্যৰ পৃষ্ঠপোষকতা লাভ কৰা ৰাজ্যকেইখনৰ লগত সদ্ভাৱ ৰাখি চলিবলৈ গংগাৱতীয়ে মাজে মাজে নিজ ৰাজ্যৰ কটকী পঠিয়ায়। উপঢৌকন পঠিয়ায়। গোভা ৰাজ্যৰ পৃষ্ঠপোষকতা লাভ কৰা খলাৰ লগত ৰাণী, লুকী আৰু বেলতলা আদি ৰাজ্যয়ো সদ্ভাৱ ৰাখি চলিবলৈ আগ্রহ কৰে। এইবোৰো খলাৰ দৰেই সৰু ৰাজ্য। সেয়েহে সেই ৰাজ্যৰ অধিপতিসকলেও উপঢৌকন, পত্রসন্দেশ পঠিয়াই সৰু-সুৰা বিবাদসমূহ আলোচনাৰ মাজেদি সমাধান কৰিবৰ চেষ্টা কৰে। এই ৰাজ্যসমূহৰ লগত খলাৰ কোনো যুদ্ধ-বিগ্রহ আজিলৈকে হোৱা নাই।

ব্যক্তিগত সহায়ক ভিতৰ মাঝিয়ে গুপুতে খবৰটো দি উত্তৰৰ অপেক্ষাত ৰৈ থাকিল।

'মই অলপ পিচতে গৈ আছো ভিতৰমাঝি। তেওঁক জিৰাবলৈ দি খোৱা-বোৱাৰ ব্যৱস্থা কৰাগৈ।' গংগাৱতীয়ে গম্ভীৰভাৱে ক'লে।

ভিতৰমাঝি গুচি যোৱাৰ পিচত গংগাৱতী পাতি থকা কথাটোলৈ উভতি গ'ল যদিও একধৰণৰ অস্থিৰতাই তেওঁক অন্যমনষ্ক কৰি তুলিলে।

বেলতলাৰ প্রতিনিধিয়ে এই অন্যমনষ্কতা ধৰিব নোৱাৰিলেও প্রধান সেনাপতিয়ে কথাটো মন নকৰাকৈ নাথাকিল।

গংগাৱতীৰ দেউতাকৰ দিনৰেই বিষয়া হিচাপে গংগাৱতীৰো অত্যন্ত বিশ্বস্ত প্রধান সেনাপতি। গংগাৱতীৰ মনৰ অস্থিৰতাৰ কাৰণ তেওঁ ধাৰণা কৰিব পাৰে। সৰুৰে পৰা

গংগাৱতীক দেখি আহিছে। প্ৰধান সেনাপতি হ'লেও তেওঁ একপ্ৰকাৰ আত্মীয়ৰ দৰেই হৈ পৰিছে। গংগাৱতীয়ে তেওঁক বিশ্বাস কৰে। ভৰষা কৰে। আপোন বুলি ভাবে। গংগাৱতীৰ মনৰ ভিতৰখন দেখিব পৰাকৈ সূক্ষ্ম দৃষ্টি প্ৰধান সেনাপতিৰ আছে।

গোভাৰ যুৱৰজা আৰিমত্তৰ লগত আজি কিছুদিনৰ পৰা হোৱা গংগাৱতীৰ দেখা দেখি প্ৰধান সেনাপতিৰ অজ্ঞাতে হোৱা নাই। গংগাৱতীৰ লগত সকলো সময়তে থকা অতি বিশ্বস্ত গা-ৰখীয়া সৈন্যসকলে সময়ে সময়ে তেওঁক সকলো কথা জনাই গৈছে।

এই দেখা-শুনাৰ প্ৰকৃত কাৰণ সকলোকে ৰাজনৈতিক বুলি জনাই থ'লেও কন্যাসম গংগাৱতীৰ মনৰ খবৰ প্ৰধান সেনাপতিয়ে নোপোৱাকৈ থকা নাই। প্ৰাক্ বৈবাহিক মিলামিচাত এই সমাজত বিশেষ বাধাও নাই। গোভা অত্যন্ত শক্তিশালী ৰাজ্য। গোভাৰ লগত হোৱা সুসম্পৰ্কই ৰাজ্যৰ ৰাজহ ব্যৱস্থাৰ উন্নতিসাধন কৰিছে। ৰাজ্যৰ অৰ্থনৈতিক ব্যৱস্থা উন্নত হৈছে। খলাৰ ৰাজনৈতিক গুৰুত্বও বাঢ়িছে।

কছাৰী ৰজা বডচাৰ উত্থানৰ লগে লগে গোভা ৰাজ্যৰ নেতৃত্বত লালুং, মিকিৰ, ভূঞা আৰু অন্যান্য দাতিয়লীয়া ৰাজ্যসমূহ একত্ৰিত হৈ নিজৰ নিৰাপত্তাৰ স্বাৰ্থতে এক ৰাজনৈতিক সিদ্ধান্তত উপনীত হৈছে। কছাৰী ৰজাৰ সম্ভাব্য আক্ৰমণ প্ৰতিহত কৰাৰ উদ্দেশ্যে এক সমূহীয়া সৈন্যদল গঠন কৰাৰ সিদ্ধান্ত দৰবাৰৰ সময়তেই লোৱা হৈছিল। সেই সিদ্ধান্ত কাৰ্যকৰী কৰিবলৈ যাওঁতে গোভাৰ ৰজাৰ সৈতে ৰাণী গংগাৱতী ৰাজধানীৰ বাহিৰত অনেকবাৰ আলোচনাত মিলিত হৈছে।

এই আলোচনা কৰোতে গংগাৱতী আৰু আৰিমত্তৰ সম্পৰ্ক কিমানখিনি অন্তৰংগ হৈছে প্ৰধান সেনাপতিয়ে নাজানে। জানিবলৈ চেষ্টাও নকৰে। দুজন ডেকা গাভৰুৰ মাজৰ আন্তৰিক সম্পৰ্কৰ স্বীকৃতি দিয়াত সামান্য হেহো নেহো কৰিলেও সমাজৰ এই বাধা প্ৰবল নহয়। দেশৰ মুৰব্বীৰ ক্ষেত্ৰত এই বাধাই নিশ্চয় বিশেষ গুৰুত্ব নাপাব।

বেলতলাৰ প্ৰতিনিধিৰ লগত কথা শেষ কৰি জিৰণি ল'বলৈ পঠিয়াই দি গংগাৱতীয়ে প্ৰধান সেনাপতিলৈ চালে—

'আপোনাৰ লগত এটা বিশেষ কথা আলোচনা কৰিবলৈ আছে প্ৰধান সেনাপতি। কুমৈ, বঘৰাৰ ৰজা আৰিমত্তই এটা বিশেষ সিদ্ধান্ত লৈছে। ৰাজ্য বহলোৱাৰ সিদ্ধান্ত। মই বার্তা লৈ অহা বিষয়াজনক বিদায় দিওগৈ। কালিলৈ এই সময়ত আপোনাৰ লগত এই সম্পৰ্কে ভালদৰে আলোচনা কৰিম। ৰজা আৰিমত্তৰ সিদ্ধান্তত আমাৰ ভূমিকা কি হোৱা উচিত মই ভাবি ঠিক কৰিছো যদিও আপোনাৰ লগত আৰু তাৰ পিচত ল'ৰ' দলৈসকলৰ লগতো কথাটো পাতিব লাগিব।'

'হ'ব ৰাণীদেউ। মই কালিলৈ আহিম।' গংগাৱতীক অভিবাদন জনাই প্ৰধান সেনাপতি ওলাই গ'ল। গংগাৱতী চিন্তিত আৰু অস্থিৰ মনেৰে বাহিৰলৈ ওলাই আহিল।

আৰিমত্তক এতিয়ালৈকে বহুবাৰ লগ পাইছে গংগাৱতীয়ে। ৰাজনৈতিক আলোচনাৰ কৰ্মসূচীসমূহৰ মাজে মাজে পোৱা একান্ত আহৰিবোৰত আৰিমত্তই তেওঁক এখোজ-দুখোজকৈ লৈ গৈছে সপোন সপোন যেন লগা দেশ এখনলৈ।

যিমানেই লগ পাইছে গংগাৱতীয়ে সিমানেই যেন বাঢ়ি গৈছে মুগ্ধতা। সমানেই গভীৰ হৈ গৈছে ভালপোৱা। তীব্ৰ আকৰ্ষণেৰে গংগাৱতীক বন্দী কৰি পেলাইছে আৰিমত্তই। গোভাৰ অনুগত ৰাজ্যকেইখনৰ আৰু দাঁতিয়লীয়া স্বাধীন ৰাজ্যসমূহৰ কোনো এজন ৰজাৰ লগত আৰিমত্তৰ যেন তুলনা নহয়।

আৰিমত্তৰ মাজত যেনেকৈ এজন দ্বিধাহীন প্ৰেমিকক দেখিছে গংগাৱতীয়ে তেনেকৈয়ে মাজে মাজে আৰিমত্তৰ কথা-বাৰ্তা, আচাৰ আচৰণত জিলিকি উঠা দেখিছে এজন উচ্চাকাংক্ষী, সমাজহিতকৰ, বিজয়াকাংক্ষী শাসকৰ সকলো গুণাৱলী। দেখিছে পৌৰুষ। জেদ। অহংকাৰ।

এনে পুৰুষ কেতিয়াও দেখা নাছিল গংগাৱতীয়ে। এই বৃহৎ অঞ্চলজুৰি থকা ৰাজ্যসমূহৰ প্ৰজাসকল যেনেকৈ শান্তিপ্ৰিয় তেনেকৈ ৰজাসকলো শান্তিপ্ৰিয়। সাধাৰণভাৱে, বিবাদহীনভাৱে, জটিলতাহীনভাৱে ৰাজ্য শাসনৰ পক্ষপাতী।

আৰিমত্ত যেন বেলেগ।

ব্যতিক্ৰম।

মৰমত ডুবি থকাৰ মাজতো যেনেকৈ গংগাৱতীয়ে ৰাজ্যৰ কথা নাপাহৰে, ৰাজ্যৰ সমস্যা একোটাৰ প্ৰসংগ উত্থাপন কৰি কেতিয়াবা ৰসভংগ কৰে, তেনেকৈয়ে আৰিমত্তয়ো মৰমত বুৰ গৈ থাকোতেও মাজে মাজে কৈ থাকে ৰাজ্য বিস্তাৰৰ আকাংক্ষাৰ কথা।

'ৰাজ্য বিস্তাৰ কৰি কি লাভ মৃগাংক। যেনেকৈ শান্তিৰে চলিছো তেনেকৈ শান্তিৰে চলাই ভাল।' গংগাৱতীয়ে শেষবাৰ লগ পাওঁতে কৈছিল। আৰিমত্তই গংগাৱতীৰ কথা মানি লোৱা নাছিল। কৈছিল—

'নহয় গংগাৱতী— ডিমাবঙৰ ৰজা বডচাৰ গতিবিধি সম্পৰ্কে চোৱাংচোৱাই যিবোৰ বাতৰি আনিছে সেইবোৰলৈ চাই আমি একগোট হোৱাটো প্ৰয়োজন আছিল। হৈছো। ভাল হৈছে। কিন্তু মাত্ৰ কৃষি আৰু বন-বিৰিখৰ ওপৰত নিৰ্ভৰ কৰি চলি আমি এই ৰাজ্যৰ অস্ত্ৰশক্তি, সৈন্যশক্তি বৃদ্ধি কৰিব নোৱাৰিম। কমাৰজানত পোৱা লোখিনিৰে কিমান অস্ত্ৰ গঢ়িব পাৰিম? জয়ন্তীয়াৰ লগত হাতীধৰা সম্পৰ্কীয় যি চুক্তি হ'ল, হাতীৰ পৰা পোৱা কড়িৰ পৰিমাণো কমি আহিব। খেতিপথাৰৰ পৰা পাম্বাইসকলক আনি সৈন্যদলত ভৰ্তি কৰিলে খেতি কৰিব কোনে? ৰাজ্য যিমানে বিস্তাৰিত হয় সিমানেই ভাল। কৰতলীয়া ৰাজ্যসমূহৰ কৰভাৰ গোটাই আমি আমাৰ ৰাজ্যসমূহ নিৰাপদে ৰাখিব পাৰিম। মিকিৰ ৰজাসকলেও এই কথা মানি লৈছে।'

'কোনদিশে ৰাজ্য বিস্তাৰ কৰিবা মৃগাংক? কছাৰীৰ লগত আগধৰি ৰণ কৰাৰ কোনো অর্থ নাই। চুবুৰীয়া ৰাজ্য। পূবৰ ৰাজ্যসমূহত আহোমসকলে ইতিমধ্যেই যথেষ্ট অধিকাৰ সাব্যস্ত কৰিছে। সেইদিশে আগুৱাই গ'লে কছাৰী ৰাজ্যসমূহৰ লগত, বিশেষকৈ বডচাৰ লগত লগ হৈ আহোম ৰজাই আমাৰ দেশ আক্রমণ কৰিব লাগিলে এই তাকৰীয়া সৈন্য আৰু অস্ত্রেৰে কেনেকৈ বাধা দিম? নগা পাহাৰৰ লগতো আহোমৰ কথাৰ লেনদেন চলিছে। যুঁজো হৈছে বুলি শুনিছো। চুবুৰীয়া আহোম ৰাজ্যৰ লগত শত্রুতা কৰি তেওঁলোকে কছাৰী ৰাজ্য পাৰ হৈ আমাৰ লগত মিত্রতা কৰিব জানো? দেউৰী চুতীয়াসকলেও বোধকৰো নকৰে। মৰাণসকলেও নকৰে। তেওঁলোকৰ ছোৱালী আনি আহোমে ইতিমধ্যে মিতিৰালি কৰিছেই। আনুগত্যও লাভ কৰিছে। ৰাজ্য বিস্তাৰ কৰিব পাৰিলে আমাৰ অনেক লাভ হ'লহেঁতেন— কিন্তু ৰাজ্যসমূহৰ অৱস্থিতি আৰু আহোমসকলৰ ৰাজনৈতিক কৌশল আৰু সৈন্যশক্তিলৈ চাই সেই দিশৰ কথা নাভাবিলেই ভাল।'

'জানো। সেই কাৰণেই প্রথমে মই পশ্চিমলৈ আগবাঢ়ি যাম।'

'পশ্চিমলৈ? তাৰ মানে ৰাণী? বেলতলা? লুকী? ছয়গাঁও? দক্ষিণপাৰৰ ৰাজ্যসমূহ আমাৰ মিত্র। পাণ্ডু আৰু গুৱাহাটীৰ কথা অৱশ্যে বেলেগ। মিত্রতাও নাই। শত্রুতাও নাই। দক্ষিণপাৰৰ ৰাজ্যসমূহৰ লগত তোমাক মই কেতিয়াও যুঁজিবলৈ নিদিও। শান্তিৰে আছো। শান্তিৰে থাকিবলৈ ভাল পাওঁ।'

গংগাৱতীৰ কথা শুনি আৰিমত্ত গম্ভীৰ আৰু চিন্তিত হৈ পৰিছিল। বহুত ভাবি-চিন্তি কৈছিল—

'দক্ষিণৰ ৰাজ্য আক্রমণ নকৰো। কৰতলীয়াও নকৰো বাৰু। কিন্তু আনুগত্য লাগিব। নাপালে আক্রমণ কৰিম। বাধা দিব নোৱাৰিবা। প্রতিনিধি পঠিয়াই কথা পাতি ল'ম। কাৰণ আনুগত্য নাপালে মই উত্তৰলৈ আগবাঢ়ি কি কৰিম? পিচৰফালে এজাক শত্রু ৰাখি আগবঢ়াতো অর্থহীন। উত্তৰলৈ যাওঁতে চুই যোৱা দক্ষিণপাৰৰ ৰাজ্যকেইখন অনুগত হ'বই লাগিব। তাৰ পিচত আগবাঢ়ি কমতালৈ যাম। কমতা এতিয়া দুর্বল। কমতা দখল কৰি প্রথমতে নিজৰ বলশক্তি বঢ়াই লওঁ। কমতাত হাতী যথেষ্ট আছে। সীমাতে ভোটৰাজ্য। কাঠ আছে। আৰু অনেক কিবাকিবি আছে। তেওঁলোক কোচৰাজ্য আৰু সৰু সৰু ভূঞা ৰাজ্যসমূহৰ চুবুৰীয়া হোৱা বাবে সকলো দিশতেই আমাতকৈ আগবাঢ়ি আছে। শুনিছো নতুন ধৰণৰ অস্ত্র-শস্ত্রও সাজিব শিকিছে। এটা কথা মই ভাবি ভাবি পাইছো— পশ্চিমলৈ যিমানেই আগবাঢ়ি যাম সিমানেই নতুন কথা দেখিম— শিকিম। আমাৰ দেশখনো মই তেতিয়া আৰু ভালদৰে গঢ়ি তুলিব পাৰিম।'

'তুমি সঁচাকৈয়ে অন্যধৰণৰ ৰজা মৃগাংক। সাধুকুমাৰ দেওৰজাই ভাল।' গংগাৱতীয়ে

হতাশ হৈ কৈছিল।

'ভাল। সঁচা। সেই কাৰণেই ডিমাবঙে আমাৰ সোণগজা মাটিবোৰ নিজৰ তললৈ লৈ যাব খুজিছে। মই বেলেগ। সঁচাকৈ বেলেগ। মই আগবাঢ়ি যোৱাত বিশ্বাস কৰো। ৰাজ্য বিস্তাৰ কৰি গোভাক আৰু শক্তিশালী কৰিম। গোভাঁৰ উন্নতি মানে বাৰকুলৰ উন্নতি গংগাৱতী, সকলোৰে উন্নতি।'

'খুমদং ৰাণীদেউ।'

গংগাৱতীক সোমাই যোৱা দেখি জিৰণি ঘৰত বহি থকা চামল উঠিল।

'খুমদং চামল। বহা।' গংগাৱতীয়ে ক'লে। নিজেও বহিল। সুধিলে—

'কি পাথ্ৰা আনিছা চামল?'

চামল এতিয়া চামাদিৰ চাংমাজি। আৰিমত্ত আৰু গংগাৱতীৰ পত্ৰ অনানিয়া কৰোতে চামল গংগাৱতীৰ বন্ধুৰ দৰে হৈ পৰিছে। কিন্তু চামলে প্ৰয়োজনীয় কথাৰ বাহিৰে এটাও অতিৰিক্ত কথা কেতিয়াও নকয়। চামল অত্যন্ত গম্ভীৰ। অত্যন্ত বিশ্বস্ত। অত্যন্ত অনুগত। এতিয়াও গংগাৱতীৰ প্ৰশ্নৰ উত্তৰত টাগলাৰ ভিতৰৰ পৰা আৰিমত্তৰ পত্ৰ এখন উলিয়াই দি চামলে ক'লে—

'উত্তৰটো লৈ যাবলৈ কৈছে।'

পত্ৰখন চামলৰ আগত মেলিবলৈ বেয়া পাই হাতৰ মুঠিত লৈ গংগাৱতী থিয় হ'ল। ক'লে—

'তুমি খোৱা-বোৱা কৰাগৈ। মই পত্ৰখন লিখি আনো।'

চামলে একো নক'লে। খামছামাই এজনক মাতি চামলৰ দায়িত্ব দি গংগাৱতীয়ে ওলাই আহিব খোজোতে চামলে ক'লে—

'মই সোনকালে উভতিব লাগিব। চামাদি এৰি বাহিৰত থকা নিয়ম নাই।'

'মই এতিয়াই লিখি দিম। তুমি খোৱা-বোৱা কৰাগৈ।'

পত্ৰখন হাতত লৈ গংগাৱতী চিন্তিতভাৱে শয়নকক্ষলৈ গ'লগৈ।

আৰিমত্তৰ পত্ৰই গংগাৱতীক আনকালে মাত্ৰ আৱেগেৰে আন্দোলিত কৰে। শিহঁৰিত কৰে। আজিও কৰিছে। কিন্তু আজি তাৰ লগত যোগ হৈছে দুঃচিন্তা।

পত্ৰখন পঢ়ি উঠি গংগাৱতী চিন্তাত অস্থিৰ হৈ পৰিল।

ব'হাগ পিচুৰ পিচতেই বিজয় অভিযানত ওলাবলৈ সিদ্ধান্ত লৈছে মৃগাংকই। ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ দক্ষিণে পশ্চিম দিশৰ ৰাজ্যসমূহলৈ যোৱা প্ৰতিনিধিসকল উভতি আহিছে। সকলোৰে আৰিমত্তৰ লগত বন্ধুত্বপূৰ্ণ আৰু অনুগত ৰাজ্য হিচাপে থাকিব বুলি জনাইছে। প্ৰয়োজনীয় সহায়-সহযোগ কৰিব বুলি কৈছে। সেয়েহে ব'হাগ পিচুৰ পিচতেই উত্তৰ পাৰৰ কমতা আক্ৰমণ কৰিব আৰিমত্তই। কমতাত এতিয়া ৰজা দুৰ্লভেন্দ্ৰ

ৰজা হৈ আছে। প্ৰবল প্ৰতাপী ৰজা দুৰ্লভ নাৰায়ণৰ নাতি দুৰ্লভেন্দ্ৰ। ৰজা ইন্দ্ৰনাৰায়ণৰ পুত্ৰ। দুৰ্লভেন্দ্ৰ দুৰ্বল ৰজা। পিতামহ দুৰ্লভ নাৰায়ণে গঢ়ি তোলা বিশাল আৰু শক্তিশালী কমতা এতিয়া এক ক্ষুদ্ৰ আৰু দুৰ্বল ৰাজ্য। দুৰ্লভ নাৰায়ণৰ দিনত সামন্তৰ শাসকৰ অধিকাৰ লাভ কৰা, কৰ্ণ সুবৰ্ণৰ পৰা অহা ভূঞাসকলৰ অধিকাংশই এতিয়া স্বাধীন হৈ ৰাজ্যশাসন কৰিবলৈ আৰম্ভ কৰিছে। সেয়েহে প্ৰথমতে দুৰ্লভেন্দ্ৰৰ কমতা অধিকাৰ কৰি স্বাধীন হৈ পৰা ভূঞাসকলক অধীনস্থ কৰাৰ চেষ্টা কৰিব। প্ৰথমতে দুৰ্লভেন্দ্ৰলৈ শান্তিপূৰ্ণ আনুগত্যৰ প্ৰস্তাৱ পঠিওৱাৰ সিদ্ধান্ত লৈছে আৰিমত্তই। ৰক্তক্ষয় ৰোধ কৰিবলৈ। প্ৰস্তাৱত মান্তি নহ'লেহে আক্ৰমণ কৰিব।

অভিযানলৈ যোৱাৰ আগতে গংগাৱতীক এবাৰ লগ পাব খুজিছে মৃগাংকই। ৰাজানঃৰ বাহিৰৰ ক'ৰবাত। দুই-চাৰিদিনৰ ভিতৰতে। গোপনে।

চিন্তিত মনেৰে উত্তৰপত্ৰ লিখিবলৈ বহিল গংগাৱতী।

১৭

কমতাপুৰ।

পৰাজিত ৰজা দুর্লভেন্দ্রৰ মহাসামন্ত নীলকান্তৰ সুসজ্জিত গৃহৰ অভ্যন্তৰত আহাৰ কৰিবলৈ বহিছে কমতাৰ ৰজা আৰিমত্ত।

এই গৃহ এতিয়া আৰু মহাসামন্ত নীলকান্তৰ গৃহ নহয়। অস্থায়ী ৰাজগৃহ হিচাপে বিগত দুবছৰ ধৰি ব্যৱহাৰ কৰি আহিছে আৰিমত্তই। বেতনাত নতুনকৈ ৰাজধানী গঢ়ি তোলাৰ লগতে তিনিখলপীয়া জলদুর্গ আৰু ভূমিদুর্গ সাজি বৈদ্যগড় নাম দি সম্পূর্ণ সুৰক্ষিত কৰি তোলাৰ কাম চলি আছে। গড় সজা আৰু গড়ৰ ভিতৰত ঘৰ-দুৱাৰ সজাৰ কাম সম্পূর্ণ হৈছে। মাত্র বাট-পথ চিকুণাই তুলিবলৈ আছে। অস্থায়ী বাহৰৰ পৰা দুর্গ অভ্যন্তৰলৈ স্থানান্তৰিত হোৱাৰ পর্ব আৰম্ভ হৈ গৈছে। অনেক পুখুৰী, সৈন্য শিবিৰ, গুৰুত্বপূর্ণ বিষয়া, ৰাজবৈদ্য দাস-দাসী আদি বিভিন্ন স্তৰৰ লোকৰ বাবে সুচিন্তিত ৰূপত আৱাসগৃহ তৈয়াৰ কৰা হৈছে। অস্ত্রশালা, ঘোঁৰাশাল, হাতীশাল, সামুহিক ৰান্ধনিশাল থকাৰ লগতে ৰংচোৱা বিস্তীর্ণ পথাৰ, পাচলিৰ বাগিচা, ফুলৰ বাগিচা, শিৰমন্দিৰ আদিও আছে। ৰাজগৃহ এই সকলোবোৰ পৰা অনেক আঁতৰত। ৰাজগৃহ স্বয়ংসম্পূর্ণ। ফুলৰ বাগিচা, পুখুৰী, অস্ত্রশালা আদি সকলো আয়োজনেৰে স্বয়ংসম্পূর্ণ।

আৰু এপযেক পিচত ৰাজধানী উন্মোচন কৰা হ'ব। শুভ ক্ষণ নির্ধাৰণ কৰিছে চুবুৰীয়া ৰাজ্যৰ পৰা অহা সুদক্ষ গণৎকাৰ ৰবিচন্দ্র শর্মাই।

সেই উপলক্ষেই গোভালৈ যাবলৈ ওলাইছে আৰিমত্ত। ৰাজধানী উন্মোচনলৈ মাক-দেউতাক আৰু গংগাৱতীক লৈ অনাৰ ইচ্ছাৰে। এই দুটা বছৰত মাত্র এবাৰ গোভালৈ গৈছিল আৰিমত্ত। এই দুটা বছৰত বেহা-বেপাৰ, গড় নির্মাণ, অস্ত্র-শস্ত্র, মাত-কথা, আচাৰ-নীতি, ব্যৱহার্য বস্তুৰ কিমান যে নতুন দিশ দেখিলে আৰিমত্তই। কিমান নতুন কথা শিকিলে।

'এই সকলো জ্ঞান মই মোৰ ৰাজ্যত প্রয়োগ কৰিম। গোভাৰ নাম এদিন চৌদিশে জনাজাত হ'ব।' ভাবি ভাবি ৰোমাঞ্চিত হৈ উঠে আৰিমত্ত।

গংগাৱতীৰ পৰা, নিজৰ ঠাই, নিজৰ মানুহৰ পৰা দূৰত থাকি মাজে মাজে অস্থিৰ

হৈ উঠে আৰিমত্ত। গুচি যাবলৈ মন যায় গোভালৈ। কিন্তু নতুনকৈ অধিকাৰ কৰা ৰাজ্য এৰি অধিক দিন বাহিৰত থকাটো উচিত নহয় বুলিয়েই মন বান্ধি আছে। সঘনে গংগাৱতী, মাক আৰু দেউতাকৰ লগত পত্ৰৰে যোগাযোগ ৰাখিলেও মনটো অতৃপ্ত হৈ থাকে। বিশেষকৈ গংগাৱতীৰ ক্ষেত্ৰত।

পত্ৰই জানো ভালপোৱাই জন্মদিয়া প্ৰবল অতৃপ্তিক প্ৰশমিত কৰিব পাৰে?

প্ৰতীক্ষাৰ দিনবোৰ অৱশেষত অন্ত পৰিছে। ৰাজধানী সুৰক্ষিত ৰূপত গঢ়ি উঠিছে। এতিয়া মাক দেউতাকক আৰু সোণজিৰা আছিক কিছুদিনলৈ লৈ আনিব পাৰে আৰিমত্তই। গংগাৱতীকো আনিব পাৰে। কমতাৰ ৰাণী কৰি। বিয়া কৰাই। আৰিমত্তই সিদ্ধান্ত লৈছে গোভালৈ গৈয়েই মাকক গংগাৱতীৰ কথা ক'বগৈ। অনুষ্টুপীয়াকৈ বিয়া পাতি বৈদ্যগড়লৈ সকলোকে লৈ উভতি আহিব। কিছুদিন ইয়াতে থাকি গোভালৈ উভতি যাব। চামলে এতিয়াও বিয়া কৰোৱা নাই।বৈদ্যগড়ৰ ৰাজধানীত তাক থৈ যাব আৰিমত্তই। তাকেই ইয়াৰ অধিকাৰী পাতি গোভাৰ পৰাই শাসন কৰিব।

খলা এৰি গংগাৱতীয়ে কেতিয়াও বৈদ্যগড়ত স্থায়ীভাৱে থাকিবলৈ নাহে— এইকথা ভালদৰেই জানে আৰিমত্তই। নিজৰ ৰাজ্যৰ প্ৰতি গংগাৱতীৰ সুতীব্ৰ আকৰ্ষণ আৰু দায়িত্ববোধ দেখি মাজে মাজে আচৰিত হৈ যায় আৰিমত্ত। মুগ্ধ হৈ যায়। আৰু বেছি ভাল লাগি যায় গংগাৱতীক।

গংগাৱতী অসাধাৰণ।

অনন্যা।

ব্যতিক্ৰম।

গংগাৱতীৰ প্ৰতি আৰিমত্তই অনুভৱ কৰে সুতীব্ৰ আকৰ্ষণ।

'তুমি কিজানি মোকেই এৰিবা— তথাপিও নিজৰ ৰাজ্য নেৰা, মাজে মাজে মোৰ তেনে যেন লাগে গংগাৱতী।'

দিগ্বিজয়লৈ ওলাই অহাৰ আগতে গংগাৱতীক কলঙৰ পাৰৰ নিৰ্দিষ্ট ঠাই এডোখৰত গোপনে আৰু একান্তভাৱে লগ পাওঁতে আৰিমত্তই কৈছিল।

'ৰাজ্যক ভাল পোৱাতো ৰজাৰ কৰ্তব্য মৃগাংক। তুমি জানো ৰাজ্যক ভাল নোপোৱা? ৰাজ্যৰ কথা ভাবিয়েই সাতখন নৈ পাৰ হৈ যাবলৈ ওলোৱা নাই জানো? মোৰ কথা ভাবি জানো ৰৈ গৈছা?' গংগাৱতীয়ে কৈছিল। সেই প্ৰশ্নৰ সন্মুখত নিঃশ্চুপ হৈ গৈছিল আৰিমত্ত।

সঁচা।

গংগাৱতীৰ কথাৰ প্ৰতিবাদ কৰিবলৈ কোনো যুক্তি আৰিমত্তৰ হাতত নাই।

প্ৰিয় নাৰীৰ প্ৰতি থকা সুতীব্ৰ আকৰ্ষণতকৈও শক্তিশালী আৰিমত্তৰ এই বিজয়তৃষ্ণা।

এক প্রতাপশালী, উন্নত আৰু বিশাল সাম্রাজ্যৰ অধিকাৰী হোৱাৰ আকাংক্ষাই সুদূৰ গোভাৰ পৰা কমতালৈ উলিয়াই আনিছে আৰিমত্তক।

আৰিমত্তৰ সপোন সফল হোৱাৰ পথত।

পৰাজিত ৰজাৰ সমৰ শক্তি এতিয়া আৰিমত্তৰ হাতত। এক বিশাল অস্ত্রভাণ্ডাৰ আৰিমত্তৰ হাতলৈ আহিছে। ৰণ-কৌশলত সুদক্ষ অনেক সেনাই আৰিমত্তৰ আনুগত্য স্বীকাৰ কৰিছে। আনুগত্য স্বীকাৰ কৰিছে দুর্লভেন্দ্রৰ ৰাজশক্তিৰ অধিকাংশ বিষয়াই।

ইমানখিনি সম্ভৰ নহ'লহেঁতেন যদি দুর্লভেন্দ্রৰ মহাসামন্ত নীলকান্তৰ একান্ত আনুগত্য আৰিমত্তই লাভ নকৰিলেহেঁতেন।

কমতা দখল কৰাৰ কিছুদিন পিচতেই নীলকান্ত আহি আৰিমত্তৰ শৰণ লৈছিল। লগত আছিল একমাত্র কন্যা, মাতৃহীনা ৰত্নাৱলী। পিতলৰ শৰাইত তামোল-পাণ আগবঢ়াই নীলকান্ত আৰু ৰত্নাৱলীয়ে আৰিমত্তৰ আগত আঁঠু লৈছিল। বয়সস্থ নীলকান্ত আৰু তৰুণী ৰত্নাৱলীয়ে আঁঠু লোৱা দেখি পিচুৱাই গৈছিল আৰিমত্ত। কুণ্ঠাত।

তাৰ পিচত গলি গৈছিল।

নীলকান্তই কৈছিল—

'ৰজা দুর্লভেন্দ্রৰ প্রতি আনুগত্য ত্যাগ কৰি আৰু বৈৰী ৰজাৰ ওচৰত আঁঠু লৈ মই বিশ্বাসঘাটকতা কৰিছো ৰজাদেৱ। ই প্রকৃততে প্রাণদণ্ড দিয়াৰ যোগ্য অপৰাধ। কিন্তু এই অপৰাধ কৰিবলৈ বাধ্য হৈছো মোৰ কন্যা ৰত্নাৱলীৰ কাৰণে। মাতৃহীনা ছোৱালীজনীক লৈ মই নিৰুপায় হৈ পৰিছো। ইমান ৰূপৱতী, যৌৱনপ্রাপ্তা কন্যা এজনীক লৈ মই ক'লৈ যাম মহাঅধিৰাজ। অসুৰক্ষিত নাৰীৰ বাবে এই ঠাই বাঘৰ গুহাৰ তুল্য। মই পিতৃ। কন্যাৰ নিৰাপত্তাই মোক দুর্বল কৰি তুলিছে মহাঅধিৰাজ। বহুত ভাবি-চিন্তি মই আপোনাৰ ওচৰত আত্মসমর্পণ কৰিবলৈ আহিছো। পিতৃৰ দায়িত্বতকৈ যদি মোৰ বিশ্বাসঘাটকতা অধিক গুৰু হয় তেনেহ'লে মোক শাস্তি দিয়ক। বিনা দ্বিধাই শিৰপাতি ল'ম। মাত্র এটাই অনুৰোধ, মোৰ কন্যাৰ নিৰাপত্তা যেন বিঘ্নিত নহয়।'

নীলকান্তই বিষাদেৰে কৈছিল।

নীলকান্তৰ যুক্তি আৰু অকপট স্বীকাৰোক্তিয়ে জয় কৰি পেলাইছিল আৰিমত্তক। নীলকান্তক সসম্মানে কমতাৰ স্বগৃহত বাস কৰাৰ অনুমতি দিছিল আৰিমত্তই।

মহা সামন্তৰ বাবে নির্দিষ্ট গৃহত থাকিবলৈ মান্তি নহ'ল নীলকান্ত। সেই গৃহ আৰিমত্তক এৰি দি চৌহদৰ বাহিৰত থকা সৰু এটা গৃহত বাস কৰিবলৈ শুচি গ'ল নীলকান্ত।

ৰজা দুর্লভেন্দ্রৰ বাসগৃহটো থকা হ'লে আৰিমত্ত তাতেই থাকিলহেঁতেন কিন্তু ৰাজ্য ত্যাগ

কৰি গুচি যোৱা দুর্লভেন্দ্রই যাবৰ পৰত ৰাজগৃহত জুই লগাই থৈ গ'ল।

সেয়েহে তেতিয়াৰ পৰা দুটা বছৰ নীলকান্তৰ গৃহতেই বাস কৰি আছে আৰিমত্তই।

নীলকান্তক মহাসামন্তৰ পদ দিয়া নাই আৰিমত্তই। সেই দায়িত্ব চামলৰ ওপৰত ন্যস্ত কৰিছে। ৰাজ্যৰ সুৰক্ষাৰ সকলো দায়িত্ব দিয়া হৈছে গোভাৰ পৰা অহা বিশ্বস্ত বিষয়াসকলক। তাৰ সলনি ঘোঁৰাশালৰ তত্ত্বাৱধায়কৰ পদ দিছে নীলকান্তক। নীলকান্তই সন্তুষ্ট চিত্তেৰে একান্ত নিষ্ঠাৰে দায়িত্ব পালন কৰি গৈছে।

নীলকান্তৰ কার্যত আৰিমত্ত সন্তুষ্ট। সন্তুষ্ট নীলকান্তৰ আতিথ্যত। আৰিমত্তৰ সুবিধা অসুবিধাৰ প্রতি তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য ৰাখে নীলকান্তই। এই অঞ্চলৰে ব্যক্তি হিচাপে অভিজ্ঞ মানুহজনে অনেক সমস্যাৰ তাৎক্ষণিক সমাধান কৰি দি লাহে লাহে আৰিমত্তৰ বিশ্বস্ত হৈ পৰিছে। আৰিমত্তৰ লগত তেওঁলোকৰ সম্পর্ক বহুখিনি ঘৰুৱা হৈ পৰিছে। ৰাজগৃহৰ কাষতেই থকা কাৰণে সময়ে সময়ে আহি ৰত্নাৱলীয়ে ইটো-সিটো কাম কৰি দি যায়। কিবাকিবি আৰিমত্তই আগতে খাই নোপোৱা ব্যঞ্জনো ৰান্ধি লৈ আহে। প্রথম প্রথম ৰত্নাৱলীয়ে ৰাজগৃহৰ ৰান্ধনিশালতে দুই-এটা পদ ৰান্ধিব খুজিছিল। চামলে অনুমতি নিদিলে।

নীলকান্তৰ প্রতি চামলৰ মনোভাব ইতিবাচক নহয়। নীলকান্তক চামলে বিশ্বাস নকৰে।

একান্ত আনুগত্যৰ কাৰণে আৰিমত্তৰ সিদ্ধান্তৰ প্রতিবাদ নকৰিলেও নীলকান্ত আৰু ৰত্নাৱলীৰ ওপৰত প্রতিমুহূর্ততে তীক্ষ্ণ দৃষ্টি ৰাখিছে চামলে। নীলকান্ত আৰু ৰত্নাৱলীয়ে লৈ অনা সকলো বস্তু পৰীক্ষা কৰিহে ভিতৰলৈ আনিবলৈ দিয়ে। মহাসামন্ত চামলৰ নির্দেশ অমান্য কৰাৰ সাহস নীলকান্ত, ৰত্নাৱলীৰ নাই।

চেষ্টাও নকৰে।

নীলকান্তই চামল আৰু আৰিমত্তৰ সম্পর্কৰ ঘনিষ্ঠতা দেখিছে। চামলৰ ওপৰত থকা আৰিমত্তৰ অসীম আস্থাৰ কথাও বুজি পাইছে। সেয়েহে চামলৰ সকলো আদেশ-নির্দেশ বিনাপ্রতিবাদে পালন কৰে নীলকান্তই।

এতিয়াও আহাৰ গ্রহণ কৰি থকা আৰিমত্তৰ পৰা অলপ দূৰৈত হাতযোৰ কৰি থিয় হৈ আছে নীলকান্ত। চিৰাচৰিত নিয়ম অনুসৰি ওচৰতে বিশ্বস্ত প্রহৰীৰ দৰে থিয় হৈ আছে গম্ভীৰ আৰু স্বল্পভাষী চামল।

আৰিমত্তক নীলকান্তইঁতে খাবলৈ দিয়া প্রতিটো বস্তু প্রথমতে নিজে খাই পৰীক্ষা কৰিহে দিয়ে চামলে। এই দায়িত্ব নিজে কান্ধ পাতি লৈছে চামলে। গোভাৰ ৰান্ধনিয়ে ৰন্ধা আহাৰত সন্দেহ নাই। বিশ্বাসঘাটকতাৰ বিষ গোভাৰ মানুহৰ তেজত নাই। কিন্তু এই নীলকান্তক বিশ্বাস নকৰে চামলে। আৰিমত্তৰ লগত নীলকান্তৰ ঘনিষ্ঠতাই চামলক

মাজে মাজে অতীষ্ঠ কৰি তোলে। নীলকান্তই আৰিমত্তক ইমান অত্যধিক প্ৰশংসা কৰে, ইমান অধিক আনুগত্য দেখুৱায় যে মাজে মাজে নীলকান্তৰ উদ্দেশ্য সম্পৰ্কে মনত গভীৰ সন্দেহৰ জন্ম হয়।

মাত্ৰ নীলকান্ততো নহয়— নীলকান্তই যে আগবঢ়াই দিছে নিজৰ সুন্দৰী কন্যা ৰত্নাৱলীকো। ৰত্নাৱলীক লৈ নীলকান্ত প্ৰায়েই আহি থাকে ৰাজগৃহলৈ। গাখীৰ, নাৰিকল আদিৰে তৈয়াৰ কৰা নানাবিধ সুমিষ্ট আহাৰ্য বস্তু, নানাবিধ ব্যঞ্জন ৰত্নাৱলীয়ে আৰিমত্তলৈ লৈ আহে। নিজহাতে সজাই দি খাবৰ সময়ত ওচৰত বৈ থাকে। আজিও গোভালৈ উভতি যাবলৈ ওলোৱা আৰিমত্তৰ বাবে বিশেষ আহাৰৰ আয়োজন কৰি ৰাজহাউলীলৈ লৈ আহিছে নীলকান্ত আৰু ৰত্নাৱলীয়ে। এই আতিথ্য আৰু আনুগত্যত আৰিমত্তৰ চকুৰে-মুখে ফুটি উঠা আনন্দৰ আভা চামলে নেদেখাকৈ থকা নাই।

এই আনন্দই চামলক অত্যন্ত বিৰক্ত কৰে।

কিন্তু মুখ ফুটাই মনৰ কথা কোৱাৰ শক্তি চামলৰ নাই। আৰিমত্ত তেওঁৰ বন্ধু স্থানীয় হ'লেও চামাদিৰ খাৰাপাছাই হিচাপে চামলে আৰিমত্তক চাংমাজি হিচাপে যি সন্মান দিবলৈ শিকিছিল সেই সন্মান আৰু আনুগত্য আজিও অটুট আছে। আৰিমত্তই যিমানেই উচ্চপদ নিদিয়ক চামলে কেতিয়াও পাহৰি নাযায়— ৰাজমাতা কনচাৰীৰ আল-পৈচান ধৰা এজনী সাধাৰণ মাৰগি খামছামাই আৰু এজন সাধাৰণ বাৰিকাৰ ল'ৰা চামল। আৰিমত্ত গংগাৱতীৰ সম্পৰ্কত এক বিশেষ ভূমিকা ল'লেও নিজৰ সীমা কেতিয়াও পাৰ হৈ যোৱা নাই চামলে। কেতিয়াও কোনো মন্তব্য কৰা নাই। ধেমালিও কৰা নাই।

এতিয়াও নীলকান্তৰ অত্যধিক বিনয় আৰু আদৰযত্ন দেখি আৰু ৰত্নাৱলীৰ চঞ্চল চাল-চলন আৰু লঘু মাত-কথা শুনি প্ৰচণ্ড বিৰক্ত হ'লেও কোনো মন্তব্য নকৰি কঠিন মুখেৰে থিয় হৈ আছে চামল।

ৰত্নাৱলীয়ে আগবঢ়াই দিয়া ব্যঞ্জনৰ সোৱাদ লৈ লৈ নীলকান্তৰ লগত ৰাজনৈতিক কথা আলোচনা কৰি আছে আৰিমত্তই। ৰত্নাৱলীৰ প্ৰাণচঞ্চলতা, সহজ ধেমালিৰে কৰা মন্তব্যসমূহ উপভোগ কৰে যদিও বাহিৰত গম্ভীৰ হৈ থাকে আৰিমত্ত। সীমা পাৰ হৈ যোৱাৰ কেতিয়াও সুযোগ নিদিয়ে। আৰিমত্ত গোভাৰ ল'ৰা। নাৰীৰ লগত সহজ মিলা-মিচাত অভ্যস্ত। নাৰীৰ সংগত অসহজ অনুভৱ কৰাৰ প্ৰশ্ন নুঠে। তথাপিও তেওঁ ৰত্নাৱলীৰ লগত দূৰত্ব ৰাখি চলে। এই সমাজত নাৰীৰ স্থান গোভাৰ সমাজৰ দৰে নহয়। নাৰী ইয়াত অবগুণ্ঠিতা। পুৰুষৰ তলতীয়া। বাধা-নিষেধৰ দুৰ্গত বন্দী। মুইনাৰী কাঠিৰ দৰে নাচ পুৰুষৰ সৈতে একেলগে নচাৰ কথা ইয়াৰ ছোৱালীয়ে কল্পনাও কৰিব নোৱাৰে।

সাধুকুমাৰে আহিবৰ সময়ত আৰিমত্তক কৈছিল—

'যাব খুজিছা যোৱা। এটা কথা মনত ৰাখিবা— দেশ জয় অস্ত্রেৰে কৰিবা পাৰিবি, কিন্তু অস্ত্রেৰে মানুহৰ মন কেতিয়াও জয় কৰিব নোৱাৰা। য'লৈ যাবা— য'ত থাকিবা তাৰ সমাজক মানি চলিবা। ৰীতি-নীতি মানি চলিবা। সন্মান কৰিবা। তেতিয়াহে তুমি আচল শাসক হ'ব পাৰিবা। নিজৰতো নেৰিবা— কিন্তু আনৰটোকো অসন্মান নকৰিবা।'

দেওৰাজাৰ কথা আখৰে আখৰে মানি চলিছে আৰিমত্তই। কমতাৰ অনেক শুভংকৰ বুলি ভবা কথা নিজৰ বুলি গ্রহণ কৰিছে।

আৰিমত্তৰ কাপোৰসাজ দেখিলেই সেই কথা অনুভৱ কৰিব পৰা যায়। আৰিমত্তৰ গাত ধলপাটৰ দুয়োমূৰত পাৰি থকা থেনাচ আৰু চুটিহাতৰ ৰঙা ফুলবচা চোলা। পশ্চিমৰ পৰা অহা দীঘলকৈ কুশলী লোকে তৈয়াৰ কৰা চোলা। জাপি কান্ধৰ ওপৰেদি মেৰিয়াই লোৱা ৰঙা ফুলবচা পাৰি থকা পাটৰ উত্তৰীয়। মূৰত ধলপাটৰেই সৰু সৰু মুকুতাৰ মালাগঁঠা ফুলবচা পাগ।

নতুন সাজেৰে আৰিমত্তক অন্য পুৰুষ যেন লাগিছে।

অন্য পুৰুষ বুলি অৱশ্যে ক'বও পাৰি।

এই দুটা বছৰৰ অভিজ্ঞতাই, ৰাজ্যবিজয়ে প্রদান কৰা আত্মবিশ্বাসে, মনৰ উৎসাহে আৰিমত্তক আগতকৈও উজ্জ্বল, ব্যক্তিত্বশালী আৰু গম্ভীৰ কৰি তুলিছে।

কমতাত বাস কৰি পশ্চিমৰ পৰা অহা আধুনিকতাৰ নতুন নতুন কথাবোৰ, কলা-কৌশল, সা-সঁজুলি, শাসন পদ্ধতিৰ নতুনত্বখিনি কমতাত প্রয়োগ কৰিবলৈ আৰম্ভ কৰাৰ লগে লগে গোভালৈও লৈ যাবলৈ আৰম্ভ কৰিছে আৰিমত্তই। উদ্যম আৰু প্রগতিবাদী মানসিকতাই কমতাত জনপ্রিয় কৰি তুলিছে আৰিমত্তক। দক্ষিণ পাৰৰ ৰাজ্যসমূহ, গোভা আৰু গোভাৰ দাঁতিকাষৰীয়া ৰাজ্যসমূহতো আৰিমত্তৰ যোগ্যতাই প্রশংসা লাভ কৰিছে। দক্ষিণ পাৰতো নতুন চিন্তা-চর্চা, বিধি ব্যৱস্থাৰ লাহে লাহে প্রসাৰ হ'বলৈ আৰম্ভ কৰিছে। কমতাত আৰিমত্ত জনপ্রিয় হৈ উঠাৰ আন কাৰণো আছে। আৰিমত্ত সুশাসক। উদাৰ আৰু সহনশীল। কমতাৰ সমাজ ব্যৱস্থাৰ আৰু আচাৰ-নীতিৰ বিপৰীতে গৈ আৰিমত্তই নিজৰ ধাৰণা বিশ্বাস জাপি দিয়াৰ কেতিয়াও কোনো চেষ্টা কৰা নাই। বৰঞ্চ নিজেহে মিলি থাকিবলৈ চেষ্টা কৰিছে। কমতাৰ কোনো নাৰীক আৰিমত্তৰ সেনাই যুঁজৰ সময়তো শ্লীলতা হানি কৰা নাছিল। পিচতো কৰা নাই। আৰিমত্তই তেনে কৰাৰতো প্রশ্নই নুঠে।

ৰত্নাৱলীৰ লগত অন্তৰংগ হোৱাৰ অনেক সুযোগ পায়ো কেতিয়াও সুযোগ লোৱা নাই আৰিমত্তই। গংগাৱতীৰ প্রতি থকা সুগভীৰ ভালপোৱাই তেওঁক আন সকলো নাৰীক উপেক্ষা কৰাৰ শক্তি যোগাইছে।

'আপোনাক আৰু অলপ দৈ গাখীৰ দিমনে?' দৈৰ পাত্রটো হাতত লৈ ৰত্নাৱলীয়ে সুধিলে।

'নালাগে। মই টই খাবলৈ ভাল নাপাওঁ।'

'আপোনালোকে গাখীৰক টই বোলে?' ৰজালৈ অবাক হৈ চাই থাকি খিলখিলাই হাঁহি উঠিল ৰত্নাৱলীয়ে।

আৰিমত্ত গম্ভীৰ হৈ গ'ল।

'হাঁহিছা কিয়? আমি গাখীৰক ছাঃ বোলো। কাখিৰো বোলো। কাখিৰৰ পৰাহে টই হয়। তোমালোকে টইক দৈ গাখীৰ বোলা কিয়? দৈ ক'লেই হয়। দক্ষিণপাৰৰ তোমালোকৰ দৰে মানুহে কিন্তু গাখীৰক গাখীৰ আৰু দৈক দৈ বোলে। দৈ গাখীৰ নোবোলে।'

'আমি দক্ষিণপৰীয়াবোৰক সেই কাৰণে ভাল নাপাওঁ। একো নাজানে। আমি দৈক দৈ গাখীৰ বোলো আৰু গাখীৰক ফুইটা গাখীৰ বোলো।' ভয়-ভীত নোহোৱা ছোৱালীজনীয়ে আকৌ স্থান-কাল পাহৰি খিলখিলাই হাঁহি উঠিল।

'ফুইটা গাখীৰ।' আৰিমত্তই হাঁহি পেলালে।

হাতযোৰ কৰি ওচৰতে থিয় হৈ আৰিমত্তৰ মুখত ফুটি উঠা মনৰ ভাব তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি আছে নীলকান্তই।

যুৱৰজা আৰিমত্তৰ বাহুবল, ৰণশক্তি, উদ্যম আৰু শৌর্য যুঁজৰ সময়ত নীলকান্তই ওচৰৰ পৰা দেখিছে। নীলকান্ত ক্ষমতালোভী বিষয়া। ৰাজশক্তিৰ পৃষ্ঠপোষকতাত ক্ষমতাশালী হৈ আয়াসৰ জীৱন কটাব খোজা ব্যক্তি।

অভিজ্ঞ ৰাজনীতিক। চতুৰ আৰু কৌশলী।

তেওঁ জানে— বৈদ্যগড়তেই থমকি ৰোৱা পুৰুষ আৰিমত্ত নহয়। আৰিমত্ত আৰু শক্তিশালী হৈ উঠিব।

আৰিমত্তই দুর্লভেন্দ্রৰ দিনত স্বাধীন হৈ উঠা ভূঞা ৰাজ্যসমূহ অধীনস্থ কৰাৰ পৰিকল্পনা কৰাৰ কথা নীলকান্তই গম পাইছে। আৰিমত্তৰ উত্থানত ভূঞাৰজাসকলক শংকিত হৈ উঠা বুলিও গম পাইছে। গোষ্ঠীগতভাৱে একে হ'লেও ভূঞাসকলৰ মাজত একতাৰ অভাৱ। আৰিমত্তৰ বৈশ্যতা তেওঁলোকে সহজেই স্বীকাৰ কৰি লোৱাৰ সম্ভাৱনা আছে। ভোট পাহাৰৰ নামনিত বাস কৰা বড়ো-কছাৰী আৰু যোগীসকলৰ মাজতো আৰিমত্ত জনপ্রিয় হৈ পৰিছে। পশ্চিমত কোচ ৰাজ্যৰ উত্থান হৈছে যদিও এতিয়ালৈকে আগ্রাসী হৈ উঠা নাই। পশ্চিম ক্ষুদ্র ক্ষুদ্র ৰাজ্যসমূহত এতিয়াও স্বতন্ত্রীয়া শাসন চলি আছে। আৰিমত্তৰ ৰাজ্য আৰু অধিক বিস্তৃত হ'ব বুলি নীলকান্ত নিশ্চিত, যদিহে চলে-বলে-কৌশলে প্রতিৰোধ কৰিব পৰা নাযায়।

বলশালী ৰজা হ'লেও আৰিমন্ত কিন্তু অত্যাচাৰী নহয়। উদাৰ আৰু সৰল। যুদ্ধজয়ৰ পিচত তেওঁ কাকো অত্যাচাৰ কৰা নাই। শোষণ কৰা নাই। সকলোৰে লগত মিলিজুলি শান্তিস্থাপন কৰাৰ চেষ্টা কৰিছে।

আৰিমন্তৰ মাত্ৰ কেইটামান দুৰ্বলতাহে আৱিষ্কাৰ কৰিছে নীলকান্তই। আনক অতি সহজতে আপোন কৰি লয়। অতি সহজতে বিশ্বাস কৰে। প্ৰসংসা কৰিলে ভাল পায়। প্ৰশংসাৰ আঁৰত লুকাই থাকিব পৰা উদ্দেশ্য সম্পৰ্কে কেতিয়াও সন্দেহ নকৰে। আৰিমন্তৰ মদৰ প্ৰতি আছে বিশেষ দুৰ্বলতা। গোভাৰ পৰা অহা মদ বনোৱা মানুহবোৰে আৰিমন্তৰ বাবে প্ৰস্তুত কৰা মদ নীলকান্তয়ো খাই চাইছে। ওচৰ-পাঁজৰে থকা বড়োসকলৰ দৰেই একে। মিঠা মিঠা। সোৱাদ।

আৰিমন্ত জেদী। সিদ্ধান্তত অলৰ-অচৰ ব্যক্তি।

এইকেইটাৰ বাহিৰে আন একো দুৰ্বলতা নাই। কন্যা ৰত্নাৱলীৰ লগত মিলা-মিছা কৰিবলৈ সুযোগ কৰি দি তীক্ষ্ণ দৃষ্টি ৰাখি আৰিমন্তক জুখি চাইছে নীলকান্তই। কেতিয়াও কোনো মুহূৰ্তত আৰিমন্তক দুৰ্বল হৈ পৰা দেখা নাই।

এই দুৰ্বলতা সৃষ্টি কৰাৰ সকলো কৌশল বিফল হৈছে নীলকান্তৰ।

বিফল হ'লে নহ'ব।

ৰত্নাৱলীৰ লগত আৰিমন্তৰ সম্পৰ্ক গঢ়ি তুলিবই লাগিব। নহ'লে নীলকান্তই চামলক গুচাই কেতিয়াও এই ৰাজ্যৰ প্ৰধানমন্ত্ৰিত্ব লাভ কৰিব নোৱাৰে। যিমানেই শৰণ নকওক— যিমানেই আনুগত্য নেদেখুৱাওক দক্ষিণৰ পৰা অহা গোভাৰ ৰজাই উত্তৰৰ দুৰ্লভেন্দ্ৰৰ দিনৰ মহাসামন্ত নীলকান্তক কেতিয়াও পৰিপূৰ্ণ বিশ্বাসত নলয়। আৰিমন্তৰ ৰাজ্যত নীলকান্তই সিমান ক্ষমতা কেতিয়াও নাপায় যিমান আগৰ ৰজা দুৰ্লভেন্দ্ৰৰ দিনত পাইছিল।

ক্ষমতা হেৰুৱাই ভিতৰে ভিতৰে বলিয়া শিলায়ৰ দৰে হৈ পৰিছে নীলকান্ত। বাহিৰত তেওঁক দেখি সেই কথা কোনেও অনুভৱ কৰিব নোৱাৰে। অতি সাৱধানী খোজ পেলাই লাহে লাহে তেওঁ আৰিমন্তৰ ওচৰ চাপি আহিছে।

'ফিংগুৱা কোঁৱৰৰ ৰাজ্যৰ পৰা এজন ব্ৰাহ্মণ আহিছে। দেওৰজাক চিনি পায় বোলে।' ভিতৰ মাঝিয়ে চামলক ক'লেও আহাৰ শেষ কৰি তামোল খাবলৈ লোৱা আৰিমন্তই ঘুৰি চালে। ঘুৰি চালে নীলকান্তয়ো।

আৰিমন্তক চিনি পোৱা ব্ৰাহ্মণ!

কপালত ভাঁজ পৰিল আৰিমন্তৰ। কমতাৰ এজন ব্ৰাহ্মণকেই ভালদৰে চিনি পায় আৰিমন্তই। গোভালৈ গৈ আৰিমন্তক আখৰ শিকোৱা প্ৰভাকৰ আচাৰ্য বিদ্যানিধিক।

আচাৰ্য বিদ্যানিধিতো কাশীলৈ গৈছিল। উভতি আহিল নেকি?

'কি নাম বুলিছে ব্রাহ্মণৰ?' আৰিমত্তই সুধিলে।

'প্রভাকৰ শর্মা বিদ্যানিধি।' ভিতৰ মাঝিয়ে ক'লে।

'আচার্য'।

আৰিমত্তৰ মুখখন পোহৰ হৈ গ'ল।

সেই পোহৰ দেখি চিন্তিত হৈ পৰিল নীলকান্ত।

ফিংগুৱা কোঁৱৰৰ ৰাজ্যৰ ব্রাহ্মণ!

কিয় আহিছে?

ফিংগুৱা কোঁৱৰৰ বার্তা লৈ আহিছে নেকি এই ব্রাহ্মণে? যদি আনিছে কি বার্তা আনিব পাৰে? চুবুৰীয়া ৰজা ফিংগুৱাই কি বার্তা প্রেৰণ কৰিব পাৰে আৰিমত্তলৈ?

'তেখেতক বহিবলৈ দে চামল। মই আহি আছো।'

তামোলৰ বঁটাৰ পৰা তামোল এখন তুলি লৈ আৰিমত্তই নীলকান্তলৈ চালে—

'আপোনালোক এতিয়া যাওক। বৈদ্যগড় উন্মোচনৰ উৎসৱ যেন ভালমতে হয়। কমৰূপীয়া ঢুলীয়া, ওজাপালি আৰু পুতলা নাচৰ ব্যৱস্থা কৰিব। ওচৰ-পাঁজৰৰ বড়ো লোকসকলেও যাতে এই অনুষ্ঠানত অংশ লয় সেই কথাত লক্ষ্য ৰাখিব। দুয়ো উভতি আহোতে আমাৰ ঢুলীয়া নাচনী লৈ আহিম। নিমন্ত্রণ কৰোতে যাতে কোনো ত্রুটি নাথাকে। মহাসামন্তৰ লগত আলোচনা কৰি সকলো কৰিব। নিজাকৈ যাতে একো সিদ্ধান্ত নলয়। মোৰ আই আৰু পিতা এই অনুষ্ঠানলৈ আহিব পাৰে। আহিলে কামাখ্যা, দীর্ঘেশ্বৰী আৰু পাণ্ডুনাথৰ মন্দিৰ দর্শন কৰিব। ইয়ালৈ অহাৰ পিচত বিল্বেশ্বৰ দেৱালয় দর্শন কৰিব। সকলো ব্যৱস্থা কৰি থ'ব।'

'আপোনাৰ আদেশ শিৰোধার্য মহাঅধিৰাজদেৱ।'

প্রণাম জনাই নীলকান্ত চিন্তিত মনেৰে ৰত্নাৱলীক লৈ ওলাই গ'ল। ফিংগুৱা কোঁৱৰৰ ৰাজ্যৰ পৰা অহা ব্রাহ্মণক যাওঁতে দেখা কৰি যোৱাৰ সিদ্ধান্তলৈ। তেওঁৰ মনত তেতিয়া অন্য এক ৰাজনৈতিক উদ্দেশ্যই এটা চিন-নিচিন গঢ় ল'বলৈ আৰম্ভ কৰিছিল।

১৮

আমচাই মার্জঙৰ ৰাজধানীৰ ৰাজানঃৰ দুৱাৰমুখত হাতীৰ পৰা নামি ভিতৰলৈ সোমাই গ'ল কনচাৰী।

এইখন ৰাজধানীলৈ বহু দিনৰ পিচত আহিল কনচাৰী। প্ৰয়োজন হ'লে গোভালৈ গৈ কনচাৰীক লগ ধৰি আহে সাধুকুমাৰে। ৰাজানঃৰ বাহিৰচ'ৰাত বহি প্ৰয়োজনীয় কথা পাতি বাহিৰ চ'ৰাৰ পৰাই উভতি আহে সাধুকুমাৰ। সেই যে গোভাৰ প্ৰধান ৰাজানঃৰ পৰা কনচাৰীৰ জ্বালাময়ী বাক্যবাণত আহত সাধুকুমাৰ আমচাই মার্জঙত বাস কৰিবলৈ আহিছিল তাৰ পিচত আৰু উভতি যোৱা নাই। ইমানবোৰ বছৰ তেনেকৈয়ে চলি আছে। কনচাৰীয়েও কেতিয়াও তেওঁক ভিতৰলৈ যোৱাৰ অনুৰোধ জনোৱা নাই।

ফামাহাদেৱৰ শপত খাই নাযাওঁ বুলিছে যেতিয়া নাযায়। কনচাৰীয়ে জানে।

গোভাৰ ৰাজনঃলৈ যিমানবাৰ গৈছে সাধুকুমাৰ প্ৰতিবাৰেই তাৰ পিচত কেইবানিশাৰ [illegible]নি নষ্ট হয় কনচাৰীৰ। সীমাহীন লজ্জাবোধে কনচাৰীক কুৰুকি কুৰুকি খায়।

নিজৰ অক্ষমতাত অপৰাধবোধত ভোগে কনচাৰী।

এটা অদ্ভুত সম্পৰ্ক।

পতি-পত্নী নহয় অথচ পতি-পত্নীতকৈও অধিক আত্মীয়।

গোভা ৰজাৰ ৰাণী নহৈয়ো সমাজত ৰাণীৰ দৰেই গ্ৰহণীয় কনচাৰী। যুৱৰাজ আৰিমত্ত ৰাণী কনচাৰীৰো পুত্ৰ। সাধুকুমাৰৰো পুত্ৰ।

আৰিমত্তয়ো তেওঁলোকক পতি-পত্নী বুলিয়েই জানে। কোনেও আৰিমত্তক এই বিষয়ে কেতিয়াও একো কোৱা নাই। দুটা ৰাজানঃত বেলেগে বেলেগে থাকি অহা দেখিছে যদিও সৰুৰে পৰাই তেনেকৈয়ে দেখি অহা কাৰণেই এই ব্যৱস্থাটোকেই হয়তো স্বাভাৱিক বুলি ধৰি লৈছে আৰিমত্তই। কেতিয়াও সেই কাৰণেই হয়তো এই সম্পৰ্কে একো প্ৰশ্ন কৰা নাই।

যদি কোনো প্ৰশ্ন আছেও সেই প্ৰশ্ন নিজৰ ভিতৰত হয়তো সামৰি ৰাখিছে আৰিমত্তই। সাধুকুমাৰ আৰু কনচাৰীৰ মাজত অশান্তিকৰ সম্পৰ্কৰ কোনো ইংগিত নেদেখি, ৰৰঞ্চ বিমল বন্ধুত্বৰহে প্ৰতিচ্ছবি দেখি প্ৰশ্ন কৰাৰ যুক্তিযুক্ততাও হয়তো

বিচাৰি পোৱা নাই। আৰিমত্ত গম্ভীৰ আৰু অন্তর্মুখী। এটা সময়ত এই প্রশ্ন আৰিমত্তৰ পৰা শুনিব বুলি প্রতিমুহূর্ততে কণ্টকিত হৈ থাকিছিল কনচাৰী। গোভাৰ সমাজৰ প্রশ্নবাণৰ সম্মুখীন হ'ব লাগিব বুলি চিন্তিত হৈ থাকিছিল। এতিয়া সহজ হৈ গৈছে।

এনেকৈয়ে এক অদ্ভুত সম্পর্কৰ মাজত জীয়াই আছে কনচাৰী।

যৌৱনৰ দিনবোৰ ব্যর্থ ৰাতি-দিনৰ মাজেৰে পাৰ হৈ শুচি গ'ল।

অবিবাহিত হৈ ৰ'ল সাধুকুমাৰ। কনচাৰীৰ প্রতি তেওঁৰ একান্ত অনুৰক্তিৰ কথা ৰাজানঃৰ সকলোৱে আনকি ৰাজানঃৰ বাহিৰৰ ৰাইজবোৰ মুখিয়ালসকলে জানে।

কনচাৰীয়ে জানো নাজানে?

সাধুকুমাৰৰ চকুৰ চাৱনিত ফুটি উঠা গভীৰ হ্রদৰ দৰে ভালপোৱা কনচাৰীয়ে জানো নেদেখাকৈ আছে?

নিজকো জানো নেদেখাকৈ আছে কনচাৰীয়ে? সাধুকুমাৰৰ মহত্ত্বৰ ওচৰত পৰাজিত কনচাৰীৰ মনৰ গভীৰতো জন্ম হোৱা নাই জানো ভালপোৱা নামৰ গভীৰ এটা হ্রদ? তাত ক'ত আছে প্রতাপ সিংহ? ক'ত আছে ৰাণী চন্দ্রপ্রভাৰ বিবাহৰ পিচৰ মধুময় দিনৰ টোবোৰ?

সঁচা।

কনচাৰীয়েও সাধুকুমাৰৰ অশৰীৰি ভালপোৱাৰ হাতত ধৰিয়েই যৌৱনৰ দিনবোৰ অকলশৰে পাৰ কৰি আহিছে। এই অনুৰক্তি কনচাৰীৰ চকুৰে-মুখে প্রকাশ নাপায়। প্রকাশ পায় কামৰ মাজেৰে। গোভাৰ সমাজত নিজকে বিলীন কৰি, গোভাৰ মংগলৰ বাবে নিজৰ দিন-ৰাতি ব্যয় কৰি এই অনুৰক্তিক প্রতিফলিত কৰে কনচাৰীয়ে।

এই ব্যতিক্রম সম্পর্কক কোনেও অশ্রদ্ধা নকৰে। বৰঞ্চ লালুং সমাজৰ বাবে প্রায় অস্বাভাৱিক এই সম্পর্কলৈ সকলোৱে অবাক হৈ চায়— শ্রদ্ধাত মূৰ দোৱায়। অবিবাহিত পুৰুষক তিৰাশাসকলৰ সমাজে শ্রদ্ধাৰ চকুৰে নাচালেও সাধুকুমাৰৰ ওচৰলৈ আহি এই নিয়ম স্থবিৰ হৈ যায়। সাধুকুমাৰ আৰু কনচাৰীৰ প্রতি মমতাত কুমলি যায় নিয়মকঠোৰ সমাজখন।

কনচাৰীৰো যৌৱনকাল অতিবাহিত হ'ল পুৰুষহীনভাৱে। গোভাৰাজ্যৰ পৰিচালনাত সাধুকুমাৰৰ প্রতিনিধি হিচাপে অংশ লৈ ৰাইজৰ কামত নিজকে উৎসর্গ কৰা কনচাৰী ইয়াত দেৱীৰ আসনত প্রতিষ্ঠিত।

অস্বচ্ছ হৈ আহিছে প্রতাপপুৰৰ স্মৃতি। নিষ্প্রভ হৈ আহিছে ঘৃণাৰ অগ্নিকুণ্ড। প্রশমিত হৈ আহিছে বিচ্ছেদ আৰু অপমানৰ শোক-জ্বালা।

গোভাৰ সমাজৰ মৰমত নিজকে ধুই-পখালি কনচাৰী নামেৰে নতুনকৈ জন্ম হৈছে চন্দ্রপ্রভা। এক অনাবিল বন্ধুত্বৰ আশ্রয়ত পাৰ কৰি গৈছে বহুবৰ পিচত বহুৰ।

সেই কণমানি ল'ৰাটো ডাঙৰ হৈ বৈদ্যগড়ত ৰাজধানী স্থাপন কৰিব পৰা হ'লগৈ।

আৰিমত্তক দেখিলে বুকুখন কেনেবা কেনেবা লাগে কনচাৰীৰ। তাৰ খোজ-কাটলত, চকুৰ চাৱনিত, ওঁঠৰ কুঞ্চনত যেন চমকি চমকি উঠে ৰজা প্রতাপচন্দ্রৰ প্রতিচ্ছবি। আৰিমত্তৰ স্বভাৱত যেন দেখা পায় ৰজা প্রতাপচন্দ্রৰ অতি আৱেগিক অতি জেদী মানসিকতাৰ প্রতিচ্ছবি। দেখা পায় আর্য ক্ষত্রিয়ৰ বিজয় তৃষ্ণা।

কিয় এনে হ'ল?

গোভাৰ চামাদিত তিৰাশা যুৱকৰ সকলো গুণাৱলী আয়ত্ত কৰিলেও কিয় আৰিমত্তৰ মাজত জিলিকি উঠে আর্য ক্ষত্রিয়ৰ বিজয়তৃষ্ণা?

দুটা বছৰ আৰিমত্ত গোভাত নাই। সুদূৰ কমতা অধিকাৰ কৰি ৰাজ্যশাসন কৰিছে। দক্ষিণ পাৰৰ কুমৈ, বঘৰাৰ দায়িত্ব আকৌ সাধুকুমাৰে ল'বলগা হৈছে। অৱশ্যে কুমৈ বঘৰাৰ দায়িত্বত থকা প্রধান সেনাপতিয়ে ল'ৰ', দলৈসকলৰ সহায়ত ৰাজকার্য ভালদৰেই পৰিচালনা কৰিব পাৰিছে। ইমানদিনে কনচাৰীয়ে ভাবি আছিল আৰিমত্ত আৰু গোভাত স্থায়ীভাৱে থাকিবলৈ নাহে। ৰাজ্য বিস্তাৰৰ সোৱাদ যি ৰজাই এবাৰ লাভ কৰিছে সেই ৰজা জানো এখন ৰাজ্য অধিকাৰ কৰি ৰৈ যায়? বিজয়াকাংক্ষা জানো ইমান সহজতে স্তিমিত হ'ব পৰা আকাংক্ষা? আৰিমত্ত আৰু আগবাঢ়ি যাব। কনচাৰীয়ে জানে। কনচাৰীয়ে প্রবলপ্রতাপী প্রতাপচন্দ্রৰ বিজয়তৃষ্ণা ওচৰৰ পৰা দেখিছিল। আৰিমত্ত প্রতাপচন্দ্রৰেই পুত্র। প্রতিপালনৰ পৰিবেশে জানো উঘালি পেলাব পাৰে শোণিতত মিহলি হৈ থকা ৰণতৃষ্ণা? বিজয়কাংক্ষা? সম্পূর্ণৰূপে? নোৱাৰে। আৰিমত্তক দেখি সেই কথা উপলব্ধি কৰিছে কনচাৰীয়ে।

অৱশ্যে আৰিমত্ত প্রতাপচন্দ্র নহয়।

তাৰ ওপৰত গোভাৰ মাটিৰো প্রভাৱ আছে। সেয়েহে হয়তো আৰিমত্তই গোভাত থাকিয়েই কমতাৰ শাসন চলাই যোৱাৰ ইচ্ছা প্রকাশ কৰিছে। আৰিমত্তই কনচাৰীলৈ এখন সুদীর্ঘ পত্র প্রেৰণ কৰিছে। দুই-এদিনতে গোভা পাবহি আৰিমত্ত।

'ৰাণীদেউ।'

সাধুকুমাৰৰ মাতত চ'ৰাঘৰত অপেক্ষা কৰি থকা কনচাৰী যেন টোপনিৰ পৰা সাৰ পাই উঠিল।

কনচাৰী উঠিল। দুয়ো দুয়োকো অভিবাদন জনোৱাৰ পিচত কনচাৰীয়ে ক'লে—

'আপুনি কেনে আছে গোভাৰজা?'

'হঠাৎ এই প্রশ্ন? মোক খুববেছি বুঢ়াযেন লাগিছে নেকি ৰাণীদেউ?' সাধুকুমাৰে হাঁহি উঠিল।

'গোভা ৰজাই আজিকালি দেখিছো কথা ঘুৰাবলৈও শিকিলে।' কনচাৰীয়ে হাঁহিলে।

'নিৰুপায়ত অনেক কথাই শিকিব লাগে ৰাণীদেউ। কেনে আছো বুলিলে উত্তৰ দিয়া টান। মোৰ কথা এৰক ৰাণীদেউ। চামাদিত বঢ়া মানুহ। ৰ'দে পুৰি টান কৰা দেহা। কিন্তু আপুনি জানো ৰ'দত ওলাই পাইছিল? গোভাৰ ৰ'দে আপোনাক পোৰা দেখিলে কষ্ট পাওঁ। অতদূৰ বাট হাতীত আহিল। জাপিয়েনো কিমান ছা দিব?' 'আপুনি ক্লান্ত হৈ পৰা যেন লাগিছে। অলপ সময় জিৰণি লৈ খোৱা-বোৱা কৰক। পিচে নিজেই আগভাগ ল'ব লাগিব। উদঙীয়া ৰাজানঃ। মাৰ্গি খামছামাই নাই।'

কনচাৰীয়ে সাধুকুমাৰলৈ চালে। তাৰ পিচত ক'লে—

'ফামাহাদেৰক আপুনি দয়া-মমতা নাইকিয়া ঈশ্বৰ বুলি ভাবে নেকি গোভাৰজা?'

'নাভাবো। কিয়?' সামান্য আচৰিত হৈ সুধিলে সাধুকুমাৰে।

'ফামাহাদেৰৰ নামত শপত খাই শপত ভাঙিব নোৱাৰি জানো গোভাৰজা? যদি হঠাতে মন বেয়া লাগি শপত খায়?'

'পাৰি। কিন্তু লালুঙে শপত নাভাঙে। হঠাতে মন বেয়া লাগি খোৱা শপতো নাভাঙে।'

'আনে সেই শপতত কষ্ট পালেও নাভাঙে?'

'যি শপত খালে মংগল হয়— সেই শপতত কষ্ট পোৱা উচিত নহয় ৰাণীদেউ।'

'কাৰ মংগল হৈছে গোভাৰজা? আৰিমত্তৰ? সি ৰজা হ'বলৈ পাইছে? এয়াইতো? ৰজা নহ'লেও সি জানো এই ৰাজ্যত কষ্ট পালেহেঁতেন? এই ৰাজ্য জানো প্ৰতাপপুৰৰ দৰে? মই গোভাত ভৰি থোৱাৰ পৰা আপোনাৰ জীৱনটো খেলিমেলি হৈ গ'ল গোভাৰজা। ভাবিলে মই বৰ কষ্ট পাওঁ।' কনচাৰীয়ে বিষাদেৰে ক'লে।

'আপোনাৰ ডাঙৰ মন। সেয়েহে তেনেকৈ কৈছে। এই ৰাজানঃত এজনীও মাৰ্গি খামছামাই নাই। কাৰণ মোৰ পত্নী নাই। তাতকৈ বেছি একো নহয়। মই কি ভাবো,— নাই— ভবা কথা ক'বলৈ হ'লে ফুৰিমছৰ ঘৰ পাবগৈ। আলহী কোঠালৈ বলক ৰাণীদেউ। জিৰাই লওক। মই ভিতৰমাঝিক মাতি দিছো— সকলো তদাৰক কৰিব।'

কনচাৰীক কথা কোৱাৰ সুযোগ নিদি সাধুকুমাৰ ওলাই আহিল।

ওলাই আহিল নহয়। পলাই আহিল।

অন্তত তেনে যেনেই লাগিল কনচাৰীৰ। নিঃসংগ সাধুকুমাৰৰ অপসৃয়মান শৰীৰটোলৈ চাই থকা কনচাৰীয়েও নিৰুপায় বিষাদৰ হুমুনিয়াহটো নিজৰ ভিতৰতে সামৰি থৈ ক্লান্ত খোজেৰে বাহিৰচ'ৰাৰ পৰা ওলাই আহিল। কিছুসময় জিৰণি লৈ খোৱা-বোৱা কৰি আকৌ বাহিৰচ'ৰালৈ আহিল কনচাৰী। অপেক্ষা কৰি থকা সাধুকুমাৰৰ মুখামুখি হৈ বহিল।

'আপুনি হঠাৎ আহিল? কি কথা ৰাণীদেউ?' সাধুকুমাৰে সুধিলে।

'কোনো কথা নাথাকিলে মই আহিব নোৱাৰো নেকি গোভাৰজা?' কনচাৰীয়ে হাঁহিলে।

'আপুনি মোক আঘাত দি ৰং চাব খুজিছে নহয় ৰাণীদেউ?' হাঁহিলে সাধুকুমাৰেও।

'আপোনাক আঘাত দিয়াৰ সাধ্য মোৰ নাই গোভাৰজা। মই প্ৰকৃততে এটা বিশেষ কথা আলোচনা কৰিবলৈ আহিছো।'

'কওকচোন।'

'আৰিমত্তৰ এখন পত্ৰ পাইছো। সি বেতনাত ৰাজধানী আৰু গড় এটা গঢ়ি তুলিছে। উন্মোচনৰ বাবে আপোনাক আৰু মোক লৈ যাবলৈ আহিব বুলি কৈছে। দুই-এদিনতে পাবহি।'

'ভাল কথা। কিন্তু এইবাৰ তাক ভালদৰে বুজাই ক'ব লাগিব— আৰু ৰাজ্য বহলোৱাৰ কোনো প্ৰয়োজন নাই। বেতনাত কাৰোবাক কৰতলীয়া ৰজা পাতি থৈ সি গ্লোভালৈ উভতি আহক। বিয়া-বাৰু কৰাই ইয়াতে থাকি ৰাজ্য চলাওক।'

'সি তেনে ইচ্ছাই প্ৰকাশ কৰিছে। কিন্তু ইয়াত থাকিলেও সি ৰাজ্য বিস্তাৰৰ কাম কৰিয়েই থাকিব। কিয় যে এনে হ'ল। কমতালৈ অভিযানত যাওঁতেই বুজাইছিলো। নুবুজিলে।'

'বুজিব ৰাণীদেউ। বয়স ক'ম। এই বয়সত বহুত ডাঙৰ কাম কৰিবলৈ মন যায়েই। বিয়া-বাৰু পাতি দিলে ঘৰত মন বহিব।'

'এইটো কথা ময়ো ভাবিছো। এইবাৰ সি আহিলে বিয়াৰ কথা ক'ম বুলিও ভাবিছিলো। কিন্তু আজি পুৱা ল'ৰ' ই মোক দেখা কৰিবলৈ আহিছিল। তেওঁৰ কথা শুনি কি কৰো ভাবি উলিয়াব নোৱাৰি আপোনাৰ ওচৰলৈ লগে লগে গুচি আহিলো।'

'কি কথা ক'লে ল'ৰ'ই?' আচৰিত হৈ সুধিলে সাধুকুমাৰে।

'এটা বৰ আচৰিত কথা ক'লে গোভা ৰজা। খলাৰ ৰাণী গংগাৱতীৰ লগত আৰিমত্তৰ বোলে মনৰ বুজাবুজি হৈছে।'

'মৃগাংকৰ? গংগাৱতীৰ লগত? ক'ত শুনিলে ল'ৰ'ই?'

'অনেকেই জানিছে বোলে। কলংপাৰৰ কোনোবা এখন গাঁৱৰ দলৈয়ে ল'ৰ'ক গোচৰ দিছে বোলে। গোচৰ দিলে ল'ৰ'ইতো বিচাৰ কৰিব লাগিবই।'

'লাগিব। দলৈসকলৰ কথা ৰজায়ো শুনিব লাগে। ৰজাই মইমতালি কৰিব নোৱাৰে। ল'ৰ'য়ো গোচৰ পালে বিচাৰ কৰিব লাগিব।'

'কথাটো বেয়া হ'ল গোভাৰজা। ল'ৰ'ই কৈছে বিচাৰত গংগাৱতী আৰু আৰিমত্ত

উপস্থিত থাকিব লাগিব। ল'ৰা'ই আৰিমত্তলৈ পত্ৰ লিখিবলৈ কৈ গৈছে। তেওঁ কৈছে— সমাজে কথাটোত খুব বেয়া পাইছে। খলাৰ ৰাণীৰ কুল আৰু আপোনাৰ কুল বোলে একে। সঁচা নেকি গোভা ৰজা?'

'সঁচা ৰাণীদেউ। কিন্তু মৃগাংক আৰু গংগাৱতীৰ যদি সঁচাকৈয়ে মনৰ মিল হৈছে তেওঁলোকৰ মনত জানো দুখ নহ'ব? তেওঁলোকে নিশ্চয় একে কুলৰ বুলি নাজানিহে আগবাঢ়িছে। গংগাৱতীক মই জানো ৰাণীদেউ। তাই বৰ বুজন খৰ্লা। বিদ্যাৱতীও। মৃগাংক অৱশ্যে অলপ জেদী। কিন্তু ভালকৈ ভাবি চাবলৈ হ'লে মৃগাংকতো আমাৰ কুলৰ ল'ৰা নহয়। এই কথা সমাজক বুজাই ক'লে সমাজৰ নিশ্চয় আপত্তি নাথাকিব।'

'এই কথা উচিত কথা নহ'ব গোভাৰজা। সমাজ মাতি তাক আপুনি নিজৰ কুললৈ, নিজৰ সন্তান বুলি তুলি লৈছে। গোভাৰ দৰে বিশাল ৰাজ্য এখনৰ তাক ৰজা পাতিছে। তাক ৰজা পাতিব বুলিয়েই আপুনি সংসাৰ নাপাতিলে। এতিয়া সি মনত দুখ পাব বুলিয়েই এই সকলো কথা পাহৰি যাব পাৰি জানো গোভাৰজা? পুৰণি কথাৰ যুক্তিৰে সমাজৰ নিয়ম ভংগ কৰাটো মই অপৰাধ হ'ব বুলি ভাবো গোভাৰজা।'

'মৃগাংক বৰ জেদী ৰাণীদেউ। মনত দুখ পালে সি কি কৰে ঠিক নাই।' সাধুকুমাৰে চিন্তিতভাৱে ক'লে।

'আপুনি তাক বহুত মৰম কৰে কাৰণেই তেনেকৈ ভাবিছে গোভাৰজা। চামাদিত ডাঙৰ হৈছে সি। সমাজৰ নিয়মবোৰ সি ভালকৈ জানে। তাৰ পিচতো যদি সি নিয়ম ভাঙিব পাৰে বা অন্য কিবা কৰে তেতিয়া তাৰ বাবে দুখ কৰিবলগীয়া একো নাথাকে গোভাৰজা। আৰু এটা কথা— মই এই সমাজক নিজৰ বুলি গ্ৰহণ কৰিছো। তাক এই সমাজৰ হাতত তুলি দিছো। কোনোদিন তাক পুৰণি কথাবোৰ জানিবলৈ দিয়া নাই। এতিয়া মাজবাটত মই তাক নতুন পৰিচয় দিব নোখোজো।'

'কিন্তু এদিনতো তাক সঁচা কথাবোৰ ক'বই লাগিব ৰাণীদেউ।'

'কিয় ক'ব লাগিব গোভাৰজা? মোক কওক— কিয় ক'ব লাগিব? ৰজা প্ৰতাপচন্দ্ৰৰ শোণিত তাৰ গাত আছে। আৰু কি আছে প্ৰতাপচন্দ্ৰৰ? পৃথিৱীৰ পোহৰ নেদেখাৰ পৰাই এই ঠাইৰ মাটিয়ে তাক সাৰ-পানী যোগাইছে। তাক বাঢ়ি উঠিবলৈ সমাজ দিছে। তাক পৰিচয় দিছে। সম্মান দিছে। মোকো দিছে। নিদিয়া হ'লে? নিদিয়া হ'লে ক'ত থাকিলহেঁতেন সি? ক'ত থাকিলোহেঁতেন মই?'

কনচাৰীৰ আৱেগত ৰঙা পৰা উত্তেজিত মুখলৈ অবাক হৈ চাই আছে সাধুকুমাৰে। এনে ৰূপত তেওঁক কোনোদিন দেখা নাই সাধুকুমাৰে। মায়াপুৰৰ ঘাটত যেতিয়া গোভাৰ নাৱত উঠি বহিছিল চন্দ্ৰপ্ৰভা, তাৰ পিচত প্ৰতাপচন্দ্ৰৰ প্ৰসংগ তেওঁ মাত্ৰ

এবাৰেই উত্থাপন কৰিছিল। ক্ষত বিক্ষত কৰিছিল সাধুকুমাৰক। তাৰ পিচত আৰু কোনোদিন এই প্ৰসংগ উত্থপিত হোৱা নাই। কোনোদিন তেওঁ মন মাৰি থকা নাই। কোনো ক্ষোভ, কোনো ঘৃণা প্ৰকাশ কৰা নাই। তাৰ সলনি অলপ অলপকৈ নিজৰ ৰূপান্তৰ ঘটাইছে কনচাৰীয়ে। আলসুৱা, শোকাৰ্ত চন্দ্ৰপ্ৰভাৰ পৰা গম্ভীৰ, মৰমীয়াল কনচাৰীলৈ। কনচাৰী হৈ নিজক উজাৰি দিছে এই সমাজৰ কাৰণে।

'কওঁক গোভাৰজা— মনে মনে থাকিলে নহ'ব।' কনচাৰীয়ে কৈ উঠিল।

'কি কম ৰাণীদেউ— আপুনি জনাবুজাখিনিয়েই মোৰো জনাবুজা কথা। কিন্তু মৃগাংকৰ এই পৰিচয়ৰ আঁৰত লুকাই থকা পৰিচয়টোও সঁচা ৰাণীদেউ।'

'সঁচা। কিন্তু অৰ্থহীন। কিয় অৰ্থহীন আপুনি জানো নাজানে গোভাৰজা? আপুনি জানো মোক বিনাদোষত, দোভাগ ৰাতি, অচিনাকি এজাক ডেকাল'ৰাৰ লগত নাৱত তুলি খেদি দিয়া দেখা নাছিল? আপুনি দেখা নাছিল সেই দেশত মোৰ ঠাই ক'ত আছিল?'

'দেখিছিলো ৰাণীদেউ। সেই কথা মনত পৰিলে এই বয়সতো মোৰ গাৰ তেজ উতলি উঠে।'

'উঠিবই। আপুনি যে মানুহ। আপুনিতো প্ৰতাপচন্দ্ৰৰ দৰে বৰ্বৰ নহয়। মই দুখন সমাজ আৰু দুটা ৰাজগৃহ খুব ভালদৰে দেখিছো গোভাৰজা। এই দুখন সমাজ আৰু দুখন ঘৰ তুলনা কৰিলে নিজৰ অতীত পৰিচয়ৰ লাজত মোৰ মৰি যাবলৈ মন যায়।' কনচাৰী ৰ'ল। সাধুকুমাৰে একো নক'লে। ক'বলগীয়া একো নাছিল। অলপ সময় ৰৈ কনচাৰীয়ে আকৌ ক'লে—

'প্ৰতাপপুৰৰ ৰাজকাৰেঙত মই বহুত সুখত আছিলো গোভাৰজা। ইয়াতকৈ বহুত সুখ-সুবিধা পাইছিলো। প্ৰতাপচন্দ্ৰই মোক বহুত মৰম কৰিছিল। মোক তেওঁ অনবৰতে কাষত থকাতো বিচাৰিছিল। মোৰ ৰূপ-গুণৰ কথা কৈ কৈ তেওঁৰ হেঁপাহ নপলাইছিল। মই নিজকে প্ৰতাপচন্দ্ৰৰ ৰাণী হোৱা কাৰণে খুব ভাগ্যৱতী বুলি ভাবিছিলো। মই নিজকে প্ৰতাপপুৰৰ ৰাণী বুলি গৰ্ব অনুভৱ কৰিছিলো। কিন্তু এটা সামান্য ঘটনাত, সেই সকলোবোৰ সঁচা—মিছা হৈ গ'ল। বিনা দোষত, কোনো কথা কোৱাৰ সুযোগ নিদি তেওঁ মোক খেদি দিলে। মোৰ কথা এবাৰো নাভাবিলে। এয়া কেনে ধৰণৰ আত্মীয়তা গোভাৰজা? প্ৰকৃততে মই আছিলো প্ৰতাপচন্দ্ৰৰ খেলৰ পুতলা। খং উঠি তেওঁ পুতলাটো দলিয়াই দিলে। তাৰ পিচত তেওঁ হেজাৰ অনুতাপ কৰিছিল। কিন্তু সেই অনুতাপৰ মূল্য কি গোভাৰজা? তেওঁৰ খণ্ডৰ কাৰণ মই বুজো। তেওঁৰ মনৰ অৱস্থাৰ কথাও বুজো। সেয়ে মই তেওঁৰ প্ৰতি কোনো অভিমান মনত পুহি ৰখা নাই। সেই দিনবোৰ

এটা সপোন— এটা সুখ-দুখ মিহলি সপোন বুলি সামৰি পেলাইছো। পাহৰি যাবৰ চেষ্টা কৰিছো। এই সমাজলৈ অহাৰ আগতে নিজৰ মর্যাদা আৰু নিজৰ নিজা পৰিচয়ৰ কথা মই ভাবিব নাজানিছিলো। প্রতাপচন্দ্রৰ পত্নী হিচাপেই মই নিজক চিনিছিলো। জানিছিলো। সেই পতি-পত্নীৰ সম্পর্কৰ স্থায়িত্বৰ ওপৰত মোৰ গভীৰ বিশ্বাস আছিল। কিন্তু এটা সৰু আঘাতত যে এটা সম্পর্কৰ ভেঁটি এনেকৈ খহিব পাৰে মই কেতিয়াও ভবা নাছিলো। সেয়ে মই প্রথমতে স্তব্ধ হৈ গৈছিলো। প্রতাপচন্দ্রই মোক ক্ষমা খুজিবলৈ কৈছিল। মোক মাৰিছিল। মই ক্ষমা নুখুজিলো। কিয় খুজিম? যি অপৰাধ মই কৰা নাই সেই অপৰাধৰ কাৰণে ক্ষমা কিয় খুজিম। ক্ষমা খোজা হ'লে তেওঁ মোক আকৌ বুকুত সাৱটি ল'লেহেঁতেন। তেনেকৈ ওভতাই পোৱা ভাল পোৱা আৰু পৰিচয়ৰ মূল্য কি মই বুজি গৈছিলো গোভাৰজা। সেয়ে মই নির্বাসনদণ্ড মানি লৈছিলো। এই সমাজলৈ আহিহে মই নাৰীৰ নিজৰো যে অধিকাৰ আৰু মর্যাদা থাকিব পাৰে সেই কথা উপলব্ধি কৰিব পাৰিছিলো গোভা ৰজা। ইয়ালৈ আহি দেখিলো— এই সমাজত কোনো প্রতাপচন্দ্র থাকিব নোৱাৰে— এই সমাজত বিনাদোষত কোনেও কাকো আঙুলি এটাও টোঁৱাব নোৱাৰে। এই সমাজত ফাঁকি নাই। অবিশ্বাস নাই। ইয়াত নাৰীৰো ভৰিৰ তলত মাটি আছে। এই কথাবোৰ বুজা বাবেই আৰিমস্তক মই এই সমাজৰ হাতত তুলি দিছো গোভাৰজা। এই সমাজৰ নিয়ম সি মানিব লাগিব। এই সমাজৰ মাজতেই থাকিব লাগিব। প্রতাপপুৰৰ পৰিচয়েৰে তাক মই কেতিয়াও এই সমাজৰ গৰাকী হ'বলৈ নিদিওঁ।

কনচাৰীৰ কথাবোৰ গভীৰ মনোযোগেৰে শুনি থকা সাধুকুমাৰে কনচাৰীৰ চকুলৈ চকু তুলি চালে। তেওঁৰ চকুত উজ্জ্বলি উঠিল এক অপার্থিৱ ভালপোৱাৰ সুপ্রভা। খুব ধীৰ, খুব গভীৰ মাতেৰে ক'লে—

'মই বুজিছো ৰাণীদেউ। আপুনি ভাল-বেয়া বুজা মানুহ। আপুনি যি কৈছে সেয়াই সঠিক। কিন্তু মৃগাংকই জানো বুজিব? সি হয়তো গংগাৱতীক লৈ কমতালৈ গুচি যাব। এই সমাজেতো এই কুলৰ পৰিচয়েৰে গংগাৱতীৰ লগত বিয়া মানি নল'ব। সি ৰজা হৈয়ো থাকিব নোৱাৰিব। অৱশ্যে ইয়াত ৰজা হৈ নাথাকিলেও ক্ষতি নাই। সি নিজাকৈ এখন ৰাজ্য পাতিছে।'

'তেনে কাম সি নকৰিব বুলিও মই নাভাবো। জেদী ল'ৰা। যাক ভাল পায় তাক ভালেই পায়। সি সমাজ এৰি গুচি যাবও পাৰে। কিন্তু তেনেকৈ গুচি গ'লে মই এই সমাজত কেনেকৈ থাকিম? মইতো কেতিয়াও এই সমাজ এৰি নাযাওঁ গোভাৰজা। কোনেও হয়তো মোক একো নকয়— কাৰণ এজনে কৰা দোষৰ শাস্তি ইয়াত আনক

কোতয়াও নিদিয়ে। কিন্তু সকলোৱে মোৰ অতীত পৰিচয়ক ধিক্কাৰ দিব। সকলোৱে ক'ব— বিশ্বাসঘাটকতা আৰু সমাজবিৰোধিতাৰ বীজ মইেই এইখন সমাজলৈ কঢ়িয়াই আনিলো। কোনেও একো নক'লেও মই জানিম। মই কেনেকৈ সহিম গোভাৰজা? সহিব নোৱাৰিম। কেতিয়াও সহিব নোৱাৰিম। মই এই সম্পর্ক কেতিয়াও হ'বলৈ নিদিও। মই তাক বুজাম। সি নুবুজিলে মই গংগাৱতীক বুজাম।'

কনচাৰী উঠিল।

'মই যাও গোভাৰজা।'

তেতিয়া আবেলি হৈছিল। কোনো গা-ৰখীয়া নোহোৱাকৈ অকলে আহিছে কনচাৰী। হাতীৰে গ'লে পুৱতি নিশাহে পাবগৈ। ৰাতিটো ইয়াতে কটাই যাবলৈ কওঁ বুলিও ক'ব নোৱাৰিলে সাধুকমাৰে।

জানে—নাথাকে।

বাটলৈ আগবঢ়াই দি হাতীটো নেদেখা হোৱালৈ ৰৈ থাকিল সাধুকুমাৰ।

অকলে।

১৯

খলা ৰাজ্যৰ সীমাৰে বৈ যোৱা খলঙৰ পাৰৰ এডোখৰ নিৰ্জন ঠাইত শিল এটাৰ ওপৰত অকলে অকলে বহি আছে গংগাৱতী।

আজি গংগাৱতীৰ মুখত পোহৰ নাই।

মনত স্বস্তি নাই।

জীৱনত প্ৰথমবাৰ সত্য অসত্য, ভুল শুদ্ধৰ পথ-সন্ধিত থিয় হৈছে গংগাৱতী।

জন্মৰ পৰা যৌৱনলৈ সুদীৰ্ঘ পথছোৱাত কেতিয়াও এনেকৈ কোনো সংশয়ে বাট আগচি ধৰা নাছিল গংগাৱতীক। মসৃণ নহ'লেও সেই পথ আছিল পোন।

শৈশৱতে মাকক হেৰুৱাইছিল গংগাৱতীয়ে। খলাৰ ৰাজানঃত পিতৃ আৰু ধাতৃ এগৰাকীৰ তত্বাৱধানত ডাঙৰ হৈছিল গংগাৱতী।

পিতৃ ৰজাও এজন অত্যন্ত শান্ত আৰু মৰমীয়াল ব্যক্তি আছিল। গংগাৱতীক অসম্ভৱ মৰম কৰিছিল তেওঁ। ভৰ বয়সত পত্নীক হেৰুৱায়ো তেওঁ দ্বিতীয় বিবাহ কৰা নাছিল।

গংগাৱতীও আছিল পিতৃৰ দৰেই শান্ত। ধীৰ আৰু দাবীহীন। খলাৰ ৰাজানঃত কেতিয়াও কোনো উচ্চকণ্ঠ, কোনো বাদ-বিসম্বাদৰ শব্দ কোনেও কেতিয়াও শুনা নাছিল। খলাৰ ৰাজবিষয়াসকলৰ দায়িত্ববোধ আৰু আন্তৰিকতাৰ অভাৱ নাছিল। সেই ৰাজবিষয়াসকল আজিও আছে। পিতৃৰ মৃত্যুৰ পিচত খলাৰ ৰাণী হিচাপে দায়িত্বভাৰ লাভ কৰাৰ পিচত গংগাৱতীয়ে ৰাজ্য পৰিচালনাত কেতিয়াও কোনো অসুবিধাৰ সম্মুখীন হোৱা নাছিল। এতিয়াও মসৃণভাৱেই চলি আছে খলাৰ প্ৰশাসন।

নির্জন ৰাজানঃত ডাঙৰ হোৱা বাবেই হয়তো গংগাৱতী অন্তর্মুখী। গম্ভীৰ আৰু বিবেচক। কামৰূপৰ পৰা অহা আচার্যই দিয়া পাঠসমূহৰ, অস্ত্রচালনাৰ আৰু অন্যান্য প্ৰশিক্ষণৰ ব্যস্ততাৰো হয়তো এইক্ষেত্রত কিছু ভূমিকা আছে।

নিঃসংগতাৰ ভাবনাই গংগাৱতীৰ মনত শিপাবলৈ হয়তো কোনো সুৰঙাই পোৱা নাছিল। ৰাজ্য পৰিচালনা, পঢ়া-লিখা আৰু অস্ত্রচালনাৰ অনুশীলনৰ মাজতেই পাৰ হৈ গৈছিল দিনৰাতিবোৰ।

গংগাৱতী সুখী আছিল। সন্তুষ্টও।

মৃগাংকক লগ পোৱাৰ পিচত সেই সুখ আৰু সন্তুষ্টি আৰু অধিক গভীৰ হৈ পৰিছিল। মৃগাংকৰ লগত হৃদয়ৰ বান্ধোনত বান্ধ খাই পৰিবৰ সময়ত কোনো দ্বিধা সংশয়ে আমনি দিয়া নাছিল গংগাৱতীক।

এক পূৰ্বনির্দিষ্ট ঘটনাৰ দৰেই সাৱলীল পদক্ষেপেৰে যেন গংগাৱতীৰ জীৱনলৈ সোমাই আহিছিল মৃগাংক। পৰম আনন্দৰ টোহীন নৈৰে, ময়ূৰপংখী নাৱত উঠি গৈ থাকোতে গংগাৱতীয়ে কল্পনাও কৰা নাছিল এদিন দ্বিধাৰে ধুঁৱলী কুঁৱলী মোহনাত উপস্থিত হ'বগৈ গংগাৱতী।

তেনে অসম্ভৱ কল্পনাৰ প্ৰয়োজনেইবা আছিল ক'ত? মৃগাংকও তিৰাশা। গংগাৱতীও তিৰাশা। মৃগাংকও ৰাজ্যৰ অধিপতি। গংগাৱতীও।

কিন্তু গংগাৱতীক দ্বিধাৰ যন্ত্ৰণাৰে ক্ষত বিক্ষত কৰিবলৈ নভবা দিশৰ পৰা উৰি আহিল এপাট বিষাক্ত কাঁড়।

খলাৰ ৰাজানঃলৈ আহি প্ৰধান পুৰোহিতে কৈ গ'ল— গংগাৱতী আৰু মৃগাংক একে কুলৰ। পাঠ কৰি থৈ গ'ল গংগাৱতীৰ ভাগ্যলিপি।

একে কুলত বিবাহ প্ৰথাবিৰোধী।

সমাজৰ নিয়ম বিৰোধী।

অবৈধ।

অসম্ভৱ।

সেয়া বিচাৰ সভাৰ সিদ্ধান্ত নাছিল। কিন্তু বিচাৰসভাৰ সিদ্ধান্ত কি হ'ব পাৰে গংগাৱতীয়ে জানো নুবুজাকৈ আছিল! লৰৰ কথা শুনি গঙ্গা ৱতী প্ৰথমতে বজ্ৰাহত মানুহৰ দৰে নিথৰ হৈ গৈছিল। তাৰ পিচত প্ৰশাসকৰ গাম্ভীৰ্য আঁতৰাই ওলাই আহিছিল এক অস্থিৰ নাৰী।

'আপুনি ভুল কথা শুনিছে। আমি কেতিয়াও একে কুলৰ নহয়। হোৱা হ'লে মই নিশ্চয় জানিলোহেঁতেন। জেলাবাৰ'ক সুধিলেই জানিব। জেলাবাৰ'ক মই এতিয়াই আহিবলৈ ক'ম। তেওঁক সুধি লওঁক মাননীয় ল'ৰ'।'

'সুধিম। কিন্তু ইয়াত নহয়। বিচাৰ সভাত। নিয়ম। মই অভিযোগ পাইছো। বিচাৰ কৰিবলৈ বাধ্য। বিচাৰ সভালৈ আপোনাক মাতিবলৈ আহিছো। আলোচনা কৰাটো নিয়ম নহয়। আনৰ ক্ষেত্ৰত দোষ কৰা বুলি অভিযোগ পোৱাজনক মাতিবলৈ বাৰিকাক পঠিওৱা হয়। কিন্তু মই নিজেই আপোনাক মাতিবলৈ আহিছো। আপুনি খলাৰ ৰাণী। সম্মানীয়া। সমাজৰো মৰমৰ।' ল'ৰ'ই গম্ভীৰভাৱে কৈছিল যদিও তেওঁৰ কণ্ঠত ফুটি উঠিছিল গভীৰ আন্তৰিকতা।

'মই এতিয়া কি কৰা উচিত মাননীয় ল'ৰ'?' বহুত সময় মনে মনে বহি থাকি গংগাৱতীয়ে সুধিছিল।

'আপুনি বিচাৰ সভাত উপস্থিত থকা উচিত ৰাণীদেউ। আমাৰ সমাজৰ নিয়মবোৰ আপুনি জানেই। অভিযোগ পালে ৰজাৰ বিচাৰো সমাজে কৰিব পাৰে। কৰে। মই আপোনালোকৰ বিচাৰ কৰিবলৈ বাধ্য। সমাজতকৈ আপুনিও ডাঙৰ নহয়। ময়ো ডাঙৰ নহয়। বিচাৰ সভালৈ নগ'লে দলৈসকলে আপোনাক আঁতৰাই দিব। মোকো আঁতৰাই দিব যদি বিচাৰ নকৰো বুলি কওঁ। বিচাৰত কি হ'ব মই এতিয়াই ক'ব নোৱাৰো। সকলোৰে কথা শুনাৰ পিচতহে সিদ্ধান্ত ল'ব পাৰিম। কিন্তু এটা কথা ক'ব পাৰো একে কুলত বিবাহ নিষিদ্ধ। লালুং সমাজত এই নিয়ম কঠোৰভাৱে মানি চলা হয়।'

দ্বিধা-দ্বন্দ্ব অনিশ্চয়তাৰ অথাই সাগৰত গংগাৱতীক পেলাই থৈ প্ৰধান পুৰোহিত ল'ৰ' গুচি গৈছিল।

কালিলৈ বহিব বিচাৰ সভা। এই বিচাৰ সভা অৱশ্যে প্ৰাথমিক। প্ৰায় গোপন। কুলৰ বৰজেলা, চখাজেলা, হাড়ীকুঁৱৰীৰ লগত বহি ল'ৰ'ই বিচাৰ কৰিব। ৰাজহুৱা বিচাৰ পাতি গংগাৱতী আৰু মৃগাংকক হেয় কৰিব নিবিচাৰে ল'ৰ'ই। তেওঁলোক কুলৰ গৰ্ব। সমাজৰ হিতাকাংক্ষী শাসক। জনপ্ৰিয়। ৰজাৰ যোগ্য।

কিন্তু সমাজৰ বাহিৰত নহয়। ভিতৰত।

ৰাজ অধিকাৰেৰে সমাজক পদানত কৰাৰ শক্তি ৰজাসকলৰ নাই।

কাৰো নাই।

সেয়েহে এই প্ৰাথমিক বিচাৰ সভাৰ সিদ্ধান্ত লৈছে ল'ৰ'ই। প্ৰথমতে জানি ল'ব লাগিব কথাটো কিমান সঁচা। আৰিমত্ত আৰু গংগাৱতীৰ সম্পৰ্ক প্ৰণয়জনিত হয়নে নহয়। তাৰ পিচত আহিব কুলৰ প্ৰশ্ন। যদি একেকুলৰ বুলি আৰু তেওঁলোকৰ সম্পৰ্ক প্ৰণয়জনিত বুলি প্ৰমাণিত হয় তাৰ পিচতহে আহিব সিদ্ধান্তৰ প্ৰশ্ন।

সিদ্ধান্ত অৱশ্যে এটাই।

সম্পৰ্ক ভাঙি পেলাব লাগিব আৰিমত্ত আৰু গংগাৱতীয়ে। সমাজক ভোজভাত খুৱাই প্ৰায়শ্চিত্ত কৰিব লাগিব। অন্যথাই সমাজে তেওঁলোককক এঘৰীয়া কৰিব। কাঢ়ি ল'ব ৰাজ্যাধিকাৰ। সমাজ এৰি, ৰাজত্ব এৰি গুচি যাব লাগিব আৰিমত্ত আৰু গংগাৱতী।

এই নিয়ম আৰু সিদ্ধান্তৰ কথা গংগাৱতীয়ে জানে।

হয়তো আৰিমত্তয়ো জানে।

লালুঙৰ সমাজত ডাঙৰ-দীঘল হোৱা কোনেনো নাজানে?

গংগাৱতী অস্থিৰ হৈ পৰিছে। আৰিমত্তক হেৰুওৱাৰ আশংকাত।

আজি আৰিমত্ত কমতাৰ পৰা আহি পোৱাৰ কথা। কমতাৰ পৰা আহি গোভাৰৈ

যোৱাৰ আগতে খলাৰ ৰাজানঃত সোমাই গংগাৱতীক দেখা কৰি যোৱাৰ কথা আগতীয়া পত্ৰত জনাই দিছে আৰিমত্তই।

কিন্তু আৰিমত্ত উপস্থিত হোৱাৰ আগতেই অতি বিশ্বস্ত হাতীমাউতজনক লৈ ৰাজানঃৰ পৰা গধুলিৰ এন্ধাৰত ওলাই আহিছে গংগাৱতী। কোনেও নজনাকৈ। বাটতে আৰিমত্তক লগ ধৰি খলঙৰ পাৰলৈ লৈ আহিবলৈ খলাৰ পশ্চিম সীমাত বিশ্বাসী গাৰখীয়া এজনক ৰৈ থাকিবলৈ পঠিয়াই দিছে।

অনেক দিনৰ মূৰত আজি আৰিমত্তক দেখিব গংগাৱতীয়ে। কালিলৈকে এই মুহূৰ্তটোৰ কাৰণে অধীৰ হৈ অপেক্ষা কৰি আছিল গংগাৱতীয়ে। সুদীৰ্ঘ বিৰতিৰ মূৰত আৰিমত্তক লগ পোৱাৰ আনন্দত পোহৰ হৈ উঠিছিল বিৰহকাতৰ মনটো।

ল'ৰ'ই আহি সকলোবোৰ খেলিমেলি কৰি থৈ গ'ল। ভাঙি থৈ গ'ল সপোনবোৰ।

এতিয়াও ল'ৰ'ৰ কথাবোৰ অবাস্তৱ যেন লাগি আছে গংগাৱতীৰ। মিছা যেন লাগি আছে।

আজি ৰাতিপুৱালৈকে কেতিয়াও কাৰো মুখত খলাৰ ৰাজপৰিয়াল আৰু গোভাৰ ৰাজপৰিয়াল একেটা কুলৰ বুলি শুনা নাছিল গংগাৱতীয়ে।

ক'বওনো কোনে?

পৰিয়াল বুলিবলৈ কোননো আছে গংগাৱতীৰ?

এজাক মাৰ্‌গি খাম্‌ছামাইৰ লগত খলাৰ ৰাজানঃত গংগাৱতীয়ে অকলে বাস কৰে। কুলৰ উৎসৱ অনুষ্ঠানবোৰলৈও গংগাৱতী নাযায়। সময়ো নাপায়। আগ্রহো অনুভৱ নকৰে। অবিবাহিতা ছোৱালী আৰু ৰাণী কাৰণে কোনেও কথাটোত বৰকৈ দোষো নধৰে। সেই কাৰণেই কেতিয়াও কাৰো পৰা গোভাৰ ৰাজপৰিয়ালৰ লগত থকা সম্পৰ্কৰ কথা জানিবলৈ নাপালে গংগাৱতীয়ে।

জনা হ'লে?

জনা হ'লে কি কৰিলেহেঁতেন গংগাৱতীয়ে? আৰিমত্তৰ প্রস্তাৱ প্রত্যাখ্যান কৰিলেহেঁতেন? উপেক্ষা কৰিলেহেঁতেন আৰিমত্তৰ সর্বগ্রাসী আহ্বানক?

জনা হ'লে কি কৰিলেহেঁতেন আৰিমত্তই? হৃদয়ক উপেক্ষা কৰি, সমাজৰ নিয়মৰ ওচৰত নতশিৰ হৈ ভালপোৱা নামৰ পবিত্র দেশ এখনৰ দুৱাৰমুখৰ পৰা উভতি গ'লহেঁতেন?

নিজক প্রশ্ন কৰি কৰি উত্তৰ, বিচাৰি বিচাৰি ভাগৰি পৰিছে গংগাৱতী।

আজি আৰিমত্ত আহিব।

গংগাৱতীক লগ পাবলৈ অধীৰ হৈ পৰা আৰিমত্ত।

অতদিনৰ মূৰত উভতি অহা আৰিমত্তক এই অশুভ বার্তা কোনোসতে জনাব

গংগাৱতীয়ে? কোনসতে নিথৰ কৰি পেলাব আনন্দ উৎসাহত টগবগাই কঁপতাৰ পৰা উভতি অহা আৰিমত্তক?

কিন্তু নক'লেও যে নহ'ব।

কালিলৈ দুপৰীয়া বিচাৰ সভা বহিব।

তাত উপস্থিত থাকিব লাগিব আৰিমত্তও। গোভাৰ প্ৰধান ৰাজানঃত বাস কৰা মাকক আৰিমত্তৰ উপস্থিতিৰ নিৰ্দেশ দি আহিছে বুলি ল'ৰ'ই গংগাৱতীক কৈছিল। আৰিমত্তৰ কেনে প্ৰতিক্ৰিয়া হ'ব সেই কথা গংগাৱতীয়ে সঠিককৈ নাজানে। কিন্তু কিছু ধাৰণা কৰিব পাৰে। দীৰ্ঘদিনীয়া সম্পৰ্কৰ মাজে মাজে হোৱা অন্তৰংগ সাক্ষাৎবোৰত গংগাৱতীয়ে আৰিমত্তক আকোঁৱগোজ, অতি আৱেগিক, উচ্চাকাংক্ষী, উদাৰ আৰু দুৰ্বাৰ সাহসী ৰূপ ভালদৰেই দেখা পাইছে। কি কৰিব এতিয়া গংগাৱতীয়ে? কি কৰা উচিত?

খলঙৰ নিৰ্জন তীৰত অকলে অকলে বহি থকা গংগাৱতী অস্থিৰ হৈ উঠিছে ভিতৰে ভিতৰে। অতিবিশ্বস্ত হাতীমাউতজনে হাতীটো কিছু দূৰৈৰ গছ এজোপাত হাতীটো বান্ধি ৰৈ আছে।

গংগাৱতী বহি থকা ঠাইৰ পৰা দেখা নাযায়।

আৰিমত্তৰ ঘোঁৰাৰ শব্দ শুনি মাউতজন থিয় হ'ল।

গংগাৱতীয়ে পঠিয়াই দিয়া গা-ৰখীয়া সৈন্যজনক পিচত বহুৱাই অকলে আহিছে আৰিমত্ত। খলাৰ পশ্চিম সীমাত ৰৈ থাকিবলৈ কৈ আহিছে লগত অহা সৈন্য, বিষয়া আৰু খামছামাইসকলক।

খলাৰ সীমাত ৰৈ থকা গা-ৰখীয়াজনে দিয়া, গংগাৱতীয়ে লিখা পত্ৰখন পঢ়ি কিছু আচৰিত হৈছিল আৰিমত্ত। চিন্তিতও হৈছিল।

গংগাৱতী শাৰীৰিক সান্নিধ্যৰ কাৰণে উতলা হৈ পৰিব পৰা তৰাং মনৰ নাৰী নহয়। গংগাৱতীৰ মাজত শৰীৰসর্বস্ব কোনো নাৰীক কেতিয়াও দেখা নাই আৰিমত্তই। আজি তেনেহ'লে খলঙৰ নিৰ্জন নদীতীৰলৈ কিয় মাতিছে আৰিমত্তক? কি এনে কথা আছে— যি কথা খলাৰ ৰাজানঃত ক'ব নোৱাৰি?

কিবা বিপদত পৰিছে নেকি গংগাৱতী? ব্যক্তিগত কোনো বিপদ?

ৰাজনৈতিক বিপদ হোৱাটো সম্ভৱ নহয়। ৰাজনৈতিক বিপদ হোৱা হ'লে খলাৰ সুৰক্ষিত ৰাজানঃৰ পৰা বাহিৰলৈ নগ'লহেঁতেন গংগাৱতী।

চিন্তিত আৰিমত্তই আহি আহি বান্ধি থোৱা হাতীটো দেখি ৰ'ল। থিয় হৈ থকা হতীমাউতজনে অভিবাদন জনাই গংগাৱতী ৰৈ থকা দিশলৈ আঙুলিয়াই দিলে। গা-ৰখীয়াজন তাতেই এৰি অকলে আগবাঢ়ি গ'ল আৰিমত্ত।

'মৃগাংক।'

শিলছটাৰ পৰা আঁতৰি আহি গংগাৱতীয়ে আৰিমত্তক মাতিলে। নৈপাৰৰ এন্ধাৰত ৰৈ থকা গংগাৱতীৰ ওচৰলৈ আগবাঢ়ি গ'ল আৰিমত্ত।

গংগাৱতী থিয় হৈ আছিল। মনৰ গভীৰত উত্তাল হৈ উঠিছে অবিমিশ্ৰ ভালপোৱা। উত্তাল হৈ উঠিছে অনিশ্চয় ভৱিষ্যতৰ শংকা। পথহীনতাৰ যন্ত্ৰণা। সংশয়ৰ মহাসিন্ধু।

বাহিৰত শান্ত হৈ আছে গংগাৱতী। ধুমুহাৰ আগৰ প্ৰকৃতিৰ দৰে শান্ত।

আৰিমত্ত ওচৰ চাপি গ'ল। একমুহূৰ্ত গংগাৱতীৰ চকুলৈ চাই থাকি দুহাতেৰে কান্ধত হাত থ'লে আৰিমত্তই। গভীৰ আৱেগেৰে কৈ উঠিল—

'আইনঃ।'

গংগাৱতীয়ে একো কোৱা নাই। চকুপানীৰ গধুৰ মেঘ এচপৰাই ঢাকি ধৰিছে গংগাৱতীৰ চকুযোৰ। অনেক কথাৰ ভীৰে ৰুদ্ধ কৰি তুলিছে কণ্ঠ।

আৰিমত্তই দুহাতেৰে কান্ধত ধৰি থাকিয়েই গংগাৱতীলৈ কিছুসময় চাই থাকিল। তাৰ পিচত কোনো কথা নোকোৱাকৈ গংগাৱতীক বুকুত মাজলৈ চপাই আনিলে। গংগাৱতীৰ তিৰতিৰকৈ কঁপি থকা ওঁঠলৈ নামি আহিল আৰিমত্তৰ আৱেগতপ্ত ওঁঠযোৰ। বান্ধ ভাঙিযোৱা মৰমত উটি গ'ল আৰিমত্ত আৰু গংগাৱতী।

দীৰ্ঘ অদৰ্শনে অশান্ত কৰি তোলা আৰিমত্তক বাধা দিয়াৰ শক্তি গংগাৱতীৰ নাছিল। দ্বিধা, সংশয়, অনিশ্চয়তাক জয় কৰি তেতিয়া গংগাৱতীৰো শৰীৰ আৰু মন অধিকাৰ কৰি পেলাইছিল দুৰ্বাৰ ভালপোৱাই।

আৰিমত্ত যেতিয়া সুস্থিৰ হ'ল তেতিয়া আকাশত জোন ওলাইছে। মৰা জোনৰ শেঁতা পোহৰত গংগাৱতীক বুকুৰ মাজত আকোঁৱালি ধৰি থাকিয়েই খোল খাই যোৱা চুলিত মুৰ গুজি আৰিমত্তই গভীৰ মাতেৰে ক'লে—

'কোৱা আইন' — তোমাৰ কথা কোৱা— কেনেকৈ কটালা ইমানবোৰ দিন? ইমানবোৰ নিশা? খুব কষ্ট হৈছিল?'

'হৈছিল মৃগাংক। বহুত কষ্ট হৈছিল। বহুত কষ্ট। কিন্তু আৰু যে তাতোকৈ বহুত বেছি কষ্টই আমালৈ বাটচাই আছে মৃগাংক।' বহুত সময় স্তব্ধ হৈ বহি থাকি গংগাৱতীয়ে গভীৰ বিষাদেৰে কৈ উঠিল।

'আৰু বহুত কষ্ট? কি কষ্ট আইন'?' গংগাৱতীৰ মুখখন নিজৰফালে ঘুৰাই মৰাজোনৰ শেঁতা পোহৰত চকুত চকু থৈ আচৰিত হৈ সুধিলে মৃগাংকই।

'ক'ম মৃগাংক। ক'ম বুলিয়েই ইয়ালৈ মাতি আনিছো।'

বান্ধ ভাঙি পেলাব খোজা চকুপানীৰ ঢলটো সামৰি ৰাখিবৰ চেষ্টা কৰি কৰি গংগাৱতী ভাগৰি পৰিছে। অস্থিৰ হৈ উঠিছে সীমাহীন যন্ত্ৰণাত।

গংগাৱতীৰ চুলিত সচল হৈ থকা আৰিমত্তৰ আঙুলিবোৰ নিথৰ হৈ গ'ল। একমুহূর্ত অবাক হৈ ৰৈ থাকি আৰিমত্তই সুধিলে—

'কি হৈছে তোমাৰ আইন'? কি কষ্টৰ কথা ক'ব খুজিছা তুমি? কি সমস্যা হৈছে?'

'মোৰ হোৱা নাই মৃগাংক। আমাৰ হৈছে।'

আৰিমত্তৰ বুকুৰ মাজত মুখ থৈ নিঃশব্দ কান্দোনত ভাগি পৰিল গংগাৱতী। বিস্মিত আৰিমত্তই গংগাৱতীক দুহাতেৰে সাৱটি ধৰি নিৰ্বাক হৈ ৰৈ থাকিল।

গংগাৱতীয়ে কান্দিছে। ঢলহৈ বাগৰি অহা চকুপানীত তিতি গৈছে আৰিমত্তৰ মেজাংকৰি সূতাৰে বোৱা চোলাটো। এটা সময়ত গংগাৱতী কিছু সুস্থিৰ হোৱাৰ পিচত নিজৰ উত্তৰীয়খনেৰে গংগাৱতীৰ চকুপানী মচি দি মুখামুখিকৈ বহি আৰিমত্তই ধীৰ মাতেৰে ক'লে—

'কোৱা এতিয়া আইন'— কি ঘটনা ঘটিছে। মাজবাটৰ পৰা মোক ইয়ালৈ মাতি আনিলা কিয়?'

গংগাৱতীয়ে মূৰতুলি চালে। অশ্রুৰ বৰষুণত তিতি তিতি এটা এটাকৈ কৈ গ'ল সকলো কথা।

গংগাৱতীয়ে কোৱা প্রতিটো শব্দই একোপাট বিষ লগা কাঁড় হৈ শালি ধৰিছে আৰিমত্তক।

নিৰ্বাক, নিথৰ দৃষ্টিৰে গংগাৱতীলৈ চাই আছে আৰিমত্তই। যেন শিল হৈ গৈছে আৰিমত্ত।

একে কুলৰ মাজত সম্পর্ক হ'লে কি পৰিণতি হয় আৰিমত্তই জানে। এতিয়া কি কৰিব আৰিমত্তই? কি কৰিব? কি কৰা উচিত?

সমাজৰ বিচাৰ মানি গংগাৱতীক ত্যাগ কৰিব? ভোজভাত খুৱাই প্রায়চিত্ত কৰিব? নে সমাজ ত্যাগ কৰি, ৰাজ্য ত্যাগ কৰি গুচি যাব গংগাৱতীক লৈ?

গংগাৱতী অবিহনে জীয়াই থাকিব পাৰিবনে আৰিমত্ত? সঁচাকৈ জীয়াই থকাৰ দৰে? হৃদয়ৰ প্রাপ্য ত্যাগ কৰি সমাজৰ প্রাপ্য আদায় দিবনে?

সমাজৰ নিয়ম আৰু হৃদয়ৰ দাবী এই দুটাৰ ভিতৰত কোনটো বাচি ল'ব আৰিমত্তই? কোনটো নহ'লে অধিক অন্ধকাৰ হৈ পৰিব আৰিমত্তৰ জীৱন?

গংগাৱতীয়ে কান্দিছে। শব্দহীন কান্দোনৰ ঢৌবোৰে আৰিমত্তৰ বুকুত খুন্দিয়াইছে। আৰিমত্ত যেন ভাগি-ছিগি থান-বান হৈ পৰিব খুজিছে।

নৈপাৰৰ এন্ধাৰত, মৰাজোনৰ শোঁতা পোহৰত, গভীৰ ৰাতিৰ নির্জনতাত গংগাৱতীক বুকুত লৈ বহি আছে আৰিমত্ত। হাবিৰ পৰা ৰৈ ৰৈ ভাহি আহিছে সুগৰি পহুৰ মাত। জিলিৰ মাত। ৰাতি জগা চৰাইৰ মাত। বহুত সময়, হয়তো অনন্তকাল

গংগাৱতীক বুকুৰ মাজত লৈ বহি থাকিল আৰিমত্ত। তাৰ পিচত গংগাৱতীৰ মুখখন দুহাতেৰে তুলি লৈ গম্ভীৰ আৰু আবেগগভীৰ মাতেৰে, প্ৰতিটো শব্দ স্পষ্টভাৱে উচ্চাৰণ কৰি সুধিলে—

'খাবু— মোক কোৱা— এই সমাজ এৰি, মাত্ৰ মোৰ লগত থাকিব পৰাকৈ তুমি মোক ভাল পোৱানে?'

আৰিমত্তই কি ক'ব খুজিছে গংগাৱতীয়ে বুজিছে। মুহূৰ্তলৈ দ্বিধাগ্ৰস্ত হৈ পৰিল গংগাৱতী।

জন্ম হোৱাৰে পৰা আজিলৈকে যিখন সমাজৰ পৰা এটা দিনৰ কাৰণেও আঁতৰি থকা নাই, সেই সমাজৰ পৰা চিৰদিনলৈ আঁতৰি থাকিব পাৰিবনে গংগাৱতী? বুজা হোৱাৰে পৰা জানি অহা, মানি অহা নিয়মবোৰ অৱজ্ঞা কৰি একে কুলৰ আৰিমত্তৰ লগত শুচি যাব পাৰিবনে?

যদি নাযায়?

ভোজভাত খুৱাই প্ৰায়চিত্ত কৰি আপোন সমাজখনত জীয়াই থকাৰ অধিকাৰ পাব গংগাৱতীয়ে। কিন্তু সেই জীৱনত থাকিবনে জীয়াই থকাৰ তৃপ্তি? মনৰ মানুহৰ লগত সংসাৰ কৰাৰ সুগভীৰ সন্তুষ্টি?

আৰিমত্তহীন জীৱনৰ কথা যে কল্পনাও কৰিব নোৱাৰে গংগাৱতীয়ে। সুদীৰ্ঘ দুবছৰীয়া অদৰ্শনে সেই কথা তিলতিলকৈ বুজাই দিছে গংগাৱতীক।

নোৱাৰে।

আৰিমত্তক বাদ দি জীয়াই থাকিব নোৱাৰে গংগাৱতীয়ে।

অসম্ভৱ।

গংগাৱতীৰ মুখখন দুহাতৰ মাজত লৈ চকুত চকু থৈ সুধিছে আৰিমত্তই—

'আইন, কোৱা— কি কৰিবা তুমি? কুলৰ কথা নজনাকৈ ইমানদূৰ আগবাঢ়ি আহিলো। ইমানদিনে নিজৰ ভালপোৱাকে সঁচা বুলি জানি আহিছিলো। আজি কুল একে বুলি জনাৰ লগে লগে আমি জনা সঁচাবোৰ মিছা হৈ যাব নেকি? শেষ হৈ যাব নেকি মৰমবোৰ? মই তোমাক এৰি জীয়াই থাকিব নোৱাৰিম আইন'। তুমি পাৰিবা খাবু? কোৱা পাৰিবা?'

আবেগৰ বানে উটুৱাই লৈ যাব খুজিছে গংগাৱতীক। ভালপোৱাৰ উত্তাপত গলি যাব খুজিছে সমাজৰ বৰফচেঁচা হাতৰ পৰশত গোটমাৰি যাব খোজা সপোনবোৰ।

'আইন'— কোৱা মোক এৰি থাকিব পাৰিবা? পাৰিবা? কোৱা— কোৱা'

আবেগত ব্যাকুল হৈ পৰা আৰিমত্তৰ চকুৰ পৰা চকু আঁতৰাই দুহাতেৰে আৰিমত্তৰ হাত দুখন দুগালৰ পৰা আঁতৰাই তাৰ ওপৰত মুখ থৈ আকৌ এবাৰ কান্দোনত ভাগি

পৰিল গংগাৱতী।

'নোৱাৰো— মৃগাংক— নোৱাৰো।'

গংগাৱতীক বলিষ্ঠ বাহুৰে সাবটি ধৰিলে আৰিমত্তই। সমাজৰ দুইকুল উটুৱাই লৈ গ'ল ভালপোৱা নামৰ স্রোতস্বতী নৈ এখনৰ বানে। খহাই লৈ গ'ল নিয়মৰ থিয় গৰা।

এটা সময়ত গংগাৱতীক বাহুবন্ধনৰ পৰা মুক্ত কৰি দি সিদ্ধান্তত দৃঢ় কণ্ঠেৰে আৰিমত্তই ক'লে—

'সমাজ বহক। বিচাৰ হওঁক। সঁচা ক'ম। এটা কথাও নুলুকুৱাও। কিন্তু সমাজৰ বিচাৰ নামানো। আমি বৈদ্যগড়লৈ গুচি যাম। আৰু কেতিয়াও এই সমাজলৈ উভতি নাহো। কালিলৈ ৰাতি মোৰ কাৰণে য'ত দেহ-ৰখীয়াজনক থাকিবলৈ দিছিলা তাতেই ৰৈ থাকিবা। মই গোভাৰ পৰা আহি তোমাক লৈ বৈদ্যগড়লৈ গুচি যাম। এতিয়া ব'লা। ৰাতি পুৱাবৰ হৈছে। তাৰ আগতেই ৰাজানঃলৈ উভতি যোৱা। তোমাক আগবঢ়াই দি মই মাৰ ওচৰলৈ যাম।'

বিশ্রস্ত কেশবাস সামৰি লৈ গংগাৱতী আৰিমত্তৰ লগত হাতী আৰু ঘোঁৰা বন্ধা ঠাইলৈ আগবাঢ়ি গ'ল।

বনকুকুৰাই তেতিয়া শেষ প্রহৰৰ ডাক দিছিল।

২০

আবেলিৰ গোভা।

বহুদিন হ'ল ৰৰষুণ নোহোৱা।

পথাৰবোৰ শুকাই গৈছে। শুকাই গৈছে গছ-বন। তলিৰ শিল দেখাকৈ নামি গৈছে কলং কপিলী। সঁজাল ধৰিব খোজা ধাননিবোৰে হেৰুৱাই পেলাব ধৰিছে সেউজীয়া ৰঙৰ উজ্বলতা।

সেই বিবর্ণ হৈ পৰিব ধৰা বিস্তীর্ণ ধাননিৰ মাজেৰে, ধূলিয়ৰি ৰাজপথৰ ধূলি উৰুৱাই তীব্র বেগেৰে ঘোঁৰা চেকুৰাই গৈ আছে আৰিমত্ত। দেহৰক্ষীসকলৰ ঘোঁৰাবোৰে আৰিমত্তৰ ঘোঁৰাৰ লগত তাল মিলাবলৈ গৈ ভাগৰি পৰিছে।

টানহাতেৰে লেকাম ধৰি, ৰূপৰ জীমবন্ধা ঘোঁৰাটো চলাই যোৱা আৰিমত্তৰ মুখখন ৰঙচুৰা হৈ আছে ক্রোধ আৰু উত্তেজনাত। সমগ্র দিনৰ অপমানজনক ঘটনাৱলীয়ে, মাকৰ লগত হোৱা বিতর্কই, মনত জন্ম হোৱা প্রচণ্ড জেদ আৰু সিদ্ধান্তৰ দৃঢ়তাই কঠিন কৰি তুলিছে আৰিমত্তৰ সোণবৰণীয়া তেজাল মুখখন।

চিৰদিনৰ কাৰণে এই সমাজ এৰি, গোভাৰ সাম্রাজ্য এৰি সুদূৰ কমতালৈ গুচি যাবলৈ ওলাই আহিছে আৰিমত্ত।

মাকৰ পৰা আৰিমত্তৰ বিদায় লোৱা নহ'ল। আৰিমত্ত ওলাই অহাৰ আগতেই মাক ওলাই গৈছিল গোভাৰ ৰাজানঃৰ পৰা। হয়তো আমচাই মার্জঙত বাস কৰা আৰিমত্তৰ দেউতাকৰ ওচৰলৈ।

কোনো সমস্যা উপস্থিত হ'লেই সাধাৰণতে মাকৰ এনেকৈ দেউতাকৰ ওচৰলৈ যোৱা আৰিমত্তই দেখিছে। মাক-দেউতাক কিয় একেলগে নাথাকে আৰিমত্তই নাজানে। কিন্তু তেওঁলোকৰ মাজত যে কোনো বিৰোধ নাই সেই কথা আৰিমত্তই ভালদৰেই জানে। হয়তো বৃহৎ গোভা ৰাজ্যৰ প্রশাসনৰ সুচলভাৱে পৰিচালনা কৰিবলৈয়ে পৃথক পৃথক ৰজানঃতবাস কৰে মাক-দেউতাকে।

ৰাজ্য শাসনত মাকে দেউতাকৰ সমানেই অংশগ্রহণ কৰা দেখি অহা কাৰণেই এই যুক্তিয়েই বিশ্বাসযোগ্য যেন লাগে আৰিমত্তৰ। ৰাজ্যৰ মংগলৰ কাৰণে নিজকে

যেন উৰ্চগা কৰিছে মাক-দেউতাকে। গুৰুত্বহীন হৈ পৰিছে স্বামী-স্ত্ৰীৰ সম্পৰ্ক।

আৰিমত্ত তেনে হ'ব নোৱাৰে।

ইমান আত্মত্যাগী পুৰুষ নহয় আৰিমত্ত।

নিজৰ ৰাজ্য, নিজৰ মানুহৰ প্ৰতি আৰিমত্ত দায়বদ্ধ। কিন্তু এই দায়বদ্ধতাই শেষ কথা নহয়। নিজৰ জীৱনৰ দাবীসমূহক অস্বীকাৰ কৰি ৰাজ্য, ৰাজত্বক আগমাত বুলি গ্ৰহণ কৰাৰ মানসিকতা আৰিমত্তৰ নাই।

আৰিমত্তক গংগাৱতীৰ প্ৰয়োজন।

এই নাৰী অবিহনে আৰিমত্তৰ জীৱন অৰ্থহীন হৈ পৰিব।

সেই কথা মাকক স্পষ্ট ভাষাৰে কৈছিল আৰিমত্তই। মাকৰ কোনো যুক্তি শুনা নাছিল। কৈছিল—

'ল'ৰ'ই মোক বিচাৰ সভালৈ মাতিছে। যাম। কিন্তু যি কথা সঁচা তাকেহে ক'ম। আমি জানি-শুনি ভুল কৰা নাই। কুল একে হ'লেও আমি দুৰৰ। পৃথিৱীত প্ৰথমতে বেলেগ বেলেগ কুল হিচাপে মানুহৰ জন্ম হৈছিল নেকি? কোন ক'ৰ পৰা আহিছে কোনে জানে মা?'

'তোৰ কথা সঁচা। কিন্তু আমি এতিয়া সমাজ পাতি বাস কৰো। সমাজখন ভালেৰে চলিবলৈ আমি কিছুমান নিয়ম মানি চলিব লাগে। তই আৰু গংগাৱতী সমাজৰ আগশাৰীৰ মানুহ। তহঁতেই যদি নিয়ম ভাঙ সমাজ কেনেকৈ চলিব?' মাকে কৈছিল।

'আগতে জনা হ'লে নিয়ম নাভাঙিলোহেঁতেন মা। আমি ইমান হীন নহয়। কিন্তু একো নজনাকৈ আমি আগবাঢ়ি গৈছো। কেনেকৈ পিছুৱাই আহো? আৰু নিয়মনো কি মা? নিয়মবোৰ ভাঙি ভাঙিহে নতুন নিয়ম হয়।

মাকৰ লগত দীঘলীয়া বিতৰ্কত সোমাই পৰিছিল আৰিমত্ত। তাৰ পিচত মাক ওলাই গুচি গৈছিল। তেতিয়া ৰাতিপুৱা হৈছিল।

মাক ওলাই যোৱাৰ বহুত পিচত আৰিমত্তও ওলাই আহিছিল কুলৰ নুবাৰ'ত বহা বিচাৰ সভালৈ।

গংগাৱতী ইতিমধ্যে আহি পাইছিল। নুবাৰ'ৰ চোতালত তলমূৰ কৰি বহি আছিল গংগাৱতী। আৰিমত্তলৈ এবাৰো চোৱা নাছিল। অলপ পিচত আহি পাইছিল দেউতাক সাধুকুমাৰ। দেউতাকক দেখি মাকৰ কাৰণে চিন্তা হৈছিল আৰিমত্তৰ। মাক ক'লৈ ওলাই যাব পাৰে ভাবি পোৱা নাছিল।

অলপ পিচতে আৰম্ভ হৈছিল বিচাৰ সভা। বিচাৰ সভাৰ কথাবোৰ— গংগাৱতীৰ চকুৰ পানীৰে ভিজা মুখখনে আৰিমত্তৰ বুকুলৈ যেন কঢ়িয়াই আনিছিল প্ৰকৃতিৰ ৰণচণ্ডী ৰৰদৈচিলা। তচনচ কৰি পেলাইছিল যুক্তি-বিবেচনাৰ নিয়াৰিকৈ সজোৱা বাগিচা।

সঁচা কথা কৈছিল আৰিমত্তই।

গংগাৱতীয়ে।

ৰৱজেলা, গংগাৱতী আৰু আৰিমত্তৰ লগতে সাধুকুমাৰৰ কথা শুনাৰ পিচত ল'ৰ'ই সিদ্ধান্ত ঘোষণা কৰিছিল।

'একে কুলত বিবাহ নিষিদ্ধ। এই সম্পৰ্কও নিষিদ্ধ। এই সম্পৰ্ক ত্যাগ কৰিব লাগিব। সমাজৰ নিয়মৰ ওপৰত কোনো নহয়। সমাজৰ জেওৰা ভঙাৰ তাতী ভঙাৰ অধিকাৰ কাৰো নাই। এই অপৰাধৰ বাবে কুলৰ মুখিয়ালসকলক ভোজভাত খুৱাই প্ৰায়চিত্ত কৰিব লাগিব। হাতীৰ ওপৰত মাউত দি অৰ্থাৎ বটাত পাণৰ ওপৰত তামোল দি সমাজত সেৱা ল'ব লাগিব। কুলৰ মুখিয়ালসকলৰ বাহিৰে ভোজলৈ কাকো মতা নহয়। যিমান পাৰি গোপনে ৰখা হ'ব। কুলৰ ভিতৰুৱা কথা যাতে বাহিৰলৈ নোলায় সেই কথা মনত ৰাখি সকলো কাম কৰা হ'ব।'

ল'ৰ'ই দীঘলীয়া বক্তব্যৰে বিচাৰ শেষ কৰিছিল। ল'ৰ'ৰ বিচাৰৰ ওপৰত মাত মতাৰ অধিকাৰ কাৰো নাই। ৰজাৰো নাই।

আৰিমত্তই একো কোৱা নাছিল।

গংগাৱতীয়েও।

গংগাৱতীয়ে কি ভাবিছিল আৰিমত্তই নাজানে। কিন্তু আৰিমত্তৰ মনত বিচাৰ সভাৰ সিদ্ধান্ত আৰু যুক্তিৰ বিপৰীতে অনেক যুক্তিৰ কটা-কটি চলি আছিল।

নুবাৰ'ৰ পৰা সাধুকুমাৰৰ লগত প্ৰধান ৰাজানঃলৈ উভতি আহোতে আৰিমত্তই ভাবিছিল—

'সমাজৰ ওপৰত মানুহ নাই। সমাজৰ ওপৰত ঈশ্বৰতো আছে। যদি নাই ফুৰিমছৰ দেৱতাক কিয় পূজা কৰে এই সমাজৰ মানুহে? কিয় ফুৰিমছৰ দেৱতাক সকলো দেৱ-দেৱীতকৈ শ্ৰেষ্ঠ বুলি বাবে? ফুৰিমছৰ দেৱতায়োতো চিনি নাপাই নিজৰ কন্যাৰ লগত সম্পৰ্ক কৰিছিল। ইমান ডাঙৰ অপৰাধ কৰাৰ পিচতো চতুৰ্দিশৰ গৰাকী চাৰি ভায়ে সকলো দেৱতাৰ উপস্থিতিৰে আয়োজন কৰা বৰসভাত কিয় গ্ৰহণ কৰিছিল লাজত আত্মগোপন কৰ থকা ফুৰিমছৰ দেৱতাক। বৰসভালৈ নাহো বুলি কোৱা ফুৰিমছৰ দেৱতাক কিয় বুজাই-বঢ়াই মাতি আনিছিল? কিয় বিচাৰ কৰি শাস্তি দিয়া নাছিল? প্ৰায়শ্চিত্তৰ বিধান দিয়া নাছিল? ফুৰিমছৰ দেৱতাৰ পোহৰ আৰু উত্তাপ নাপালে গছ-বন মৰি যাব কাৰণে? খেতি-বাতি নহ'ব কাৰণে? স্বাৰ্থত?

ফুৰিমছৰ দেৱতাই কন্যাৰ লগত সম্পৰ্ক হোৱাৰ কাৰণে লাজত লুকাই থকাৰ কাৰণে পৃথিবীত পোহৰ নোহোৱা হৈছিল। ৰ'দৰ তাপ নাপাই পৃথিৱী শীতল হৈ গৈছিল। বন-বিৰিখ, শইচ-কঠীয়া মৰি যাব ধৰিছিল। মানুহ-দুনুহ, জীৱ-জন্তু, মাছ-কাছ

মৰি যাব ধৰিছিল। সেই কাৰণেই ফুৰিমছৰ দেৱতাক নিজৰ প্ৰয়োজন আৰু স্বাৰ্থত সমাজৰ নিয়মৰ পৰা বাদ দিছিল নেকি চাৰি ভাই বিচাৰকে? ফুৰিমছৰ দেৱতাক মাতি আনিবলৈ পঠোৱা লাংঠা লাংঠি ৰাজা নামৰ কুকুৰা দুটাই কিয় ফুৰিমছৰ দেৱতাক এনে সম্পৰ্ক তেনেই সাধাৰণ ঘটনা বুলি কৈছিল?

আৰিমত্তইতো ইমান ডাঙৰ অপৰাধ কৰা নাই।

নিজৰ কুলৰ বুলি নাজানি এজনী ছোৱালীক ভালপাইছে মাত্ৰ। জনা হ'লেতা এই সম্পৰ্ক কেতিয়াও নকৰিলেহঁতেন আৰিমত্তই।

তেওঁতো সমাজ বিৰোধী নহয়।

কিন্তু এজনী ছোৱালীক মন উজাৰি ভাল পাই সমাজৰ নিয়মৰ আগত মূৰ দোৱাই পিচুৱাই আহিবনে আৰিমত্ত?

কিয় আহিব?

ৰাজ্য আৰু সমাজৰ বৰ মানুহ হৈ থাকিবলৈ কিয় ত্যাগ কৰিব গংগাৱতীক?

নকৰে।

ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি, চাৰি ভাই চাৰি কৰাৰ ওপৰত বিশ্বাস ৰাখি এই সমাজ এৰি গংগাৱতীক লৈ শুচি যাব আৰিমত্ত। সুদূৰ বৈদ্যগড়ত গংগাৱতীৰ লগত সংসাৰ পাতিব। গোভাৰ দৰে বিশাল ৰাজ্য এখন তাত নিজৰ শক্তিৰে গঢ়ি তুলিব আৰিমত্তই। এই সিদ্ধান্তৰ কথা দেউতাক সধুকুমাৰক জনাই থৈ আহিছে আৰিমত্তই।

দেউতাকে মাকৰ দৰে যুক্তিৰ ভেটা বান্ধি আৰিমত্তৰ বাট ভেঁটিবলৈ চেষ্টা কৰা নাই। প্ৰধান ৰাজানঃৰ বাহিৰ চ'ৰাত বহি আৰিমত্তৰ সকলো কথা মন দি শুনাৰ পিচত দেউতাকে মাত্ৰ কৈছে—

'তুমি সৰু ল'ৰা নহয়। তুমি এজন ৰজা। নিজৰ যুক্তি আৰু বিবেচনাৰে যি সিদ্ধান্ত লৈছা মই তাৰ বিৰোধিতা নকৰো। কিন্তু এখন ৰাজ্য আৰু সমাজ এৰি তুমি গংগাৱতীক লৈ যাবলৈ ওলাইছা। গংগাৱতীৰ দায়িত্ব তোমাৰ। তাইক ভালদৰে ৰাখিবা। ভুল-শুদ্ধৰ বিচাৰ মই কৰিবলৈ নাযাওঁ। কিন্তু এটা কথা কওঁ— তোমাক নেদেখাকৈ মই হয়তো থাকিব পাৰিম— কিন্তু তোমাৰ মাই জানো পাৰিব? তোমাৰ বাহিৰেনো তেওঁৰ কোন আছে?'

'আপুনি আছে নহয় দেওৰাজা। আপুনি থাকিলে মই নাথাকিলেও একো নহয়। মইতো মৰিবলৈ যোৱা নাই। বৈদ্যগড়ত মই সুখে-শান্তিৰে থাকিম। মই সুখে-শান্তিৰে থাকিলে আপোনালোকৰ দুখ হ'ব নেকি দেওৰাজা?'

আৰিমত্তৰ প্ৰশ্নৰ উত্তৰ দিয়া নাছিল সাধুকুমাৰে।

আৰিমত্তই মাত্ৰ তেওঁৰ চকুযোৰ চলচলিয়া হৈ যোৱা দেখিছিল।

ওলাই আহিবৰ পৰত অকলে অকলে থিয় হৈ থকা দেউতাকৰ বিষাদভৰা মুখখন দেখি মনটো বিষাদেৰে ভৰি উঠিছিল আৰিমত্তৰ। মমতাৰে ভৰি উঠিছিল। কিন্তু সেই মমতা আৰু বিষাদ আৰিমত্তৰ সিদ্ধান্তৰ শিপা উঘালি পেলাব পৰাকৈ শক্তিশালী নাছিল।

ঘোঁৰাত উঠি গোভা ত্যাগ কৰি ওলাই আহোতে আৰিমত্তই জোৰ কৰি মনৰ পৰা জোকাৰি পেলাইছিল সমস্ত দুৰ্বলতা।

কাৰো কথা নাভাবে আৰিমত্তই।

কাৰো কথা।

গংগাৱতীক বাদ দি জীয়াই থকাটো আৰিমত্তৰ বাবে সম্ভৱ নহয়।

ৰাজ্য যাওঁক।

সমাজ যাওক।

পিতৃ-মাতৃ সকলো থাকি যাওঁক অতীত হৈ।

গংগাৱতীক নিজৰ কৰি পাবই লাগিব আৰিমত্তই।

বুকুৰ আমঠু কাঢ়ি লৈ গ'লে মানুহ জানো জীয়াই থাকিব পাৰে?

ৰাতিৰ এন্ধাৰ লহে লাহে গভীৰ হৈ আহিছে। আৰিমত্ত খলাৰ পশ্চিম সীমাত নির্দিষ্ট সোণাৰু গছজোপাৰ ওচৰ পায়হি মানে ৰাতি দুপৰ হৈছিল।

নির্দিষ্ট ঠাইডোখৰত উপস্থিত হৈ আৰিমত্ত ঘোঁৰাৰ পৰা নামিল।

সোণাৰুৰ হালধীয়া পাহিবোৰে গছৰ তলত যেন হালধীয়া আন্থ্লা এখনহে পাৰি থৈছে। ফুলৰ ভৰত পাত নেদেখা হোৱা গছজোপাৰ গাত ঘোঁৰাটো বান্ধি আৰিমত্ত বাটৰ মাজত থিয় হ'লহি। পিচে পিচে অহা ঘোঁৰাবোৰৰ খুৰাৰ মিলিত শব্দই ৰাতিৰ নির্জনতা থানবান কৰি পেলাইছে।

গভীৰ নিদ্রাত মগ্ন দুয়োপাৰৰ গাঁৱৰ মানুহবোৰে সাৰ পাই উৎকর্ণ হৈ ঘোঁৰাৰ শব্দ শুনিছে।

এই অঞ্চলত ঘোঁৰাৰ ব্যৱহাৰ নাই বুলিলেই হয়। হাতীয়েই দূৰণিবটীয়া যাত্রাৰ বাহন। ওচৰ-পাঁজৰলৈ যাবলৈ হ'লে খোজ কাঢ়িয়েই যোৱা হয়। ৰজাঘৰীয়া আৰু উচ্চপদস্থ বিষয়াসকলৰ তিৰোতাবোৰে আজিকালি দোলা ব্যৱহাৰ কৰিবলৈ লৈছে যদিও দোলাত উঠি সুচল নাপায়। সৰু সৰু নৈ, জান-জুৰি, খাল-বিলেৰে ভৰি থকা অঞ্চলটোত হাতীয়েই আটাইতকৈ সুচল বাহন। ভৰবাৰিষাত জান-জুৰিবোৰ পানীৰে উপচি পৰিলে ঘাটুৱৈবোৰে একড়ি-দুকড়ি লৈ বাটৰুৱাক নাৱেৰে পাৰ কৰি দিয়ে। সৰু সৰু সাকোঁৰেও পাৰ হয়। এডলীয়া বাঁহৰ সাকোঁৰেও অনায়াসে পাৰ হৈ যাব পাৰে

গাঁৱৰ মানুহবোৰ।

এতিয়া নৈ-বিল শুকাই গৈছে।

শুকোৱাৰ বতৰ নহয়।

ভয়ানক খৰাঙত শুকাই গৈছে।

সেয়েহে ঘোঁৱাৰে আহিব পাৰিছে আৰিমত্ত। নহ'লে ঘাটুৱৈক জগাই জগাই এটা এটাকৈ ঘোঁৱাবোৰ পাৰ কৰি আহোঁতে আহোঁতে ৰাতি পুৱাই গ'লহেঁতেন।

কলং, কপিলী, ধনশিৰি, যমুনাৰ মাজৰ কোনো ৰজাৰেই ঘোঁৱা নাই। সাধাৰণ প্রজাৰ থকাৰতো প্রশ্নই নুঠে। পশ্চিমৰ পৰা অশ্বশক্তি থকা কোন ৰাজশক্তিয়ে আজিলৈকে খলা আৰু ডিমৰুৱাত ভৰি থোৱা নাই। ঘোঁৱাত অহা লোক মানেই আৰিমত্ত।

সাৰ পাই উৎকর্ণ হৈ উঠা মানুহবোৰ আকৌ শুই পৰিছে।

আৰিমত্ত নিশ্চয় কমতালৈ উভতি গৈছে।

আৰিমত্ত যে কমতাত থাকে সেই কথা নজনা কোনো নাই। থাকিবইবা কেনেকৈ?

আৰিমত্ততো গোভাৰেই যুৱৰাজ নহয়। কুমৈ বঘৰাৰো ৰজা। অনুগত ৰাজ্যৰসমূহৰ ভবিষ্যতৰ অধিকাৰী। সকলোৰে মৰমৰ। শ্রদ্ধাৰ। খলা, ডিমৰুৱা, নেলীৰো আশা-ভাৰসাৰ থল। কমতাৰ পৰা কিমান নতুন কথা শিকি আহিছে আৰিমত্তই। কমতাৰ পৰা মানুহ পঠিয়াই পঠিয়াই কত কি গঢ়ি তুলিছে। কমাৰ জানৰ লো আওটালি নতুন নতুন অস্ত্র, নতুন নতুন খেতিৰ সঁজুলি আৰু ক'ত কি যে গঢ়ি তুলিছে। নতুন নতুন শইচৰ বীজ আনিছে। খেতিৰ নতুন নতুন পদ্ধতি শিকাইছে। যোৱা বছৰত কাকতি ফৰিঙৰ জাকে খেতিপথাৰৰ গাখীৰ হোৱা ধানবোৰ খাই খাই শেষ কৰিব ধৰোতে আৰিমত্তই পঠিয়াই দিয়া বনপাতৰ ৰস ছটিয়ায়েইতো দুর্ভিক্ষৰ পৰা ৰক্ষা পৰিছিল মানুহকেইষ। আৰিমত্তক ভাল নোপোৱাকৈ, আৰিমত্তৰ বাতৰি নোলোৱাকৈ থকা যায়নে?

বাটৰ মাজত থিয় হৈ মৰাজোনৰ ক্ষীণ পোহৰত ইফালে-সিফালে চালে আৰিমত্তই। বাটৰ দুয়োকাষে বিস্তীর্ণ পথাৰ। পথাৰৰ মাজে মাজে গাঁওবোৰ। টোপনিত নিটাল মাৰি থকা গাওঁবোৰ আৰু বিবর্ণ হৈ পৰিব ধৰা ধাননিবোৰ মৰাজোনৰ ক্ষীণ পোহৰত বিষাদত বুৰ গৈ থকা যেন লাগিছে। বাটত থিয় হৈ অন্যমনস্কৰ দৰে গাঁওবোৰলৈ চাই থাকিল আৰিমত্তই।

গংগাৱতী ইয়ালৈকে আহিব।

ইয়াৰ পৰা একেলগে কমতালৈ গুচি যাব আৰিমত্ত। ব্রহ্মপুত্রৰ দক্ষিণৰ নীলাচল পাহাৰত থকা মা কামাখ্যাৰ মন্দিৰত পূজা দি স্বামী-স্ত্রীৰ বান্ধোনত বান্ধ খাব আৰিমত্ত আৰু গংগাৱতীয়ে। তাৰ পিচত নৈ পাৰ হৈ গুচি যব বৈদ্যগড়লৈ। বহুত সময় অন্যমনস্কভাৱে বৈ থাকি আৰিমত্তই আকাশলৈ চালে।

মৰাজোন লাহে লাহে উজ্জ্বল হৈ আহিবলৈ আৰম্ভ কৰিছে।

নিশা বহুত হ'ল।

আৰিমত্ত চিন্তিত হৈ পৰিল।

এতিয়াও কিয় আহি পোৱা নাই গংগাৱতী? ইমান পলম হোৱাৰ কথাতো নাছিল। ক'ৰবাত কিবা বাধা পাইছে নেকি গংগাৱতীয়ে? গুচি যাব বুলি গম পাই তেওঁক বন্দী কৰি থৈছে নেকি খলাৰ ৰাজনঃত? প্ৰধান সেনাপতি আৰু দলৈসকলে?

যিমানে সময় পাৰ হৈ গৈ থাকিল সিমানেই অস্থিৰ হৈ উঠিল আৰিমত্ত।

উভতি যাব নেকি খলাৰ ৰাজানঃলৈ?

চাব নেকি কি হৈছে?

যদি গংগাৱতীক বন্দী কৰি থৈছে— সেই বন্দিত্বৰ পৰা মুক্ত কৰি অনাৰ শক্তি আৰিমত্তৰ আছে। তেওঁৰ লগত এতিয়াও আছে ৰণত সুদক্ষ এজাক গা-ৰখীয়া সৈন্য।

ওচৰৰ গাঁওবোৰৰ পৰা মানুহৰ মাত-কথা শুনা গৈছে। আৰিমত্ত সতৰ্ক হৈ উঠিল। এন্ধাৰ হৈ থকা গাওঁবোৰত অত-ত'ত জ্বলি উঠিছে নাহৰৰ গুটি। সৰিয়হ তেলৰ বত্তী।

আৰিমত্ত ইয়াত ৰৈ থকা বুলি জানিছে নেকি গাঁৱৰ মানুহবোৰে? গছৰ তলত ৰৈ থকা সৈন্য দলটো দেখি সতৰ্ক হৈ উঠিছে নেকি চামাদিৰ পাম্থাইবোৰ? নে খলাৰ সৈন্যবোৰে পথৰুৱা বাটেৰে আহি আগচি ধৰিব খুজিছে আৰিমত্তক?

আৰিমত্তৰ গা-ৰখীয়া সৈন্যবোৰ সতৰ্ক হৈ উঠিল। জোনৰ পোহৰত চিক্‌মিকাই উঠিল সৈন্যসকলে খাপৰ পৰা উলিয়াই লোৱা অস্ত্ৰবোৰ।

তেনে সময়তে ওচৰৰ গাঁও এখনৰ ঘৰ এটাৰ চেতালত জ্বলি উঠিল কেইবাটাও মাটিৰ চাকি। জোনৰ পোহৰত এজাক মানুহৰ অস্পষ্ট অৱয়ৱ আৰিমত্তহঁতৰ চকুত পৰিল। আৰু কেইটামান মুহূৰ্ত্ত পিচতেই এজাক পুৰুষ কণ্ঠই সমস্বৰে গান গাই উঠিল।

'বায়ু ৰাজা বায়ু ৰাজা নখা পালাই লাবা।

আউ হৰল' নখা ফিদ ছাদালি ছিমাই লাৱা।'

আৰিমত্তৰ মনৰ পৰা বোজা এটা নামি গ'ল। হাতৰ অস্ত্ৰ নমাই সহজ হৈ থিয় হ'ল গাৰখীয়া সৈন্যবোৰ।

'নখা চাঙা কিত' গাইছে গাঁৱৰ ডেকা-বুঢ়াসকলে। গীত গাই গাই বৰষুণ মাতিছে।

আৰিমত্তৰ মুখত এটা চিনচিনি হাঁহি বিৰিঙি উঠিল।

চামাদিত থাকোতে এবাৰ এনেকৈ আহাৰ-শাওণ মাহত বৰষুণ হোৱা নাছিল। চামাদিৰ ডেকাসকলৰ লগত আৰিমত্তয়ো গাঁৱলৈ গৈ গৃহস্থ এঘৰৰ পৰা ঢেঁকী চুৰ কৰি আনি লুকুৱাই থৈছিল। ঢেঁকী নাপাই পিচদিনা গৃহিণীহঁতে পৰা গালিবোৰ শুনি আৰিমত্তহঁতে হাঁহি হাঁহি কিৰিলিয়াই উঠিছিল। সাত দিন পিচত হাতে হাতে কোৰ-

চিপৰাং আদি আৰু এঘৰ মানুহৰ পৰা খুজি অনা উৰল এটা লৈ গাঁৱৰ ঘৰে ঘৰে গৈছিল আৰিমত্তইঁত। ঘৰবোৰৰ চোতালত উৰলটো থৈ চাৰিওফালে ঘূৰি ঘূৰি নখা চাঙা কিত গাইছিল আৰু কোৰ, চিপ্ৰাং, নাঙলেৰে চোতালৰ মাটি খান্ধিছিল। ঘৰৰ মানুহবোৰে তেওঁলোকৰ গালৈ মৰা পানীৰে তিতি জুৰুলি-জুপুৰি হৈ গৈছিল আৰিমত্তইঁত।

সেই আনন্দ উত্তেজনাৰ টোৰোৰ যেন উভতি আহিছে স্মৃতিৰ মাজেদি। গাঁৱৰ মানুহবোৰে গাই থকা নখা চাঙা কিতৰ সুৰে ক্ষণিকলৈ পাহৰাই পেলাইছে সুদীৰ্ঘ সময়ছোৱাৰ সকলো অনুভূতি।

'দেওৰাজা।'

ভিতৰ মাঝিৰ মাত শুনি আৰিমত্তই ঘূৰি চালে।

'ৰাতি পুৱাবলৈ আৰু বেছি বেলি নাই। ৰাণীদেও দেখোন নাহিল।'

ভিতৰমাঝিৰ কথা শুনি সচকিত হৈ উঠিল আৰিমত্ত। প্ৰয়োজনতকৈ অধিক সময় পাৰ হৈ গ'ল। গংগাৱতী কিয় অহা নাই এতিয়াও? নহয়। এনেকৈ আৰু ৰৈ থাকিব নোৱাৰি। গংগাৱতীৰ নিশ্চয় কিবা বিপদ হৈছে। উভতি গৈ চাব লাগিব কি হৈছে। ঘোঁৰাটো খুলি খুলি আৰিমত্তই ক'লে—

'উভতি যাওঁ। ৰাণীদেওৰ নিশ্চয় কিবা বিপদ হৈছে। প্ৰয়োজন হ'লে খলাৰ ৰাজানঃ আক্ৰমণ কৰি তেওঁক উলিয়াই আনিম। ব'ল।'

ঘোঁৰাত উঠিল আৰিমত্ত।

খলাৰ ফালে যাবলৈ সাজু হ'ল গা-ৰখীয়া সৈন্যসকল। আৰু সেই মুহূৰ্ততে দূৰৈত এটা হাতীৰ অৱয়ব জোনাকৰ পোহৰত জিলিকি উঠিল।

'আহিছে— আহিছে দেওৰাজা।'

ভিতৰমাঝিৰ কথা শুনি ৰৈ গ'ল আৰিমত্ত। উৎকণ্ঠিত হৈ ৰৈ থাকিল হাতীটো আহি পোৱালৈ।

হাতীটো লাহে লাহে ওচৰ চাপি আহিছে।

কিন্তু হাতীৰ ওপৰত গংগাৱতী ক'ত?

ক'ত আৰিমত্তৰ স্বোৱামুণি গংগাৱতী? হাতীৰ ওপৰত বহি আহিছে মাউত আৰু কালি আৰিমত্তক লৈ যোৱা দেহৰখীয়াজন।

আৰিমত্তৰ ওচৰ পাই হাতীৰ পৰা নামিল দেহৰখীয়াজন।

'খুমদং দেওৰাজা।' দেহৰখীয়াজনে অভিবাদন জনালে।

'খুমদং। তোমালোকৰ ৰাণীদেউ ক'ত?' উৎকণ্ঠিতভাৱে প্ৰশ্ন কৰিলে আৰিমত্তই।

'ৰাজানঃতেই আছে। আপোনালৈ পত্ৰ এখন দি পঠিয়াইছে দেওৰাজা।'

টাগলাৰ ভিতৰৰ পৰা পত্ৰ এখন আৰু জোনাকী পৰুৱা ভৰাই থোৱা অমিতাৰ

ঠাৰি এদাল আগবঢ়াই দিলে দেহৰখীয়াজনে। অবাক হৈ পত্ৰখন হাত পাতি লৈ এখন্তেক দেহৰখীয়াজনলৈ তীক্ষ্ণ দৃষ্টিৰে চাই থাকি পত্ৰখন মেলি ল'লে আৰিমত্তই। জোনাক আৰু জোনাকীৰ পোহৰত বহুত সময়লৈ পত্ৰখন পঢ়িলে। লাহে লাহে তেওঁৰ পৰিশ্ৰান্ত আৰু উৎকণ্ঠিত মুখখন ক্ৰোধ আৰু হতাশাত আৰক্ত হৈ পৰিল।

পত্ৰ নহয়, আৰিমত্তৰ মুখলৈ গংগাৰতীয়ে দলিয়াই দিছে যেন কমাৰশালত ৰঙা হৈ গলি যোৱা এচৰিয়া লোহাপানী।

'বহুত ভাবি চালো মৃগাংক— ৰাজ্য আৰু সমাজ এৰি তোমাৰ লগত গুচি যোৱাটো মোৰ বাবে সম্ভৱ নহয়। ক্ষমা কৰিবা।'

২১

ভোটপাহাৰৰ পৰা অনা বিচিত্ৰ ছবি অংকিত কাঠেৰে সজা সুসজ্জিত আৰামদায়ক আসনত আউজি বহি আছে আৰিমত্ত।

ওচৰত এখন কাঠেৰে কাৰুকাৰ্য কৰা বৰপীৰাত থোৱা আছে মাটিৰ এটা কাৰুকাৰ্য কৰা ৰঙা ৰঙৰ পাণপাত্ৰ। মাটিৰেই গঢ়া আন এটা কাৰ কাৰ্য কৰা পাত্ৰত থোৱা আছে জু।

কমতাত উপস্থিত হোৱাৰে পৰাই জু খাই আছে আৰিমত্তই। ওচৰতে মজিয়াত বহি আছে চামল। বিষণ্ণ আৰু চিন্তাগ্ৰস্ত আৰিমত্তৰ পৰিশ্ৰান্ত আৰু বিষাদ গম্ভীৰ মুখলৈ চাই বুকুখন মোচৰ খাই উঠিছে চামলৰ। ডিঙিটো শোকৰ বিষত টনটনাই উঠিছে।

আৰিমত্তই চামলক একো কোৱা নাই। কিন্তু ভিতৰমাঝিৰ পৰা সকলো কথা জানিব পাৰিছে চামলে।

সেই সৰুকালৰ পৰা আৰিমত্তৰ লগত উমলি ডাঙৰ হৈছে চামল। চামাদিতো ছবছৰ একেলগে থাকিল। কেতিয়াও আৰিমত্তক এনেৰূপত দেখা নাছিল চামলে।

আৰিমত্তৰ জেদ, আৰিমত্তৰ দৃঢ়তা, সাহস, উদাৰতা, ক্ৰোধ, ভালপোৱা সকলো দেখিছে চামলে। গংগাৱতীৰ প্ৰেমত আত্মহাৰা আৰিমত্তকো দেখিছে। কিন্তু কেতিয়াও দুখী আৰিমত্তক দেখা নাছিল। জুৰ নিচাত নিজক পাহৰি থাকিব খোজা নিৰুপায় আৰিমত্তক দেখা নাছিল।

কি কৰিলে ৰাণীদেউ গংগাৱতীয়ে!

এইহেন মানুহক দুখ দিলে!

এইহেন মানুহক বিশ্বাসঘাটকতা কৰিলে।

গংগাৱতীৰ ওপৰত ক্ৰোধ আৰু বিৰক্তিত আৰু আৰিমত্তৰ প্ৰতি সমবেদনাত অধীৰ হৈ উঠিছে আৰিমত্তৰ একান্ত অনুগত চামল। মুখ দেখি বুজা নাযায়। সদায় থকাৰ দৰে নিৰ্বিকাৰ-গম্ভীৰ মুখেৰে আৰিমত্তৰ আদেশৰ অপেক্ষাত আছে। চামলক প্ৰধান সামন্ত পাতিলেও— বিশ্বস্ত, অধস্তন বিষয়াসকলক সকলো দায়িত্ব ভগাই দি

চামলে পৰাপক্ষত আৰিমত্তৰ ওচৰে ওচৰে থাকে। আৰিমত্তৰ ওচৰলৈ আহিলে চামল এতিয়াও চামাদিৰ খাৰাপাস্থাই হৈ পৰে।

আনকালে অৱশ্যে দুৱাৰমুখত থিয় হৈ থাকে চামল। আজি আৰিমত্তৰ ওচৰত, মাটিত বহি আছে। আৰিমত্তৰ আদেশত। বহি বহি চাই আছে চকুমুদি বহি থকা আৰিমত্তৰ মুখলৈ।

'চামল।' আৰিমত্তৰ গম্ভীৰ আৰু ক্লান্ত মাত শুনি সচকিত হৈ উঠিল চামল।

'কওক দেওৰাজা।'

'এই পৃথিৱীত কিমান মানুহ আছে— সেই সকলোকে এৰি সিওাই ফাই মোকেই কিয় দুখ দিবলৈ বাচি ল'লে?'

'খৰম দেওৰাজা। খৰমৰ লিখন জানো কোনোবাই মচিব পাৰে?'

'খৰম! তই সঁচা কথাই কৈছ। মই জন্ম হওঁতে আকাশৰ তৰাও কিজানি খহি পৰিছিল চামল।'

'তেনেকৈ নক'ব দেওৰাজা। দুখ পাওঁ।'

'দুখ পাইছ? কিয় দুখ পাইছ চামল? তইতো মোৰ কুলৰো নহয়।'

'কুল কিয় লাগে দেওৰাজা। দুখ পাবলগা মনটো কুলে দিয়ে জানো? মৰমেহে দিয়ে দেওৰাজা। মই এজনী সাধাৰণ খামছামাইৰ ছাঃ। এজন সাধাৰণ বাৰিকাৰ ছাঃ। তথাপিও আপুনি মোক কিমান মৰম কৰিছে।'

'তেনেকৈ নকয় চামল। আমাৰ সমাজত জানো ডাঙৰ-সৰু আছে? তই এইবোৰ কথা ইয়ালৈ আহি শিকিছ। নিশিকিবি। বেয়া কথাবোৰ নিশিকিবি।'

চামল মনে মনে থাকিল। আৰিমত্তও। যেন নিঃশব্দে দুয়ো বিনিময় কৰিলে মনৰ ভাবনা। আকৌ জুৰ পাত্ৰ হাতত তুলি ল'লে আৰিমত্তই।

'দেওৰাজা।' চামল উচপিচাই উঠিল।

'তই কি ক'ব খুজিছ মই জানো চামল। জু খাব নালাগে নহয়?'

'হয় দেওৰাজা আৰু নাখাব। আপুনি ভালপোৱা খাৰদিয়া মাছ আৰু তেল নিদিয়াকৈ ৰন্ধা তংখ্ৰাইৰে ভাত সাজু কৰি থৈছো। খৰিকাত দিয়া মাছ আৰু তিলেৰে ৰন্ধা গাহৰিও আছে। বড়ো কছাৰী ৰান্ধনীয়ে ৰান্ধিছে। খাওক দেওৰাজা। অহাৰে পৰা আপুনি একো খোৱা নাই।'

চামলৰ কথা শুনি আৰিমত্তৰ ওঁঠত এটা চিন্‌নিচিন হাঁহি ফুটি উঠিল।

'তই সোনজিৰা আছিৰ দৰে কথা কৈছ। সোনজিৰা আছিৰ দৰে সোৱাদলগা শাকৰ কথা কৈ তই মোক ভাত খুৱাব খুজিছ নহয়? তই জানিছ নহয়, এই মাথিত যে মোৰ কোনো নাই? মোৰ মা, মোৰ ফা সকলোকে মই এৰি আহিলো চামল। লুইতৰ

পানী চুই, ফা মাহাদেউৰ নামত শপত খাইছো চামল, গোভাৰ ৰজা হ'বৈ মই আৰু কেতিয়াও উভতি নাযাওঁ।'

'কিয় নাযাব দেওৰাজা। সেইখন আমাৰ নিজৰ ঠাই। তাতেই আমাৰ নিজৰ মনুহবোৰ আছে।'

'নিজৰ আৰু পৰৰনো কি চামল। যাক মৰম দিবি সিয়েই তোৰ আপোন হ'ব। মৰম দিলে ইয়াতো নিজৰ মানুহ পাম। কিন্তু মই তোক এটা কথা কওঁ চামল— নিজৰ বুলি একো নাই। কোনো নাই। সকলোৰে ওপৰত নিয়ম আছে। মাত্ৰ নিয়ম আছে। নিয়মৰ কাৰণেই নিজৰজনো পৰ হৈ যাব পাৰে। পৰ হৈ গ'ল চামল। নিজৰ বুলি ভবা মোৰ গংগাৰতীয়ে, নিয়মৰ কাৰণে মোক এৰি দিলে চামল। মোক বৈদ্যগড়ত অকলে অকলে মৰিবলৈ এৰি দিলে। কিন্তু মই নমৰো। চাবি। মই নমৰো। মই গংগাৰতীক দেখুৱাই দিম তেওঁ নহ'লেও মই জীয়াই থাকিব পাৰো। আগতকৈও ভালকৈ, সুখেৰে শান্তিৰে জীয়াই থাকিব পাৰো।'

'দেওৰাজা— ঘোঁৰা চোৱা বিষয়া নীলকান্ত আৰু তেওঁৰ ছাঃজ ৰত্নাৱলী আপোনাক দেখা কৰিবলৈ আহিছে।' ভিতৰ মাজিয়ে দু�ৰাৰমুখত থিয় হৈ ক'লে।

আৰিমত্তই ভিতৰমাজিলৈ এখন্তেক চাই থাকিল। তাৰ পিচত গম্ভীৰ হৈ ক'লে—

'অ'— ইয়ালৈকে আহিবলৈ দে। চামল, জুৰ বাতি আঁতৰাই লৈ যাবলৈ ক'। তেওঁলোকে বেয়া পাব। আমাৰ দৰে নহয়।'

খামচামাইলৈ অপেক্ষা নকৰি নিজেই জুৰ পাত্ৰবোৰ সামৰি লৈ বিৰক্ত মুখেৰে উঠি গুচি গ'ল চামল। অলপ পিচতে সোমাই আহিল নীলকান্ত আৰু ৰত্নাৱলী।

আৰিমত্ত অহা বুলি শুনিয়েই নিজৰ গৃহৰ পৰা আনন্দত উজ্জ্বল হৈ ল'ৰি অহাদি আহি ওলাইছে দুয়োজন। ৰত্নাৱলী আহিছে আৰিমত্তৰ মাক-দেউতাক আৰু কইনাক চাও বুলি। নীলকান্ত আহিছে আৰিমত্তৰ পৰিয়ালক প্ৰণাম জনাই আদৰ-আপ্যায়নেৰে সন্তুষ্ট কৰি আৰু বেছি আপোন হৈ পৰিবলৈ। কিন্তু ৰাজগৃহত সোমাই তেওঁলোক নহা বুলি শুনি আচৰিত হৈ গৈছে দুয়োজন।

কোঠাত প্ৰৰেশ কৰি আৰিমত্তৰ উদাস, ক্লান্ত আৰু গম্ভীৰ ৰূপ দেখি থমকি ৰ'ল নীলকান্ত। ৰত্নাৱলীয়ে আচৰিত হৈ কৈ উঠিল—

'আপোনাৰ আই-পিতা নাহিল দেওৰাজা?'

'নাহিল।' ৰত্নাৱলীলৈ নোচোৱাকৈ গম্ভীৰ মাতেৰে ক'লে আৰিমত্তই ।

'আৰু—' কইনাৰ কথা সোধো বুলিও ৰৈ গ'ল ৰত্নাৱলী।

'আৰু কি?' জু খাই ৰঙা হৈ থকা চকুযোৰ তুলি ৰত্নাৱলীলৈ চালে আৰিমত্তই। সেই চাৱনিত দুখোজ পিচুৱাই গ'ল ৰত্নাৱলী।

নীলকান্ত চতুৰ ৰাজনীতিক। আৰিমত্তৰ বিমৰ্ষতা, গাম্ভীৰ্য আৰু ক্লান্তি দেখি ক'ৰবাত কিবা এটা ঘটিছে বুলি অনুমান কৰিব পাৰিছে নীলকান্তই। আৰিমত্তক প্ৰণাম জনাই নীলকান্তই ক'লে—

'আমি আপোনাক প্ৰণাম জনাম বুলিহে আহিছো মহাঅধিৰাজদেৱ। অন্য কথা একো নাই। ৰজাদেউক এতিয়া জিৰাবলৈ দে ৰত্নাৱলী। ভাগৰে জুগৰে আহি পাইছে মাথোন। আহ। প্ৰণাম কৰিলি নহয়। হ'ব। কথা পিচত পাতিবি। আপুনি জিৰণি লওক মহাঅধিৰাজদেৱ। মই বাৰু পিচতো আহি ৰাজধানী উন্মোচনৰ বিষয়ে আপোনাক অৱগত কৰিম।'

ৰত্নাৱলীক লগত লৈ যাবলৈ ওলাল নীলকান্ত। কিন্তু আৰিমত্তই তেওঁক মাতিলে—

'শুনক— ৰাজধানী উন্মোচন নহয়। আচাৰ্যদেৱক মাতক। হোমযজ্ঞ কৰি ৰাজধানীত প্ৰৱেশ কৰিম। আন একো অনুষ্ঠানৰ প্ৰয়োজন নাই।'

'আপোনাৰ যি আদেশ মহাঅধিৰাজদেৱ।'

কথা নবঢ়াই প্ৰণাম কৰি চিন্তিতভাৱে ওলাই আহিল নীলকান্ত।

উৎসৱ অনুষ্ঠান নহ'লেতো নহ'ব। উন্মোচনী অনুষ্ঠানৰ লগত যে জড়িত হৈ আছে নীলকান্তৰ ৰাজনৈতিক অভিসন্ধি। এই উৎসৱৰ সুযোগতে ফিংগুৱা কোঁৱৰৰ লগত আৰিমত্তৰ বন্ধুত্ব গঢ়ি তোলাৰ পৰিকল্পনা কৰি থৈছে নীলকান্তই।

ফিংগুৱা কোঁৱৰৰ লগত কথা হৈ গৈছে নীলকান্তৰ।

চুবুৰীয়া ৰজা ফিংগুৱা কোঁৱৰৰ লগত নীলকান্তৰ সম্পৰ্ক আজিৰ নহয়। বহুদিনৰ। আগৰ ৰজা দুৰ্লভেন্দ্ৰৰ লগত ফিংগুৱা কোঁৱৰৰ বন্ধুত্ব আছিল। সেই বন্ধুত্বৰ সূত্ৰেৰে ফিংগুৱা কোঁৱৰ মহাসামন্ত নীলকান্তৰো আপোনজন হৈ পৰিছিল।

মাত্ৰ বন্ধুৰজাৰ বিশ্বস্ত প্ৰধানমন্ত্ৰী হিচাপেই নহয়। আন এক তাতকৈ গভীৰ সম্পৰ্কও স্থাপন হ'বলৈ ওলাইছিল। ৰত্নাৱলীৰ কাৰণে।

ৰত্নাৱলীৰ লগত ফিংগুৱাৰ অন্তৰংগতা নীলকান্তই দেখিছিল। নেদেখা-নজনাৰ ভাও ধৰি সেই অন্তৰংগতা বাঢ়ি যোৱাৰ সুযোগ কৰি দিছিল নীলকান্তই। জীয়েক ৰত্নাৱলীক চুবুৰীয়া ৰাজ্যৰ ৰাণী হিচাপে বিয়া দি উলিয়াই দিয়াৰ আশাত কম্পিত হৈ উঠিছিল নীলকান্ত।

ইমানেই।

লোকৰ এৰেহা চেলেকি সুখেৰে থাকিব খোজা নীলকান্তৰ লোভৰ সীমা দুৰ্লভেন্দ্ৰৰ দিনত সিমানতে সীমাৱদ্ধ আছিল।

ৰাজপাট লাভৰ সপোন তেতিয়া দেখা নাছিল নীলকান্তই।

এতিয়াও দেখা নাই।

ৰজা হ'বলৈ যিমানখিনি মনোবল, যিমানখিনি শৌর্য আৰু যোগ্যতাৰ প্ৰয়োজন সিমানখিনিযে নিজৰ নাই সেই কথা নীলকান্তই জানে। কমতাৰ মহাসামন্ত হ'ব পাৰিয়েই বহুত পোৱা যেন পাইছিল নীলকান্তই।

এতিয়া পৰিস্থিতি সলনি হৈছে। আৰিমত্তৰ ৰাজ্যত এতিয়া নীলকান্ত এজন সাধাৰণ বিষয়া মাত্ৰ। অৱশ্যে তোষামোদ আৰু কৌশলী কথা-বার্তাৰে লাহে লাহে আৰিমত্তৰ ওচৰ চাপি আহিছে নীলকান্ত। আৰিমত্তৰ বিশ্বাস আৰু ভৰসাৰ পাত্ৰ হৈছে। কিন্তু নীলকান্তই জানে আজিৰ স্থানতকৈ খুব বেছি ওপৰলৈ তেওঁ কেতিয়াও যাব নোৱাৰে। সিমান বিশ্বাস আৰিমত্তই তেওঁক কেতিয়াও নকৰে। নহ'লেনো দাসীৰ পুতেক চামলক আৰিমত্তই মহাসামন্তৰ পদ দিলেহেঁতেননে? দুর্লভেন্দ্ৰৰ দিনৰ মহাসামন্তক ঘোঁৰাৰ যত্ন ল'বলৈ দিলেহেঁতেননে?

কি লাভ এনে ৰজাৰ তলত থাকি? কি হ'ব ইমান পৰিশ্ৰম আৰু তোষামোদেৰে?

প্ৰথম প্ৰথম আগৰ ৰজা দুর্লভেন্দ্ৰৰ অনুগত সৈন্য কিছুমানৰ লগত লগ লাগি আৰিমত্তক কৌশলেৰে হত্যা কৰাৰ চেষ্টা চলাইছিল নীলকান্তই। কিন্তু আৰিমত্তই গোভাৰ পৰা অনা সৈন্য আৰু বিষয়াসকল ইমান বিশ্বস্ত আৰু সতর্ক যে সেই দিশে এখোজো আগবাঢ়িব নোৱাৰিলে নীলকান্তই।

তাৰ পিচত নীলকান্তই কৌশল সলনি কৰি সপৰিয়ালে আৰিমত্তৰ শৰণ ল'লেহি।

পৰিয়ালনো কি।

জীয়েক ৰত্নাৱলী মাত্ৰ।

জীয়েকৰ ৰূপ-লাৱণ্যক সাৰথি কৰি নীলকান্তই আৰিমত্তক বশ কৰাৰ চেষ্টা চলাই গৈছে। এই প্ৰচেষ্টা সম্পূর্ণ বিফল হোৱা বুলি ক'বও নোৱাৰি। ৰত্নাৱলীৰ আদৰ-যত্ন আৰু ৰন্ধা-বঢ়াত আৰিমত্ত সন্তুষ্ট। আৰিমত্ত সহজ আৰু পোনপটীয়া মানুহ। ৰত্নাৱলীৰ ধেমালিবোৰ, মনজুৰোৱা কথাবোৰ আৰিমত্তই উপভোগ কৰে। মাজে মাজে ধেমালিও কৰে। এই সহজ ধেমালি আৰু কথাৰ মাজে মাজে সুৰুঙা উলিয়াই এখোজ-দুখোজকৈ ৰজাৰ ওচৰ চাপি গৈছে নীলকান্ত।

আগবাঢ়ি গৈছে ফিংগুৱাৰ লগত কৰা ষড়যন্ত্ৰৰ পৰিণতিলৈ।

এই ষড়যন্ত্ৰৰ অংশ হিচাপে ফিংগুৱাৰ লগত আৰিমত্তৰ বন্ধুত্ব গঢ়ি তোলাৰ চেষ্টা কৰিছে নীলকান্তই।

নীলকান্তৰ সমৰশক্তি নাই। কূট-কৌশল আছে। ফিংগুৱাৰ সমৰ শক্তি আছে আৰু আছে মানুহক মুগ্ধ কৰিব পৰা ৰূপ। সহজতে বন্ধুত্ব গঢ়ি তুলিব পৰা ব্যক্তিত্ব। কথা কোৱাৰ কলা আয়ত্তত আছে ফিংগুৱা কোঁৱৰৰ। কামপীঠৰ সিপাৰৰ পৰা আহি ৰাজ্যৰ গৰাকী হোৱা ফিংগুৱাৰ আছে উচ্চাকাংক্ষা। ৰাজ্য বিস্তাৰৰ লোভ।

ফিংগুৱাৰ লগ লাগি আৰিমত্তক বৈদ্যগড়ৰ পৰা উৎখাত কৰিব নীলকান্তই। ফিংগুৱাৰ শহুৰ হৈ তেতিয়া আকৌ ক্ষমতাশালী হৈ পৰিব পাৰিব নীলকান্ত। লাভ কৰিব অপৰিসীম ৰাজক্ষমতা। আৰিমত্ততো সদায় বৈদ্যগড়ত নাথাকে। আৰিমত্তই যাক বিয়া কৰাব তেওঁ এখন সৰু ৰাজ্যৰ ৰাণী বুলি শুনিছে নীলকান্তই। বিয়াৰ পিচত আৰিমত্তই কমতাৰ দায়িত্ব চামলক দি গোভালৈ উভতি যাব বুলিও শুনিছে।

আৰিমত্তৰ অনুপস্থিতিত বৈদ্যগড় দখল কৰাটো কোনো কঠিন কাম নহ'ব। কিন্তু বৈদ্যগড় আক্রমণ কৰিবলৈ গড়ৰ অন্ধি-সন্ধিওতো জানিব লাগিব।

নীলকান্ত অকলশৰীয়া।

বৈদ্যগড়ৰ ভিতৰত নীলকান্তৰ বিশ্বাসী এজনো ব্যক্তি নাই। গোভাৰ পৰা অহা লোকসকলে নীলকান্তক ভাল নাপায়। বিশ্বাসো নকৰে। স্থানীয় যিসকল আছে সেইসকলেও ভাল নাপায় নীলকান্তক। দুর্লভেন্দ্র দুর্বল ৰজা আছিল। তেওঁৰ দিনত মহাপ্রতাপী হৈ উঠা মহাসামন্ত নীলকান্তৰ অহংকাৰ আৰু দুর্ব্যৱহাৰৰ কাৰণে নীলকান্তৰ জনপ্রিয়তা নাছিল। জীয়েকৰ পিচে পিচে আৰিমত্তৰ ওচৰ চাপি অহা নীলকান্তক স্থানীয় লোকসকলে, বিষয়াসকলে ঘৃণাৰ চকুৰে চায়। গড়ৰ ভিতৰৰ সকলো মানুহ আৰিমত্তৰ উদাৰতা আৰু শৌর্যত মুগ্ধ। অনুগত। গড়ৰ অন্ধি-সন্ধি চাই ফুৰিলে নীলকান্ত ধৰা পৰি যাব।

বহুত ভাবি-চিন্তি এটা পথ বিচাৰি উলিয়াইছে নীলকান্তই।

ফিংগুৱা কোঁৱৰৰ লগত আৰিমত্তৰ বন্ধুত্ব।

বৈদ্যগড়ৰ অন্ধি-সন্ধি, অস্ত্র-শস্ত্রৰ বিশদ তথ্য ফিংগুৱা মাজে মাজে আহি থাকিলে জনা-বুজাত সহজ হ'ব। ফিংগুৱাৰ লগত অহা সৈন্য, বিষয়া আৰু দাস সকলৰ যোগেদি লাহে লাহে গড়ৰ ভিতৰৰ প্রয়োজনীয় তথ্যবোৰ লাভ কৰাৰ লগতে দুই-এজন স্থানীয় লোককো নিজৰ কৰিব পৰা যাব।

এই উদ্দেশ্য আগত ৰাখিয়েই ৰাজধানী উন্মোচনত ফিংগুৱা কোঁৱৰক নিমন্ত্রণ কৰাৰ কথা আৰিমত্তক কৈছিল নীলকান্তই।

চুবুৰীয়া ৰাজ্যৰ লগত সম্ভাৱ গঢ়ি তোলাৰ উদ্দেশ্যেৰে আৰিমত্তও ৰাজী হৈছিল। আৰিমত্তৰ অনুপস্থিতিত ফিংগুৱাৰ গড়লৈ গৈ সকলো কথা সবিস্তাৰে পাতি আহিছিল নীলকান্তই। কিন্তু আৰিমত্তই বিয়া নকৰোৱাকৈ আৰু মাক-দেউতাকক লগত ননাকৈ উভতি আহি সকলো পৰিকল্পনা খেলি-মেলি কৰি পেলালে। আৰিমত্তক দেখিয়েই নীলকান্তই ক'ৰবাত কিবা এটা ঘটিছে বুলি অনুমান কৰিব পাৰিছিল। আৰিমত্তই যে উন্মোচনী অনুষ্ঠান বন্ধ কৰি দিব সেই কথা সপোনতো ভবা নাছিল। কিন্তু নভবাটোৱেই ঘটিছে। হঠাৎ কোনো উৎসৱ নালাগে বুলি কৈ আৰিমত্তই নীলকান্তৰ প্রচেষ্টা ব্যর্থ কৰি দিবলৈ ওলাইছে।

কিবা এটা কৰিব লাগিব।

কি কৰা যায় ভাবি ভাবি আৰিমত্তৰ ওচৰৰ পৰা ৰত্নাৱলীক লৈ ওলাই আহিল নীলকান্ত।

'ৰজাৰ ওচৰলৈ এতিয়া নাযাবি। ঘৰলৈ যা ৰত্নাৱলী। মই নোকোৱালৈকে ইয়ালৈ নাহিবি।'

'কিয় পিতা?' আচৰিত হৈ ৰত্নাৱলীয়ে সুধিলে।

'ৰজা বোধকৰো অসুস্থ। ওচৰলৈ গ'লে আমনি পাব পাৰে। যা।'

ৰত্নাৱলী গ'লগৈ।

নীলকান্ত আগবাঢ়ি গ'ল ৰজাৰ আলহী ৰখা ঘৰলৈ।

আলহী ঘৰত কঠৰ ওপৰত বহি থগাত পুথি এখন থৈ প্ৰভাকৰ শৰ্মা বিদ্যানিধিয়ে পুথি এখন পঢ়ি আছিল। নীলকান্ত সোমাই গৈ সেৱা লোৱাত মুৰ তুলি চালে। নীলকান্তক আশীৰ্বাদ দি বহিবলৈ কৈ সুধিলে—

'কওঁক মহাশয়— কি বাৰ্তা লৈ আহিল?'

'বাৰ্তা একো নাই আচাৰ্য। এটা সমস্যাত পৰিহে আপোনাৰ ওচৰলৈ আহিলো।'

'সমস্যা? মোৰ ওচৰত তাৰ সমাধান আছে নেকি মহাশয়?' আচাৰ্যই হাঁহিলে।

এই চতুৰ ৰাজবিষয়াজনৰ মনত কি ভাবনা চলি আছে নাজানিলেও তেওঁৰ মানসিকতাৰ কথা প্ৰভাকৰ শৰ্মা বিদ্যানিধিয়ে নজনাকৈ থকা নাই। তেওঁৰ অত্যধিক তোষামোদত বিৰক্ত হয় আচাৰ্য। এই তোষামোদৰ আঁৰত থকা উদ্দেশ্য বুজি আমোদো পায়। আচাৰ্য প্ৰভাকৰ ৰজা আৰিমত্তৰ শিক্ষক আছিল। ৰজা আৰিমত্ত আচাৰ্যৰ অনুগত। গুৰুজ্ঞান কৰি শ্ৰদ্ধা-ভক্তি কৰে। সেই কাৰণেই ইমান তোষামোদ।

'আপোনাৰ ওচৰত সমাধানৰ উপায় আছে আচাৰ্যদেৱ।' নীলকান্তই বিনয়েৰে ক'লে।

'তেনেহ'লেতো ক'বই লাগিব।' আচাৰ্যই হাঁহিলে।

এই হাঁহিটোৰ আঁৰত লুকাই থকা বিদ্ৰূপৰ সুৰ নীলকান্তই বুজিছে। তীব্ৰ বিদ্বেষত জ্বলি গৈছে নীলকান্তৰ অভ্যন্তৰ। কিন্তু খং দেখুওৱাৰ উপায় নাই।

নীলকান্তয়ো হাঁহি উঠিল।

'আচাৰ্যদেৱে ধেমালি কৰিছে। কিন্তু সমস্যা সঁচাকৈয়ে জটিল আচাৰ্যদেৱ। মহাঅধিৰাজদেৱে উদ্বোধনী অনুষ্ঠান হ'ব নালাগে বুলি কৈছে। মাত্ৰ হোমযজ্ঞ কৰিয়েই সামৰিব লাগিব বুলি নিৰ্দেশ দিছে।'

'কিয়?' আচৰিত হৈ সুধিলে আচাৰ্যই।

'কাৰণটো নাজানিলো আচাৰ্যদেৱ। মহাঅধিৰাজদেৱ বিমৰ্ষ হৈ আছে। কথা পাতিব

নুখুজিলে। গোভালৈ যোৱাৰ আগতে তেওঁ মোক আপোনাৰ লগত আলোচনা কৰি সকলো আয়োজন কৰিবলৈ নির্দেশ দি গৈছিল। সেইমতে, আপোনাৰ নির্দেশ পালন কৰি সকলো আয়োজন সম্পূর্ণ কৰিছো। কামৰূপীয়া ঢুলীয়া আৰু পুতলা নাচ দেখুওৱা লোকসকলক আমন্ত্রণ জনোৱা হৈ গৈছে। ওজাপালীসকলো আহি পাইছে। লৱ-কুশৰ যুদ্ধ আৰু বভ্রুবাহনৰ যুদ্ধ নামৰ নাট দুখনৰ আখৰাও চলি আছে। বিল্বেশ্বৰ দেৱালয়ৰ নটীসকলেও আহিব বুলি কথা দিছে।'

'বিল্বেশ্বৰ দেৱালয়ৰ দলুহাংগনাসকলক নিমন্ত্রণ কৰাৰ কথা মই কোৱা নাছিলো নীলকান্ত মহাশয়। তেওঁলোক বিগ্রহৰ নামত উৎসর্গিত নাৰী। ৰাজহুৱা মনোৰঞ্জনৰ পাত্রী নহয়।'

'কিন্তু আজিকালি উৎসৱ অনুষ্ঠানত এনে দুই-এটা নটীনাচ থাকিলেহে দর্শকে ভাল পায়। ৰজাঘৰীয়া অনুষ্ঠানত নটীসকল আহেই। যুৱকসকলেও ভাল পায়। মই নিজে নটীৰ নৃত্য দেখিছো। উপভোগৰ যোগ্য আচার্য।'

'নীলকান্ত মহাশয়— দেৱালয়ৰ নটীসকল সাধাৰণ নর্ত্তকী নহয়। তেওঁলোক কুমাৰী। দেৱদাসী। তেওঁলোকৰ কথা সন্মানসহকাৰে উল্লেখ কৰা উচিত। আপোনাৰ ৰুচিবোধত মই মাজে মাজে বিৰক্ত হওঁ নীলকান্ত মহাশয়।' আচার্যৰ মুখখন অৱদমিত ক্রোধ আৰু বিৰক্তিত ৰক্তাভ হৈ উঠিল।

নীলকান্ত সাৱধান হৈ গ'ল। আচার্য অসন্তুষ্ট হ'লে নহ'ব।

'ক্ষমা বিচাৰিছো আচার্য। আমি পদৰ পৰা জন্ম হোৱা নিম্নস্তৰৰ মানুহ। যি দেখো তাকেহে শিকো। দেৱালয়ৰ নটীসকলক আজিকালি আগৰদৰে শ্রদ্ধা-সন্মানৰ দৃষ্টিৰে চোৱা নহয় আচার্য। গাঁৱে-ভূঞে আজিকালি চঞ্চলমতি নাৰীক নটীসকলৰ লগত তুলনা কৰা হয়।'

'এই মানসিকতা গৰিহণাৰ যোগ্য নীলকান্ত মহাশয়। মই অনেক শিৱ দেৱালয় দর্শন কৰিছো। অধিকাংশ দেৱালয়ত দলুহাঈনাসকলে শিৱৰ বিগ্রহৰ সন্মুখত নৃত্য, আৰতি কৰাৰ ব্যৱস্থা আছে ; কিন্তু ক'তো তেওঁলোকক শ্লীলতাহীন মন্তব্যৰে অপমান কৰা দেখা নাই। এইবোৰ কথা আলোচনাৰো অযোগ্য। প্রকৃত কথালৈ আহক নীলকান্ত মহাশয়।'

'মই আপোনাক সমস্যাটো কি কৈছোৱেই আচার্য। আয়োজন প্রায় সম্পূর্ণ হৈ উঠাৰ পিচত মহাঅধিৰাজদেৱে অনুষ্ঠান নহ'ব বুলি ক'লে কেনেকৈ হয় ? কিন্তু আয়োজন প্রায় সম্পূর্ণ হোৱাৰ পিচত অনুষ্ঠান নহ'লে ইমান আয়োজন অথলে যাব।'

'কিবা কাৰণ নিশ্চয় আছে। ৰজাৰ আদেশ। বিৰুদ্ধাচৰণ নকৰাই মংগল।'

'কিন্তু আচার্যদেৱ— এই ৰাজ্যৰ সকলো মুখ্য স্থানীয় ব্যক্তিলৈ নিমন্ত্রণী পত্র

পঠিওৱা হৈ গ'ল। বিশিষ্ট অতিথি হিচাপে ৰজা ফিংগুৱা কোঁৱৰলৈকো আমন্ত্রণ পত্র ইতিমধ্যে গৈছে। এই অনুষ্ঠান নহ'লে সকলো অসন্তুষ্ট হ'ব। ৰাজ্যশাসনতো জটিলতা আহিব আচার্যদেৱ।'

'ৰজা বুদ্ধিমান। ৰাজনীতি বুজে। এই যুক্তিবোৰ তেওঁক দিয়ক।'

'তেওঁ মোৰ কথা শুনিব নুখুজিলে আচার্যদেৱ।'

'ৰজা গোভাৰ পৰা আহি পোৱা দুই প্রহৰ হৈছে মাত্র। তেওঁ ক্লান্ত হৈ আছে নিশ্চয়। তেওঁক এতিয়া বিশ্রামৰ প্রয়োজন। ধীৰে-সুস্থিৰে কথাবোৰ জনালে ভাল হ'ব বুলি ভাবো।'

'নহয়— আচার্যদেৱ— মই ক'লে তেওঁ নুশুনে। আপুনি যদি বুজাই কয় বৰ ভাল হয়।'

'মই ক'ম বাৰু ; কিন্তু মোৰ কথা তেওঁ শুনিব বুলি আশা নকৰাই ভাল।'

'আশা নহয় আচার্যদেৱ— মোৰ বিশ্বাস আছে। আপোনাৰ কথা তেওঁ কেতিয়াও অমান্য নকৰে।'

'হ'ব। মই ক'ম। মোৰ এতিয়া সন্ধ্যা আহ্নিকৰ সময় হৈছে। আপোনাক অধিক সময় দিব নোৱাৰিলো। ক্ষমা কৰিব।'

'ক্ষমা খুজি মোক নৰকত নেপেলাব আচার্যদেৱ। আপুনি পিতৃতুল্য, দেৱতুল্য ব্যক্তি।' বিনয়ত বিগলিত হৈ গ'ল নীলকান্ত।

'বুজিছো।' পুথি সামৰি প্রভাকৰ শর্মা বিদ্যানিধি উঠিল।

প্রণাম জনাই চিন্তিত আৰু বিৰক্ত মনেৰে ওলাই আহিল নীলকান্ত।

২২

বৈদ্যগড়।

তিনিখলপীয়া ওখ মাটিৰ ভূমিদুৰ্গ আৰু নৈযেন দ' পৰিখাৰে জলদুৰ্গ সাজি সুৰক্ষিত কৰি তোলা কমতাৰ নতুন ৰাজধানী। ৰাজধানীৰ অভ্যন্তৰত পুৰঠ শালকাঠ আৰু ইটাৰে সাজি তোলা হৈছে এটা চালে চকুৰোৱা ৰাজহাউলী।

সোণ হালধীয়া নাৰ্জী, শুধবগা কাথান্দা, তগৰ আৰু তেজৰঙা জবাফুলৰ শাৰী শাৰী মালাৰে আৰু সেন্দুৰৰ ফোঁট দিয়া আমপাতেৰে সজাই তোলা ৰাজধানীৰ দেৱালে দেৱালে জ্বলি উঠিছে শাৰী শাৰী সৰিয়হ তেলৰ বস্তি।

ৰাজধানীৰ মাজেৰে ৰাজহাউলীলৈ যোৱা বাটটোৰ দুয়োকাষেও দুশাৰীকৈ জ্বলাই দিয়া হৈছে সৰিয়হ তেলৰ অগনন বস্তি। শুক্লপক্ষৰ জোনাকত মায়াপুৰীলৈ ৰূপান্তৰিত হৈছে বৈদ্যগড়। কামৰূপীয়া ঢুলীয়াই বজোৱা ঢোলৰ শব্দত মুখৰিত হৈ উঠিছে ৰাজধানীৰ চৌহদ। ফিংগুৱা কোঁৱৰক ৰাজহাউলিলৈ আদৰি আনিছে মহাসামন্ত চামলে। গড়ৰ ভিতৰৰ পথাৰত পুতলা নাচ দেখুওৱা দলটোৰ সন্মুখত বহি আছে ৰাজ্যৰ আমন্ত্রিত প্রজাসকল, বিষয়াসকল আৰু ৰাজধানীৰ অভ্যন্তৰৰ লোকসকল।

পুতলা নাচ এতিয়াও আৰম্ভ হোৱা নাই। ৰজা আৰিমত্ত আৰু ফিংগুৱা কোঁৱৰ আহি বহিলেই আৰম্ভ হ'ব।

দিনৰ কার্যসূচীত অংশ লৈ, অতিথিশালাত জিৰণি লৈ এইমাত্র আহি পাইছে ফিংগুৱাকোঁৱৰ। ৰজা আৰিমত্তৰ গৃহত অলপ সময় থাকি পুতলা নাচ চাই উভতি যাবগৈ।

ৰাজা হৰিশ্চন্দ্রৰ কাহিনী দেখুৱাব পুতলা নচুওৱা মানুহবোৰে। মানুহৰ মাজত উৎসাহৰ গুণগুণনি আৰু পুতলা নচুওৱা মানুহবোৰৰ এজনে গাই থকা গীত আৰু কামৰূপীয়া ঢুলীয়াৰ ঢোলৰ সমলয়ে ৰাজধানী চৌহদ ওখল-মাখল কৰি তুলিছে।

ৰাজহাউলীৰ সন্মুখৰ বস্তি আৰু ফুলেৰে সজোৱা চোতালত, পশ্চিমৰ পৰা অহা বাঢ়ৈয়ে সজা কাৰুকার্য কৰা কাঠৰ আসনত, ভোট পাহাৰৰ পৰা অনা বিচিত্র ছবি অংকিত কাপোৰেৰে তৈয়াৰ কৰা শিমলু তুলাৰ দলিচাত বহি আৰিমত্তই ফিঙ্গুৱা কোঁৱৰলৈ

অপেক্ষা কৰি আছিল। অলপ দূৰৈত হাত কচালি কচালি থিয় হৈ আছিল নীলকান্ত। তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি আছিল আৰিমত্তৰ মুখলৈ।

গোভাত কি ঘটিছে নীলকান্তই নাজানে। আৰিমত্তৰ লগত যোৱা সৈন্যসকলক কুতুৰি কুতুৰি সুধিও এটা শব্দও উলিয়াব নোৱাৰিলে নীলকান্তই। কিন্তু আৰিমত্তৰ ভাব-ভংগী দেখি তেওঁ অনুমান কৰিছে— ক'ৰবাত কিবা এটা বেমেজালি ঘটিছে।

লগত মাক-দেউতাক আৰু কইনাক লৈ নাহিল কিয় আৰিমত্ত?

বিয়া কৰাই কইনা আৰু মাক-দেউতাকক আনিম বুলিয়েতো গোভালৈ গৈছিল আৰিমত্তই।

কি ঘটিল?

এনে কি ঘটিল গোভাত যে দুদিনো নাথাকি উভতি আহিব লগা হ'ল?

অহাৰে পৰা কাৰো লগত কথা পতা নাই আৰিমত্তই। চামলৰ বাহিৰে।

এই চামলটো।

মনৰ ভিতৰতে এজাউৰি অশ্লীল গালি পাৰিলে নীলকান্তই।

এই চামলটোৰ কাৰণেই কৰো বুলি একো এটা কৰিব নোৱাৰে নীলকান্তই। পাতো বুলিও ৰজাৰ লগত ভালদৰে কথা এষাৰ পাতিব নোৱাৰে। এনেকৈ চায় যেন শালিহে পেলাব।

চামলক ভয় কৰে নীলকান্তই।

সি নীলকান্তৰ ভিতৰলৈকে দেখে যেন লাগে।

'সময় আহক। প্ৰথমেই ইয়াক বধিব লাগিব।'

ভাবিলে নীলকান্তই।

ৰত্নাৱলীয়ে তেতিয়া হোমৰ ধোঁৱাৰ গোন্ধ আৰু ফুলৰ গোন্ধ বিয়পি থকা ৰাজহাউলীৰ অলিন্দই অলিন্দই ডলাৰ ওপৰত তুলি লোৱা জ্বলি থকা বস্তিবোৰ এফালৰ পৰা সজাই গৈ আছিল।

খমখমীয়া মুগাৰ ফুলাম মেখেলা আৰু এড়ি-মুগাৰে বোৱা বিহা পিন্ধা ৰত্নাৱলীক অপেশ্বৰীৰ দৰে দেখাইছে।

এই কাপোৰসাজ আজি ইচ্ছা কৰিয়েই পিন্ধিছে ৰত্নাৱলীয়ে।

ফিংগুৱা কোঁৱৰৰ কাৰণে।

আৰিমত্ত নথকা দিনকেইটাত নীলকান্তই ৰত্নাৱলীক ফিংগুৱাৰ ৰাজগৃহত থৈ আহিছিল। আৰিমত্ত অহা বুলি গম পায়েই লৈ আহিছেগৈ। ফিংগুৱাগড়লৈ ৰাজআলিৰে গ'লে কিছুদূৰ হয়। কিন্তু হাবিতলীয়া চমুবাট এটাও আছে। সেই বাটেৰেই নীলকান্তই ফিংগুৱাৰ গড়লৈ অহা-যোৱা কৰে।

এইকেইটা দিন ৰত্নাৱলী যেন সপোনৰ মাজত আছিল। আগেয়ে ফিংগুৱা কোঁৱৰ নিজেই বেতনালৈ আহিছিল। আৰিমত্তই ৰাজ্য জয় কৰাৰ পিচত আৰু অহা নাই। আৰিমত্ত ৰাজধানীত থাকিলে ৰত্নাৱলীৰ ফিংগুৱাগড়লৈ যোৱাটোও সম্ভৱ নহয়। দেউতাকে যাবলৈ নিদিয়ে। আৰিমত্তৰ আল-পৈচান ধৰিবলৈ লৈ আনে।

আৰিমত্তক এনেয়ে বেয়া নাপালেও ফিংগুৱা কোঁৱৰৰ কথা ভাবিলে খং উঠি যায় ৰত্নাৱলীৰ।

দেউতাকে তাইক দঢ়াই দঢ়াই কৈছে আৰিমত্তই যাতে ফিংগুৱা কোঁৱৰৰ লগত থকা তেওঁলোকৰ সম্পৰ্কৰ কথা ঘূণাক্ষৰেও গম নাপায়। নহ'লে আৰিমত্তক কেতিয়াবাই ফিংগুৱা কোঁৱৰৰ কথা কৈ পেলালেহেঁতেন ৰত্নাৱলীয়ে। এইকেইদিন বহুদিনৰ মূৰত ফিংগুৱা কোঁৱৰক ওচৰত পাই আনন্দত আত্মহাৰা হৈ আছিল ৰত্নাৱলী।

ফিংগুৱা কোঁৱৰৰ স্পৰ্শত যেন জাদু আছে। সৰগলৈ লৈ যায় ৰত্নাৱলীক।

মৰমৰ কথাবোৰে মনৰ মাজত যেন ধুমুহা জগায়।

কি সুন্দৰ ফিংগুৱা কোঁৱৰ!

কি অদ্ভুত সুন্দৰ তেওঁৰ মৰমবোৰ!

আৰিমত্তৰ লগত ফিংগুৱা কোঁৱৰৰ তুলনাই নহয়।

চকুযোৰ অৱশ্যে ধুনীয়া আৰিমত্তৰ। ওখ আৰু পাহোৱালো ; কিন্তু আৰিমত্তই ফিংগুৱা কোঁৱৰৰ দৰে ধেমালি কৰিব নাজানে। মৰম কৰিব কিজানি নাজানেই। ৰত্নাৱলীয়ে জানে তাই কিমান ধুনীয়া। এই অভং লালুংটোৱে কিন্তু তাইলৈ মূৰ তুলিয়েই নাচায়। ধুনীয়া লাগিছে বুলিও নকয়। ক'বলৈ হ'লে গংগাৱতীৰ কথাহে কয়।

গংগাৱতী নামৰ ৰাণীজনী তাইতকৈও ধুনীয়ানে? হ'বই নোৱাৰে। লালুঙৰ ছোৱালী ৰত্নাৱলীয়ে দেখা নাই। ওচৰৰ বড়ো-কছাৰীৰ ছোৱালীতো দেখিছে। তেনেকুৱাই হ'ব নিশ্চয়। ৰত্নাৱলীৰ লগত ফেৰ মাৰিব কেতিয়াও নোৱাৰে গংগাৱতীয়ে।

ভাবি ভাবি চাকি জ্বলাই গৈছে ৰত্নাৱলীয়ে। সন্মুখৰ চোতাতল বহি চাই আছে আৰিমত্তই। জুৰ নিচাত মগ্ন। গভীৰভাৱে অন্যমনস্ক।

ঢোলৰ মাত শুনি চাকিৰে ভৰা ডলাখন নমাই থৈ আগবাঢ়ি আহিল ৰত্নাৱলী। চাকিৰে সজোৱা দুৱাৰমুখত থিয় হ'লহি। ফিংগুৱা কোঁৱৰে ৰত্নাৱলীলৈ চালে। ৰত্নাৱলীয়ে পিন্ধা মুগাৰ সাজযোৰ দক্ষিণপাৰৰ পৰা আৰু গহনাবোৰ পশ্চিমৰ ভূঞা ৰাজ্যৰ পৰা আনি দিছে ফিংগুৱা কোঁৱৰে। বৰ ধুনীয়া লাগিছে ৰত্নাৱলীক।

ৰত্নাৱলীয়ে হাঁহিব খুজিছে।

ফিংগুৱা কোঁৱৰ গম্ভীৰ হৈ গ'ল। ৰত্নাৱলীৰ পৰা চকু ঘুৰাই আৰিমত্তৰ ওচৰত বহিলগৈ।

একমুহূর্ত বিমোৰৰ দৰে থিয় হৈ থাকি ৰত্নাৱলী উভতি গ'ল। ডলাখন তুলি লৈ বস্তিবোৰ সজোৱাত লাগিল।

মন বেয়া হৈ গৈছে ৰত্নাৱলীৰ।

ফিংগুৱা কোঁৱৰে তাইক নামাতিলে।

মাতিলে কি হয়!

আৰিমত্তই জানিব।

জানিলেনো কি হয়!

আৰিমত্ত ঘোঁৰাপাক নেকি? বাক নেকি? বিলৰৈ নি উভতাই পুতিব নেকি ৰত্নাৱলীক? দেউতাকহঁতক?

নিজৰ চিন্তাত অকলে অকলে হাঁহি উঠিল ৰত্নাৱলীয়ে।

আৰিমত্তই ঘূৰি চালে। অকলে অকলে হাঁহি থকা ধুনীয়া ছোৱালীজনীলৈ কিছু সময় একেথৰে চাই থাকিল। আৰু হঠাতে, হঠাতে— যেন অন্য এক ভাবনাই আহি মনৰ মাজত উমলিবলৈ আৰম্ভ কৰিলে।

ফিংগুৱা কোঁৱৰৰ লগত বহি জু খাই থকা সময়খিনিত ৰত্নাৱলীৰ কথাই ভাবি থাকিল আৰিমত্তই। চোতালৰ পৰা উঠি ৰংপথাৰলৈ গৈ থাকোতেও ৰত্নাৱলীৰ কথা মনলৈ আহি থাকিল।

ফিংগুৱা কোঁৱৰৰ লগত বহিলগৈ আৰিমত্ত। পুতলা নাচ আৰম্ভ হোৱাৰ পিচতো কিছুসময় বহি থাকিল। তাৰ পিচত ফিংগুৱা কোঁৱৰক ক'লে—

'মই অলপ সময়ৰ বাবে হাউলীলৈ যাওঁ। আপুনি পুতলা নাচ উপভোগ কৰক। দোষ নধৰিব। মই এটা সিদ্ধান্ত লৈছো। আপোনালোকে অলপ পিচতে জানিবলৈ পাব।'

আৰিমত্ত উঠি আহিল।

জুৰ নিচা তেতিয়া ভালকৈ লাগিছিল। শাৰী শাৰী মাটিৰ চাকিবোৰ পোহৰৰ পটি এটাৰ দৰে লাগিছিল। ভৰিৰ খোজবোৰে মাটি বিচাৰি নাপাব নাপাব লাগিছিল।

তথাপিও খোজবোৰ ঠিকেই পৰিছিল। মনৰ শক্তিত, গভীৰ খোজেৰে ৰাজহাউলীলৈ সোমাই আহিল আৰিমত্ত।

আৰিমত্তই গম পোৱা নাই পিচে পিচে আহি আছে চামল ; আৰু অলপ পিচে পিচে নীলকান্ত।

হাউলীত খোজ থৈ আৰিমত্তই চাৰিওফালে চালে।

ৰত্নাৱলী ক'ত?

'ৰত্নাৱলী।' ডাঙৰকৈ মাতিলে আৰিমত্তই।

'দেওৰাজা— মই মাতি দিছো। আপুনি বহক।' আৰিমত্তৰ আচৰণত বিৰক্ত হৈ চামলে ক'লে।

'অ'— চামল— পুতলা নাচ এৰি আহিলি কিয়? ৰাজা হৰিশ্চন্দ্ৰৰ কাহিনী দেখুৱাইছে। নাচালি কিয়? মই নাচাওঁ। হৰিশ্চন্দ্ৰৰ সাধু মই বিশ্বাস নকৰো। মই কেতিয়াও ৰাজা হৰিশ্চন্দ্ৰৰ দৰে নহওঁ। বুজিছ চামল। ৰাজা হৰিশ্চন্দ্ৰ হৈ লাভ নাই। মই ভালদৰে থাকিম। মই সুখেৰে থাকিম।' আৰিমত্তই কৈ গৈছে। গম্ভীৰ আৰু বিৰক্ত মুখেৰে শুনি গৈছে চামলে।

অলপ পিচতে পুতলা নাচ চাবলৈ যাওঁ বুলি পিন্ধি থকা কাপোৰ সাজ নিয়াৰিকৈ লৈ ৰত্নাৱলী দৌৰ মাৰি ওলাই আহিল।

'মোক মাতিছিল দেওৰাজা?' ৰত্নাৱলীয়ে সুধিলে।

'মাতিছিলো। মোৰ তোমাক এটা কথা ক'বলগীয়া আছে।'

'কওঁক দেওৰাজা।' আৰিমত্তৰ নিচাগ্ৰস্ত চকুলৈ চাই আচৰিত হৈ সুধিলে ৰত্নাৱলীয়ে।

ৰত্নাৱলীৰ চকুলৈ চালে আৰিমত্তই। চায়েই থাকিল। তাৰ পিচত কৈ উঠিল—

'মই আজি, এতিয়াই তোমাক বিয়া কৰাম ৰত্নাৱলী। এতিয়াই।'

ৰত্নাৱলী হতভম্ব হৈ গ'ল। পৰম আশ্চৰ্য আৰু সীমাহীন আতংকত নিথৰ হৈ গ'ল।

বৈদ্যগড়ৰ মাজমজিয়াত থিয় হৈ ৰজা আৰিমত্তৰ ইচ্ছাৰ বিৰোধিতা কৰাৰ সাহস কাৰ থাকিব পাৰে? সিংহৰ গুহাত শুদাহাতে থিয় হৈ কোনে ক'ব পাৰে— 'মই সিংহৰ লগত যুঁজিম?'

নিথৰ হৈ, নিৰ্বাক হৈ আৰিমত্তলৈ চাই আছে ৰত্নাৱলীয়ে।

নিথৰ গৈ গৈছে চামলো। এই আকস্মিক সিদ্ধান্তত।

মাত্ৰ অলপ দূৰৈত থিয় হৈ থকা নীলকান্তৰ মন আনন্দত নাচি উঠিছে।

তেওঁক মাত্ৰ ক্ষমতা লাগে। প্ৰভূত ক্ষমতা। সেই ক্ষমতা দিয়া ৰজাজন আৰিমত্তই হওঁক বা ফিংগুৱা কোঁৱৰেই হওঁক কি আহে যায়।

ৰত্নাৱলীৰ মুখামুখিহৈ থিয় হৈ, ৰত্নাৱলীৰ চকুত চকু থৈ আৰিমত্তই আকৌ ক'লে—

'সমাজ বহি আছে। পুৰোহিত আছে। তোমাৰ পিতৃ আছে। বিয়াৰ বাবে আৰু কি লাগে। মই তোমালোকৰ নিয়মমতে, হোমযজ্ঞ কৰি বিয়া পাতিম। চামল— আচাৰ্যদেৱক মাত। বিয়াৰ যোগাৰ কৰ। তোমাৰ আপত্তি নাই। মই জানো। তোমাৰ পিতা ক'ত? চামল— ঘোঁৰাচোৱা বিষয়াক মাত।'

'মই ইয়াতেই আছো ৰজাদেউ।' হাত কচালি কচালি আনন্দত উত্ৰাৱল হৈ পৰা নীলকান্ত আগবাঢ়ি আহিল।

'অ'। ভাল হৈছে। ৰত্নাৱলীক মোলৈ বিয়া দিয়াত আপত্তি আছে নেকি?' নীলকান্তৰ চকুলৈ চালে আৰিমত্তই।

পৰম আশাৰে অসহায় চকুযোৰ তুলি পিতৃলৈ চালে ৰত্নাৱলীয়েও।

'আপত্তি— আপত্তিৰ প্ৰশ্ন নুঠে মহাঅধিৰাজদেৱ। এয়া আমাৰ পৰম সৌভাগ্য। যা মাই যা— বিয়াৰ বাবে প্ৰস্তুত হগৈ। মই দুগৰাকীমান আয়তীক মাতি আনোগৈ।'

জীয়েকৰ চকুলৈ নোচোৱাকৈ কথাকেইষাৰ কৈ খৰখোজেৰে গুচি গ'ল নীলকান্ত। বৈদ্যগড়ৰ ৰাজহাউলিৰ দুৱাৰমুখত শিল হৈ থিয় হৈ থাকিল ৰত্নাৱলী।

আৰিমত্ত ভিতৰলৈ গুচি গৈছে।

ৰৈ আছে চামল।

একো কৰাৰ উপায় নাই ৰত্নাৱলীৰ। কি কৰিব? পিতৃ যাৰ সহায়ক নহয়— আত্মীয় যাৰ নাই— সেই নাৰীয়ে কি কৰিব?

আত্মহত্যা কৰিব? পলাই যাব ফিংগুৱা কোঁৱৰৰ ওচৰলৈ?

আত্মহত্যা কৰাৰ পথো নাই। পলাই যোৱাৰ পথো নাই।

চামলৰ দৃষ্টি পাৰ হৈ কেনেকৈ যাব ৰত্নাৱলী?

চামল আগবাঢ়ি আহিল।

ৰত্নাৱলীৰ সম্মুখত থিয় হৈ কঠিন আৰু শীতল কণ্ঠেৰে ক'লে—

'ভিতৰলৈ বলক। আয়তীসকল অহালৈ আপুনি জিৰণি লওঁক।'

বাহিৰত তেতিয়া ৰাজা হৰিশ্চন্দ্ৰ উপাখ্যান শেষ অংশত উপনীত হৈছিল। পুতলা নাচ চাই থকা নাৰীসকলে উচুপি উচুপি কান্দিবলৈ আৰম্ভ কৰিছিল।

সেই উচুপনিবোৰে যেন কাঢ়ি লৈ গৈছে ৰত্নাৱলীৰ সকলো চকুপানী। ঘৰৰ মজিয়াত পাৰি দিয়া ফুলাম পাটীত আঁঠুত মূৰ থৈ বহি আছে ৰত্নাৱলী। আয়তী কিছুমানে জাত জাত বিয়ানাম গাই পানী তুলি অলপ আগতে নোৱাই আনি সজাই থৈ গৈছে ৰত্নাৱলীক।

সোমাই আহিল নীলকান্ত।

'আপোনালোক অকণমান বাহিৰলৈ গ'লে ভাল আছিল। মাইক মই দুটামান কথা ক'ম।' নীলকান্তই হাতযোৰ কৰি ক'লে।

আয়তীকেইগৰাকী ওৰণি টানি ওলাই গ'ল। নীলকান্ত ৰত্নাৱলীৰ ওচৰত বহিল। তাইৰ মূৰত হাত থৈ মৰমভৰা মাতেৰে লাহে লাহে ক'লে—

'দুখ নকৰিবি মাই। তই বহুত সুখেৰে থাকিব পাৰিবি।'

ৰত্নাৱলীয়ে মুৰ তুলি চালে। শুকান চকুযোৰ দেউতাকৰ চকুত থৈ ধীৰ মাতেৰে সুধিলে—

'এই কাম তই কিয় কৰিলি পিতা? কিয় সঁচা কথাটো নক'লি?'

'তোৰ ভালৰ কাৰণে মাই। ফিংগুৱাৰ লগত বিয়া হৈ তই কি পাবি? চাৰিখন গাঁৱৰ ৰজা সি। আৰিমত্তৰ হাতত কমতা আছে। গোভা আছে। ফিংগুৱাই এতিয়ালৈ আৰু এখন গাঁৱো ল'ব পাৰিছেনে? আৰিমত্তই কিন্তু গোভাৰ পৰা আহি ৰাজ্য ল'লে। তেওঁৰ ৰাজ্য আৰু ডাঙৰ হ'ব। তই মহাৰাণী হৈ থাকিব পাৰিবি। মোলৈ চা— কি পাইছো মই ইয়াত? ঘোঁৰাৰখীয়া। এতিয়া মই ঘোঁৰাৰখীয়াৰ পৰা ৰজাৰ শহুৰ হ'ম। আমাক আৰু কি লাগে মাই?'

পিতৃৰ মুখলৈ অবাক হৈ চাই থাকিল ৰত্নাৱলীয়ে। পৰিষ্কাৰ হৈ পৰিছে সকলো কথা। ৰত্নাৱলীয়ে বুজি গৈছে দেউতাকে অতদিনে কৰি অহা কামবোৰৰ প্ৰকৃত উদ্দেশ্য।

ৰত্নাৱলীৰ চকুযোৰ পানীৰে উপচি পৰিল।

'তই ৰজাৰ শহুৰ হ'বলৈ মোক বিকি দিলি পিতা?'

'তেনেকৈ নক'বি মাই। বিকিম কিয়? তোৰ জানো ভাল নহ'ব? তই জানো ৰাণী নহ'বি?'

'ৰাণী হোৱাই শেষ কথা? আৰু একো নাই? আৰু একো কথা নাভাবিলি?'

'ফিংগুৱাৰ কথা? এইবোৰ মনৰ বস্তু মনতে মৰি যাব। মনৰ কথা ভাবি থাকিলে হাতত পোৱা সোণ হেৰুৱাবি মাই। চাৰিখন গাঁৱৰ ৰজাটোক পাহৰি যা মাই। তোৰ ভাল হ'ব। পিচত গম পাবি।'

ৰত্নাৱলীৰ মুখত এটা তীক্ষ্ণ বিদ্রূপৰ হাঁহি বিৰিঙি উঠিল।

'মন নামৰ বস্তু তোৰ মাজত নাই পিতা। সেই কাৰণে এই কাম কৰিব পাৰিলি। নিজৰ জীক বিকিব পাৰিলি।'

নীলকান্তই কিবা কোৱাৰ আগতে চামল আহি থিয় হ'ল।

'কইনাক লৈ যাবৰ হ'ল।'

হোমৰ জুইৰ সম্মুখত পাটৰ সাজ পিন্ধি বহি আছিল আৰিমত্ত। ৰত্নাৱলীক আয়তীসকলে ওচৰলৈ আনি বহুৱাই দিলেহি। ওৰণিৰ মাজেৰে সম্মুখত বহি থকা কোঁৱৰলৈ চাইছে ৰত্নাৱলীয়ে। কোঁৱৰে তলমুৰ কৰি আছে। কান্ধত পেলাই লোৱা চাদৰখনেৰে চকু মোহাৰিছে।

হোমৰ ধোঁৱাই চকুত ধৰিছে।

ৰত্নাৱলীয়ে জানে— ফিংগুৱা কোঁৱৰে কান্দিছে। তাইৰ কাৰণে কান্দিছে। ৰত্নাৱলীৰ চকুযোৰ পানীৰে উপচি পৰিল। আচার্য বিদ্যানিধিয়ে তেতিয়া মন্ত্র পাঠ কৰিবলৈ

আৰম্ভ কৰিছে। হোমদণ্ডৰে ঢালি দিয়া গব্য ঘৃতই দপ্‌দপিয়াকৈ জ্বলাই তুলিছে বিয়াৰ হোমাগ্নি।

সেই জুইলৈ চাই ৰত্নাৱলীয়ে মনে মনে ক'লে—

'অগ্নি দেৱতাক সাক্ষী কৰি সইত সইত তিনি সইত খাই কৈছো— মই মনে প্ৰাণে চিৰদিন ফিংগুৱা কোঁৱৰকে স্বামী বুলি মানি থাকিম। এদিন নহয় এদিন মই তেওঁৰ ওচৰলৈ গুচি যাম। যামেই।'

অগ্নিনাৰায়ণ সাক্ষী কৰি আচাৰ্যই তেতিয়া প্ৰজাপতি ব্ৰহ্মাৰ নামলৈ ৰত্নাৱলীক আৰিমত্তলৈ উচৰ্গা কৰাৰ প্ৰস্তুতি আৰম্ভ কৰিছিল।

বিয়া যেতিয়া শেষ হৈছে তেতিয়া ৰাতি পুৱাবৰ হৈছে।

লৰালৰিকৈ পতা বিয়া হ'লেও সকলো নিয়ম-পালন কৰা হৈছে। মাত্ৰ ৰজা দৰাৰ লগত ধেমালিৰ অনুষ্ঠানবোৰ পাতিবলৈ সাহস নকৰি বহি আছে আয়তীসকল।

চামল আহি থিয় হ'ল।

'আয়তীসকল এতিয়া যাওঁক। ৰাণী আইদেউক বিশ্ৰামৰ প্ৰয়োজন।'

আয়তীসকল গুচি যোৱাৰ পিচত চামলে আহি সেৱা কৰিলে।

ৰত্নাৱলীয়ে মুৰ তুলি চালে—

'ৰজাদেউক মই এবাৰ লগ পাব খুজিছো মহাসামন্ত মহাশয়।'

'মোক মহাশয় নকব ৰাণী আইদেউ। মোৰ নাম চামল।'

'অভ্যাস নাই মহাসামন্ত মহাশয়। ৰজাদেউক এবাৰ লগ পাব নোৱাৰিনে?'

'মই এতিয়াই মাতি আনিছো ৰাণী আইদেউ।'

চামল গ'লগৈ।

কেইটামান মুহূৰ্ত পিচতে আৰিমত্ত সোমাই আহিল। পিচে পিচে গৰ্বিত খোজেৰে ৰজা শহুৰ নীলকান্ত।

'মোক মাতিছিলা ৰত্নাৱলী?' আৰিমত্তই সুধিলে।

'হয় ৰজাদেউ। মোৰ এটা প্ৰশ্ন আছিল।' ৰত্নাৱলী থিয় হ'ল।

'কোৱা।' আচৰিত হৈ সুধিলে আৰিমত্তই।

'নতুন কইনাক স্বামীয়ে কিবা উপহাৰ দিয়েনে নিদিয়ে ৰজাদেউ?'

'দিব লাগে। নিয়ম অবশ্যে নাই।' আৰু বেছি আচৰিত হৈ ক'লে আৰিমত্তই।

'মই এটা বস্তু খুজিম ৰজাদেউ।' ধীৰভাবে ক'লে ৰত্নাৱলীয়ে।

'খোজা।'

'মোৰ পিতৃ নীলকান্তক এই ৰাজগৃহ, এই ৰাজধানী, এই ৰাজ্যৰ পৰা খেদি পঠিয়াওক ৰজাদেউ।'

২৩

চম্পক-কলিকা যেন মোৰ কলেৱৰ।
লুণ্ডি-ঘুণ্ডি আছিলাহা যেহেন ভ্ৰমৰ।।
যেৱে আসি বিকশিত হৈল ফুলকল।
উপভোগ এৰি কেনে কৰাহা নিস্ফল।।

কনচাৰীৰ শুৱলা অথচ গম্ভীৰ কণ্ঠত যেন প্ৰাণ পাই উঠিছে ৰামৰ বনবাস যাত্ৰাৰ প্ৰাকমুহূৰ্তৰ অযোধ্যা। স্বামীৰ লগত বিচ্ছেদ সম্ভাৱনাত কাতৰ হৈ পৰা সীতাৰ আকুতিয়ে গধুৰ কৰি তুলিছে শয়ন কক্ষৰ বতাহ। গোভাৰ ৰাজানঃৰ শয়নকক্ষত বহি ৰামায়ণ পাঠ কৰি আছে কনচাৰীয়ে। ওচৰতে মজিয়াত আমচা এখনত বহি একান্তমনে পাঠ শুনি আছে সোণজিৰাই।

সদায় শুনে।

বুজক নুবুজক— শুনি থাকে।

মাজে মাজে কনচাৰীয়ে কাহিনীবোৰ থূলমূলকৈ বুজাই দিয়ে। মাজে মাজে পাঠ কৰি যায়। একো নকয়।

সোণজিৰায়ো কোনো প্ৰশ্ন নকৰে।

সোণজিৰাই আজিকালি আগৰ দৰে কথাই কথাই প্ৰশ্ন নকৰা হ'ল। কথাও আগৰদৰে নকয়। স্বামী ফুলেশ্বৰৰ মৃত্যুৰ পিচৰ পৰা সোণজিৰা যেন স্তব্ধ হৈ গৈছে। একমাত্ৰ পুত্ৰ চামলো নাই। আৰিমত্তৰ লগত কমতাত আছেগৈ।

সোণজিৰাৰ কথা নাভাবে চামলে।

চামলে চিনি পায় আৰিমত্তক। একমাত্ৰ আৰিমত্তক। আৰিমত্তৰ যেন ছাঁ হে চামল।

সোণজিৰাই কেতিয়াবা এই অভিযোগ কৰিলে চামলে হাঁহিছিল। কৈছিল—

'তুমিও জানো মোৰ কথা ভাবা? কনচাৰী আয়ংহে তোমাৰ আপোন। ভালেই হৈছে। তুমি আয়ঙৰ লগত থাকিবা। মই মোৰ দেওৰাজাৰ লগত থাকিম।'

সোণজিৰাই কেতিয়াও ভবা নাছিল সেই ধেমালিত কোৱা কথাবোৰেই এদিন সঁচা হৈ পৰিব।

গোভাৰ ৰাজানঃ নির্জন হৈ গৈছে।

নিস্তব্ধ হৈ গৈছে সোণজিৰাৰ উৎসাহ জিল্‌মিল্‌ কথাৰ অভাৱত। প্রাত্যহিক কামৰ ব্যস্ততাসমূহ এতিয়াও একেই থাকিলেও ক'ৰবাত যেন কিবা এটা নাই। কোনোখিনিত যেন বিচাৰি পোৱা নাযায় জীৱনমুখী স্পানন্দৰ ছন্দ।

দুই নিঃসংগ নাৰী বহি থাকে নিঃশ্চুপ হৈ।

কথা কোৱাৰ প্রয়োজন যেন শেষ হৈ গৈছে। নৈঃশব্দই যেন কঢ়িয়াই অনা-নিয়া কৰি থাকে দুয়োগৰাকী বয়স্কা নাৰীৰ ক'ব খুজিও ক'বলৈ মন নোযোৱা কথাবোৰ।

আজি কিছুদিন ধৰি গধুলি গধুলি নিজৰ কোঠাত ৰামায়ণ পাঠ কৰিবলৈ লৈছে কনচাৰীয়ে। আৰিমত্তই গোভা ত্যাগ কৰি গুচি যোৱাৰ কিছুদিন আগতে চুবুৰীয়া ভূঞা ৰাজ্যলৈ টোল এখন চাবলৈ গৈছিল কনচাৰী। ভূঞা ৰাজ্যৰ অধিকাৰী কুসুম্বৰ ভূঞাই নিজৰ ৰাজ্যত এখন টোল স্থাপন কৰা বুলি শুনি আনন্দিত হৈছিল কনচাৰী। তেনে টোল গোভা আৰু গোভাৰ অনুগত ৰাজ্যসমূহতো পাতিব পাৰি নেকি জানিবলৈ ভূঞা ৰাজ্যলৈ গৈছিল কনচাৰী। তাতেই পণ্ডিত মহেন্দ্র কন্দলিক লগ পাইছিল। টোল পৰিদর্শন কৰিবলৈ অহা ৰাঘ' আচার্যকো লগ পাইছিল। উভতি আহিবৰ সময়ত কুসুম্বৰ ভূঞাই কেইবাজনো বিদ্বান কবিৰ ৰচনাৰ সাচিপঁতীয়া প্রতিলিপি কনচাৰীক উপহাৰ দিছিল। অন্যান্য পুথিও দিছিল। ৰাঘ' আচার্যই তেওঁৰ গুৰু মাধৱ কন্দলিয়ে ৰচনা কৰা ৰামায়ণৰ প্রতিলিপি এটিও দিছিল।

আৰিমত্তৰ অনুপস্থিতিত শূন্য হৈ যোৱা কনচাৰীক সেই পুথিসমূহেই প্রদান কৰিছে সুস্থিৰতাৰ কিছু সমল।

পুথি পঢ়াটো এতিয়া কনচাৰীৰ বাবে মাত্র অৱসৰ কটোৱাৰ আহিলা নহয়। আত্মবিস্মৃতিৰ সহায়কো। নিজক পাহৰি থাকিব খোজে কনচাৰীয়ে। সকলো চিন্তাৰ পৰা আঁতৰি গভীৰ ঔদাসীন্যৰ নির্জন উপত্যকাত নিজকে বন্দী কৰি থ'ব খোজে।

আৰিমত্ত যোৱাৰ পিচত ৰাজ্যৰ সামুহিক কল্যাণৰ হকে কৰি থকা কামবোৰ কোনো ত্রুটি নোহোৱাকৈ আগৰ দৰেই কৰি গৈছে কনচাৰীয়ে। তেওঁৰ বাহ্যিক আচৰণ আৰু মুখৰ অভিব্যক্তি দেখি তেওঁৰ মনৰ অভ্যন্তৰৰ সুগভীৰ দুখবোধ কোনেও বুজি নাপায়।

বাহিৰত কনচাৰী গম্ভীৰ। আত্মস্থ। সমাহিত।

কিন্তু দিনৰ পৰিশ্রমৰ শেষত শয়নকক্ষলৈ যেতিয়া বিশ্রাম ল'বলৈ আহে তেতিয়া কনচাৰীৰ মুখৰ পৰা মচ খাই যায় সমস্ত আত্মবিশ্বাস। মুখৰ সমস্ত উজ্জ্বলতা। সমস্ত প্রশান্তি।

শয়নকক্ষৰ নির্জনতাত তেতিয়া মাত্র মাক হৈ যায় কনচাৰী।

এই কনচাৰীক দেখা পায় মাত্র সোণজিৰাই।

সোণজিৰাই অনুভৱ কৰিব পাৰে কনচাৰীৰ মনোকষ্ট।

সোণজিৰা নিজেও যে একেই দুখেৰে দুখী। কিন্তু কনচাৰীৰ মুখলৈ চালে নিজৰ দুখ যেন পাহৰি যায় সোণজিৰাই। কনচাৰীৰ মনোকষ্টই প্রধান হৈ উঠে সোণজিৰাৰ কাৰণে। সেয়েহে যিমান সময় পাৰে কনচাৰীৰ ওচৰে ওচৰে থাকিবৰ চেষ্টা কৰে। সোণজিৰা ওচৰত থাকিলে কনচাৰীয়েও ভাল পায়। একো নক'লেও যেন কোৱা হৈ যায় অনেক কথা।

দহ বছৰ বয়সৰ পৰাই গোভাৰ ৰাজানঃৰ বাহিৰত আছে আৰিমত্ত। সুদীর্ঘ বাৰ বছৰৰ মূৰত চামাদিৰ পৰা ওলোৱাৰ পিচতেই আৰিমত্তৰ অভিষেক হৈছিল। কুমৈ, বঘৰাৰ দায়িত্বলৈ ব্যস্ত হৈ পৰিছিল আৰিমত্ত। কিমান দিননো তাক ওচৰত পালে কনচাৰীয়ে।

তথাপিও কিয় জানো আৰিমত্তক ওচৰত নাই যেন লগা নাছিল কনচাৰীৰ। আত্মীয়হীন ৰাজানঃৰ নিঃসংগতাই কনচাৰীক কষ্ট দিব পৰা নাছিল।

তাৰ পিচত আৰিমত্ত ৰাজ্য বিস্তাৰৰ আকাংক্ষাৰে গোভাৰ পৰা ওলাই গ'ল। সুদীর্ঘ দুবছৰ কমতাত থাকিল। সেই সময়ত কনচাৰীয়ে নিঃসংগ অনুভৱ কৰিছিল। মনটো বেয়া লাগি থাকিছিল। কিন্তু তেতিয়াও কনচাৰীৰ ভিতৰখন শূন্য হৈ যোৱা যেন লগা নাছিল।

এতিয়া লাগে।

সকলো অর্থহীন হৈ যোৱা যেন লাগে।

শূন্য হৈ যোৱা যেন লাগে ৰাজানঃ। গোভা।

অপৰাধবোধৰ সূক্ষ্ম কাঁইট এডালে অহৰহ যেন বিন্ধি থাকে কনচাৰীক। আৰিমত্তৰ মনোকষ্টৰ কথা ভাবি কাতৰ হৈ উঠে যন্ত্রণাত।

কোনেও নাজানে, আনকি আৰিমত্তয়ো নাজানে, কনচাৰীৰ কেনেকৈ নিজহাতে ভেটিছিল একমাত্র পুত্রৰ আনন্দৰ পথটো।

আৰিমত্ত যেতিয়া চিৰদিনৰ কাৰণে গোভা ত্যাগ কৰি গুচি গৈছিল, তেতিয়া কনচাৰী ৰাজানঃত নাছিল। বিদায় পৰত আৰিমত্তক কনচাৰীয়ে নেদেখিলে। দেখাৰ ইচ্ছাও নাছিল। শক্তিও নাছিল। সুযোগো নাছিল। আৰিমত্ত গুচি যোৱাৰ পিচতহে ৰাজানঃলৈ উভতি আহিছিল কনচাৰী। ৰাজানঃৰ বাহিৰচ'ৰাত কনচাৰীলৈ অপেক্ষা কৰি আছিল সাধুকুমাৰে।

সাধুকুমাৰ বিষাদ গম্ভীৰ মুখখন দেখিয়েই কনচাৰীয়ে বুজিছিল— আৰিমত্ত গুচি

গৈছে। চিৰদিনৰ কাৰণে গোভা ত্যাগ কৰি গুচি গৈছে।

কিন্তু কনচাৰীৰ মুখ দেখি সাধুকুমাৰে গম পোৱা নাছিল কেনেকৈ আৰিমত্তৰ জীৱনৰ গতিপথ সলাই থৈ আহিল কনচাৰীয়ে।

সাধুকুমাৰক একো কোৱা নাছিল কনচাৰীয়ে।

সাধুকুমাৰেও একো কোৱা নাছিল।

ৰাজানঃৰ বাহিৰচ'ৰাত নিঃশব্দে বহি আছিল দুযো। বহুত সময়। তাৰ পিচত সাধুকুমাৰ গুচি গৈছিল আমচাই মাৰ্জঙলৈ। কনচাৰী সোমাই আহিছিল ভিতৰলৈ।

শূন্যতালৈ।

সুদীৰ্ঘ তিনি মাহৰ পিচত আজি আৰিমত্তৰ পত্ৰ পাইছে কনচাৰীয়ে। অনেক বাতৰি কঢ়িয়াই অনা বহু আকাংক্ষিত পত্ৰ। কনচাৰীয়ে ভাবিছিল আৰিমত্তই হয়তো গোভাৰ লগত কোনো যোগাযোগ নাৰাখিব। উভতি অহাৰতো প্ৰশ্নই নাই।

নিজৰ পুত্ৰক ভালদৰে চিনি পায় কনচাৰীয়ে। গংগাৱতীৰ প্ৰত্যাখ্যানে আৰিমত্তৰ মনত কি ধুমুহাৰ সৃষ্টি কৰিব পাৰে কনচাৰীয়ে জানে।

বিগত তিনি মাহ আৰিমত্তৰ কোনো দুঃসংবাদ পোৱাৰ শংকাই কণ্টকিত কৰি ৰখা কনচাৰীলৈ আৰিমত্তৰ পত্ৰই কঢ়িয়াই আনিছে সুখ-দুখৰ দুটা বাতৰি। আৰিমত্তই পত্ৰত ৰত্নাৱলী নামৰ এজনী ছোৱালীক বিয়া কৰোৱাৰ সংবাদ দিছে। একেখন পত্ৰই কঢ়িয়াই আনিছে গোভাৰ ৰাজ্যাধিকাৰ ত্যাগ কৰাৰ শপত বাক্য। বৈদ্যগড়লৈ মাকক নিমন্ত্ৰণ জনোৱা নাই আৰিমত্তই। আৰিমত্তই ক'ব খোজা কথাখিনি বুজিছে কনচাৰীয়ে। গোভাৰ মাটিৰ পৰা নিজৰ শিপা উঘালি পেলাইছে আৰিমত্তই। পত্নী ৰত্নাৱলীৰ লগত আৰম্ভ কৰিব খুজিছে এটা অন্য জীৱন। সেই জীৱনত গোভাৰ আত্মীয়সকলৰ উপস্থিতি বাঞ্ছা নকৰে আৰিমত্তই।

আৰিমত্তৰ পত্ৰই সুখ-দুখৰ দুখন দেশৰ সীমাত থিয় কৰাই থৈছে কনচাৰীক। এফালে সুস্থিৰ জীৱনলৈ অগ্ৰসৰ হ'ব খোজা পুত্ৰৰ কাৰণে স্বস্তি আৰু আনহাতে পুত্ৰৰ সৈতে বিচ্ছেদৰ কষ্ট। সেই কষ্টৰ লগত যোগ হৈছে গংগাৱতীৰ কথাও। গংগাৱতীৰ জীৱনৰ শূন্যতাৰ কথা ভাবি গভীৰ বিষাদে আৱৰি ধৰিছে কনচাৰীক।

কেনেকৈ কটাব গংগাৱতীয়ে এটা নিঃসংগ সুদীৰ্ঘ জীৱন? এটা আবেলিত গংগাৱতীৰ অৰ্ন্তস্থললৈ দেখা পোৱা নাছিল জানো কনচাৰীয়ে? দেখা নাছিল জানো আৰিমত্তৰ প্ৰতি থকা গংগাৱতীৰ সুগভীৰ ভালপোৱাক?

তাৰ পিচত সুদীৰ্ঘ তিনি মাহ পাৰ হৈ গৈছে শূন্যতাৰ মাজেৰে।

'পাই।'

সোণজিৰাৰ মাতত যেন টোপনিৰ পৰা সাৰ পাই উঠিল কনচাৰী। ৰামায়ণৰ

পাতৰ পৰা মুৰ তুলি সোণজিৰালৈ চালে।

'ক নানাঃও।'

'ৰামায়ণ শুনিবলৈ ভাল নালাগে পাই। বাল্মিকী নে কোন তেওঁ কিয়নো ইমান দুখৰ সাধু লিখিছিল?'

'কোনে জানে নানাঃও কিয় লিখিছিল। এইবোৰ হয়তো সাধু নহয়। এইবোৰ ঘটনা তেতিয়া হয়তো সঁচাকৈ ঘটিছিল। সীতা আইক নেদেখা হ'লে বাল্মিকীয়ে জানো ইমান সঁচাযেনকৈ দুখৰ কথাবোৰ লিখিব পাৰিলেহেঁতেন?'

'সীতা আইক তাৰ পিচত ৰামচন্দ্ৰ ৰজাই লগত লৈ গ'লনে?'

'গ'ল। তাৰ পিচত আৰু বহুত ঘটনা হ'ল। ৰাৱণ নামৰ বেয়া মানুহ এটাই সীতা আইক চুৰ কৰি লৈ গ'ল। ৰামে ৰাৱণক যুদ্ধত ঘটুৱাই মাৰি সীতা আইক লৈ আহিল। তাৰ পিচত কিন্তু সীতা আইক আকৌ বনবাস দিলে জান?'

'কিয় পাই?' আচৰিত হৈ সুধিলে সোণজিৰাই।

'ৰাৱণৰ লগত কিবা সম্পৰ্ক হোৱা বুলি ৰাইজৰ মাজত বু-বু বা-বা হ'ল। কথা গৈ ৰামৰজাৰ কাণত পৰিল। ৰাইজে বেয়া বুলিব বুলি কেঁচুৱা হ'ব লগা মানুহজনীক হাবিত এৰি থৈ আহিল। তাতেই বাল্মিকী মুনিয়ে পাই আশ্ৰমলৈ লৈ গ'ল। লৱ-কুশ নামৰ দুজন ল'ৰা তাতেই জন্ম পালে।'

'ইমান বেয়া নে ৰামৰাজা? তেনেহ'লে ৰামৰাজাকনো সকলোৱে কিয় ভাল বুলি কয়? কিয়নো পূজা কৰে?'

'তেওঁ যে বহুত ভাল কামো কৰিছে সেই কাৰণে হয়তো। আৰু তিৰোতা মানুহৰ দুখকনো কোনোবাই দুখ বুলি ভাবেনে?'

'আমাৰ দেওৰাজা ৰামৰাজাতকৈ বহুত ভাল। আমাৰ দেওৰাজাৰ সাধুহে লিখিব লাগিছিল বাল্মিকী মুনিয়ে। ৰামৰাজাইনো কি ভাল কাম কৰিলে পাই? লোকৰ কথা শুনি একো দায়-দোষ নকৰা মানুহজনীক হাবিত এৰি আহিল। মোৰ কিন্তু এটা কথাহে আচৰিত লাগিছে পাই— বাল্মিকীমুনিয়ে বাৰু আপোনাৰ কথা গম পাইহে ৰামায়ণ নে কি— এই সাধুটো লিখিছিল নেকি? আপোনাকোতো আপোনাৰ গৰাকীয়ে আমাৰ দেওৰাজাৰ লগত পঠিয়াই দিছিল। আমাৰ ল'ৰাকণোতো হাবিতে ডাঙৰ হ'ল। চামলক আৰু ল'ৰাকণক দেখিয়েই বাল্মিকী মুনিয়ে লৱ-কুশৰ কথা লেখিলে নেকি পাই?'

সোণজিৰাৰ কথা শুনি কনচাৰীয়ে হাঁহি পেলালে।

'নহয় অ' নানাঃও— বাল্মিকী জানো আজিৰ মানুহ? হেজাৰ কুৰি বছৰ আগেয়ে তেওঁ ৰামায়ণ লিখিছিল। আমি কিয়, আমাৰ আবি আজও তেতিয়া জন্ম হোৱা নাছিল।'

'আচৰিত। তেতিয়াৰ কথা আৰু এতিয়াৰ কথা ইমান একে।'

'সময়হে সলনি হয় নানাঃও। মানুহৰ স্বভাৱ জানো সলনি হয়? বন-বিৰিষ,হাবিৰ পহু, পখীৰ স্বভাৱ জানো সলনি হয়? মানুহোতো জন্তুহে। মানুহনো কিয় সলনি হ'ব? যিখিনি সলনি হয়— বৰ উপৰুৱাকৈ হয়। ভিতৰত একেই থাকে বুজিছ। নিয়ম-নীতিৰ হেঁচা দি মানুহক সমাজে পোন কৰি ৰাখে। কিন্তু তাৰ মাজতে সদায় একেবোৰ ঘটনাকে ঘটি থাকে। বাল্মিকী মুনি নাথাকে কাৰণে সেইবোৰ কথা লিখা নহয়। মানুহেও গম নাপায়।'

'মই কিন্তু কমতাৰ আচার্য আহিলে এইবাৰ আপোনাৰ কথা লিখিবলৈ ক'ম। তেওঁ বাল্মিকী মুনিৰ দৰেইতো লিখা-পঢ়া জনা লোক। নহ'লে এই পুথিখন আমি বুজি পোৱা ভাষাত লিখা মানুহজন কি নাম কৈছিল পাই?'

'মাধৱ কন্দলী।'

'অ'— তেওঁকে লিখিবলৈ ক'ম। তেওঁনো আপোনাৰ কথা জনাৰ পিচতো বাল্মিকী মুনিৰ পুথিখনকেনো কিয় নতুনকৈ লিখিলে? আপোনাৰ কথাওতো লিখিব পাৰিলেহেঁতেন। লালুঙৰ ঘৰৰ কথা যে— কিয়নো লিখিব।'

'মোক যি ক'লি ক'লি নানাঃও। আনক নক'বি। হাঁহিব। মই জানো সীতা আই? কি যে কৱ।' কনচাৰীয়ে হাঁহি পেলালে।

'সঠিক কথাই কওঁ। নিজৰতো নেদেখে। আনৰটো দেখে। আপুনিনো সীতা আইতকৈ কিহত সৰু কওঁকচোন।'

কনচাৰীয়ে কিবা কোৱাৰ আগতে দুৱাৰমুখত থিয় হ'লহি খামছামাই এজনী।

'খলাৰ ৰাণীদেউ আহিছে।' খামছামাইজনীয়ে ক'লে।

কনচাৰী সচকিত হৈ উঠিল।

'গংগাৱতী আহিছে। যাচোন নানাঃও— চাগৈ— নহয়— তই নালাগে— ময়েই ইয়ালৈ মাতি আনোগৈ। তই খোৱা-বোৱাৰ যোগাৰ কৰগৈ। মুখ-হাত ধোৱাৰ ব্যৱস্থাও কৰিবি।'

পুথি সামৰি কনচাৰী চিন্তিতভাৱে ওলাই আহিল। কিয় আহিছে গংগাৱতী? এনে অসময়ত?

অহাৰ কথাতো নাছিল।

গোভাৰ লগত কেতিয়াও কোনো সম্পর্ক নাৰাখে বুলিতো শপত খাইছিল গংগাৱতীয়ে।

কিয় আহিল তেনেহ'লে?

কি কথা থাকিব পাৰে?

ভাবি ভাবি বাহিৰচ'ৰালৈ ওলাই আহিল কনচাৰী।

বাহিৰচ'ৰাত অকলে অকলে তলমূৰকৈ বহি আছিল গংগাৱতী। ভিতৰচ'ৰাৰ দুৱাৰমুখত থিয় হৈ গংগাৱতীলৈ চালে কনচাৰীয়ে। চাই বিস্ময়ত হতবাক হৈ গ'ল কনচাৰী।

কোন বহি আছে বাহিৰচ'ৰাত?

এই মৰহি যোৱা গছৰ দৰে তৰুণীগৰাকী কোন? গংগাৱতী? খলাৰ ৰাণী গংগাৱতী? যাক তিনি মাহ আগতে দেখিছিল কনচাৰীয়ে?

কমতাৰ পৰা আৰিমত্ত আহি পোৱাৰ পিচত কনচাৰীৰ সকলো যুক্তি উফৰাই আৰিমত্ত নিজৰ সিদ্ধান্তত অটল হৈ থকা দেখি কনচাৰী ৰাজানঃৰ পৰা ওলাই গৈছিল।

ওলাই গৈছিল খলালৈ। গংগাৱতীৰ ওচৰলৈ।

খলাৰ ৰাজানঃত গংগাৱতীক দেখি মুগ্ধ হৈ গৈছিল কনচাৰী। কি নম্ৰ।! কি গহীন! কি সুন্দৰ। পাতলীয়া ৰৱষুণত গা ধুই উঠা এজোপা যেন ফুলেৰে উপচি থকা কাঞ্চন গছ। পৰিচ্ছন্ন। সতেজ। কিন্তু বৰ্ষাসিক্ত।

গংগাৱতী তেতিয়া বিচাৰ সভাৰ পৰা উভতি আহিছিল মাত্ৰ। কনচাৰীক দেখি আচৰিত হৈছিল গংগাৱতী। কিন্তু কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি ৰাজকীয় মৰ্যাদা আৰু গাম্ভীৰ্য অটুট ৰাখি নম্ৰভাৱে কনচাৰীক আদৰণী জনাইছিল। যথাযোগ্য আতিথ্য কৰিছিল।

কনচাৰী আনুষ্ঠানিকভাৱে খলালৈ যোৱা নাছিল।

গৈছিল গোপনে।

অকলে।

গংগাৱতীৰ চকুলৈ পোনে পোনে চাই সৌজন্যৰ বাধা আঁতৰাই কনচাৰীয়ে কৈছিল—

'তোমাক মোৰ কেইটামান কথা ক'বলগীয়া আছিল ছাঃজ।'

ভিতৰলৈ আহক মা। আলহীচ'ৰাত বহিব নালাগে।'

গংগাৱতীয়ে তেওঁক ভিতৰলৈ, নিজৰ কোঠালৈ লৈ গৈছিল। আতিথ্যৰ পৰ্ব পাৰ হোৱাৰ পিচত মুখামুখিকৈ বহিছিল গংগাৱতী আৰু কনচাৰী।

নম্ৰ চকুযোৰ তুলি কনচাৰীলৈ চাইছিল গংগাৱতীয়ে। কৈছিল—

'এতিয়া কওঁক মাঃ। কি ক'ম বুলি আহিছিল।'

কনচাৰীয়ে একো নোকোৱাকৈয়ে গংগাৱতীয়ে যেন বুজি পাই গৈছিল কনচাৰীৰ এনে কিছু ক'বলগা আছে যি কথা গংগাৱতী আৰু আৰিমত্তৰ সম্পৰ্ক আৰু সিদ্ধান্তৰ

সৈতে জড়িত হৈ আছে।

'তোমাক এনে কিছু কথা ক'বলৈ আহিছো ছাঃজ— যিবোৰ কথা তুমি হয়তো কেতিয়াও শুনা নাই। কাৰণ সেই ঘটনাবোৰ যেতিয়া ঘটিছিল তেতিয়া তোমাৰ জন্মই হোৱা নাছিল।'

এটা এটাকৈ ৰজা প্ৰতাপচন্দ্ৰৰ পৰা আৰিমত্তৰ জন্মলৈকে সকলো ঘটনা কৈ গৈছিল কনচাৰীয়ে। কৈ গৈছিল চন্দ্ৰপ্ৰভাৰ পৰা কনচাৰীলৈ হোৱা ৰূপান্তৰৰ সকলো কথা। কনচাৰীৰ কথা যেতিয়া শেষ হৈছিল তেতিয়া সেলি ডুৰিবৰ হৈছিল।

তলমুৰকৈ বহি থকা গংগাৱতীক কনচাৰীয়ে কৈছিল—

'এতিয়া তুমি মোক কোৱা গংগাৱতী— যিখন সমাজে আমাক ইমানখিনি দিলে সেইখন সমাজৰ বিশ্বাসক আমি আঘাত কৰিব পাৰোনে? কৰা উচিত নে? তেনে এক বিশ্বাসঘাটকতাত তুমি ভাগ ল'ব পাৰিবানে? এই সকলো কথাৰ সিদ্ধান্ত লোৱাৰ অধিকাৰ মই তোমাক দিছো গংগাৱতী। তুমি ভাবা। ভাবি যিটোকে সঠিক বুলি ভাবা সেইটোকে কৰিবা।'

গংগাৱতীৰ পৰা বিদায় লৈ কনচাৰী গুচি গৈছিল। ৰাজানঃৰ শয়নকক্ষত গভীৰ সংকটৰ মুখামুখি হৈ অকলে বহি আছিল গংগাৱতী। দ্বিধা-দ্বন্দ্ব আৰু ভাল পোৱাৰ টনা-আঁজোৰাত বিপৰ্যস্ত হৈ।

সেই তিনিমাহ আগতে দেখা গংগাৱতী ক'ত হেৰাই গ'ল? গোভাৰ ৰাজানঃৰ বাহিৰচ'ৰাত বহি আছে গংগাৱতী নামৰ যেন এজনী অন্য মানুহ। সুগভীৰ ক্লান্তি আৰু বিষাদত ম্লান। শ্ৰীহীন।

'ছাঃজ।'

কনচাৰী আহি ওচৰত থিয় হোৱাত সচকিত হৈ উঠি বহাৰ পৰা থিয় হ'ল গংগাৱতী।

'আহা ছাঃজ। ভিতৰলৈ আহা। মোৰ কোঠাত বহি কথা পাতিম।'

ক্লান্ত খোজেৰে উভতিল কনচাৰী। গভীৰ চিন্তাত অন্যমনস্ক হৈ গংগাৱতীও পিচে পিচে গৈ থাকিল।

শয়ন কক্ষত মুখামুখি হৈ বহি গংগাৱতীলৈ চালে কনচাৰীয়ে।

এই তিনিটা মাহতেই যেন মৰহি গ'ল সতেজ কাঞ্চনজোপা। কিমান ক্লান্ত আৰু দুখী যেন লাগিছে গংগাৱতীক। ঠিকেই কৈছিল আৰিমত্তই— হিয়াৰ আমঠু কাঢ়ি লৈ গ'লে মানুহ জানো জীয়াই থাকিব পাৰে?

গংগাৱতীও জীয়াই থকা নাই।

আৰিমত্তৰ অভাৱত সকলো সজীৱতা হেৰুৱাই পেলাইছে গংগাৱতীয়ে।

বিবেচনা আৰু কৰ্তব্যই গংগাৱতীৰ পৰা কাঢ়ি লৈ গৈছে জীৱনৰ চালিকাশক্তি।

ভুল কৰিলে নেকি কনচাৰীয়ে? নিজৰ কৰ্তব্য-অকৰ্তব্যক হৃদয়তকৈ ডাঙৰ বুলি ভাবি ভুল সিদ্ধান্ত ল'লে নেকি? ভালপোৱাৰ বান্ধোনেৰে বান্ধ খোৱা এহাল পুৰুষ-নাৰীক পৃথক কৰি পাপ কৰিলে নেকি?

তলমূৰকৈ বহি থকা গংগাৱতীৰ মুখলৈ চাই মুহূর্তলৈ যেন দ্বিধাগ্রস্ত হৈ পৰিল কনচাৰী।

'মৃগাংকৰ কিবা খবৰ পাইছে নেকি মাঃ?' বহু সময় পিচত মুৰ তুলি চাই গংগাৱতীয়ে সুধিলে।

'পাইছো ছাঃজ। আজি তাৰ পত্র এখন পাইছো। ইমান দিনৰ মূৰত। ভালে আছে ছাঃজ।' আৰিমত্তৰ বিয়াৰ কথা ক'বলৈ শক্তি বিচাৰি নাপালে কনচাৰীয়ে।

'কেতিয়া আহিব বুলি লিখিছে মাঃ?'

'লিখা নাই ছাঃজ। সি গোভাৰ অধিকাৰ ত্যাগ কৰিছে বুলি জনাইছে। মনৰ কষ্টবোৰ শাম কাটিবলৈ তাক সময় লাগিব ছাঃজ।'

গংগাৱতীৰ মুখখন ম্লান হৈ গ'ল।

আৰিমত্তক ত্যাগ কৰিছিল গংগাৱতীয়ে। চিৰদিনৰ কাৰণে ত্যাগ কৰিছিল। যুক্তি আৰু বিবেচনাই গংগাৱতীক হৃদয়ৰ দাবী ত্যাগ কৰিবলৈ বাধ্য কৰিছিল। নিজৰ সকলো আকাঙ্ক্ষা সকলো সপোন বুকুৰ মাজৰ বন্দী কৰি থৈ দৃঢ় হাতেৰে আৰিমত্তলৈ পত্র লিখিছিল গংগাৱতীয়ে।

সেই পত্র পাই আৰিমত্তৰ কেনে মানসিক অৱস্থা হ'ব পাৰে গংগাৱতীয়ে জানো বুজা নাছিল?

বুজিছিল।

তথাপিও।

কনচাৰীৰ যুক্তিত পতিয়ন গৈছিল গংগাৱতী। নিজৰ প্রিয়তম পুৰুষক বিশ্বাসঘাটকৰ কালিমা সানি দিবলৈ কোনো যুক্তি বিচাৰি পোৱা নাছিল।

কুলৰ লোকক ভোজভাত খুৱাই গংগাৱতী আকৌ উভতি আহিছিল নাৰীত্বৰ দাবী ত্যাগ কৰি দায়িত্ব গধুৰ ৰাণীত্বলৈ।

কিন্তু এতিয়া যে আকৌ দ্বিধাগ্রস্ত হৈ পৰিছে গংগাৱতী।

গর্ভত থিত লোৱা আৰিমত্তৰ সন্তানে গংগাৱতীৰ দৃঢ়তাৰ শিপাডাল যে উঘালি পেলাব খুজিছে।

গংগাৱতীয়ে মুৰ তুলি চালে। কনচাৰীৰ মমতাত কুমলি যোৱা চকুত চকু থৈ ধীৰভাৱে ক'লে—

'মই যে মাঃ হ'বলৈ ওলাইছো। কি কৰো মাঃ?'

কনচাৰী স্তম্ভিত হৈ গ'ল। নির্বাক হৈ চাই থাকিল গংগাৱতীৰ মুখলৈ। চায়েই থাকিল।

চকুত চকুপানী উপচি পৰিছিল। বুকুৰ ভিতৰত তোলপাৰ লগাইছিল পৰিমাপহীন আবেগে।

কি ক'ব এতিয়া কনচাৰীয়ে?

কি কোৱা উচিত?

বহুত সময় মনে মনে থাকি কনচাৰীয়ে গংগাৱতীৰ হাত এখন দুহাতৰ মাজত তুলি ল'লে—

'ছাঃজ— মই তোমাক এই সময়ত আৰিমত্তৰ লগত যোগাযোগ কৰিবলৈ ক'ম।'

'কিন্তু তেওঁ যে লুইতৰ পানী চুই ফামাহাদেৱৰ শপত খাই মোৰ মুখ নাচাওঁ বুলি কৈছে। গোভালৈ উভতি নাহো বুলি কৈছে।'

'কওঁক। তেনে প্রতিজ্ঞা অর্থহীন। ভংগ কৰাৰ যোগ্য। কিন্তু এই সিদ্ধান্ত লোৱাৰ আগতে তুমি আন এটা সত্যও জানি ল'ব লগিব ছাঃজ।'

'কি সত্য মাঃ?' গংগাৱতীয়ে অবাক হৈ কনচাৰীলৈ চালে।

'আৰিমত্তই বিয়া কৰাইছে ছাঃজ। তাৰ কইনাজনীৰ নাম ৰত্নাৱলী।'

ঘন ক'লা এন্ধাৰৰ চাদৰ এখন যেন কনচাৰীয়ে দলিয়াই দিলে গংগাৱতীৰ আশাৰে পোহৰ হৈ উঠা মুখলৈ।

গংগাৱতীৰ মুখৰ পোহৰ মুহূর্ততে শুহি পেলালে চাদৰখনে। পানীৰে উপচি পৰা চকুযোৰ ঢাকিবলৈ তলমূৰ কৰিলে গংগাৱতীয়ে।

এটা সময়ত গংগাৱতী উঠিল। কনচাৰীক প্রণাম কৰি ধীৰ মাতেৰে ক'লে—

'মই যাওঁগৈ মাঃ।'

'যাবা? নালাগে ছাঃজ। থাকা। আজি ৰাতিটো থাকা। এই গধুলিখন উভতি যাব নালাগে।'

'সমাজৰ নিষেধ মানিব লাগিব মা। সমাজতেই থাকিম বুলি ঠিক কৰিছো যেতিয়া। আপুনি চিন্তিত নহ'ব। মন বেয়া নকৰিব। মই খলাতেই থকিম। মৃগাংকৰ লগত এই বিষয়ে কোনো যোগাযোগ নকৰিব মা।'

'কিন্তু—'

'আপোনাৰ দ্বিধাৰ কাৰণ মই বুজিছো। দ্বিধাগ্রস্ত হোৱাতো অর্থহীন মা। মৃগাংকই কিয় ইমান সোনকালে বিয়া কৰালে— মই বুজি পাইছো। আপুনিও হয়তো বুজিছে। মোৰ ওপৰত অভিমান কৰি তেওঁ বিয়া কৰাইছে— কিন্তু ক'ৰবাত খোপনিতো লৈছে। নিজকতো ধ্বংস কৰি পেলোৱা নাই। থাকক— তাতেই ভালেৰে থাকক মৃগাংক। মই আকৌ তেওঁৰ জীৱনত সোমাই কথাবোৰ খেলিমেলি কৰি নেপেলাওঁ।'

'এইখন সমাজত, অকলে, পিতৃহীন সন্তান এটা কেনেকৈ ডাঙৰ কৰিবা ছাঃ জ?'

'আপুনি জানো নাই মা? মই যদি নোৱাৰো, যদি দুর্বল হৈ পৰো তেতিয়া আপোনাকেই বিচাৰিম মা।'

কনচাৰী থিয় হ'ল। তাৰ পিচত পৰম মমতাৰে বুকুৰ মাজলৈ চপাই ল'লে গংগাৱতীক।

শব্দহীন চকুপানীৰ নৈত উটি গ'ল সময়ৰ হাতত পৰাজিত দুই আত্মীয়। কোনেও নেদেখাকৈ।

২৪

বৈদ্যগড়ৰ ৰাজগৃহৰ অভ্যন্তৰত, সুসজ্জিত বিশ্ৰাম কক্ষত, আসনত আউজি বহি আছিল আৰিমত্ত আৰু ফিংগুৱা কোঁৱৰ। ওচৰতে আন এখন আসনত বহি ৰত্নাৱলীয়ে আৰিমত্তই ৰাজসভালৈ যাওঁতে পিন্ধা পাটৰ চোলা এটাত সোণৰ মণি খটুৱাই আছিল। পশ্চিমৰ পৰা অহা লোক এজনৰ পৰা কাপোৰত সোণৰ মণি খটুৱাবলৈ শিকি লৈছে ৰত্নাৱলীয়ে।

আজিকালি পশ্চিমৰ পৰা মাজে-সময়ে ভ্ৰমণকাৰী আহিয়েই থাকে। বিভিন্ন বৃত্তিৰ মানুহো আহে। আৰিমত্তই ইতিমধ্যে বিভিন্ন বৃত্তিৰ মানুহ কিছুমনক ৰাজ্যত বাস কৰিবলৈ অনুমতি দিছে। ৰাজ্যখনৰ বেহা-বেপাৰ আগতকৈ অনেক বৃদ্ধি হৈছে। এই অঞ্চলত খেতি-বাতিয়েই প্ৰধান যদিও ৰাজ্যখনৰ অৱস্থিতি বাণিজ্যৰ বাবে সুচল হোৱাত ৰাজ্যখনে উন্নতিৰ মুখ দেখিছে।

'আপোনাৰ দৰে জনপ্ৰিয় ৰজা মই আজিলৈকে দেখা নাই ৰজা আৰিমত্ত।' জুৰ পাত্ৰ নমাই থৈ ফিংগুৱা কোঁৱৰে ক'লে।

আৰিমত্তই ফিংকুৱা কোঁৱৰলৈ চাই হাঁহিলে। একো নক'লে। তাৰ সলনি ওচৰতে বহি থকা ৰত্নাৱলীয়ে কৈ উঠিল—

'জনপ্ৰিয় হ'লে কি হ'ব কোঁৱৰদেৱ— ৰাজ্যৰ উন্নতি জানো হৈছে?'

'তুমি কি ক'ব বিচাৰিছা ৰত্নাৱলী?' আৰিমত্তই ৰত্নাৱলীলৈ চালে। 'বেহা বেপাৰ, খেতি-বাতি সকলোতে উন্নতি হৈছে। প্ৰজাসকল সুখেৰে আছে।'

'ৰাণীদেৱে বোধকৰো ৰাজ্যৰ সীমাৰ কথা ক'ব খুজিছে ৰজাদেও।' ফিংগুৱা কোঁৱৰে ক'লে।

ফিংগুৱা কোঁৱৰ আজিকালি বৈদ্যগড়ৰ নিয়মীয়া অতিথি। নিজৰ প্ৰচেষ্টাৰে, সৌজন্য আৰু আনুষ্ঠানিকতা চেৰাই গৈ আৰিমত্তৰ গৃহৰ প্ৰায় ভাতঘৰৰ মানুহ হৈ পৰিছে ফিংগুৱা কোঁৱৰ। ৰত্নাৱলীয়ে ফিংগুৱা কোঁৱৰৰ লগত মুকলিমুৰীয়াকৈ কথা পাতে। আৰিমত্তৰ এইক্ষেত্ৰত কোনো বাধা-নিষেধ নাই। বাধা-নিষেধ থাকিব লাগে বুলিও আৰিমত্তই নাভাবে। গোভাঁৰ সমাজৰ প্ৰশিক্ষণৰ প্ৰভাৱ এই অঞ্চলৰ ৰীতি-নীতিয়ে এতিয়াও গ্ৰাস কৰিব পৰা

নাই। সেয়েহে ফিংগুৱা কোঁৱৰৰ কথা শুনি আৰিমত্তই হাঁহিলে—

'ৰত্নাৱলীয়ে আজিকালি ৰাজ্যৰ সীমাৰ কথাও ভাবিবলৈ শিকিছে নেকি? মই আকৌ ভাবিছিলো— কাপোৰ-কানি, সোণৰ গহনা আদিৰ বাহিৰে তেওঁ আৰু একো ভাবিবই নাজানে।'

'আপুনি মোক এইবোৰ কথা লৈ সদায় জোকাই থাকে। মই যেন আৰু একোৱেই নাজানো। কওঁকচোন— ইমানবোৰ বছৰত ৰাজ্যৰ সীমা আৰু এখাগৰিও বাঢ়িলনে?'

'ৰাণীদেৱে সঠিক কথাই কৈছে বুলি ভাবো ৰজাদেৱ। আপুনি ইমান জনপ্রিয় আৰু শক্তিশালী ৰজা হৈ ইমান সামান্য ৰাজ্য এখন লৈ সন্তুষ্ট হৈ থকা উচিত নহয়।' ফিংগুৱা কোঁৱৰে ক'লে।

'আপুনি নিজেওতো নিজৰ ৰাজ্যৰ সীমা বঢ়োৱাৰ চেষ্টা কৰা নাই কোঁৱৰ।' আৰিমত্তই ক'লে।

'মোৰ কথা এৰক ৰজাদেউ। মই জানো ৰজা? মাত্র চাৰিখন ডাঙৰ গাঁৱৰ গৰাকীহে। মোৰ সৈন্যবল নাই। মোৰ আপোনাৰ দৰে বীৰত্ব আৰু সাহস শক্তিও নাই।'

'মইতো তাকেই কওঁ কোঁৱৰদেৱ— ইমান শক্তিশালী এজন বীৰ হৈয়ো ইমান সৰু ৰাজ্য এখন লৈ সন্তুষ্ট হৈ থাকিব লাগেনে? ৰাজ্য যিমান ডাঙৰ হয় সিমানেই ৰাজ্যৰ উন্নতি হয়। গোভাৰ ডাঙৰ ৰাজ্যখনো এৰি দিলে। এই ওঠৰ বছৰত এদিনলৈও নগ'ল।'

'গোভাৰ কথা নক'বা। গোভাৰ কথা ক'লে মই বেয়া পাওঁ ৰত্নাৱলী।' আৰিমত্ত গম্ভীৰ হৈ গ'ল।

'কিন্তু গোভাতেইতো আপোনাৰ আই-পিতা আছে। ৰত্নসিংহৰ সোতৰ বছৰ হ'ল। লখাইতৰাও গাভৰু হ'ল। তেওঁলোকেওতো নিজৰ আতা-আবুক চাব বিচাৰে। কিয়নো লৈ নাযায়?'

'সেইবোৰ কথা এৰা ৰত্নাৱলী। মই এতিয়া গোভাৰ ৰজা নহওঁ। সেই ৰাজ্যৰ লগত মোৰ এতিয়া কোনো সম্পর্ক নাই।'

'কিয়নো সম্পর্ক নাৰাখে? কিনো এনে ঘটিছিল যে গোভালৈ নাযাও বুলি শপত খাইছে?'

'ৰত্নাৱলী তোমাক মই আগতেও বহুবাৰ কৈছো এই বিষয়ে একো নুসুধিবা। তথাপিও একেটা প্রশ্নকে কৰি মোক বিৰক্ত কৰা কিয়? মোৰ সংসাৰ, মোৰ সন্তান লৈ মই সুখী আৰু সন্তুষ্ট। তুমি সন্তুষ্ট হৈ থাকিব নোৱাৰা কিয়?'

'তেনেকৈ নক'ব ৰজাদেউ। আপোনাৰ দৰে এজন পুৰুষৰ পত্নী হোৱাৰ দৰে সুখ আৰু সৌভাগ্যৰ কথা আৰু কি থাকিব পাৰে? মই জানো কেতিয়াবা অসন্তুষ্ট বুলি

কৈছো? মই মাত্র কৈছো— আপুনি ইমান ডাঙৰ বীৰ হৈয়ো আধৰুৱা কমতাক লৈয়ে সন্তুষ্ট হৈ আছে। ৰজা দুর্লভনাৰায়ণৰ দিনত কিমান ডাঙৰ আছিল কমতা। পোৱালি ভূঞাবোৰ দুর্লভ নাৰায়ণৰ সামন্তহে আছিল। ৰজা ইন্দ্রনাৰায়ণ আৰু দুর্লভেন্দ্রৰ দিনত স্বাধীন হৈ গ'ল। আপোনাকো দুর্বল বুলি ভাবিছে কাৰণে এই ওঠৰ বছৰত আপোনাৰ অধীনলৈ নাহিল। ভূঞাৰ পোৱালিবোৰে আপোনাক কৰ-কাটল নিদি দপ্‌দপাই থকা দেখিলে বেয়া নালাগে নেকি?'

'বেয়া লাগে? কিয় বেয়া লাগে? দুর্লভ নাৰায়ণৰ দিনত ক'ত কি ৰাজ্য আছিল কোনে ক'লে তোমাক?'

'কোনেনো ক'ব লাগে? লুকাই থকা কথা নেকি? আপোনাৰ কথা ভাবিলেহে মোৰ আচৰিত লাগে— গোভাৰ পৰা আহোতেতো আপুনি এনে নাছিল। কিমান সাহসী আছিল আপুনি। আপুনিয়েই জানো মোক বিয়াৰ পিচতে ৰাজ্য বহলোৱাৰ কথা কোৱা নাছিল? গোভাতকৈও ডাঙৰ ৰাজ্য পাতিব বুলি কোৱা নাছিল?'

'কৈছিলো। কোৱাৰ কাৰণ আছিল। এতিয়া মই ৰাজ্য বিস্তাৰৰ কথা ভবা নাই। মই শান্তিৰে থাকিব বিচাৰিছো।'

'বিচাৰিবতো। জোৰ নথকা ৰজাইহে শান্তিৰে থকাৰ কথা কয়।'

'কি ক'ব খুজিছা তুমি? মোৰ জোৰ নাই? চাব খুজিছা জোৰ আছেনে নাই? কি লাগে তোমাক? ৰাজ্য? দুর্লভ নাৰায়ণৰ দৰে পঞ্চ গৌড়েশ্বৰৰ প্রতাপ? ঠিক আছে। ৰাজ্য লাগেতো? স্বাধীন সামন্তবোৰক তলতীয়া কৰি ৰৰৰাণী হ'ব খুজিছাতো? হ'ব। তাকেই কৰিম। যিমান দূৰলৈ ৰাজ্য লাগে সিমান দূৰলৈ দিম। তোমাৰ কথা ভাবিলে মাজে মাজে মোৰ অসহ্য লাগে। গংগাৱতী তোমাৰ দৰে নাছিল। গংগাৱতীয়ে আনৰ ৰাজ্যৰ এচিকুট মাটি লোৱাবো পক্ষপাতী নাছিল। আনকি কমতা জয় কৰিবলৈ আহোতেও মই গংগাৱতীৰ সমর্থন পোৱা নাছিলো।'

ফিংগুৱা কোঁৱৰৰ উপস্থিতিৰ কথা পাহৰি উত্তেজিত হৈ উঠিল আৰিমত্ত।

'ইমানেই যদি ভাল আছিল মোকনো কিয় বিয়া কৰালে?' ৰত্নাৱলীয়ে কান্দি পেলালে। চকুপানী দেখি শান্ত হৈ গ'ল আৰিমত্ত।

কিছুসময় নীৰৱতাৰ মাজেৰে পাৰ হৈ গ'ল। এটা সময়ত চকুপানী মচি ৰত্নাৱলী সহজ হ'ল।

'মই জানো ভুল কথা কৈছো। মই কথা ক'লে আপোনাৰ খং উঠে। আপুনি ৰাজ্য বিস্তাৰ কৰা উচিত। মোক আপুনি কওক— ৰজা প্রতাপচন্দ্র আপোনাতকৈও ডাঙৰ বীৰনে? ৰজা প্রতাপচন্দ্রই যদি কমতাৰ সীমাৰ পৰা সুদূৰ মাজুলীলৈ সীমা বিস্তাৰ কৰি ৰৰৰজা নাম পাব পাৰে আপুনি কিয় নোৱাৰে?'

'তুমি ইমান কথা কেনেকৈ জানিলা?' আৰিমত্ত থমক খাই গ'ল। তীক্ষ্ণ হৈ উঠিল জুৰ নিচাসক্ত চকুযোৰ।

ৰত্নাৱলী অস্বস্তিত হৈ পৰিল। এইবোৰ কথা ফিংগুৱা কোঁৱৰে কোৱা বুলি ক'লে আৰিমত্তৰ মনত সন্দেহৰ সৃষ্টি হ'ব পাৰে।

'কোৱা— ইমান কথা তোমাক কোনে ক'লে?' গম্ভীৰ কিন্তু তীক্ষ্ণ হৈ যোৱা চকুযোৰ ৰত্নাৱলীৰ চকুৰ পৰা আঁতৰাই নিনি আকৌ সুধিলে আৰিমত্তই।

'ময়েই কৈছিলো ৰজাদেউ। বহুদিন আগতে এবাৰ আহোতে আপোনাক যে কৈছিলো— তেতিয়াই বোধকৰো ৰাণীদেৱে শুনিছিল।'

'কৈছিল নেকি? মোৰতো মনত নাই?' ফিংগুৱা কোঁৱৰলৈ চাই আশ্চৰ্যৰ সু�ৰেৰে ক'লে আৰিমত্তই।

'ক'ত মনত থাকিব? জু খাই ক'ব নোৱাৰা হৈ থাকিলে। ৰাজ্যৰ কথা জানো মনত থাকে। ৰত্নাৱলীকতো পাহৰিলেই যেন পাওঁ। সকলো সময়তে লখাইতৰা আৰু ৰঁতুসিংহ। ল'ৰা-ছোৱালীৰ কথাৰ বাহিৰে আন কথা নায়েই। কি যে ৰজা এইজন।' ৰত্নাৱলীয়ে ক'লে।

পৰিবেশটো আকৌ সহজ হৈ পৰিল। ৰত্নাৱলীয়ে স্বস্তিৰ নিশ্বাস পেললে। ফিংগুৱা কোঁৱৰেও। বৰ কৌশলেৰে আৰিমত্তৰ প্রশ্নটো এৰাই যাবলৈ সক্ষম হ'ল ৰত্নাৱলী।

কিছুসময় পিচত জুৰ পাত্র তুলি লৈ ফিংগুৱা কোঁৱৰে ক'লে—

'আপুনি যিদিনা মাজুলীৰ পৰা বৰনদীলৈ ৰাজ্যৰ গৰাকী হৈ বৰৰজা নাম ল'ব সেইদিনা মই আপোনাৰ কৰতলীয়া ৰজা হৈ থাকিম। আপোনাৰ শক্তিতে ময়ো ওচৰৰ দুই-এখন গাঁও মোৰ ৰাজ্যৰ ভিতৰুৱা কৰি ল'ব পাৰিম।'

আৰিমত্তই ফিংগুৱালৈ চালে—

'মোৰ এতিয়া সমৰশক্তি অতি সীমাবদ্ধ কোঁৱৰ। এইখিনি শক্তিৰে ৰাজ্যবিস্তাৰ অসম্ভৱ।'

'অসম্ভৱ বুলি ভাবিলেই অসম্ভৱ ৰজাদেউ। আপুনি সুদূৰ গোভাৰ পৰা আহি এই ৰাজ্য অধিকাৰ কৰা নাছিল জানো? মনৰ শক্তিয়েই ৰজ্যবিস্তাৰৰ প্রাথমিক কথা ৰজাদেউ। এই ৰাজ্যত আপুনি কিমান জনপ্রিয় সেই কথা আপুনি কিজানি নাজানে। ওচৰ-পাঁজৰৰ আৰু পশ্চিমৰ বিস্তৃত অঞ্চলজুৰি বাস কৰা বড়ো-কছাৰীসকলে আপোনাক অতি আপোন বুলি ভাবে। আপোনাৰ লগত তেওঁলোকে নিজৰ মিল খিচাৰি পায়। সেই অঞ্চলসমূহ আপোনাৰ অধীন নহ'ব পাৰে কিন্তু অধিবাসীসকল আপোনাৰ অনুগত। ইচ্ছা কৰিলে আপুনি অনায়াসে সেইবোৰ সৰু সৰু ৰাজ্য অধিকাৰ কৰি ল'ব পাৰে। এই ৰাজ্যসমূহ অধিকাৰ কৰাত বিশেষ কৃতিত্ব আপুনি লাভ নকৰে। যদি প্রতাপ

সিংহক পৰাজিত কৰি তেওঁৰ বিশাল সাম্রাজ্য অধিকাৰ কৰিব পাৰে, পশ্চিমৰ সকলো ৰাজ্যই নিজেই আপোনাৰ শৰণ ল'বহি। বেহা-বেপাৰৰৈলে যোৱা মোৰ ৰাজ্যৰ লোকসকলে উভতি আহি যেতিয়া প্ৰতাপ সিংহৰ গুণ-গৰিমাৰ কথা কয়— তেতিয়া মোৰ বেয়া লাগে। মই সিহঁতক কওঁ তহঁতেতো নাজান আমাৰ ৰজা আৰিমত্ত কিমান ডাঙৰ বীৰ— এনেকুৱা দহজন প্ৰতাপসিংহক কমতাৰ ৰজাই অনায়াসে পৰাস্ত কৰিব পাৰে।'

ফিংগুৱা কোঁৱৰে কৈ গৈছে। কথাৰ মোহজাল পেলাই নিচাগ্ৰস্ত আৰিমত্তৰ মনত ধীৰে ধীৰে জগাই তুলিছে বিজয় তৃষ্ণা।

শুই থকা বাঘ এটা ধীৰে ধীৰে সাৰ পাই উঠিছে।

ফিংগুৱা কোঁৱৰে বহুদিনৰ মুৰত নিজৰ দীৰ্ঘদিনীয়া প্ৰচেষ্টাৰ সাফল্যৰ মুখ দেখাৰ ইংগিত বিচাৰি পাইছে। এই প্ৰচেষ্টাৰ আঁৰত কি উদ্দেশ্য আছে আৰিমত্তই নাজানে। জানিবৰ চেষ্টাও নকৰে। বিগত ওঠৰটা বছৰ এইখন ৰাজ্যৰ উন্নতি আৰু সংসাৰ লৈ ব্যস্ত হৈ থকা আৰিমত্তৰ মাজত যুদ্ধ তৃষ্ণা জগাই তুলিবলৈ অনেক দিন ধৰি চেষ্টা কৰি আহিছে ফিংগুৱাই। পত্নী-পুত্ৰ-কন্যাক লৈ সুস্থিৰ জীৱন যাপন কৰা আৰিমত্তক দেখিলে, আৰিমত্তৰ শক্তি আৰু জনপ্ৰিয়তা দেখিলে ফিংগুৱা কোঁৱৰৰ বুকুত উমি উমি জ্বলি থকা ঈৰ্ষাৰ জুইকুৰা দপ্‌দপাই জ্বলি উঠে। চাৰিখন গাঁৱক লৈ এই আৰিমত্তৰ কা�ৰণেই যোৱা ওঠৰটা বছৰে সন্তুষ্ট হৈ থাকিবলগীয়া হৈছে ফিংগুৱা কোঁৱৰ। আৰিমত্তৰ জনপ্ৰিয়তাই ফিংগুৱা কোঁৱৰৰ ৰাজ্য বিস্তাৰৰ সপোন ব্যৰ্থ কৰি তুলিছে।

তোষামোদ কৰি ক'লেও ফিংগুৱা কোঁৱৰৰ কথাত সত্যতা আছে। এই ৰাজ্যত আৰু বিশেষকৈ বড়ো-কছাৰী জনবসতিত আৰিমত্ত অতি জনপ্ৰিয়। আৰিমত্ত জীয়াই থকালৈকে ৰাজ্য বিস্তাৰৰ কথা বাদেই, ওচৰৰ ৰাজ্যসমূহো অধিকাৰ কৰাৰ কথা ভাবিব নোৱাৰে ফিংগুৱা কোঁৱৰে। বড়ো-কছাৰীসকলক সমৰ্থন নিদি, সুদূৰ পশ্চিমৰ পৰা আহি চাৰিখন গাঁও অধিকাৰ কৰি ৰজা নাম লোৱা ফিংগুৱা কোঁৱৰক আৰিমত্তই সমৰ্থন দিবনে?

অসম্ভৱ।

আৰিমত্ত বৰ একা-চেকা মানুহ। গোভাৰ সমাজ এৰি আহি বড়ো-কছাৰীসকলৰ মাজতেই নিজৰ সংস্কৃতিৰ অনেক মিল বিচাৰি পোৱা কাৰণেই আৰিমত্তও তেওঁলোকৰ লগত মিলি গৈছে। আপোন হৈ পৰিছে। এই আৰিমত্তক দেওদি যোৱাটো সম্ভৱ নহয়।

ফিংগুৱা কোঁৱৰে ভাবিছিল আৰিমত্তই গোভাত থাকি প্ৰতিনিধিৰ যোগেদি ৰাজ্য শাসন কৰিব। নীলকান্তৰ লগত লগ লাগি আৰিমত্তৰ অনুপস্থিতিত আৰিমত্তৰ ৰাজ্য নিজৰ অধীনলৈ অনাৰ প্ৰস্তুতি আৰম্ভ কৰিছিল ফিংগুৱা কোঁৱৰে।

কিন্তু সকলো ষড়যন্ত্ৰ ব্যৰ্থ হৈ গ'ল।

গোভা এৰি বৈদ্যগড়ত স্থায়ীভাৱে থাকিবলৈ গুচি আহিল আৰিমত্ত। ফিংগুৱা কোঁৱৰৰ চকুৰ আগত ৰত্নাৱলীক বিয়া কৰালে।

প্রতিহিংসাৰ তুষানলত সেইদিন ধৰি ভিতৰে ভিতৰে জ্বলি আছে ফিংগুৱা কোঁৱৰ। উপযুক্ত সুযোগৰ অপেক্ষাত আৰিমত্তৰ লগত বন্ধুত্ব গঢ়ি তুলিছে।

ৰত্নাৱলীয়ে ৰাজ্যৰ পৰা খেদি দিয়াৰ পিচত ফিংগুৱা কোঁৱৰৰ ওচৰলৈ নীলকান্ত গৈছিল— কিন্তু তেওঁক গড়ৰ ভিতৰলৈ সোমাবলৈ নিদিলে ফিংগুৱা কোঁৱৰে ; কাৰণ ৰত্নাৱলী আৰু আৰিমত্তৰ যেতিয়া বিয়া হৈ আছিল তেতিয়াই নিজৰ ভৱিষ্যতৰ আঁচনিখন ঠিক কৰি পেলাইছিল ফিংগুৱা কোঁৱৰে।

'পিতা—'

লখাইতৰা আহি আৰিমত্তৰ ওচৰত থিয় হ'ল।

'আচার্য মহাশয়ে মোক ব্যাকৰণৰ পাঠ এটা দিছিল। দেখুৱাই আহিব পাৰোনে?' মিহি আৰু শান্ত মাতেৰে লখাইতৰাই ক'লে।

জু খাই খাই নিজৰ ভাবত মগ্ন হৈ থকা আৰিমত্তই হাঁহিলে—

'আচার্য মহাশয়ৰ ওচৰলৈ যাবা। অনুমতি লৈছা কিয়।?'

'আয়ে কৈছে মই বোলে এতিয়া ডাঙৰ হৈছো। অনুমতি নোলোৱাকৈ ঘৰৰ বাহিৰলৈ যাব নাপায়।'

'আয়েতো ক'বই। তোৰ সমান থাকোতে আয়েৰাই ঘৰৰ পৰাই নোলাইছিল যে।'

আৰিমত্তই হাঁহি উঠিল।

সেই হাঁহিটো দেখি ওচৰতে বহি থকা ৰত্নাৱলীৰ বুকুৰ ভিতৰত যেন দপ্‌দপাই জ্বলি উঠিল ওঠৰ বছৰ আগৰ হোমৰ জুইকুৰা। তীব্র বিদ্বেষত জ্বলি গ'ল ৰত্নাৱলীৰ ভিতৰখন।

ওঠৰ বছৰ ধৰি এই মানুহটোক সহ্য কৰি আহিছে ৰত্নাৱলীয়ে। এই মানুহজনৰ দুটাকৈ সন্তান গর্ভত ধাৰণ কৰিছে। তথাপিও এই ওঠৰটা বছৰত কোনোদিন এটা মুহূর্ততো এই মানুহজনক নিজৰ যেন নালাগিল ৰত্নাৱলীৰ। হোমৰ জুইক সাক্ষী ৰাখি যি শপত খাইছিল ৰত্নাৱলীয়ে, সেই শপতৰ শক্তি আজিও একেদৰেই আছে।

যদি ফিংগুৱা কোঁৱৰক বিয়াৰ পিচত আৰু এদিনো নেদেখিলেহেঁতেন তেতিয়া কি হ'লহেঁতেন ৰত্নাৱলীয়ে নাজানে। কিন্তু বিয়াৰ পিচত আৰিমত্তৰ অন্তৰংগ হৈ পৰা ফিংগুৱা কোঁৱৰৰ সঘন উপিস্থিতিয়ে ৰত্নাৱলীৰ ভালপোৱা দুগুণে বঢ়াই তুলিছে। ফিংগুৱা কোঁৱৰে সুযোগ বুজি দিয়া মৰমবোৰে এতিয়াও আৰিমত্তক উপেক্ষা কৰাৰ শক্তি যোগাই আহিছে ৰত্নাৱলীক।

ফিংগুৱা কোঁৱৰে আন মানুহৰ উপস্থিতিত আলহীৰ সৌজন্যৰে ব্যৱহাৰ কৰিলেও

অকলশৰে পালেই মৰমেৰে উপচাই দিয়ে ৰত্নাৱলীক। ৰত্নাৱলীক নিজৰ কৰি নোপোৱাৰ দুখ উজাৰি দিয়ে।

আৰিমত্তক তেতিয়া এটা নিৰ্দয় দৈত্যৰ দৰে লাগে ৰত্নাৱলীৰ। নিজকে ভয়ানক ৰাক্ষসৰ গুহাত বন্দী হৈ থকা ৰাজকুঁৱৰী যেন লাগে।

ফিংগুৱা কোঁৱৰৰ সীমাহীন ভালপোৱা দেখিলে মাজে মাজে আচৰিত লাগি যায় ৰত্নাৱলীৰ।

এজন পুৰুষে যে এজনী নাৰীক এনেকৈ ভাল পাব পাৰে ফিংগুৱাক লগ নোপোৱা হ'লে হয়তো কেতিয়াও ৰত্নাৱলীয়ে উপলব্ধি কৰিব নোৱাৰিলেহেঁতেন।

এই মৰমবোৰেই ৰত্নাৱলীক ৰত্নাৱলী কৰি ৰাখিছে। দুটাকৈ সন্তানৰ মাতৃ হৈয়ো আৰিমত্তৰ পত্নীলৈ ৰূপান্তৰিত হোৱা নাই।

ফিংগুৱা কোঁৱৰে ৰত্নাৱলীক কথা দিছে এদিন নহয় এদিন নিজৰ কৰি ল'বই। ৰত্নাৱলীক বাদ দি অসম্পূৰ্ণ হৈ ৰ'ব ফিংগুৱা কোঁৱৰ:

ৰত্নাৱলীও জানো ফিংগুৱা কোঁৱৰক নিজৰ কৰি নাপালে কাহানিবা সম্পূৰ্ণ হৈ উঠিব?

বিয়াৰ পিচতে যিদিনা প্ৰথম ফিংগুৱা কোঁৱৰক অকলে লগ ধৰাৰ সুযোগ পাইছিল সেইদিনাই দুয়ো এদিন একেলগ হোৱাৰ প্ৰতিজ্ঞা কৰিছিল।

ৰত্নাৱলীতো ফিংগুৱাৰ লগত গুচি যাবই খুজিছিল। কৈছিল—

'আপুনিওতো ৰজা। এই মানুহটোৰ লগত যুঁজ কৰি হৰুৱাই মোক লৈ যাওঁক কোঁৱৰ।'

সেই কথা শুনি ফিংগুৱা কোঁৱৰে কান্দি পেলাইছিল। কৈছিল—

'শক্তি থকা হ'লে তোমাক মই হোমৰ জুইৰ ওচৰৰ পৰাই কাঢ়ি লৈ গ'লোহেঁতেন ৰত্নাৱলী। কিন্তু সিমান শক্তি মোৰ হাতত নাই। মই আৰিমত্তৰ হাতত নিহত হ'ব পাৰো। মৃত্যুলৈ মোৰ ভয় নাই। কিন্তু আৰিমত্তৰ হাতত তোমাৰ লাঞ্ছনা চাই থকাৰ শক্তি মোৰ নাই। আৰিমত্ত কেনে একাচেকা মানুহ তুমি জানো নাজানা? সঁচা কথা গম পালে তেওঁ কি কৰিব পাৰে ভাবি চোৱাচোন।'

ৰত্নাৱলীক আৰু বহুত যুক্তি দিছিল ফিংগুৱা কোঁৱৰে।

ৰত্নাৱলীয়ে বুজিছিল।

ফিংগুৱা কোঁৱৰৰ কথামতেই আজিলৈকে চলি আহিছে ৰত্নাৱলী। আৰিমত্তক মৰম-যত্নৰে সন্তুষ্ট কৰি ৰাখি ফিংগুৱা কোঁৱৰৰ লগত গোপন সম্পৰ্ক ৰক্ষা কৰি আহিছে। কিন্তু লাহে লাহে যেন ধৈৰ্য হেৰুৱাই পেলাব ধৰিছে ৰত্নাৱলীয়ে। যুৱক পুত্ৰ আৰু কিশোৰী কন্যাৰ মুখলৈ চাই মাজে মাজে দ্বিধাগ্ৰস্ত হয় যদিও নিজৰ কথা ভাবিলেই

উদভ্রান্ত হৈ পৰে ৰত্নাৱলী। যৌৱনৰ ব্যর্থ ৰাতিবোৰৰ কথা ভাবি হাহাকাৰ কৰি উঠে।

এই হাহাকাৰ আৰু অশান্তিৰ কথা ফিংগুৱা কোঁৱৰে জানে।

প্রথম প্রথম আৰিমত্তক বিহ দি মৰাৰ চেষ্টা কৰিছিল ফিংগুৱা কোঁৱৰ আৰু ৰত্নাৱলীয়ে।

ৰাজগৃহৰ বিশ্বস্ত লোকসকল আৰু চামলৰ কাৰণে সম্ভৱ নহ'ল। চামল এতিয়াও একেদৰেই আছে। একেই গম্ভীৰ। একেই সতর্ক। একেই কঠিন।

চামললৈ ভয় লাগে ৰত্নাৱলীৰ।

ফিংগুৱা কোঁৱৰেও চামলৰ পৰা সদায় সাৱধানে চলিবলৈ কয়। আৰিমত্তৰ জনপ্রিয়তা বাঢ়ি যোৱাৰ লগে লগে আৰিমত্তক ষড়যন্ত্র কৰি হত্যা কৰাৰ আচনি ত্যাগ কৰিছে ৰত্নাৱলী আৰু ফিংগুৱা কোঁৱৰে।

আৰিমত্তৰ অপঘাত মৃত্যু হ'লে ফিংগুৱা কোঁৱৰকেই সকলোকে দোষী বুলি জানিব। প্রজাবিদ্রোহ হ'ব পাৰে।

ফিংগুৱাৰ ৰাজ্যতো প্রজাই বিদ্রোহ কৰিব পাৰে। আচার্য বিদ্যানিধিৰ কাৰণে। ব্রাহ্মণ প্রজাৰে ভৰা ফিংগুৱাৰ ৰাজ্য। ব্রাহ্মণৰ শিৰোমণি প্রভাকৰ শর্মা বিদ্যানিধি। অব্রাহ্মণ প্রজাসকলেও তেওঁক দেৱতা জ্ঞান কৰে।

আচার্য বিদ্যানিধি এতিয়া আৰিমত্তৰ প্রধান পৰামর্শদাতা। ৰত্নসিংহ আৰু লখাইতৰাৰ শিক্ষাগুৰু। অনেক ইংগিত, অনেক প্রকাৰান্তৰ প্রলোভনেৰেও তেওঁক নিজৰ ফলীয়া কৰিব নোৱাৰিলে ফিংগুৱা কোঁৱৰে।

আৰিমত্তৰ ৰাজধানীৰ কিছু মানুহ, দুই-এজন সৰু-সু�ৰা বিষয়া আৰু সৈনিকক নিজৰ ফলীয়া কৰিব পাৰিলেও সংখ্যাত ইমান নগণ্য যে সেইখিনি মানুহেৰে ৰৈদ্যগড়ৰ সুৰক্ষাত কেতিয়াও আঘাত হানিব নোৱাৰে ফিংগুৱা কোঁৱৰে।

সুযোগৰ অপেক্ষাত ওঠৰ বছৰ পাৰ হৈ গ'ল।

ওঠৰ বছৰ পিচত আশাৰ সামান্য ৰেঙনি দেখিছে ফিংগুৱা কোঁৱৰ আৰু ৰত্নাৱলীয়ে।

ৰাজ্য বিস্তাৰৰ মন মেলিছে আৰিমত্তই। আৰিমত্তৰ স্তিমিত মনত তোষামোদ আৰু বাক্যৰ কৌশলেৰে অৱশেষত বিজয় তৃষ্ণা জগাই তুলিবলৈ সক্ষম হৈছে ফিংগুৱা কোঁৱৰে। পূব দিশৰ প্রতাপসিংহৰ প্রতি বিদ্বেষ জগাই তুলিবলৈ সক্ষম হৈছে।

এই পূর্বদিশলৈ অভিযানৰ সিদ্ধান্তৰো এটা উদ্দেশ্য আছে। পশ্চিমৰ ৰাজ্যসমূহত বর্তমান এনে কোনো শক্তিশালী ৰজা নাই যি আৰিমত্তক প্রতিহত কৰিব পাৰে।

পশ্চিমৰ ৰাজ্যসমূহ অনায়াসে জয় কৰিব পাৰিব আৰিমত্তই। বড়ো-কছাৰী আৰু অন্যান্য অনার্যমূলীয় জনগোষ্ঠীসমূহে ইতিমধ্যেই আৰিমত্তৰ আনুগত্য স্বীকাৰ কৰিছেই। তেওঁলোকৰ সহায়ত অনায়াসে নিজৰ ৰাজ্য বিস্তাৰ কৰিব পাৰিব আৰিমত্তই। আৰিমত্তক

প্রতিহত কৰিব পৰা ৰাজশক্তি এটাই আছে। পূৰ্ব দিশৰ ৰজা প্রতাপচন্দ্র।

অৱশ্যে প্রতাপচন্দ্র এতিয়া পূৰ্বৰ দৰে প্রতাপশালী হৈ থকা নাই।

প্রতাপচন্দ্র ৰাজ্যশাসনত আগ্রহহীন। দান, যজ্ঞ আদিতেই অধিকাংশ সময় নিমজ্জিত হৈ থাকে বুলি ফিংগুৱা কোঁৱৰে জানিছে। এই অমনোযোগিতাৰ কাৰণে সীমামূৰীয়া অঞ্চলসমূহ প্রায় স্বতন্ত্র হৈ পৰিছে। অঞ্চলসমূহৰ দায়িত্বত থকা সামন্তসকলেই এতিয়া শাসক বুলিব পাৰি। তথাপিও প্রতাপচন্দ্র এতিয়াও শক্তিশালী। তেওঁৰ মহামন্ত্রী সগৰৰ বিচক্ষণ ৰাজ্য পৰিচালনাৰ বাবে এতিয়াও প্রায় অটুট হৈ আছে ৰাজ্য গাঁথনি।

বহুত ভাবি-চিন্তি, অনেক বা-বাতৰি লৈ পূৰ্বদিশলৈ ৰাজ্য বিজয়ৰ বাবে কৌশলেৰে আৰিমত্তক সন্মত কৰিছে ফিংগুৱা কোঁৱৰে। ৰজা প্রতাপচন্দ্রৰ প্রতাপ আৰু বিশাল ৰাজ্যৰ গৰিমাৰ লগত কমতাৰ প্রকাৰান্তৰে তুলনা কৰি কৰি আৰিমত্তৰ ভিতৰত শুই থকা বাঘটোক জগাই তুলিবলৈ চেষ্টা চলাই গৈছে। প্রতাপচন্দ্রৰ লগত আৰিমত্ত ৰণত অৱতীর্ণ হ'লে প্রতাপচন্দ্রৰ হাতত আৰিমত্তৰ পৰাজয় হোৱাটো নিশ্চিত। সুদীর্ঘ ওঠৰ বছৰ আৰিমত্তই যুদ্ধ কৰা নাই। বঢ়োৱা নাই সমৰ শক্তি। এতিয়া নতুনকৈ প্রশিক্ষিত কৰা সৈন্যদল আৰু পুৰণি সৈন্যখিনিৰে প্রতাপসিংহৰ লগত কিমানপৰ তিষ্ঠিব আৰিমত্ত?

গোভাৰ পৰা অহা বিশ্বস্ত সৈন্যসকলে এতিয়া স্থানীয় ছোৱালী বিয়া কৰাই সংসাৰী হৈ পৰিছে। গাঁও পাতি বাস কৰিবলৈ আৰম্ভ কৰা এই সৈন্যসকলৰ এতিয়া আগৰ বল-শক্তি নাই।

আৰিমত্তৰ প্রতাপচন্দ্রৰ শক্তি সম্পর্কে যি ধাৰণা সেইখিনি ফিংগুৱা কোঁৱৰে যোগান ধৰা তথ্যৰ ওপৰত গঢ়ি উঠিছে। ফিংগুৱা কোঁৱৰক বিশ্বাস কৰে আৰিমত্তই। বন্ধু হিচাপে ভাল পায়। ভৰসা কৰে।

চামলে অনেক চেষ্টা কৰিও ফিংগুৱাৰ প্রতি আৰিমত্তৰ মনোভাৱ সলনি কৰিব পৰা নাই।

চামলে কথা কোৱাৰ কৌশল নাজানে।

জানে ফিংগুৱা কোঁৱৰে।

সেই কৌশলৰ সহায়েৰেই ইমানদিন চলি আহিছে ফিংগুৱা কোঁৱৰ। জীৱনক পৰিপূর্ণভাৱে উপভোগ কৰি আহিছে। প্রতাপসিংহৰ হাতত আৰিমত্ত নিহত হ'লে ফিংগুৱাৰ উদ্দেশ্য সফল হ'ব। আৰিমত্ত যিধৰণৰ মানুহ, কৰতলীয়া ৰজা হৈ কেতিয়াও থাকিব নুখুজিব। সমগ্র শক্তি প্রয়োগ কৰি যুঁজ কৰিব আৰিমত্তই। মৃত্যু নোহোৱালৈকে। তেতিয়া প্রতাপসিংহৰ কৰতলীয়া ৰজা হৈ আয়মেৰে ৰাজ্য শাসন কৰিব পাৰিব ফিংগুৱাই।

'প্রধান সেনাপতিয়ে আপোনাক দেখা কৰিব খুজিছে দেওৰাজা।'

ভিতৰ মাজিৰ কথা শুনি চিন্তাত মগ্ন হৈ থকা ফিংগুৱা কোঁৱৰ সচকিত হৈ উঠিল। সচকিত হৈ উঠিল ৰত্নাৱলী। এই ৰাতিখন কি এনে গুৰুত্বপূৰ্ণ বাৰ্তা লৈ আহিছে প্ৰধান সেনাপতিয়ে? আলহী কোঠাত ৰত্নাৱলী আৰু ফিংগুৱা কোঁৱৰে পতা কথাবোৰ চোৰাংচোৱাই শুনিলে নেকি? জনাবলৈ আহিছে নেকি সেনাপতিয়ে?

'এই ৰাতিখন প্ৰধান সেনাপতিৰ কি ইমান ডাঙৰ কথা মনত পৰিল?'

জুৰ পাত্ৰ নমাই থৈ আৰিমন্তই হাঁহিমুখেৰে সুধিলে।

ভিতৰ মাজিয়ে ফিংগুৱা কোঁৱৰলৈ চোৰাংকৈ চালে। কোৱাতো উচিত হ'বনে নাই ভাবি অস্বস্তিৰে ৰৈ থাকিল।

'ব'ল— ক'ব নালাগে। কিয় আহিছে জানো। নতুন অস্ত্ৰবোৰৰ আৰ্হি আহিছে নিশ্চয়।'

ফিংগুৱা কোঁৱৰক ৰাতিৰ আহাৰ খুৱাবলৈ ৰত্নাৱলীক নিৰ্দেশ দি আৰিমত্ত ওলাই গ'ল। ফিংগুৱা কোঁৱৰে ৰত্নাৱলীলৈ চালে—

'ৰত্নসিংহ ক'ত?'

গুৰুৰ ওচৰত কাইথেলী অংক শিকিবলৈ গৈছে। তাৰ পিছত যুঁজৰ আখৰালৈ যাব। আহোতে পলম হ'ব।'

'লখাইতৰা?'

'আচাৰ্যৰ ওচৰলৈ গৈছে, তাৰ পিছত নতুনকৈ দেৱজিনি নামৰ ৰাগ এটা শিকিছে নহয়— তাৰেই অনুশীলন কৰিব। বোধকৰো এতিয়া নাহে কোঁৱৰ।'

'দুৱাৰখন জপাই দিয়া ৰত্নাৱলী। ভিতৰমাজি ৰজাৰ লগত গৈছে; আৰুতো কোনো আহিব নোৱাৰে।'

'চামল?'

'চামল নাহে। নাই। নতুন সৈন্যশিকলক আজি চামলে দেখা কৰিব। সৈন্য শিবিৰত আজি ৰাতিৰ আহাৰ খাব বুলি ৰজাক কোৱা শুনিছো। দুৱাৰখন জপাই দিয়া ৰত্নাৱলী। প্ৰয়োজন হ'লে মই গোপন দুৱাৰেৰে ওলাই যাম।'

দুৱাৰখন জপাই ফিংগুৱাৰ বাহুবন্ধনত তৃষিত মানুহৰ দৰে সোমাই পৰিল ৰত্নাৱলী।

২৫

সন্ধ্যা আৰতিৰ শব্দত মুখৰিত হৈ উঠিছে মন্দিৰৰ চৌহদ। বাৰানসীত শিক্ষা লাভ কৰা, কান্যকুব্জৰ পৰা অহা পুৰোহিতৰ স্পষ্ট মন্ত্রোচ্চাৰণত গমগমাই উঠিছে গৰ্ভগৃহ।

মন্দিৰ প্রাংগণত সন্ধ্যা আৰতি চাই বহি আছে বৃদ্ধ প্রতাপসিংহ। তেওঁৰ সমগ্র অবয়বত দীর্ঘদিনীয়া অনিয়মৰ চিন স্পষ্ট হৈ উঠিছে। সুগভীৰ ঔদাসীন্য ভৰি থকা যেন লগা চকুযোৰৰ দৃষ্টি পুৰোহিতৰ মুখত নিবদ্ধ হৈ থাকিলেও দেখিলেই বুজিব পাৰি অন্যমনস্ক হৈ আছে প্রতাপচন্দ্র। গভীৰভাৱে অন্যমনস্ক।

সন্ধ্যাকালটো আজিকালি মন্দিৰ প্রাংগণতেই অতিবাহিত কৰে প্রতাপসিংহই। শাস্ত্রপাঠ শুনে। প্রাজ্ঞ শাস্ত্রীসকলৰ লগত ধর্মকথা আলোচনা কৰে।

অনেক সুশিক্ষিত ব্রাহ্মণক নিজৰ ৰাজ্যত স্থাপন কৰিছে প্রতাপসিংহই। মাটি-ভেঁটি প্রদান কৰি স্থায়ী বসবাসৰ ব্যৱস্থা কৰিছে। প্রপিতামহ ধর্মপালৰ স্বভাৱ আজিকালি প্রতিবিম্বিত হয় প্রতাপসিংহৰ কার্য আৰু আচৰণতো। প্রপিতামহ ধর্মপালে গৌড়, কনৌজ, মন্দাৰতলা, জৱইসাহান, ত্রিহুট আৰু বাৰকৰৰ পৰা শাস্ত্রজ্ঞ ব্রাহ্মণসকলক আনি পণ্ডিতৰ সভা পাতিছিল। তেওঁলোকক কামৰূপৰ ঠায়ে ঠায়ে স্থাপন কৰিছিল। পৃষ্ঠপোষকতা কৰিছিল শাস্ত্র ৰচনা আৰু অনুবাদ কৰাত আগ্রহী পণ্ডিত কবিসকলক।

প্রপিতামহৰ পথ অনুসৰণ কৰি প্রতাপসিংহয়ো ৰাজ্য প্রশাসনৰ সমান্তৰালভাৱে আগবঢ়াই লৈ গৈছে জ্ঞানচর্চা। অনেক সময়ত জ্ঞানচর্চাই প্রধান হৈ উঠিছে। ৰাজ্য পৰিচালনাৰ নিয়মিত আৰু এৰাব নোৱাৰা কামবোৰৰ বাহিৰে আন সকলোবোৰ কামৰ দায়িত্ব মহামন্ত্রী সগৰৰ ওপৰত ন্যস্ত কৰি ধর্মালোচনা আৰু প্রজাহিতকৰ কামত ব্যস্ত হৈ থাকে প্রতাপসিংহ।

বিজয় আকাংক্ষী, আর্যৰক্তৰ গর্বেৰে গর্বিত মহাপ্রতাপী প্রতাপচন্দ্র এতিয়া স্মৃতি মাত্র। তাৰ ঠাইত জন্ম হৈছে আত্মত্যাগী, প্রজাৰ হিতাকাংক্ষী, ৰক্তপাতবিৰোধী, জ্ঞানাকাংক্ষী অন্য এক প্রতাপসিংহৰ। যি প্রতাপসিংহৰ নিজৰ বুলিবলৈ আছে মাত্র

এমুঠি বিষাদসিক্ত স্মৃতি। প্রতাপসিংহ আগতকৈ অধিক জনপ্রিয় হৈ পৰিছে যদিও তেওঁৰ প্রশাসনিক ঔদাসীন্যৰ কাৰণে ৰাজ্যৰ প্রশাসন ব্যৱস্থা দুর্বল হৈ পৰিছে।

বিশাল ৰাজ্য এখন সুচাৰুৰূপে পৰিচালনা কৰিবলৈ যি সুসংগঠিত প্রশাসনিক গাঁথনিৰ প্রয়োজন হয় সেই প্রয়োজন পূৰ কৰিব পৰা মনোযোগ প্রতাপচন্দ্রৰ নাই। উদাস অন্যমনস্কতা আৰু বিষাদৰ গভীৰ হুমুনিয়াহৰ মাজেৰে পাৰ হৈ যায় প্রতাপচন্দ্রৰ দিনৰাতিবোৰ। পাৰ হৈ গৈ আছে অনেক বছৰ ধৰি।

আত্মীয় পৰিজনহীন, নিঃসংগ প্রতাপসিংহ।

দাস-দাসীৰে পৰিপূর্ণ, সুসজ্জিত ৰাজগৃহত প্রতাপ সিংহৰ নিজৰ বুলিবলৈ কোনো নাই।

থাকিলহেঁতেন।

লক্ষ্মী প্রতিমাৰ দৰে পত্নীৰ সৈতে, পুত্র-কন্যা, নাতি-নাতিনীৰে প্রতাপসিংহই আজি হয়তো এটা সুখী, পৰিতৃপ্ত জীৱনৰ অধিকাৰী হ'ব পাৰিলেহেঁতেন। গৰাকী হ'ব পাৰিলেহেঁতেন সমৃদ্ধিশালী এখন বিশাল ৰাজ্যৰ।

এতিয়া ৰাজ্য আছে। বিশাল এখন ৰাজ্য। কিন্তু সমৃদ্ধি নাই। অনেক বছৰৰ অমনোযোগিতাত প্রতাপসিংহৰ সুবিশাল সাম্রাজ্যৰ সুদৃঢ় গাঁথনি দুর্বল হৈ পৰিছে। ভূএগাসকলৰ ৰাজ্যসমূহ আৰু অন্যান্য অনেক সৰু সৰু ৰাজ্য অধিকাৰ কৰি প্রতাপসিংহ এখন বিশাল সাম্রাজ্যৰ অধিকাৰী হৈছিল। সেই ৰাজ্যসমূহ এতিয়াও অধীনস্থ হৈ আছে। প্রতাপসিংহৰ তলতীয়া সামন্ত হিচাপে ৰাজ্যৰ অধিকাৰীসকলে ৰাজ্য প্রশাসন পৰিচালনা কৰিছে। কিন্তু লাহে লাহে মূৰ দাঙি উঠিবলৈ আৰম্ভ কৰিছে সামন্তসকলে। প্রতাপসিংহৰ আগ্রহ আৰু দৃঢ়তাৰ অভাৱত ৰাজ্যৰ সুৰক্ষা ব্যৱস্থা দুর্বল হৈ পৰিছে। সমৰশক্তি দিনে দিনে টুটি আহিছে। সামন্তসকলে লাহে লাহে উপেক্ষা কৰিবলৈ আৰম্ভ কৰিছে প্রতাপসিংহৰ নির্দেশনা।

মহামন্ত্রী সগৰে কোনফালে কিমান চকু দিব?

বিশাল ৰাজ্যখনৰ ক'ত কি ঘটি আছে প্রতাপসিংহই অধিকাংশ কথাৰেই ভূ নাপায়। মহামন্ত্রী সগৰে জনাব খুজিলেও প্রতাপসিংহই শুনিব নোখোজে। এবাৰ জোৰ কৰি কথাবোৰ জনাব খোজোতে প্রতাপসিংহ বিৰক্ত হৈ উঠিছিল। কৈছিল—

'ৰাজ্যৰ প্রশাসন আপুনিয়েই পৰিচালনা কৰক মহামন্ত্রী। মোৰ প্রশাসনিক কথাবোৰ ভাল নালাগে। আপুনি অভিজ্ঞ। আনুষ্ঠানিক অনুমতিৰ প্রয়োজন হ'লে মোৰ পৰা ল'ব। তাৰ বাহিৰে সকলো দিশ আপুনিয়েই চোৱা-চিতা কৰক। মোৰ মাজে মাজে

আপোনাৰ ওপৰতেই ৰাজ্যভাৰ দি সম্পূৰ্ণৰূপে অৱসৰ ল'ৰ মন যায়।' তেওঁৰ কথা শুনি মহামন্ত্রী সগৰৰ মন বেয়া হৈ গৈছিল।

'তেনেকৈ ক'লে মনত দুখ হয় ঈশ্বৰপুত্র। মই আপোনাৰ অনুচৰ মাত্র। তাতোকৈ অধিক ক্ষমতা আৰু অধিকাৰৰ অযথা আকাংক্ষা নকৰো। মই আপোনাক এটা পৰামর্শহে দিব খোজো ঈশ্বৰপুত্র ; যদি সীমালংঘনৰ অধিকাৰ দিয়ে।' সগৰে কৈছিল।

'সীমা!' প্রতাপসিংহৰ মুখত বিষাদৰ হাঁহি এটা বিৰিঙি উঠিছিল। 'সীমাৰ প্রশ্ন আপোনাৰ আৰু মোৰ মাজত জানো এতিয়াও আছে মহামন্ত্রী? মই এজন নিঃসংগ বৃদ্ধ। মোৰ আকৌ সীমা কি?'

সেই প্রশ্নৰ উত্তৰ মহামন্ত্রীৰ হাততে নাছিল। বহুত সময় মনে মনে থাকি সগৰে কৈছিল—

'আপুনি পোষ্যপুত্র গ্রহণ কৰক ঈশ্বৰপুত্র। জীতাৰী বংশীয় ৰজাৰ যোগ্য কোনোবা এজন যুৱকক দত্তক লওক। এই ৰাজ্যৰ যুৱৰাজ হিচাপে অভিষিক্ত কৰক। ৰাজ্যৰ মংগল হ'ব। আপোনাৰো নিঃসংগতা আঁতৰিব।'

সগৰৰ কথা শুনি প্রতাপসিংহ যেন উচপ খাই উঠিছিল। বহু সময় সগৰৰ চকুলৈ অবাক হৈ চাই থাকি তীব্র অথচ গম্ভীৰ কণ্ঠেৰে কৈছিল—

'পোষ্যপুত্র কিয় ল'ম মহামন্ত্রী? মই জানো অপুত্রক?'

'অপুত্রক নহয়— কিন্তু যাৰ পুত্র জন্মৰ আগৰে পৰা নিৰুদ্দিষ্ট সেই ব্যক্তি অপুত্রকৰ সমার্থক।'

'মোৰ পুত্র নিৰুদ্দিষ্ট নহয় মহামন্ত্রী— মোৰ পুত্র ক'ত আছে আমি জানো। ৰাজ্যৰ অন্য বিষয়া আৰু প্রজাবর্গই নাজানিব পাৰে ; কিন্তু আপুনি আৰু মই জানো।'

'জানো। কিন্তু সেই পুত্রৰ পৰিচিতি কি ঈশ্বৰপুত্র? ৰজা প্রতাপসিংহৰ পুত্র হিচাপে সেই পুত্র প্রতিপালিত হোৱা নাই। সেই পুত্রই আপোনাৰ নাম নাজানে ঈশ্বৰপুত্র। চিনি নাপায়। অপ্রিয় হ'লেও ই সত্য।'

মহামন্ত্রীৰ চকুলৈ চাই থকা প্রতাপসিংহৰ বিষাদগভীৰ চকুযোৰত শ্লেষৰ এটা তীব্র স্ফুলিংগ যেন চমকি উঠি নোহোৱা হৈ গৈছিল।

'মহামন্ত্রীয়ে দেখোন মোৰ লগত আজিকালি শাস্ত্রপাঠ শুনিবলৈ দেৱালয়লৈ যায়। শাস্ত্রৰ বাক্য হৃদয়ংগম কৰিব পৰা বুদ্ধি-বৃত্তিৰ অভাৱোতো হোৱা বুলি নাভাবো। মহামন্ত্রীয়ে ৰামায়ণৰ কাহিনীওতো জানে। সগর্ভা পত্নীক নির্বাসন দিয়া ৰামচন্দ্রই জানো পুত্রৰ অভাৱত পূণর্বিবাহ কৰিছিল? কাৰোবাক পোষ্যপুত্র গ্রহণ কৰিছিল?'

'কৰা নাছিল ঈশ্বৰপুত্ৰ।' উত্তেজিত হৈ পৰা ৰামচন্দ্ৰক শান্ত কৰিবলৈ নমনীয় হৈ পৰিছিল মহামন্ত্ৰী সগৰ।

'তেনেহ'লে? মই কিয় পোষ্যপুত্ৰ ল'ম? নলওঁ মহামন্ত্ৰী। মই এই ৰাজ্য মোৰ পুত্ৰলৈ থৈছো। সি যিদিনা আহিব, তাৰ হাতত ৰাজ্যাধিকাৰ অৰ্পণ কৰি মই সন্ন্যাস ল'ম। সি যদি নাহে, মোৰ মৃত্যুৰ পিচত আপুনি এই ৰাজ্যৰ অধিকাৰী হ'ব। অন্যথাই এই ৰাজ্য জৰাজীৰ্ণ হৈ নষ্ট হৈ যাওঁক।'

আৱেগিক হৈ পৰিছিল প্ৰতাপসিংহ। কোনো উত্তৰ নিদি মনে মনে বহি আছিল সগৰ। বহুত সময় পিচত প্ৰতাপসিংহই কৈছিল—

'মোৰ আইমাতৃয়ে মোক ৰামচন্দ্ৰ বুলি মাতিছিল। এই নামটোৰ লগত মোৰ অভিশপ্ত জীৱনৰ কিবা সম্পৰ্ক আছে বুলি মাজে মাজে মোৰ ভাব হয় মহামন্ত্ৰী।'

'সেই কাৰণেই ক্ষত্ৰিয়জনৰ অধিক শাস্ত্ৰপাঠ বাঞ্ছনীয় নহয়। শাস্ত্ৰ-মহাকাব্যৰ ধুঁৰলি-কুঁৱলী দেশত বাট হেৰুওৱাৰ সম্ভাৱনা। বৰ্ণাশ্ৰম যদি স্বীকাৰ কৰে তেনেহ'লে আপুনি ক্ষত্ৰিয়বৰ্ণৰ পৰা বিচ্যুত হোৱা বুলিয়েই ক'ব লাগিব। আপুনি ৰজা। ৰাজসিক গুণৰ অধিকাৰী। ৰাজ্যশাসন, ৰাজ্যৰক্ষা আপোনাৰ প্ৰধান কৰ্তব্য। শোকত ম্ৰিয়মাণ হৈ ৰাজকাৰ্যক অৱহেলা কৰাটো সঠিক নহয়। ৰামায়ণৰ ৰামচন্দ্ৰই সীতা বনবাসৰ পিচত শোকগ্ৰস্ত হ'লেও ৰাজকাৰ্যত অৱহেলা কৰা নছিল। ৰৱঞ্চ দিগ্বিজয়ৰ উদ্দেশ্যে তেওঁ অশ্বমেধ যজ্ঞৰহে আয়োজন কৰিছিল। যদি মহাকাব্যৰ যুক্তিয়েই দিয়ে, আপুনি এই যুক্তিও মানি ল'ব লাগিব ৰজাদেৱ। তদুপৰি ৰজা ৰামচন্দ্ৰ নিঃসংগ নাছিল। তেওঁক সহায় কৰিবলৈ ভাতৃসকল আৰু ভাতৃসকলৰ পৰিয়ালবৰ্গ আছিল। আপোনাৰ কোন আছে ৰজাদেৱ? আপোনাৰ এতিয়া বৃদ্ধকাল উপস্থিত হৈছে। এই সময়ত আপোনাক আপোনজনৰ প্ৰয়োজন।'

'কিয়? মুখাগ্নিৰ কাৰণে?' প্ৰতাপচন্দ্ৰই হাঁহিছিল।

'আপুনি তেনেকৈ ভাবিলে মই নিৰুপায়।' হতাশ হৈ মহামন্ত্ৰী সগৰে যুক্তি দিবলৈ এৰিছিল। সেইদিন ধৰি এই ধৰণৰ প্ৰসংগ মহামন্ত্ৰী সগৰে পুনৰ উত্থাপন কৰা নাই। প্ৰতাপসিংহক ইচ্ছানুসৰি চলিবলৈ দি নিজেই ৰাজ্য প্ৰশাসনৰ গুৰিব'ঠা ধৰিছে।

কিন্তু ৰাজ্য পৰিচালনা কৰিবলৈ গৈ অন্য এক সংকটৰো মুখামুখি হৈছে সগৰ। প্ৰতাপচন্দ্ৰৰ উদাসীনতাৰ সুযোগত ৰাজ্যৰ প্ৰধান ৰাজবিষয়াসকলৰ মাজত ক্ষমতাৰ দ্বন্দ্ব আৰম্ভ হৈ গৈছে। মহামন্ত্ৰী সগৰক ওফৰাই ৰাজক্ষমতাৰ প্ৰধান অধিকাৰী হোৱাৰ আকাংক্ষাত বেলেগ বেলেগ গোটত ভাগ হৈ গৈছে প্ৰধান বিষয়াসকল। অতি

কৌশলেৰে, অসীম ধৈর্যৰে সকলো জটিলতাৰ মাজতে ৰাজ্য চলাই গৈছে মহামন্ত্রী সগৰে। সুদীর্ঘ দিনৰ মহামন্ত্রীত্বৰ অভিজ্ঞতা, সুগভীৰ ৰাজনৈতিক জ্ঞান, বিবেচনা শক্তি আৰু অনুগত বিষয়াসকলৰ সহায়ত সগৰে এতিয়াও ধৰি ৰাখিছে ৰাজ্যখন। খণ্ড বিখণ্ড হৈ যাবলৈ দিয়া নাই।

প্রতাপসিংহৰ বিষণ্ণ, ক্লান্ত, বয়সকুঞ্চিত মুখলৈ চালে মমতাত বিগলিত হৈ যায় মহামন্ত্রী সগৰ। প্রতাপপুৰৰ দুর্গৰ অভ্যন্তৰৰ বিশাল ৰাজগৃহত নিঃসংগ জীৱন কটোৱা প্রতাপসিংহক দেখি কষ্টত কাতৰ হৈ যায়।

বহুবছৰ আগতে এই নিঃসংগতা দূৰ কৰিবলৈ চেষ্টা কৰিছিল সগৰে। প্রতাপসিংহক পুনর্বিবাহ কৰাবলৈ জোৰ দি ধৰিছিল। প্রতাপসিংহই স্পষ্টভাষাত প্রত্যাখ্যান কৰিছিল সেই প্রস্তাৱ।

বিনা অপৰাধত নির্বাসন দিয়া পত্নীৰ স্মৃতিকে সাবটি এতিয়ালৈকে জীয়াই আছে প্রতাপচন্দ্র। মাজে মাজে মহামন্ত্রীৰ ভাব হয়— প্রতাপচন্দ্রৰ মনত এতিয়াও যেন জীৱন্ত হৈ আছে মহাৰাণী চন্দ্রপ্রভা। বর্তমান হৈ আছে। চন্দ্রপ্রভাক ওচৰত থকা বুলি ধৰি লৈয়েই যেন সময় ব্যয় কৰি গৈছে প্রতাপ সিংহই। অবাস্তৱ এক কল্পনাৰ জগতত নিজক বন্দী কৰি পেলাইছে।

এই অবাস্তৱতাৰ পৰা উলিয়াই অনাৰ চেষ্টা কৰিবলৈ এৰি দিছে সগৰে।

কি লাভ।

যদি তেনেকৈ থাকি শান্তি পায়— থাকক।

অনেক বছৰ তেনেকৈয়ে পাৰ হৈ গৈছে।

প্রতাপচন্দ্রৰ ৰাজ্যত কিম্বদন্তীলৈ ৰূপান্তৰিত হৈছে মহাৰাণী চন্দ্রপ্রভাৰ স্মৃতি। ব্রহ্মপুত্র দেৱতাৰ স্বপ্নাদেশত ব্রহ্মপুত্রক দান কৰা অনন্যা ৰূপৱতী মহাৰাণী চন্দ্রপ্রভাক কেন্দ্র কৰি মানুহৰ মুখ বাগৰি সৃষ্টি হৈছে অনেক কাহিনী।

সাধুকথা হৈ গৈছে চন্দ্রপ্রভা।

মহামন্ত্রী সগৰেও নাজানে চন্দ্রপ্রভাৰ বর্তমান জীৱনৰ কোনো কথা। প্রথম প্রথম প্রতাপচন্দ্রৰ নির্দেশত গোভালৈ চোৰাংচোৱা পঠিয়াই চন্দ্রপ্রভাৰ বাতৰি আনিছিল সগৰে। চন্দ্রপ্রভাৰ পুত্র হোৱাৰ বাতৰিও পাইছিল। তাৰ পিচত আৰু একো বাতৰি পোৱা নাই। প্রতাপচন্দ্রৰ নির্দেশতেই চোৰাংচোৱা পঠোৱা বন্ধ কৰি দিছিল সগৰে।

চন্দ্রপ্রভা আৰু তেওঁৰ পুত্র এতিয়াও নিশ্চয় জীয়াই আছে। নিশ্চয় এতিয়ালৈ পৰিণত বয়সত উপনীত হৈছে চন্দ্রপ্রভাৰ পুত্রই।

চন্দ্রপ্রভাই নিজেও কেতিয়াও প্রতাপচন্দ্রৰ লগত যোগযোগ কৰাৰ চেষ্টা কৰা নাই।

নকৰাটোৱেই স্বাভাৱিক।

চন্দ্রপ্রভাৰ আত্মাভিমান সগৰে দেখিছিল। দৃঢ়তাও দেখিছিল। আত্মাভিমানী চন্দ্রপ্রভাই নিশ্চয় পুত্রক পিতৃ পৰিচয় দিয়া নাই। দিয়া হ'লে সেই পুত্রই পিতৃক বিচাৰি অহাৰ ক্ষীণ সম্ভৱনাও আছিল।

আজিলৈকে নাহিল।

অহাৰ সম্ভাৱনাও নাই।

কিন্তু আজিও, জীৱনৰ শেষ বয়সতো পৰিণত বয়স্ক পুত্রৰ অপেক্ষাত আছে প্রতাপচন্দ্র। ভাবিলে আচৰিত লাগে সগৰৰ। অত্যধিক ভাল পোৱা আৰু অত্যধিক আৱেগেৰে জীৱনলৈ দুর্ভাগ্য নমাই অনা প্রতাপচন্দ্রৰ মনোকষ্টই অহোৰাত্রি আলোড়িত কৰি ৰাখে সগৰক। সেয়েহে কষ্টক কষ্ট বুলি নাভাবি, বয়সৰ মহাভাৰকো উপেক্ষা কৰি এতিয়াও ৰাজ্য পৰিচালনাৰ দায়িত্ব লৈ আছে সগৰে।

দুহাতেৰে আৱৰি ৰাখিছে প্রতাপচন্দ্রক।

কিন্তু লাহে লাহে শক্তি টুটি আহিব ধৰিছে সগৰৰো। সামন্তসকলে, বিশেষকৈ ভূঞাসকলে নিজকে স্বাধীন বুলি ভাবিবলৈ আৰম্ভ কৰাৰ লগে লগে ৰাজ্য প্রশাসন, উন্নয়ন আৰু সুৰক্ষাৰ ববে প্রয়োজনীয় ৰাজহৰ অভাৱ ঘটিছে। চাৰিওফালৰ ৰাজ্যসমূহতো ৰাজনৈতিক বাতাবৰণ সলনি হৈছে। পূবত আহোম ৰাজশক্তি আৰু পশ্চিমত কোচ ৰাজশক্তিৰ উত্থান ঘটিবলৈ আৰম্ভ কৰাৰ লগে লগে শক্তি গোষ্ঠীসমূহৰ ওপৰতো প্রভাৱ পৰিবলৈ আৰম্ভ কৰিছে। সলনি হৈ পৰিব ধৰিছে ৰাজনৈতিক সমীকৰণ।

এনে সময়তে প্রতাপচন্দ্রৰ ৰাজ্যত এক নতুন সংকটে দেখা দিছে।

সেই সংকটৰ কথা আলোচনা কৰিবলৈ দেৱালয় প্রাংগণত উপস্থিত হ'লহি মহামন্ত্রী সগৰ।

তেতিয়া সন্ধ্যাৰতি শেষ হৈছিল।

ৰাজগৃহৰচৌহদতে থকা মন্দিৰ প্রাঙ্গণত বহি আছিল প্রতাপচন্দ্র। শুনি আছিল সামবেদৰ সুললিত স্তোত্র।

মহামন্ত্রী সগৰে অভিবাদন জনোৱাত প্রতাপচন্দ্রই মুৰ তুলি চাই ধীৰভাৱে ক'লে—

'বহক মহামন্ত্রী। আপুনি অহাৰ সময় উত্তীর্ণ হোৱা দেখি নাহিব বুলি ভাবিছিলো।'

'এটা বিশেষ সমস্যা উপস্থিত হোৱাত সঠিক সময়ত আহিব নোৱাৰিলো। এতিয়াও

শাস্ত্রপাঠ শুনা নহ'ব। মন্ত্রণাকক্ষলৈ আপোনাক মাতিবলৈহে আহিছিলো ঈশ্বৰপুত্র।'

'মন্ত্রণাকক্ষলৈ? এতিয়া? কিয়?'

'সুৰক্ষা সম্পৰ্কীয় আলোচনাৰ বাবে।'

'সুৰক্ষাৰ সমস্যা হৈছে নেকি? মই যে এতিয়া সামবেদ পাঠ শুনি আছো।'

'বেদ পাঠ স্থগিত ৰাখিব লাগিব ঈশ্বৰপুত্র। ৰাজ্যৰ সংকটকাল। মন্ত্রণাকক্ষত আপোনাৰ উপস্থিতিৰ প্রয়োজন।'

'কি সংকট মহামন্ত্রী?'

'পশ্চিমৰ কমতাৰ ৰজা আৰিমত্তই আমাৰ ৰাজ্য আক্রমণ কৰিছে।'

আৰিমত্ত!

ৰাজ্যৰ সংকটে নহয়— আক্রমণকাৰী ৰজাৰ নামটোৱে যেন বিস্ময়াহত কৰি তুলিলে প্রতাপসিংহক।

'আৰিমত্ত? কমতাৰ ৰজা? আপুনি নিশ্চিত নে মহামন্ত্রী?'

'নিশ্চিত ঈশ্বৰপুত্র। আহক। মন্ত্রণাকক্ষত প্রধান সেনাপতি আপোনাৰ অপেক্ষাত আছে। মই যাওঁ। প্রধান বিষয়াসকলক মাতি অনাৰ নির্দেশ দিওঁগৈ।'

প্রতাপসিংহক আশ্চর্য আৰু অনিশ্চয়তাত পেলাই থৈ অভিবাদন জনাই মহামন্ত্রী গ'লগৈ।

২৬

ঘনে ঘনে বহিছে মন্ত্রণাসভা।

ৰাজ্যৰ প্রধানসেনাপতি, মহামন্ত্রী, মহাপ্রতিহাৰ আদি শীর্ষ বিষয়াসকলৰ লগত গম্ভীৰ আলোচনাত ব্যস্ত হৈ পৰিছে প্রতাপসিংহ।

বার্তাবাহকসকলে কঢ়িয়াই অনা দুঃসংবাদবোৰে গধুৰ কৰি তুলিছে মন্ত্রণাকক্ষ।

পশ্চিমৰ পৰা আগবাঢ়ি আহি আছে আৰিমত্তৰ বিশাল সৈন্যবাহিনী। ধীৰ গতিৰে নহয়। প্রচণ্ড বিক্রমেৰে। ধুমুহাৰ দৰে। প্রতাপসিংহৰ সৈন্যই প্রতিৰোধ কৰিব পৰা নাই আৰিমত্তৰ আক্রমণ। ৰুদ্ধ কৰিব পৰা নাই অগ্রগতি।

প্রতাপসিংহৰ সৈন্যশক্তিৰ দুর্বলতাৰ বাবে নহয়।

সামন্ত ৰজাসকলৰ অসহযোগিতাৰ বাবে।

সামন্তসকলে আৰিমত্তৰ ওচৰত প্রায় বিনাযুদ্ধে বশ্যতা স্বীকাৰ কৰিছে। তাৰ বিনিময়ত তেওঁলোকে লাভ কৰিছে কৰতলীয়া ৰজা হৈ প্রায় স্বাধীনভাৱে ৰাজ্য শাসন কৰাৰ অধিকাৰ।

প্রতাপসিংহৰ ৰাজ্যৰ স্থায়ী সৈন্যবাহিনীয়ে সেই কাৰণে প্রতি পদে পদে পৰাজিত হৈ পিচুৰাই আহিবলৈ আৰম্ভ কৰিছে।

সামন্তসকলে সৈন্য নিদিলে স্থায়ী সেনাৰে দীঘলীয়া যুদ্ধ কৰা অসম্ভৱ। যুদ্ধকালীন প্রয়োজনৰ অন্যান্য সামগ্রী ৰাজধানীৰ পৰা কঢ়িয়াই নিয়াৰ ব্যৱস্থা কৰা হৈছে যদিও সেই যোগান পর্যাপ্ত নহয়। স্থানীয় প্রশাসনৰ সাহায্যৰ অত্যন্ত প্রয়োজন। কিন্তু সেই সাহায্যৰ পৰা বঞ্চিত হৈছে প্রতাপসিংহ। দুই-এটা অঞ্চলত সামান্য সাহায্য লাভ কৰিলেও অধিকাংশ অঞ্চলত সাহায্যৰ পৰিবর্তে প্রতিবন্ধকহে লাভ কৰিছে প্রতাপসিংহই।

প্রতাপসিংহৰ পিতৃ সোমপাল আৰু পিতামহ তাম্রধ্বজৰ সময়ত প্রপিতামহ ধর্মপালৰ বিশাল ৰাজ্যৰ অধিকাংশ অঞ্চলেই স্বাধীন হৈ পৰিছিল। বিশেষকৈ ভূঞাসকল। প্রতাপসিংহৰ দিনত ভূঞাসকলে আকৌ স্বাধীনতা হেৰুৱাই সামন্তলৈ ৰূপান্তৰিত হ'বলৈ বাধ্য হৈছিল। দুই-এজন ভূঞাই ব্রহ্মপুত্রৰ দক্ষিণ পাৰলৈ গৈ নতুনকৈ বসতি স্থাপন কৰি সৰু সৰু ৰাজ্যৰ অধীশ্বৰ হৈছেগৈ। প্রতাপসিংহৰ শৌর্যৰ আগত নিষ্প্রভ

হৈ যোৱা ভূঞাসকলে পিচলৈ, প্রতাপসিংহৰ দুর্বলতাৰ সুযোগত লাহে লাহে মূৰ দাঙি উঠিবলৈ আৰম্ভ কৰিছিল। এতিয়া আৰিমত্তক আগ্রাসী ৰূপত আগবাঢ়ি অহা দেখি প্রতাপসিংহৰ প্রতি থকা আনুগত্য সম্পূর্ণৰূপে ত্যাগ কৰিছে।

কৰতলীয়া ৰজা হ'ল কি হ'ল। ৰজাতো।

বৰৰজা প্রতাপসিংহৰ অধস্তন সামন্ততো নহয়।

অন্ততঃ বেয়াৰ ভাল।

প্রতাপসিংহৰ বিশাল ৰাজ্য খণ্ড খণ্ডকৈ অধিকাৰ কৰি কৰি আগবাঢ়ি আহিছে আৰিমত্ত। সামন্তসকলৰ আতিথ্য আৰু সামৰিক সহযোগিতা লাভ কৰা বাবে আৰিমত্তৰ অভিযান কষ্টকৰ হোৱা নাই। সৈন্যও বেছি ক্ষয় হোৱা নাই। বৰঞ্চ কৰতলীয়া ৰজা হিচাপে থাকিবলৈ ইচ্ছা প্রকাশ কৰি শৰণ লোৱা সামন্তসকলৰ সহযোগিতাত সমৰ শক্তি বৃদ্ধিহে হৈছে।

আৰিমত্তৰ সৈন্যদল উৎসাহী হৈ উঠিছে।

হতাশ হৈ পৰিব ধৰিছে প্রতাপসিংহৰ বাহিনী।

দুর্গবেষ্টিত ৰাজধানীৰ প্রায় ওচৰ পাইছেহি আৰিমত্ত।

সেয়েহে অসময়ত মন্ত্রণাসভাৰ আয়োজন কৰিছে প্রতাপসিংহই।

ৰাজবিষয়াসকলৰ লগত পৰৱর্তী পদক্ষেপ সম্পর্কে আলোচনাত ব্যস্ত হৈ পৰিছে।

কিন্তু এই অতিশয় সংকটপূর্ণ মুহূর্তত, গম্ভীৰ আলোচনাৰ মাজতো বাৰে বাৰে অন্যমনস্ক হৈ পৰিছে প্রতাপসিংহ।

বিশাল ৰাজ্যখন এফালৰ পৰা গ্রাস কৰি অহা কমতাৰ ৰজাৰ নামটোৱে অন্য চিন্তাৰে ব্যতিব্যস্ত কৰি তুলিছে প্রতাপসিংহক।

আৰিমত্ত।

ইমান চিনাকি নাম।

কোন এই আৰিমত্ত?

আৰিমত্ত নে অৰিমত্ত?

আৰিমত্তৰ অর্থ কি?

কেনেবাকৈ এই আৰিমত্তই হ'ব পাৰে নেকি প্রতাপচন্দ্রৰ নির্বাসিত পুত্র?

কেনেকৈ হ'ব?

প্রতাপচন্দ্রৰ পুত্রৰ নামতো মৃগাংক। চন্দ্রপ্রভাইতো মৃগাংক বুলিহে পুত্রৰ নামকৰণ কৰাৰ বাতৰি পাইছিল প্রতাপসিংহই।

মায়াপুৰৰ পৰা উভতি অহাৰ পিচত অনেকবাৰ গোভালৈ চোৰাংচোৰা পঠিয়াই চন্দ্রপ্রভাৰ বাতৰি সংগ্রহ কৰি আনিবৰ চেষ্টা কৰিছিল প্রতাপচন্দ্রই। দুই-এজন চোৰাংচোৰা

ধৰা পৰিছিল। দুই-এজন বিফল হৈ উভতি আহিছিল। ধৰা পৰা চোৱাংচোৱাকেইজনে গোভাৰ পৰা কঢ়িয়াই আনিছিল গোভাৰজা সাধুকুমাৰৰ অপমানজনক বাক্যবোৰ। সেই অপমান সহিও আকৌ চোৱাংচোৱা পঠিয়াইছিল প্রতাপসিংহই। চন্দ্রপ্রভাৰ পুত্র হোৱাৰ বাতৰি পাইছিল। সেই পুত্রৰ নাম মৃগাংক বুলিও গম পাইছিল।

কিন্তু ৰাজহুৱা অনুষ্ঠানত পুত্রৰ নাম মৃগাংক থোৱা বুলি জানি আৰু চন্দ্রপ্রভাই কপাল আৰু শিৰৰ সেন্দুৰ মচি অন্য কোনো নাম গ্রহণ কৰা বুলি জনাৰ পিচত প্রতাপচন্দ্রই চোৱাংচোৱা পঠোৱা বন্ধ কৰিছিল। চন্দ্রপ্রভাই শিৰৰ সেন্দুৰ মচি, নিজৰ নাম ত্যাগ কৰি কি বুজাব খুজিছিল প্রতাপচন্দ্রই বুজিছিল।

বুজি প্রথমতে ভাগি পৰিছিল প্রতাপচন্দ্র।

তাৰ পিচত উদাসীন হৈ গৈছিল।

চন্দ্রপ্রভাই নিজৰ পূর্বপৰিচিতি ত্যাগ কৰা বুলি আৰু এক নতুন জীৱন আৰম্ভ কৰা বুলি বুজি পোৱাৰ পিচত নিজৰ স্মৃতিকেই যেন আশ্রয় বুলি খামুচি ধৰিছিল প্রতাপচন্দ্রই। পাহৰি যাব খুজিছিল সাধুকুমাৰৰ পত্নী, গোভাৰ ৰাণী, নতুন নামেৰে পৰিচিত চন্দ্রপ্রভাক।

তাৰ পিচৰ বছৰবোৰ প্রতাপচন্দ্রই পাৰ কৰি আহিল আশাশূন্য স্থবিৰতাৰ মাজেৰে।

কোনে কাক নির্বাসিত কৰিলে মাজে মাজে সন্দেহ হয় প্রতাপচন্দ্রৰ। সুবিশাল সাম্রাজ্যৰ অধিকাৰী হৈয়ো নিজকেই দেখোন নির্বাচিত যেন লাগে।

চন্দ্রপ্রভাইতো লাভ কৰিছে এটা পৰিপূর্ণ জীৱন। কাৰোবাৰ পত্নী হৈ, সন্তানৰ মাতৃ হৈ সংসাৰ কৰিছে। হ'ব পাৰে এখন সৰু, সমৃদ্ধিহীন, হাবিতলীয়া ৰাজ্যৰ ৰাণী। কিন্তু সম্মানৰ অভাৱতো হোৱা নাই। গোভাৰ ৰাজগৃহত চন্দ্রপ্রভাই সসম্মানে বাস কৰা বুলি প্রতাপচন্দ্রই জানে। নিশ্চিতভাৱে জানে।

চন্দ্রপ্রভাৰ মনত হয়তো এতিয়াও দুখ আছে। এতিয়াও হয়তো মনৰ পৰা নিঃশ্চিহ্ন হৈ যোৱা নাই অপমানৰ ক্ষতচিহ্ন।

তাৰ বাহিৰে আৰু কি কষ্ট আছে চন্দ্রপ্রভাৰ?

আছেনে কোনো অপৰাধবোধ? অপৰাধবোধে দিয়া প্রচণ্ড যন্ত্রণাত কষ্ট পাইছেনে চন্দ্রপ্রভাই? প্রতাপচন্দ্রৰ দৰে?

চন্দ্রপ্রভাইতো কোনো অপৰাধ কৰা নাই। অপৰাধ কৰিছে প্রতাপচন্দ্রই। অত্যধিক আৱেগৰ বশৱর্তী হৈ পৰিত্যাগ কৰিছে সগর্ভা পত্নীক। সঁপি দিছে অনার্য ৰজা এজনৰ হাতত।

অপৰাধবোধতকৈ যন্ত্রণাকৰ আৰু কি আছে?

অপৰাধবোধৰ বাহিৰে আন কিহে এনেকৈ কুটি কুটি খাব পাৰে মনৰ শান্তি? স্বস্তি? আনন্দ?

'এতিয়া আমাৰ কি কৰ্তব্য ঈশ্বৰপুত্ৰ?'

প্ৰধান সেনাপতিৰ কথা শুনি প্ৰতাপচন্দ্ৰৰ অন্যমনস্কতা থান-বান হৈ গ'ল। এখন্তেক বিভ্ৰান্ত দৃষ্টিৰে চাই থাকি প্ৰতাপচন্দ্ৰ পোন হৈ বহিল। অলপ সময় মনে মনে থাকি দৃঢ় কণ্ঠেৰে কৈ উঠিল—

'আৰিমত্তক প্ৰতিহত কৰিবই লাগিব প্ৰধান সেনাপতি। পশ্চিমৰ সামন্তসকলে আত্মসমৰ্পণ কৰিছে। কৰক। সাময়িকভাৱে আমাৰ সৈন্য পিচুৱাই আহিছে। ই যুদ্ধৰ সমাপ্তিৰ বা পৰাজয়ৰ ইংগিত নিদিয়ে। অন্যান্য প্ৰান্তৰ পৰা সৈন্য সংগ্ৰহ কৰক। বিভিন্ন খণ্ডত থকা অস্ত্ৰশালাসমূহৰ সকলো অস্ত্ৰ আনি ৰাজধানীত একত্ৰিত কৰক। অস্থায়ী সৈন্য অধিগ্ৰহণ কৰক। প্ৰজাৰ হাতত থকা ব্যক্তিগত অস্ত্ৰসমূহো অধিগ্ৰহণ কৰক। মহা প্ৰতিহাৰৰ হাতত খাদ্যবস্ত্ৰ আদিৰ দায়িত্ব আছেই। সঞ্চিত খাদ্যদ্ৰব্যৰ পৰিমাণ বৃদ্ধি কৰক। বিশ্ৰামৰ সময় সংকুচিত কৰি দিশে দিশে বিষয়াসকলক প্ৰেৰণ কৰক। এতিয়া নিশা হ'ল। নিশাৰ ভিতৰত আৰিমত্তই আক্ৰমণ কৰাৰ সম্ভাৱনা নাই। নিশাটোৰ ভিতৰতে সকলো কাম সম্পন্ন কৰিব পাৰিলে কালিলৈ ব্ৰহ্মমুহূৰ্তত আমি আৰিমত্তক আগবাঢ়ি গৈ অতৰ্কিতে আক্ৰমণ কৰিম। ঘাটুৱৈসকলক ঘাটত উপস্থিত হ'বলৈ নিৰ্দেশ দিয়ক। হাতী আৰু ঘোঁৰাবোৰ সাজু কৰক। পৰৱৰ্তী যুদ্ধত মই নেতৃত্ব দিম।'

'আপুনি যুদ্ধৰ নেতৃত্ব দিয়াৰ প্ৰয়োজন এতিয়াও উপস্থিত হোৱা নাই ঈশ্বৰপুত্ৰ। প্ৰতাপপুৰৰ দুৰ্গ এতিয়াও সুৰক্ষিত। মোৰ মৃত্যু নোহোৱালৈ আপুনি অস্ত্ৰধৰাৰ প্ৰয়োজন নাই ঈশ্বৰপুত্ৰ। প্ৰধানসেনাপতিয়ে ক'লে।'

'জানো। আপোনাৰ ওপৰত মোৰ আস্থা অক্ষত হৈ আছে প্ৰধান সেনাপতি। আনুগত্যহীন সামন্তই দুৰ্বল কৰি নোতোলাহ'লে আৰিমত্তক প্ৰতিহত কৰাটো আপোনাৰ পক্ষে দুদণ্ডৰ কাম আছিল বুলিও জানো। কিন্তু এতিয়া সংকটকাল। সৈন্যসকলৰ মনোবল ভাগি পৰিছে। যুদ্ধক্ষেত্ৰত মোক দেখা পালে সৈন্যসকলে সাহস পাব। উৎসাহ পাব। মোৰ নিৰাপত্তাক লৈ শংকিত নহ'ব প্ৰধান সেনাপতি। মই বৃদ্ধ হ'ব পাৰো ; কিন্তু অক্ষম নহয়। আৰিমত্তৰ দৰে তৰুণ যোদ্ধা এজনক দ্বন্দ্বযুদ্ধত পৰাভূত কৰাৰ ক্ষমতা মোৰ এতিয়াও আছে। যাওঁক— মই দিয়া নিৰ্দেশসমূহ যথাযথভাৱে পালন কৰক। আৰিমত্ত এতিয়া বিজয় সম্পৰ্কে নিশ্চিত হৈ পৰিছে। দীৰ্ঘদিনীয়া যাত্ৰা আৰু পৰিশ্ৰমত ক্লান্তও হৈ পৰিছে। এনে সময়ত সৈন্যসকল অসতৰ্ক হৈ থকাৰ সম্ভাৱনা। দীৰ্ঘদিনৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰো আক্ৰমণাত্মক পদ্ধতিয়েই শ্ৰেষ্ঠ পদ্ধতি। আত্মৰক্ষাত অধিক গুৰুত্ব দিব লগা হোৱা বাবে প্ৰতিপক্ষই প্ৰত্যাক্ৰমণৰ সুযোগ হেৰুৱায়। সংহতিও নষ্ট হয়।'

সভাৰ সমাপ্তিৰ ইংগিত দি প্ৰতাপচন্দ্ৰ থিয় হ'ল। সেইমুহূৰ্ততে বাহিৰৰ পৰা

উধাতু খাই সোমাই আহিল দ্বাৰপাল এজন। কোনোমতে অভিবাদন জনাই কৈ উঠিল—

'মহাদ্বাৰপতিয়ে বার্তা দিছে— কমতাৰ সৈন্যই আমাৰ দুর্গ আক্রমণ কৰিছে।'

আকস্মিক আৰু অপ্রত্যাশিত বার্তাটোৱে মুহূর্তৰ কাৰণে যেন শিলামূর্তিলৈ ৰূপান্তৰিত কৰিলে মন্ত্রণাকক্ষত সমবেত বিষয়াসকলক। প্রতাপচন্দ্রকো। পিচমুহূর্ততে আটাইবোৰ সচল হৈ উঠিল। কেইটামান শ্বাসৰুদ্ধ আলোচনাৰ মুহূর্ত পাৰ হৈ গ'ল। তাৰ পিচত খৰখোজেৰে ওলাই গ'ল বিষয়াসকল। প্রতাপচন্দ্র উভতি আহিল নিজৰ অস্ত্রশালালৈ ; যুদ্ধৰ বর্ম পিন্ধি, অস্ত্র-শস্ত্রৰে সুসজ্জিত হ'বলৈ। যুদ্ধৰ সাজেৰে সজ্জিত হৈ থকা প্রধান সেনাপতি ওলাই গ'ল মূল দ্বাৰৰ ওচৰলৈ। মহামন্ত্রী সগৰে বিষয়াসকলক প্রয়োজনীয় নির্দেশনা দিয়াত ব্যস্ত হৈ পৰিল।

দেহৰক্ষীসকলৰ সৈতে ৰাজগৃহৰ পৰা ওলাই আহি ঘোঁৰাত উঠিল প্রতাপচন্দ্র। মূৰ তুলি মূল দুৰাৰৰ ফালে চাই পঠিয়ালে।

অসংখ্য জোৰবন্তিৰ পোহৰেৰে উদ্ভাসিত হৈ উঠিছে মূল দুৰাৰৰ বাহিৰখন। এজাক উন্মত্ত সৈন্যৰ কিৰিলি আৰু আহত সৈন্যৰ আর্তনাদে ভয়ংকৰ কৰি তুলিছে পৰিবেশ। থান-বান হৈ গৈছে ৰাতিৰ নির্জনতা। মহা ভৈৰৱক প্রণাম জনাই ৰজা প্রতাপচন্দ্রই সৌকা চলালে।

দুর্গ অভ্যন্তৰৰ মূলপথ ঘেঁৰাৰ খুড়াৰ সম্মিলিত শব্দ আৰু সৈন্যসকলৰ জয়ধ্বনিত উত্তাল হৈ উঠিল।

তেজত টগবগাই উঠিছে আর্য ক্ষত্রিয়ৰ যুদ্ধ তৃষ্ণা। টগ্‌বগাই উঠিছে বয়স নেওচি,— দুর্বহ ক্রোধ। উদ্দাম হৈ উঠিছে ৰণোদ্যম।

প্রতাপচন্দ্র আৰু সৈন্যসকল যেতিয়া মূলদ্বাৰত উপস্থিত হৈছে তেতিয়া এজাক হাতীৰ সম্মিলিত আঘাতত ভাগি পৰিছিল সিংহদুৰাৰ।

প্রতাপসিংহ এক মুহূর্তলৈ থমকি ৰ'ল। তাৰ পিচত ৰণউন্মত্ত সৈন্যসকলৰ মাজত প্রচণ্ড গতিৰে সোমাই পৰিলগৈ। প্রতাপচন্দ্রক দেখি মনোবল হেৰুৱাই পেলাবলৈ ধৰা সৈন্যসকল উৎসাহিত হৈ উঠিল। প্রধান সেনাপতিৰ নির্দেশত একত্রিত হৈ সমগ্র শক্তি প্রয়োগ কৰি যুঁজিবলৈ আৰম্ভ কৰিলে।

লাহে লাহে পিচুৰাবলৈ আৰম্ভ কৰিছে আৰিমত্তৰ সৈন্য। ৰণউন্মাদ হৈ উঠিছে প্রতাপসিংহৰ সৈন্য। দেশপ্রেমৰ সুতীব্র আৱেগে সকলোকে যেন একো একোটা প্রচণ্ড শক্তিশালী সিংহলৈ ৰূপান্তৰিত কৰিছে। সেই বিক্রমৰ আগত দুর্বল হৈ পৰিছে আৰিমত্তৰ সৈন্যদল।

পৰাজয় নিশ্চিত বুলি জানি সেনাপতিৰ নির্দেশত পিচুৰাবলৈ আৰম্ভ কৰিছিল আৰিমত্তৰ সৈন্যসকল। নিৰাপদ দূৰত্বত ঘোঁৰাৰ ওপৰত বহি যুদ্ধৰ গতিবিধি লক্ষ্য কৰি

থকা আৰিমত্ত আগবাঢ়ি আহিল। আৰিমত্তক আগবাঢ়ি অহা দেখি সৈন্যসকলে পিচুৱাবলৈ এৰি থমকি ৰ'ল। তাৰ পিচত সেনাপতিৰ নির্দেশলৈ অপেক্ষা নকৰি সৈন্যসকলে দুগুণ উৎসাহেৰে প্রতাপসিংহৰ সৈন্যক আক্রমণ কৰিলে।

কেইটামান যুদ্ধবিভৎস মুহূর্ত পাৰ হৈ গ'ল। তাৰ পিচত দুই সৈন্যদলৰ অধিনায়ক হিচাপে মুখামুখি হ'ল আৰিমত্ত আৰু প্রতাপচন্দ্র।

আৰু কেইটামান যুদ্ধবিভৎস মুহূর্ত পাৰ হৈ গ'ল।

প্রতাপসিংহই সমস্ত শক্তিৰে দলিয়াই দিলে তীক্ষ্ণ এপাট শেল।

অব্যর্থ লক্ষ্য।

আঘাত কৰাৰ আগমুহূর্তত চাপৰি দিয়াত শেলদালে আৰিমত্তৰ শিৰস্ত্রাণত আঘাত কৰিলে।

শিৰস্ত্রাণ খহি পৰিল। জোৰবন্তিৰ পোহৰত উদ্ভাসিত হৈ পৰিল আৰিমত্তৰ ক্রোধত আৰক্ত মুখখন।

প্রতাপচন্দ্র স্তব্ধ হৈ গ'ল।

পুৰুষৰ পোছাকত ঘোঁৰাৰ ওপৰত বহি আছে চন্দ্রপ্রভা। সাইলাখ চন্দ্রপ্রভা।

মুহূর্তৰ অন্যমনস্কতা।

আৰিমত্তই দলিয়াই দিয়া শেলদালে শালি ধৰিলেহি প্রতাপচন্দ্রক।

ঘোঁৰাৰ পৰা পৰি গ'ল প্রতাপচন্দ্র।

মুহূর্তলৈ স্তব্ধ হৈ গ'ল যুদ্ধউন্মাদ সৈন্যবোৰ।

'বন্ধ কৰা— যুদ্ধ বন্ধ কৰা— মহামন্ত্রী, প্রধান সেনাপতি— যুদ্ধ বন্ধ কৰক' নিজৰ আঘাত পাহৰি আর্তনাদ কৰি উঠিল প্রতাপচন্দ্রই।

প্রিয় ৰজাৰ পতনত উন্মত্ত হৈ উঠা সৈন্যসকল থমকি ৰ'ল। থমকি ৰ'ল আৰিমত্তৰ সেন্যসকলো।

আহত প্রতাপসিংহলৈ ঘোঁৰাৰ ওপৰৰ পৰা একমুহূর্ত অবাক হৈ চাই থাকি হাত দাঙি নিজৰ সৈন্যসকলক যুদ্ধ বন্ধ কৰাৰ নির্দেশ দি ঘোঁৰাৰ পৰা নামি আহিল আৰিমত্ত।

ইতিমধ্যে প্রধান সেনাপতিয়ে বর্মভেদ কৰি সোমাই যোৱা শেলদাল টানি উলিয়াই আনিছিল। তেজৰ দোঙাত পৰি থকা প্রতাপচন্দ্রক এহাতেৰে পিঠিত ধৰি বহুৱাই দিছিল। দুয়োপক্ষৰ সৈন্যসকলে অবাক হৈ, স্তব্ধ হৈ চাই আছিল প্রতাপচন্দ্রৰ তেজেৰে তুমৰলি শৰীৰলৈ।

আৰিমত্ত আগবাঢ়ি গৈ প্রতাপচন্দ্রৰ ওচৰত আঁঠুকাঢ়ি বহিল।

'যুদ্ধ কিয় বন্ধ কৰিবলৈ ক'লে ৰজা প্রতাপচন্দ্র?'

প্রতাপচন্দ্রই আৰিমত্তৰ মুখলৈ চালে। চায়েই থাকিল। তাৰ পিচত ধীৰ আৰু

পৰিশ্ৰান্ত মাতেৰে সুধিলে—

'তুমি কোন আৰ্যপুত্ৰ?'

'মই আৰ্যপুত্ৰ নহয়— মই তিৰাশা। লালুং। অনাৰ্য।'

'তুমি চন্দ্ৰপ্ৰভাৰ পুত্ৰ?' আশা আৰু আৱেগত কঁপি উঠা মাতেৰে সুধিলে প্ৰতাপচন্দ্ৰই।

'নহয়। মোৰ মাৰ নাম কনচাৰী। অৱশ্যে তেওঁৰ নাম আগতে চন্দ্ৰপ্ৰভা আছিল বুলি শুনিছো। পিতৃৰ নাম সাধুকুমাৰ। কিন্তু এইবোৰ প্ৰশ্ন কিয় কৰিছে ৰজা প্ৰতাপচন্দ্ৰ?' আচৰিত হৈ সুধিলে আৰিমত্তই।

আৰিমত্তৰ মুখলৈ এখন্তেক ৰ' লাগি চাই থাকিল প্ৰতাপচন্দ্ৰই। তাৰ পিচত কম্পিত কণ্ঠেৰে সুধিলে—

'তোমাৰ প্ৰকৃত নাম মৃগাংক নেকি আৰিমত্ত?'

'মোৰ প্ৰকৃত নাম আৰিমত্ত। মৃগাংক মোৰ প্ৰকৃত নাম আছিল। কিন্তু সেই পৰিচয় মই পৰিত্যাগ কৰিছো। কিন্তু এই ধৰণৰ প্ৰশ্নৰ অৰ্থ কি ৰজা প্ৰতাপচন্দ্ৰ?'

'অৰ্থ আছে আৰিমত্ত। কোৱাৰ ভাষা নাই। হয়তো সময়ো নাই। তুমি নিজৰ পৰিচয় সম্পূৰ্ণকৈ নাজানা আৰিমত্ত। তুমি মোৰ পুত্ৰ। মোৰ আৰু চন্দ্ৰপ্ৰভাৰ পুত্ৰ। সাধুকুমাৰ— প্ৰতাপচন্দ্ৰ কথা বন্ধ কৰাৰ ইংগিত দি হাত এখন তুলিলে আৰিমত্তই। কেইটামান ৰুদ্ধশ্বাস মুহূৰ্ত একেথৰে চাই থাকিল প্ৰতাপচন্দ্ৰৰ মুখলৈ। প্ৰথমতে সীমাহীন ক্ৰোধত আৰক্ত হৈ উঠিল আৰিমত্তৰ মুখখন। তাৰ পিচত সেই মুখত ফুটি উঠিল তীক্ষ্ণ বিদ্ৰূপৰ দেখনেদেখ হাঁহি এটা। হাতখন নমাই ধীৰ আৰু গম্ভীৰভাৱে আৰিমত্তই ক'লে—

'আপুনি আহত হৈছে ৰজা প্ৰতাপচন্দ্ৰ। আপোনাক চিকিৎসাৰ প্ৰয়োজন। আপুনি ৰাজগৃহলৈ উভতি যাওঁক। কথা দিছো— এই দুৰ্গ আক্ৰমণ নকৰো। উভতি যাম। কিন্তু অবান্তৰ কথা কৈ মোক বিপথে পৰিচালিত নকৰিব। যুদ্ধত কূট-কৌশলৰ প্ৰয়োজন আছে। কিন্তু এয়া কি কূট-কৌশল ৰজা প্ৰতাপচন্দ্ৰ? এয়া কি ধৰণৰ কৌশল?'

মহামন্ত্ৰী সগৰ আগবাঢ়ি আহিল—

'ক্ষমা কৰিব ৰজা আৰিমত্ত। এয়া কোনো কৌশল নহয়— অৱশ্যে আপুনি কৌশল বুলি ভুল কৰাটো স্বাভাৰিক। ৰজাদেৱৰ কথাৰ সত্য-অসত্য জানিবলৈ হ'লে আপুনি আৰু অনেক কথা জানিব লাগিব। ৰাজগৃহৰ অতিথি হওক ৰজা আৰিমত্ত। হীন কৌশলেৰে শত্ৰুপক্ষক পৰাজিত কৰিবলৈ ৰজা প্ৰতাপচন্দ্ৰ কাপুৰুষ নহয়।'

আৰিমত্তই মহামন্ত্ৰী সগৰৰ বয়স কুঞ্চিত বিষাদএন্ধাৰ মুখলৈ চালে। মনৰ ভিতৰত তোলপাৰ লাগিছে। বিশ্বাস-অবিশ্বাসৰ টনা-আঁজোৰাই অশান্ত কৰি তুলিছে আৰিমত্তক।

মহামন্ত্রীৰ পৰা চকু আঁতৰাই ৰাজবৈদ্যই চিকিৎসা কৰি থকা প্রতাপসিংহলৈ চালে আৰিমত্তই। এই বৃদ্ধৰজাৰ মুখত ফুটি উঠিছে নেকি অসত্যৰ কোনো কালিমা? কৌশলৰ কোনো ৰেখা?

নাই— এই পৰিশ্রান্ত বৃদ্ধৰ চকুত বিষাদৰ বাহিৰে আৰু একো নাই।

'আপোনাৰ আহ্বান গ্রহণ কৰিছো সেনাপতি। কিন্তু মোৰ সৈন্যসকল দুর্গৰ বাহিৰত অপেক্ষা কৰিব আৰু মোৰ গা-ৰখীয়া সৈন্য,মহাসামন্ত আৰু প্রধান সেনাপতি লগত যাব।'

'আপোনাৰ যি ইচ্ছা। প্রধান সেনাপতিয়ে আপোনাক সংগ দিব। মই ৰজাদেৱক লৈ ৰাজগৃহলৈ আগবাঢ়ি গৈছো।'

আহত সৈন্য কঢ়িয়াবলৈ সাজু কৰি ৰখা দুডাল বাঁহত বন্ধা কাপোৰ এখনত প্রতাপ সিংহক তুলি লৈ মহামন্ত্রী সগৰ খৰখোজেৰে গুচি গ'ল। ঘোঁৰাৰ ওপৰত নিব নোৱাৰি। অধিক ৰক্তপাত হোৱাৰ ভয়।

ঘোঁৰাত উঠি বেগেৰে গুচি গ'ল ৰাজবৈদ্য।

নিজৰ লগত অহা বিষয়াসকলৰ লগত অলপ সময় আলোচনা কৰি, প্রয়োজনীয় নির্দেশ দি, অপেক্ষাৰত প্রধান সেনাপতিৰ লগত দুর্গৰ অভ্যন্তৰলৈ সোমাই গ'ল দ্বিধাগ্রস্ত আৰিমত্ত।

২৭

হাতীৰে খুন্দিয়াই ভঙা প্ৰতাপপুৰৰ দুৰ্গৰ প্ৰধান দুৱাৰৰ সম্মুখত চামলৰ লগত আহি শিবিকাৰ পৰা নামি থিয় হ'লহি কনচাৰী।

ক'লা কাছ্যং ফাচকাই পিন্ধা বৃদ্ধা কনচাৰী।

পূৰ্বজন্মৰ কথা মনত পৰা মানুহৰ দৰে বিভ্ৰান্ত, ব্যথাতুৰ দৃষ্টিৰে ভগ্ন দুৱাৰৰ মাজেৰে চাই পঠিয়ালে দুৰ্গৰ অভ্যন্তৰলৈ। অভ্যন্তৰৰ ৰাজগৃহলৈ।

এই ঠাইতেই, — এই ঠাইতেই অন্য এক জন্মত চন্দ্ৰপ্ৰভা নামেৰে বাস কৰিছিল কনচাৰীয়ে। ৰূপৰ কিংকিনি পিন্ধা ৰঙচুৱা দুভৰি পেলাই এই ৰাজগৃহৰ অলিন্দৰে কোনোবা জন্মত খোজকাঢ়ি গৈছিল চন্দ্ৰপ্ৰভা নামৰ এজনী আলসুৱা কিশোৰীয়ে।

সোণখটোৱা ৰিহা-মেখেলা, মণিপুৰৰ পৰা অনা কুঁৱলি যেন চাদৰ পিন্ধি, সোণৰ গহনাৰে গা ঢাকি চন্দ্ৰপ্ৰভা নামৰ ন-কইনাজনীয়ে এই গৃহৰেই প্ৰতাপচন্দ্ৰ নামৰ এজন মৰমবলিয়া পুৰুষৰ বুকুলৈ ভৰবাৰিষাৰ নৈ এখন বোৱাই আনিছিল। সপোনৰ ময়ূৰপংখী নাৱত উঠি আনন্দৰ সৰগলৈ গুচি গৈছিল চন্দ্ৰপ্ৰভা।

তাৰ পিচত এদিন সপোনৰ অন্ত হ'ল।

মাজনিশাৰ লুইতত উটি গুচি গ'ল চন্দ্ৰপ্ৰভা।

লুইতৰ পাৰত নিজৰ মৃতদেহ নিজেই দাহ কৰি ছাইৰ মাজৰ পৰা কনচাৰীহৈ আকৌ জন্ম ল'লে চন্দ্ৰপ্ৰভাই।

নতুন জীৱনৰ মাজলৈ সোমাই যাওঁতে লুইতৰ বুকুত দলিয়াই থৈ গ'ল চিতাভস্ম। নিজৰ অতীত। নিজৰ পূৰ্বজন্মৰ পৰিচয়। সকলোখিনি।

লুইতৰ বুকুলৈ দলিয়াই দিয়া পৰিচয়পত্ৰ নৈয়ে গ্ৰহণ নকৰিলে। উভতাই থৈ গ'ল বালিয়ৰি সৈকতত। সেই বিবৰ্ণ পৰিচয় পত্ৰ আকৌ হাতত তুলি লৈ অনেক যুগৰ অন্তত পূৰ্বজন্মৰ দেশলৈ উভতি আহিছে কনচাৰী।

মৃত্যুলৈ অপেক্ষা কৰি থকা আহত প্ৰতাপচন্দ্ৰক চাবলৈ।

মায়াপুৰৰ ওচৰেৰে।

মহাভৈৰৱৰ ওচৰেৰে।

সুদূৰ গোভাৰ ৰাজানঃত চামলে কঢ়িয়াই নিয়া আৰিমত্তৰ পত্ৰ পঢ়ি কনচাৰী অভাৱনীয় আঘাতত প্ৰথমতে স্তব্ধ হৈ গৈছিল। আৰিমত্তৰ পত্ৰখন হাতৰ মুঠিত লৈ বহুত সময় নিৰ্বাক হৈ বহি আছিল কনচাৰী। তাৰ পিচত ওচৰত থিয় হৈ থকা চামলৰ চকুলৈ মুৰ তুলি চাইছিল—

'আৰিমত্তই এই কাম কিয় কৰিলে চামল? পূৰ্ব দিশলৈ কেতিয়াও ৰাজ্য বিস্তাৰ নকৰিবলৈ তাক মই নিষেধ কৰিছিলো। মোৰ নিষেধ মানি চলিম বুলি কথা দিয়া কাৰণেই ইচ্ছাৰ বিৰুদ্ধেও পশ্চিমলৈ যাবলৈ মই তাক অনুমতি দিছিলো। মোৰ নিষেধ সি কিয় নুশুনিলে চামল? সি কিয় তাৰ মাকক পাহৰি গ'ল?'

সেই প্ৰশ্নবোৰৰ উত্তৰত চামলে তেওঁক ওঠৰ বছৰৰ ইতিহাস কৈ শুনাইছিল। নীলকান্ত, ফিংগুৰা, ৰত্নাৱলী, ৰত্নসিংহ, লখাইতৰা সকলোৰে কথা কোৱাৰ পিচত পূৰ্বলৈ কৰা যুদ্ধযাত্ৰাৰ আৰু প্ৰতাপসিংহৰ লগত হোৱা যুদ্ধৰ সকলো কথা খুঁটি নাটি মাৰি কৈ গৈছিল। ওঠৰ বছৰীয়া কাহিনীৰ যেতিয়া অন্ত হৈছিল তেতিয়ালৈ কনচাৰীৰ বুকুৰ বান্ধটো ভাঙি গৈছিল। প্ৰতাপচন্দ্ৰৰ যুগজোৰা মনোকষ্ট আৰু পিতৃহত্যাৰ সন্তাপত বিপৰ্যস্ত আৰিমত্তৰ কথা জানি দুৰ্বল হৈ পৰিছিল কনচাৰী। সুদীৰ্ঘ ওঠৰ বছৰ একমাত্ৰ পুত্ৰক নেদেখিও একেই স্থৈৰ্য, একেই গাম্ভীৰ্য, একেই সাৱলীলতাৰে নিজৰ দায়িত্ব পালন কৰি যোৱা ৰাজমাতা কনচাৰীৰ ভিতৰত লুকাই থকা সন্তান দুৰ্বল মাকজনীৰ, হিম হৈ যোৱা মৰমবোৰ গলি যাবলৈ আৰম্ভ কৰিছিল। একে সময়তে চন্দ্ৰপ্ৰভা নামৰ এজনী অচিনাকি, কিশোৰী কিশোৰী যেন লগা নাৰীয়ে কনচাৰীৰ বুকুৰ ভিতৰত যেন উচুপিবলৈ আৰম্ভ কৰিছিল।

'প্ৰতাপচন্দ্ৰ ৰজাদেৱৰ মৰণলৈ আৰু অধিক দিন নাই। শেললগা ঠাইৰ ঘাঁ ডোখৰ নুশুকালে। তেজ বন্ধ হ'ল যদিও তেজত বিষ সোমাই গৈছে বুলি ৰাজবৈদ্যই কৈছে। দেওৰাজাই বহুত দুখ পাইছে। সকলো কথা গম পাই মোৰো বহুত দুখ লাগিছে। এই সময়ত আপুনি দেওৰাজাৰ ওচৰত থাকিলে ভাল হয় আয়ং।' ৰৰমাকৰ মুখলৈ চাই চামলে কৈছিল।

সুদীৰ্ঘ ওঠৰ বছৰ পিচত সন্তানক ওচৰত পাই বাউলি হৈ যোৱা সোণজিৰায়ো কৈছিল—

'যাওঁক পাই। আমাৰ ল'ৰাকণ দুখত আছে। নিজৰ দেউতাকক নাজানি মাৰিছে। জানি-শুনি পাপ কৰা নাই। পাপ নকৰিলেও পাপকৰা যেনেই লাগিছে আমাৰ ল'ৰাকণৰ। তেওঁক আপুনি নুবুজালে কোনেনো বুজাব? আৰু প্ৰতাপচন্দ্ৰ ৰজাদেৱৰ এতিয়া শেষ সময়। ভাল হওক বেয়া হওক আপোনাৰ গৰাকী আছিল। তেওঁ নিজৰ ভুলৰ যি দণ্ড পাব লগা আছিল পাইছে। বেয়া ভাব এৰি পেলাওক পাই। শেষ সময়ত এবাৰ চাই

আহকগৈ। প্রতাপচন্দ্র ৰজাদেৱে ইমানকৈ চাব খুজিছে। নগ'লে পাপে চুব পাই।'

ইমান কথাৰ প্রয়োজনেই নাছিল। তাৰ বহু আগতেই কনচাৰীৰ মনৰ বান্ধ ভাগি গৈছিল।

'বলক আয়ং।'

চামলৰ মাত শুনি সমাধিৰ পৰা যেন জাগি উঠিল কনচাৰী। নিজৰ বিভ্রান্তি আঁতৰাই এটা হুমুনিয়াহ কাঢ়ি দুর্গৰ ভিতৰলৈ সোমাই গ'ল।

'শিবিকাত বলক আয়ং। দূৰবাট। কষ্ট পাব।' চামলে ক'লে।

কোনো প্রতিবাদ নকৰি কনচাৰী শিবিকাত উঠি বহিল। সুদীর্ঘ যাত্রাত ক্লান্ত হৈ পৰিছে কনচাৰী। ক্লান্ত হৈ পৰিছে শোকৰ ভাৰত। বন্ধ দুৱাৰ খুলি অনেক যুগৰ অন্তত সূর্যালোকত ভৰি থোৱা স্মৃতিৰ ভাৰত।

ৰাজগৃহৰ সন্মুখত অগণন মানুহ গোটখাই আছিল। ৰাজ্যৰ আটাইবোৰ বিষয়া, ৰাজগৃহৰ কর্মচাৰী, ৰাজ্যৰ বিভিন্ন প্রান্তৰ পৰা মৃত্যুমুখী ৰজাৰ বার্তা ল'বলৈ অহা মানুহবোৰে বিমর্ষ হৈ নিজৰ মাজত সৰু সৰু মাতেৰে কথা পাতি আছিল।

কনচাৰীৰ বুকুখন কঁপি উঠিল।

সকলো শেষ হৈ গ'ল নেকি!

চন্দ্রপ্রভাক নেদেখাকৈ পৃথিৱী এৰি গুচি গ'লগৈ নেকি প্রতাপচন্দ্র?

ৰাজগৃহৰ সমুখত উপস্থিত হৈ শিবিকাৰ পৰা নামিল কনচাৰী।

মানুহবোৰে কনচাৰীলৈ উভতি চাইছে। অচিনাকি পোছাক পিন্ধা কনচাৰীক দেখি অবাক হৈ চায়েই আছে। পুৰণি বিষয়া আৰু কর্মচাৰীসকলে বিস্মিত দৃষ্টিৰে চাই আছে কনচাৰীলৈ। কোন এই অচিনাকি পোছাক পিন্ধা নাৰী? ইমান চিনাকি যেন লাগিছে? ক'ত দেখিছিল তেওঁলোকে এইখন মুখ? কেতিয়া দেখিছিল?

স্মৃতিৰ অন্ধকাৰত খেপিয়াই খেপিয়াই তেওঁলোকে কনচাৰীৰ মুখখনৰ লগত মিলাব খুজিছে স্মৃতি হৈ যোৱা কোনো নাৰীৰ মুখ।

'ৰাণী আইদেউ।'

হঠাৎ এগৰাকী জীর্ণ-শীর্ণ বৃদ্ধা ৰাজগৃহৰ পৰা দৌৰি ওলাই আহিল। কনচাৰীৰ ভৰিত উবুৰি খাই পৰি কান্দিবলৈ আৰম্ভ কৰিলে।

'ইমানদিন ক'ত আছিল ৰাণী আইদেউ। কোনে ক'ত লুকুৱাই থৈছিল আপোনাক? ৰজাদেও যে যাবলৈ ওলাল। মই জানিছিলো, সঠিক কৈ জানিছিলো— ব্রহ্মপুত্র দেৱতাই আপোনাক লৈ যোৱা নাই। ব্রহ্মপুত্র দেৱতাই ধুনীয়া ছোৱালী দেখিলে খোজে নেকি— মিছা কথা— সকলোৱে মিছাকৈ কৈছিল—আপোনাক লুইতত বিসর্জন দিয়া বুলি। সেই কাৰণে ইয়াত সকলো জহি-খহি গ'ল— আইমাতৃয়ে কৈছিল—

ৰজাদেৱক কৈছিল— ৰাজ্যৰ লখিমীক তই নৈত উটুৱাই দিলি—তই নিজৰ জীৱনলৈ অভিশাপ মাতি আনিলি। দুখ কৰি কৰি আইমাতৃও গুচি গ'ল ৰাণী আইদেউ —

আউলি-বাউলি হৈ কান্দিছে মানুহগৰাকীয়ে। শিলৰ মূৰ্তিৰ দৰে ৰৈ আছে কনচাৰী।

চন্দ্রপ্রভা! ব্রহ্মপুত্রক উচৰ্গা কৰা ৰাণী চন্দ্রপ্রভা।

বিস্ময়ত স্তব্ধ হৈ গৈছে সমবেত সকলো লোক।

কিম্বদন্তী হৈ যোৱা ৰাণী চন্দ্রপ্রভা সোঁশৰীৰে উভতি আহিছে!

কনচাৰী এটা সময়ত সচল হৈ উঠিল। বাউলি হৈ কান্দি থকা মানুহগৰাকীৰ পিঠিত হাত এখন থ'লে। ধীৰ মাতেৰে ক'লে—

'উঠ বকুলী। নাকান্দিবি।'

চকুপানী মচি থকা বকুলীৰ লগত অগণন বিস্ময়স্তব্ধ চকুৰ আগেৰে ৰাজগৃহলৈ সোমাই গ'ল কনচাৰী।

চন্দ্রপ্রভা হৈ।

শয়নকক্ষত চকু মুদি শুই থকা প্রতাপচন্দ্রৰ ওচৰত বহি আছিল আৰিমত্ত। ওচৰতে থিয় হৈ আছিল ৰাজবৈদ্য আৰু মহামন্ত্রী সগৰ।

চন্দ্রপ্রভা দুৱাৰমুখত থিয় হ'ল। চাই পঠিয়ালে শয়ন কক্ষৰ অভ্যন্তৰলৈ। মুহূর্ততে অন্তহীন বিস্ময়ত আকৌ এবাৰ স্তব্ধ হৈ গ'ল কনচাৰী।

সকলো একেই আছে।

চন্দ্রপ্রভাই য'ত যি থৈ গৈছিল সকলোবোৰ বস্তু তাতেই আছে। একেদৰেই আছে। মাত্র হেৰুৱাই পেলাইছে ৰং আৰু উজ্জ্বলতা।

কোঠাটোৰ বেৰত কুশলী চিত্রকৰে আঁকা বিচিত্র আৰু বর্ণাঢ্য চিত্রবোৰ বিৱর্ণ হৈ পৰিছে। জালিকটা কুণ্ডাক্ষৰ পিতল বাওবোৰে হেৰুৱাই পেলাইছে সোণযেন উজ্জ্বলতা। শতচ্ছিন্ন আৰু বিৱর্ণ হৈ পৰিছে দুৱাৰত আঁৱা কিংখাপৰ আঁৰ কাপোৰখন। দুৱাৰৰ ওপৰত আৰু কুণ্ডাক্ষবোৰৰ ওপৰত সজাই থোৱা মণিমালাবোৰ চিঙি পৰিছে। বিশৃংখল হৈ পৰিছে। মজিয়াত পাৰি থোৱা বিচিত্র চানেকি আঁকা তিৰ্যকী দলিকাখনো বিৱর্ণ আৰু শতচ্ছিন্ন হৈ পৰিছে। এটা বিৱর্ণ, প্রাচীন কোঠা। এটা উজ্জ্বল অতীতৰ ধ্বংসাৱশেষ। এখন প্রেমৰ বাগিচাৰ মৃতদেহ। এটা অতীত। কষ্টকৰ অতীত।

এৰা। অতীত।

এই কোঠাটোত বর্তমান বুলিবলৈ কি আছে? কি আছে জীৱন বুলিবলৈ।

মাত্র স্মৃতি। স্মৃতি মাত্র।

পুৰঠ বেতেৰে মিহিকৈ গঢ়া কাপোৰ থোৱা জপাটোৰ পৰা পাটৰ চাদৰ এখনৰ

আগ এটা ওলাই মাটিত পৰি আছে। যোৱাৰ সময়ত যেনেকৈ থৈ গৈছিল চন্দ্রপ্রভাই।

শয্যাৰ ওচৰতে থকা কাৰুকার্য কৰা কাঠৰ চাপৰ মেজখনত এতিয়াও পৰি আছে চন্দ্রপ্রভাই কঁকালত পিন্ধা ৰূপৰ কৰধনীডাল। চন্দ্রপ্রভাৰ দুধাৰ কৰধনী আছিল। ৰূপৰডাল পিন্ধিম বুলি ভাবিও পিচত সোণৰডাল উলিয়াই পিন্ধি গৈছিল চন্দ্রপ্রভাই। ৰূপৰডাল পেলাই থৈ গৈছিল কাঠৰ মেজখনত। চন্দ্রপ্রভা আৰু প্রতাপচন্দ্রই শোওতে গাত লোৱা, ভোট পাহাৰৰ পৰা অনা কম্বলখন এতিয়াও প্রতাপচন্দ্রই গাত লৈ আছে।

শতচ্ছিন্ন, বিবর্ণ এখন ৰঙীণ কম্বল।

সোণখটোৱা এখন বিছনাত!

প্রতাপশালী এজন ৰজাৰ গাত!

চন্দ্রপ্রভাৰ চকুযোৰ পানীৰে উপচি পৰিল।

নিঃশব্দে চকুপানী মচি ভিতৰলৈ সোমাই গ'ল চন্দ্রপ্রভা।

চন্দ্রপ্রভা সোমাই যোৱা কোনেও দেখা নাই। আটাইবোৰৰ দৃষ্টি নিবদ্ধ হৈ আছে প্রতাপচন্দ্রৰ মুখত।

প্রতাপচন্দ্রৰ চকুৰ পতা কঁপি উঠিল। খুব সৰুকৈ উচ্চাৰণ কৰিলে—

'মহিষী।'

চন্দ্রপ্রভা কঁপি উঠিল।

শতাব্দীৰ সিপাৰৰ অন্য এক জন্মৰ পৰা কোনে মাতিলে চন্দ্রপ্রভাক?

প্রতাপচন্দ্রই?

একমুহূর্তৰ সিদ্ধান্তত নিজ পত্নীক নির্বাসন দিয়া প্রবল প্রতাপী মায়ামত্তই?

এয়া প্রতাপচন্দ্রৰ মাত?

চন্দ্রপ্রভাই চিনি পোৱা প্রতাপচন্দ্রৰ মাত?

চন্দ্রপ্রভা থিয় হৈ আছে।

মজিয়াৰ মাটিত যেন সোমাই যাব খুজিছে ভৰি দুখন। উশাহ বন্ধ কৰি অনা বিষাদৰ গধুৰ মাটিত যেন পোত খাই যাব ধৰিছে চন্দ্রপ্রভা।

দুৱাৰমুখত থিয় হৈ থকা বকুলীয়ে সশব্দে কান্দি উঠিল।

সচকিত হৈ একেলগে উভতি চালে আৰিমত্ত, সগৰ আৰু ৰাজবৈদ্যই।

সুদীর্ঘ ওঁঠৰ বছৰৰ পিচত মাকক দেখিলে আৰিমত্তই।

এটা জন্মৰ পিচত চন্দ্রপ্রভাক দেখিলে ৰাজবৈদ্য আৰু মহামন্ত্রী সগৰে। তিনিওজনে নির্বাক হৈ চন্দ্রপ্রভালৈ চাই থাকিল। চায়েই থাকিল।

বিষাদৰ বা-মাৰলিয়ে তচনচ কৰি পেলাব খুজিছে আৰিমত্তক।

ওঠৰ বছৰ আগতে এইজনী মাকক গোভাত এৰি গৈছিল আৰিমত্তই? এই

বয়সৰ ভৰত ক্লান্ত, নিজৰ প্ৰতি অযত্নত শীৰ্ণ, বিষাদত ম্লান মানুহগৰাকীক? এই গৰাকী মাকক এৰি বৈদ্যগড়ত কেনেকৈ আছিল আৰিমত্ত?

ওঠৰটা বছৰৰ মনোকষ্টত ক্ষয় হৈ গ'ল আৰিমত্তৰ মাক।

নহয়— ওঠৰ বছৰ নহয়, তাতোকৈও অধিক। আৰিমত্তই পৃথিৱী নেদেখাৰ পৰা আজিলৈকে অজস্ৰ দিন-ৰাতিৰ কোনেও নেদেখা যন্ত্ৰণাত তিলতিলকৈ জীৰ্ণ হৈ গ'ল আৰিমত্তৰ দেৱীৰ দৰে মাক। মাকৰ নিষেধ পাহৰি নিজৰ পিতৃক হত্যা কৰিলে আৰিমত্তই— যন্ত্ৰণাৰ দাউদাউ জুইকুৰাত ঘৃতাহুতি দিবলৈ।

মাকৰ সম্মুখত আঁঠুকাঢ়ি বহি পৰিল আৰিমত্ত। আঁঠুকাঢ়ি বহি পৰিল ৰাজ বৈদ্য আৰু মহামন্ত্ৰী সগৰ।

'সেৱা ৰাণী আইদেউ।' বিষাদ গভীৰ মাতেৰে মাটিত মুৰ থৈ দুয়োজনে একেলগে ক'লে।

আৰিমত্তই একো কোৱা নাই। দুয়োহাতে মুখ ঢাকি বহি আছে আৰিমত্ত। ধাৰাসাৰ চকুপানীত তিতি গৈছে হত্যাকাৰী হাত দুখন।

প্ৰস্তুৰ মূৰ্তিৰ দৰে কিছুসময় ৰৈ থাকি কনচাৰীয়ে আৰিমত্তৰ মূৰত হাত থ'লে। ধীৰ গম্ভীৰ মাতেৰে ক'লে—

'উঠক মহামন্ত্ৰী। উঠক ৰাজবৈদ্য।'

মহামন্ত্ৰী সগৰ আৰু ৰাজবৈদ্য উঠিল। তাৰ পিচত কোনো কথা নোকোৱাকৈ বাহিৰলৈ ওলাই গ'ল। জানে— একো কোৱাৰ প্ৰয়োজন নাই। এক জন্ম পিচত উভতি অহা ৰাণী চন্দ্ৰপ্ৰভা, নদীত উটি যোৱা চঞ্চলা কিশোৰী চন্দ্ৰপ্ৰভা নহয়।

এই চন্দ্ৰপ্ৰভা জুয়ে পোৰা সোণ।

জীৱন অভিজ্ঞ পৰিণত নাৰী।

হয়তো এক সম্পূৰ্ণ অন্য মানুহ।

ব্যতিক্ৰম মানুহ।

এই চন্দ্ৰপ্ৰভাৰ ওচৰত মনৰ কথা উচ্চাৰণ কৰাৰ প্ৰয়োজন নাই। প্ৰয়োজন নাই অযথা আতিথ্যৰ।

মাকৰ হাত এখনত চকুপানীত ভিজা হাত দুখনেৰে খামুচি ধৰি হাতৰ ওপৰত মূৰ থ'লে আৰিমত্তই। তাৰ পিচত নিঃশব্দ কান্দোনত ভাগি পৰিল। চন্দ্ৰপ্ৰভাই একো কোৱা নাই। দুহাত পাতি লৈ লৈছে মাত্ৰ আৰিমত্তৰ বুকুভাঙি বাগৰি অহা চকুপানীৰ নৈখন।

পাৰ হৈ গ'ল কেইটামান বিহুল মুহূৰ্ত।

প্ৰতাপচন্দ্ৰৰ চকুৰ পতা আকৌ এবাৰ কঁপি উঠিল। খুব ধীৰ মাতেৰে উচ্চাৰণ কৰিলে—

'মহিষী।'

আৰিমত্ত উঠিল।

যি ক'বলগা আছিল কোৱা হৈ গৈছে।

যি জানিব লগা আছিল জনা হৈ গৈছে।

স্পর্শতকৈ শক্তিশালী ভাষা আৰু কি আছে? মাকৰ স্পর্শতকৈ অধিক আশ্বাস আৰু ক'ত আছে? ক'ত আছে ইমান ভৰষা?

মাকক অন্য জন্মৰ শোৱনীকোঠাত এৰি ধীৰ খোজেৰে শুচি গ'ল আৰিমত্ত।

কোঠালিত এতিয়া কোনো নাই।

চন্দ্রপ্রভা আগবাঢ়ি গ'ল প্রতাপচন্দ্রৰ ওচৰলৈ।

দুয়োখন হাত পেটৰ ওপৰত থৈ শুই আছে প্রতাপচন্দ্র। এখন পাতল কপাহী কাপোৰেৰে ঢকা আছে উদং বুকুখন। তাৰ ওপৰত আধালৈকে মেলি থোৱা আছে জীৰ্ণ কম্বলখন।

চাদৰখনৰ দৰেই জীৰ্ণ হৈ গৈছে প্রতাপচন্দ্র।

তপ্তকাঞ্চনৰ দৰে গাৰ স্বর্ণাভ উজ্জ্বলতা ম্লান হৈ পৰিছে। শালপ্রাংশু শৰীৰ শীর্ণ হৈ পৰিছে। কুঞ্চিত হৈ পৰিছে মসৃণ চর্ম।

আৰু মুখখন?

যুগযোৱা বিষণ্ণতাই তিলতিলকৈ নষ্ট কৰি পেলোৱা এখন বয়সকুঞ্চিত মুখ। অন্তহীন অপৰাধবোধত প্রভাহীন। ক্লান্ত।

তিৰ্‌তিৰ্‌কৈ কঁপি থকা শীর্ণ সোঁহাত প্রতাপচন্দ্রৰ কপালত থলে চন্দ্রপ্রভাই।

প্রতাপচন্দ্রৰ চকুৰ পতা আকৌ এবাৰ কঁপি উঠিল। মুহূর্তলৈ যেন কঁপি উঠিল স্থবিৰ হৈ পৰা শৰীৰটো। খুব ধীৰে ধীৰে চকুমেলি চালে প্রতাপচন্দ্রই। জ্যোতিহীন চকুযোৰত মুহূর্ততে যেন বিৰিঙি উঠিল পোহৰৰ কেইটামান কণা। ওচৰতে থিয় হৈ থকা অচিনাকি পোছাক পিন্ধা চন্দ্রপ্রভাৰ শান্ত আৰু পৰিচ্ছন্ন, প্রসাধনহীন, আভৰণহীন মুখলৈ চাই থাকিল প্রতাপচন্দ্রই। তাৰ পিচত ধীৰে ধীৰে ক'লে—

'তোমাৰ কাৰণে ৰৈ ৰৈ ভাগৰি পৰিলো মহিষী।'

'জানো।' ধীৰভাৱে ক'লে চন্দ্রপ্রভাই।

এজোলোকা চকুপানীয়ে চন্দ্রপ্রভাৰ চকুযোৰ বুৰাই পেলালেহি।

'তোমাক কিমান যে কথা ক'বলৈ আছিল। ক'বলৈ শক্তিৰ অভাৱ মহিষী। শব্দৰ অভাৱ।'

'কোৱাৰ প্রয়োজন নাই আর্যপুত্র। এই শয়নকক্ষই আপোনাৰ হৈ সকলো কথা কৈছে।'

'আর্যপুত্র। এই শব্দ তুমি মোৰ শান্তিৰ কাৰণেই ব্যৱহাৰ কৰিছা নহয়নে মহিষী?'

'এই শব্দই যদি আপোনাক শান্তি দিছে— সেয়াই যথেষ্ট আর্যপুত্র। আপুনি শান্তি পাব বুলি নহয়— এই শব্দৰ অধিকাৰ এতিয়াও আছে কাৰণেই ব্যৱহাৰ কৰিছো। মই গোভাৰজা সাধুকুমাৰৰ পত্নী নহয়। কিন্তু মই এতিয়া চন্দ্রপ্রভাও নহয়। মোৰ নাম কনচাৰী। গোভাৰজা সাধুকুমাৰৰ তোলনীয়া পুত্র আৰিমত্তৰ মাতৃ।'

চন্দ্রপ্রভাৰ কথাই সঞ্জীৱনী মন্ত্র হৈ যেন মুহূর্ততে উজ্জীৱিত কৰি তুলিলে প্রতাপচন্দ্রক।

চন্দ্রপ্রভা এতিয়াও প্রতাপচন্দ্রৰ হৈ আছে! প্রতাপচন্দ্র এতিয়াও হৈ আছে মহাৰাণী চন্দ্রপ্রভাৰ আর্যপুত্র! একোৰেই হেৰোৱা নাই প্রতাপচন্দ্রৰ! সাগৰতলিৰ প্রবালৰ দৰে সঞ্চিত হৈ আছিল প্রতাপচন্দ্রৰ সকলো ঐশ্বর্য।

বিদায়ী সূর্যৰ শেষ ৰশ্মিয়ে পোহৰাই তুলিছে প্রতাপচন্দ্রৰ মুখ। অৱসন্ন হাত এখন তুলি চন্দ্রপ্রভাৰ হাতত থ'লে প্রতাপচন্দ্রই। ধীৰভাৱে ক'লে—

'তুমি এই ঘৰত ভৰি থ'লা। মোৰ সকলো পাপ খণ্ডন হৈ গ'ল মহিষী।'

চকুৰ পানীয়ে অস্বচ্ছ কৰি তুলিছে সম্মুখৰ দৃশ্যপট। দুয়োখন হাতৰ মাজত প্রতাপচন্দ্রৰ হাতখন তুলি ল'লে চন্দ্রপ্রভাই। বহুত সময় তেনেকৈয়ে ধৰি থাকিল। তাৰ পিচত সুগভীৰ বিষাদেৰে ধীৰ মাতেৰে কৈ উঠিল—

'দুর্ভাগ্য। আর্যপুত্র।'

প্রতাপচন্দ্রৰ চকুৰ কাষেৰে নামি আহিছে চকুপানীৰ ধাৰ। নিঃশব্দে বাগৰি অহা চকুপানীৰ ঢলত তিতি গৈছে কনচাৰীৰ বুকু।

চকুৰ পানীয়ে ধুই লৈ গৈছে সকলো অহংকাৰ। সকলো অভিমান। জন্মান্তৰৰ সকলো নিঃসংগতা।

২৮

'অজানিতে কৰা অপকর্ম ধর্মশাস্ত্রত পাপ বুলি চিহ্নিত নহয়। সি অপৰাধ মাত্র। ক্ষমাৰ যোগ্য।'

কুশাসনত বহি থকা আচার্য প্রভাকৰ বিদ্যানিধিয়ে ক'লে। তেওঁৰ সম্মুখত একেই কুশাসনত বহি আছে আৰিমত্ত, চন্দ্রপ্রভা আৰু মহামন্ত্রী সগৰ।

আটায়েই ম্রিয়মান। চিন্তিত।

'অপৰাধবোধৰ আঘাতৰ পৰা মই যে মুক্তি পোৱা নাই আচার্য।' ক্লান্ত স্বৰেৰে আৰিমত্তই ক'লে।

'ই স্বাভাৱিক আৰিমত্ত। মন সদায় যুক্তি অনুসাৰে নচলে। মন আৱেগৰো অধীন। আৱেগ ঘটনাৰ অধীন। সেয়েহে ঘটনাক নিয়ন্ত্রণ কৰিব লাগে। যি ঘটনা নিয়ন্ত্রণৰ অধীন নহয়— সি দুর্ভাগ্য। যি ঘটনা নিয়ন্ত্রণৰ অধীন কিন্তু ঘটে সি অপৰাধ। মাতৃৰ নিষেধ উলংঘন কৰি তুমি অপৰাধ কৰিছা আৰিমত্ত। যদি সামগ্রিক মংগলৰ প্রশ্ন জড়িত হৈ থাকিলহেঁতেন তেতিয়া মাতৃৰ নিষেধ উলংঘন ক্ষমাৰ যোগ্য হ'লহেঁতেন। কিন্তু তুমি মাতৃৰ অবাধ্য হৈছা নিজৰ ৰাজসিক সন্তুষ্টিৰ কাৰণে। সেয়েহে এই অপৰাধ শাস্তিৰ যোগ্য।'

'শাস্তি গ্রহণ কৰাত মোৰ দ্বিধা নাই গুৰুদেৱ। বৰঞ্চ শাস্তি গ্রহণ কৰি শাস্তি পাবলৈ মই উন্মুখ হৈ আছো। কিন্তু মোক শাস্তি দিব কোনে? কোন ন্যায়কৰণিকে আচার্য? মোৰ পিতৃয়ে মোৰ অপৰাধবোধক দ্বিগুণ কৰিবলৈ ৰাজসভা আহ্বান কৰি মোক এই দেশৰ অধিকাৰ প্রদান কৰি থৈ গ'ল। নিজৰ হত্যাকাৰীক পুত্র বুলি স্বীকাৰ কৰি নিজৰ অতীতৰ সকলো কথা সমাজক কৈ মোক ৰাজ্যৰ গুৰুভাৰ সঁপি দি গ'ল। অপৰাধবোধৰ যন্ত্রণাৰ জুয়ে মোক অহৰহ দহি আছে আচার্য। মোক শাস্তিৰ প্রয়োজন। শাস্তিয়েহে হয়তো মোক সামান্য শান্তি প্রদান কৰিব পাৰে।'

'শাস্তি দিয়াৰ প্রকৃত অধিকাৰ ঈশ্বৰৰ হাতত আৰিমত্ত। অর্ধসত্য জানি জ্ঞানৰ গর্ব কৰা মানুহৰ সেই শক্তি ক'ত? তথাপি মানুহে তোমাক ইতিমধ্যেই শাস্তি প্রদান কৰিছেই। স্বর্গীয় প্রতাপচন্দ্র ৰজাদেৱৰ আদেশ মানি তোমাক ৰাজ্যৰ অধিকাৰী হিচাপে সেৱা

লৈছেহি কিন্তু তুমি আয়োজন কৰা আৰু তুমি কৰা পিতৃশ্ৰাদ্ধ বৰ্জন কৰিছে। তোমাৰ দৰে এজন বিবেচক ৰজাৰ পক্ষে এই শাস্তিয়েই যথেষ্ট আৰিমত্ত।'

'এই শাস্তিয়ে মোৰ মনোকষ্টক যে দ্বিগুণ কৰি তুলিছে গুৰুদেৱ। আপুনি দিয়া প্ৰায়শ্চিত্তৰ সকলো বিধান অসম্পূৰ্ণ হৈ থাকিল। ৰাইজৰ অসহযোগৰ লগতে দৈৱয়ো মোক সহযোগ নকৰিলে। সকলো কাম এটা নহয় এটা দোষ লাগি নষ্ট হৈ গ'ল। অসম্পূৰ্ণ হৈ থাকিল। মই এতিয়া কি কৰো আচাৰ্য? মোৰ কৰ্তব্য কি?'

'তোমাক মই শৈশৱৰ পৰাই দেখি আহিছো। তোমাৰ মাতৃদেৱীৰ পৰা সকলো কথা শুনিছো। ন্যায়শাস্ত্ৰ আঁতৰাই থৈ মাত্ৰ বিবেচনাৰ দ্বাৰাই এটা কথা ক'ব পাৰো— মাতৃবাক্য উলংঘনৰ বাহিৰে তোমাৰ অন্য কোনো অপৰাধ নাই। তুমি পৰিস্থিতিৰ দাস মাত্ৰ। তুমি এজন ৰজা। ৰাজধৰ্মই যুদ্ধক সমৰ্থন কৰে। দুজন ৰজাৰ মাজত যুদ্ধ হ'লে কোনোবা এজন যদি নিহত হয় ৰাজধৰ্মত সি অপৰাধ হিচাপে গণ্য নহয়। পিতৃ বুলি জনা হ'লে স্বৰ্গীয় প্ৰতাপচন্দ্ৰ ৰজাদেৱক তুমি জানো আঘাত কৰিলাহেঁতেন? আৰু এটা কথা— তোমাৰ পিতৃয়ে তোমাক অপৰাধী বুলি কোৱা নাই। তেওঁ মৃত্যুৰ আগতে সুদীৰ্ঘকাল যি জীৱন কটাইছিল সিতো মৃত্যুৰ সমতুল্যই আছিল। তুমি তেওঁক আঘাত কৰি মৃত্যুলৈ ঠেলি দিলা এই কথা সত্য, কিন্তু তেওঁ দীৰ্ঘদিনৰ অন্তত পুত্ৰ আৰু পত্নীৰ লগত মিলিত হৈ পৰম শান্তিৰে পৰলোকলৈ গতি কৰিছে। ইয়াক সৌভাগ্য বুলিয়েই ধৰা উচিত। মনৰ পৰা অপৰাধৰ ভাৰ নমাই থোৱা পুত্ৰ।'

'আচাৰ্য বিদ্যানিধিদেৱে সঠিক কথাই কৈছে ৰজাদেৱ।' স্বৰ্গীয় ৰজাদেৱৰ অবৰ্তমানত ৰাজ্যৰ বিষয়াসকল বিভক্ত হৈ পৰিছে। ৰাজ্যৰ শান্তি-শৃংখলা বিঘ্নিত হৈছে। ময়ো এতিয়া বৃদ্ধ। সকলোফালে দৃষ্টি ৰাখিবলৈ অক্ষম। সকলো দ্বন্দ্ব ত্যাগকৰি ৰাজ্যৰ শাসনত মনোযোগ দিলে সকলোৰে কাৰণে মংগল।' মহামন্ত্ৰীয়ে ক'লে।

'পিতৃক হত্যা কৰি লাভ কৰা ৰাজ্য শাসনৰ আকাংক্ষা মোৰ নাই মহামন্ত্ৰীদেৱ। মই সিদ্ধান্ত লৈছো— মই এই ৰাজ্য ত্যাগ কৰি বৈদ্যগড়লৈ গুচি যাম।'

'এয়া কেনেকৈ হ'ব পাৰে ৰজাদেৱ? ৰজাবিহীন ৰাজ্য এখন কেতিয়াও তিষ্ঠি থাকিব নোৱাৰে। খানৱান হৈ যাব। এই অন্যায় সংকল্প ত্যাগ কৰক ৰজাদেৱ। স্বৰ্গীয় প্ৰতাপচন্দ্ৰ ৰজাদেৱে গঢ়ি থৈ যোৱা এই বিশাল ৰাজ্যলৈ এনেকৈ অন্ধকাৰ নমাই নানিব।' মহামন্ত্ৰী সগৰ অস্থিৰ হৈ উঠিল।

'মহামন্ত্ৰীদেৱে সঠিক কথা কৈছে বুলি ভাবো আৰিমত্ত। এই ৰাজ্যক এনে এক সংকটকালত ত্যাগ কৰাটো ৰাজধৰ্মৰ বিপৰীত সিদ্ধান্ত হ'ব। ৰাজ্যৰ ৰাজনৈতিক পৰিস্থিতি সুস্থিৰ নোহোৱালৈকে তুমি এই ৰাজ্য ত্যাগ কৰা উচিত নহ'ব। তদুপৰি এই ৰাজ্যৰ প্ৰজাৰ হিতৰ অৰ্থে কিছু কাম কৰিব পাৰিলে তুমি মনৰ শান্তিও লাভ কৰিবা— প্ৰজাবৰ্গৰ

মনলৈও শান্তি আৰু আস্থা উভতি আহিব।'

'আচার্য বিদ্যানিধিদেৱে দিয়া সিদ্ধান্তই সঠিক বুলি ময়ো ভাবো আৰিমত্ত।' চন্দ্রপ্রভাই ক'লে।

'কিন্তু মা—'

আৰিমত্তক আদবাটতে ৰখাই আচার্যই ক'লে—

'এই ৰাজগৃহত বাস কৰিলে প্রতিমূহুর্ততে তোমাক অপৰাধবোধে কষ্ট দিব। সেই কথা আমি সকলোৱে বুজো। বৈদ্যগড়লৈ গুচি গ'লে তুমি কষ্টৰ পৰা পলাই যাব পাৰিবা। কিন্তু পলাই যোৱাটো অর্থহীন। সত্যৰ মুখামুখি হৈ সাহসেৰে জীয়াই থাকিব পৰাজনকেই বীৰ বুলি কোৱা হয়। পলাই যোৱাৰ মনোভাব ত্যাগ কৰা আৰিমত্ত। মহামন্ত্রীদেৱ বিজ্ঞ আৰু অভিজ্ঞ ব্যক্তি। তেখেতৰ নির্দেশনা মানি চলা উচিত। 'এইখিনিতে আচার্য হিচাপে মই তোমাক দুটামান শাস্ত্রবাক্য ক'ব খুজিছো আৰিমত্ত।'

'কওঁক আচার্য।'

'তুমি এজন সাধাৰণ ব্যক্তি নহয় আৰিমত্ত। তুমি এজন ৰজা। তোমাৰ মাজত ৰাজসিক গুণাৱলী প্রতিবিম্বিত হোৱা উচিত। শুক্রনীতিয়ে কয়— দেৱতাসকলৰ অধীশ্বৰ, অমৰাধীশ, দেৱেন্দ্র ইন্দ্রই যেনেকৈ সুৰক্ষা প্রদান কৰে এজন ৰজায়ো তেনেকৈ প্রজাবর্গক সুৰক্ষা প্রদান কৰা উচিত। সৌৰভবাহী বায়ুৰ দৰে তেওঁ দয়াশীল হোৱাৰ লগতে সমানে কঠোৰভাৰে প্রশাসন পৰিচালনাও কৰা উচিত। তমোহর্তা সূর্যৰ দৰে সংশয়ৰ অন্ধকাৰ নিৰসন কৰি সত্য আৰু বিশ্বাস প্রতিষ্ঠাত অগ্রণী হোৱা উচিত। মৃত্যুৰ দেৱতা যমৰ দৰে ৰজাই অপৰাধৰ শাস্তি প্রদান কৰা উচিত। অগ্নিৰ দৰে সমস্ত অশুদ্ধতা পৰিশুদ্ধ কৰি, উপভোগ কৰা উচিত প্রাপ্ত সমস্ত ঐশ্বর্য। আনন্দপ্রদায়ী চন্দ্রৰ দৰে তেওঁ সকলোকে বিমুগ্ধ কৰি তুলিব পৰা গুণাৱলীৰ অধিকাৰী হোৱা প্রয়োজন। সেইদৰে ধনাধিৰাজ কুবেৰৰ দৰে তেওঁ ৰাজ্যৰ সম্পদ আৰু ঐশ্বর্যক সুৰক্ষিত কৰি ৰখা উচিত। বেদ, স্মৃতি আৰু ধর্মশাস্ত্রসমূহৰ পবিত্র নীতি আৰু নির্দেশনা সাৰোগত কৰি তেওঁ ন্যায়নিষ্ঠভাৱে প্রজা পালন কৰাৰ লগতে প্রজাহিতকৰ কামত মনোনিবেশ কৰা উচিত। তুমি প্রজাপালক, আৰিমত্ত। ৰাজসিক সদ্‌গুণেৰে বিভূষিত হ'লেহে তুমি প্রজাৰ প্রকৃত আনুগত্য আৰু শ্রদ্ধাৰ অধিকাৰী হ'ব পাৰিবা। শাস্ত্রই কয়— এজন ৰজাৰ সৌন্দর্য, সৌন্দর্যৰ দেৱতা মন্মথতকৈও অধিক হোৱা উচিত। এই সৌন্দর্য কেৱল শাৰীৰিক নহয় আৰিমত্ত, মানসিকো। এজন ৰজাৰ শক্তি আৰু শৌর্য যুদ্ধৰ দেৱতা স্কন্দৰ সমতুল্য হোৱা উচিত। তেওঁ যুদ্ধত ভীমসেন, ক্রোধত কৃতান্ত, যশত অর্জুন আৰু দাবানলসম বিপক্ষবিৰোধী হোৱা উচিত। মলয় পর্বতৰ পৰা বৈ অহা বিশুদ্ধ মলয়াৰ দৰে এজন ৰজা বিশুদ্ধ আৰু ন্যায়নিষ্ঠ হোৱা উচিত। সেইদৰে সর্বমান্য ৰাজন্য শিবিৰ সমতুল্য

হোৱা উচিত এজন ৰজাৰ কৰ্মনিষ্ঠা, সহনশীলতা, নমনীয়তা তথা ঔদার্য। ধর্মাচার্যসকলৰ প্রতি বিনম্রতাও এজন ৰজাৰ সদগুণৰ অন্তর্ভুক্ত। ধর্মপ্রতিভু যুধিষ্ঠিৰৰ দৰে তেওঁ সত্যবাদী হোৱাৰ লগতে বিনয়ী আৰু প্রজাৰ প্রতি স্নেহপৰায়ণ হোৱা উচিত। বিজ্ঞানৰ সমস্ত স্রোতস্বতী জলধাৰাত অৱগাহন কৰি এজন ৰজাই আয়ত্ত কৰা উচিত পদ, বাক্য, তর্ক, তন্ত্র, দর্শনৰ শক্তিশালী উর্মিকল্পসমূহ। এয়াই আর্যধর্ম, পুত্র আৰিমত্ত। পিতৃহত্যাৰ অপৰাধবোধে তোমাক যন্ত্রণাৰে ক্লিষ্ট কৰিছে। অনেক দুখত ম্রিয়মান হৈ পৰিছা ; কিন্তু তথাপিও তুমি সাধাৰণ প্রজাৰ দৰে শোকৰ স্রোতত উটি যাব নোৱাৰা। ৰাজধর্মই তেনে দুর্বলতাক স্বীকৃতি নিদিয়ে। শোকবস্ত্র খুলি পেলোৱা পুত্র। বীৰ ৰজাৰ দৰে নিজক নিয়ন্ত্রণ কৰা। পিতৃৰাজ্যৰ প্রজাসকলক, কমতাৰ প্রজাসকলক— শোকত ম্রিয়মাণ হৈ, পাপ-পূণ্য, ন্যায়-অন্যায়ৰ পথসন্ধিত বিভ্রান্ত হৈ, অনিশ্চয়তালৈ ঠেলি দিয়াৰ অধিকাৰ তোমাৰ নাই।'

আচার্য প্রভাকৰে কথা শেষ কৰি আৰিমত্তলৈ চালে—

'মই তোমাৰ আচার্য। পিতৃস্থানীয়। সামান্য শাস্ত্রজ্ঞানেৰে উচিত বুলি বিবেচনা কৰা কথাখিনি ক'লো। সিদ্ধান্ত লোৱাৰ দায়িত্ব তোমাৰ।'

আৰিমত্তই একো উত্তৰ নিদিলে। তলমূৰকৈ বহি থাকিল। পথসন্ধিত থিয় হৈ তেতিয়া সঁচাকৈয়ে বিভ্রান্ত হৈ পৰিছিল আৰিমত্ত।

আটাইবোৰ কিছুসময় মনে মনে বহি থাকিল। তাৰ পিচত চন্দ্রপ্রভাই ক'লে—

'আৰিমত্ত— আচার্যদেৱে যিখিনি কথা ক'লে তাৰ পিচত কোনো সংশয় থাকিব নোৱাৰে। আচার্যৰ নির্দেশ অনুসৰি কামবোৰ কৰি যা। মহামন্ত্রী দেৱতো আছেই। বৈদ্যগড়ৰ পৰা পৰিয়ালৰ সকলোকে আনি ইয়াতেই কিছুদিন থাক। স্থায়ীভাৱে ক'ত থাকিবি সেই সিদ্ধান্ত পিচতো ল'ব পাৰিবি।'

আৰিমত্তই কিবা কোৱাৰ আগতে চামল আহি থিয় হ'ল—

'দেওৰাজা এটা কথা আছিল।'

আটাইবোৰে চামললৈ উভতি চালে।

'আহ— বহহি চামল।' চন্দ্রপ্রভাই ক'লে।

'দেওৰাজাহে উঠিব লাগিব আয়ং। বৈদ্যগড়ৰ পৰা বাতৰি লৈ বাৰিকা আহিছে।'

'ইয়ালৈকে মাতি দে চামল।' মূৰ তুলি চাই আৰিমত্তই ক'লে।

'কিন্তু— কথাটো—'

'একো নহয়— যা।'

চামল আঁতৰি গ'ল। অলপ পিচতে পথশ্রমত ক্লান্ত বাৰিকাক লৈ চামল আকৌ উভতি আহিল।

আৰিমত্তৰ লগত গোভাৰ পৰা অহা বাৰিকা। অতি বিশ্বস্ত। আত্মীয়ৰ সমপর্যায়ৰ।

'কি বার্তা বাৰিকা?' বাৰিকাৰ বিপর্যস্ত ৰূপ দেখি সচকিত হৈ উঠিল আৰিমত্ত।

একমুহূর্ত অস্বস্তিৰে ৰৈ থাকিল বাৰিকা। তাৰ পিচত ক'লে—

'বৈদ্যগড়ৰ বাতৰি আনিছো দেওৰাজা। ভাল নহয়।'

আৰিমত্ত থমক খাই ৰ'ল। একমুহূর্ত তীক্ষ্ণ দৃষ্টিৰে বাৰিকালৈ চাই থাকি উৎকণ্ঠিতভাৱে সুধিলে—

'কিয় কি হ'ল?'

'ফিংগুৱা কোঁৱৰে বৈদ্যগড় অধিকাৰ কৰিছে দেওৰাজা। দহদিন হৈ গ'ল।'

বাৰিকাৰ ক্লান্ত আৰু বিষাদ এন্ধাৰ মুখলৈ অবাক হৈ চাই থাকিল আৰিমত্তই। তাৰ পিচত বহাৰ পৰা থিয় হ'ল।

'মোৰ পৰিয়াল ক'ত বাৰিকা? সিহঁতৰ বাতৰি আনিছনে নাই তই? ক— সোনকালে ক্।

'আনিছো দেওৰাজা। বহুত বেয়া বাতৰি আনিছো। কেনেকৈ কওঁ দেওৰাজা। ভয় লাগে।'

'ভয় নকৰিবি বাৰিকা— ক— সোনকালে ক।'

'ৰাণী আইদেউ ফিংগুৱাৰ লগত একেলগ হৈছে দেওৰাজা। আপোনাৰ আদেশ বুলি কৈ মাজনিশা দুর্গৰ দুৱাৰ খুলি দিছে। আৰু—

মাটিত মূৰ থৈ কান্দোনত ভাগি পৰিল বাৰিকা।

'ৰত্নসিংহ আৰু লখাইতৰা আইদেউ ক'ত মই নাজানো দেওৰাজা— আৰু একো নাজানো মই— কোনোমতে পলাই আপোনাক বাতৰি দিবলৈ আহিছো। আমাৰ গোভাই ভাল আছিল দেওৰাজা। ইমান ভাল গোভাখন এৰি আপুনি বৈদ্যগড়লৈ কিয় আহিছিল দেওৰাজা? কিয় আহিছিল?'

আত্মীয়, পৰিজন, সমাজৰ পৰা বিচ্ছিন্ন হৈ সুদীর্ঘ ওঠৰ বছৰ পাৰ কৰা বাৰিকাই নিয়মৰ সকলো বেৰ পাৰ হৈ বহু যুগ আগৰ চামাদিৰ ৰে-পাসাৰি হৈ পৰিল। সেই হিয়াভগা কান্দোনে তেতিয়া ভাঙি ভাঙি গুড়ি কৰি পেলাব ধৰিছিল আৰিমত্তৰ ভিতৰখন।

২৯

বৈদ্যগড়ৰ ৰাজগৃহৰ আওহতীয়া এটা কোঠাত সাধাৰণ কাঠেৰে সজা আসনত বহি আছে ৰত্নাৱলী। কোঠাৰ এমুৰত সাধাৰণ বিছনা এখনত বহি আছে লখাইতৰা। দুয়োৰে পিন্ধি থকা কাপোৰ দুসাজ মলিয়ন হৈ পৰিছে। অপৰিপাটী হৈ পৰিছে কেশসজ্জা। দেখিলেই গম পায় অযত্ন আৰু অশান্তিৰ মাজেৰে পাৰ হৈ গৈছে তেওঁলোকৰ দিন-ৰাতি।

ৰত্নাৱলীৰ চকুৰে-মুখে দুঃশ্চিন্তা আৰু অস্বস্তি স্পষ্ট হৈ ফুটি উঠিছে। বহা আসনৰ পৰা বাৰে বাৰে উঠি আহি কক্ষৰ গবাক্ষেৰে বাহিৰলৈ চাইছে ৰত্নাৱলীয়ে। মাজে মাজে দুৱাৰৰ ওচৰলৈ গৈ দুৱাৰত কাণ থৈ বাহিৰৰ শব্দ শুনিবলৈ চেষ্টা কৰিছে।

ওলাই গৈ বাহিৰৰ বার্তালোৱাৰ উপায় নাই।

দুৱাৰ বাহিৰৰ পৰা শলখা লগাই বন্ধ কৰি থোৱা আছে। দুৱাৰমুখত থিয় হৈ আছে দুজন সশস্ত্র সৈন্য।

গবাক্ষৰে দেখা বাহিৰখন আৰু কাণপাতি শুনা শব্দবোৰৰ পৰা বাহিৰত কি হৈ আছে কিছু কিছু অনুমান কৰিব পাৰিছে ৰত্নাৱলীয়ে।

অস্বস্তি লাগিছে।

ভীষণ অস্বস্তি।

সুদীর্ঘদিন ধৰি দেখি অহা ফিংগুৱা কোঁৱৰৰ অচিনাকি ৰূপে দুঃশ্চিন্তা আৰু অস্বস্তিৰ গহ্বৰলৈ ঠেলি দিছে ৰত্নাৱলীক। বিচিত্র চিন্তাৰ চাকনৈয়াত পৰি বিপর্যস্ত হৈ পৰিছে।

এনে হোৱাৰ কথাতো নাছিল।

আৰিমত্তই যুদ্ধযাত্রা কৰাৰ পিচৰে পৰাই এক সুখকৰ যুগ্মজীৱনৰ কথা ভাবি ৰোমাঞ্চিত হৈ আছিল ৰত্নাৱলী। প্রতাপসিংহৰ হাতত আৰিমত্তৰ মৃত্যুৰ বাতৰি পাই ৰেয়া লাগিলেও, সুদীর্ঘদিনৰ বন্দীত্বৰ পৰা মুক্ত হোৱাৰ আশাত আৰু ফিংগুৱা কোঁৱৰক স্বামী হিচাপে লাভ কৰাৰ সম্ভাৱনাই উজ্জ্বল কৰি তুলিছিল ৰত্নাৱলীক।

সুদীর্ঘ ওঁঠৰটা বছৰ আৰিমত্তৰ ৰূপমুগ্ধ, গুণমুগ্ধ সাধ্বী-পত্নীৰ অভিনয় কৰি কৰি

ক্লান্ত হৈ পৰা ৰত্নাৱলীয়ে আৰিমত্তৰ মৃত্যুৰ বাতৰি পাই স্বস্তিৰ নিঃশ্বাস পেলাইছিল।

দক্ষিণপাৰৰ গোভাৰ পৰা অহা অনার্য ৰজা এজনৰ কবলিত হৈ থকাটো কিমান বিৰক্তিকৰ আৰু অসহ্যকৰ আছিল সেই কথা আৰিমত্তৰ মৃত্যুৰ বাতৰি শুনাৰ পিচতহে ভালদৰে উপলব্ধি কৰিব পাৰিছিল ৰত্নাৱলীয়ে।

আৰিমত্ত বীৰ হ'ব পাৰে। সুপুৰুষ হ'ব পাৰে। কিন্তু আৰিমত্ত ফিংগুৱা কোঁৱৰৰ লগত তুলনীয়ই নহয়। ফিংগুৱা কোঁৱৰ পঞ্চগৌড়েশ্বৰ উপাধি গ্ৰহণ কৰাৰ যোগ্য। ফিংগুৱা কোঁৱৰৰ আছে নাৰীক পৰিপূৰ্ণভাৱে সন্তুষ্ট কৰাৰ কুশলতা। গুণাৱলী। আৰিমত্তৰ কি আছে?

গংগাৱতী নামৰ কোনোবা লালুং ৰাণী এজনীৰ কথা ভাবি হুমুনিয়াহ কাঢ়ি থকা, জুৰ নিচাত মগ্ন হৈ থকা এজন বিফল ৰজা। উচ্চাকাংক্ষাহীন পুৰুষ। পত্নী আৰু সন্তানৰ সৈতে সুখৰ সংসাৰ কৰি বুঢ়া হৈ যাব ধৰা সাধাৰণ মানুহ। অতি সাধাৰণ মানুহ।

ফিংগুৱা কোঁৱৰ তেনে নহয়। বিশাল সাম্ৰাজ্যৰ সপোন দেখা ফিংগুৱা কোঁৱৰে ৰত্নাৱলীক হৃদয় খুলি ভালপোৱা দিছে। ৰত্নাৱলীৰ কাৰণেই অতবছৰে বিয়া নকৰোৱাকৈ আছে ফিংগুৱা কোঁৱৰে। ৰত্নাৱলীক নিজৰ কৰি নোপোৱাৰ দুখত দহি দহি দিন কটাইছে।

সেইজন ফিংগুৱা কোঁৱৰৰ ওচৰত থিয় নহ'ব কিয় ৰত্নাৱলী? কিয় নিদিব সমর্থন?

দিছিল। আৰিমত্তৰ মৃত্যুসংবাদ পোৱাৰ পিচতেই দুর্গৰ অধিকাৰ কৰিবলৈ অতিথিৰ বেশত আহি থিয় হোৱা ফিংগুৱা কোঁৱৰৰ কাৰণে ৰত্নাৱলীৰ নির্দেশত খুলি দিয়া হৈছিল দুর্গৰ সিংহদুৱাৰ।

সদায় অহা অতিথিক দেখি দুর্গ ৰক্ষাৰ দায়িত্বত থকা সৈন্য আৰু বিষয়াসকলে একো সন্দেহ কৰা নাছিল। আৰিমত্তৰ মৃত্যুসংবাদ নোপোৱা কাৰণে সন্দেহৰ প্ৰশ্নও অহা নাছিল।

খুব সহজেই, প্ৰায় বিনাযুদ্ধে বৈদ্যগড় অধিকাৰ কৰিছিল ফিংগুৱা কোঁৱৰে। বৈদ্যগড়ৰ অভ্যন্তৰ তেজ আৰু মৃতদেহেৰে বীভৎস হৈ পৰিছিল।

তাৰ পিচত ফিংগুৱা কোঁৱৰ সোমাই আহিছিল ৰাজগৃহলৈ। ৰত্নসিংহই তেতিয়া এমুঠি সৈন্য লগত লৈ ফিংগুৱাৰ সৈন্যৰ লগত যুঁজি আছিল। লখাইতৰাক ভিতৰতে থাকিবলৈ কৈ বাহিৰচ'ৰালৈ ওলাই আহি অধৈর্য হৈ ফিংগুৱাকোঁৱৰলৈ অপেক্ষা কৰি আছিল ৰত্নাৱলীয়ে। দুর্গ অধিকাৰ কৰি ৰাজগৃহলৈ সোমাই অহা ফিংগুৱা কোঁৱৰৰ বুকুত বহু বছৰৰ অপেক্ষাৰ অন্তত নিঃসংকোচে সোমাই পৰিছিল ৰত্নাৱলী। ৰত্নাৱলীক আঁকোৱালি ধৰিছিল ফিংগুৱা কোঁৱৰেও। কিন্তু সেই স্পর্শত কোনো উত্তাপ নাছিল। নাছিল মনমতলীয়া কৰা আৱেগৰ কোনো ইংগিত। তেনে সময়তে দুৱাৰমুখত থিয়

হৈছিলহি লখাইতৰা।

লখাইতৰাৰ সেই শৰাহত দৃষ্টিয়ে এতিয়াও খেদি ফুৰিছে ৰত্নাৱলীক।

কি নাছিল সেই চকুযুৰিত? ঘৃণা, বিস্ময়, অশ্রদ্ধা, হতাশা— কি নাছিল? লখাইতৰাক দেখি ৰত্নাৱলীক বাহুবন্ধনৰ পৰা মুক্ত কৰি ফিংগুৱাকোঁৱৰে নিঃশব্দে হাঁহিছিল। হিম হিম— ভয় লগা হাঁহি।

ৰত্নাৱলীয়ে প্রতিক্রিয়া প্রকাশ কৰাৰ আগতেই ৰত্নসিংহক বন্দী কৰি সোমাই আহিছিল বিষয়া এজন আৰু দুজনমান সৈন্য।

'ৰত্নসিংহক বন্দী কৰি থোৱাগৈ। মই আদেশ নিদিয়ালৈ মুক্ত নকৰিবা।'

ফিংগুৱাৰ আদেশ শুনি ৰত্নাৱলী আচৰিত হৈ গৈছিল। বন্দী ৰত্নসিংহৰ বিস্মিত আৰু শ্রদ্ধাহীন চকুযোৰলৈ এবাৰ চাই ৰত্নাৱলীয়ে কৈ উঠিছিল—

'কি কৈছে আপুনি কোঁৱৰ? মোৰ পুত্র ৰত্নসিংহক বন্দী কৰি থ'ব?'

'প্রয়োজন আছে। তোমাৰ পুত্র ৰত্নসিংহ সৰু ল'ৰা নহয়। সমৰকলাত পাৰদর্শী যুৱক। তেওঁক সাময়িকভাৱে বন্দী কৰিবই লাগিব। চিন্তা নকৰিবা। সকলো থানথিত লগাৰ পিচত ৰত্নসিংহক মুকলি কৰি দিম।'

'ৰত্নসিংহক এৰি দিয়ক কোঁৱৰ। তাক মই সকলো কথা বুজাই দিম। সি বুজিব।'

'বুজিম? কি বুজিম মা? কি বুজাবা তুমি? পিতাৰ বন্ধু হৈ থাকি পিঠিত অস্ত্রাঘাত কৰা এই বিশ্বাসঘাটক ফিংগুৱাৰ কথা কি বুজাবা মোক? মই বুজিছো। সকলো বুজিছো। এই সৈন্যবোৰে মোক হাঁহি হাঁহি তোমাৰ কথা কৈছে। তোমাৰ হাতত অস্ত্র নাই? ফিংগুৱাৰ পৰা লোৱা। মোৰ বুকুত বহুৱাই দিয়া। লখাইতৰাৰ বুকুত বহুৱাই দিয়া।'

'শুনিছা ৰত্নাৱলী? পুত্রৰ কথা? এই পুত্রক মুকলি কৰি দিম? কি বিশ্বাসত?' ফিংগুৱাই কৈছিল।

'কিন্তু—'

'পিচত। যি ক'বলগা আছে পিচত ক'বা। যুদ্ধৰ ৰীতি-নীতি তুমি নাজানা। এতিয়া মই ব্যস্ত। যোৱা। ভিতৰলৈ যোৱা। লখাইতৰাক লৈ যোৱা। মই যেতিয়া আজৰি হ'ম তেতিয়া মই নিজেই তোমাৰ ওচৰলৈ আহিম।'

ৰত্নসিংহক টানি টানি বাহিৰলৈ লৈ গৈছিল সৈন্যসকলে। ৰত্নাৱলী আৰু লখাইতৰাক একেটা কোঠাতে সুমুৱাই থ'বলৈ বিষয়া এজনক নির্দেশ দি ৰত্নাৱলীলৈ এবাৰো নোচোৱাকৈ ফিংগুৱা কোঁৱৰ ওলাই গৈছিল।

তাৰ পিচত এতিয়ালৈকে একেটা কোঠাতে একপ্রকাৰ বন্দী হৈ আছে ৰত্নাৱলী আৰু লখাইতৰা।

ৰত্নসিংহক দুর্গৰ অভ্যন্তৰতে ক'ৰবাত বন্দী কৰি থৈছে ফিংগুৱা কোঁৱৰে। ক'ত

থৈছে ৰত্নাৱলীয়ে নাজানে। বিগত বাৰটা দিনত ফিংগুৱা কোঁৱৰ মাত্ৰ এবাৰেই এইটো কোঠালৈ আহিছিল। আজি। কিন্তু ৰত্নসিংহৰ কথা সোধাৰ প্ৰস্তুতি আৰু পৰিবেশ তেতিয়া নাছিল।

ফিংগুৱা কোঁৱৰ আহিছিল দুটা আচৰিত সংবাদলৈ।

চোৰাংচোৰাৰ পৰা যি বাৰ্তা ফিংগুৱা কোঁৱৰে লাভ কৰিছিল সেই বাৰ্তা ভুল। প্ৰতাপসিংহৰ লগত হোৱা যুদ্ধত আৰিমত্ত নিহত হোৱা নাই। নিহত হৈছে প্ৰতাপসিংহহে। আৰিমত্ত উভতি আহি আছে। যি কোনো মুহূৰ্ততে আহি পাবহি। প্ৰতাপচন্দ্ৰৰ ৰাজ্যৰ অধিকাৰী হৈছে আৰিমত্ত। ৰণ জয় কৰি নহয়। প্ৰতাপসিংহৰ পুত্ৰ হোৱাৰ অধিকাৰত। কাৰণ আৰিমত্ত গোভাৰ ৰজাৰ পুত্ৰ নহয়। প্ৰতাপচন্দ্ৰৰহে পুত্ৰ। আৰিমত্ত তিৰাশা নহয়। আৰ্য। আৰ্যক্ষত্ৰিয় ধৰ্মপালৰ উত্তৰ পুৰুষ।

অবাক হৈ ফিংগুৱা কোঁৱৰৰ চিন্তিত আৰু উত্তেজিত মুখলৈ চাই ৰৈছিল ৰত্নাৱলীয়ে। ৰত্নসিংহৰ কথা সুধিবলৈও পাহৰি গৈছিল।

'তোমালোকক এনেকৈ একেটা কোঠাত বন্দীৰ দৰে ৰাখিব লগা হোৱা বাবে বেয়া নাপাবা ৰত্নাৱলী। এতিয়া বিপদৰ সময়। তোমালোকৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই ব্যৱস্থা কৰিছো। ৰত্নসিংহৰ কথাও চিন্তা নকৰিবা। তাৰ উপযুক্ত যত্ন লোৱা হৈছে। আমি আজিয়েই এই দুৰ্গ ত্যাগ কৰি গুচি যাম। আৰিমত্তৰ লগত যুদ্ধ কৰাৰ শক্তি মোৰ নাই। আত্মৰক্ষাৰ কথাহে এতিয়া চিন্তা কৰিব লাগিব। আৰিমত্তৰ ধন-ঐশ্বৰ্য লৈ আমি কোচ ৰাজ্য অথবা কৰ্ণপুৰলৈ গুচি যাম। তাতেই আশ্ৰয় লৈ শক্তি সংগ্ৰহ কৰি আকৌ উভতি আহিম।'

ৰত্নাৱলীক কথা কোৱাৰ সুযোগ নিদি ফিংগুৱা কোঁৱৰ ওলাই গৈছিল। ৰত্নাৱলীক পেলাই থৈ গৈছিল অস্বস্তি, আতংক, দ্বিধা-দ্বন্দ্বৰ মহাবাৰিধিত।

ৰত্নাৱলীয়ে জানে— এইমুহূৰ্তত আৰিমত্তৰ ৰাজগৃহৰ চুকে-কোণে ঘূৰি ফুৰিছে ফিংগুৱা কোঁৱৰ। আৰিমত্তৰ সকলো ঐশ্বৰ্য, সকলো অস্ত্ৰ-শস্ত্ৰ বাচি বিচাৰি উলিয়াই দুৰ্গৰ বাহিৰৰ ক'ৰবালৈ পঠিয়াই দি আছে। অধৈর্য হৈ উঠিছে ফিংগুৱা। যিমান সোনকালে পাৰি ৰাড়গৃহৰ গোপন আৰু সুৰক্ষিত কক্ষত থকা ঐশ্বৰ্যসমূহ বিচাৰি উলিয়াই বৈদ্যগড় এৰি গুচি যাবলৈ উঠিপৰি লাগিছে।

ৰত্নাৱলীয়ে এতিয়া কি কৰিব?

আৰিমত্তৰ কাৰণে বৈ গৈ নিশ্চিত মৃত্যুৰ মুখামুখি হ'ব নে আৰিমত্ত অহাৰ আগতেই ফিংগুৱা কোঁৱৰৰ লগত গুচি যাব?

আৰিমত্তই উভতি আহি ৰত্নাৱলীক গ্ৰহণ কৰিবনে? কৰাটো সম্ভৱনে?

আৰিমত্ত কেনে মানুহ ৰত্নাৱলীয়ে জানো নাজানে? সামান্য অভিমানত গোভাৰ

দৰে বিশাল ৰাজ্য ত্যাগ কৰি গুচি অহা আৰিমন্তই ক্ষমা কৰিব পাৰিবনে ৰত্নাৱলীক?

নোৱাৰে। অসম্ভৱ।

'গুচি যাম। কোঁৱৰৰ লগতেই গুচি যাম। যাক পাবৰ কাৰণে অতবোৰ বছৰ অপেক্ষা কৰিলো,—যাৰ কাৰণে নিজৰ স্বামীৰো অহিত চিন্তিলো, তেওঁৰ লগত গুচি নগৈ ইয়াত থাকি কি কৰিম? মৃত্যু নহ'লে অসম্মান এই দুটাৰ বাহিৰে আৰু কি পাম ইয়াত? পুত্ৰ, কন্যাৰ, স্বামীৰ শ্ৰদ্ধাহীন দৃষ্টি সহ্য কৰি কেনেকৈ থাকিম? গুচি যাম। ফিংগুৱা কোঁৱৰৰ লগত থাকি জীয়াই থাকিব পাৰিলে থাকিম। মৰিব লাগিলে মৰিম।'

অনেক দ্বিধাৰ অন্তত শেষ সিদ্ধান্ত লৈ কিছুদূৰৈত বিছনাত স্তব্ধ হৈ বহি থকা লখাইতৰালৈ চালে ৰত্নাৱলীয়ে।

আঁঠুদুটা সাবটি আঁঠুত মুৰ থৈ বহি আছে ৰত্নাৱলী।

এইকেইটা দিনতে কি হৈ গ'ল ছোৱালীজনী!

নাখাই নাখাই শীৰ্ণ হৈ গৈছে পুৰঠ গাটো। ম্লান হৈ গৈছে জোনযেন মুখখন।

সেই যে ফিংগুৱাৰ সৈন্যই এইটো কোঠাত বন্দী কৰি থৈছিল, তাৰ পিচত প্ৰায় একোৱেই খোৱা নাই লখাইতৰাই। আনকি ভাল দৰে শুৱাও নাই। এনেকৈয়ে বহি আছে নিশ্চুপ হৈ। ভাৱলেশহীন মুখেৰে।

ৰত্নাৱলীয়ে অনেক চেষ্টা কৰিও লখাইতৰাৰ মুখৰ পৰা এটাও শব্দ উলিয়াব পৰা নাই।

ককায়েক ৰত্নসিংহক যেতিয়া ফিগুৱাৰ সৈন্যই লখাইতৰাৰ সন্মুখৰ পৰা টানি টানি লৈ গৈছিল তেতিয়া লখাইতৰা দুৱাৰ মুখৰ পৰা বাউলী হৈ আগবঢ়ি আহিছিল। ৰত্নসিংহক লৈ নাযাবলৈ কান্দি কান্দি অনুৰোধ কৰিছিল। তাৰ পিচত ওচৰতে থিয় হৈ থকা মাকৰ মুখলৈ চাই আৱেগত ব্যাকুল কণ্ঠেৰে কান্দি কান্দিয়েই কৈছিল—

'তুমি এনেকুৱা? ইমান বেয়া? ইমান নিষ্ঠুৰ? মনৰ ভিতৰত যদি ইমান পাপ আছিল আমাক জন্ম দিলা কিয়? তুলি-তালি ডাঙৰ কৰিলা কিয়? কিয় জন্ম হওঁতেই ডিঙি চেপি মাৰি নেপেলালা?'

লখাইতৰাৰ চকুলৈ চাই থকাৰ শক্তি ৰত্নাৱলীৰ নাছিল।

এতিয়াও নাই।

নিশ্চুপ হৈ বহি থকা লখাইতৰাক দেখিলে বুকুখন হমহমাই যায় ৰত্নাৱলীৰ। হমহমাই যায় ক'ৰবাত বন্দী হৈ থকা ৰত্নসিংহৰ কথা ভাবি। আত্মকেন্দ্ৰিক সপোনবোৰ দুৰ্বল হৈ যায়। আকৌ এবাৰ মাক হৈ পৰিবলৈ মন যায়। সাবটি ল'বলৈ মন যায় লখাইতৰাক। ফিংগুৱাৰ লগত সম্পৰ্ক, হৈ যোৱা ঘটনাবোৰ, দুঃস্বপ্ন বুলি দলিয়াইদি আগৰ সুখ-শান্তিৰে ভৰা সংসাৰলৈ উভতি যাবৰ মন যায়। কিন্তু সেই জীৱনলৈ উভতি যোৱাৰ বাটযে নিজেই বন্ধ কৰি পেলাইছে ৰত্নাৱলীয়ে। নিজৰ পুত্ৰ-কন্যাৰ চকুৰ

সমুখত উন্মুক্ত কৰি পেলাইছে নিজৰ পূতিগন্ধময় অভ্যন্তৰ।

কেনেকৈ থাকিব ইয়াত?

কেনেকৈ সহ্য কৰিব স্বামী, পুত্ৰ, কন্যাৰ ঘৃণাৰে বিষাক্ত দৃষ্টি?

গুচি যাব ৰত্নাৱলী।

এয়েই ভাল।

ফিংগুৱা কোঁৱৰৰ লগত থাকিলে অন্তত ঘৃণাতীক্ষ্ণ দৃষ্টিৰ আঘাতত ক্ষত-বিক্ষত হোৱাৰ সম্ভাৱনা নাই। ফিংগুৱা কোঁৱৰৰ লগত আনন্দভৰা যুগ্ম জীৱনৰ সপোন দেখিবলৈ এৰি দিছে ৰত্নাৱলীয়ে। ফিংগুৱা কোঁৱৰৰ অৰুচিকৰ কঠোৰ আচাৰ-আচৰণ আৰু লোভত চিক্‌মিকাই উঠা বিৰক্তিকৰ মুখখনে সেই সপোন থানবান কৰি পেলাইছে।

তেওঁৰ চকুত এতিয়া আৰু ভালপোৱাৰ ৰামধেনু বিচ্ছুৰিত নহয়। বিচ্ছুৰিত হয় জিঘাংসা। লোভ। হীনমানুহৰ তুচ্ছ ঐশ্বৰ্যৰ দুৰ্বাৰ লালসা। এই কোঁৱৰৰ প্ৰতি ৰত্নাৱলীৰ প্ৰেম নাই।

আছে অশ্ৰদ্ধা। বিৰক্তি।

তথাপিও তেওঁৰ লগতেই গুচি যাব ৰত্নাৱলী। পলাই যাব পৰমাত্মীয়সকলৰ বিষাক্ত দৃষ্টিৰ সমুখৰ পৰা।

আৰিমত্তৰ কথা ভাবিলেও বুকুখন কোনোবাখিনিত বিষাই উঠে ৰত্নাৱলীৰ।

প্ৰখ্যাত ৰজা ধৰ্মপালৰ উত্তৰপুৰুষ আৰিমত্ত। মহাপ্ৰতাপী প্ৰতাপচন্দ্ৰৰ পুত্ৰ। এই আৰিমত্তক তুচ্চজ্ঞান কৰিছিল ৰত্নাৱলীয়ে। এটা দুৰ্গ আৰু চাৰিখন গাঁৱৰ গৰাকী, গৌড়ৰ ৰাজবংশ বুলি দাবী কৰা, গোত্ৰ পৰিচয়হীন ফিংগুৱা কোঁৱৰৰ লগত তুলনা কৰি অতিষ্ঠ হৈ উঠিছিল। ফিংগুৱা কোঁৱৰৰ কামাতুৰ স্পৰ্শত বিগলিত হৈ মূল্যহীন বুলি ভাবিছিল আত্মস্থ আৰিমত্তৰ দায়িত্বজ্ঞান আৰু মৰমক। উদাৰতাক।

অন্ধ আছিল ৰত্নাৱলী।

অন্ধ কাৰণেই দেখা নাছিল আৰিমত্তক।

ৰাজ্যৰ জোখেৰে জুখিছিল।

পৰিচয়ৰ জোখেৰে জুখিছিল।

এতিয়া আৰু শুধৰণীৰ কোনো উপায় নাই। সকলো আক্ষেপ মনত সামৰি লৈ গুচি যাব লাগিব ৰত্নাৱলী।

জীয়াই থকাৰ প্ৰয়োজনত।

বিচিত্ৰ ভাবৰ চাকনৈয়াত ডুব গৈ থকা ৰত্নাৱলীক উচ্‌প খুৱাই ফিংগুৱা কোঁৱৰ কোনো জাননী নিদিয়াকৈ সোমাই আহিল।

সচকিত হৈ থিয় হ'ল ৰত্নাৱলী।

'আপুনি মোৰ কথা পাহৰি যোৱা বুলি ভাবিছিলো কোঁৱৰ।' অভিমানৰ সুৰেৰে ক'লে ৰত্নাৱলীয়ে।

'পাহৰি যোৱা নাই। আৰিমত্ত আহি পোৱাৰ আগতে কামবোৰ শেষ কৰি দুৰ্গ এৰি গুচি যাব লাগিব। সময় পোৱা নাছিলো।' ইফালে সিফালে চাই অন্যমনস্কৰ দৰে ক'লে ফিংগুৱাই।

'ময়ো প্ৰস্তুত হৈ আছো কোঁৱৰ। যিমান সোনকালে পাৰি গুচি যোৱাই মংগল।'

'ঠিকেই। এটা কাম কৰাচোন ৰত্নাৱলী— তোমাৰ গাত থকা সোণৰ গহনাখিনি খুলি দিয়াচোন।'

'মোৰ গহনাখিনি? কিয় কোঁৱৰ?' আচৰিত হৈ গ'ল ৰত্নাৱলী।

'কাৰণ আছে। দিয়া। খুলি দিয়া।'

অবাক হৈ ফিংগুৱা কোঁৱৰলৈ চাই থাকি এপদ এপদকৈ নিজৰ গাৰ গহনাবোৰ খুলি দিলে ৰত্নাৱলীয়ে।

গহনাখিনি টোপোলা বান্ধি কঁকালত টোপোলাটো খুঁচি লৈ ফিংগুৱা কোঁৱৰে লখাইতৰালৈ চালে—

'লখাইতৰা— উঠি আহা।'

'কিয় মাতিছে তাইক? তাইৰ গহনাখিনি থাকক কোঁৱৰ।' ৰত্নাৱলীয়ে অস্বস্তিৰে ক'লে।

ফিংগুৱাই ৰত্নাৱলীলৈ চোৱা নাই।

'লখাইতৰা— যি কৈছো শুনা— উঠি আহা।' আদেশৰ সুৰেৰে আকৌ ক'লে ফিংগুৱাই।

'আপুনি কেনে মানুহ কোঁৱৰ? এই অকণমানি ছোৱালীজনীৰ গাৰ অলংকাৰখিনিলৈ আপুনি লোভ কৰিছে?' বিৰক্ত কিন্তু শংকিত মাতেৰে ক'লে ৰত্নাৱলীয়ে।

'অকণমানি ছোৱালী? লখাইতৰা?' ফিংগুৱা কোঁৱৰে ৰত্নাৱলীলৈ চালে। তাৰ পিচত হাঁহি উঠিল।

'অকণমানি ছোৱালীয়েইতো কোঁৱৰ। তাই মোৰ জী।'

'তোমাৰ জী। মোৰতো নহয়। তুমি এই দহেচীয়া গাভৰুজনীক কণমানি যেন দেখিব পাৰা— মই দেখা নাই।'

'শুনিবলৈ বেয়া লাগিছে কোঁৱৰ। তাই আপোনাৰ কন্যাসম।' ৰত্নাৱলী শিয়ঁৰি উঠিল ভিতৰে ভিতৰে। কি কৰিব খুজিছে ফিংগুৱা কোঁৱৰে? লখাইতৰাৰ লগত?

'কন্যাসমহে। কন্যাতো নহয়?' ফিংগুৱা কোঁৱৰে লখাইতৰালৈ চালে—

'উঠি আহা লখাইতৰা— মই বল প্রয়োগ কৰি টানি অনাৰ আগতে উঠি আহা।'

ৰত্নাৱলী ফিংগুৰাৰ ওচৰলৈ আহিল। ফিংগুৰাৰ হাতত ধৰি কাতৰ, কম্পিত কণ্ঠেৰে ক'লে।

'তাইৰ কথা এৰক কোঁৱৰ। বলক আমি গুচি যাওঁ। মোৰ মনটো বেয়া লাগিছে। খুব ভয় লাগিছে।'

'নালাগিব কিয়— যেনে কাম কৰিছা— ভয়তো লাগিবই।'

'আপুনি কি কৈছে মই বুজা নাই কোঁৱৰ। বুজিব নোখোজোও। আহক— আমি যাওঁগৈ।'

ফিংগুৰাই ৰত্নাৱলীলৈ কেইটামান মুহূর্ত এক দৃষ্টিৰে চাই থাকিল। তাৰ পিচত তীক্ষ্ণ হাঁহি এটা ওঁঠত আঁকি কৈ উঠিল—

'ক'লৈ যাবা? কাৰ লগত যাবা? মোৰ লগত? তোমাক মই লৈ যাম? যি নাৰীয়ে নিজৰ স্বামীক বিশ্বাসঘাটকতা কৰিব পাৰে সেই নাৰীক বিশ্বাস কৰি লগত লৈ যাম? মই ইমান মূর্খ নহয় ৰত্নাৱলী। মই লখাইতৰাক লৈ যাম। তাইৰ লগত মই সংসাৰ পাতিম। ৰজা আৰিমত্তই জোঁৱায়েকক আন কিবা কৰিলেও হত্যা কেতিয়াও নকৰে। তোমাৰ আছে কি ৰত্নাৱলী? এই জহিখহি যোৱা পুৰণি গাটোৰে মই কৰিম কি?'

ৰত্নাৱলীৰ শৰাহত দৃষ্টিৰ সম্মুখত চিক্‌মিকাই উঠিল ফিংগুৰাৰ হাতৰ অস্ত্র।

ৰত্নাৱলীৰ তেজেৰে ৰাঙলী হৈ গ'ল বৈদ্যগড়ৰ মাটি।

৩০

'আমি যেতিয়া বৈদ্যগড়ত সোমাইছিলো তেতিয়া দুপৰীয়া হৈছিল। দুৰ্গৰ ভিতৰত চাৰিওফালে পচি যোৱা মৃতদেহবোৰ পৰি আছিল। ৰাজ্যৰ সকলো ধন-সম্পদ আৰু লখাইতৰাক লৈ ফিংগুৱা কোঁৱৰ গুচি গৈছিল। দুৰ্গত কোনো ৰখীয়া নাছিল। কোনো বিষয়া নাছিল। কোনো দাস-দাসী নাছিল। একো নাছিল। ইমূৰ-সিমূৰ লেদেখা এটা গড়ৰ ভিতৰত, মৰাশৰ গোন্ধৰ মাজত আমি থিয় হৈছিলো। আমাৰ মনবোৰ কেনে লাগিছিল সেই কথা তোক ভাষাৰে বুজাব নোৱাৰো জকাংক।'

পূৰ্বজন্মৰ পৰা উভতি আহি এটা হুমুনিয়াহ কাঢ়ি কনচাৰীয়ে ক'লে।

গোভাৰ ৰাজানঃৰ কনচাৰীৰ শয়নকক্ষত বিছনাত আউজি বহি মন্ত্রমুগ্ধৰ দৰে কথা শুনি থকা জকাংক যেন সমাধিৰ পৰা সাৰ পাই উঠিল।

সি ওচৰতে থকা ৰত্নসিংহলৈ চালে। মদৰ নিচাত জকাংকৰ ওচৰতে শুই পৰিছে ৰত্নসিংহ। তাৰ চকুৰকোণত তেতিয়াও লাগি আছে দুটোপাল সৰি নপৰা চকুপানী। সোণজিৰা নাই। হয়তো নিঃশব্দে গুচি গৈছে ৰান্ধনীশাললৈ। জকাংক আৰু ৰত্নসিংহহঁতৰ কাৰণে আহাৰ প্রস্তুত কৰিবলৈ। ভাগৰুৱা চকুৰে আৰি কনচাৰীলৈ চালে জকাংকই।

তেতিয়া ৰাতি পুৱাইছিল।

জালিকটা বাঁহৰ জলঙাৰে আহি পুৱাৰ পোহৰ কনচাৰীৰ মুখত পৰিছেহি। জকাংকৰ ওচৰতে বিছনাত বহি থকা কনচাৰীৰ মুখখন কোনো প্রাচীন মন্দিৰৰৰ বিবর্ণ নাৰীমূর্তিৰ দৰে লাগিছে। শতযুগজোৱা অৱৰুদ্ধ যন্ত্রণাৰে ভাৰাক্রান্ত আৰিকনচাৰীৰ মুখলৈ ব্যথাতুৰ দৃষ্টিৰে চাই থাকিল জকাংকই।

এই শীর্ণ দেহৰ, সুখী আৰু প্রশান্ত যেন লগা গম্ভীৰ মানুহগৰাকীৰ মনৰ ভিতৰত সোমাই আছিল ইমানবোৰ কথা? ইমানবোৰ শোকৰ শিলালিপি? এই মহাভাৰ বুকুত লৈ কেনেকৈ ইমান সহজ হৈ থাকে আৰি কনচাৰী? কি শক্তিত?

জকাংকইতো পৰা নাই।

মাতৃ গংগাৱতীৰ কান্দোনে বুকুখন চিৰাচিৰ কৰি পেলাইছে জকাংকক। ভয়াৱহ দুস্বপ্নৰ দৰে, হৈ যোৱা ঘটনাবোৰে তাক পথহীন আৱর্তত বন্দী কৰি পেলাইছে।

সীমাহীন কষ্টেৰে পীড়িত হৈ নিজৰ শিপা বিচাৰি খলাৰ পৰা গোভাৰ ৰাজানঃলৈ আহিছিল জকাংকই। বিচাৰি আহিছিল আবি কনচাৰীক।

আবি কনচাৰীয়ে কি এক শোকদগ্ধ অতীতলৈ লৈ গ'ল জকাংকক। আবি কনচাৰী, আফা আৰিমত্ত, আজ' সাধুকুমাৰ, প্ৰতাপসিংহ, আছি সোণজিৰা, লখাইতৰা, জকাংক, ৰত্নাৱলীৰ জীৱনৰ লগত কেনেকৈ পৰিচয় কৰাই দিলে কনচাৰীয়ে। কাৰ শোক নমাই থৈ কাৰ শোক তুলি ল'ব জকাংকই? নিজৰ ভিতৰতো যে পৰ্বতপ্ৰমাণ হৈ উঠিছে শোক আৰু অপৰাধবোধৰ যন্ত্ৰণা।

জকাংকৰ পৰিশ্ৰান্ত মুখলৈ চাই কনচাৰী উৎকণ্ঠিত হৈ উঠিল।

নিশাটো শুৱা নাই জকাংকই। কনচাৰীৰ কথা শুনিছে। আধাতে উঠি আহিব খোজোতে কনচাৰীক জোৰ কৰি বহুৱাই থৈছে।

'কোৱা— সকলো কথা কোৱা আবি। আধাতে উঠি নাযাবা। মই জিৰণি ল'ম। সকলো শুনাৰ পিচতহে জিৰণি ল'ম।'

অধীৰ হৈ উঠা জকাংকৰ কাৰণে নিশাৰ জিৰণি এৰি অতীতৰ পৃষ্ঠাবোৰ লুটিয়াই গৈছিল কনচাৰীয়ে।

'তোৰ গাটো বেয়া লগিছে নেকি ছ্যা?' জকাংকৰ বিষাদ বিবৰ্ণ মুখলৈ চাই সুধিলে কনচাৰীয়ে।

'গা বেয়া লগা নাই। সহিবহে পৰা নাই আবি। বুকুখন ভাগি যাব খুজিছে।'

'খুজিবই জকাংক। আপোনজনৰ দুখে যি বুকুত নুখুন্দিয়ায় সেইখন জানো মানুহৰ বুকু? তোৰ এতিয়া যেনে লাগিছে আমাৰো তেনেকুৱাই লাগিছিল ছ্যা। বৈদ্যগড়ৰ অৱস্থা দেখি, আৰিমত্তৰ দুখ দেখি আমাৰো বুকু ভাগি গৈছিল।'

'তাৰ পিচত কি হ'ল আবি?'

'চমুৱাই কওঁ ছ্যা। দুখৰ কথাবোৰ কিমান ক'ম। ৰত্নাৱলীক আমি ঘৰৰ ভিতৰতে পালোগৈ। কৰাল বান্ধিব ধৰা তেজৰ ডোঙাত তাই পৰি আছিল। ফিংগুৱা কোঁৱৰৰ তৰোৱালপাটে তাইক বুকুৱে পিঠিয়ে শালি থৈছিল। ৰত্নসিংহকো আমি বিচাৰি পালো। গড়ৰ ভিতৰতে আওহতীয়া ঘৰ এটাত সি বন্দী হৈ আছিল।

ৰত্নসিংহৰ পৰাই আমি সকলো কথা শুনিলো। ৰত্নসিংহ অত্যন্ত দুৰ্বল হৈ গৈছিল। খণ্ডত, দুখত, হতাশাত কিবা যেন হৈ গৈছিল। মাকৰ কথাবোৰে তাক ইমান বেছি কষ্ট দিছিল যে সি মাকৰ কথা কওঁতে কঁপালত ভুকুৱাই ভুকুৱাই কান্দিছিল। বাৰে বাৰে কৈছিল—

'আইক মাৰিলে। ভাল হ'ল পিতা। খুব ভাল হ'ল। এনে আই যিয়ে পায় তাৰ দৰে দুৰ্ভগীয়া আৰু কোনো নাই। মই ওলাই যাওঁ পিতা। বলা ওলাই যাওঁ— আমাৰ

লখাইতৰাক ফিংগুৱাই নষ্ট কৰিবলৈ লৈ গ'ল। বলা পিতা— তাইক বিচাৰি আনোগৈ। ফিংগুৱাক মাৰি টুকুৰা টুকুৰ কৰি তাৰ তেজ পী খাওঁগৈ।'

খঙে-দুখে ক্লিয়া হৈ গৈছিল ৰত্নসিংহ। বলিয়া হৈ গৈছিল আৰিমত্তও। তেওঁলোক দুয়ো আৰু চামলে সৈন্যবোৰক লৈ ফিংগুৱা আৰু লখাইতৰাক বিচাৰি ওলাই গৈছিল। উদং দুর্গৰ ভিতৰত ৰত্নাৱলীৰ শৱদেহ ৰখি মই আৰু আচার্য প্রভাকৰ বহি আছিলো।

'আমি যোৱা বুলি শুনিয়েই কাষৰ পাঁজৰৰ গাঁওবোৰত লুকাই থকা ৰাজধানীৰ বিভিন্ন কামৰ লোকবোৰ ৰাজধানীলৈ উভতি আহিছিল। অন্য প্রজাও আহিছিল। তেওঁলোকে সকলোৱে মিলি মৃতদেহবোৰ আঁতৰাই পথাৰত শাৰী শাৰীকৈ কাপোৰেৰে ঢাকি থৈ চৌদিশ পৰিষ্কাৰ কৰাত ব্যস্ত হৈ পৰিছিল। ৰাজানঃৰ ভিতৰখনো পৰিষ্কাৰ কৰি দাস-দাসীবোৰে আমাক খাবলৈ পানী আনি দিছিল। গাখীৰ আনি দিছিল। ফল-মূল আনি দিছিল। ৰত্নাৱলীক তেওঁলোকৰ সহায়ত আমি ঘৰৰ বাহিৰলৈ লৈ আনিছিলো। চাদৰ এখনেৰে ঢাকি পাটী এখনৰ ওপৰত শুৱাই থৈ মই আৰু আচার্য প্রভাকৰ বহি আছিলো।

মোক কোনেও চিনি পোৱা নাছিল। সকলোৱে মৌলৈ অবাক হৈ চাইছিল। ৰজা আৰিমত্তৰ মাক বুলি শুনি খুব আচৰিত হৈছিল মানুহবোৰ।

আচৰিত নহ'বনো কিয়?

আৰিমত্তৰ মাক এজনী থকা হ'লে কুৰি বছৰত এবাৰো বৈদ্যগড়লৈ নগ'লহেঁতেননে? তেওঁলোকেতো নাজানে তেওঁলোকৰ ৰজাৰ মাকজনী কিমান দুর্ভগীয়া।'

কনচাৰীয়ে বিষাদেৰে হাঁহিলে।

'তেনেকৈ নক'ব আবি। মনটো বিষাই যায়।' জকাংকৰ কণ্ঠ বিষাদত অস্পষ্ট হৈ পৰিল।

'কি কৰিবি জকাংক— কিছুমান মানুহে পৃথিৱীত কষ্ট পাবলৈয়ে জন্ম হয়। কিন্তু সেইবুলি মই জীৱনত একো নোপোৱা বুলি নাভাবিবি। ভালকৈ ভাবি চাবলৈ হ'লে আনে আশা কৰিও নোপোৱা অনেক কিবাকিবি মই আশা নকৰাকৈয়ে পাইছো। আৰিমত্তক পাইছো। এই গোভাক পাইছো। তোক পাইছো। গোভাই মোক কি দিয়া নাই কচোন জকাংক?'

'দিছে আবি। বহুত দিছে।' এটা হুমুনিয়াহ কাঢ়ি জকাংকই ক'লে।

'বৈদ্যগড়ত ৰত্নাৱলীৰ মৃতদেহৰ সন্মুখত বহি থাকোতে এইবোৰ কথাও মোৰ মনলৈ আহিছিল। আচার্য প্রভাকৰ বিদ্যানিধিয়ে মোক দুটা প্রহৰ শাস্ত্রৰ নানা কথা শুনাই

সা৲না দিছিল। এনে শাস্ত্রজ্ঞানী আৰু ধৈর্যশীল মানুহ মই আৰু কেতিয়াও লগ পোৱা নাই। অৱশ্যে তোৰ আজ' গোভাৰজাৰ ইমান শাস্ত্রজ্ঞান নাথাকিলেও তেওঁৰ জ্ঞান আৰু ধৈর্যৰো তুলনা নাই। দুখৰ সময়ত, বিপদৰ সময়ত তেওঁ যেতিয়া মোৰ ওচৰত আহি থিয় হয়— তেতিয়া মই সাহস পাওঁ। শক্তি পাওঁ। এতিয়াও দেখিছ নহয়— কেনেকৈ কৰমৰ দায়িত্ব লৈছেহি। কন্দাও নাই। ভাগিও পৰা নাই। কিন্তু মই জানো— তয়ো জান— কিমান কষ্ট পাইছে তেওঁ। তেওঁ জানো তোক এটাও বেয়া কথা কৈছে? জানে— তোৰ দোষ নাই। যি কৰিছ— নাজানি কৰিছ। তেওঁৰ ওচৰলৈ যাবি জকাংক— তোৰ মনৰ কষ্টবোৰ পাতলি যাব। ৰত্নাৱলীৰ ওচৰত বহি থাকোতে মই যেতিয়া দুখত ভাগি পৰিব ধৰিছিলো, তেতিয়া তোৰ আজ' গোভাৰজা বৈদ্যগড়ত উপস্থিত হৈছিলগৈ। তেওঁ আহিব বুলি মই জানিছিলো। আমি প্রতাপপুৰৰ পৰা বৈদ্যগড়লৈ অহাৰ আগতেই সকলো বাতৰি জনাই বাৰিকাক পঠিয়াই দিছিলো। গোভাৰজা আহি পোৱাৰ অলপ পিচতেই আৰিমত্তইঁত উভতি আহিছিল। লখাইতৰাক লৈ।'

'লখাইতৰাক পালে? ফিংগুৱাক মাৰিলে?' উত্তেজিত হৈ উঠিল জকাংক।

'ফিংগুৱাক মাৰিবলৈ বিচাৰিয়েই নাপালে জকাংক। সি ফিংগুৱাগড়তো নাছিল। ক'ৰবালৈ পলাই গৈছিল। লখাইতৰাক পালে। কিন্তু তাই তেতিয়া জীয়াই থকা নাছিল। ফিংগুৱাগড়ৰ ওচৰতে থকা ব্রাহ্মণ পৰিয়াল এটাৰ কাষত থকা এটা পুখুৰীত জঁপিয়াই আত্মহত্যা কৰিছিল লখাইতৰাই। তাই কেনেবাকৈ ফিংগুৱাৰ হাতৰ পৰা পলাই আহি ওচৰৰ সেই ব্রাহ্মণৰ ঘৰত আশ্রয় লৈছিল। আত্মহত্যা কৰাৰ আগতে তাই দেউতাকলৈ এখন পত্র লিখি থৈ গৈছিল। পত্রখনত তাই সকলো কথা লিখি থৈ গৈছিল। তাত কি লিখা থাকিব পাৰে তই নিশ্চয় অনুমান কৰিব পাৰিছ। নজনাখিনি জানিব নুখুজিবি। কোৱাৰ শক্তি নাই জকাংক।'

'ক'ব নালাগে আবি। বুজি পাইছো।' বিষাদেৰে ক'লে জকাংকই।

বহুত সময় মনে মনে বহি থাকিল আবি কনচাৰী। জকাংকয়ো একো কোৱা নাই। নেদেখা নজনা বৈদ্যগড়ৰ আত্মীয়সকলৰ বিপর্যস্ত হৈ পৰা জীৱনৰ মাজলৈ সোমাই গৈ গভীৰ বিষাদত নির্বাক হৈ পৰিছে।

এটা সময়ত কনচাৰীয়ে ধীৰভাৱে ক'লে—

'আৰিমত্তৰ মনৰ অৱস্থা কি হ'ব পাৰে তই নিশ্চয় বুজিব পাৰিছ জকাংক। তেতিয়া গধুলি হ'বৰ হৈছিল। ৰাজানঃৰ সম্মুখৰ চোতালত ৰত্নাৱলী আৰু লখাইতৰাৰ মৃতদেহ দুটা শুৱাই থৈ ওচৰতে মাটিত বহি আছিলো আমি। আৰিমত্ত, ৰত্নসিংহ, মই, চামল, গোভাৰজা আৰু প্রভাকৰ আচার্য। তেওঁলোকক দাহ কৰাৰ যো-জা আৰম্ভ হৈছিল।

সন্মুখৰ পথাৰত শাৰী শাৰীকৈ সজোৱা হৈছিল অগণন চিতা। মুখাগ্নি কৰিবলৈ অহা পুত্ৰ পৰিজন আৰু অন্যান্য হেজাৰ মানুহেৰে উপচি পৰিছিল পথাৰখন। অগণন মানুহৰ কান্দোনৰ শব্দই বৈদ্যগড় কঁপাই তুলিছিল। আৰিমত্তই কিন্তু কন্দা নাছিল জকাংক।

ৰত্নসিংহয়ো কন্দা নাছিল।

তেওঁলোকৰ চকুবোৰ মাত্ৰ তেজৰ দৰে ৰঙা হৈ পৰা দেখিছিলো। এটা সময়ত শাৰী শাৰী চিতাবোৰ একেলগে জ্বলি উঠিছিল। পুৰি ছাই হৈ গৈছিল সকলোবোৰ। পুৰি ছাই হৈ গৈছিল ৰত্নাৱলী। লখাইতৰা।

সেইদিনা ৰাতি গোভাৰজা আৰু আচার্য প্রভাকৰৰ লগত আলোচনা কৰি মই অকলশৰে বহি থকা আৰিমত্তৰ ওচৰলৈ গৈছিলো।

কপালত দুহাত থৈ তলমুৰ কৰি বহি আছিল আৰিমত্ত। মই তাৰ মুৰত হাত থৈছিলো। সি লাহে লাহে মুৰ তুলি চাইছিল। তাৰ চকুত এটোপালো চকুপানী নাছিল। তেজৰঙা চকুযোৰ তুলি মোলৈ চাই সি কৈছিল—

'মোৰ সকলো শেষ হৈ গ'ল মা। মই এতিয়া কি কৰো?' মই তাৰ ওচৰত বহিছিলো। আৰিমত্তৰ প্রশ্নৰ উত্তৰ মোৰ হাতত নাছিল। কিন্তু তাক ক'বলৈ মোৰ হাতত অন্য অনেক কথা আছিল।

আমি জানিছিলো পিতৃক হত্যা কৰি আৰিমত্ত যেনেকৈ শোকত আৰু অপৰাধবোধত ভাগি পৰিছিল, ৰত্নাৱলীৰ বিশ্বাসঘাটকতা আৰু লখাইতৰাৰ মৃত্যুৰ শোকে তাক ধ্বংস কৰি পেলাব। তাৰ চকুযোৰত আমি সেই সর্বনাশৰ আগজাননী দেখিছিলো। ৰত্নসিংহও একেই শোকত বলিয়াৰ দৰে হৈ গৈছিল। নিজৰ মাকৰ এনে ৰূপ কোন পুত্ৰই সহ্য কৰিব পাৰে কচোন ছ্যা। নিজৰ ভনীয়েকৰ এনে পৰিণতিয়ে কোন ককায়েকক বলিয়া নকৰে? ৰত্নসিংহৰ ওচৰলৈ আমি আচার্যক পঠিয়াইছিলো। আৰিমত্তৰ ওচৰলৈ মই গৈছিলো। আমি ভাবি ভাবি এটাই উপায় পাইছিলো। তোৰ আৰু গংগাৱতীৰ কথা ক'লে আৰিমত্তই কিছু সকাহ পাব পাৰে। ৰত্নাৱলীয়ে তাক বিশ্বাসঘাটকতা কৰিছিল। ওঠৰ বছৰ ধৰি তাক প্রৱঞ্চনা কৰি আহিছিল। সেই কথাই আৰু ৰত্নাৱলীৰ মৃত্যুৱে আৰিমত্তক দিয়া মনোকষ্টৰ পৰা ৰক্ষা কৰিবলৈ আমি গংগাৱতীৰ কথা আৰু তোৰ কথা কোৱাটো উচিত হ'ব বুলি ভাবিছিলো।

আৰিমত্তই মোক কৈছিল—

'ৰত্নাৱলীয়ে কিয় এনে কৰিলে মা? কি দিয়া নাছিলো মই ৰত্নাৱলীক? কি বিচাৰিছিল তাই? ৰত্নসিংহ আৰু লখাইতৰাক পোৱাৰ পিচতো আৰু কি বিচাৰিছিল?'

'মানুহৰ মনত ক'ত কি কথা থাকে— বুজা জানো সহজ? তাইৰ হয়তো কিবা অভাৱ আছিল। তই বুজিব নোৱাৰিলি।'

'মই বুজিব নোৱাৰিব পাৰো। কিন্তু মোক খুলি নক'লে কিয়? মই জানো তাইক ধৰি-বান্ধি ৰাখিলোহেঁতেন? মই জানো তেনে মানুহ? নহয় মা। মই বুজিছো। সকলো নাৰী একেই। লোভী। অনেক পোৱাৰ পিচতো লোভ শেষ নহয়। স্বামীতকৈও ৰাজ্যৰ লোভ ডাঙৰ। পুত্ৰ-কন্যাতকৈও ডাঙৰ প্ৰতাপশালী, বিশাল ৰাজ্যৰ ৰাণী হোৱাৰ লোভ।'

'তোৰ এতিয়া তেনে যেন লগাটোৰেই স্বাভাৱিক। কাৰণ তই বহুত কথাই নাজান আফা।'

মই কৈছিলো। মোৰ কথা শুনি আৰিমত্তই মৌলৈ চাইছিল।

'আৰু কি কথা জানিবলৈ আছে মা? আৰু কি কথা মই নাজানো? কোৱা। আৰু যিমান দুখ পাবলৈ আছে দিয়া। পৃথিৱীৰ পৰা গুচি যোৱাৰ আগতে চাই যাওঁ ফা মাহাদেৱে আৰু ক'ত কি দুখৰ কথা মৌলৈ থৈদিছে।'

'মই যি কথা ক'ব খুজিছো দুখৰেই কথা। কিন্তু সেই কথাই তোক তোৰ ধাৰণাবোৰ মিছা বুলি প্ৰমাণ কৰিব আৰিমত্ত।'

মই কৈছিলো। মোৰ কথা শুনি আৰিমত্তই মৌলৈ চাইছিল। একো কোৱা নাছিল।

তাৰ পিচত মই গংগাৱতীৰ কথা কৈছিলো। গংগাৱতীয়ে ওঠৰ বছৰ আগতে আৰিমত্তৰ লগত কমতালৈ গুচি যোৱাৰ সিদ্ধান্ত কিয় সলনি কৰিছিল— কিয় আৰিমত্তক আহিম বুলি কৈও অহা নাছিল— সকলো কথা এটা এটাকৈ কৈ গৈছিলো। তোক এতিয়ালৈ যিবোৰ কথা ক'লো সেই সকলো কথাই তাকো কৈছিলো। সি প্ৰতাপপুৰত কিছুকথা শুনিছিল— কিন্তু মায়াপুৰৰ পৰা অহাৰ মোৰ গোভাৰ পিচৰ জীৱনৰ কথাবোৰ সি জনা নাছিল। কোনে ক'ব? মোৰ বাহিৰে আন কোনে জানে? তাৰ পিচত মই তোৰ কথা কৈছিলো।

কৈছিলো—

'গংগাৱতীয়ে তোক সকলো কথা জনাব পাৰিলেহেঁতেন। মাক হ'বলৈ ওলাইছে বুলি গম পোৱাৰ লগে লগে মই তাইক সকলো যুক্তিৰ পৰা মুক্তি দি তোৰ লগত যোগাযোগ কৰিবলৈ কৈছিলো। কিন্তু গংগাৱতীয়ে তোক একো নজনালে। তই তেতিয়া বিয়া কৰাইছিলি। গংগাৱতীৰ বিশ্বাসঘাটকতাত দুখ পাইহে তই যে জেদতে ৰত্নাৱলীক বিয়া কৰাইছিলি সেই কথা তাই বুজিছিল। তাই হয়তো দুখ পাইছিল। কিন্তু তোৰ সুখ তাইৰ কাৰণে নিজৰ দুখতকৈও আগমাত আছিল। নিজৰ মাতৃত্বৰ কথা তোক জনাই তোৰ জীৱনটো তাই খেলিমেলি কৰিব খোজা নাছিল। এই ওঠৰটা বছৰ তাই তোৰ কথা ভাবিয়েই দিন কটাইছে আৰিমত্ত। অকলশৰে পিতৃপৰিচয়হীন পুত্ৰক ডাঙৰ কৰিছে।'

মোৰ কথা শুনি থকা আৰিমত্তৰ সেই দুখেৰে ভৰা চকুযোৰ মই কেতিয়াও পাহৰিব নোৱাৰো ছ্যু। সি মৌলে চাই আছিল। চায়েই আছিল। তাৰ পিচত সি কান্দিছিল। বহুত কান্দিছিল। লখাইতৰাৰ কাৰণে। নিহত পিতৃৰ কাৰণে। গংগাৱতীৰ কাৰণে। তোৰ কাৰণে। হয়তো সি ৰত্নাৱলীৰ কাৰণেও কান্দিছিল জকাংক।

মই তাক কান্দিবলৈ দিছিলো।

কান্দি কান্দি বুকুৰ বোজাটো পাতলাবলৈ দিছিলো।

তাৰ পিচত তাক মই কৈছিলো—

'ৰত্নাৱলীক তই ক্ষমা কৰিব লাগিব আৰিমত্ত। তাইক জানো তই ভাল পাই বিয়া কৰাইছিলি? বিয়া কৰোৱাৰ আগতে তাইৰ মনত কি আছে সুধিছিলি? বিয়াৰ পিচত যিমান মৰম দিব লাগে দিছিলি? নিজক সুধি চা আৰিমত্ত। উত্তৰবোৰ তই নিজেই বিচাৰি পাবি।'

কৰম শেষ নোহোৱালৈকে আমি বৈদ্যগড়তেই আছিলো। তাৰ পিচত গোভাৰজা উভতি আহিছিল। মই কিছুদিন তাতেই থকাৰ সিদ্ধান্ত লৈছিলো। আৰিমত্ত আৰু ৰত্নসিংহক বৈদ্যগড়ত এৰি গোভালৈ উভতি অহাটো উচিত নহ'ব বুলি ভাবিছিলো।

আৰিমত্ত লাহে লাহে সুস্থিৰ হৈছিল। তাৰ পিচত এদিন সি মোক, আচার্য প্রভাকৰ আৰু ৰত্নসিংহৰ সৈতে একেলগে বহুৰাই সি লোৱা সিদ্ধান্তবোৰ জনাইছিল।

প্রথমতে সি ৰত্নসিংহক তোৰ আৰু গংগাৱতীৰ কথা কৈছিল। এটাও শব্দ নুলুকুৱাকৈ সকলো কথা কৈছিল। গম্ভীৰ হৈ কথাবোৰ শুনি আছিল ৰত্নসিংহই। তাৰ মুখত মই ক্রোধ আৰু আক্ষেপৰ কোনো চিন দেখা নাছিলো। সেইকেইটা দিনতে ৰত্নসিংহ যেন বেলেগ হৈ গৈছিল। সি আৰু আদৰত ডাঙৰ হোৱা ৰজাৰ ল'ৰা হৈ থকা নাছিল। সকলো কথা শুনাৰ পিচত গম্ভীৰভাৱে সি মাত্র এটাই প্রশ্ন কৰিছিল—

'আপুনি এতিয়া কি কৰিব পিতা?'

সেই প্রশ্নৰ উত্তৰত বহুত সময় মনে মনে বহি থাকি আৰিমত্তই কৈছিল—

'মোৰ মৃত পিতৃয়ে মোক ৰাজ্যৰ অধিকাৰ দি গৈছে। কমতা আছে। এই দুখন ৰাজ্য পৰিচালনাৰ কোনো ইচ্ছা মোৰ নাই। ৰজাৰ দায়িত্বৰ পৰা মই নিজকে মুক্ত কৰিব খুজিছো। আচার্যদেৱৰ কথাবোৰ মই বহুত ভাবি চালো। দেখিলো— ৰজাৰ গুণাৱলী মোৰ হয়তো আছিল— কিন্তু সেই গুণাৱলীয়ে এতিয়া সজীৱতা হেৰুৱাই পেলাইছে। ৰাজ্য শাসনৰ কোনো মানসিক প্রস্তুতি মই নিজৰ মাজত বিচাৰি পোৱা নাই। মোৰ মনত শান্তি নাই। স্বস্তিও নাই। আচার্যৰ লগত এই বিষয়ে মই আলোচনা কৰিছো। মই সিদ্ধান্ত লৈছো কমতাৰ দায়িত্ব মই তোমাক দিম ৰত্নসিংহ। মোৰ পিতৃৰাজ্যৰ দায়িত্ব

চামলক দিম। মহামন্ত্রী সগৰ এতিয়া বৃদ্ধ। তেওঁক সহায়ৰ প্রয়োজন। মোৰ পৰিচয় জনাৰ পিচত ৰাজ্যৰ সামন্তসকলে আকৌ আগৰ দৰেই অনুগত হৈ থকাৰ সিদ্ধান্ত লৈছে। ৰাজ্য পৰিচালনাৰ সংকটসমূহো দূৰ হৈছে। চামলে মোৰ পিতৃৰাজ্য পৰিচালনা কৰিব পাৰিব। এই দায়িত্ব মই তোমাকো দিব পাৰিলোহেঁতেন ৰত্নসিংহ— কিন্তু তুমি অনভিজ্ঞ। ইমান বিশাল ৰাজ্য এখন তুমি পৰিচালনা কৰিব নোৱাৰিবা। কমতা শাসন কৰা। অভিজ্ঞতা অর্জন কৰা। তাৰ পিচত তুমি প্রতাপপুৰৰ পৰাই দুয়োখন ৰাজ্য শাসন কৰিব পাৰিবা— যদি ইচ্ছা কৰা। মই গোভালৈ উভতি যাম ৰত্নসিংহ। মই মোৰ নিজৰ মাটিলৈ উভতি যাম। তাত মই এটা মঠ সজাৰ সিদ্ধান্ত লৈছো। আচার্যদেৱক বাৰঘৰ সদব্রাহ্মণৰ পৰিয়াল বিচাৰি উলিয়াবলৈ অনুৰোধ কৰিছো। ব্রাহ্মণসকলক তাত সংস্থাপিত কৰিম। আচার্যদেৱে যিবোৰ জনহিতকৰ কাম কৰাৰ দায়িত্ব দিছে সেই সকলো দায়িত্ব শেষ কৰি মই সন্ন্যাস ল'ম।'

'সন্ন্যাস? সন্ন্যাস কি আবি?' আচৰিত হৈ সুধিলে জকাংকই।

'বুজা নাই নহয়? এই শব্দ আমি ইয়াত শুনিবলৈ নাপাওঁ। সন্ন্যাস মানে সকলো ত্যাগ কৰি, সংসাৰৰ মায়ামোহৰ পৰা মুক্ত হৈ ঈশ্বৰৰ নাম লৈ থাকিবলৈ বনলৈ গুচি যোৱা। মই ভবা নাছিলো জকাংক সি এনেকুৱা এটা সিদ্ধান্ত ল'ব বুলি। তাৰ কথা শুনি মই উচপ খাই উঠিছিলো। কৈছিলো—

'এনে সিদ্ধান্ত নল'বি আৰিমন্ত। তোৰ দুটাকৈ সন্তান আছে। তোৰ মা আফা আছে। এয়া জানো সন্ন্যাস লোৱাৰ বয়স। গোভালৈ উভতি বল আৰিমন্ত। মই দচখুল বাৰখুলৰ মুখিয়ালসকলক মাতি সকলো কথা ক'ম। গংগাৱতীৰ লগত তই সংসাৰ পাত আৰিমন্ত।'

'মা— যেতিয়া মই একো কথা নাজানিছিলো তেতিয়া মোৰ সকলোৰে ওপৰত খং উঠিছিল। সকলোৰে ওপৰত অভিমান হৈছিল। তুমি যিবোৰ যুক্তিত গংগাৱতীক মোৰ লগত বিয়া নহ'বলৈ কৈছিলা— সেই যুক্তিবোৰ মই বুজি পাইছো। ওঠৰ বছৰে কমতাত থাকি মই গোভাৰ সমাজক বুজি পাইছো। তোমাক আৰু মোক গোভাৰ সমাজে কি দিছিল বুজি পাইছো। মোৰ আফাই মোক কি দিছিল বুজি পাইছো। সেই পৰিচয় পৰিত্যাগ কৰি মই গংগাৱতীক লাভ কৰিব নোখোজো মা। মই জানো— মোৰ আফা দেওৰাজাই মোক গোভাৰ অধিকাৰী কৰিব খুজিলেও সেই অধিকাৰ মোৰ নাই। মই গোভালৈ উভতিযাম। কিন্তু গোভাৰ দায়িত্ব, কুমৈ বঘৰাৰ দায়িত্ব নলও। কুলৰ কোনোবা যোগ্য পুৰুষ এজনক দেওৰাজাই এই দায়িত্ব দিয়ক। মই টোমৰা পাহাৰত আশ্রম পাতি বাস কৰিম। মোক সিদ্ধান্ত সলাবলৈ বাধ্য নকৰিবা মা। কষ্ট পাম।'

আৰিমত্তৰ কথা শুনি মই নিৰুপায় হৈ পৰিছিলো জকাংক। সমাধান বিচাৰি মই আচার্যৰ মুখলৈ চাইছিলো।

'আপুনি কি কয় আচার্য?' মই সুধিছিলো।

মোৰ প্রশ্ন শুনি বহুত সময় নীৰৱে বহি থাকি আচার্যই কৈছিল—

'আৰিমত্ত বয়স্ক পুৰুষ। জীৱনৰ নানা অভিজ্ঞতাৰে অভিজ্ঞ। শোকৰ প্রাথমিক আৱেগ প্রশমিত হোৱাৰ পিচত অনেক ভাবি-চিন্তি আৰিমত্তই এই সিদ্ধান্ত লৈছে। আপুনি বাধা দিলে তেওঁ নিশ্চয় এই সিদ্ধান্ত প্রত্যাহাৰ কৰিব। আপুনি আৰিমত্তৰ মাতৃ। পুত্রৰ সন্ন্যাস চিন্তা আপোনাৰ বাবে সহ্যাতীত হোৱাটো স্বাভাৱিক। কিন্তু আপুনি এজন বীৰ ৰজাৰো মাতৃ। এজন ৰজাই জীৱনৰ মধ্যাহ্নত উপনীত হোৱাৰ পিচত ৰাজ্যৰ অধিকাৰ ত্যাগ কৰাৰ সিদ্ধান্ত ল'ব পাৰে। মোহযুক্ত হৈ সন্ন্যাস গ্রহণৰ ইচ্ছাও হ'ব পাৰে। অথবা যুৱক পুত্রক ৰাজ্যভাৰ অর্পণ কৰি অৱসৰ লোৱাৰ ইচ্ছাও হ'ব পাৰে। ৰজা বনমাল বর্মনে পুত্র জয়মাল বর্মনৰ শিক্ষা সমাপ্তিৰ তথা যুৱত্বপ্রাপ্তিৰ পিচত তেওঁৰ ওপৰত ৰাজ্যাধিকাৰ অর্পণ কৰি অৱসৰগ্রহণ কৰিছিল। সেইদৰে বৃদ্ধকালত জয়মাল বর্মনেও পুত্র বলবর্মনক ৰাজ্যাধিকাৰ দি ঈশ্বৰ চিন্তাত মগ্ন হৈছিল। এনে উদাহৰণ আৰু অনেক আছে। এই ইচ্ছা যদি আৰিমত্তৰ মনতো জন্ম হৈছে, মাতৃসুলভ আৱেগৰ বশৱর্তী হৈ বাধা প্রদান কৰা উচিত নে অনুচিত সেই কথা আপুনি নিজেই যুক্তিৰে বিচাৰ কৰি চাব লাগিব। মই সিদ্ধান্ত দিবলৈ অপাৰগ আই।' আচার্য প্রভাকৰে কৈছিল।

আচার্যৰ কথা শুনি মই দ্বিধাগ্রস্ত হৈ পৰিছিলো জকাংক। কি কৰা উচিত ভাবি পোৱা নাছিলো। আৰিমত্ত নিজৰ সিদ্ধান্তত অটল হৈ আছিল। কিছুদিন পিচত সকলো দায়িত্ব শেষ কৰি গোভালৈ গুচি আহিছিল আৰিমত্ত। চামলো তাৰ লগতে গুচি আহিব খুজিছিল। প্রতাপপুৰৰ দায়িত্ব নিদিবলৈ সি আৰিমত্তক বাৰে বাৰে অনুৰোধ কৰিছিল। আৰিমত্তই তাক কৈছিল—

'মোৰ বহুত সেৱা কৰিলি চামল। এতিয়া মোক কি সেৱা কৰিবি? মইতো এতিয়া ৰজা নহয়— এজন সন্ন্যাসীৰ লগত থাকি কি কৰিবি? যা— প্রতাপপুৰৰ দায়িত্ব লৈ, সোণজিৰা আছিক লগত ৰাখি স্বাধীন ৰজা হৈ থাকগৈ। তই তাত থাকিলে মই জানিম মোৰ পিতৃয়ে দি যোৱা দায়িত্বৰ অৱহেলা হোৱা নাই।'

চামলে যাবৰ সময়ত বহুত কান্দিছিল জকাংক।

আৰিমত্তৰ ভৰিত পৰি মূৰ খুন্দিয়াই খুন্দিয়াই কান্দিছিল। আৰিমত্তই তাক বুকুত আঁকোৱালি লৈছিল। কন্দা নাছিল। সকলো মোহৰ পৰা হয়তো সঁচাকৈয়ে সি মুক্ত হৈ

গৈছিল ছ্যু। চামলক প্রতাপপুৰলৈ পঠিয়াই দি বাৰঘৰ সদ্ৰাহ্মণ আৰু মঠ সাজিব জনা কিছু মানুহ লগত লৈ আৰিমত্ত গোভালৈ উভতি আহিছিল। আহি সি গংগাৱতীক দেখা কৰিছিল। মাত্ৰ এবাৰ। অনেক বছৰ মূৰত হোৱা সেই দেখাদেখি কেনে হ'ব পাৰে তই নিশ্চয় বুজিছ। আৰিমত্তই নিজৰ সিদ্ধান্তৰ কথা কওঁতে গংগাৱতীৰ মনত কিমান কষ্ট হ'ব পাৰে সেই কথাও বুজিছ। তাই মোক পিচত সকলো কথা কৈছিল। তাইক মই প্ৰথমবাৰলৈ কন্দা দেখিছিলো জকাংক। তাৰ পিচতো গংগাৱতীয়ে মাজে মাজে টৌমৰা পাহাৰলৈ গৈ আৰিমত্তক দূৰৈৰ পৰা চাই আহিছিলগৈ। দেখা দিয়া নাছিল। আৰিমত্তৰ ইচ্ছাত বাধা আৰোপ কৰি তাই নিজলৈ সুখ আহৰণ কৰিব খোজা নাছিল জকাংক। তেতিয়াও আৰিমত্তৰ এটা কাম অসমাপ্ত হৈ আছিল। মঠ সজাৰ কাম। কিন্তু সেই কামো সম্পূৰ্ণ নহ'ল। কিবা বিজুতিৰ কাৰণে মঠটোও আধা সজা হৈ থাকিল। মঠটো সম্পূৰ্ণ কৰিব নোৱাৰি সি খুব দুখ পাইছিল। টৌমৰা পাহাৰলৈ তাক দেখা কৰিবলৈ যাওঁতে সি কৈছিল—

'ঈশ্বৰৰ ক্ষমা মই নাপালো মা। আচাৰ্যই দিয়া প্ৰায়শ্চিত্তৰ এটাও বিধান মই সম্পূৰ্ণ কৰিব নোৱাৰিলো।'

'কি কৰিবি আৰিমত্ত। ঈশ্বৰৰ ইচ্ছাৰ ওপৰত সকলো এৰি দে।' মই কৈছিলো।

'তাকেই কৰিছো মা। তুমি আৰু নাহিবা। দেওৰাজাকো আহিব নালাগে বুলি ক'ৰ। মই ইয়াতেই অকলে থাকিবলৈ ভাল পাম।'

কিন্তু তই মোক ক' জকাংক— তাক জানো আমি টৌমৰা পাহাৰত অকলে বাস কৰিবলৈ এৰি দিব পাৰো? আমি টৌমৰা পাহাৰত দেহৰক্ষী কিছুমানক গাঁও পাতি বাস কৰিবলৈ পঠিয়াই দিলো। আৰিমত্তই একো গম পোৱা নাছিল। অতি কৌশলেৰে আমি তাৰ নিৰাপত্তা আৰু থকা-খোৱাৰ ব্যৱস্থা কৰিছিলো। গাঁৱৰ গৃহস্থৰ ৰূপ ধৰি আমাৰ সৈন্যসকলে তাৰ ওচৰে-পাঁজৰে থাকি সহায় কৰিছিল। নিৰাপত্তা দিছিল। সেই কাৰণেই গংগাৱতীয়ে তোক পশ্চিমৰ কোনো ৰাজ্য আক্ৰমণ নকৰিবলৈ কৈছিল। কিন্তু তই সেই নিষেধ নুশুনিলি। ঠিক আৰিমত্তৰ দৰেই তয়ো মাতৃৰ নিৰ্দেশ নামানি অজানিতে পিতৃহত্যা কৰিলি। দুৰ্ভাগ্য জকাংক। আৰু একো নহয়।' এটা হুমুনিয়াহ কাঢ়ি কথা শেষ কৰিলে কনচাৰীয়ে।

জকাংকই তলমূৰ কৰিলে।

ক'বলৈ একো নাছিল।

শেষ হৈ গৈছিল সকলো কথা।

মাত্ৰ এটা প্ৰশ্ন ৰৈ গৈছিল।

মাত্র এটা প্রশ্ন।

কি কৰিব এতিয়া জকাংকই? কি কৰা উচিত?

বহুত সময় পিচত জকাংকই মূৰ তুলি চালে। ধীৰ আৰু বিষাদভৰা কণ্ঠেৰে সুধিলে—

'মই এতিয়া কি কৰো আবি?'

'মই 'কি ক'ম জকাংক। মই এজনী শাস্ত্রজ্ঞানহীন সাধাৰণ নাৰী। কিন্তু জীৱনত অনেক দেখি শুনি যি বুজিছো— সেই বুজাখিনিৰে এটা কথা ক'ব পাৰো— সন্ন্যাস লোৱাটো অর্থহীন। জীৱনৰ দুখবোৰ দেখি পলাই যোৱাটো ভুল। জীৱনৰ ভালবোৰলৈ চাই টান মাটিত ভৰি থৈ জীয়াই থাকিব লাগে। তেনেকৈয়ে জীয়াই থাকিবৰ চেষ্টা কৰ জকাংক।'

কনচাৰীয়ে জকাংকৰ মূৰত হাত এখন থ'লে।

তেতিয়া সূর্য ওলাইছিল।

৩১

ৰাতিপুৱা।

অসংখ্য বস্তিৰে উজ্বলি উঠিছে বসুন্ধৰী পাহাৰত অৱস্থিত মা বসুন্ধৰীৰ থান। পাষ্ঠাইসকলে বজোৱা খ্ৰামৰ শব্দত মুখৰিত হৈ উঠিছে বৰপানী নৈৰ দক্ষিণপাৰ। প্ৰতিবছৰে ব'হাগ বিহুৰ আগতে বসুন্ধৰী আই থানত বিভিন্ন জনগোষ্ঠীৰ লোকে সামূহিকভাৱে পূজা দিয়েহি। তিৰাশাসকলে মা বসুন্ধৰীৰ পূজা নপতাকৈ ব'হাগৰ বিহু নাপাতে। অন্যথাই মাৰিমৰকত গাঁও-ভূঁই উচ্ছন্ন হয় বুলি বিশ্বাস কৰে। বসুন্ধৰী থানৰ দায়িত্ব চহৰি ৰাজ্যৰ ৰাজপৰিয়ালৰ ওপৰত ন্যস্ত কৰিছিল খলাৰ শাসকে। চহৰিক সেই উদ্দেশ্যৰে তলতীয়া ৰাজ্য হ'লেও স্বায়ত্বশাসনৰ অধিকাৰ দিছিল। এতিয়াও বসুন্ধৰী পূজাৰ পৰিচালনাৰ দায়িত্ব চহৰিয়েই লৈ আহিছে। কিন্তু চহৰি এতিয়া আৰু আগৰ চহৰি হৈ থকা নাই। কলং-কপিলীৰ মধ্যখণ্ডৰ এক গুৰুত্বপূৰ্ণ নগৰ হৈ উঠিছে। জকাংকৰ কাৰণে। জকাংক খলাৰ পৰা চহৰলৈ গুচি অহা কিছুদিন হৈ গ'ল। খলাৰ নিসংগ ৰাজনঃত থাকিবলৈ ইচ্ছা নকৰিলে জকাংকই। কনচাৰীয়ে তাক গোভাত নহ'লে আমচাই মাৰ্জণ্ডত থাকিবলৈ কৈছিল। কৈছিল—

'আমাৰনো আৰু কোন আছে জকাংক। তোৰ আজ' বুঢ়া হৈছে। আগৰদৰে কাম কৰিব নোৱাৰে। তই ইয়াতে থাক। গোভাৰজাক জিৰাবলৈ দে। এই বিশাল ৰাজ্যখন তয়েইতো পৰিচালনা কৰিব লাগিব।'

আবি কনচাৰীৰ কথা জকাংকই বুজিছিল। সি সকলো দায়িত্ব কান্ধপাতি লৈছিল। কিন্তু খলা, গোভা, কুমৈ, বঘৰা কৰো ৰাজনঃত থাকিব নুখুজিলে জকাংকই। সকলো কথা পাহৰি নতুনকৈ জীয়াই উঠিবলৈ তাক এডোখৰ নতুন ঠাইৰ প্ৰয়োজন হৈছিল— য'ত পুৰণি স্মৃতিৰ কোনো ভগ্নাৱশেষ নাই। বহুত ভাবি-চিন্তি সি চহৰিক নিৰ্বাচন কৰিছিল।

কমতাৰ পৰা কুশলী লোক আনি চহৰিত এটা দুৰ্গ সাজিছে জকাংকই। বৈদ্যগড়ৰ আৰ্হিত গঢ়ি তুলিছে নতুন ৰাজধানী।

চহৰিলৈ স্থানান্তৰিত হোৱাৰ পিচত এই প্ৰথম বসুন্ধৰী পূজাত আগভাগ লৈছে জকাংকই। অন্যবাৰৰ তুলনাত এইবাৰৰ পূজা অধিক আড়ম্বৰপূৰ্ণ আৰু ডাঙৰকৈ

আয়োজন কৰিছে জকাংকই। নিমন্ত্রণ কৰিছে আগে-পিচে বসুন্ধৰীলৈ নহা চুবুৰীয়া ৰজা সকলকো।

থানৰ একাষে ৰজাসকল বহিবলৈ বিশেষ ব্যৱস্থা কৰা হৈছে। ৰজাসকলৰ মাজত আছুতীয়া আসনত বহি আছে জোঙাল বলহু নামেৰে বিখ্যাত হৈ উঠা ৰজা জকাংক।

পূজা এতিয়াও আৰম্ভ হোৱা নাই। পানীভাৰী দলৈয়ে বৰপানী নৈত পানী তুলিবলৈ গৈছে। পানীভাৰী দলৈৰ আগে আগে পাঁচজন পাম্ভায়ে বজাই গৈছে পাঁচটা খ্ৰাম।

থানথলীৰ মুখত বহি থকা নানা গাঁৱৰ পৰা পূজা দিবলৈ অহা অগণন মানুহে মা বসুন্ধৰীলৈ চাই থকাৰ মাজে মাজে চাই আছে মহা বাহুবলী বীৰ জোঙাল বলহুলৈও। অবাক আৰু মুগ্ধ দৃষ্টিৰে। জোঙাল বলহুৰ গাত মুগাৰ থেনাচ। কঁকালৰ ওপৰছোৱা উদং হৈ আছে। পাটৰ এখন উত্তৰীয় দুই কান্ধেদি নামি আহি ঢাকি ধৰিছে সোণবৰণীয়া সুঠাম গাটো।

'আকাশৰ পৰা ফুৰিমহুৰ দেৱতা নামি অহা যেন লাগিছে অ'।' অঁলপ দূৰৈত একেলগে বহি থকা দলৈসকলৰ মাজৰ এজনে ক'লে।

'সাইলাখ ফুৰিমহুৰ। ঠিকেই কৈছ। এনেহেন ৰজা পোৱা খৰমৰ কথা।'

'ইমান ডাঙৰ বীৰ আমাৰ লালুংসকলে হ'লে আগে পোৱা নাছিল দেই।'

'দেওৰাজাৰ ফা আৰিমত্তও কিন্তু বৰ ডাঙৰ বীৰ আছিল।'

'সাধুকুমাৰ দেওৰাজা জানো ক'ম ডাঙৰ বীৰ আছিল? আবি আজ'ই কোৱা শুনিছো নহয়। কিন্তু জোঙাল বলহু দেওৰাজাৰ দৰে বীৰ হ'লে দেখা নাই।'

'তেওঁ যেতিয়া দৌৰে বৰদৈচিলায়ো বোলে ফেৰ মাৰিব নোৱাৰে। যুঁজ লাগিলে পাক্ৰাজাও বোলে হাৰি যাব।'

'ইমান ডাঙৰ কৰি পেলালে ৰাজ্যখন দেখিছ?'

'সঁচা। কন্দলিত তেওঁ যেনেকৈ খেতি কৰিছে সাতখন ৰাজ্যৰ লোকে খাব পাৰিব।'

'আৰু গড়টো? এনে গড় আগে কোনোবাই দেখিছিল নে শুনিছিল? এবাৰ খাল তাৰ পিচত মাটিৰ পাহাৰৰ দৰে ওখ ভেঁটি, আকৌ খাল— আকৌ ভেঁটি— সেই ৰাজধানীত এটা পৰুৱাও সোমাওকচোন চাওঁ।'

'সঁচাকৈ বৰ ডাঙৰ গড় বান্ধিছে দেই। আমাৰ গাঁৱৰ সকলোৱে গৈ বাহিৰৰ পৰাই চাই আহিলগৈ। সোমাবলৈ হ'লে নিদিলে।'

'কিয়? আমাক দেখোন দিছিল।'

'আজিকালি নিদিয়ে। কছাৰী ৰাজ্য দুখন নে তিনিখন আমাৰ দেওৰাজাই জয় কৰি তলতীয়া কৰা কাৰণে তেওঁলোকে কিবা ফন্দী কৰি থকা বুলি শুনিছে বোলে।'

'কছাৰীয়েনো আমাৰ লগত কি যুঁজ কৰিব? সিহঁতৰ জানো আমাৰ দৰে বীৰ ৰজা আছে?'

'ঠিকেই কৈছ। কিন্তু ডিমাবঙৰ বডচা ৰজাও বোলে বহুত বাহুবলী ৰজা।'

'হ'লেও তেওঁ আমাৰ আফাহঁতৰ দিনৰে ৰজা। বয়স হৈছে। আমাৰ দেওৰাজাৰ লগত ক'ত পাৰিব।'

'দেওৰাজাই বিয়া-বাৰু নাপাতে নেকি অ'?'

'নাপাতে বোলে। আফাকক যে ভুলতে মাৰিলে সেই কাৰণে বিয়া নকৰাও বুলি কৈছে বোলে।'

'তই বহুত কথা জান অ' দলৈ।'

'ৰজাৰ ভিতৰমাজি যে আমাৰ গাঁৱৰ। দুই-এটা কথা মাজে মাজে কয়। তেনেকৈ গম পাওঁ। মই মাজে মাজে তাৰ কাৰণে গড়ৰ ভিতৰো সোমাব পাওঁ।'

'আবি কনচাৰীক দেখিছ?'

'আবি কনচাৰীক নাই দেখা অ'। গোভাৰ পৰা নাহেই নহয়। সোণজিৰা আবিহে থাকে। বহুত বয়স হৈছে। এদিন মোক মাতি নি মোৰ আফাহঁত কোন ক'ত আছে সুধিছিল। একে গাঁৱৰ আছিল বোলে।'

'তেওঁৰ ল'ৰাটো ইমান ডাঙৰ ৰাজ্যৰ ৰজা হৈছে— কিয়বা নাযায়?'

'নিজৰ থল এৰি যাব নোখোজে। দেওৰাজায়ো বোলে এৰি নিদিয়ে। মাজে মাজে যায়। তাত আমাৰ বহুত মানুহ আছে জান'। এবাৰ ওলাবি— চাই আহিমগৈ। বৰনৈ পাৰ হৈ হাতীত উঠি যাম। অগ্নিগড়টোও চাই আহিম। মহা ভৈৰৱত পূজাও দি আহিম।'

দলৈসকলেই নহয়— সমবেত প্ৰজাসকলৰ মাজতো জোঙাল বলহুৰ ৰূপ-গুণ আৰু প্ৰজাহিতকৰ কাম-কাজৰ আলোচনা হৈছে। জোঙাল বলহুৰে একো শুনা নাই। অন্যমনস্কৰ দৰে চাই আছে পূজাৰ আয়োজনলৈ! অৱশ্যে নুশুনিলেও জোঙাল বলহুৰে জানে তেওঁৰ সম্পৰ্কে সমাজে কি কথা পাতিব পাৰে। তেওঁৰ চোৰাংচোৰাৰ সংগঠন ইমানেই শক্তিশালী যে ৰাজ্যৰ ভিতৰত, ৰাজ্যৰ বাহিৰত কোনে কি কথা পাতে সকলোখিনিয়ে তেওঁ গম পায়। নিজৰ ৰাজ্যখন ইমান সুসংগঠিত কৰি গঢ়ি তুলিছে জোঙাল বলহুৰে যে চুবুৰীয়া কছাৰী ৰজা গজৰাজ বডচাও শংকিত হৈ উঠিছে। চহৰিলৈ অহাৰ আগতে কেইবাখনো সৰু সৰু কছাৰী ৰাজ্য নিজৰ অধীনলৈ আনিবলৈ সক্ষম হৈছিল জোঙাল বলহুৰে। অৱশ্যে পিতৃহত্যাৰ পিচত আৰু ৰাজ্য বিস্তাৰ কৰা নাই। বিস্তাৰ নকৰে বুলি সিদ্ধান্ত লৈছে। যুদ্ধ-বিগ্ৰহ এৰি এখন সমৃদ্ধিশালী ৰাজ্য গঢ়ি তোলাতহে গুৰুত্ব দিছে। শান্তিৰে থাকিব খুজিছে। ডিমাবঙৰ বাহিৰে চুবুৰীয়া সকলো ৰাজ্যৰ লগত মিত্ৰতা স্থাপন হৈছে। ওচৰ চুবুৰীয়া মিত্ৰ ৰাজ্যসমূহ, গোভা, খলা আদি সকলোৰে সম্মিলিত শক্তিৰে অত্যন্ত শক্তিশালী হৈ পৰিছে জোঙাল বলহু। নিজৰ এই

শক্তিশালী উত্থানৰ কথা ভাবিলে জোঙাল বলহুৰ ভাল লাগে। একেটা সময়ত আবি কনচাৰী, আজ' সাধুকুমাৰ, আয়ং চামল, ভাতৃ ৰত্নসিংহ আৰু আছি সোণজিৰাৰ প্ৰতি কৃতজ্ঞতাত শিৰ দোঁ খাই যায়।

সুদূৰ প্ৰতাপপুৰৰ পৰা প্ৰশিক্ষিত মানুহ পঠিয়াই আয়ং চামলে জোঙাল বলহুক ৰাজ্য পৰিচালনাৰ নতুন নতুন কৌশল শিকাইছে। কমতাৰ পৰা ৰত্নসিংহয়ো অনেক বৃত্তিৰ কুশলীলোক পঠিয়াইছে। বেহা বেপাৰৰ উন্নতিত সহায় কৰিছে। এই সহায় নোপোৱা হ'লে জোঙাল বলহুৱে ইমান কটকটীয়া প্ৰশাসন ব্যৱস্থা এটা গঢ়ি তুলিব নোৱাৰিলেহেঁতেন। ৰাজ্যৰ সমৃদ্ধিও নহ'লহেঁতেন। আজ' সাধুকুমাৰৰ পৰাও জোঙাল বলহুৱে অনেক জ্ঞান লাভ কৰিছে। সাধুকুমাৰৰ পৰা লাভ কৰা ৰাজনৈতিক উপদেশ আৰু ভৌগোলিক জ্ঞানে জোঙাল বলহুক দিছে বিকাশ আৰু সুৰক্ষাৰ কুশলতা। আবি কনচাৰীয়ে দিছে মনোবল।

আৰু সোণজিৰা আছি?

এই মৰমীয়াল মানুহগৰাকীৰ ঋণ কিজানি জীৱন দিও সুজিব নোৱাৰে জোঙাল বলহুৱে। সেই সৰুকালৰ পৰা আছি সোণজিৰাৰ যত্নতেই ইমানখিনি হ'লহি জকাংক।

মাক গংগাৰতীয়েনো জকাংকক কিমান চাইছিল। বুজা হোৱাৰ পৰা যিজনী মাকক দেখি আহিছিল জকাংকই— সেই মাকজনী আছিল এজনী অতি অন্যমনস্ক, অতি বিষণ্ণ নাৰী।

কি ব্যতিক্ৰম আছিল জকাংকৰ শৈশৱ। আন শিশুৰ দৰে মনস্ব উৎসৱত ভাগ লোৱাৰ অধিকাৰ জকাংকই বোলে পোৱা নাছিল। নুবাৰ'ত সোমোৱাৰ অধিকাৰো নাছিল কুমাৰী মাতৃৰ সন্তান জকাংকৰ। অৱশ্যে জকাংকই নুবাৰ'ত সোমাবলৈ নিদিয়াৰ প্ৰকৃত কাৰণটো জনা নাছিল। উৎসৱ অনুষ্ঠানৰ সময়ত প্ৰধান সেনাপতি আৰু সোণজিৰাই জকাংকক কৌশলেৰে আঁতৰাই ৰাখিছিল।

আন ল'ৰাবোৰৰ দৰে চামাদিতো থকা নাছিল জকাংক। আবি, আজ', আফা খাংই, কাজাল, পাই, নানাঃও কোনো নথকা ৰজানঃত জন্মৰ পৰা যৌৱনলৈ অকলে অকলেই ডাঙৰ হৈছিল জকাংক। উদাসীনভাৱে জীৱন কটোৱা মাক গংগাৰতীয়ে ৰাজ্য পৰিচালনাৰ দায়িত্ব প্ৰধান সেনাপতিক আৰু জকাংকৰ চোৱাচিতাৰ ভাৰ সোণজিৰাক দি অকলে অকলে পুথি-পাজি পঢ়ি, ভাবি ভাবি দিন কটাইছিল। সোণজিৰা আছিয়ে তাৰ যত্ন লৈছিল। মাকে যিমান যত্ন ল'ব পাৰে সিমান যত্ন। সোণজিৰা আছিয়ে তাক বাহিৰলৈ ফুৰাবলৈ লৈ গৈছিল। সাধু কৈছিল। সমাজৰ শিকিবলগীয়া কথাবোৰ সোণজিৰা আছিৰ পৰাই শিকিছিল জকাংকই। সেই জীৱনটোৰেই স্বাভাৱিক যেন

লাগিছিল জকাংকৰ। নিজৰ জন্ম আৰু জীৱনযাত্ৰাত যে কিবা অস্বাভাৱিকতা আছে সেই কথা তাৰ কেতিয়াও মনলৈ অহা নাছিল।

জন্মৰে পৰা তেনেকৈয়ে ডাঙৰ হোৱা কাৰণেই হয়তো।

খলাৰ ৰাজনঃত শিশুৰ পৰা তাৰুণ্যলৈ অগণিত দিনৰাতিবোৰৰ কোনো এটা মুহূৰ্তত জকাংকই ভবা নাছিল কি অদ্ভুত এক ভবিতব্যই অপেক্ষা কৰি আছে জকাংকলৈ।

খুব সুখী আছিল সেই জকাংক।

পোন যেন লগা জীৱনৰ প্ৰশস্ত পথেৰে গৈ থাকোতে ৰাজ্যবিস্তাৰৰ সপোনৰ বাহিৰে আন কোনো সপোনৰ লগত ওমলা নাছিল জকাংকই।

ওমলাৰ সুযোগেইবা ক'ত আছিল।

জকাংকক ৰজাৰ যোগ্য কৰি তুলিবলৈ একাগ্ৰতাৰে মনোনিবেশ কৰা প্ৰধান সেনাপতিয়ে জকাংকলৈ অন্য সপোন দেখাৰ কোনো সুৰুঙাই ৰখা নাছিল।

যদি মাকে জকাংকৰ দায়িত্ব ল'লেহেঁতেন তেতিয়া হয়তো কথাবোৰ বেলেগ হ'লহেঁতেন। মাকে হয়তো কেতিয়াও তাক বিজয়াকাংক্ষী হৈ উঠিবলৈ নিদিলেহেঁতেন।

কিন্তু মাকে সকলো দায়িত্ব সোণজিৰা আছি আৰু প্ৰধান সেনাপতিৰ হাতত সঁপি দি নিজকে নিৰ্বাসিত কৰি ৰাখিলে সুগভীৰ ঔদাসীন্যৰ অৱাস্তৱ জগত এখনত।

সোণজিৰা আছি মৰমতে পমি যোৱা নাৰী।

জকাংকক সমাজৰ কথাবোৰ শিকালেও সোণজিৰাই প্ৰধান গুৰুত্ব দিছিল জকাংকৰ সুস্বাস্থ্যত। পৰম আন্তৰিকতাৰে সোণজিৰাই জকাংকৰ যত্ন লৈছিল। ল'ৰাকণ বুলি পমি গৈছিল অগাধ মৰমত।

ৰাজ অভিষেকৰ পিচত যেতিয়া মাকক সেৱা জনাবলৈ গৈছিল তেতিয়া সোণজিৰা আছিকো সেৱা কৰিছিল জকাংকই।

ভাবিবলৈ আহৰিওতো নাছিল।

ৰাতিপুৱাৰ পৰা ৰাতিলৈ প্ৰধান সেনাপতিয়ে জকাংকক সমৰ কলা আৰু ৰাজ্য পৰিচালনাৰ প্ৰশিক্ষণ দিছিল।

জকাংকই জানিছিল সি ৰাণীৰ ল'ৰা। এদিন খলাৰ ৰজা হ'বগৈ।

জকাংকই নজনাকৈয়ে তেতিয়া কিমান কিযে ঘটনা ঘটিছিল। আৰিমত্ত উভতি টোমৰা পাহাৰত বাস কৰিবলৈ আৰম্ভ কৰিছল।

জকাংকই একো জনা নাছিল।

একো।

ৰজা হোৱাৰ পিচত পৰম উৎসাহেৰে ৰাজ্য শাসন কৰিবলৈ আৰম্ভ কৰিছিল জকাংকই। তেনেকৈয়ে কিছুদিন যোৱাৰ পিচত ৰাজ্য বিস্তাৰৰ মন মেলিছিল জকাংকই।

ৰাজ্য বিস্তাৰৰ বাবে অনুমতি ল'বলৈ যাওঁতে প্ৰথমবাৰলৈ মাকক অন্যৰূপত দেখিছিল জকাংকই।

পুথিৰ পাতৰ পৰা মুৰ তুলি তীব্ৰ দৃষ্টিৰে জকাংকৰ মুখলৈ চাইছিল গংগাৱতীয়ে। তাৰ পিচত আচৰিত বিষাদসনা মাতেৰে কৈছিল—

'তয়ো?'

'তয়ো? তয়ো মানে কি? মইহে যাম। আৰু কোনোবাই অনুমতি ল'বলৈ আহিছিল নেকি?'

জকাংকই হাঁহিছিল। বুজা নাছিল মাকে কি ক'ব খুজিছে। বুজাৰ চেষ্টাও কৰা নাছিল। জকাংক তেতিয়া আন্দোলিত হৈ আছিল ৰাজ্য বিস্তাৰৰ শক্তিশালী আকাংক্ষাৰে।

গংগাৱতীয়ে হঁহা নাছিল। ধীৰভাৱে কৈছিল—

'ৰাজ্য বঢ়াবলৈ যুঁজ কৰিব খুজিছ? কিয়? খলাৰ মাটিয়ে অটা নাই?

'অটা-নটানো কি মা— খলাখন কিমান ডঙৰ ৰাজ্য তুমি নিজেও জানা। মই জানো এই অকণমানি গাঁও এখনতে সন্তুষ্ট থাকিব পাৰো?'

'সন্তুষ্ট থকা উচিত জকাংক। যুঁজ-বাগৰ কৰি কি লাভ?' গংগাৱতীয়ে কৈছিল। 'কিন্তু মই যদি তোক বাধা দিও তই জানো শুনিবি, জকাংক?'

'বাধা দিবাই বা কিয় মা?' জকাংকই উভতাই প্ৰশ্ন কৰিছিল। তাৰ কণ্ঠত ফুটি উঠিছিল বাধাত বিৰক্ত উচ্চাকাংক্ষী ৰজাৰ অসহিষ্ণুতা।

গংগাৱতীয়ে তাক বহুত বুজাইছিল। কিন্তু বুজনি শুনা ল'ৰা জকাংক নহয়। মাকৰ ঔদাসীন্যই, সোণজিৰাৰ অত্যধিক মৰমে আৰু প্ৰশিক্ষণ ব্যস্ত বন্দী জীৱনে জকাংকক আকোঁৰগোজ, খণ্ডাল আৰু একাচেকা যুৱকলৈ ৰূপান্তৰিত কৰিছিল। তাৰ ভিতৰত লুকাই থকা মৰমকোমল বুকুখন কিজানি সোণজিৰা আছিৰ বাহিৰে আন কোনেও দেখা নাছিল। আনকি মাকেও।

মাকৰ বুজনি জকাংকই নামানিলে।

সোণজিৰা আছিৰ বুজনিও।

অৱশেষত এটা চৰ্তত জকাংকক ৰাজ্য বিজয়ৰ অনুমতি দিবলৈ মান্তি হ'ল মাক।

মিত্ৰৰাজ্যসমূহ আক্ৰমণ কৰিব নোৱাৰিব জকাংকই আৰু পশ্চিমৰ কোনো ৰাজ্য আক্ৰমণ কৰিব নোৱাৰিব।

মিত্ৰৰাজ্যসমূহ আক্ৰমণ কৰাৰ কোনো অভিপ্ৰায় জকাংকৰ নাছিল। কিন্তু পশ্চিমৰ কোনো ৰাজ্য আক্ৰমণ কৰিব নোৱাৰিব বুলি কোৱাত আচৰিত হৈছিল জকাংক।

'মোক কিয় পশ্চিমলৈ যাবলৈ বাধা দিছা মা?'

'কাৰণটো জানিব নুখুজিবি জকাংক। কিন্তু কেতিয়াও, কোনো কাৰণত পশ্চিমৰ কোনো ৰাজ্য আক্রমণ নকৰিবি। মই দুখ পাম। বহুত দুখ পাম।' মাকে কৈছিল।

মাকৰ মুখখন তেতিয়া ইমান ম্লান হৈ গৈছিল যে জকাংকৰ দুনাই প্রশ্ন কৰিবৰ সত যোৱা নাছিল। মাকৰ কথা শুনি তেওঁ পূবলৈ যুদ্ধ যাত্রা কৰি প্রথমে কন্দলি অধিকাৰ কৰিছিল। তাৰ পিচত কেবাখনো সৰু সৰু কছাৰী ৰাজ্য জয় কৰি উভতি আহিছিল। উভতি আহি থাকোতেই বিজয়ৰ আনন্দত উচ্চল হৈ উঠা জকাংকৰ মাকৰ কথাটো মনত পৰিছিল।

'পশ্চিমলৈ যাবলৈ কিয় নিষেধ কৰিছিল মাকে? পশ্চিমত কোন আছে? কাৰ লগত যুঁজ কৰিবলৈ বাধা দিছে মাকে? ৰজা আৰিমত্ত? টোমৰা পর্বতত ৰজা আৰিমত্ত আছে। বহুত ডাঙৰ বীৰ বুলি জকাংকই ৰাজ্য বিজয়লৈ আহোঁতে কোৱা-মেলা কৰা শুনিছে। আৰিমত্তক ভয় কৰিছে নেকি মাকে? আৰিমত্তৰ হাতত একমাত্র পুত্রৰ মৃত্যু হ'ব বুলি ভয় কৰিয়েই মাকে পশ্চিমলৈ যাবলৈ নিষেধ কৰিছিল নেকি? হয়— হ'ব লাগে— এই কথাটোৱেই সঁচা হ'ব লাগে।'

মাকৰ ভয়ৰ কথা ভাবি জকাংকই মনে মনে হাঁহিছিল আৰু উভতনি যাত্রাৰ মাজতে সিদ্ধান্ত সলনি কৰি পশ্চিমৰ টোমৰা পর্বতত বাস কৰা আৰিমত্তক আক্রমণ কৰিছিল।

আৰিমত্তক পৰাজিত কৰি, হত্যা কৰি কাহিত মুৰটো কাটি লৈ পৰম তুলি উৎসাহেৰে মাকক দেখুৱাবলৈ আনিছিল জকাংকই।

পুত্রৰ হাতত লৈ অহা স্বামীৰ শিৰখণ্ড দেখি বাউলি হৈ গৈছিল গংগাৱতী। জকাংকক আদৰিবলৈ গোট খোৱা বিষয়া আৰু প্রজাৰ সমুখত ধিক্কাৰ আৰু অভিশাপেৰে জর্জৰিত কৰি তুলিছিল জকাংকক।

'এয়া তোৰ ফা হয় জকাংক। নিজৰ ফাৰ মুৰ কাটি আনিলি তই? মোৰ কথা নুশুনিলি? থাদক্। কাফুত লাৱা। তোক মই কেতিয়াও ক্ষমা নকৰো। যি দুখন হাতেৰে তই নিজৰ পিতৃক মাৰিলি সেই দুখন হাতেৰে মৰণকালত তই পানী খাবলৈ নাপাবি। গোমুখে পানী খাই তোৰ মৃত্যু হ'ব। যি অস্ত্রৰ শক্তিত তই শপত পাহৰি গ'লি সময়ত সেই অস্ত্রই তোক এৰি যাব। তই—'

'সোণৰ ফুল দিবৰ সময় হৈছে দেওৰাজা।' দেউৰীৰ মাত শুনি দুঃস্বপ্নৰ পৰা সাৰ পাই উঠিল জোঙাল বলহু। বিভ্রান্ত দৃষ্টিৰে চাই থাকিল দেউৰীৰ মুখলৈ।

'পূজা আৰম্ভ হ'বৰ হ'ল।'

'অহ্— এয়া— দিছো।'

বটাত থৈ দিয়া তামোল-পাণ আৰু সোণৰ ফুলপাহ আগবঢ়াই দি জোঙাল

বলহুৰে মা বসুন্ধৰীৰ মূৰ্তিলৈ চাই সেৱা জনালে।

বসুন্ধৰী দেৱীৰ চতুৰ্ভুজ মূৰ্তিজনাৰ গাত সোণৰ ফুলপাহ আৰু আন ৰঙা আৰু কোনোবা প্ৰজাই দিয়া সোণ-ৰূপৰ সৰু সৰু ফুলবোৰ লগাই দিছে দেউৰীয়ে। দেৱী, গণেশ আৰু কাৰ্তিকক নোওৱা পানী আৰু গাখীৰেৰে তলচোৱা বগা হৈ পৰিছে। ফুল-তুলসীৰে উপচি পৰিছে মূৰ্তিকেইজনাৰ পাদদেশ। মুষিকৰ ওপৰত উপবিষ্ট গণেশৰ মূৰ্তিজনাৰ সোঁহাতত গুটিমালা এধাৰ। বাওঁ হাতেৰে তুলি লোৱা আছে শুড়ডাল। বনমালা পৰিহিত কাৰ্তিকৰ মূৰ্তিজনা, গণেশ আৰু বসুন্ধৰী দেৱীৰ সমুখত জ্বলাই দিয়া অগনন চাকিৰ পোহৰত উদ্ভাসিত হৈ উঠিছে থানথলী। ল'ৰ' দলৈয়ে ৰৰপানীত ধুই আনা প্ৰসাদৰ নৈবেদ্য আগবঢ়াই দিছে দেউৰীয়ে। দেউৰীৰ লানি নিছিগা মন্ত্ৰোচ্চাৰণৰ শব্দই জয়াল কৰি তুলিছে শব্দহীন বসুন্দৰী থান।

অশান্ত হৈ পৰা জোঙাল বলহু ধীৰে ধীৰে শান্ত হৈ গ'ল। পিতৃ হত্যাকাৰী জকাংকৰ মনোবিকাৰ উপশম হৈ সহজ হৈ আহিছে লাহে লাহে। মাজে মাজে অশান্ত হৈ উঠিলেও আজিকালি জোঙাল বলহুৰে নিজৰ মনৰ সংহতি আগৰ দৰে হেৰুৱাই নেপেলায়। আৰি কনচাৰীৰ পৰামৰ্শ আৰু সংগই এইকেইটা বছৰত জকাংকক ধীৰস্থিৰ স্বাভাৰিক জোঙাল বলহুলৈ ৰূপান্তৰিত কৰিছে। আৰি কনচাৰীৰ দৰে আৰি এজনী নথকা হ'লে কিযে কৰিলহেঁতেন জকাংকই।

পিতৃক হত্যা কৰা বুলি জনাৰ পিচত জকাংক বলিয়া হৈ গৈছিল। আত্মহত্যাৰ চিন্তাই লাহে লাহে তেওঁৰ মনত খুটি পুতিবলৈ আৰম্ভ কৰিছিল।

সোণজিৰা আছি, আৰি কনচাৰী নথকা হ'লে কেতিয়াবাই শেষ হৈ গ'লহেঁতেন জকাংক।

নহ'ল। 'আৰি কনচাৰীৰ অসীম ধৈর্যই, আছি সোণজিৰাৰ অগাধ মৰমে আৰু আজ' সাধু কুমাৰৰ বন্ধুত্বই— জকাংকক জনপ্ৰিয়, শক্তিশালী বীৰ জোঙাল বলহুলৈ ৰূপান্তৰিত কৰিলে।

আৰি কনচাৰীয়ে কৈছিল—

'ছ্যু— ভাবি নাথাকিবি— কাম কৰি যা। যিমানেই সমাজৰ হকে ভাল কাম কৰিবি সিমানেই শান্তি পাবি। সমাজৰ পূজা কৰা ৰজাকহে ফা মাহাদেউ, মা কালিখাই ভাল পায়। যুঁজ-বাগৰ নকৰিবি। যিমানখিনি ৰাজ্য বহলালি সিমানখিনিয়েই বহুত। এতিয়া ৰাজ্যখন নিৰাপদে ৰাখি উন্নতি কৰাৰ কথা ভাব। আচাৰ্যদেৱে কোৱা কথাখিনি মন বেয়া লাগিলে ভাবিবি। তোৰ আৰি আজ' আফা আৰু মাৰ দুখবোৰৰ কথা ভাবিবি। ফা মহাদেউৰ হাতত কৰ্মৰ বিচাৰৰ ভাৰ এৰি দে জকাংক। ৰাইজৰ কামত লাগ। সকলো ঠিক হৈ যাব।'

ঠিক হৈ গৈছে।

লাহে লাহে সকলো ঠিক হৈ গৈছে। এখন সুৰক্ষিত, সমৃদ্ধিশালী ৰাজ্যৰ জনপ্ৰিয় ৰজা হৈ সুখে-শান্তিৰেই আছে জকাংক।

'পূজাৰ ফুলতুলসী লওক দেওৰাজা। সেৱা ল'বৰ হ'ল।'

দেউৰীয়ে দিয়া ফুলতুলসী হাতত লৈ জোঙাল বলহুৱে মা বসুন্ধৰীক সেৱা কৰিলে। এই পূজা শেষ হোৱাৰ পিচত বালিচ'ৰা, পলাশগুৰি, চাউবড়ি গাঁৱৰ মিকিৰ বাৰভনী, বাৰবাংঠাই সকলে থানৰ পাদস্থানত বলি বিধানেৰে শক্তিপূজা কৰিব।

প্ৰসাদলৈ অপেক্ষা নকৰি সকলোৰে পৰা বিদায় লৈ ওলাই আহিল।

ল'ৰ' দলৈয়ে প্ৰসাদ লৈ ৰজানঃত দি আহিবগৈ। প্ৰসাদ খোৱাৰ আগতে দেও লাংখুইক সেৱা কৰিব জোঙাল বলহুৱে।

ফাগুন-চ'তমহীয়া শুকান হাবিতলীয়া বাটেৰে ঘোঁৰা চেকুৰাই ৰাজনঃলৈ উভতি আহিছে জোঙাল বলহু।

পছোৱা বতাহে কোবাই গৈছে জোঙালৰ মুখ। শুকান পাত গচকি গচকি আগবাঢ়ি যোৱা ঘোঁৰাৰ খুৰাবোৰে এক অদ্ভুত শব্দতৰংগ বোৱাই দিছে চৌদিশে। দুয়োফালে থকা গাঁওবোৰৰ মানুহে ৰ' লাগি চাইছে ধূলি উৰুৱাই গুচি যোৱা অশ্বাৰোহীৰ দলটোলৈ।

গড়ৰ সিংহ দুৱাৰত ঘোঁৰা ৰখাই চাৰিওফালে চালে জোঙালে। ধূলি ধূসৰিত সমস্ত সন্তুষ্টিৰ এটা চিননিচিন হাঁহি ফুটি উঠিল। এই ৰাজগৃহ কিয়, এই ৰাজধানীৰ সুৰক্ষা ব্যৱস্থাও অতি কৌশলেৰে গঢ়ি তুলিছে জোঙাল বলহুৱে। পূবে দাবালাং আৰু দীঘলী বিল, পশ্চিমে খলং নৈ, উত্তৰে ন-বিল, ম'লান তলি আৰু ধলি বিল। চাৰিওফালে দ' বিল আৰু নৈৰে আগুৰা ৰাজধানীৰ সুৰক্ষা ব্যৱস্থা ভেদি কোনো শত্ৰুৱে ৰাজধানী সহজে আক্ৰমণ কৰিব নোৱাৰে।

সিংহদুৱাৰ আৰু প্ৰধান পথৰ বাওঁকাষে প্ৰকাণ্ড ওখ এটা ৰংচোৱা ভেঁটি সাজিছে জোঙাল বলহুৱে। ইয়াৰ পৰা সমুখৰ পথাৰত হোৱা খেল-ধেমালিও চায়। ৰক্ষীসকলে নিৰীক্ষণ কৰিবও পাৰে।

সন্তুষ্ট মনেৰে গড়ৰ ভিতৰতলৈ সোমাই গ'ল জোঙাল বলহু।

ৰাজানঃত বাহিৰতে বহি আছিল সোণজিৰা। জোঙাল বলহুক দেখি সোণজিৰাই ক'লে—

'ভাত নোখোৱাকৈ এতিয়ালৈকে আছ? পাৰিছনে? নে মানুহ-দুনুহকে খালি ভোকতে?'

'নাই খোৱা ৰ' আছি। ভোকতে তোকেই খাওঁ খাওঁ লাগিছে। ভাত বাঢ়গৈ। মই আহি আছো।'

ৰাজানঃত সোমাই পোনে পোনে নিজৰ শোৱনী কোঠাৰ ফালে গ'ল জোঙাল বলহু।

শোৱণীকোঠা পোৱাৰ কিছু আগত পুথিভঁৰাল আছে। পুথিভঁৰালৰ ওচৰৰ কোঠাটো জোঙালৰ ব্যক্তিগত অস্ত্রশালা।

অস্ত্রশালাত সোমাই দুৱাৰখন জপাই দিলে জোঙালে। তাৰ পিচত হাতৰ নির্মালিখিনি থৈ একোচা গধুৰ শেল থকা ডুলি এটা ঠেলি আঁতৰাই আঁৰ হৈ থকা দুৱাৰ এখন খুলিলে।

এটা সৰু কোঠা। সোমাজত থকা এটা কাঠৰ পেৰাৰ সমুখত চাকি এগছ জ্বলি আছিল। চাকিত তেল দি শলিতাডাল বঢ়াই দি সেৱা কৰি জোঙালে কাঠৰ দীঘলীয়া পেৰাটো খুলিলে। পেৰাটোৰ ভিতৰত খাপত সোমাই থকা তৰোৱালৰ মুঠিটো চুই সেৱা কৰি নির্মালিখিনি কাষত থৈ পেৰাটো জপাই আকৌ সেৱা কৰি ওলাই আহিল।

সোণাজিৰাই তেতিয়া জোঙাললৈ ভাত-পানী যতনাই আছিল।

৩২

'চহৰিৰ পৰা অহা চোৰাংচোৰা এজনে আপোনাক দেখা কৰিব খুজিছে ফা বডচা।

অভিবাদন জনাই দ্বাৰৰক্ষী এজনে ক'লে।

চহৰিৰ কথা শুনি সচকিত হৈ উঠিল ডিমাবঙৰ ৰজা গজৰাজ বডচা।

ৰাজগৃহৰ মন্ত্রণাকক্ষত বহি আছিল কছাৰী ৰজা। তেওঁৰ ওচৰত বহি আছিল প্রধান সেনাপতি আৰু অতিথি ধনেশ্বৰ। ভাটিফালৰ পৰা অহা এই ব্যক্তিজনক ডিমাবঙৰ ৰজাই মহঙলৈ যাওঁতে লগ পাইছিল। ডিমাবঙৰ ৰজা বুলি জানি ধনেশ্বৰে এখন আহল-বহল ফলা কাঠৰ নাও, ধৰমতুলীয়া মাটিৰ চৰু, এভাৰ হাৰিয়া মুখীয়া কলহ টেকেলি আৰু এডোন কোমল ধানৰ সঁচ আৰু এড়ীচাদৰ দুখন দি ৰজাক সেৱা কৰিছিলহি।

অত্যন্ত সন্তুষ্ট হৈ কছাৰী ৰজাই ধনেশ্বৰৰ পৰিচয় সুধিছিল। অতি বিনয়ৰে ধনেশ্বৰে কৈছিল—

'ভাটিফালৰ মই এজন মাটিগিৰি। দেশ ফুৰিবলৈ ভালপাওঁ। সেয়ে মহঙলৈ মাজে মাজে কিবা কিবি লৈ বেপাৰ কৰিবলৈ আহো। দুই-একড়ি লাভো হয়। দেশ ফুৰাও হয়।'

'বৰ ভাল কথা। আপোনাৰ বস্তুবোৰ পাই আনন্দ পাইছো। বিশেষকৈ নাওখন। ইমান ডাঙৰ ফলাকাঠৰ নাও আমাৰ বাঢ়েয়ে সাজিব নাজানে। আমাৰ নাওবোৰ গোটা কাঠৰহে।'

'শিকি ল'লেই পাৰিব। টান কাম নহয়। দুই-এটা সঁজুলিহে লাগে সাজোতে। ময়েই শিকাই দিব পাৰিম।' ধনেশ্বৰে কৈছিল।

'তেনেহ'লেতো বৰ ভাল হয়। ইফালে-সিফালে যাবলৈ নাও আৰু হাতীয়েই আছে। আমাৰ চুবুৰীয়া দুই-এজন ৰজাৰ হাতত দুই-চাৰিটা ঘোঁৰা আছে। আমাৰ নাই। সুচল নাপায় আমাৰ ডেকাবোৰে। হাতী আৰু নাৰতেই সুচল পায়। আপুনি যদি দুদিনমান আমাৰ ৰাজ্যত আলহী হৈ নাও গঢ়িবলৈ শিকাই দিয়ে বৰ সুখী হম।'

'আপোনাৰ আদেশ অমান্য কৰাৰ শক্তি মোৰ দৰে এটা সামান্য মাটিগিৰিৰ নাই।

মই নিশ্চয় আহিম। মই যি জানো সকলো শিকাই দিমহি। বিয়াবাৰু নকৰোৱা মানুহ— য'তেই থাকো তাতেই ঘৰ।'

ৰজা বডচাই অতি আনন্দিত হৈ ধনেশ্বৰক নিজ ৰাজ্যলৈ লৈ আনিছিল। ধনেশ্বৰ প্ৰথমে দুদিনমান থাকি নাও সজাৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ জোগাৰ কৰিবলৈ শিকাই দি গুচি গৈছিল। কিছুদিন পিচত নাও সাজিবলৈ প্ৰয়োজন হোৱা সঁজুলিবোৰ আৰু নাও সাজিব জনা মানুহ দুজনমান লৈ উভতি আহিছিল। কিছুদিন থাকি আকৌ ভাটিলৈ গুচি গৈছিল ধনেশ্বৰ। তাৰ পিচত চৰু সাজিব জনা মানুহ এজন লৈ কিছুদিন পিচত উভতি আহিছিল। দুয়োবাৰ আহোঁতেই তেওঁ কছাৰী ৰজালৈ লৈ আহিছিল আচৰিত আচৰিত উপঢৌকন। কছাৰীৰজা ইমান সন্তুষ্ট হৈছিল যে ধনেশ্বৰক আলহী ঘৰৰ পৰা আনি ৰাজগৃহত ঠাই দিছিল।

ধনেশ্বৰ আৰু উভতি নগ'ল। কছাৰী ছোৱালী এজনী বিয়া কৰাই ডিমাবঙতেই থাকি গ'ল। ধনেশ্বৰ এতিয়া ৰজাৰ অতি বিশ্বাসী আৰু অতি আপোন মানুহ। সকলো সমস্যাই ধনেশ্বৰৰ লগত আলোচনা কৰে বডচাই।

নকৰিবই বা কিয়।

ধনেশ্বৰৰ সমান বুদ্ধিনো কাৰ আছে?

ধনেশ্বৰে যিমান কথা জানে, যিমান দেশ দেখিছে— ডিমাবঙৰ কোনেনো সিমান দেখিছে? সেয়েহে আজিকালি প্ৰাত্যহিক মন্ত্ৰণা সভাত ধনেশ্বৰ উপস্থিত থাকেই। ধনেশ্বৰৰ পৰামৰ্শ অবিহনে তেওঁ এটা খোজো নিদিয়ে যেন লাগে প্ৰধান সেনাপতিৰ।

ৰজাৰ এই নিৰ্ভৰতা দেখি বিৰক্ত হয় প্ৰধান সেনাপতি।

ধনেশ্বৰ অহাৰ পৰা ৰাজ্যখনৰ বহুত লাভ হৈছে এই কথা সঁচা। নতুন নতুন অস্ত্ৰ গঢ়িবলৈ সক্ষম হৈছে প্ৰধান সেনাপতি। নতুন নতুন ধান-মাহ, শাক-পাচলি, ফল-মূলৰ সঁচ আনি ধনেশ্বৰে ৰাজ্যৰ উন্নতিতো অৰিহণা যোগাইছে। বুদ্ধি-পৰামৰ্শবোৰো পেলাই দিবলগীয়া নহয়। তথাপিও কিয় জানো ভাল নালাগে প্ৰধান সেনাপতিৰ।

হেজাৰ হওক অচিন কাঠৰ থোৰা।

ভাটিৰ ক'ৰ পৰা বা আহিছে, কেনে বা মানুহ কোনে জানে? তেওঁৰ চক্‌চকাই থকা চকুযোৰ দেখিলে মাজে মাজে মনলৈ বেয়া ভাব আহে প্ৰধান সেনাপতিৰ। ধনেশ্বৰৰ ইমান বেছি আত্মীয়তাৰ আঁৰত অন্য উদ্দেশ্য থকা যেন লাগে।

কিন্তু মনৰ ভাব কাকো ক'ব নোৱাৰি। ক'লে নিজৰেই ক্ষতি হোৱাৰ সম্ভাৱনা।

ৰজা বডচাই কেতিয়াও বিশ্বাস নকৰে।

প্ৰমাণ কি?

প্ৰমাণতো একো নাই। ৰৰঞ্চ ইয়াৰে ছোৱালী বিয়া কৰাই ৰজাৰ আৰু বিশ্বাসযোগ্য

হৈ পৰিছে ধনেশ্বৰ।

মানুহজনে কথা ক'ব জানে।

ৰজাকতো সন্মান দিয়েই, প্রধান সেনাপতি আৰু আন বিষয়া সকলকো এনেকৈ সন্মান কৰে যে ভাল নলগাকৈ থাকিব নোৱাৰি।

কিন্তু লাহে লাহে যেন কথাবোৰ বেলেগ হৈ আহিছে। কোনোধৰণৰ বিষয়বাব নোপোৱাকৈও ধনেশ্বৰ শক্তিশালী হৈ পৰিছে। ধনেশ্বৰৰ চালচলন আচাৰ-ব্যৱহাৰত আজিকালি উচ্চপদস্থ ৰাজবিষয়াৰ গাম্ভীর্য আৰু ব্যক্তিত্ব ফুটি উঠে। তাতে ৰাজগৃহৰ ভিতৰৰ মানুহ ধনেশ্বৰ। তেওঁক কোনে প্রত্যাহ্বান জনাব?

মনৰ চিন্তা, মনৰ ক্ষোভ মনতে মাৰ নিয়াই ৰাজ্যৰ সকলো গুৰুত্বপূর্ণ আৰু গোপনীয় কথাবোৰ ধনেশ্বৰৰ সম্মুখতে আলোচনা কৰিবলগীয়া হয় প্রধান সেনাপতিয়ে। কথাৰ মাজে মাজে ৰজাই সুধি থাকে—

'তুমি কি কোৱা ধনেশ্বৰ?'

আজিও চহৰিৰ পৰা উভতি অহা চোৰাংচোৱাই দেখা কৰিব খুজিছে বুলি দুৱৰীয়ে কোৱাৰ লগে লগে ৰজা বডচাই কৈ উঠিল—

'এই ৰাতিখন চহৰিৰ পৰা আহিয়েই দেখা কৰিব খুজিছে যেতিয়া নিশ্চয় কিবা জৰুৰী বার্তা আছে। তুমি কি কোৱা ধনেশ্বৰ?'

'নিশ্চয় থাকিব লাগিব। এই ৰাতিখন আপোনাক এনেয়ে আমনি দিয়াৰ সাহস নিশ্চয় নাই।'

'মাতা— তাক মাতা।' বডচাই ক'লে।

চহৰিৰ পৰা উভতি অহা চোৰাংচোৱাজন সোমাই আহি অভিবাদন জনালেহি।

কছাৰী বুলি চিনিব নোৱাৰি। থেনাচ, টাগ্‌লা পিন্ধা এজন যেন সাইলাখ লালুং যুৱক।

'কি বাতৰি আনিছ ক'।' ৰজাই সুধিলে।

'এটা আচৰিত বাতৰি আছে ফা বডোচা।' যুৱকজনে ক'লে।

'আচৰিত বাতৰি? ক'চোন শুনো। ক'—ধনেশ্বৰৰ আগত ক'লে একো নহয় দে। নিজৰ মানুহ।'

'হ'ব ফা বডচা। এটা আচৰিত বাতৰি। চহৰিৰ ৰজা জোঙাল বলহুৱে বোলে এখন দেও তৰোৱাল কলঙৰ পানীৰ পৰা লাভ কৰিছে। আই বসুন্ধৰীয়ে সপোন দেখুৱাইছিল বোলে।'

'তই নিশ্চয় তেতিয়া জু খাই পৰি আছিলি নহয়?' কছাৰী ৰজাৰ খং উঠি গ'ল।

কি অদ্ভুত কথা কৈছে চোৰাংচোৱাটোৱে। কলঙৰ পানীৰ পৰা দেও তৰোৱাল

পাইছে। গছত গৰু উঠা কথা।

'শিৱায়ৰ শপত। জু খোৱা নাছিলো ফা বডচা।

'তেনেহ'লে এই আচৰিত কথাটো শুনিলি ক'ত?'

'লালুংবোৰৰ ছগ্রা মিছাৱা উৎসৱ হৈ আছে নহয়। তাৰে খুমখাটি নৃত্য চলি থকোতে কেইজনমান দলৈয়ে কথা পাতি থকা শুনিছো। সেই তৰোৱালখন থাকে মানে কোনেও তেওঁক যুঁজত ঘটুৱাব নোৱাৰে বোলে।'

'সেই তৰোৱালখন ক'ত আছে?' চোৰাংচোৱাজনে অনা খবৰটোৰ খুটি-নাটি মাৰি সোধাৰ পিচত ৰজা বডচাই চিন্তিতভাৱে সুধিলে।

'তৰোৱালখন ক'ত আছে সেই কথা হ'লে নাজানিলো। কিন্তু ৰাজহাউলীৰ ক'ৰবাত সেইখন লুকুৱাই থৈছে বুলি গম পাইছো। ৰজাই তৰোৱালখন সদায় পূজা কৰে। আই বসুন্ধৰীয়ে কৈছে বোলে তৰোৱালখন ক'ত থৈছে সেই কথা যাতে কোনেও গম নাপায়। পালে বোলে বিপদ হ'ব। সদায় পূজা নিদিলেও বিপদ হ'ব। ৰজা সেই কাৰণে আজিকালি বাহিৰত ৰাতি নাথাকে। অৱশ্যে থাকিলেও তৰোৱালখন লৈও যাব পাৰে।'

'তই যা। জিৰাগৈ। খুমখাটি তয়ো নাছিলি যেন পাইছো।' ফা বডচাই হাঁহিলে।

সেৱা জনাই চোৰাংচোৱাজন গ'লগৈ। মুহূর্ততে কছাৰী ৰজা গম্ভীৰ হৈ গ'ল।

'চোৰাংচোৱাই অনা বাতৰিটো সঁচা যেন লাগিছেনে প্রধান সেনাপতি?'

'সঁচা-মিছা ধৰিব পৰা নাই। নিজৰ শক্তিৰ কথা প্রচাৰ কৰিবলৈ জোঙাল বলহুৱে মিছাকৈ কথাটো উলিয়াই দিবও পাৰে। খুব কৌশলী ৰজা।'

'তুমি কি কোৱা ধনেশ্বৰ?'

'প্রধান সেনাপতিৰ কথাটো দলিয়াই পেলাবলগীয়া নহয়। কিন্তু যদি কথাটো সঁচা হয় তেনেহ'লে আমাৰ ৰাজ্যলৈ বিপদৰ কথা।'

'ঠিকেই কৈছা। যদি তৰোৱাল এখন মা কালিকা বা মা বসুন্ধৰীয়ে সঁচাকৈয়ে দিছে, তেনেহ'লে জোঙালক ৰখাব পৰা টান হ'ব।' ৰজাই ক'লে।

'তৰোৱাল নোহোৱাকৈয়ে যিখিনি কৰিছে তাতেই ৰখাব পৰা টান হৈছে। আমাৰ তলতীয়া আধা ৰাজ্য নিজৰ ৰাজ্যৰ তলতীয়া কৰিলেই। দেও তৰোৱালৰ কথা যদি সঁচা হয় কেইদিনমান পিচত আমিয়েই হয়তো তেওঁৰ তলতীয়া হৈ থাকিব লাগিব।' ধনেশ্বৰে ক'লে।

'কিন্তু শুনিছো জোঙাল বলহুৱে বোলে আৰু ৰাজ্য নবঢ়াও বুলি কৈছে। আৰিমত্ত ৰজাক হত্যা কৰাৰ পিচত দেউতাক বুলি জানি দুখ পাই আৰু যুঁজ নকৰে বুলি সিদ্ধান্ত লৈছে। ইমান বছৰে কৰাও নাই। নিজৰ ৰাজ্যৰ উন্নতিৰ কাৰণেহে কাম কৰি আছে।' সেনাপতিয়ে ক'লে।

'হ'ব পাৰে। কিন্তু মন ঘুৰোতেনো কিমান সময় লাগিব। যদি তৰোৱালখন পাইছে মোৰ মতে জোঙালে আকৌ ৰাজ্য জয় কৰিবলৈ মন মেলিবই।' ধনেশ্বৰে ক'লে।

'ধনেশ্বৰে ঠিকেই কৈছে সেনাপতি। আমি সাৱধান হোৱা ভাল। বাংলা ৰাজা আৰু আৰিখীডীমাৰ বংশ আমাৰ উপাস্য সকল লালুঙৰ ভৰিৰ তলতীয়া হৈ থাকিব নোৱাৰে।' কছাৰীৰজা বডচা উত্তেজিত হৈ উঠিল।

'উত্তেজিত নহ'ব ফা বডচা। হুৰ-মুৰকৈ একো সিদ্ধান্ত লোৱা উচিত নহয়। আগতে ভালদৰে খবৰ কৰি চাওঁ— কথাটো কিমানদূৰ সঁচা। যদি সঁচা হয় আমি নিজৰ নিৰাপত্তা ব্যৱস্থা আৰু শক্তিশালী কৰি তুলিলেই হ'ল। যদি জোঙাল বলহুৱে আক্ৰমণ কৰাৰ যো-জা কৰা দেখো তেতিয়া কি কৰা যাব ভাবিম।' সেনাপতিয়ে ক'লে।

'সেনাপতিদেৱৰ কথাটো মানি ল'ব পাৰি যদিও অলপ আৰু ভাবি চোৱা ভাল ৰজাদেৱতা। জোঙলে আক্ৰমণ কৰিব বুলি ৰৈ থকাটো জানো ভাল হ'ব? জোঙালৰ শক্তি এতিয়া আমাতকৈ বহুত বেছি। খলা, গোভা, প্ৰতাপপুৰ, কমতা এই সকলোবোৰ চহৰিৰ লগত আছে। আমি আমাৰ শক্তি যিমানেই নবঢ়াও লাগিলে জোঙালে আক্ৰমণ কৰিলে জানো তিষ্ঠি থাকিব পাৰিম?'

'নোৱাৰিম বুলি ক'ব নোৱাৰি আলহীদেউ।' অত্যন্ত বিৰক্ত হৈ সেনাপতিয়ে ক'লে।

'পাৰিম বুলিও ক'ব নোৱাৰে সেনাপতিদেৱ। আমাৰ ৰজাদেৱতা কালিলৈকে সকলোতকৈ শক্তিশালী ৰজা আছিল। জোঙাল বলহু ৰজা হোৱাৰ পিচত আমাৰ ৰজাদেৱ দ্বিতীয় স্থানলৈ নামি গ'ল। আহোমৰ লগতো মিতিৰালি নহ'ল। জোঙালে কিন্তু প্ৰতাপপুৰ, গোভা, খলাৰ সহায়ত ডাঙৰ ৰজা হৈ গ'ল। ভাবিলে বেয়া লাগে।'

'ঠিক— ঠিক কৈছা ধনেশ্বৰ। এই জোঙাল বলহুৰ কাৰণে ডিমাবঙৰ নাম নুমাল। ভাবিলে গাত জুই লগা যেন লাগে। কিবা এটা কৰিব লাগিব ধনেশ্বৰ। সেনাপতি কি কৰিব পাৰি ভাবক। জোঙালক এনেকৈ সুখত ৰাজ্যভোগ কৰিবলৈ দিব নোৱাৰি।'

'আগতে খবৰ-বাতৰিবোৰ আনি লও ফা বডচা। তাৰ পিচত ভাবি-চিন্তি কিবা এটা কৰিব লাগিব।' সেনাপতিয়ে ক'লে।

'সেনাপতিয়ে ঠিকেই কৈছে। চোৰাংচোৰা পঠিয়াই চহৰিৰ ক'ত কি আছে বাতৰি আনক। অস্ত্ৰ-শস্ত্ৰ, গড়, সৈন্যৰ সংখ্যা সকলোবোৰ খবৰ অনাৰ পিচত জোঙাল বলহুক ধ্বংস কৰাৰ উপায় ভাবি উলিয়াব লাগিব।' ধনেশ্বৰে ক'লে।

অতি কৌশলেৰে ধনেশ্বৰে জোঙাল বলহুক আক্ৰমণৰ সিদ্ধান্ত প্ৰায় নিশ্চিত কৰি পেলোৱা দেখি প্ৰধান সেনাপতি অতিষ্ঠ হৈ উঠিল।

'ধনেশ্বৰে কোৱাৰ দৰেই কামবোৰ আগুৱাই নিয়ক প্ৰধান সেনাপতি। আমাৰ

ইমান ভাল খেতি-বাতি হোৱা ৰাজ্যকেইখন জোঙালে কাঢ়ি নিলে। এতিয়া ডিমাৰঙলৈ হাত মেলিবলৈ দিব নোৱাৰি। বহুত ধৈর্য ধৰিলো। আৰু নোৱাৰি। এইবাৰ কিবা এটা কৰিবই লাগিব।'

'আপোনাৰ যি আদেশ।' নিৰুপায় হৈ প্রধান সেনাপতিয়ে ক'লে।

'আজি সভা ভংগ হওঁক।'

ৰজা উঠিল।

ৰজাক প্রণাম জনাই চিন্তিত মনেৰে ওলাই গ'ল প্রধান সেনাপতি।

'ময়ো বিদায় লওঁ ৰজাদেৱতা। কালিলৈ আপোনাক বাঁহৰ লাখুটিত লুকুৱাই থ'ব পৰা অস্ত্রটো দেখুৱাব পৰাকৈ প্রস্তুত হ'ব বুলি আশা কৰিছো।'

'শুনি ভাল পালো ধনেশ্বৰ। আমাৰ অস্ত্রভাণ্ডাৰ তোমাৰ কাৰণে, বহুত ডাঙৰ কৰিব পাৰিলো। এই অস্ত্রটো হ'লে চোৰাংচোৰাসকলৰ হাতত দিব পাৰিম। দা লৈ ফুৰিলে চকুত পৰে। নল'লেও নহয়।'

'হ'ব ৰজাদেৱতা। আৰু হ'ব। আপোনাৰ আশীর্বাদ, শিৱ্রায়ৰ আশীর্বাদ পালে আৰু বহুত নতুন নতুন অস্ত্র হ'ব। আপোনাক আকৌ প্রথম স্থানত নেদেখালৈকে মই শান্তি নাপাওঁ। আপুনি মোক যি মৰম সম্মান দিছে, মই কেতিয়াও পাহৰিব নোৱাৰো। বিয়া কৰোৱাৰ পৰা এই ৰজ্যৰ মইতো মিতিৰেই হ'লো। মোৰতো মিতিৰ যেনো নালাগে ৰজাদেৱতা— নিজকে কছাৰী বুলিয়েই ভাবিবলৈ আৰম্ভ কৰিছো।'

'মাত-কথা শিকিছা। সাজ-পোছাকো কছাৰীৰ দৰেই কৰা। দেখাত যেনিবা বেলেগ। তোমাক কছাৰী বুলিবই পাৰি।' ৰজাই হাঁহিলে।

'মই বিদায় লওঁ ৰজাদেৱতা। আপুনি জিৰণি লওঁক।' ৰজাক সেৱা কৰি পৰৱর্তী পৰিকল্পনাৰ কথা ভাবি ভাবি আনন্দমনেৰে ওলাই গ'ল ধনেশ্বৰ।

নিজৰ হৃতগৌৰৱ উদ্ধাৰ কৰাৰ আৰু জোঙাল বলহুক ধ্বংস কৰা চিন্তা কৰি কৰি অন্তেষপুৰলৈ সোমাই গ'ল ক্রুদ্ধ গজৰাজ বডচা।

৩৩

'দেও তৰোৱালখনৰ যিখিনি কথা আমি শুনিছিলো সেই আটাইবোৰ কথাই সঁচা ফা বডচা। মই সকলো বাতৰি ভালদৰে লৈছো।' প্রধান সেনাপতিয়ে ক'লে।

'দেখিলা ৰাণী? মোৰ কথা তুমি বিশ্বাস কৰা নাছিলা নহয়? এতিয়া শুনিলা? ধনেশ্বৰে কওঁতেও বিশ্বাস কৰা নাছিলা। এতিয়া?' কছাৰীৰজাই পত্নীলৈ চাই ক'লে।

আজিৰ মন্ত্রণাসভালৈ তেওঁ ৰাণীক মাতি আনিছে। এটা বিশেষ উদ্দেশ্যত। এই উদ্দেশ্যৰ কথা প্রধান সেনাপতিয়ে নাজানে। মাত্র ধনেশ্বৰে জানে।

'শুনিলো। এতিয়া কি কৰা যায় প্রধান সেনাপতি?' ৰাণীয়ে ক'লে।

ধনেশ্বৰক ৰাণীয়ে বৰ ভাল নাপায়। ইমান বেছি তোষামোদ কৰে যে আমনি লাগি যায়। ৰজাই ধনেশ্বৰক ইমান বেছি গুৰুত্ব দিয়া দেখি বিৰক্তও হয়। দুই-এবাৰ নিজৰ বিৰক্তি ব্যক্তও কৰিছিল। কিন্তু ৰজাই তেওঁৰ কথাত গুৰুত্ব নিদিলে। সেয়েহে ধনেশ্বৰক উপেক্ষা কৰি প্রধান সেনাপতিক প্রশ্ন কৰিলে ৰাণীয়ে।

'ৰাণীদেউ— জোঙাল বলহুৱে দেও তৰোৱাল পোৱা কথাটো সঁচা। কিন্তু এতিয়ালৈকে তেওঁ কোনো ৰাজ্য আক্রমণৰ পৰিকল্পনা কৰা নাই।' প্রধান সেনাপতিয়ে ক'লে।

'তেনেহ'লে? আমি তৰোৱালখনৰ কথা ভাবি ইমান চিন্তা কৰি থকাৰ কি প্রয়োজন?' ৰাণীয়ে বিৰক্তিৰে ক'লে।

'তৰোৱালখন একমাত্র কাৰণ নহয় ৰাণীদেউ। জোঙাল বলহুৱে অলপ অলপকৈ ৰাজ্য বহলাই আনিছে। সীমামুৰীয়া হাবিবোৰ আৰু এনেই পৰি থকা মাটিবোৰত নিজৰ খেলৰ আৰু অন্যান্য খেলৰো মানুহ আনি গাঁও পাতি বহিবলৈ দিছে।'

'কিন্তু সেই ঠাইবোৰ তেওঁৰ ৰাজ্যৰ ভিতৰুৱা। খেতি-বাতি কৰিবলৈহে মানুহবোৰ বহুৱাইছে। ভাল মাটি। খেতি ভাল হয়। সেই কাৰণে।' সেনাপতিয়ে ধনেশ্বৰৰ ৰ থাৰ প্রতিবাদ কৰিলে।

'সেইবোৰ দেখুওৱা কথা সেনাপতিদেৱ। আপুনি সহজ-সৰল মানুহ। সেয়ে বেয়া

কথা ভাবিব নাজানে। কিন্তু মই বেহা-বেপাৰ কৰি ফুৰোতে বহুত দেখিছো। সীমাৰ মাটিত দেখাত খেতি কৰিবলৈ মানুহ বহুৱাইছে হয়— কিন্তু এই সকলোবোৰ ৰজাৰ সৈন্যবাহিনীৰ লোক। ভাও ধৰি আছে। ভালকৈ চালে চোৰাংচোৱাই গমেই পাব।'

'ধনেশ্বৰে ঠিকেই কৈছে সেনাপতি। অতবোৰ মাটি থাকোতে ডিমাবঙৰ ওচৰে-পাঁজৰেহে মানুহ বহায় কিয়? তুমি ৰাজ্যৰ প্ৰধান সেনাপতি হৈ কথাবোৰ ইমান পোনকৈ ভাবিলে কেনেকৈ হ'ব?' ৰজাই বিৰক্ত হৈ ক'লে।

'কিন্তু ডিমাবঙৰ ওচৰে-পাঁজৰেই নহয়, গোটেই ৰাজ্যতে তেওঁ এনেকৈ খালি হৈ পৰা মাটিবোৰত মানুহ বহুৱাইছে। খেতি-বাতিত নতুন সঁজুলি ব্যৱহাৰ কৰিছে। নতুন নতুন ধান মাহৰ বীজ আনি ৰুইছে।' লাজ-অপমানত ৰঙা-ছিঙা পৰি সেনাপতিয়ে ক'লে।

'সেনাপতিয়ে চোৰাংচোৱাই যি কৈছে তাকেহে কৈছে। ভাৰি ভাবি কোৱা নাই নহয়।' ৰাণীয়ে বিৰক্ত হৈ ক'লে।

'ৰাণীদেৱে সঠিক কথাই কৈছে ৰজাদেৱতা। জোঙাল বলহুৱে খেতি-বাতি ভাল কৰাৰ চেষ্টাও কৰিছে। কিন্তু সেয়াই শেষ কথা নহয়। মানুহবোৰক ঠায়ে ঠায়ে বহুৱাই তেওঁ ৰাজ্যখন সুৰক্ষিতও কৰি তুলিছে। সেনাপতিদেৱ— আমি যদি চহৰি আৰু ওচৰ-পাঁজৰৰ ৰাজ্যবোৰলৈ চাওঁ তেতিয়া জোঙাল বলহুৱ উদ্দেশ্য যে ভাল নহয় সেই কথা খুব সহজেই বুজিব পাৰিম।' ধনেশ্বৰে ক'লে।

'কোৱাচোন ধনেশ্বৰ। বুজাই কোৱা।' সেনাপতিক উপেক্ষা কৰি ৰজাই ক'লে।

'চাওক ৰজাদেৱতা— জোঙাল বলহুৱে মিকিৰ, জয়ন্তীয়া, ভূঞা আদি ৰাজ্যবোৰৰ কাৰো লগত যুঁজ কৰা নাই। আজিলৈকে সেইবোৰ দিশত সীমা বঢ়োৱাৰ চেষ্টা কৰা নাই। লালুং ৰাজ্যবোৰৰ লগত তেওঁৰ সম্পৰ্কতো ভালেই। তেওঁ মাত্ৰ এতিয়ালৈ কছাৰীৰাজ্যবোৰৰ ওপৰতহে চকু দিছে। কেইখন কছাৰী ৰাজ্য ইতিমধ্যে তলতীয়া কৰিলে দেখিছেই। সেনাপতিদেৱৰ এটা কথা মানিব লাগিব— আৰিমত্ত ৰজাক হত্যা কৰাৰ পিচত জোঙাল বলহুৱে ৰাজ্য বিস্তাৰ স্থগিত ৰাখিছে। কিন্তু দেও তৰোৱালখন পোৱাৰ পিচত তেওঁ মনে মনে বহি থাকিব বুলি ভবাটো ভুল হ'ব। তেওঁতো জানিছেই— এই তৰোৱালখন থাকিলে তেওঁক যুঁজত কোনেও হৰুৱাব নোৱাৰে। আগতে তেওঁ আপোনাৰ শক্তিলৈ ভয় কৰিছিল। সেই কাৰণে ডিমাবঙ আক্ৰমণ নকৰি উভতি গৈছিল। এতিয়ানো কিয় কৰিব?'

'ঠিক। ঠিক। সেনাপতি— বুজিলানে এতিয়া? এতিয়া কোৱা সেনাপতি— কি কৰিলে ভাল হয়?'

সেনাপতি অলপ সময় মনে মনে থাকিল। লাজ-অপমানত তেওঁৰ মুখখন ৰঙা পৰি উঠিছে। ৰজাক উচতনি দিয়া চতুৰ ধনেশ্বৰক কোঠাৰ পৰা গতিয়াই গতিয়াই উলিয়াই দিয়াৰ তীব্র ইচ্ছা দমন কৰি গম্ভীৰভাৰে ক'লে—

'আলহীদেউৰ কথা যদি মানি লোৱা হয় তেনেহ'লে জোঙাল বলহুৰ লগত যুদ্ধ কৰি নিজৰ ক্ষতি কৰাতকৈ আনবোৰ ৰাজ্যৰ দৰে মিত্রতা কৰাই বিবেচনাৰ কাম হ'ব বুলি ভাবো ফা বডচা।'

'সেনাপতিৰ কথাকেই ময়ো বিবেচনাৰ কাম হ'ব বুলি ভাবো। জোঙালৰ লগত মিত্রতা কৰিলে সকলোফালেই মংগল।' ৰাণীয়ে ক'লে।

'সেনাপতিদেৱ আৰু ৰাণীদেৱে কোৱা কথাই আমি মানি লোৱা উচিত ৰজা দেৱতা। কিন্তু এইখিনিতে এটা কথা আছে। দেওতৰোৱালখন জোঙাল বলহুৰ হাতত থকালৈকে জোঙাল বলহুৱে কিন্তু মিত্রতা কৰিলেও নিজকে সদায় ওপৰৰ ৰজা বুলিয়েই ভাবি থাকিব। মিত্র ৰাজ্য হ'লেও আমি প্রকৃততে চহৰিৰ তলতীয়াই হৈ থাকিম।' ধনেশ্বৰে ক'লে।

'আলহীদেৱে বোধকৰো ৰজাৰ নিয়ম ভালকৈ নাজানে— সেয়েহে এনে কথা ক'ব পাৰিছে। জোঙাল বলহু আমাৰ বৈৰী হ'ব পাৰে কিন্তু তেওঁ এজন বীৰ। নীচ লোক নহয়। মিত্রতা কৰিলে তেওঁ মিত্রতাই কৰিব। চুবুৰীয়া আন ৰাজ্যবোৰৰ লগত তেওঁ যেনেকৈ বন্ধুসুলভ ব্যৱহাৰ কৰে আমাৰ লগতো কৰিব।' সেনাপতিয়ে ক'লে।

'ময়ো তেনেকৈয়ে ভাবো। বীৰে কেতিয়াও চর্ত ভংগ নকৰে।' ৰাণীয়ে ক'লে।

'ৰাণী আইদেৱে আৰু সেনাপতিদেৱে মোৰ কথাৰ ভুল অর্থ কৰিছে। অপ্রিয় কথা কোৱা বাবে দোষ নধৰিব ৰাণীদেউ। মই জোঙাল বলহুৱে চর্ত ভংগ কৰিব বুলি কোৱা নাই। নিজৰ দেওতৰোৱাল আৰু অন্য শক্তিবোৰৰ কাৰণে আমাক তলতীয়া বুলি ভাবি থাকিব বুলিহে কৈছো।' ধনেশ্বৰে বিনয়েৰে ক'লে।

'ভাবিব নে নাভাবে সেইকথা মিত্রতা হ'লেহে গম পোৱা যাব।' সেনাপতিয়ে বিৰক্তিৰে ক'লে।

'সেনাপতিদেৱে মই মিত্রতাৰ বিৰোধিতা কৰা বুলি নিশ্চয় ভবা নাই? মই মিত্রতাৰ কথাটো মানিয়েই লৈছো। মাত্র আমি মিত্রতাৰ পিচত তলতীয়া হৈ পৰিব পাৰো নেকি সেই চিন্তাহে কৰিছো। মই এই ৰাজ্যৰ আলহী হ'লেও এতিয়া আৰু নিজকে আলহী বুলি নাভাবো। মোৰ মাতৃভূমি বুলিহে ভাবো। আমাৰ ৰজা দেৱতাৰ যাতে অপমান নহয় সেইটোহে চিন্তা। সেনাপতিদেৱকহে জোঙাল বলহুৰ প্রতি অলপ বেছি মৰম থকা যেন লাগিছে।'

'আপুনি মোৰ আনুগত্যক সন্দেহ কৰিছে নেকি আলহীদেউ?' সেনাপতিয়ে ধৈর্য হেৰুৱাই গর্জি উঠিল।

'ইস্— ইস্— তেনেকৈ নাভাবিব সেনাপতিদেৱ। আপোনাক সন্দেহ কৰিম? কৰা নাই। কৰা নাই। ইমান সাহস মোৰ কেতিয়াও নহয়। আপুনি জোঙাল বলহুৱে কেতিয়াও আমাক তলতীয়া বুলি নাভাবে বুলি উদাৰ মনেৰে বিশ্বাস কৰা দেখিহে তেনেকৈ ক'লো। বৈৰীক জানো ইমান বিশ্বাস কৰা উচিত?'

'সেনাপতি— তুমি অযথা খং কৰিছা। ধনেশ্বৰে ঠিকেই কৈছে। তুমি বৰ বেছি উদাৰ। তুমি ৰাজ্যৰ সুৰক্ষাৰ কথাটোহে চিন্তা কৰিব লাগে। জোঙালৰ বলশক্তি আছে। বুদ্ধি-কৌশল আছে। জনবল-অস্ত্রবল আছে। তদুপৰি দেওতৰোৱালো আছে। তেওঁ আমাক মিত্র হ'লেও তলতীয়া বুলি ভাবিব পাৰে। কিছুমান কথা আগতীয়াকৈ অনুমান কৰিব পাৰি। ঘটনা ঘটালৈ ৰৈ নাথাকিলেও হয়।' ৰজাই গম্ভীৰ হৈ ক'লে।

'আপুনি তেতিয়াহ'লে কি কৰিবলৈ কয় ফা বডচা?' অপমানিত সেনাপতিয়ে শান্তভাৱে ক'লে।

'মই মিত্রতাৰ কথাই ক'ম। কিন্তু এইখিনিতে মই আৰু দুটা কথা ভাবিছো। মিত্রতা হ'লেও যাতে জোঙাল বলহুৱে আমাক হেয়জ্ঞান কৰিব নোৱাৰে তাৰ বাবে আমি আমাৰ সৰু জী সুকোমলাক জোঙাল বলহুলৈ বিয়া দিম।'

'কি কৈছে আপুনি? নিজৰ স্বার্থৰ কাৰণে এটা লালুং ৰজাক নিজৰ ছোৱালী দিব?' ৰাণীয়ে অবাক হৈ ক'লে।

'দিব লাগিব। ৰাজ্যৰ ভালৰ কাৰণে এইখিনি এৰিব লাগিব। মিত্রতা কৰিবলৈ বৈৰী ৰজালৈ ছোৱালী দিয়া মইতো প্রথম ৰজা নহয়। এনে উদাহৰণ বহুত আছে। ৰাজ্য চলাবলৈ ছোৱালী বিয়া দি মিত্রতা কৰা সাধাৰণ কথা। তোমাক মই সেই কাৰণেই ইয়ালৈ মাতি আনিছো। তোমাক নজনোৱাকৈ সিদ্ধান্ত ল'ব খোজা নাই।'

'মই মাক হৈ এইবোৰ কথা কেতিয়াও সমর্থন কৰিব নোৱাৰো।' ৰাণীয়ে খঙেৰে ক'লে।

'সমর্থন নকৰিলে কেনেকৈ হ'ব? তুমি মাত্র মাক নহয়— তুমি এই ৰাজ্যৰ ৰাণী। জোঙাল বলহুৱে এই ৰাজ্যৰ মানুহক কাটি-মাৰি শেষ কৰিলে তুমি ভাল পাবা নেকি? মোক অপমান কৰিলে ভাল পাবা নেকি? ৰজাৰ ছোৱালী ৰজালৈ দিম। লালুং কন্যাৰী কি আছে। ধনেশ্বৰ আৰু মই ভাবি-চিন্তি এইটো কামেই কৰিম বুলি ভাবি থৈছিলো।'

'এইবাৰ বুজিলো। গুৰিটো ক'ত।' ৰাণীয়ে হুমুনিয়াহ পেলাই ক'লে।

'কি ক'ৰ খুজিছা তুমি?' ৰাণীয়ে যে ধনেশ্বৰলৈ আঙুলিয়াইছে সেইকথা বুজি

ৰজাই খঙেৰে ক'লে।

'একো ক'ব খোজা নাই। কথা বঢ়াই লাভ কি?' ৰাণীয়ে বিৰক্তিৰে ক'লে।

'ঠিক আছে। তুমি মানি লৈছা যেতিয়া আমি ভাবি থকা দ্বিতীয় কথাটো কওঁ। কিন্তু তাৰ আগতে তুমি আই গামাডিৰ নামত শপত খাব লাগিব— আজি যি কথা পাতিম এটা শব্দও কাকো নোকোৱা। ৰজাই ক'লে।

অবাক হৈ পৰা ৰাণীক শপত খাবলৈ বাধ্য কৰি ৰজাই ক'লে—

'সুকোমলাক আমি জোঙাললৈ বিয়া দিম কিন্তু সুকোমলাই নিজৰ ৰাজ্যৰ কাৰণে কেইটামান কাম কৰিব লাগিব? তাই আমাক জোঙালৰ ৰাজ্যৰ ভিতৰুৱা কথাবোৰ জনাব লাগিব।'

ৰজাৰ কথা শুনি ৰাণী উচপখাই উঠিল।

'এইবোৰ আকৌ কেনে কথা? ছিঃ ছিঃ — এইবোৰ কথা নক'ব। আমাৰ জী সুকোমলাৰ হতুৱাই আপুনি চোৰাংচোৱাৰ কাম কৰাব? নিজৰ স্বামীক বিশ্বাসঘাটকতা কৰিবলৈ ক'ব? নহ'ব। এই কথা মই কোনোপধ্যেই মানি নলওঁ। তাইক বিয়া দিয়াৰ কোনো প্রয়োজন নাই। জোঙালে যদি আমাক তলতীয়া কৰেও কৰক। আৰু আলহীদেউ আপুনিনো এইবোৰ কথা কিয় কয়? আপুনি আলহী মানুহ। আলহীৰ দৰে থাকক। ৰাজ্যৰ ভাল-বেয়া আপুনি ভাবিব নালাগে।'

'তুমি ধনেশ্বৰক খং কৰিছা কিয়? ধনেশ্বৰৰ কথা নহয় নহয়— মোৰহে কথা। তেওঁক একো নক'বা। আৰু মই একো ভুল কথা কোৱা নাই। ৰাজ্যৰ মঙ্গলৰ কাৰণে এইখিনি ত্যাগ কৰিব পাৰিব লাগিব। চহৰিৰ সকলো তথ্য আমাৰ হাতত থাকিলে জোঙালে আমাক কেতিয়াও তলতীয়া কৰিব নোৱাৰে। আমি মিত্র হৈ ভালেৰে থাকিব পাৰিম।'

'কিন্তু যেতিয়া জোঙালে গম পাব তেতিয়া সুকোমলাক জীয়াই ৰাখিবনে?'

'কিয় গম পাব? গম নোপোৱাকৈ কৰিব লাগিব। সুকোমলা বুদ্ধিমতী ছোৱালী। তাই কেনেকৈ কি কৰিব লাগে জানিব।'

'তাতকৈ আপুনি অইন কিবা বুধিৰে বা-বাতৰিবোৰ নানে কিয়?' হতাশ হৈ ৰাণীয়ে ক'লে।

'পাৰিলে জানো সুকোমলাৰ কথা ভাবো? দেওতৰোৱালখন জোঙালে ৰাজহাউলীৰে ক'ৰবাত গোপন ঠাইত থৈছে। বহুত চেষ্টা কৰিও ক'ত থৈছে জানিব নোৱাৰিলো। এইবোৰ বাতৰিওতো আমাক লাগিব।'

'কিন্তু সুকোমলা আইদেউ জানো মান্তি হ'ব?' সেনাপতিয়ে দ্বিধাৰে ক'লে।

'কিয় নহ'ব? তাই ৰজাৰ জী। মোৰ জী। ৰাজ্যৰ কাৰণে তাই মৰিবলৈও ভয় নকৰা ছোৱালী।'

'তাইক আপুনি মৰিবলৈকে জোঙাললৈ দিব খুজিছে। আপোনাক মাত্ৰ ডিমাবঙকহে লাগে। নিজৰ জীক নালাগে।'

'তুমি এনেকৈ কৈছা যেন মই তাইক জী বুলিয়েই নাভাবো। তুমি বুজিব লাগিব ৰাণী। ৰাজ্যক ৰক্ষা কৰিবলৈ অলপ ত্যাগ কৰিবই লাগিব। সুকোমলাই গোটেই জীৱন চোৰাংচোৱাৰ কাম কৰিব নালাগে নহয়। দুই-এটা প্ৰয়োজনীয় কথা জনোৱাৰ পিচত তাইক আৰু আমি একো কৰিবলৈ নিদিওঁ। তাই জোঙালৰ লগত সুখেৰে থাকিব পাৰিব। আমিও ইয়াত শান্তিৰে থাকিম। এইবাৰ বহাগৰ 'হাংচেউ মানাওৱা' উৎসৱৰ আগতেই জোঙাললৈ বিয়াৰ প্ৰস্তাৱ পঠিয়াব লাগিব। তুমি এতিয়া যোৱা। সুকোমলাক মই মাতিছো বুলি কোৱাগৈ।'

ৰাণীক যাবলৈ নির্দেশ দি সেনাপতি আৰু ধনেশ্বৰৰ লগত মিত্ৰতা সম্পৰ্কীয় আলোচনাত ব্যস্ত হৈ পৰিল কছাৰী ৰজা।

৩৪

গোভাৰ ৰাজানঃৰ শয়ন কক্ষত অকলে অকলে বহি কাছৰ চলঙৰ টাকুৰিৰে সুঁতা কাটি আছে আৰি কনচাৰীয়ে। তেওঁৰ শীৰ্ণ হাত দুখন আৰু বেছি শীৰ্ণ হৈ পৰিছে। শোতোৰা শোতোৰ হৈ পৰিছে সোণবৰণীয়া গাৰ ছাল। বয়সকুঞ্চিত মুখত জোঙা নাকটো আৰু বয়স ভাৰাক্রান্ত আয়ত চকুযুৰিয়ে মাত্র একালৰ অনিন্দ্য সৌন্দর্যৰ ম্লান হৈ যোৱা পোহৰ অলপ এতিয়াও ধৰি ৰাখিছে।

আত্মীয় পৰিজনহীন এই বৃহৎ ৰাজানঃৰ খামছামাই আৰু ৰক্ষীসকলৰ সৈতে অকলে থাকে কনচাৰী।

আগতে সোণজিৰা আছিল। কনচাৰীৰ লগে লগে থাকিছিল। তাৰ পিচত সোণজিৰাক গংগাৰতীৰ ওচৰলৈ পঠিয়াই দিছিল কনচাৰীয়ে। জকাংকক ডাঙৰ কৰিবলৈ।

সমাজৰ ধিক্কাৰ আৰু আৰিমত্তৰ চিন্তাত ভাগি পৰা বিভ্রান্ত আৰু নিসংগ গংগাৰতীৰ ওচৰলে সোণজিৰাক পঠিয়াই অলপ হ'লেও সকাহ পাইছিল কনচাৰীয়ে। পৰা হ'লে গংগাৰতীৰ ওচৰলৈ নিজেই গ'লহেঁতেন কনচাৰী। নহ'লেবা গংগাৰতীকেই লৈ আহিলহেঁতেন নিজৰ ওচৰলৈ।

কিন্তু সমাজৰ ওচৰত শিৰ নত কৰা কনচাৰী আৰু গংগাৰতীৰ বাবে সেই পথ খোলা নাছিল। দুজনী নিঃসংগ আৰু নিৰুপায় নাৰীৰ যোগসূত্র ৰক্ষা কৰিছিল সোণজিৰাই।

গংগাৰতীৰ কথা ভাবিলে এতিয়াও অপৰাধবোধৰ তীক্ষ্ণ দংশনত জর্জৰিত হয় কনচাৰী। দুটা জীৱনৰ ধ্বংসৰ কাৰণ হিচাপে নিজকে চিহ্নিত কৰি কষ্টত আতুৰ হয়।

মাত্র দুটা জীৱনেই নে?

কনচাৰীৰ সিদ্ধান্তই কঢ়িয়াই নানিলেনে আৰু অনেক অভিশপ্ত দিন-ৰাতি?

গংগাৰতীয়ে যদি আৰিমত্তৰ লগত শুচি গৈ বৈদ্যগড়ত সংসাৰ পাতিলেহেঁতেন কিনো ক্ষতি হ'লহেঁতেন? খুব বেছি এইখন সমাজে কনচাৰী আৰু আৰিমত্তক বিশ্বাসঘাটক বুলি ক'লেহেঁতেন। কনচাৰীৰ আর্য পৰিচিতিক ধিক্কাৰ দিলেহেঁতেন। কিন্তু আৰু অনেক, তাতোকৈ অধিক কষ্টকৰ ঘটনাক ৰোধ কৰিব পাৰিলেহেঁতেন কনচাৰীয়ে।

দুর্ভাগ্য।

দুর্ভাগ্য বুলিয়েই ভাবে কনচাৰীয়ে।

অভিশপ্ত বুলি ভাবে নিজৰ জীৱনক।

সমাজৰ কামৰ পৰা অৱসৰ লৈ আজিকালি ঘৰতেই থাকে কনচাৰী। টাকুৰীটো আৰু পুথিবোৰকেই অৱলম্বন কৰি পাহৰি থাকিব খোজে সকলো মনোকষ্ট।

সোণজিৰা মাজে মাজে আহে। দিনটো থাকি উভতি যায়। জকাংকক এৰি থাকিব নোখোজে সোণজিৰাই। মাজে মাজে জকাংক বৰ অস্থিৰ হৈ উঠে। পিতৃহত্যাৰ কথা মনত পৰিলে মনৰ স্থিৰতা হেৰুৱাই পেলায়। বিশেষকৈ ৰাতি।

সেইকাৰণে সোণজিৰাই চহৰিৰ বাহিৰত ৰাতি কটাব নোখোজে। আজিকালি অৱশ্যে জকাংক বহুখিনি স্বাভাৱিক হৈ পৰিছে। ৰাজ্য পৰিচালনাত মন বহুৱাব পাৰিছে। সমাজৰ সমালোচনাও লাহে লাহে কমি আহিছে। জকাংকৰ সুদক্ষ নেতৃত্বই, বীৰত্বই, কৰ্মকুশলতাই সকলো অপযশ আঁতৰাই পেলাইছে। জকাংকক সকলো লাংপুং ৰাজ্যই মুখিয়াল হিচাপে মানি লৈছে। প্ৰজাৰ মুখত জকাংকৰ প্ৰশংসা শুনিলে কনচাৰীৰ ভাল লাগে। শান্তি পায়। ভাব হয় অনেক উত্থান-পতন পাৰ হৈ যেন অৱশেষত মসৃণ সমতলত থিয় হৈছেহি কনচাৰী। জীৱনৰ শেষপ্ৰান্তত উপস্থিত হৈ প্ৰথমবাৰলৈ বিচাৰি পাইছে দুৰ্ঘটনাহীন অৱসৰ। অৱসৰৰ মুক্তি।

আৰি— আৰি—

কনচাৰীক চিঞৰি চিঞৰি মাতি দপ্‌দপীয়া খোজেৰে একে কোবে ভিতৰলৈ সোমাই আহিল জোঙাল বলহু।

'মই ঠিক জানিছিলো তুমি এই টাকুৰীটো লৈয়েই বহি থাকিবা। উঃ— কিনো ভালপোৱা সূতা কাটি? মোৰ যে দেখিলেই ভাগৰ লাগি যায়।'

কনচাৰীৰ ডিঙিত সাৱটি ধৰি টপ্‌কৈ চুমা এটা খাই ওচৰতে বহিল জকাংক।

'মই জানো তোৰ দৰে তৰোৱাল ঘূৰাব পাৰো? টাকুৰীয়েই ঘূৰাই থাকো দে। বুঢ়ী মানুহ।' কনচাৰীয়ে হাঁহিলে।

'বুঢ়ী বুলি নক'বা। খং উঠি যাব। থোৱাচোন টাকুৰীটো থোৱা।' আইতাকৰ হাতৰ পৰা টাকুৰীটো লৈ আঁতৰাই থৈ জোঙালে ক'লে—

'তোমাৰ যে এটা ছ্যু আছে পাহৰি গৈছা নহয়?'

'সেই কাৰণে হ'বলা মনত পেলাই দিবলৈ আহিলি?' কনচাৰীয়ে হাঁহি হাঁহি জংকাকৰ গালত হাত ফুৰালে।

'অ'তো! তুমিতো চহৰিলৈ নোযোৱাই। খলাৰ তলতীয়া আছিল যে। হেজাৰ হওঁক বোৱাৰীৰ তলতীয়া। কিয় যাবা। তাত লাগিলে নাতিয়েই ৰজা হৈ থাকক। কিন্তু খলা যে গোভাৰ তলতীয়া আছিল সেইটো জানো মনত থাকে?

'তলতীয়া নাছিল দেই। মিছা নক'বি। মোৰ বোৱাৰীৰ ৰাজ্য স্বাধীন আছিল।'

কনচাৰীয়ে হাঁহিলে।

'হ'লেও গোভাৰ সমান নাছিল দিয়া। বোৱাৰীৰ ৰাজ্যৰ কথা বৰ ভালকৈ কোৱা। গোভাৰ কথা নোকোৱা।' হাঁহি উঠিল জকাংকই।

'কমতো। তইনো পিচে ক'ৰ? খলাৰ নে গোভাৰ?'

'মই তোমাৰ। তোমাৰ তলতীয়া।' কনচাৰীক আকোৱালি ধৰিলে জকাংকই। কনচাৰীয়ে মন খুলি হাঁহি উঠিল। তাৰ পিচত গহীন হৈ ক'লে—

'লালুঙৰ সমাজত ইমান ওপৰুৱাল তলতীয়াল নাই অ' ছ্যু। ৰজাবোৰ ৰাজ্য শাসন কৰিবলৈহে আছে। সমাজৰ ওপৰত ঈশ্বৰৰ বাহিৰে কোনো নাই।'

'ইমানেই যদি জানা— চহৰিলৈ নোযোৱা কিয়? নিজৰ ছ্যুটোলৈ মনতো নপৰেনে?'

'মনত পৰে অ' ছ্যু। যাবলৈও মন যায়। কিন্তু যোৱাই হৈ নুঠে দেখোন।'

'আজি ব'লা। তোমাক লৈ যাওঁ। সোণজিৰা আছিও অকলে থাকে। তুমিও অকলে থাকা। একেলগে থাকিবা ব'লা। সিফালে আজ'ও অকলে থাকে। কি যে ৰুথা।'

'আজ'কেই লৈ যা। ক'তো ওলাই সোমাই নুফুৰে। তোৰ তালৈ গ'লে মনটোও ভাল লাগিব।'

'যাবহে হয়। আজ'ও জানো কম? মোক গোভাৰ কামো চলাবলৈ দিলে। তুমি খলাৰ কামো দিলা। ইমান ডাঙৰ ৰাজ্য এখন অকলে চলাব পাৰিনে?'

পাৰিব লাগিব। তোৰ আফা আজ'ইত কিমান ডাঙৰ বীৰ আছিল। তই দেখোন তাতোকৈ ডাঙৰ বীৰ হৈছ বুলি সকলোৱে কয়।'

'সকলোৱেহে কয়। তুমি নোকোৱা?'

'মইতো তোক মোৰ অঁকৰা মকৰা অকণমানি ছ্যু বুলিহে ভাবো। ৰজা বুলি মনতেই নপৰে অ'।'

'ৰজা বুলি ভাবিব নালাগে বাৰু। কিন্তু মই জানো অকণমানি? এয়া চোৱা মোৰ বাহুটো চোৱা। তুমি যদি খামুচি ধৰা পৰুৱাই চুইছে যেন লাগিব বুজিছা আবি।' জোঙাল বলহুৱে হাঁহি উঠিল। কনচাৰীয়েও।

নাতিয়েকৰ লগত ধেমালি কৰি ইটো-সিটো কথা পাতি খুৱাই-বোৱাই আজৰি হৈ কনচাৰী জোঙাল বলহুৰ মুখামুখি হৈ বহিল।

'ক' এতিয়া জকাংক— কিয় আহিছিলি?'

'মই কিবা কাৰণত আহিছো বুলি কেনেকৈ জানিলা আবি?' আচৰিত হৈ সুধিলে জকাংকই।

'জানিব পাৰি ছ্যু। মই তোৰ আবি নহয় জানো? নিজৰ ছ্যুৰ মুখখন দেখি যদি মনৰ কথাই নুবুজো— মই কিহৰ আবি।'

'সেই কাৰণেই তোমাক ইমান ভালপাওঁ আবি। কিমান কথা জানা তুমি। কিমান কথা বুজা। মই যদি তোমাক সৰু থাকোতেই লগ পালোহেঁতেন কিমান ভাল হ'লহেঁতেন। মাতো থাকিও নাছিল। সোণজিৰা আছি নথকা হ'লে—

'সেইবোৰ কথা মনলৈ নানিবি অ' ছ্যা। বেয়া কথাবোৰ ভাবি লাভ কি?'

'নাভাবো আজিকালি আবি। মই একো বেয়া কথাই নাভাবো। কিন্তু তথাপিও মাজে মাজে মনত পৰে। পৰিলে মনটো বেয়া হৈ যায় আবি।'

'মন বেয়া হ'লে মানুহৰ মাজলৈ ওলাই যাবি। মোৰ ওচৰলৈ আহিবি। আজ'ৰ ওচৰলৈ যাবি। সোণজিৰাৰ লগত কথা পাতিবি। ৰাইজৰ কামত মন দিয়া কাৰণে তোৰ জানো মনটো ভাল হোৱা নাই? ৰাইজৰ কামেই কৰি থাকিবি। লাহে লাহে দুখবোৰ আৰু পাতল হৈ আহিব।'

'সঁচা। তোমাৰ কথা শুনা কাৰণে মই আজি ভাল মানুহৰ নাম পাইছো আবি। আজ'ৰ কথা শুনা কাৰণেও মোৰ ভাল হৈছে। সেই কাৰণেইতো মা বসুন্ধৰীয়ে দিয়া লাংখুইখন হাতত থকা সত্ত্বেও মই এতিয়ালৈ কাৰো ৰাজ্য আক্ৰমণ কৰা নাই। নকৰোও।'

'খুব ভাল কাম কৰিছ ছ্যা। দেও লাংখুইখন তোক আনক কাটি-মাৰি ৰাজ্যৰ সীমা বঢ়াবলৈ আই বসুন্ধৰীয়ে দিয়া নাই নহয়। তোক নিজকে ৰক্ষা কৰিবলৈহে দিছে।'

'মই মাজে মাজে লাংখুইখন চুই চাওঁ জানা আবি। বিশ্বাসেই নহয়। মই যেতিয়া মা বসুন্ধৰীক সপোনত দেখিছিলো আৰু তেওঁ মোক খলং নৈত হাত বুৰালেই লাংখুই এখন পাম বুলি কৈছিল— মই প্ৰথমতে সপোনৰ কথা বুলি ভাবি উৰুৱায়েই দিছিলো। সোণজিৰা আছিয়েহে ক'লে বোলে যাচোন— খলগুত গাটো ধুই হাত সেপিয়াই চাগৈ। পালেতো কথাই নাই। নাপালেনো ক্ষতি কি? সেই কাৰণেহে গ'লো। লাংখুইখন পাই মোৰ ইমান আচৰিত লাগিছিল যে মই পানীৰ মাজতে কিমান পৰ থিয় হৈ আছিলো নিজেই নাজানো। তৰোৱালখনৰ গাত বসুন্ধৰী মাৰ কিবা শক্তি সঁচাকৈ আছে বুলি তুমি ভাবানে আবি?'

'কিছুমান কথা যুক্তি তৰ্কৰে বিচাৰ নকৰি বিশ্বাসেৰে ল'লে শান্তি পোৱা যায়। আমি হ'লো পথালিচকুৱা মানুহ। জগতৰ ক'ত কি আছে আমিনো কিমান জানো। ঈশ্বৰক আমি দেখা নাই— কিন্তু ক'ৰবাত কিবা এটা শক্তি নাই জানো? নহ'লেনো পৃথিৱীখন ইমান নিয়মত কেনেকৈ চলিছে? সময়তনো কেনেকৈ সূর্য ওলাইছে? জোন ওলাইছে? তৰোৱালখন তই সপোন দেখি বিচাৰি পাইছ। তৰোৱালখনৰ মহিমা আছে বুলি বিশ্বাস কৰাই ভাল। বিশ্বাস কৰিলে তই মনতো বল পাবি।'

'সঁচাই আবি— ৰাতিপুৱা লাংখুইখনক পূজা কৰি মই যেতিয়া বসুন্ধৰী থানলৈ পূজা দিবলৈ যাওঁ তেতিয়া মই সঁচাকৈয়ে মনত বহুত শক্তি পাওঁ। মহাদেওশালতো মই প্ৰায়েই বস্তি জ্বলাবলৈ যাওঁ। কোনো শুই নুঠোতেই দৌৰি যাওঁ— দৌৰি আহো।

গাটোও ভালে থাকে। মনো ভালে থাকে।'

'ইমানদুৰ কেনেকৈ যাৱ? ভাগৰ নালাগে?'

'নালাগে দেখোঁন। মই কিবা তোমাৰ দৰে মোৱামাছ পাতত দি খাওঁনে? বৰ বৰ ৰৌ-ৰৰালি খৰিকাত দি খাওঁ বুজিছা। গোটে গোটে কুকুৰা পুৰি খাওঁ। তোমাৰ দৰে মোক চৰাই পোৱালি বুলি ভাবিছা?'

'আই ঐ— মই জানো তোৰ দৰে পাছ্থাই? লৰিব চৰিব নোৱাৰা এজনী বুঢ়ীহে।'

'আকৌ বুঢ়ী বুলি কৈছা?'

'নকওঁদে। ধেমালি থ। এতিয়া ক'— কি কথা কওঁ বুলি আহিছ?'

'ৰৰ ডাঙৰ কথা এটা হৈছে আবি। ডিমাবঙৰ ৰজাই নিজৰ নুমলীয়া জীজনীক মোলৈ বিয়া দিয়াৰ প্রস্তাৱ পঠিয়াইছে।'

'তোলৈ?' জোঙাললৈ মুৰ তুলি চালে কনচাৰীয়ে। তীক্ষ্ণ হৈ উঠিল ৰাজনীতি অভিজ্ঞ চকুযোৰ।

'অ'। তুমিতো জানাই আবি মই বিয়া নকৰাও বুলি ঠিক কৰি থৈছো। এতিয়া এই নভবা-নিচিন্তা কথাটো শুনি কি কৰো ঠিক কৰিব নোৱাৰি তোমাক সুধিবলৈ আহিলো। মই বিয়া নাপাতো। এই কথা খাটাং। কিন্তু ডিমাবঙৰ ৰজাই এনে প্রস্তাৱ কিয় দিছে সেই কথাটোহে চিন্তাৰ বিষয় হৈছে।'

'কথাটোতো বুজিবলৈ টান নহয়। মিত্রতা কৰিম বুলি ভাবিয়েই ছোৱালী যাচিছে নিশ্চয়।'

'কিন্তু আমাৰ চোৰাংচোৰাই শুনি আহিছে— বডচাই বোলে মই বেছি ক্ষমতাশালী হৈ উঠা কাৰণে বেয়া পাইছে। বেয়া পাইছে যদি যুদ্ধ কৰাৰ কথাহে ভাবিব লাগে। ছোৱালী বিয়া দিয়াৰ কথাটোনো ভাবিছে কিয়?'

'বেয়া পাব পাৰে। কিন্তু তোৰ লগত যুঁজ কৰাৰ শক্তিতো নাই। সেয়েহে মিত্রতা কৰিব খুজিছে। ভাল কথা। যুঁজ-বাগৰ কৰি ৰাজ্য বহলাই থকাতকৈ মিত্র হৈ শান্তিৰে থকাই ভাল। জয়ন্তীয়া আৰু মিকিৰসকলৰ লগত মিলেৰে থকা কাৰণে আৰু দাঁতিয়লীয়া আন ৰাজ্যবোৰৰ লগতো মিলেৰে থকা কাৰণে আমি ইমানদিনে কিমান শান্তিৰে আছো। কছাৰী ৰাজ্যবোৰৰ লগতহে যুঁজ-বাগৰ লাগি আছে। তয়ো লাগিছ। সিহঁতেও লাগিছে। মিত্রতা হ'লে ভাল হয় বুজিছ ছ্যা।'

'কিন্তু ডিমাবঙৰ ৰজাৰ লগত মিত্রতা সঠিক হ'ব বুলি মোৰ মনে নধৰে আবি। তেওঁ এতিয়া মোৰ সমান ক্ষমতাশালী নহয়, কিন্তু একালত জয়ন্তীয়া ৰজাৰ সমানে সমানে শক্তিশালী আছিল আহোমৰ লগত লাগিহে দুর্বল হ'ল।'

'আহোমৰ লগত কছাৰীয়ে আগবাঢ়ি যুঁজিছে জানো? আহোমেহে চলবুধি কৰি সীমা ঠেলি আনিছে। পূবত আহোম ৰজা আছে। পশ্চিমত তই আছ। পাহাৰত জয়ন্তীয়া

আছে। নিজৰ শক্তি বঢ়াবলৈ কাৰোবাৰ লগততো মিত্রতা কৰিবই লাগিব। আহোমৰ চলবুধিৰ কাৰণে তেওঁলোকে আহোমক বেয়া পাইছে। জোকাই লৈ অশান্তি চপাবও খোজা নাই। জয়ন্তীয়া ৰজাৰ লগত এতিয়া যুঁজ লগা নাই। ভালেৰে আছে। থাকিলি তই। আমাৰ লগত তেওঁলোকৰ সমাজৰ বহু কথা মিলেও। সেই কাৰণে কিজানি তোলৈ ছোৱালী দিব খুজিছে। ডেকালৈ ছোৱালী নিদি বুঢ়ালৈ দিবনে? নিজৰ জীয়েকলৈ মৰম নাইকিয়াতো নহয়'।'

'কিন্তু তেওঁৰ মনত মোলৈ জানো ভাল ভাব আছে?'

'ভাল ভাব নথকাটোৱেই স্বাভাৱিক। তোৰ কথাটোৱেই সঁচা হ'ব পাৰে। দেখাত ছোৱালী বিয়া দি মিত্রতা কৰিব খুজিলেও তেওঁৰ বেয়া উদ্দেশ্যও থাকিব পাৰে। কিন্তু তই বিয়াৰ প্রস্তাৱ উভতাই দিব নোৱাৰ। তইতো সাধাৰণ পাছাই নহয়। তই এজন ৰজা। যিমানেই বেয়া উদ্দেশ্য নাথাকক বিয়াৰ প্রস্তাৱ প্রত্যাখ্যান কৰাটো ৰজাৰ কাৰণে কাপুৰুষতা। কোনো ৰজাই এনে কাম নকৰে। তই জানো দেখি-শুনি থকা নাই?'

'দেখিছো। দেখিছো কাৰণেই কি কৰো ঠিক কৰিব পৰা নাই। বিয়া কৰাবলৈ মোৰ তিলমাত্রও ইচ্ছা নাই আবি। চোৱা আবি— মোৰ আফাই আফা বুলি নাজানি মোৰ আজ' প্রতাপসিংহক হত্যা কৰিছিল। ময়ো নাজানি মোৰ আফাক মাৰিছিলো। তুমি মোক এই ঘটনাবোৰ মাত্র দুর্ঘটনা বুলি বুজালেও মোৰ মনে নামানে আবি। মোৰ এই বংশটো আগবঢ়াই নিয়াৰ অকণো ইচ্ছা নাই আবি।'

'বিধিক জানো কোনোবাই ইচ্ছাৰে খণ্ডাব পাৰে? তোৰ খৰমত যি আছে সেয়া হ'বই।'

'তুমিও আজিকালি খৰমৰ কথা কোৱা আবি? ভাগ্য দুর্ভাগ্যক বিশ্বাস কৰা?'

'মই দুর্বল হৈ গৈছো ছ্যু। মোৰ কথা এৰ। তই বিয়া পাত। ডিমাবঙৰ ৰাজকুঁৱৰী সুকোমলাৰ ৰূপ-গুণৰ কথা মই বহুত শুনিছো। তোক বোধকৰো তাইকেই দিবলৈ ওলাইছে। আনজনীৰ বিয়া হৈছে বুলি শুনিছো। আৰু তোৰ হাতত দেও লাংখুই আছে। ৰাজ্যও সুৰক্ষিত। বডচাই অহিত চিন্তি তোৰনো কি অপকাৰ কৰিব? আৰু এটা কথা, নিজৰ জীৰ ভাল-বেয়াৰ কথা তেওঁ জানো নাভাবিব? নিজৰ জোৱাইৰ বেয়া হোৱা মানে নিজৰ জীৰ বেয়া হোৱা নহয় জানো?' কনচাৰীয়ে ক'লে।

'ঠিকেই আবি।'

জোঙাল বলহুৱে চিন্তিতভাবে ক'লে। বহুত সময় আলোচনা কৰি বিয়াৰ প্রস্তাৱ গ্রহণ কৰাৰ সিদ্ধান্ত লৈ জোঙাল ৰাজধানীলৈ উভতি গ'ল।

ৰাজধানীত তেতিয়াও অপেক্ষা কৰি আছিল ডিমাবঙৰ পৰা বিবাহপ্রস্তাৱ লৈ অহা কটকীজন।

৩৫

মানুহ আৰু মানুহ।

জোঙাল বলহু গড়ৰ ওচৰতে থকা কচুৱা পথাৰ আজি দলদোপ হেন্দোলদোপ।

পশ্চিমে বেলতলা, পূবে মিকিৰ পাহাৰ আৰু দক্ষিণ আৰু দক্ষিণ পূবৰ জয়ন্তীয়া আৰু কছাৰীৰ ৰাজ্যলৈ, ব্ৰহ্মপুত্ৰৰ সমগ্ৰ দক্ষিণপাৰৰ সকলো ৰাজ্যৰ নিমন্ত্ৰিত ৰজাসকল আৰু অন্যান্য অতিথিসকলেৰে ভৰি পৰিছে বিস্তীৰ্ণ পথাৰৰ একাষে সজা শাৰী শাৰী আলহী বাহৰ।

ৰাজ্যৰ কোনো প্ৰজা আজি কিজানি ঘৰত নাই। কচুৱা পথাৰত সজা, ইমুৰ-সিমুৰ নেদেখা ৰভাতলীত গোট খাইছেহি হেজাৰ বিজাৰ মানুহ।

ব'হাগৰ মন উতলোৱা বতৰত ৰঙে-ৰসে ভৰি পৰা চহৰিৰ মাটিত যেন নামি আহিছে অপ্সৰা গন্ধৰ্বৰ দল।

খ্ৰাম পাছ্টাই, খ্ৰাম খুজুৰা আৰু টকৰৰ মন নাচি উঠা চেওত উথলি উঠিছে সকলোৰে মনবোৰ। উজ্জ্বল ৰঙৰ কাপোৰ পিন্ধা মাগ্ৰৱালী কুলৰ খৰলা পাছ্টাইবোৰে আজি কঁকালত ধৰাধৰি কৰি মুইনাৰি কাঠি নাচ নাচিছে। তুমডিং তগৰৰ চেওঁত, মুহুৰিৰ মন মুহি নিয়া সুৰত যৌৱনৰ তেজাল আনন্দ বিয়পি পৰিছে পথাৰ জুৰি।

ৰান্ধনিশালৰ পৰা ভাঁহি অহা ব্যঞ্জনৰ গোন্ধে কঢ়িয়াই আনিছে উৎসৱৰ অন্য এক আনন্দ।

আজি জোঙাল বলহুৰ বিয়া।

সুৰক্ষিত ৰাজধানী আজি মুকলি কৰি দিয়া হৈছে সকলোৰে বাবে। জোঙাল বলহুৰ বাসগৃহ থকা জোঙাল বলহু গড়ৰ সিংহদুৱাৰো আজি উন্মুক্ত।

অৰশ্যে নিৰ্বাচিত লোকসকলকহে গড়ৰ ভিতৰলৈ প্ৰৱেশৰ অনুমতি দিয়া হৈছে। কচুৱা পথাৰৰ ৰভাতলিৰ পৰা উঠি আহি আহি মানুহবোৰে বাহিৰৰ পৰাই ৰ' লাগি লাগি চাই গৈছে আটক ধুনীয়াকৈ সজাই তোলা গড়ৰ অভ্যন্তৰ। জোঙাল বলহু এতিয়াও ৰভাতলীলৈ ওলাই অহা নাই। গড়ৰ ভিতৰত বিশেষভাৱে আপ্যায়ন কৰা অতিথি ৰজাসকলৰ লগত ব্যস্ত হৈ আছে জোঙাল বলহু। জোঙাল বলহুৰ ওচৰত

দৰাৰ বন্ধু হিচাপে থিয় হৈ আছে ভাতৃ ৰত্নসিংহ।

বিবাহৰ সকলো কাম তদাৰক কৰিছেহি প্ৰতাপপুৰৰ ৰজা চামলে।

সোণজিৰা, সাধুকুমাৰ আৰু আৰি কনচাৰীৰ আজি কোনো দায়িত্ব নাই।

ৰাইজৰ মাজত বহি সাধুকুমাৰে আজি মন খুলি জু খাইছে। ৰভাতলত বহি থকা বয়সস্থ নাৰীসকলৰ মাজত বহি হাহি-ধেমালিত যোগ দিছে সোণজিৰা আৰু কনচাৰীয়ে।

আনন্দত উটি-ভাঁহি গৈছে সোণজিৰা। কিমানদিন কাৰো বিয়া দেখা নাই। কিমানদিন আনন্দ দেখা নাই।

সেই যে সাধুকুমাৰে গোভাৰ ৰাজানঃলৈ লৈ আহিছিল গাভৰু সোণজিৰাক তাৰ পিচত কিমান যে দুখৰ ঘটনা দেখিলে সোণজিৰাই। স্বামীৰ মৃত্যু হ'ল। চামল বৈদ্যগড়লৈ গুচি গ'ল। নিজাকৈ যি অকণ আনন্দ আছিল সেইখিনিও শেষ হৈ গ'ল। আজি কিমান বছৰৰ মূৰত এনে এখন বিয়া দেখিবলৈ পাইছে সোণজিৰাই। তাকো তুলি-তালি ডাঙৰ কৰা জকাংকৰ বিয়া। সৰ্বজনে জ্বেলা বুলি স্বীকাৰ কৰা পৰম শক্তিশালী জোঙাল বলহুৰ বিয়া।

'ইমানকৈ জু নাখাবি নানাঃও। বুঢ়ী যে হৈছ পাহৰি যাৱ কিয়?' কনচাৰীয়ে হাঁহি হাঁহি ক'লে।

'বাধা নিদিব দেই পাই। মৰিলে মৰিম। ইমান ভাল লাগিছে আজি। এই মামৰিয়া ল'ৰাটো এভিয়াহে থিত লাগিব। বিয়া নকৰাও নকৰাও কৰি আছিল। কওকচোন পাই— বিয়া নকৰালে সমাজে কি বুলিলেহেঁতেন? ভাল হৈছে পাই। কছাৰী হ'ল কি হ'ল। ৰজাৰ ছোৱালী। এনে ধুনীয়া খৰলা সহজতে পাবলৈ নাই দেই পাই। অৱশ্যে আপোনাৰ দৰে হ'ব নোৱাৰে। আপুনিতো পূৰ্ণিমাৰ জোনযেন ধুনীয়া।'

'থ' নানাঃও। আনে শুনিলে হাঁহিব। কিযে কৱ।' কনচাৰীয়ে হাঁহিলে।

'সঁচা কৈছো। হাঁহিলে হাঁহক। আপোনাৰ জোৰৰ কোনোবা আছেনে? এতিয়াও আপোনাক দেখিলে মানুহে ৰ' লাগি চায় বুজিছে। ময়ো চাও। বুঢ়া দেওৰাজাৰতো কথাই নাই।'

'এই— এই নানাঃও — জু খাই তোৰ মুখৰ বান্ধ নাইকিয়া হৈছে— থ'— জুৰ বাতি নমাই থ'।'

'নথওঁ। আজি মোৰ যি মন যায় তাকেই কম। ভাবকচোন পাই— দেওৰাজাক আপুনি কি কৰিলে। আপোনাৰ কথা ভাবি ভাবিয়েই দেওৰাজা বুঢ়া হৈ গ'ল। তথাপিও আপোনাৰ মন-কাণ নাই।'

'নানাঃও মনে মনে থাক বুলিছো। আজি মৰো কালি মৰোকৈ থকা বুঢ়া-বুঢ়ী এহালক লৈ কিবোৰ বকিছে চা। দিম দেই এছাট।'

'দিয়ক। আপোনাৰ এছাট পালে ভালহে লাগিব। ৰাইজে ক'ব— আবি কনচাৰীয়ে বুঢ়ীজনীক মাৰিছে চা— ৰাইজেতো নাজানে— আপোনাৰ কাৰণে মৰিব পৰা বুঢ়া দেওৰাজাটোৱে এতিয়াও আপোনাকেই চাই আছে। চাওঁক— দেওৰাজাক চাওঁক—'

অনেক যুগৰ আগৰ দৰে জিৰজিৰাই হাঁহি উঠিল সোণজিৰাই।

কনচাৰীয়েও।

কনচাৰীৰ মনতো টো খেলি গ'ল সীমাহীন আনন্দই।

'ব'ল নানা ঃ ও কইনাজনীক এবাৰ চাই আহোগৈ। কইনা বাহৰত জা-জলপান ভালদৰে পাইছেনে নাই চাই অহাও হ'ব।'

'বলক পাই। মই কালিৰে পৰা কেইবাৰযে গ'লো। চাই চাই হেঁপাহেই পলোৱা নাই।'

বাতিত থকা জুখিনি একেশোহাই শেষ কৰি সোণজিৰা উঠিল। ৰভাতলৰ মাজেৰে, অঁগনন কৌতুহলী চকুৰ আগেৰে কইনাবাহৰলৈ গৈ থাকিল আবি কনচাৰী আৰু সোণজিৰা। আনন্দেৰে জীপাল হৈ।

কইনা বাহৰত ডিমাবঙৰ পৰা অহা আত্মীয়স্বজনেৰে পৰিবেষ্টিত হৈ তলমুৰ কৰি বহি আছিল কইনা সুকোমলা। দৰাঘৰৰ পৰা দিয়া কাপোৰ আৰু গা-ভৰা গহনাৰে জ্বলমলাই উঠিছে সুকোমলা। বিয়াৰ আনন্দত মতলীয়া আত্মীয়া আৰু দাসীসকলৰ হাঁহি-ধেমালিৰ মাজত মনে মনে বহি আছে সুকোমলা। ন-কইনাৰ ঔজ্বল্য সর্বাংগত উজ্বলি উঠিলেও চকুযোৰত যেন নাই ন-কইনাৰ কোনো সপোন। ন-কইনাৰ কোনো আৱেগ। কোনো ভাবালুতা।

যদি কিবা আছে সি মাত্র কাঠিন্য। প্রতিজ্ঞাৰ কাঠিন্য। আৰু বিষাদ। সুগভীৰ বিষাদ।

দেশৰ কাৰণে যে বলি যাবলৈ ওলাইছে সুকোমলা। নিজৰ সকলো সপোন, সকলো আকাংক্ষা ত্যাগ কৰি এক বৈৰী পুৰুষৰ লগত সংসাৰ কৰিবলৈ আহিছে সুকোমলা। পাৰিবনে সুকোমলাই? দেউতাকে দিয়া এই গুৰু দায়িত্ব পালন কৰিব পাৰিবনে? মহাবীৰ জোঙাল বলহুক শক্তিহীন কৰাত সফল হ'ব পাৰিবনে সুকোমলা?

চিন্তাৰ দ' সুঁতিত বুৰ গৈছে সুকোমলা।

ন-কইনাই ভবা কথাবোৰ ভবাৰ কোনো প্রস্তুতি তাইৰ নাই। কিন্তু একেটা সময়তে জোঙালৰ প্রতি সুকোমলাই অনুভৱ কৰিছে সুতীব্র কৌতুহল।

জোঙাল বলহু দেখাত কেনেকুৱা?

জোঙাল বলহুৰ স্বভাৱ কেনেকুৱা?

ৰাজনৈতিকভাৱে বিয়া পাতিবলৈ ওলাই কেনে লাগিছে জোঙাল বলহুৰ? বৈৰী ৰজাৰ জীয়েকৰ কথা ভাবিছেনে জোঙাল বলহুৰে? নে তেওঁৰ মনত জন্ম হৈছে একেই বিদ্বেষ আৰু বিতৃষ্ণাৰ? সুকোমলাৰ দৰেই?

ডিমাবঙৰ ৰাজকাৰেঙত জোঙাল বলহুৰ বীৰত্বৰ কথা অনেক শুনিছে সুকোমলাই। ৰূপৰ কথাও শুনিছে। চহৰিৰ ওচৰৰ কছাৰী জনবসতিৰ পৰা ডিমাবঙৰ কাৰেঙৰ দাসী ৰূপে হৈ যোৱা সমবয়সীয়া মৌখাতিৰ পৰা জোঙাল বলহুৰ কথা সাধুকথা শুনাদি শুনিছিল সুকোমলাই। অবিবাহিত ডেকাৰজা জোঙাল বলহুৰ এখন সুন্দৰছবি সুকোমলাৰ গাভৰু বুকুত আঁকা হৈ গৈছিল।

সৌসিদিনালৈকে জোঙাল বলহুৰ বেয়া কথাবোৰ কে'নেও কোৱা নাছিল সুকোমলাক।

কিন্তু লাহে লাহে দেউতাকে তাইক ক'বলৈ আৰম্ভ কৰিছিল জোঙাল বলহুৰ বেয়া কথাবোৰ।

শুনি শুনি খং উঠি গৈছিল সুকোমলাৰ। কছাৰী ৰাজ্যক ধ্বংস কৰিবলৈ উঠিপৰি লগা জোঙাল বলহু নামৰ ভয়ানক পুৰুষজনৰ প্ৰতি সুকোমলাৰ মনত ধীৰে ধীৰে গঢ়ি উঠিছিল তীব্ৰ বিদ্বেষ।

তেনেকুৱা এটা দিনতেই দেউতাকে তাইক মন্ত্ৰণা কক্ষলৈ মাতি পঠিয়াইছিল। মন্ত্ৰণা কক্ষত বহি আছিল প্ৰধান সেনাপতি আৰু আলহীদেউ ধনেশ্বৰ।

প্ৰথমতে দেউতাকে তাইক জোঙাল বলহুৰে কছাৰী ৰাজ্য আক্ৰমণ কৰাৰ পৰিকল্পনাৰ কথা কৈছিল। তাৰ পিচত দেউতাকে তাইক কৈছিল—

'বাংলা ৰাজা আৰু আৰিখীডীমাৰ বংশৰ আমাৰ পূৰ্বপুৰুষসকলক লালুং জোঙাল বলহুৰ হাতত অপমান হ'বলৈ দিব নোৱাৰি। আমি কিবা এটা কৰিবই লাগিব আই। জোঙাল বলহুক দুৰ্বল কৰি তুলিব নোৱাৰিলে এই চিৰ স্বাধীন ডিমাবং এদিন চহৰিৰ তলতীয়া হৈ পৰিব।'

'তুমি কি কৰিব খুজিছা আফা?' সুকোমলাই চিন্তিত হৈ সুধিছিল।

'আমি জোঙাল বলহুৰ লগত মিত্ৰতা কৰিব খুজিছো আই। তোক জোঙাল বলহুলৈ বিয়া দিলে জোঙাল বলহু আমাৰ মিত্ৰ হৈ পৰিব।'

দেউতাকৰ কথা শুনি অবাক হৈ গৈছিল সুকোমলা।

'সেই বেয়া মানুহটোলৈ মোক বিয়া দি মিত্ৰতা কৰিবা? কছাৰীৰ ছোৱালী লালুঙলৈ দিবা?'

'দিবলৈ মন নাই আই। কিন্তু কি কৰিবি? মই এই ৰাজ্যৰ ৰজা। ৰাজ্যৰ মংগলৰ কাৰণে এইখিনি ত্যাগ কৰিবই লাগিব। আৰু কছাৰী লালুংনো কি— আমিতো বেছিভাগ

কথাতে একেই, ভাষাটোহে অলপ বেলেগ। আৰু দুই-এটা কথাহে বেলেগ। তই এই ৰাজ্যৰ ৰাজকুঁৱৰী হৈ এইখিনি ত্যাগ কৰিব লাগিব আই। তই জানো দেশৰ কাৰণে জীৱন আগ কৰা আমাৰ বীৰ বীৰাংগনাসকলৰ কথা শুনা নাই? ৰাংগাদাও, দেগাদাও, ডেমালিক, হালোদাও আদি বীৰ পুৰুষসকলে দেশৰ কাৰণে কেনেকৈ যুঁজ কৰিছিল তই জানো নাজান? আমাৰ ওৰাইৰাংমা আৰু ওৰাইৰীংমা নামৰ বীৰ নাৰীয়ে কেনেকৈ নিজৰ কথা নাভাবি দেশৰ কাৰণে ৰণ কৰিছিল তই জানো শুনা নাই? তেওঁলোকৰ নাম শুনিলে যেনেকৈ আমি মুৰ দোঁৱাও এদিন তোৰ নাম শুনিলেও আমাৰ মানুহে মুৰ দোঁৱাব। দেশৰ কাৰণে ত্যাগ কৰাৰ ভাগ্যনো কেইজনৰ হয়? তই সৌভাগ্যৱতী। সেই কাৰণে দেশৰক্ষাৰ মহান দায়িত্ব তই লাভ কৰিছ।'

দেউতাকে আৰু বহুত কথা কৈছিল। আলহীদেউ ধনেশ্বৰেও কৈছিল। শুনি শুনি দেশৰক্ষাৰ দায়িত্ব পোৱা সৈনিকৰ ৰোমাঞ্চকৰ আৱেগেৰে ৰোমাঞ্চিত হৈ উঠিছিল সুকোমলা।

তাৰ কিছুদিন পিচত বিয়াৰ দিন-বাৰ ঠিক হৈছিল। কিন্তু জোঙাল বলহুৱ এটা চর্ত আছিল। ডিমাবঙলৈ আহি সুকোমলাক বিয়া কৰাই নিনিয়ে জোঙাল বলহুৱে। কছাৰী ৰজাই চহৰিত বাহৰ পাতি জীয়েকক বিয়া দিব লাগিব। উপায় নাপাই সেই চর্ত মানি লৈছিল কছাৰী ৰজাই। কিন্তু অপমানৰ জুয়ে তেওঁক দহিবলৈ আৰম্ভ কৰিছিল। ধনেশ্বৰ কথাই সেই জুইকুৰা দুগুণে জ্বলাই তুলিছিল। সকলো সংশয় শেষ হৈ গৈছিল কছাৰী ৰজাৰ। তেওঁ সুকোমলাক আকৌ মন্ত্রণা কক্ষলৈ মাতি লৈ গৈছিল। সেইদিনা মন্ত্রণা কক্ষত মাত্র আলহীদেউ ধনেশ্বৰহে আছিল। প্রধান সেনাপতি নাছিল।

তাইক ওচৰত বহুৱাই লৈ দেউতাকে কৈছিল —

'ব্রাইশ্রিবায়ৰ নামত, আই গামাডিৰ নামত শপত খাই ক— আজি তোক যি কথা ক'ম সেই কথা তই কাকো নকৰ।'

আচৰিত হৈছিল যদিও দেশপ্রেমিক সৈনিকলৈ ৰূপান্তৰিত হোৱা সুকোমলাই শপত খাইছিল। তাৰ পিচত কৈছিল —

'কোৱা— কি কথা ক'ব খুজিছা আফা।'

দেউতাকে আকৌ কৈছিল—

'শ্রিবায়ৰ নামত শপত খাই আৰু এটা কথা ক'— আজি তোক মই যি ক'ম সেই কথা আখৰে আখৰে পালন কৰিবি।'

'কৈছো। শ্রিবায়ৰ নামত শপত খাই কৈছো আই কালিখা কামাখ্যা, আই ৰণচণ্ডীৰ নামত শপত খাই কৈছো—তুমি যি ক'বা তাক আখৰে আখৰে পালন কৰিম।' সুকোমলাই দৃঢ়তাৰে কৈছিল।

কিন্তু তাৰ পিচতে দেউতাকে যিকেইটা কথা কৈছিল শুনি উচপ্ খাই উঠিছিল সুকোমলা।

জোঙালৰ পত্নীৰ ৰূপত থাকি কছাৰী ৰাজ্যৰ হৈ চোৰাংচোৱাৰ কাম কৰিব লাগিব।

কি অসম্ভৱ কথা!

স্তম্ভিত হৈ গৈছিল সুকোমলা। প্ৰতিবাদ কৰি উঠিছিল।

তেতিয়া আলহীদেউ ধনেশ্বৰে কৈছিল—

'ৰজাদেৱতাৰ কথা শুনি তোমাৰ মনটো বেয়া লগাতো অতি স্বাভাৱিক ৰাজকুঁৱৰীদেউ। কিন্তু ভাবি চোৱাচোন, তোমাৰ অকণমান সহায়ৰ কাৰণে এই ৰাজ্যখন যে কিমান ডাঙৰ বিপদৰ পৰা ৰক্ষা পৰিব। ৰজাদেৱে জানো তোমাক জোঙাল বলহুৰ অহিত চিন্তিবলৈ কৈছে? জোঙাল বলহু কিমান ৰাজ্যলোভী তুমি দেখোন জানাই। তেওঁৰ শক্তিৰ লগত আমি ফেৰ মাৰিব নোৱাৰো। তেওঁ আমাৰ কছাৰী মানুহবোৰৰ দৰে সহজ-সৰল নহয় নহয়। আমি যিমানেই মিতিৰ নাপাতো, জোঙালে ডিমাবং অধিকাৰৰ লোভ এৰিব নোৱাৰে। আমাৰ ৰাজ্যৰ দৰে সকলো ফালৰ পৰা উন্নত ৰাজ্য এখন লাভ কৰিব পাৰিলে জোঙাল বলহুৱে আৰু আগুৱাই আহোমৰ ৰাজ্যও দখল কৰিবগৈ। জয়ন্তীয়া ৰজাৰ লগত জোঙালৰতো মিতিৰালি আছেই। উজনিৰ খেতি-পথাৰ, গছ-বনৰ ওপৰতো তাৰ চকু আছে। আমাক মিতিৰ বুলি সঁচাকৈ ভবা হ'লে সি জানো ডিমাবঙলৈ আহি তোমাক বিয়া কৰাই নিনিলেহেঁতেন? কোনজনী কছাৰী ৰাজকুঁৱৰী দৰাৰ ঘৰলৈ গৈ বিয়াত বহিছে? সেয়া অপমান নহয়জানো? আমাক তলতীয়া বুলি ভবাৰ প্ৰমাণ নহয় জানো? নিজৰ ৰাজ্যৰ ভাল হওঁক বুলি ৰজাদেৱতাই ইমান অপমান সহি চহৰিলৈ গৈ বাহৰ পাতি তোমাক বিয়া দিবলৈ বাধ্য হৈছে। ৰজাদেৱতাই যদি ইমানখিনি পাৰে তুমি কিয় নোৱাৰিবা? জোঙালে আনৰাজ্য দখল কৰে, মিত্ৰতা কৰে, যি কৰে কৰক। আমি সিমানলৈ নাভাবো। আমাৰ ৰাজ্যখন ভালেৰে থাকিলেই হ'ল। তুমি যদি অলপমান ভিতৰুৱা বা-বাতৰি দিব পাৰা তেতিয়া আমি সি আক্ৰমণ কৰিলে প্ৰতিৰোধ কৰিব পৰাকৈ সাজু হৈ থাকিব পাৰিম। ইয়াতকৈ আৰু বেছি একো কৰিবলৈতো ৰজাদেৱতাই কোৱা নাই। কিয় নোৱাৰিবা ৰাজকুঁৱৰী আইদেউ? তুমি জানো বীৰাংগনা নহয়?'

আলহীদেৱে আৰু বহুত কথা কৈছিল। দেউতাকেও কৈছিল। সুকোমলাৰ বুকুত তেওঁলোকে জ্বলাই তুলিছিল বিদ্বেষ আৰু দেশপ্ৰেমৰ একুৱা দপদপীয়া জুই।

সেই জুইকুৱা বুকুত লৈয়েই চহৰিলৈ আহিছে সুকোমলা।

জোঙাল বলহুৱে বিবাহ প্ৰস্তাৱ গ্ৰহণ কৰিছিল চৰ্ত সাপেক্ষে। বিবাহ চহৰিব

বাহৰত হ'ব লাগিব। কছাৰী ৰাজ্যলৈ বিয়া কৰাবলৈ নাহে জোঙাল বলহু। কন্যাক জোঙালৰ ৰাজ্যলৈ নি বাহৰ পাতি বিয়া দিব লাগিব। ৰাজনৈতিকভাৱে দুৰ্বল হৈ পৰা দেউতাকে সেই অপমানজনক প্ৰস্তাৱতো সমৰ্থন দিয়া দেখি নিজ ৰাজ্যৰ নিৰাপত্তাৰ কথা ভাবি দুখী হৈ পৰিছিল সুকোমলা। পিতৃৰ সকলো নিৰ্দেশ মানি লৈছিল। ডিমাবঙৰ পৰা ওলাই আহিবৰ সময়ত ৰাজধানীৰ দুৱাৰ মুখত থকা ৰণচণ্ডীৰ মন্দিৰৰ বিগ্ৰহ চুই শপত খাই সুকোমলাই কৈছিল—

'মই কেতিয়াও জোঙাল বলহুৰ ৰাণী হৈ নিজৰ দেশক পাহৰি নাযাওঁ। শ্ৰিবায়ৰ শপত, আই ৰণচণ্ডী, আই গামাডিৰ শপত মই নিজকে জোঙালৰ পত্নী বুলি নাভাবো। দেশৰ সৈন্য বুলি ভাবিম।'

'দৰাৰ আইতাক আহিছে। শুচ শুচ, বাট এৰি দে।'

দুজনীমান তিৰোতাই হুলস্থূল কৰি উঠা শুনি সুকোমলাই মূৰ তুলি চালে। দুৱাৰমুখত থিয় হৈ আছে জোঙাল বলহুৰ আইতাক আৰু মাহীয়েক।

'বিয়াৰ আগতে আকৌ এবাৰ আমাৰ পহাৰীজনীক চাই যাওঁ বুলি আহিলো।' জু খাই উৰণীয়া হৈ থকা সোণজিৰাই জিৰজিৰাই হাঁহি উঠিল। তেওঁলোকক বহুৱাবলৈ আটাইবোৰ তিৰোতাৰ হুৱাহুৰি লাগি গ'ল।

সোণজিৰা আৰু কনচাৰী আহি সুকোমলাৰ ওচৰত বহিল।

সুকোমলাৰ মুখখন থুতৰিত ধৰি তুলি মুখলৈ মুগ্ধ হৈ চাই থাকি সোণজিৰাই ক'লে—

'আই ঐ— কইনাজনীৰ মুখখন দেখোন শুকাই আছে। একো খোৱা নাই নেকি অ' পহাৰী?'

'খোৱাৰ নিয়ম নাই বোলে।' সুকোমলাই তলমূৰ কৰি লাহেকৈ ক'লে।

'মই জানিছিলো তোক যে কোনেও খাবলৈ নিদিয়ে। এয়া চা মই মনে মনে কাপোৰৰ তলত লুকুৱাই পিঠা দুখন লৈ আনিছো। খা। মনে মনে খা। একো নহয়।'

'নালাগে।' সুকোমলাই কণ্ঠ নকওঁকৈ ক'লে।

'নালাগে কি অ'। বিয়া হবি—হবি। সেইবুলি নাখাবিনে। মই জকাংককো মনে মনে খুৱাই থৈ আহিছো বুজিছ। তই আকৌ কাকো নক'বি।'

'জকাংক কোন?' সুকোমলাই লাহেকৈ ক'লে।

'অ' মোৰ গছাই। জকাংক কোন নাজান? জোঙাল অ'— জোঙাল। ল'— খা।'

'নানাঃও—জোৰ নকৰিবিচোন। মাজনীক তই জকাংকৰ দৰে নাখাই থাকিব নোৱাৰা বুলি ভাবিছ নেকি? নালাগে খাব সুকোমলা। এই সোণজিৰা আছিজনীক তুমিতো দেখি দেখি চিনিছাই। আজি পুতেকৰ বিয়া বুলি জু খাই মতলীয়া হৈ আছে

বুজিছা। মোকতো জানিছাই— মই আবি হওঁ। মই কিন্তু ইয়াত নাথাকো। গোভাতহে থাকো। সোণজিৰাহে ইয়াত থাকে। তাই জকাংকক তুলি-তালি ডাঙৰ কৰিছিল। বৰ মৰম কৰে তাক। এইকেই তোমাৰ মা বুলি ভাবিবা। বৰ মৰমীয়াল তাই। বুজিছা?'

'বুজিছো আবি।' সুকোমলাই তলমুৰকৈ ক'লে।

'আমাৰ জকাংকক তয়েই চাব লাগিব বুজিছ পহাৰী। বৰ একাচেকা ল'ৰা। মনটো কিন্তু একেবাৰে কপাহৰ দৰে। বিয়া নকৰাও নকৰাওকৈ আছিল। ছোৱালীৰ নাম শুনিলে সাতজাপ মাৰিছিল। এতিয়া দেখিম নহয়— কি কৰে। এনেহেন শুৱনি ছোৱালী এৰি সি ৰাজানঃৰ পৰা ওলাওকচোন চাওঁ।' সোণজিৰাই আকৌ হাঁহি উঠিল।

ৰজাদৰাৰ আইতাকক দেখি আঁতৰ হৈ বহা মহিলাসকল সেই হাঁহি দেখি সাহস পাই ওচৰ চাপি আহিল।

হাঁহি-ধেমালিত মুখৰিত হৈ উঠিল কইনা বাহৰ। সুকোমলাই তলমুৰ কৰি আছিল। তাইৰ মনটো কেনেবা কেনেবা লাগিছিল। এই দেখিলেই ভাল লাগি যোৱা বৃদ্ধা দুগৰাকীৰ মাজত বৈৰীতাৰ সূত্ৰ বিচাৰি নাপাই অস্বস্তি লাগিছিল সুকোমলাৰ। ভালো লাগিছিল।

'কইনাক বিবাহথলীলৈ নিবৰ হ'ল।'

সুকোমলাৰ দেউতাক আহি দুৱাৰমুখত থিয় হ'ল।

সুকোমলাই মুৰ তুলি চালে। পলকতে এজোলোকা চকুপানীয়ে চকু দুটা বুৰাই পেলালেহি।

বিয়ালৈ মাক নাহিল। অথচ তেওঁ আটাইতকৈ বেছি সুকোমলাকেই মৰম কৰিছিল। দেউতাকে অনেক বুজোৱাতো মাক আহিবলৈ মান্তি নহ'ল।

'যি বিয়াত মোৰ কন্যা বলি যাবলৈ ওলাইছে সেই বিয়ালৈ মই নাযাওঁ।' মাকে কৈছিল। সুকোমলা ওলাই আহিবৰ পৰত কান্দি কান্দি বাউলি হৈ গৈছিল মাক।

'নাকান্দিবি অ' পহাৰী। আমি আছো নহয়। সোণজিৰাই ক'লে।

সেই মাতষাৰে সুকোমলাৰ মনটো যেন মোহাৰি সামৰি পেলালে। চকুৰপানীয়ে তিয়াই পেলালে কইনাৰ বাবে চামলে আনি দিয়া সোণৰ গুণাৰে বোৱা কাপোৰসাঁজ।

এজাক আয়তীৰ বিয়ানামৰ মাজেৰে সুকোমলা কইনাবাহৰৰ পৰা ওলাই আহিল।

ডিমাছা-কছাৰীৰ নিয়ম অনুসৰি প্ৰথমে বিয়াৰ কাম আৰম্ভ হ'ল। ৰভাতলীত এফালে দৰাঘৰৰ মানুহ বহিব। আনফালে বহিব কইনা ঘৰৰ মানুহ। নিয়ম।

পুৰোহিতে প্ৰথমে নিয়ম অনুসৰি দৰাৰ মাক-দেউতাকক বহিবলৈ মাতিলে।

নিমিষতে নিস্তব্ধ হৈ গ'ল ৰভাতলী। বিষণ্ণতাৰ টো এটা বাগৰি গ'ল বিয়াৰ ৰভাতলীত গোটখোৱা জোঙালৰ আত্মীয় আৰু খলা, গোভা, চহৰিৰ মুখিয়াল সকলৰ মনৰ ওপৰেদি। ম্লান হৈ গ'ল সোণজিৰা। ম্লান হৈ গ'ল কনচাৰী।

'দৰাৰ মাক আফাক নাই মাননীয় গিছিয়া।' সাধুকুমাৰে ক'লে।

'আছি আহক। আছি বহিব।' জোঙালে গম্ভীৰ কণ্ঠেৰে কৈ উঠিল।

সোণজিৰা বিগলিত হৈ গ'ল। মুহূৰ্ততে ধাৰাসাৰে বৈ আহিল চকুপানী।

'যা নানাঃও।' কনচাৰীয়ে লাহেকৈ ক'লে।

চকুপানী মচি মচি সোণজিৰা আহি বহিলহি। ধন্য হৈ গৈছে সোণজিৰা। সার্থক হৈ গৈছে জীৱন।

তাৰ পিচত কইনাঘৰীয়া বহা ঠাইত মূল পুৰোহিত গিছিয়াৰ নির্দেশত গজৰাজ বডচা আহি বহিলহি।

'গিছিয়া মানে কি?' ওচৰতে বহি থকা সাধুকুমাৰক কনচাৰীয়ে সুধিলে।

'মূল পুৰোহিত। ডিমাছা কছাৰীসকলে বাংলাৰাজা আৰু আৰিখীডীমাৰ বংশসম্ভূত পূর্বপুৰুষসকলক উপাসনা কৰে। এই দেৱ-দেৱীসকলৰ অধিস্থান ৰূপে ডিমাছা ৰাজ্যখন বাৰটা ভাগত ভাগ কৰিছে। প্রতিটো ভাগকে ডাঈখো বোলে। মাডাঈখোত মানে আমাৰ দৰে নুবাৰ'ত পূজা সেৱা হয়। প্রত্যেক ডাঈখোত একোজনকৈ জঠাই বা পুৰোহিত থাকে। এই জঠাইজনেই 'ডাঈখো'ৰ মূল ধর্মকর্তা। এই বাৰটা ডাঈখোৰ ওপৰত যিজন মূল ধর্মকর্তা থাকে তেওঁকেই গিছিয়া বোলে। বৰ সম্মানীয় মানুহ।'

'এতিয়া দৰাৰ বংশৰ হাইংগ্রা আৰু হাইংগিডিমা,— মানে আটাইতকৈ বুঢ়া আৰু বুঢ়ী লোক দুজন বহিব লাগে।' গিছিয়াই ক'লে।

কনচাৰী আৰু সাধুকুমাৰ উঠি গৈ ওচৰা-উচৰিকৈ বহিল। এক অচিন অনুভূতিয়ে একে সময়তে জোকাৰি থৈ গ'ল সাধুকুমাৰ আৰু কনচাৰীক। কোনো কাৰণ নোহোৱাকৈ কনচাৰীৰ গাল দুখন তপত হৈ পৰিল।

গিছিয়াৰ নির্দেশত তাৰ পিচত আহি বহিলহি চামল আৰু ৰত্নসিংহ। তাৰ পিচত কুলৰ জেলা আৰু অন্যান্য লোক সকল।

ৰত্নসিংহই চাই আছে সমুখত বহি থকা কনচাৰী, সাধুকুমাৰ আৰু সোণজিৰালৈ। বাৰে বাৰে তাৰ চকুযোৰে পানীৰে উপচি পৰিছে। সীমাহীন বিষাদ, সীমাহীন ক্রোধ, সীমাহীন অভিমান, সীমাহীন আক্ষেপ, সীমাহীন হতাশাই তাক ভাঙি-ছিণ্ডি পেলাব খুজিছে। সোণপানী চৰোৱা বাঁহৰ চুঙাটোৰ পৰা সি লাহে লাহে পী গৈছে আটকীয়া জু লাম্ফু।

মৰি যাবৰ মন গৈছে ৰত্নসিংহৰ।

হেৰাই যাবলৈ মন গৈছে সীমাহীন অন্ধকাৰত।

নিজৰ মাতৃৰ কলুষিত ৰূপৰ স্মৃতিৰ লাজত।

নিজৰ ভগ্নীৰ বিভৎস মৃত্যুৰ যন্ত্ৰণাত।

নিঃসঙ্গতাত।

একেটা সময়তে মৰমেৰে বান্ধ খাই থকা এই আত্মীয় লোকসকলৰ পৰা পোৱা সীমাহীন মৰম আৰু আশ্রয়ৰ কথা ভাবি অনাবিল ভালপোৱাত ৰিগলিত হৈ পৰিছে।

ৰত্নসিংহই জানে, চহৰিৰ পৰা উভতি যোৱাৰ লগে লগেই মচাম্মাই যাব মনত ক্ষণিকলৈ আনন্দৰ ৰহণ চৰোৱা ৰামধেনুখন। ৰত্নসিংহ আকৌ সোমাই পৰিবগৈ ভয়াবহ নিঃসঙ্গতা আৰু যন্ত্ৰণাৰ গহ্বৰত। এই নিঃসঙ্গতা আৰু যন্ত্ৰণাৰ পৰা কোনোদিনেই নিজকে মুক্ত কৰিব নোৱাৰে ৰত্নসিংহই— যিমানেই চেষ্টা নকৰক। ভয়াবহ অতীতে লেলিহান জিভা মেলি মৃত্যুৰ দিনলৈ খেদি ফুৰিব ৰত্নসিংহক। খেদি ফুৰিছে।

মধুমদত ডুবি পলাই ফুৰিছে ৰত্নসিংহই।

আহোঁ বুলিলে সি শুচি আহিব পাৰে গোভালৈ, শুচি যাব পাৰে প্রতাপপুৰলৈ। তাৰ কাৰণে কেবাখনো উমাল বুকুৰ দুৱাৰ উন্মুক্ত হৈ আছে। কিন্তু সেই দুৱাৰেদি প্রৰেশ কৰি সহজ জীৱনলৈ উভতি অহাৰ মানসিক প্রস্তুতি ৰত্নসিংহৰ নাই। তাৰ মনৰ মাজত কি চলি আছে কোনেও নাজানে। আবু কনচাৰী, ককায়েক জকাংক— কোনেও নাজানে। কাৰো আগত নিজকে খুলি ধৰা নাই ৰত্নসিংহই। জহি গৈছে, খহি গৈছে ভিতৰে ভিতৰে।

কিয় কৰিলে তাৰ মাকে এনে কাম?

কিয় এবাৰো নাভাবিলে ৰত্নসিংহৰ কথা? লখাইতৰাৰ কথা?

চকুযোৰ পানীৰে উপচি পৰিছে।

চামলে লাহেকৈ তাৰ কান্ধত হাত থলে।

সচকিত হৈ চামললৈ মুখ ঘুৰাই চালে ৰত্নসিংহই।

চামলে ৰত্নসিংহৰ চকুলৈ চালে।

ৰত্নসিংহৰ এনে লাগিল যেন চামল নহয়— তাঁলৈ চাই আছে পিতাক আৰিমত্তই।

ৰত্নসিংহই তলমূৰ কৰিলে। কেইটোপালমান তপত অশ্রু তাৰ পাটৰ উত্তৰীয়ত সৰি পৰি হেৰাই গ'ল।

জকাংক আৰু সুকোমলাই তেতিয়া পৰিয়ালবৰ্গক সমূহীয়াভাৱে সেৱা জনাবলৈ উঠিছিল। নিয়ম অনুসৰি জকাংকই কইনাৰ পিতৃক সেৱা কৰা নাই। স্বাধীন ৰজাই স্বাধীন ৰজাক সেৱা কৰাৰ নিয়ম নাই। সেয়ে সামূহিকভাৱে সমাজক সেৱা কৰাৰ সিদ্ধান্ত লৈছে।

ৰভাতলীত গোটখোৱা অজস্ৰ মানুহৰ আগত দৰা-কইনা আঁঠুকাঢ়ি বহিল। গিছিয়াই আশীৰ্বাদ দিবলৈ আৰম্ভ কৰিলে—

আমগাদাওজাং আমগাডিকে
ফাগুন বাদাইনহা জায়ত্রি বহৰহা
বনজু বাষ্ঠাৰহা মান্দেৰ
বাথাৰহা আমগাদাওজাং.....

ডিমাবাঙৰ ফা গজৰাজ বডচাৰ নুমলীয়া কন্যা সুকোলাৰ লগত খলা চহৰিৰ দেওৰাজা, জেলা, মুংছা জোঙাল বলছক ফাগুনৰ দিনত, চ'ত মাহৰ ৰাতি, শিমলু ফুল ফুলা সময়ত, মদাৰ ফুল ফুলা সময়ত বছৰাইছো। বংশ পৰিয়াল মাতি, ওচৰ-চুবুৰীয়াক মাতি ডাঙৰ চোতালখনত আসন পাতি, ৰভাতলীৰ খুটাত আউজি, আজিৰ এই মধুৰ দিনটোত পিতৃ-পিতামহ আৰু মাতৃ-মাতামহৰ সমুখত মিলন কৰাইছো। এই দম্পতিয়ে জীৱ-জন্তু পুহিলেও সেইবোৰ বাঢ়িব, ধন-ধান উভৈনদী হ'ব.....

..... খামৰো খামখা চংৰেণ চংখা, য়াউসি গংজি সাইনয়াবা যাউসি সাইনয়াবা। শিবাৰাই ৰীবানী বাসাইন খাহি জালাই ভজি গাৰা ডজিজাং য়াউপি গাজাউনী য়াওখ্রাই ৰেণহি গুপুনী য়াওখ্রাই ৰেণহি য়াউসি গংজি দিবুবা ব্লাইসা দিব্রেং দিবুবা।.....

..... আঙুলি মুৰত গণি, শিৱ ভগৱানে দিয়া দিনটোত, শিৱ ভগৱানে দিয়া ৰাতিটোত ডকা বুঢ়া সকলোৱে সোণৰ সাঁকো গঢ়ি, ৰূপৰ সাঁকো গঢ়ি বহু পথ আৰু নৈ পাৰ হৈ আহিছে। একো বাধা বিঘিনি পোৱা নাই। এজাক চৰাই অহাৰ দৰে, এজাক পহু অহাৰ দৰে পাহাৰ পাৰ হ'ল, নদী পাৰ হ'ল। আঙুলি মুৰত গণিও শেষ হোৱা নাই। মোক সেৱা কৰা নাই— শিৱ ভগৱানকহে সেৱা কৰিছে...

মাটিত মুৰ থৈ আই হেৰেমডী আৰু ব্রাই শ্রিব্রায়ৰ নামত শপত খাইছে সুকোমলাই—

'এই মাটিত মই মুৰ থৈছো-- এই মাটি মোৰ নহয়, এই মাটি মোৰ ডিমাবঙৰ বৈৰীৰ। মই মোৰ ডিমাবঙৰ মাটিৰ কাৰণে জীৱন উচৰ্গা কৰিম— মই ডিমাবঙৰ মাটিৰ কাৰণে মৰিম....'

তেতিয়া বেলি দুপৰ হৈছিল।

৩৬

'আহা আহা ধনেশ্বৰ। বৰ ভাল সময়ত আহিলা।'

ধনেশ্বৰক সোমাই অহা দেখি ফা বড়চাই হাঁহিমুখেৰে ক'লে।

'কিবা সুখবৰ আছে নেকি ৰজাদেৱতা?'

'আজি সুকোমলাৰ পত্ৰ পাইছো। বিয়া দিয়া এমাহ হৈ গ'ল। একো বা-বাতৰি নাপাই বেয়া লাগি আছিল। আজি অনেক বয়-বস্তুৰ লগতে সুকোমলাই পত্ৰ এখনো পঠিয়াইছে। বয়বস্তুবোৰ বোলে জোৱাই ৰজাই সম্মানৰ চিনস্বৰূপে পঠিয়াইছে। জোঙালেও পত্ৰ এখন লিখিছে। মনটো বৰ ভাল লাগিছে ধনেশ্বৰ। জোঙালক আমি যি বুলি ভাবিছিলো তেনে নহয় যেন লাগিছে। সুকোমলায়ো সকলো ভালেই বুলি লিখিছে। থাকি বেয়া লগা নাই বোলে। সোণজিৰা নামৰ মানুহ এগৰাকী থাকে। জোঙালে মাহী বুলি মাতে। তেওঁ বৰ মৰম-সাদৰ কৰে বোলে। এনেকৈ চলিলেতো ভালেই। সুকোমলাক বেয়া কামত নলগালেও হ'ব। তাইক চোৱাংচোৱাৰ কাম কৰিবলৈ দিয়াৰ পৰা মনটো বেয়াই লাগি থাকে। বিয়াৰ দিনা তাই বৰকৈ কান্দিছিল।'

ৰজাৰ কথা শুনি ধনেশ্বৰৰ মুখখন ক্ষণিকলৈ এন্ধাৰ হৈ গ'ল। পিচমুহূর্ততে মনৰ ভাব গোপন কৰি হাঁহিৰে উজলি উঠি ধনেশ্বৰে ক'লে—

'ঠিকেই কৈছে ৰজাদেৱতা— ঘৰৰ জীয়ৰীক এনে কামত লগাব লগা হোৱাটো বৰ দুখৰ কথা। ঈশ্বৰক খাটিছো, আপুনি যেনেদৰে ভাবিছে সেই কথাই যেন সঁচা হয়। মইতো এই এমাহ চিন্তাতেই পৰি আছিলো। আপোনাকহে কোৱা নাই।'

'কিনো ইমানকৈ চিন্তা কৰিছা।'

'জানিব নালাগে দিয়ক ৰজাদেৱতা। মনটোহে বেয়া লাগিব। ইমান এটা ভাল দিন।'

'ভালদিন হ'ল বুলি তুমিনো কি চিন্তাত পৰিছা সেইটোও জানিব নোৱাৰিম নে? কোৱাচোন শুনো।'

'আপুনি আকৌ অন্যভাবে লয় নেকি। মইতো ৰাজনীতি বৰকৈ বুজি নাপাওঁ। চৰু-হাড়ীৰ বেপাৰ কৰা মানুহ।'

'তেনেকৈ নক'বা ধনেশ্বৰ। তুমি নিজকে বেপাৰী বুলি কৈছা কিয়? তুমি যিমান কথা জানা, সিমান কথা জনা মানুহ এই ৰাজ্যত কেইজন আছে? কোৱাচোন— কি চিন্তা হৈছে তোমাৰ?'

'চিন্তা আৰু কি— আপোনাৰ অপমানৰ কথা ভাবিহে মনটো বেয়া লাগি আছিল। আপুনি হ'ল ৰজা মানুহ। সৰু কথাত আপোনাৰ চকু নপৰে। কিন্তু আমি সৰু মানুহ। সৰু কথাতহে চকু। বিয়ালৈ যাওঁতে যি দেখি-শুনি আহিলো, ভাল লাগি থকা নাই।'

'কিনো দেখিলা, কিনো শুনিলা বেয়া লাগিবলৈ? ইমান ডাঙৰ বিয়া আজিলৈকে জানো দেখিছা? কমনো আদৰ-সাদৰ কৰিলেনে আমাক।'

'আদৰ সাদৰ কৰিলে সঁচা। ইমানকৈ খুৱাইছিল যে এতিয়াও খোৱাৰ ভাগৰ পলোৱা নাই। কিন্তু সম্মান জানো দিছিল ৰজাদেৱতা?'

'সম্মান দিছিলতো। জোঙালৰ খুৱাকে প্ৰতাপপুৰৰ দৰে ৰাজ্যৰ ৰজা হৈও নিজেই আমাৰ সকলো কথাৰ তদাৰক কৰিছিল। জোঙালৰ আইতাকে আৰু ককাকে আমাৰ বাহৰলৈ আহি মাত দি গৈছিল। সুকোমলাক দিয়া কাপোৰ, গহনাবোৰ দেখি আমাৰ তিৰোতাবোৰৰ চকু গৈ কপালত উঠিছে। বৰ ডাঙৰ মনৰ মানুহ বুলি সকলোৱে গুণ-গান কৰিছে। জোঙালে নিজেই বিয়াৰ পিচতে আহি সম্মান জনাই গৈছে। তুমিনো কি অসম্মান দেখিলা?'

'অসম্মান দেখিছো ৰজা দেৱতা। ভাবি চাওকচোন— আপোনালোকক আৰু ডিমাবঙৰ পৰা যোৱা এটা পৰুৱাকো জানো গড়ৰ ভিতৰলৈ সোমাবলৈ দিলে? বিয়ালৈ অহা সকলো ৰজাক গড়ৰ ভিতৰত আদৰ-সাদৰ কৰি বহুৱাই পিঠা-পনা খুৱালে— আমাৰ কাৰোবাক জানো মাতিলে? অন্তত আপোনাকতো মাতিব লাগিছিল।'

'আমিতো কইনা বাহৰত আছিলো। সেই কাৰণে নামাতিলে কিজানি।'

'হ'ব পাৰে ৰজা দেৱতা। সৰলভাৱে চালে তেনেকৈ ভাবিবই পাৰি। কিন্তু দ'কৈ ভাবি চালে কথাটো বেয়া যেন নালাগেনে?'

'লাগে অৱশ্যে ধনেশ্বৰ। তুমি ঠিকেই কৈছা। আমাক এবাৰলৈ হ'লেও গড়ৰ ভিতৰলৈ মাতিব লাগিছিল। তিনিদিন থাকিলো।'

'বিয়াৰ মাজত নিনিলে বাৰু— বিয়াৰ পিচততো নিব লাগিছিল। বাহিৰে বাহিৰে বিদায় দিয়াৰ কাৰণ কি হ'ব পাৰে?'

'তুমি কি বুলি ভাবা ধনেশ্বৰ?'

'মোৰ মতে আমাক জোঙালে বিশ্বাস কৰা নাই। আমি কিজানি গড়ৰ ভিতৰৰা কথাবোৰ জানি যাওঁ— সেই বুলিয়েই সোমাবলৈ দিয়া নাই। কইনা বাহৰৰ চাৰিওফালে কিমানবোৰ ৰণুৱা ৰাখি থৈছিল মন কৰিছিলনে ৰজাদেৱতা?'

'ঠিকেই কৈছা ধনেশ্বৰ। মই ইমান দ'কৈ কথাবোৰ ভবাই নাছিলো। আমাক বিশ্বাস নকৰে কাৰণেই সি ইয়ালৈ বিয়া কৰাবলৈ নাহিল। আমাকো তাত গড়ৰ ভিতৰলৈ সোমাবলৈ নিদিলে।'

'সুকোমলাই তাত ভাল পাইছে যেতিয়া এই অপমানৰ কথাটো বেছিকৈ নভবাই ভাল ৰজাদেৱতা।'

'কিয় নাভাবিম ধনেশ্বৰ। তুমি ক'লেই নহ'ব নহয়। ভাবিব লাগিব। সুকোমলাই ভাল লাগিছে বুলিলে নহ'ব। তাই শ্ৰিবায়ৰ নামত শপত খাইছে।'

'সৰু ছোৱালী। গহনা, কাপোৰ-কানি ইমানবোৰ পাইছে। মৰম-চেনেহো পাইছে। জোঙাল দেখাতো সুন্দৰ। ভাল লাগিবই। ইমানবোৰ সোণৰ গহনা, ইমানবোৰ সোণ-ৰূপৰ বনকৰা কাপোৰ আমি জানো দিব পাৰিছো? বিয়াৰ সময়ত আমি যে সকলোফালে দুৰ্বল সেই কথা দেখদেখকৈ ওলাই পৰিছে। জোঙালেনো ইমানবোৰ কাপোৰ-গহনা দিলে কিয়? আমাক সৰু কৰি দেখুৱাবলৈ নহয়তো?'

'হ'ব পাৰে বুজিছা ধনেশ্বৰ। সেই কাৰণেও হ'ব পাৰে। সি যে ইমান ডাঙৰকৈ বিয়া পাতিছে তাতো তাৰ কিবা উদ্দেশ্য আছে যেন লাগিছে।'

'ৰজাদেৱতা অভিজ্ঞ মানুহ। আমাৰ দৰেতো বুদ্ধি-বৃত্তিহীন নহয়। মই এতিয়াহে ভাবিছো— জোঙালে যে চাৰিও দিশৰ আটাইবোৰ ৰজাক মাতিলে, নিজৰ বলশক্তি দেখুৱাবলৈহে কিজানি। আটাইবোৰ ৰজাৰ লগত এই চেগতে একগোটো হ'ল— আমাকো বুজাই দিলে যে তাৰ লগত আটাইবোৰ ৰজা আছে। আমি তাৰ একোৱেই কৰিব নোৱাৰো। নিজকে বৰ তলতীয়া তলতীয়া লাগিছে ৰজাদেৱতা।'

'লাগিবতো। নালাগিব কিয়। তাৰ উদ্দেশ্য ভাল নহয় বুজিছা ধনেশ্বৰ। সি আটাইবোৰ ৰজাক তলতীয়া কৰি নিজে বৰৰজা হ'ব খুজিছে।'

'ৰজাদেৱৰ কথাই সঁচা যেন লাগিছে। বিয়া হোৱা এমাহ হৈ গ'ল— সুকোমলাক লৈ তেওঁ জানো এবাৰ ডিমাবণ্ডলৈ আহিব নালাগিছিল? বস্তু পঠিয়ালে কি হ'ব? আপোনাৰ জানো বস্তুৰ অভাৱ আছে? এইবোৰ অহংকাৰৰ কাৰণে কৰিছে। দেওতবোৰাল হাতত আছেতো। গড়মাৰি সুৰক্ষিত কৰি লৈছেতো। তাতে চাৰিওফালে পানী। কোনেও তেওঁৰ একো কৰিব নোৱাৰে বুলি জানি অহংকাৰ হৈছে।'

'অহংকাৰ কিমান দিন কৰে চাওঁ। কিবা এটা কৰিবই লাগিব। কি কৰা যায় ভাবিবাচোন ধনেশ্বৰ।'

'আমিনো ভাবি কি পাৰ পাম ৰজাদেৱতা। চুটি বুধিৰ মানুহ। কিন্তু এই চুটি বুধিৰেই মই এটা কথা ভাবিছো ৰজাদেৱতা।'

'কোৱাচোন।'

'দেওতবোৱালখন যদি আমি কেনেবাকৈ আমাৰ হাতলৈ আনিব পাৰো কেনে হয়?'

'ঠিক। ঠিক কৈছা ধনেশ্বৰ। সেইখনৰ কাৰণেইতো ইমান অহংকাৰ। সেইখন আনিলেই সি বিষ নথকা সাপ হৈ যাব খুজিছা। কিন্তু সেইখন আনিম কেনেকৈ? সি বোলে সেইখন এনে ঠাইত থৈছে যে কোনেও আজিলৈকে দেখাই নাই।'

'সুকোমলা আইদেৱে অলপমান চেষ্টা কৰিলেই বিচাৰি উলিয়াব পাৰিব। ৰাজহাউলিৰ ভিতৰতে ক'ৰবাত আছে বোলে।'

'সুকোমলাই পাৰিব জানো? তাই যদি বিপদত পৰে? জোঙালে জানিলে জানো শুদাই এৰিব?'

'সুকোমলা আইদেউ বুদ্ধিমতী ছোৱালী। নিজৰ ৰাজ্যৰ ভালৰ কাৰণে এইখিনিনো কৰিব নোৱাৰিবনে? মই এটা কথা ভাবিছো। আমাৰ ইয়াৰ পৰা এতিয়ালৈকে তালৈ কোনো যোৱা নাই। তেৱোঁ নিমন্ত্রণ কৰা নাই। নিমন্ত্রণ নোপোৱাকৈ আপুনি যোৱাটো উচিত নহয়। মান-সম্মানৰ কথা। কিন্তু মোৰতো মান-সম্মানৰ কথা নাই। জোঙালে ইমানবোৰ উপঢৌকন পঠিয়াইছে। আমিওতো পঠোৱা উচিত। আমি তল হৈ থাকিম কিয়? ময়েই লৈ যাওঁ। আপুনি পত্র এখন লিখি তাই কি কৰিব লাগে জনাই দিয়ক— মই মনে মনে দি আহিমগৈ। গড়ৰো চাৰিওফালে যি পাৰো চাই, যি পাৰো জানি-বুজি আহিম।'

'ভাল কথাই কৈছা ধনেশ্বৰ। মই অতি সোনকালে তোমাক পঠিওৱাৰ ব্যৱস্থা কৰিম।'

'কিন্তু মই এটা কথা ক'ব খোজো ৰজাদেৱতা, যদি দোষ নধৰে।'

'কোৱাচোন।'

'আমি যে এইবোৰ কথা পাতিছো কাকো নজনোৱাই ভাল ৰজাদেৱতা। বেৰ-চালৰো কাণ আছে। ৰাজ্যত জোঙালৰ চোৰাংচোৱা পিয়াপি দি ফুৰিছে। কোনে কি লগায়গৈ ঠিক নাই। কেনেবাকৈ জোঙালৰ কাণত পৰিলে পয়মাল হ'ব। আমাৰ প্রধান সেনাপতিদেৱ ভাল মানুহ। পিচে বৰ সৰল। সময়ত তেওঁতো জানিবই। আগতীয়াকৈ কথাবোৰ নজনোৱাই ভাল।'

'ঠিকেই কৈছা ধনেশ্বৰ। সেনাপতি বৰ বেছি সৰল। নজনোৱাই ভাল। ময়ো ভাবিছো।'

'আৰু এটা কথা ৰজাদেৱতা— কেইজনমান চোৰাংচোৱা যদি মোৰ অধীনত দিয়ে যাওঁতে মই লগত লৈ যাব পাৰিম। পিচলৈও দুই-এটা লাগতিয়াল বাতৰি আনিবলৈ ব্যৱহাৰ কৰিব পাৰিম। কিন্তু তেওঁলোক সেনাপতিৰ বিশ্বাসী মানুহ হ'লে

ভাল নহ'ব।'

'তেনে চোৱাংচোৱানো ক'ত পাবা? আমাৰ সকলো সৈন্য আৰু চোৱাংচোৱাই তেওঁক বৰ মানি চলে।'

'কিন্তু আগতীয়াকৈ কথাবোৰ ওলাই গ'লে যে আমাৰ গালৈকে বিপদ। এটা কাম ক'ৰো নেকি ৰজা দেৱতা— মই নিজেই সৈন্যবাহিনীৰ বাহিৰৰ দুই-চাৰিজন বিশ্বাসী মানুহ লগত লৈ লওঁ নেকি?'

'তেনে মানুহ আছে যদি লোৱা। চাবা যাতে ভাল কৰিবলৈ গৈ বেয়া নহয়।'

'এই দুটা চকুৰে বহুত মানুহ দেখিলো ৰজাদেৱতা। বেপাৰীৰ চকু। মানুহ চিনোতে ভুল নহয়। সেই কাৰণেইতো নিজৰ মাটি-ভেঁটি এৰি আপোনাৰ শৰণ লৈছো। আপোনাৰ দৰে উদাৰ মানুহ মই আৰু ক'তো দেখা নাই। জোঙাল বলহুৰ কথা ভাবিলে মই সেই কাৰণে মাজে মাজে আচৰিত হওঁ। এনেহেন ৰজা এজনৰ লগতলৈ সি ভালে থাকিব নোৱাৰেনে? সম্মান দিব নোৱাৰেনে?'

'কি কৰিবা ধনেশ্বৰ, — সকলোৰে সমান জ্ঞান নাথাকে নহয়। বৰ বেয়া মানুহ এটালৈ জীজনীক দিলো ধনেশ্বৰ। কি যে হ'ব।'

'একো নহয় ৰজা দেৱতা। সকলো মংগল হ'ব। নিশ্চিন্তে থাকক।'

মনৰ আনন্দ মনতে লুকুৱাই ৰজাৰ লগত আন কথা পতাত লাগিল ধনেশ্বৰ। তাৰ কাম হৈ গৈছে।

৩৭

'চামচুৰি শাকেৰে ৰন্ধা মাছৰ আঞ্জা জকাংকই বৰ ভাল পায় বুজিছ পহাৰী। তেল নিদিয়াকৈ ৰন্ধা তংখ্ৰায়ো ভাল পায়। নাফলং— মানে শুকান মাছেৰে ৰন্ধা চামাইলুৰ, খাৰেৰে ৰন্ধা পামজাৰি আৰু দামলং শাকৰ আঞ্জাও ভাল পায়। আজি তোক এই কেইবিধকে ৰান্ধিবলৈ শিকাও দে।' ৰান্ধনীশালত জুইৰ ওচৰত বহি থকা সুকোমলালৈ চাই সোণজিৰাই ক'লে।

'হ'ব আছি। কিন্তু আপোনাৰ দৰে সোৱাদ লগাকৈ মই জানো ৰান্ধিব পাৰিম?' সুকোমলাই ক'লে।

'কিয় নোৱাৰিবি? মৰমেৰে ৰান্ধিলে আলু-কচু ৰান্ধিলেও সোৱাদ হয় বুজিছ। আৰু এটা কথা কওঁ— নিজৰ মানুহজনক নিজেই ৰান্ধি-বাঢ়ি খুৱাব লাগে। তেহে মৰমবোৰ বাঢ়ে। মই সেই কাৰণেই তোক জকাংকই খাই ভালপোৱাবোৰ ৰান্ধিবলৈ শিকাইছো। মানুহটো ভাগৰে-জুগৰে আহিলে ওচৰত বহি মাত-কথা দিবি— ভাত-পানী যতনাই দিবি। তেহে তোকো মৰম কৰিব।'

'মোৰ আয়েও মোক এইবোৰ কথা আহিবৰ সময়ত কৈছিল জানে আছি।'

'ক'বতো। মাক যে। জীৰ সুখ মানেই মাকৰো সুখ। মোৰতো নিজৰ জী নাই। সেই একেটাই ল'ৰা। তাকো ক'ৰ দূৰ-বিদেশত ৰজা হৈ আছেগৈ। তহঁতক মৰম-আদৰ কৰিয়েই মন জুৰাও।'

'আপুনি আয়ঙৰ ওচৰত প্ৰতাপপুৰত নাথাকে কিয় আছি? ইমান ডাঙৰ ৰাজ্যৰ ৰজা।'

'তাৰৈ গৈনো মই কি কৰিমগৈ। সি তাত বিয়া-বাৰু কৰাই ভালেৰে আছে। নাতিবোৰো ডাঙৰেই হ'ল। বিয়াত আহিছিল। তই চাগৈ মন নকৰিলি। মাজে মাজে যাওঁ। কিন্তু জকাংকক এৰি যাবলৈ সত নাযায় অ'। মামৰিয়া ল'ৰা। মোৰ হাততেই ইমানটো হ'ল। তাতে সি বৰ একাচেকা। মনটো ভালত কপাহ যেন কোমল। কিন্তু উলট-পালট কথা সহিব নোৱাৰে। মাজে মাজে মনটোও দুখ কৰি থাকে। তইতো সকলো জানিছই। সেয়ে তাক এৰি আঁতৰলৈ যাবলৈ মন নাযায়। এতিয়া পিচে যাব

পাৰিম। নাতি-পুতি এটা হৈ তহঁত থান-থিত লাগিলেই মই গোভালৈ যামগৈ। পাইৰ লগত সুখ-দুখৰ কথা পাতি শেষ কালডোখৰ কটাম। পাইজনীও অকলে থাকে। বেয়াই লাগে।'

'আৰি দেখোন ইয়াতে থাকিবহি পাৰে আছি।'

'পাৰে। নাথাকে। ৰাইজৰ কাম আছে নহয়। যিমানেই কাম নকৰো বুলি বহি নাথাকক কামে জানো এৰে? কতৰ কত সমস্যা। সকলো পাইকহে ক'ৰলৈ আহে। জকাংকক ঢুকিও নাপায় নহয়। সি এটা পৰুৱা পিঁপৰা সোমাৰ নোৱাৰা গড় বান্ধিছে। ভয়েই খায়।'

'সঁচাই আছি। এনে গড় মই দেখাই নাছিলো। কেনেকৈ যে বান্ধিছে।'

'জানো ক'ত এনে গড় বান্ধিবলৈ শিকিলে। কিমান যে কথা জানে পাৰাটোৱে। কামৰ বাহিৰে আন একো কথাতে মন-কাণ নাই। তই অহাৰ পৰাহে সি লাহে লাহে সলনি হৈছে বুজিছ। তোকনো কম মৰম কৰেনে? দেখিলি— তই গা ধুবি বুলিয়েই ওচৰতে কেনে এটা ধুনীয়া পুখুৰী খান্দিলে? আৰু কেইবাটাও পুখুৰী আছে। এই গড়টোৰ ভিতৰত কিমান যে কি আছে মইেই ভালকৈ দেখা নাই। তোৰ লগতে ময়ো ওলাম ৰ'। তয়ো চাবি, মোৰো চোৱা হ'ব। উঠচোন, হুকাৰিৰ পৰা শুকান মাছ অলপ নমাই আন। বন্ধা-বঢ়াখিনি সোনকালে শেষ কৰিব লাগিব। সি আহিয়েই কেনেদৰে খোৱাৰ বাবে হুলস্থূল কৰে দেখিছ? অ'— তইনো ক'ত দেখিবি? তোৰ আগত নকৰে নহয়। ভোকৰ ভাত সময়ত নাপালে সি বৰ বেয়া পায় বুজিছ? সকৰে পৰাই তেনেকুৱা। উঠ— মাছখিনি নমাই আন।'

সুকোমলা উঠিল।

ধোৱাচাঙৰ পৰা শুকান মাছখিনি নমাই সোণজিৰাৰ হাতত দি ওচৰতে বহিল। সোণজিৰাই নির্দেশ দিয়া মতে অন্যমনস্কভাৱে শাক মাছ বন্ধাত লাগিল।

বিয়া হোৱা ছমাহতকৈ অধিক দিন পাৰ হৈ গ'ল। জোঙাল বলহু গড়ৰ অভ্যন্তৰত পাৰ হৈ গ'ল অগনন দিন-ৰাতি। লাহে লাহে সুকোমলা সহজ হৈ আহিছে। প্রথম দিনবোৰৰ জড়তা লাহে লাহে কমি আহিছে। সোণজিৰাৰ মৰম-চেনেহ, কথা-বতৰাই সুকোমলাক অচিনাকি ঠাই এখনৰ, অচিনাকি জীৱনযাত্রাৰ সৈতে মিলি যোৱাত অনেক সহায় কৰিছে।

সোণজিৰাৰ মৰমবোৰে সুকোমলাক বাৰে বাৰে মাকলৈ মনত পেলাই দিয়ে। তাইৰ মাকজনীও সোণজিৰাৰ দৰেই মৰমীয়াল। সৰল। কামে-কাজে পাকৈত।

সোণজিৰাক ভাল লাগে সুকোমলাৰ। জোঙালৰ বাজ্যৰ প্রতি থকা সুতীব্র বিদ্বেষ দেও দি পাৰ হৈ সোণজিৰাই জয় কৰি পেলাইছে সুকোমলাক।

আৰু জকাংক?

জকাংকৰ কথা মনলৈ আহিলে বিতৃষ্ণা আৰু ভালপোৱাৰ টনা-আঁজোৱাত অস্থিৰ হৈ উঠে সুকোমলা।

এই ছটা মাহৰ দিন-ৰাতিবোৰ সুকোমলাই এক অদ্ভুত অনুভূতিৰ মাজেৰে পাৰ কৰি আহিছে।

প্ৰথম যিদিনা বিয়াৰ ৰভাতলত জোঙালক দেখিছিল আশ্চৰ্যত স্তব্ধ হৈ গৈছিল সুকোমলা। মুগ্ধ হৈ গৈছিল।

ইমান সুন্দৰ!

ইমান বলিষ্ঠ!

ইমান গম্ভীৰ!

মুহূর্তৰ কাৰণে নিজৰ উদ্দেশ্য পাহৰি ন-কইনাৰ আৱেগেৰে সিঁহৰিত হৈ উঠিছিল সুকোমলা।

মুহূর্তলৈ।

পিচমুহূর্ততেই আকৌ দেশৰ কাৰণে বলি যাবলৈ ওলোৱা সৈনিকলৈ ৰূপান্তৰিত হৈছিল সুকোমলা।

কঠিন মুখেৰে তলমুৰকৈ জোঙালৰ ওচৰত বহিছিলগৈ। গম্ভীৰ হৈ আছিল জোঙাল বলহুও। সুকোমলালৈ জোঙালে এবাৰো চোৱা নাছিল। হেজাৰ-বিজাৰ মানুহৰ সম্মুখত পুৰোহিতে যেতিয়া আমৰণ এক স্ত্রী-পুৰুষ হৈ সুখে-শান্তিৰে থকাৰ কথা কৈছিল কি যে অদ্ভুত লাগিছিল সুকোমলাৰ।

তাইতো এই ৰাজ্যলৈ জোঙাল বলহুৰ পত্নী হৈ সুখে-শান্তিৰে থাকিবলৈ অহা নাই। তাই আহিছে নিজৰ ৰাজ্যৰ ৰাজনৈতিক প্ৰয়োজনত। দৰাৰ সাজপিন্ধি বহি থকা বেয়া মানুহজনৰ ওচৰত নিজৰ নাৰীত্ব বিসর্জন দি নিজৰ ৰাজ্যৰ সেৱা কৰিবলৈ। পুৰোহিত আৰু বুঢ়া-মেথাসকলে যেতিয়া দুয়োকে সন্তানৰ জনক-জননী হোৱাৰ আশীৰ্বাদ দিছিল তেতিয়া সুকোমলাই মনে মনে কৈছিল—

'শ্ৰিৰায়ৰ শপত— মই মোৰ ৰাজ্যৰ কথা নাপাহৰো। এই বেয়া মানুহজনক মই মোৰ ৰাজ্যৰ ক্ষতি কৰিবলৈ নিদিও। এই ৰাজ্যৰ সুৰক্ষা ব্যৱস্থাৰ সকলো খুটি-নাটি নিজৰ ৰাজ্যক জনাই দি মই মোৰ ৰাজ্যক সুৰক্ষিত কৰি তুলিম। দুর্বল কৰি তুলিম মোৰ ৰাজ্যৰ শত্রু জোঙাল বলহুক।'

বিয়া শেষ হোৱাৰ পিচত নুবাৰলৈ গৈ যেতিয়া জোঙাল বলহুৰ লগত একেলগে সেৱা লৈছিল— তেতিয়াও সুকোমলাই আকৌ এবাৰ নিজৰ শপত মনে মনে আওৰাইছিল।

তাৰ পিচত আহিছিল একান্ত ৰাতিবোৰ।

জোঙালে যেতিয়া প্ৰথম সুকোমলাক স্পৰ্শ কৰিছিল, বিতৃষ্ণাত শিয়ৰি উঠিছিল সুকোমলা। জোঙালে মৰমেৰে উপচাই দিয়া মুহূৰ্তবোৰত মনে মনে উচুপি আছিল।

ইতিমধ্যে সৰু-সুৰা দুই-এটা গড়ৰ ভিতৰুৱা কথা দেউতাকক জনাবলৈ সক্ষম হৈছে সুকোমলা। পিতৃৰাজ্যৰ পৰা জী-জোঁৱাইলৈ ভাৰ-ভেঁটি লৈ অনা বিশ্বাসী লোকৰ হাতত মনে মনে পত্ৰলিখি কিছু কথা জনাবলৈ সক্ষম হৈছে।

কিন্তু লাহে লাহে যেন দ্বিধাগ্ৰস্ত হৈ পৰিছে সুকোমলা। জোঙাল বলহুৰ মৰমবোৰৰ মাজত কছাৰী ৰাজ্যৰ বৈৰীজনৰ কোন চিন বিচাৰি নাপাই মাজে মাজে দুৰ্বল হৈ যাব খোজে সুকোমলা।

জোঙালৰ কাম-কাজ, আচৰণৰ মাজত কেতিয়াওতো কছাৰী ৰাজ্য আক্ৰমণৰ কোনো ইচ্ছা দেখা নাই সুকোমলাই। কেতিয়াওতো তেওঁ শত্ৰু ৰজাৰ প্ৰতি কোনো অসম্মান দেখুওৱা নাই। সুকোমলাক দিয়া মৰমত কোনো ৰাজনৈতিক পুৰুষক, কোনো ক্ষমতালোভী, নাৰীলোভী পুৰুষকতো দেখা নাই সুকোমলাই।

জোঙাল বলহুক ভুল বুজিছে নেকি তাইৰ দেউতাকে?

নে তাই নিজেই ভুল বুজিছে জোঙালক? চতুৰ জোঙালে মৰমৰ অভিনয়েৰে তাইৰ মন মুহি কছাৰী ৰাজ্য আক্ৰমণৰ পৰিকল্পনা আগবঢ়াই নি আছে?

হ'ব পাৰে।

এই সম্ভাৱনাই অধিক।

দ্বিধাগ্ৰস্ত হ'লেও সেয়েহে সুকোমলাই নিজৰ দায়িত্ব দৃঢ়ভাৱে পালন কৰি গৈছে। দেউতাকে তাইক কৈছিল— 'যি দেখ, যি শুন সকলো লিখি পঠিয়াবি। কোনটো কথা গুৰুত্ব দিবলগীয়া সেই কথা মই জাৰি বাচি ল'ম।'

দেউতাকে কোৱাৰ দৰেই কৰি গৈছে সুকোমলাই। যি দেখিছে, যি শুনিছে সকলো কথা সুবিধা পালেই লিখি পঠিয়াইছে।

সুবিধানো পায় কিমান।

দেউতাকেতো ঘনকৈ মানুহ পঠিয়াব নোৱাৰে। জোঙালৰ সন্দেহ হ'ব পাৰে। কোনোবা আহিলেও সকলোকে আঁৰ কৰি দীঘলীয়া পত্ৰলিখা সহজো নহয়। সোণজিৰা আছিয়ে তাইক জোঙাল নাথাকিলে অকলে থাকিবই নিদিয়ে। সেয়েহে দুখন পত্ৰ লিখিব লাগে সুকোমলাই। এখন সকলোকে দেখুৱাই কুশল বাতৰি জনোৱা পত্ৰ। আন এখন গোপন, চোৱাংচোৱাৰ পত্ৰ।

দেউতাকে তাইক কৈছিল, গড়ৰ ভিতৰ-বাহিৰৰ সামৰিক বাতৰিবোৰ আৰু গড়ৰ গঠন, ভিতৰৰ বিন্যাস এই সকলোবোৰ কথা জনোৱা হোৱাৰ পিচত তাই আৰু বিশেষ একো-কৰিব নালাগে।

নালাগিলেই ভাল।

চোৰাংচোৰাৰ কাম কৰিবলৈ ভাল লগা নাই সুকোমলাৰ। নিজকে হীন যেন লাগে। বিশ্বাসঘাটক যেন লাগে। সোণজিৰাই যেতিয়া মৰম কৰে, জোঙালে যেতিয়া মৰম কৰে তেতিয়া বৰ বেয়া লাগি যায় সুকোমলাৰ।

'আছি— আছি—'

জোঙালৰ মাত শুনি সুকোমলা সচকিত হৈ উঠিল। সোণজিৰাই হাঁহিলে—

'দেখিলি— আহিয়েই মোক চিঞৰিছেহি। ভোক লাগিছে। ৰজাৰ দৰে থাকিব নাজানে বুজিছ। এতিয়াও ল'ৰামতীয়াই হৈ আছে। ভাত-পানী সাজু কৰ। মই মাত দিওগৈ।'

সোণজিৰা ওলাই গ'ল।

'সুকোমলা ক'ত আছি?' সোণজিৰাক দেখিয়েই জোঙালে সুধিলে।

'অ'— আজিকালি দেখান ল'ৰাকণে মোক নিবিচৰাই হ'ল। সুকোমলাকহে লাগে।' সোণজিৰাই হাঁহিলে।

'বৰ জোকাই থাকা আছি। মাতা না তাইক। তোমালোকক এটা বস্তু দেখুৱাম।'

'ভাত নাখাৰ?'

'খাম ৰ'বা। আগেয়ে বস্তুটো দেখুৱাই লওঁ। সুকোমলাক লৈ কুঁৱৰী গাধোৱা পুখুৰীৰ পাৰলৈ আহিবা। মই যাওঁ।'

সোণজিৰাৰ উত্তৰলৈ বাট নাচাই উৎসাহত টগ্‌বগাই জোঙাল বলহু ওলাই গ'ল।

সোণজিৰাৰ লগত পুখুৰীৰ পাৰলৈ গৈ বিস্ময়ত স্তব্ধ হৈ গ'ল সুকোমলা। পুখুৰীত উপঙি আছে এখন অকমমানি চালে চকুৰোৱা সোণখটুওৱা নাও। সোণৰ শিকলি এডালেৰে বান্ধি থোৱা আছে নাওখন।

'ইমান ধুনীয়া নাও।' সৰু ছোৱালী এজনীৰ দৰে আনন্দত প্ৰায় চিঞৰি উঠিল সুকোমলাই। তাইৰ আনন্দেৰে উদ্ভাসিত মুখলৈ চাই হাঁহি পেলালে জোঙাল বলহুৱে।

'ভাল লাগিছে?'

'ইমান ধুনীয়া নাও। কাৰ ভাল নালাগিব?' সুকোমলাই হাঁহিলে।

'তোমাৰ কাৰণে। আছিক উঠিব নিদিবা।'

'কিয় নুঠিম অ'? তই ক'লেই হ'বনে? ৰাতিপুৱা গধুলি মইহে সোণখটোৱা কাপোৰ পিন্ধি ইয়াত উপঙি থাকিমহি।' সোণজিৰাই খঙেৰে ক'লে।

'সোলা মুখেৰে কীত গাবলৈ নাপাহৰিবা কিন্তু। চাবা আকৌ ধুনীয়া দেখি জলকোঁৱৰে হৰি লৈ যাব।' গহীন মাতেৰে ক'লে জোঙালে।

চৌপাশ পাহৰি জিলমিলাই হাঁহি উঠিল সুকোমলাই।

'কেনেকৈ হাঁহিছে চা— এই দুটাই মোকহে জোকাবলৈ পায়।' সোণজিৰায়ো হাঁহি উঠিল।

অলপ সময় হাঁহি-ধেমালিৰে পাৰ হৈ গ'ল। তাৰ পিচত সোণজিৰাই ক'লে—

'তহঁত লাহে লাহে আহি থাক। মই ভাত-পানী যতনাওগৈ।'

দুয়োজনক অকলে থকাৰ সুযোগ দি সোণজিৰা গ'লগৈ।

সোণৰ শিকলিডাল চুই চুই সুকোমলাই ক'লে—

'ইমান ধুনীয়া শিকলিডাল। ইমান ধুনীয়া নাওখন। ইমানবোৰ সোণ ক'তনো পালে? কোনেনো সাজি দিলে?'

'তোমাৰ ভাল লাগিছে সুকোমলা?'

'সঁচাই। খুব ভাল লাগিছে।'

'তোমাকতো কেতিয়াও একো দিয়া নাই। ভাবি ভাবি এইখনকে গঢ়াই অনোৱালো। গড়ৰ ভিতৰতে সোমাই থাকা। নাওখন চলাই মাজে মাজে ফুৰিবা। ভাল লাগিব।'

'মোৰ এনেয়ো ভাল লাগে। সোণজিৰা আছি থাকে নহয়।'

'মই নাথাকিলে ভালপোৱা নেকি?' সুকোমলাৰ চকুত চকু থৈ জোঙালে সুধিলে।

'কি যে কয়।' সুকোমলাই হাঁহিলে।

'মোৰ কিন্তু আজিকালি বাহিৰলৈ যাবলৈ মনেই নাযায়। তোমাৰ ওচৰতে বহি থাকিবলৈ মন যায়। মায়ঙৰ পৰা যাদু শিকি আহিছিলা নেকি?' জোঙালে হাঁহিলে।

সুকোমলা লাজত ৰঙা পৰি গ'ল। ভাল লগা অনুভূতিত মনটো ভৰিগ'ল। তাই জোঙাললৈ চালে—

'মই যাদু নাজানো। আপুনিহে জানে। মোক যাদু কৰি ইয়াত বন্দী কৰি থৈ দিছে। ঘৰলৈ যাবলৈও নিদিয়ে।'

'যাবলৈ দিবলৈ মন নাযায় যে। তুমি নাথাকিলে কেনেকৈ থাকিম?'

'আগতেনো কেনেকৈ আছিল?'

'জা-নো কেনেকৈ আছিলো— এতিয়া ভাবিলে আচৰিত হওঁ। তুমিনো ডিমাবঙত কেনেকৈ আছিলা?'

'আপোনাক সপোনত দেখি আছিলো কিজানি।' হাঁহি উঠিল সুকোমলাই।

জোঙাল বলহুৱে কিবা কোৱাৰ আগতেই সোণজিৰা উভতি আহিল—

'তহঁত আঁহচোন। ডিমাবঙৰ পৰা ধনেশ্বৰ নামৰ লোক এজন আহিছে। শঙ্খ ৰজাই তহঁতলৈ কিবাকিবি দি পঠিয়াইছে।'

সুকোমলাৰ মুখৰ পোহৰ দপ্‌কৈ নুমাই গ'ল। সপোনৰ মুহূর্তবোৰ পাৰ হৈ আকৌ ডিমাবঙৰ বীৰাংগনা হৈ পৰিল সুকোমলা।

'আমাৰ ৰাজকুঁৱৰীদেও চহৰিত সুখে-সন্তোষে আছে ৰাণী আইদেউ।'

কছাৰী ৰজা আৰু ৰাণীক সেৱা জনাই ধনেশ্বৰে ক'লে।

ৰাণীৰ মুখখন উজ্জ্বল হৈ উঠিল। বিয়া হ'বলৈ ওলাই যোৱাৰে পৰা জীয়েকক দেখিবলৈ নাপাই দুখেৰে দিন কটাইছে ৰাণীয়ে। দুখতকৈও জীয়েকৰ কাৰণে চিন্তায়ো ৰাণীক অধিক কষ্ট দিছে।

ৰাজনীতিৰ কথা ৰাণীয়ে বুজি নাপায়। মিত্রতা কৰিবলৈ ছোৱালী দিয়াৰনো প্রয়োজন কি? মিত্রতা কৰাৰ আন উপায় জানো নাই? মুখামুখি হৈ পোনে পোনে কথাবোৰ পাতিলেই দেখোন হয়।

ছোৱালী দিয়াটোনো কেনে নিয়ম।

ক'ৰ অচিন-অজান ৰাজ্যলৈ অন্য জাতিৰ ল'ৰালৈ মৰমৰ জীয়েকক কোন সতেৰে যে দিলে ফা বডচাই।

ছোৱালী দি লাভ কৰা স্বাধীন ৰাজ্যত থাকি জানো সুখ পায়?

মনত সেয়েহে ৰাণীৰ অকণো সুখ নাই। কেনেকৈ বা ৰাখিছে তাইক জোঙাল বলহুৱে। অকলে অকলে অচিন মানুহবোৰৰ মাজত কেনেকৈ বা আছে ছোৱালীজনী। এতিয়ালৈকে এবাৰো নাহিল। নিশ্চয় জোঙাল বলহুৱে তাইক আহিবলৈ দিয়া নাই। গড়ৰ ভিতৰত বন্দী কৰি থৈছে ছোৱালীজনীক। মাকৰ ঘৰলৈ আহিবলৈ নাপাই কিমান বা দুখত আছে ছোৱালীজনী। ভাবি ভাবি পাৰ পোৱা নাছিল ৰাণীয়ে। এতিয়া ধনেশ্বৰৰ মুখত সুখে-সন্তোষে আছে বুলি শুনি ৰাণীৰ মুখত হাঁহি-বিৰিঙি উঠিল।

'কওকচোন আলহীদেউ কি দেখি-শুনি আহিল।' ৰাণীয়ে আনন্দেৰে ক'লে।

'আপুনি এনেই চিন্তা কৰি আছিল ৰাণী আইদেউ। সুকোমলা আইদেউক তেওঁলোকে বৰ ভালকৈ ৰাখিছে। মোকো বৰ আদৰ-যতন কৰি খুৱালে-বোৱালে। সুকোমলা আইদেৱে আপোনালৈ পত্র এখন দিছে। তাতেই সকলো কথা লিখিছে। মই যি দেখি-শুনি আহিলো, দুয়োৰে মাজত বৰ মিলা-প্রীতি হৈছে যেন লাগিল। ৰজাই তেওঁক পুখুৰীত চলাবলৈ সোণখটোৱা নাও এখনো দিছে। সোণৰ শিকলিৰে বান্ধি

থয়।' পত্রখন উলিয়াই দি জোঙাল বলহ আৰু সুকোমলাৰ সংসাৰৰ প্রশংসাৰ নৈ বোৱাই দিলে ধনেশ্বৰে।

এটা সময়ত বাণী আনন্দ মনেৰে ভিতৰলৈ গ'লগৈ। বাণী জোৱাৰ লগে লগে গম্ভীৰ হৈ গ'ল ধনেশ্বৰ। তলমুৰ কৰি বহি থাকিল।

'কি হ'ল ধনেশ্বৰ, কি চিন্তা কৰিছা?' ৰজাই আচৰিত হৈ সুধিলে।

'চিন্তাতো কৰিছোৱেই— মনটোও বেয়া লাগি গৈছে ৰজাদেৱতা।'

'কিয়? কিনো হ'ল?'

'মিছা কথা ক'বলৈ বাধ্য হ'লে মন বেয়া নালাগিব জানো ৰজাদেৱতা?' এটা দুমুনিয়াহ কাঢ়ি ধনেশ্বৰে ক'লে।

'মিছা কথা? তুমি যে কথাবোৰ ক'লা— মিছা কথা আছিল নেকি?' ৰজাই চিন্তিতভাৱে সুধিলে।

'মিছা বুলিও ক'ব নোৱাৰো ৰজা দেৱতা। সুকোমলা কুঁৱৰীদেউ দেখাত সুখেৰেই আছে বুলিব লাগিব। কিন্তু মই যি দেখি-শুনি আহিলো সেইবোৰৰ পৰা কথাটো মিছা বুলিও ক'ব পাৰি।'

'মই বুজা নাই ধনেশ্বৰ।'

'নুবুজাৰেই কথা। প্রথমতে ময়ো বুজা নাছিলো। মোৰো তাই সুখতেই থকা যেন লাগিছিল। কিন্তু দেখি-শুনি বুজিলো— তাই তাত বন্দীৰ দৰেহে আছে। অনবৰতে তাইৰ ওপৰত চকু ৰাখে। সোণজিৰা নামৰ তিৰোতাজনীয়ে তাইক অকলে থাকিবই নিদিয়ে। অনবৰতে কি কৰিছে চকু দি থাকে। ৰাজ্যৰ ৰাণী এজনীৰনো অলপ সময় অকলে থকাৰ অধিকাৰো থাকিব নাপায়নে? এই পত্রখন— মানে মই যে দিলো সেইখন কুঁৱৰীয়ে সোণজিৰাক দেখুৱাইহে লিখিছে। উপায় নাই কাৰণে। আপোনালৈ গোপন পত্র এখনো দিছে। এইখন লিখোতে তাই যে কিমান বুধি কৰিবলগীয়া হ'ল দেখি বেয়া লাগি গৈছিল। জোঙালেও তাইক বিশ্বাস নকৰে যেন লাগিল। অনবৰতে তাই ক'ত আছে মন কৰি থাকে।'

'মৰম-চেনেহৰ কাৰণেওতো তেনে কৰিব পাৰে।'

'পাৰে। মৰম-চেনেহ আমাৰ জানো নাই? সেইবুলি আমি জানো অনবৰতে তিৰোতাৰ ওপৰত চকু দি থাকো?'

'মৰম নাথাকিলে জানো সোণৰ নাও দিলেহেঁতেন? তুমি ভুল বুজিছা কিজানি ধনেশ্বৰ।'

'ঈশ্বৰক খাটিছো— মোৰ যেন তেনে ভুল বাৰে বাৰে হয়। কিন্তু জোঙাল জানো মৰম থকা মানুহ? নিজৰ দেউতাকক হত্যা কৰা মানুহ নহয় জানো? সি বৰ চতুৰ মানুহ

ৰজা দেৱতা। সোণৰ নাও দি সুকোমলা আইদেউক সি মুহি পেলাব খুজিছে। মৰম থকা হ'লে তাইক জানো গড়ৰ ভিতৰতে বন্দী কৰি থ'লেহেঁতেন? আজিলৈকে তাইক গড়ৰ বাহিৰলৈ ওলাবলৈকে দিয়া নাই। গড়ৰ বাহিৰ হ'লেই সুকোমলাই জানো গম পাই নাযাব জোঙালে যে আমাৰ ৰাজ্য আক্রমণ কৰিবলৈ প্রস্তুতি চলাইছে।'

'কি কোৱা ধনেশ্বৰ? তুমিনো কেনেকৈ জানিলা?'

'মই মোৰ নিজৰ ৰাজ্যৰ কাৰণে এইখিনি বাতৰিও গোটাই আনিব নোৱাৰিমনে? মোৰ নিজৰ চোৰাংচোৱাবোৰ লৈ গৈছিলো নহয়। ইফাল-সিফাল ফুৰিম বুলি অনুমতি লৈ যি দেখিব লাগে চাই আহিলো ৰজাদেৱতা। আঁকৰামুৰীয়া হৈ এনে ৰাজধানী দেখা নাই বুলি ৰৰকৈ প্রসংসা কৰাত জোঙালে চাবলৈ দিলে। ফুৰি আহো বুলি ওলাই গৈ অনেক কিবাকিবি চাই আহিলো ৰজাদেৱতা। আমি যদি সাৱধান নহওঁ— গালৈকে বিপদ।'

'ৰৰ চিন্তাত পেলালা ধনেশ্বৰ।' বহুত সময় মনে মনে থাকি ৰজাই ক'লে।

'চিন্তাৰ বিষয়েই ৰজাদেৱতা। কিন্তু উপায় কৰিব লাগিব। মই বাট-পথ-গড়-নৈ সকলোৰে চিত্র আকি আনিছো। অস্ত্র-শস্ত্রৰ বিষয়ে আৰু সৈন্যসংখ্যা অৱশ্যে গম নাপালো। গম পাম। যেনে তেনে সকলো কথা জানি ল'ম। মই দায়িত্ব লৈছো ৰজাদেৱতা। মোৰ প্রাণ দি হ'লেও আপোনাক সহায় কৰিম।'

'তোমাৰ দৰে বন্ধু পোৱাতো ভাগ্যৰ কথা ধনেশ্বৰ। কিমান কৰিছা তুমি পৰৰ ৰাজ্য এখনৰ কাৰণে।'

'পৰৰ ৰাজ্য বুলি নক'ব ৰজাদেৱতা। মন ভাগি যায়। এই ৰাজ্যৰ অন্ন খাইছো মই। এই অন্নৰ ঋণ মই জানো কেতিয়াবা শুজিব পাৰিম? মোৰ কথা এৰক ৰজাদেৱতা— মই এটা অতি সামান্য মানুহ। ৰাজ্যৰ মংগল হ'লে আমাৰ সকলোৰে মংগল। কিন্তু জোঙাল দিনে দিনে যিমান শক্তিশালী হৈ উঠিছে, যেনেকৈ সৈন্যসংখ্যা বঢ়াইছে, আমাৰ ৰাজ্য আক্রমণ কৰিবলৈ আৰু বেছিদিন নাই। আজিলৈকে কছাৰীৰ বাহিৰে আন কাৰ ৰাজালৈনো জোঙালে চকু দিছে? এতিয়াতো আমি মিতিৰ হ'লো। এতিয়ানো সৈন্যৰ সংখ্যা বঢ়াই যুঁজৰ আখৰা কৰাৰ কাৰণ কি? আপোনাক সি মিত্র বুলি ভাবিছেনে নাই সন্দেহ। এতিয়ালৈকে সি জানো এবাৰো আমাৰ ৰাজ্যলৈ আহিল? নে সুকোমলা আইদেউকেই আহিবলৈ দিলে? এইবাৰ মই কৈ চাইছিলো ৰজাদেৱতা যে শহুৰৰ ৰাজ্যলৈ নিমন্ত্রণ দিলে তেওঁ আহিবনে। কথাটো এৰাই গৈ আন কথা উলিয়ালে। মই শহুৰ ৰজাৰ ঘৰৰ পৰা যোৱা মানুহ হিচাপে যিমানখিনি আদৰ-সম্মান দিব লাগিছিল সিমানখিনি দেখুওৱা হ'লেও মই বুজিলোহেঁতেন যে আপোনাৰ প্রতি তেওঁৰ সম্মান আছে। থাকিবলৈ দিলে গড়ৰ বাহিৰত। এবাৰ দুই-এযাৰ কথা পাতি যি গ'ল অহালৈকে

লগেই নাপালো। খুব ব্যস্তও হৈ আছে অবশ্যে। সেনাপতিয়ে মই থাকোতেই দহবাৰমান দেখা কৰিবলৈ আহিল। কিনো ইমান কথা আছে বুজিও নাপাওঁ। ৰাজ্যৰ ভিতৰত অসুখ-অশান্তিওতো নাই। অৱশ্যে আনৰ ৰাজ্য মৰাৰ মন থকাবোৰে মনে ঘনে সেনাপতিৰ লগত কথা নাপাতিনো কৰিব কি? আপোনাক জানো দেখা নাই? সেনাপতিদেৱৰ লগত আপুনিনো কেইষাৰ কথা পাতে?'

'নাপাতো। কিন্তু পাতিব লাগিব ধনেশ্বৰ। জোঙালক যদি দুৰ্বল কৰিব নোৱাৰো বৰ বিপদ হ'ব।'

'অত্যধিক বেয়াকৈ ভবাটো ভাল হ'ব জানো ৰজা দেৱতা?'

'তুমি কি কথা ক'ব খুজিছা?'

'শত্রু হ'লেও জোঙালতো আমাৰ জোঁৱায়েই হ'ল। অধিক অহিত চিন্তিলে আমালৈকে বেয়া।'

'তুমি বৰ বিবেচক ধনেশ্বৰ। সেই কাৰণে তোমাক মোৰ মাজে মাজে প্রধানমন্ত্রী পাতিবলৈ মন যায়। পাতিমো। মাত-কথাবোৰ ভালকৈ শিকি লোৱা। নহ'লে প্রজাই বেয়া পাব পাৰে। হেজাৰ হওক তুমি বাহিৰৰ মানুহ। আলহী বুলি সম্মান কৰিলেও প্রধানমন্ত্রী বুলি গ্রহণ নকৰিবও পাৰে।'

'আপোনাৰ মহানুভৱতাৰ বাবে মই কৃতজ্ঞ ৰজাদেৱতা। এই খুদকণ বেপাৰী ধনেশ্বৰে ইমানলৈ আশা নকৰে।'

'তুমি আশা নকৰা। মই কৰো। তোমাৰ দৰে জ্ঞানী আৰু বিবেচক লোক এজনক প্রধানমন্ত্রী হিচাপে পালে আমাৰেই মংগল।'

'আপুনি মোক মৰম কৰে কাৰণে এনেকৈ কৈছে ৰজা দেৱতা। মইনো কি কাম কৰিব পাৰো, মোৰনো যোগ্যতা কিমান কাম কৰিলেহে ওলাব। কিনো কৰিব পাৰিছো মই। ৰাজ্যখনৰ এনে এক বিপদকালত আপোনাক মইনো কি সহায় কৰিব পাৰিছো? মই মাত্র আপোনাৰ পৰা লৈছোহে লৈছো— দিব হ'লে একো পৰা নাই। যিদিনা এই ৰাজ্যক সম্পূর্ণ সুৰক্ষিত কৰি তুলিব পাৰিম সেইদিনাহে মোৰ কিবা অলপ কৰা যেন লাগিব। সুকোমলা আইদেউকো মই সেই কথাই বুজাই আহিছো ৰজাদেৱতা— বোলে তুমি যদি দেওতৰোৱালখন বিচাৰি উলিয়াই আমালৈ দি পঠিয়াব পাৰা তেতিয়াহে আমাৰ জোঙালৰ পৰা বিপদৰ ভয় কমিব। অন্যথাই ৰাজ্যৰ বৰ অমংগল হোৱাৰ সম্ভাৱনা।'

'সুকোমলাই কি ক'লে?'

'বিচাৰিব বুলি কৈছে। বিচাৰি পালে জনাব। আপোনাক পত্রখনত লিখিছেই বোধকৰো। তাই বৰ গুণৱতী ছোৱালী। সোণেৰে পোত খাই আছে,— ৰাজ্যৰ ৰাণী

হৈছে,— তথাপি নিজৰ দেশক পাহৰা নাই ৰজাদেৱতা।'

'সঁচাই— তাইৰ কথা ভাবিলে দুখ লাগে। ক'লৈ যে দিলো ছোৱালীজনীক।'

'সেই কথা ভাবিলে বুকু ভাগি যাব খোজে ৰজাদেৱতা। উপায় নাই। জোঙালৰ লগত মিত্রতা হোৱাৰ কাৰণে আমাৰ শক্তি বাঢ়িছে। সৰু সৰু ৰাজ্যবোৰৰতো কথাই নাই, নগা আৰু আহোমসকলেও আমাৰ মাটিত চকু দিবলৈ এৰিছে। তাই এইখিনি ত্যাগ কৰা কাৰণেইতো। কিমান গোপনীয় কথা তাইৰ কাৰণেইতো আমি জানিবলৈ পালো। পত্রত তাই এইবাৰো নিশ্চয় অনেক বাতৰি দিছে।'

'পঢ়ি চাও ৰ'বা কি লিখিছে। তোমাৰ কথা শুনি চিন্তা কৰি থাকোতে পত্রখনৰ কথা পাহৰিয়েই গৈছিলো। দিয়া। পঢ়ো।'

ধনেশ্বৰে পত্রখন উলিয়াই দিলে। অত্যন্ত মনোযোগেৰে পত্রখন পঢ়াত লাগি ফা বডচা।

ধনেশ্বৰ বুৰ গ'ল পৰৱর্তী পদক্ষেপৰ গোপন চিন্তাত।

৩৯

'এই পাহাৰখনৰ নাম কি জানানে?'

পাহাৰৰ ওপৰত থকা কোঠৰ ভিতৰত থিয় হৈ থকা জোঙাল বলহৰে ওচৰতে থিয় হৈ থকা সুকোমলাক ক'লে। পাহাৰৰ ওপৰৰ পৰা দূৰৈৰ হিমালয়লৈ অন্যমনস্কভাবে চাই আছিল সুকোমলাই। জোঙাল বলহৰ কথা শুনি উভতি চাই ক'লে—

'নাজানো। কি নামনো?'

'ৰূপেশ্বৰ পৰ্বত। খুলচিং মাখা বুলিও কয়। এই পৰ্বতৰ ওপৰত হেনো আগতে আকাশৰ অপেশ্বৰীবোৰ আহি নামিছিল। ইয়াত হেনো সোণ-ৰূপৰ অলংকাৰৰ ভাণ্ডাৰ আছে। সকলোৱে কোৱা শুনো।'

'আকাশৰ পৰা অপেশ্বৰী নামি আহে নেকি?' সুকোমলাই হাঁহিলে।

'আহেতো। মোৰ আগতে দেখোন অপেশ্বৰী এজনী থিয় হৈয়েই আছে।' জোঙাল বলহৰে হাঁহি উঠিল।

'কি যে কয়।' সুকোমলাই লাজ পাই হাঁহিলে।

'মিছা নেকি? মই মাজে মাজে কি ভাবো জানা সুকোমলা— তোমাক নোপোৱা হ'লে মই কিজানি পৃথিৱীখন কিমান ভাল গমেই নাপালোহেঁতেন।'

'মইনো ইমান ভালনে?'

'সঁচাই ভাল সুকোমলা। তোমাৰ আফাই মোলৈ যেতিয়া বিয়াৰ প্ৰস্তাৱ পঠিয়াইছিল মইতো মানি নলওঁ বুলিয়েই ঠিক কৰিছিলো। বিয়া-চিয়া পাতিবৰ মোৰ অকণো মন নাছিল। আৰিৰ কাৰণেহে বিয়াখন হ'ল বুজিছা। আৰিৰ কথা নুশুনা হ'লে বৰ ভুল হ'লহেঁতেন। এনে এজনী অপেশ্বৰী হাততে পায়ো হেৰুৱালোহেঁতেন। সোণজিৰা আছিয়েতো মোক জোকায়েই থাকে, মই বোলে এতিয়াহে বন মানুহৰ পৰা মানুহ হৈছো।' প্ৰাণ খুলি হাঁহি উঠিল সুখী আৰু পৰিতৃপ্ত জোঙাল বলহৰে।

প্ৰথম প্ৰথম বাণী সুকোমলাৰ প্ৰতি বিশেষ আগ্ৰহ অনুভৱ কৰা নাছিল জোঙালে। কিন্তু সুকোমলাৰ নম্ৰতা, আনুগত্যৰ লগতে পৰিশ্ৰমী আৰু সেৱাপৰায়না ৰূপে জোঙালক জয় কৰি পেলাইছে। সুকোমলাৰ সৌন্দৰ্য আৰু গুণাৱলীয়ে মুগ্ধ কৰি পেলাইছে

এখোচেকা জোঙালক। কোমল কৰি পেলাইছে। প্রথম প্রথম সুকোমলাক সম্পূর্ণ বিশ্বাসত লোৱা নাছিল জোঙাল বলহুৱে। কছাৰী ৰজাই ছোৱালী বিয়া দি মিত্রতা কৰিলেও জোঙালৰ তেওঁৰ ওপৰত আস্থা নাছিল। চোৰাংচোৱাই অনা বাতৰিবোৰে কছাৰী ৰজাৰ উদ্দেশ্য সম্পর্কে সন্দেহৰ সৃষ্টি কৰিছিল। কিন্তু বিয়াৰ পিচৰ পৰা কোনো সন্দেহজনক বাতৰি পোৱা নাই জোঙালে। কছাৰী ৰজাৰ প্রধান সেনাপতিৰ গতিবিধিৰ ওপৰত চহৰিৰ চোৰাংচোৱাই অনবৰতে দৃষ্টি ৰাখিছে। বিয়াৰ পিচৰ পৰা সেনাপতিৰ গতিবিধিত সন্দেহৰ কোনো কাৰণ বিচাৰি পোৱা নাই জোঙাল বলহুৱে। কছাৰী ৰজাৰ লগত প্রধান সেনাপতিৰ কোনো সন্দেহজনক আলোচনা হোৱাৰ বাতৰিও পোৱা নাই।

লাহে লাহে সকলো সন্দেহ নিৰসন হৈ আহিছে। সুকোমলাকো প্রথম প্রথম চকুৰে চকুৰে ৰাখিছিল জোঙালে। সাৱধানে আছিল। কিন্তু সুকোমলাই লাহে লাহে জয় কৰি পেলাই জোঙালক। এই নম্র, শান্ত, অনুগত ছোৱালীজনীৰ প্রতি নিজৰ সন্দেহৰ কথা ভাবি আজিকালি লাজ পায় জোঙাল বলহুৱে।

আজিকালি সুকোমলাক গড়ৰ ভিতৰত ইচ্ছামতে ফুৰিবলৈ দিয়ে। প্রায়েই সুকোমলাক লৈ হাতীত উঠি ফুৰিবলৈও ওলায় জোঙাল বলহু। নিজৰ ৰাজ্যখন দেখুৱায়। সুকোমলাৰ সংগই আজিকালি জোঙালক মতলীয়া কৰি তোলে। সকলো সন্দেহ, সকলো সন্তাপ, সকলো কাঠিন্য পাৰ হৈ সহজহৈ উঠিছে জোঙাল বলহু। ৰূপান্তৰিত হৈছে সুখী, পৰিতৃপ্ত সংসাৰী পুৰুষলৈ। মুগ্ধ প্রেমিকলৈ।

'ভাবিছো দুই-এদিনতে তোমাক লৈ ডিমাবঙলৈ যাম।' জোঙাল বলহুৱে ক'লে।

অন্যমনস্ক সুকোমলা সচকিত হৈ উঠিল।

'ডিমাবঙলৈ? মোক লৈ? হঠাৎ ইমান দয়া ওপজাৰ কাৰণ?' সুকোমলাই হাঁহিলে।

'দয়া চয়া নহয়— তোমালৈ মোৰ দয়া নাই বুজিছা।' জোঙালে গম্ভীৰভাবে ক'লে।

'মানে?' শংকিত হৈ ক'লে সুকোমলাই।

'ভয় খালা নেকি? মোৰ সঁচাকৈ তোমালৈ দয়া নাই। মৰমহে আছে বুজিছা। আকাশৰ সমান মৰম।' জোঙাল বলহুৱে ক'লে।

'আকাশৰ সমান মৰম মানে কিমান মৰম দেখুৱাও নেকি?' সুকোমলাৰ ওচৰ চাপি গ'ল জোঙাল। ৰজাৰ মর্যাদা পাহৰি সাবটি ধৰিলে সুকোমলাক।

জোঙালৰ উশাহ বিচাৰি নোপোৱা মৰমৰ পৰা মুক্ত হৈ সুকোমলাই ক'লে—

'মৰম আছে। বুজিছো বুজিছো। আপুনি যে ৰজা পাহৰি যায় কিয়?'

'ৰজা হ'লো কি হ'ল? মোৰ মৰম কৰাৰ অধিকাৰো নাই নেকি?' প্রাণ খুলি হাঁহি উঠিল জোঙাল বলহুৱে। তাৰ পিচত ক'লে—

'ডিমাবঙলৈ যাবানে নোযোৱা? এইবাৰ তোমাক থৈ আহিম কিন্তু। থাকিবা এবছৰমান।'

'এবছৰ? পাৰিব?' সুকোমলাই হাঁহিলে।

'মইতো নোৱাৰো। তুমি পাৰিবানে নাই? কোৱা— মোৰ চকুলৈ চাই কোৱা— পাৰিবানে?'

নিজৰ পৰিচিতি পাহৰি সুকোমলাক আকৌ বুকুৰ মাজলৈ চপাই আনিলে জোঙালে।

সুকোমলা গলি যাব ধৰিছিল। গলি গলি ভালপোৱাৰ নৈ এখন হৈ বাব ধৰিছিল। প্ৰাণপণে সেই নৈখনক বান্ধি থ'ব খুজিছিল সুকোমলাই।

কি কৰিব সুকোমলাই? এই মৰমবোৰেৰে কি কৰিব? দলিয়াই পেলাই দিব কপিলীৰ পানীত? নষ্ট কৰি পেলাব এই বিশ্বাসৰ মর্যাদা? এই ভাল পোৱাৰ মর্যাদা? তিল তিলকৈ খহাই যাব জোঙালৰ সুৰক্ষা? নিজৰ দেশৰ কাৰণে? নিজৰ বাজ্যৰ মংগলৰ কাৰণে?

আজি কিছুদিন ধৰি মানসিক দ্বন্দ্বত ভিতৰে ভিতৰে অস্থিৰ হৈ উঠিছে সুকোমলা। প্ৰবল অস্বস্তিয়ে কাঢ়ি নিছে ৰাতিৰ টোপনি। কাঢ়ি নিছে মৰমৰ মুহূর্তবোৰৰ সকলো আনন্দ।

কিমান যত্ন লয় তাইক সকলোৱে।

কিমান মৰম কৰে।

সোণজিৰা আছি আৰু আবি কনচাৰীয়েতো তাইক প্ৰাণৰ পুতলী যেন দেখে।

অলপতে গোভাৰ মূল ঘৰলৈ আৰু আমচাই মার্জঙৰ ঘৰলৈও তাইক লৈ গৈছিল জোঙালে। জোঙালৰ আবি আজ'ই তাইক ইমান বেছি আদৰ-সাদৰ কৰিছিল যে আনন্দত চকুপানী ওলাই যাব খুজিছিল সুকোমলাৰ।

আৰু জোঙাল?

জোঙালৰ মৰমবোৰ থ'বলৈ তাইৰ বুকুত কিজানি ঠাইবেই অভাব হ'ব। জোঙালে আকাশৰ সমান মৰম আছে বুলিছে। আকাশৰ সমান কিজানি নহয়। তাতোকৈও বেছি।

সুকোমলা দুর্বল হৈ গৈছে। সুকোমলা গলি যাব খুজিছে।

শ্ৰিবায়ৰ নামত শপত নোখোৱা হ'লে সুকোমলাই কিজানি দেউতাকলৈ এটাও কথা নজনালেহেঁতেন। মাজে মাজে নিজৰ প্ৰতিজ্ঞা পাহৰি পেলাব বুলি ভয় লাগি যায় সুকোমলাৰ।

স্বস্তি নাই।

তিলমানো স্বস্তি নাই সুকোমলাৰ মনত। যিমানেই জোঙাল বলহ তাইৰ ওচৰ চাপি আহিছে সিমানেই অস্বস্তিৰ পৰিমাণ বাঢ়ি আহিছে।

আলহীদেউ ধনেশ্বৰে আহি সেই অস্বস্তি আৰু বঢ়াই থৈ গ'লহি।

জোঙাল বলহুৱে হেনো কছাৰী ৰাজ্য আক্ৰমণ কৰিব পাৰে। আলহীদেৱে কৈ গৈছে। দেউতাকৰ পত্ৰও দি গৈছে। আলহীদেউৰ কথা সুকোমলাই হয়তো বিশ্বাস নকৰিলেহেঁতেন কিন্তু দেউতাকেও যে একেটা কথাই লিখিছে। আৰু এটা আচৰিত কথা লিখিছে দেউতাকে।

জোঙাল বলহুৰ হাতত হেনো এখন দেওতৰোৱাল আছে। সেই তৰোৱাল থাকে মানে জোঙালক হেনো কোনেও পৰাস্ত কৰিব নোৱাৰে। জোঙালে হেনো সেই তৰোৱালখনৰ শক্তিত বলীয়ান হৈ সকলো ৰাজ্য জয় কৰি বৰ ৰজা হোৱাৰ হাবিয়াস কৰিছে। কছাৰী ৰাজ্যও হেনো আক্ৰমণ কৰিব পাৰে।

দেউতাকৰ পত্ৰ পঢ়ি আৰু আলহীদেউৰ কথা শুনি আচৰিত হৈ গৈছিল সুকোমলা।

'দেও তৰোৱাল? এনে এখন তৰোৱাল থকা বুলি মইতো কাৰো মুখত শুনা নাই।'

'আছে। জোঁৱাই ৰজাদেৱে হেনো তৰোৱালখনক সদায় পূজা কৰে। তুমিনো কেনেকৈ জানিবা ৰাজকুঁৱৰী আইদেউ। তোমাক জানো কোনোবাই বিশ্বাস কৰে?' আলহীদেৱে কৈছিল।

'বিশ্বাস নকৰিব কিয়? মোক সকলোৱে ইমান মৰম কৰে।'

'মৰম কৰা আৰু বিশ্বাস কৰা জানো একে কথা? তুমি হলা কছাৰী ৰজা বীৰ ফা বডচাৰ জী। তোমাৰ আগত নিজৰ শক্তিৰ ভেদ ভাঙিবনো কিয়? এই তৰোৱালখনৰ কাৰণেই আমাৰ ৰজাদেৱতা চিন্তাত আছে কুঁৱৰী আইদেউ। দেখিলে বেয়া লাগি যায়। তুমি যদি তৰোৱালখনৰ সন্ধেদ উলিয়াব পাৰা বৰ উপকাৰ হয়। এই তৰোৱালখন আমাৰ হাতত পৰিলে জোঙালৰ পৰা কছাৰী ৰাজ্যৰ আৰু কোনো ভয় নাথাকে আইদেউ।' আলহীদেৱে কৈছিল।

আলহীদেৱৰ যুক্তিত পতিয়ন নগৈ উপায় নাছিল সুকোমলাৰ। আলহীদেৱে গলি যাবলৈ ধৰা সুকোমলাৰ মনত বান্ধ এটা দি গ'ল। নহ'লে হয়তো সুকোমলাই নিজৰ প্ৰতিজ্ঞা পাহৰি পেলালেহেঁতেন।

খুব চিন্তিত হৈ আছে সুকোমলা। এই তৰোৱালখনৰ কথা ৰাজানঃৰ কাৰো মুখত শুনা নাই সুকোমলাই। হয়তো সুকোমলাক নোকোৱাৰ নিৰ্দেশ আছে। হয়তো আলহীদেউৰ কথাই সঁচা। চহৰিৰ কোনেও সুকোমলাক বিশ্বাস নকৰে। জোঙাল বলহুৱেও। এই ভাল পোৱা এই মৰম, সকলো মিছা। জোঙালে কছাৰী ৰাজ্য আক্ৰমণ কৰাৰ চিন্তা কৰি আছে কাৰণেই বিশ্বাস কৰা দেখুৱাই সুকোমলক গোটেই ৰাজ্যখন ঘুৰাই ফুৰালেও ঘৰতেই থকা তৰোৱালখন দেখুওৱা নাই জোঙাল বলহু কছাৰী ৰাজ্যৰ

শত্রু। সুকোমলাৰো শত্রু।

'গা বেয়া লাগিছে নেকি সুকোমলা?'

বুকুৰ মাজত সোমাই থকা সুকোমলাৰ ঘামি উঠা মুখলৈ চাই জোঙালে উদ্বিগ্ন হৈ সুধিলে।

'মৰতো অলপ বেয়া লাগিছে।'

দুহাতেৰে মুখখন মচি মচি সুকোমলাই ক'লে।

'লাগিবতো। কমখন ঠাই ঘূৰাই ফুৰালোনে। ইমানকৈ হাতীত উঠা অভ্যাস নাই নহয়। মই নিজেই জানিব লাগে। অলপ সময় শুই থাকা। ভাল লাগিব।' জোঙালে মৰমেৰে ক'লে।

সুকোমলা তেতিয়া অৱশ হৈ জোঙালৰ কোলাত শুই পৰিছিল।

৪০

আই সৰেচতি ৰংফুল মালতী,
তোমালৈ মানি যাওঁ পাৰ;
পাহৰা নামকে সোঁৱৰণ কৰিবা
যেন উজনীয়া নাৰ।

টোকাৰিৰ শব্দৰ তালে তালে আপোন পাহৰা হৈ গীত গাইছে বয়সীয়াল লোক এজনে।

ৰংচোৱা ভেঁটিত বহি গীত শুনি আছে জোঙাল বলহু, সোণজিৰা, আবি কনচাৰী আৰু সুকোমলাই।

সন্মুখৰ পথাৰত ৰং-ৰহইচত ভাগ ল'বলৈ অহা লোকসকল বহিছে।

আজি চহৰীত আনন্দই আনন্দ। জোঙাল বলহুৰে ৰাজভঁৰাল খুলি দুখীয়া লোকসকলক কড়িদান কৰিছে। ৰং-ৰহইচ, খোৱা-লোৱা সকলোতে উদাৰ হাতেৰে ব্যয় কৰিছে জোঙালে। দূৰদূৰণিৰ পৰা মাতি লৈ আনিছে নাচনী, ঢুলীয়া, গায়কৰ দল। সকলো গাঁৱৰ মুখিয়ালসকলক আজি ৰং চাবলৈ নিমন্ত্রণ জনাইছে।

ভটা খেল, কুকুঁৰা যুঁজ, লাটুমৰ যুঁজ আদি নানা ধৰণৰ প্রতিযোগিতাত অংশ লৈছে পান্ধাই সকলে। চেমনীয়া ল'ৰা ছোৱালীবোৰে। হাঁহিছে। নাচিছে। গাইছে। ৰং ৰহইচ উপভোগ কৰিছে। ভোজভাত খাইছে।

আজি জোঙালৰ মনত আনন্দৰ যেন পাৰ নাই।

পাৰ নাই সোণজিৰা আৰু কনচাৰীৰ আনন্দৰো।

পিতৃ হ'বলৈ ওলাইছে জোঙাল বলহু। পৰিণাতিৰ মুখ দেখিবলৈ ওলাইছে কনচাৰীয়ে। নাতিৰ মুখ দেখিব সোণজিৰাই।

কছাৰী ৰজাৰ ৰাজ্যলৈ অনেক ভাৰভেটি লৈ বাৰিকা গৈছে।

ৰংচোৱা ভেঁটিৰ একাষে ডাঙৰ ডাঙৰ উধানত জ্বলা দপ্‌দপিয়া জুইত ডাঙৰ ডাঙৰ শলাৰে গঁঠা গোট গোট ৰৌ আৰু ৰৰালি মাছ খৰিকাত দিয়া হৈছে।

জোঙালৰ প্রিয় খৰিকাত দিয়া মাছ।

জু-চাৰ বাতি আগত লৈ ৰৰাগীয়ে গোৱা টোকাৰি গীত শুনিছে জোঙাল বলহুৱে। ওচৰতে বহি আছে সুকোমলা।

অস্থিৰ। অশান্ত।

ৰূপেশ্বৰৰ পাহাৰৰ কোঠ চাই উভতি অহাৰ কিছুদিন পিচতেই সুকোমলাৰ জীৱনলৈ যেন নামি আহিছে উপশমহীন যন্ত্ৰণাৰ শিল-ৰৰষুণ এজাক।

ৰূপেশ্বৰ পাহাৰৰ পৰা উভতি আহিয়েই শুই পৰিছিল সুকোমলা। উৎকণ্ঠিত হৈ পৰিচর্যাত ব্যস্ত হৈ পৰিছিল সোণজিৰা আৰু জোঙাল বলহু।

তাই যেতিয়া ভাল পাইছিল তেতিয়া সোণজিৰাই তাইক কিবাকিবি কেইটামান লাজলগা প্ৰশ্ন সুধিছিল। তাৰ পিচত সোণজিৰাই চিন্তিতভাৱে ক'ছিল—

'মোৰ অন্য চিন্তাহে হৈছে। ৰৰকৈ লৰি-ঢাপৰি নুফুৰিবি।'

তাৰ কিছুদিন পিচত যেতিয়া হোৰাহোৰে বমি কৰিছিল সুকোমালাই তেতিয়া সোণজিৰাই প্ৰায় নিশ্চিত হৈ হাঁহিছিল—

'মই ভবাটোৰেই হয়। তই কেঁচুৱা পাবলৈ ওলাইছ বুজিছ। শুই থাক এতিয়া। মই পাইলৈ বাতৰি পঠিয়াই আহো গৈ। ল'ৰাকণকো কওঁ গৈ। সোণখটোৱা কাপোৰ এযোৰ এইবাৰ ল'বই লাগিব।'

হাঁহি হাঁহি শুচি গৈছিল সোণজিৰা। নিৰ্বাক স্তব্ধতাত সুকোমলাক পেলাই থৈ। তাৰ পিচতেই এটা এটাকৈ আহি আছে আনন্দৰ টোৰোৰ।

জকাংক আহিছে— আহি মৰমত আকৌ গলাই পেলাব খুজিছে সুকোমলাক। পিচদিনাই আহি পাইছে আবি কনচাৰী। আহি মৰমেৰে আদৰ যত্নেৰে ব্যতিব্যস্ত কৰি তুলিছে।

'এইবাৰ চহৰিত থাকিম বুজিছ জকাংক। বোৰাৰীৰ তলতীয়া বুলি নাভাবো।' হাঁহি হাঁহি জোঙালৰ লগত ধেমালি কৰিছিল কনচাৰীয়ে।

'এই চেগতে জু এবাতিকে খাওঁক পাই।' সোণজিৰাই হাঁহিছিল।

'তোৰ দৰে পাইছ?' কনচাৰীয়েও হাঁহিছিল।

'মই যে লালুং। আপোনাৰ দৰে মেকড' নহওঁ নহয়। আমাৰ বুঢ়া দেওৰাজাক বিয়া কৰালে অৱশ্যে আপুনি মোতকৈও একাঠি চৰা হ'লহেঁতেন।'

'বুঢ়া বয়সত মোৰ হাতৰ মাৰ খাব খুজিছ হ'বলা? যিমানেই বুঢ়ী হৈছে সিমানেই মুখৰ বান্ধ নোহোৱা হৈছে।'

'মাৰক পাই। এই লিহিৰি হাত দুখনৰ মাৰ খাই মৰিলে মই পোনে পোনে স্বৰ্গ পামগৈ।' হাঁহিত বাগৰি পৰিছিল সোণজিৰা।

ৰৰ আনন্দৰ— ৰৰ শান্তিৰ মুহূর্ত আছিল সেইবোৰ। কিন্তু সুকোমলাই যেন

উপভোগ কৰিব খুজিও কৰিব পৰা নাছিল। অনেক দ্বিধা-দ্বন্দ্বত অস্থিৰ হৈ উঠিছিল সুকোমলা। বৈৰী পুৰুষৰ বীজ গৰ্ভত ধাৰণ কৰি পথহীন আৱৰ্তত যেন বন্দী হৈ পৰিছে সুকোমলা।

কোন বাটে যাব এতিয়া সুকোমলা? কাৰ হাতত ধৰিব? পিতৃৰাজ্য নে স্বামীৰাজ্য? কাৰ অনুগত হ'ব? কাৰ বিশ্বাস ৰক্ষা কৰিব?

'জনা গাভৰুৰ গীত আগতে শুনিছানে সুকোমলা?' জোঙাল বলহুৱে সুধিলে।

'সৰুতে অলপ অলপ শুনিছিলো। সাধু। গীত শুনা নাই।' অন্যমনস্কতাৰ পৰা উভতি আহি সুকোমলাই ক'লে।

'শুনাচোন শুনা। তুমি কিবা চিন্তা কৰি আছা নেকি? মন দিয়া নাই যে?' জোঙালে ক'লে।

'নাই— শুনি আছো দেখোন।'

মনৰ চিন্তা মনতে মাৰ নিয়াই ৰৰাগীয়ে গোৱা গীতত মন দিয়াৰ চেষ্টা কৰিলে সুকোমলাই।

গৰুচৰ ৰাজ্যতে জনা গাভৰুৱে তিৰী হৈ ৰাজপাট খায়;

ন শ কোঁৱৰক থৈছে বন্দী কৰি তাইৰ মান বলবান নাই। ...

ৰৰাগীয়ে গাই গৈছে জনাগাভৰুৰ গীত।

'জনা গাভৰু তোমালোকৰ দৰেই কছাৰী ৰজাৰ জীয়ৰী আছিল জানানে সুকোমলা? গৰুচৰ ৰাজ্যত জনা গাভৰুৱে ৰাজ্য শাসন কৰিছিল। ঠিক আমাৰ আৰিৰ দৰে।' জোঙালে আৰি কনচাৰীলৈ চাই হাঁহিলে।

'মইনো ক'ত ৰাজ্য শাসন কৰা দেখিলি অ' ছ্যু? কৰনো ন শ কোঁৱৰক বন্দী কৰি থোৱা দেখিলি?' কনচাৰীয়ে হাঁহি উঠিল।

'নশ কোঁৱৰ নহয়— এজন কোঁৱৰ হ'লে হয়। আমাৰ বুঢ়া দেওৰাজাক।' জিৰজিৰাই হাঁহি উঠিল সোণজিৰাই।

'তোৰ কাৰণেই চহৰি এৰিব লাগিব যেন পাইছো নানাঃও। ক'ৰ কি যে কয় বুঢ়ীয়ে।' খঙেৰে ক'লে কনচাৰীয়ে।

'নিজে হ'বলা গাভৰু? অৱশ্যে গাভৰু নহ'ল কি হ'ল এতিয়াও যেনে ৰূপহী নশ কিয় এহেজাৰ কোঁৱৰকো বন্দী কৰি থ'ব পাৰে।'

'আছিয়ে ঠিকেই কৈছে। তুমি এতিয়াও বৰ ধুনীয়া হৈ আছা আৰি। নহয়নে সুকোমলা?' জোঙালে ক'লে।

'উঃ— তহঁতৰ পৰা নোৱাৰি। শুনচোন শুন— কি গাইছে ৰৰাগীয়ে— মই হ'লে আজিলৈকে জনাগাভৰুৰ গীত শুনাই নাই।'

'মেকড' যে।' সোণজিৰাই লাহেকৈ ক'লে।

আটাইবোৰে সমস্বৰে হাঁহি উঠিল। সুকোমলায়ো নাহাঁহি নোৱাৰিলে।

.. অতিকৈ জিলিকে বালিত বালিচন্দা,

অতিকৈ জিলিকে সোণ;

তাতোকৈ জিলিকে জনা যে গাভৰু

যেনে পূৰ্ণিমাৰ জোন।

'ঠিক তোমাৰ দৰে।' জোঙালে লাহেকৈ ক'লে। সুকোমলা লাজত ৰঙা পৰি গ'ল।

'শুনিব।' তাই লাহেকৈ ক'লে।

'শুনক আৰু অলপ ডাঙৰকৈ কওঁ?' জোঙালে হাঁহিলে।

'ক'লে উঠি যাম কিন্তু।'

'নকওঁ — নকওঁ, বহি থাকা।'

ৰৱাগীৰ গীতত ফুটি উঠিছে জনাগাভৰুৰ সাধু।

কছাৰীৰ বুঢ়া ৰজাৰ জীয়ৰী আছিল। জনা গাভৰু গৰুচৰ ৰাজ্যত ৰাণী হৈ আছিল। তেওঁৰ ৰূপত মোহ গৈ বিয়া কৰাবলৈ অহা ন শ কোঁৱৰক জনা গাভৰুৱে পোতাশালত বন্দী কৰি থৈছিল। তেওঁৰ বিয়াৰ পণ আছিল তিনিটা— গছত নলগা, কটাৰীৰে নকটা, চূণ নলগোৱা গুৱাপাণ এখনি হাতৰ মুঠিত দিব লাগিব। এসেৰ কাঠেৰে গঢ়োৱা আৰু মৰাঠাৰিৰ নাল লগোৱা কুঠাৰখনেৰে ককাকৰ দিনৰ লোৰ টেকীটো একেকোবে সমানে দুফাল কৰি ধৰ্মৰ তৰ্জুত জুখি দেখুৱাব লাগিব যে দুয়োফাল সমান। তৃতীয় চৰ্ত হ'ল গাভৰুৰ ঘৰৰ সম্মুখত থকা শিলছটা ক্ষুদ্র শৌচ কৰি এহাত দ কৰি দিব লাগিব।'

'ইয়ে।'

মুখত হাত দি সকলো পাহৰি হাঁহি উঠিল সুকোমলাই। হাঁহিৰ টোৱে চুই গ'ল আনসকলকো।

'আৰু আছে শুনা।' জোঙালে হাঁহি হাঁহি ক'লে।

ৰৱাগীয়ে গাই গৈছে—

... এইকেইটা পৰীক্ষাত উত্তীর্ণ হোৱাৰ পিচত বিয়া কৰাব খোজা কোঁৱৰে জনাগাভৰুৰ ঘৰৰ পূবত তিনিপুৰা মাটি আগুৰি থকা তাল-শাল গছজোপা আগত ধৰি একে আজোৰে তুলি পেলাব লাগিব। গছজোপাৰ শিপা মাটিৰ ওপৰতেই তিনিশ তিনিহাত জুৰি আছে। তলৰে বা কিমান আছে কোনেও ক'ব নোৱাৰে। গছজোপাত বাৰকুৰি বলিয়া হাতী বান্ধি ৰাখিছে। গছজোপা উভালি হাতীবোৰ খেদি দিব লাগিব। এই পণবোৰত উত্তীর্ণ হ'ব নোৱাৰিলে বিয়া কৰিবলৈ অহা জনক বন্দী কৰি থোৱা হ'ব।'

'তুমি জনা গাভৰু হোৱা হ'লে মই তোমাক এইবোৰ একো নকৰি পলুৱাই লৈ আহিলোহেঁতেন।' জোঙালে মনে মনে ক'লে।

'পলুৱাই আনিব? আপুনি?' হাঁহিত বাগৰি পৰিল সুকোমলা।

'নহ'লে গভীয়া থাকি গ'লোহেঁতেন।'

হাঁহিত পেটৰ নাড়ী ডাল ডাল হ'বলৈ ওলাইছে।

'ইমানকৈ নাহাঁহিবা। গালৈ বেয়া।' কনচাৰীয়ে সচকিত হৈ ক'লে।

সুকোমলা সচেতন হৈ লৰি চৰি বহিল। মুহূর্ততে চিন্তাৰ শক্তিশালী টো এটাই উটুৱাই লৈ গ'ল সুকোমলাক।

দ্বিধা-দ্বন্দ্বৰ দোমোজাত থিয় হৈ কাকো ক'ব নোৱাৰা কষ্টত আকৌ ছটফটাই উঠিল।

সুদীর্ঘ এমাহৰ অনেক সতর্ক অনুসৰণৰ পিচত ৰাজানঃৰ গোপন কোঠালিত তৰোৱালৰ অস্তিত্ব আৱিষ্কাৰ কৰিছে সুকোমলাই। আলহীদেৰে কৈছিল জোঙাল বলহুৱে দেওতৰোৱালখনক সদায় পূজা কৰে। কিন্তু ৰাজানঃত জোঙালক কেতিয়াও ক'তো পূজা কৰা দেখা নাছিল সুকোমলাই। আলহীদেউ যোৱাৰ পিচত কিছুদিন জোঙাল বলহু ঘৰত থকা সময়খিনিত প্রতিমুহূর্ততে ওচৰে ওচৰে থাকি চাইছিল কিন্তু কেতিয়াও পূজা কৰা দেখা নাছিল সুকোমলাই।

কেতিয়া পূজা কৰে তেনেহ'লে? ক'ত আছে তৰোৱালখন? সদায় পুৱা বসুন্ধৰী মন্দিৰলৈ পূজা দিবলৈ যায় জোঙাল। নে বসুন্ধৰী থানতেই থোৱা আছে তৰোৱালখন? ইমান অসুৰক্ষিত থান এখনতনো এনে এখন তৰোৱাল থ'বনে?

জোঙাল যেতিয়া পূজা দিবলৈ যায় তেতিয়া সুকোমলা শুই থাকে। বিয়াৰ পিচত সুকোমলাও যাব খুজিছিল। জোঙালে বাধা দিছিল। কৈছিল—

'মই দৌৰি যাওঁ— দৌৰি আহো। তুমিনো কেনেকৈ যাবা। নালাগে। মন গ'লে তুমি কেতিয়াবা হাতীত যাবা বাৰু। মন গ'লে মহাদেওশালৈলৈ বেলিকৈ গৈ পূজা দি আহিবগৈও পাৰা। ইমান পুৱাতে উঠিব লাগে কিয়?'

জোঙালৰ কথা শুনি পুৱা শুই উঠিবলৈ এৰিছিল সুকোমলাই। কিন্তু তৰোৱালখন বিচাৰি থাকোতে থাকোতে যেতিয়া হতাশ হৈ পৰিব ধৰিছিল, তেতিয়াই জোঙালে ৰাতিপুৱাই উঠি পূজা দিবলৈ যোৱাৰ কথাটো মনলৈ আহিছিল সুকোমলাৰ। অতি সতর্কতাৰে কেইবাদিনৰ চেষ্টাৰ অন্তত তৰোৱালখনৰ অস্তিত্ব বিচাৰি পাইছে সুকোমলাই। গম পাইছে বসুন্ধৰীলৈ যোৱাৰ আগতে তৰোৱালখনক গোপনে পূজা দি যায় জোঙালে।

কথাটো গম পাই তেজবোৰ উতলি আহিছিল সুকোমলাৰ।

জোঙালে তাইক বিশ্বাস কৰা নাই। বিশ্বাস কৰা হ'লে তৰোৱালখনৰ কথা তাইক

নিশ্চয় জানিবলৈ দিলেহেঁতেন জোঙালে।

দেউতাকৰ কথাই সঁচা।

আলহীদেৰে কোৱা কথাই সঁচা।

কছাৰী ৰাজ্য আক্রমণ কৰিব জোঙালে। আজি নহ'লে কাইলৈ। সুকোমলাৰ পিতৃৰাজ্য এদিন জোঙালৰ তলতীয়া হৈ পৰিব।

সুকোমলা চিন্তিত হৈ পৰিছিল। জোঙালৰ প্রতি বিতৃষ্ণাত তাইৰ ভিতৰখন জ্বলি উঠিছিল। ইতিমধ্যে দেউতাকলৈ খবৰটো জনাইছে সুকোমলাই। আৰু জনোৱাৰ পিচতেই এই আনন্দ বার্তা। কি কৰিব এতিয়া সুকোমলাই? কি কৰিব?

'সুকোমলা— কি ভাবি আছা?' জোঙালৰ প্রশ্ন শুনি উচপ্ খাই উঠিল সুকোমলা।

'একো ভবা নাই— শুনি আছো দেখোন।'

'শুনিছা? কি গাই আছে কোৱাচোন?'

'চর্তবোৰৰ কথা কৈ থকা নাই জানো?'

'মই জানিছিলো তুমি শুনা নাই। কিনো ইমান ভাবি আছা? আইলৈ মনত পৰিছে?' কোমলকৈ ক'লে জোঙালে।

এজোলোকা চকুপানীয়ে অকাৰণতে বুৰাই পেলালে সুকোমলাৰ চকুযোৰ।

'অ'। তাই তলমুৰকৈ ক'লে।'

'মই জানো। মনত নপৰাটোহে আচৰিত। যাওঁ বুলি ভাবিছিলো যোৱাও নহ'ল। তেখেতসকলকে মাতি দিও নেকি?'

'আহিব জানো?'

'কিয়নো নাহিব? আলহীদেউ অহাৰ কথা আছে নহয়। পত্র এখন লিখি মাতি পঠিয়াবা। তোমাৰ কথাটো গম পাইছেই চাগে এতিয়া মানে। নহাকৈ নাথাকে চাবা। এতিয়া শুনা। কাহিনী শেষেই হ'বৰ হ'ল।'

..নগাঁৱৰ কোঁৱৰ গোপীচনে ন শ কোঁৱৰক উদ্ধাৰ কৰিবলৈ আৰু জনাগাভৰুক বিয়া কৰাবলৈ সাজিকাচি ওলাল। বাঁৰী মাকৰ একেটা ল'ৰা গোপীচন। বাঁৰী মাকে জনাৰ বিৰুদ্ধে নানা কথা কৈ বাধা দিব ধৰিলে—

'বোপাই! জনা গাভৰু কুলক্ষণী, শাখিনী, তই যাব নালাগে। তাইৰ চুলিটাৰ জেঠী নেগুৰীয়া, বুকু ভাঙি খোজকাঢ়ে, ভৰিযোৰ খৰমযুৰীয়া। তাই গজমুৰী। পিচলৈ মানুহ চাই চাইহে খোজ কাঢ়ে। তাই যখিনী, খাইমুৰী, এপুৰা চাউল কোঁচত ভৰাই লৈ গলিয়াই ফুৰে। তাই উজ্বলা-দাঁতী, হাঁহিলে আপচু দেখি, মুৰত বাৰেকুৰি লেখি, বৰণ এণ্ডাৰকলীয়া, ওফোন্দাগালী, কঁপালত ক'লা মাহৰ চিন আছে,— কেঁকোৰা চুলীয়া আগঢ়ী।'

'অ' শ্রিবায়— এনে আপচু।' সুকোমলা হাঁহিত বাগৰি পৰিল। পাহৰি গ'ল অলপ আগতে যে তাই এজনী দেশৰ সৈনিক হৈ পৰিছিল।

'গোপীচন জানো আমাৰ জকাংকৰ দৰে অঁকৰা? ঠিকেই বুজিছে মাকে যে মিছা কৈছে। আমাৰ জকাংক হোৱা হ'লে জু খাই শুই থাকিলহেঁতেন।' সোণজিৰাই হাঁহি উঠিল।

'আছি, মোক কিন্তু কৈছে হয় পলুৱাই আনিলেহেঁতেন, নহ'লে বোলে গভীয়া চাপিলেহেঁতেন। চৰ্তও নামানিলেহেঁতেন বোলে।' সুকোমলা আকৌ হাঁহিত জিলমিলাই উঠিল।

'কেনে বীৰ অ' এইটো? গভীয়া চাপে? মায়ঙৰ বেজ আনি জৰাব লাগিব তোক।' হাঁহি উঠিল সোণজিৰাই।

বৰাগীয়ে তেতিয়া গাই আছিল—

গোপীচনে মাকৰ কথা নুশুনিলে। জনা গাভৰুৰ ওচৰলৈ আহি পণৰক্ষা কৰি, বাৰশ বলিয়া হাতী মুকলি কৰি দি, জনাগাভৰুৰ ককায়েক বীৰ অভিমনক মাৰি, জনাগাভৰুক বিয়া কৰাই লৈ গ'ল।

আনন্দৰে ভৰি পৰা ৰংচোৱা ভেঁটিত তেতিয়া ৰান্ধনিয়ে খৰিকাত দিয়া মাছবোৰ গোটে গোটে আনি পৰিবেশন কৰিবলৈ আৰম্ভ কৰিছিল।

'আই।'

শৰীৰৰ অৱস্থা পাহৰি দৌৰ মাৰি গৈ মাকক সাৱটি ধৰিলে সুকোমলাই। ৰাজগৃহৰ দুৱাৰমুখতে, সকলোৰে সম্মুখত, মাকৰ বুকুত মুৰ গুজি উচুপি উঠিল।

মাকেও কান্দিছে।

সুদীৰ্ঘ দিনৰ মূৰত জীয়েকক দেখা পাই শোক আৰু আনন্দই একেলগে উবুৰি খাই পৰিছেহি। চহৰিৰ পৰা নিমন্ত্রণ নোযোৱা হ'লে কোনে জানে তেওঁৰ জীয়েকক চাবলৈ অহা হ'লহেঁতেননে নাই। অনেক উপঢৌকন, অনেক আহার্য বস্তু লৈ চহৰিৰ পৰা সুকোমলাৰ আসন্ন মাতৃত্বৰ বতৰা লৈ যেতিয়া বার্তাবাহক গৈছিল তেতিয়াও সুকোমলাৰ মাকৰ বুকুখন যেন শোকে আৰু সুখে একেলগে খুন্দা মাৰি ধৰিছিল।

মিত্রতাৰ নামত সেই যে অচিন অজান দেশ এখনলৈ চিৰকাললৈ ওলাই গৈছিল ছোৱালীজনী তাৰ পিচত এটা বছৰতকৈও অধিক দিন পাৰ হৈ গ'ল।

বিয়াৰ পিচৰে পৰা নুমলীয়া জীয়েকৰ চিন্তাই যেন খুলি খুলি খাইছিল মাকক। তেওঁ কেতিয়াও ভবা নাছিল এনে এখন বিয়াই কিবা সুখৰ বতৰা দিব পাৰে। এয়াতো বিয়া নহয়— এজন দুর্বল হৈ আহিব ধৰা শক্তিশালী বৃদ্ধ ৰজাৰ এজন শক্তিশালী হৈ উঠিব ধৰা যুৱক ৰজাৰ লগত আপোচৰ সূত্র বন্ধন মাত্র। ৰাণী হিচাপে তেওঁ এই ৰাজনৈতিক সম্বন্ধৰ যুক্তিযুক্ততা মানি ল'বলৈ কষ্ট পাইছিল। মাক হিচাপেও।

সেয়েহে এই বিয়াখন হোৱাত তেওঁ অনেক আপত্তি কৰিছিল। অনেক কন্দাকটা কৰিছিল।

কিন্তু তেওঁৰ আপত্তিক, তেওঁৰ কন্দাকটাক কোনেও গুৰুত্ব নিদিলে। আনকি সুকোমলায়ো।

ৰাণীয়ে যেতিয়া হাৰ মানি ভাতপানী এৰি শুই আছিল তেতিয়া সুকোমলা তেওঁৰ ওচৰলৈ আহিছিল। মাকক বিছনাৰ পৰা তুলি মুখামুখি হৈ বহি সুকোমলাই কৈছিল—

'কিয় দুখ কৰিছা আই? মোৰ চহৰি ৰজাৰ লগত বিয়া হ'লে যদি আমাৰ ৰাজ্যৰ উপকাৰ হয়— এই উপকাৰ নকৰিম কিয় কোৱাচোন? মোৰ আফা কিমান ডাঙৰ

ৰজা। তেওঁৰ ৰাজ্য আনৰ তললৈ গ'লে, তেওঁৰ ৰাজ্যত আন দেশৰ মানুহে আহি ৰজা হৈ বহিলে তোমাৰ ভাল লাগিবনে? তুমি সহিব পাৰিবানে? মই হ'লে সহিব নোৱাৰো আই।'

দেশৰ কাৰণে বলি যাবলৈ ওলোৱা জীয়েকৰ শান্ত, নম্ৰ মুখখনলৈ চাই শোকত তেওঁৰ বুকুখন ভাগি যাব খুজিছিল। মাকক অনেক যুক্তি দিলেও সুকোমলাই নিজেও যে ভিতৰে ভিতৰে কান্দি আছিল সেই কথা তেওঁ জানো নুবুজাকৈ আছিল?

স্বামী আৰু কন্যাৰ যুক্তি আৰু দৃঢ়তাৰ সন্মুখত নিৰুপায় হৈ পৰিছিল ৰাণী। জীয়েকৰ বলি যোৱা নাচাওঁ বুলি তেওঁ চহৰিৰ বিবাহ বাহৰলৈ নাহিল। আশীৰ্বাদ নিদিলে।

তাৰ পিচত আজিলৈকে প্ৰতিটো দিন-ৰাতি দুঃশ্চিন্তাত কটাইছে ৰাণীয়ে। বৈৰী ৰজাৰ ৰাজগৃহত বন্দী হৈ থকা জীয়েকৰ কথা ভাবি ভাবি মনে মনে চকুপানী টুকিছে। স্বামীৰজা আৰু ধনেশ্বৰে যিমানেই সুকোমলা সুখে-সন্তোষে আছে বুলি নকওঁক, ৰাণীৰ মনে মানি ল'ব খোজা নাছিল। তেওঁৰ কিয় জানো ভাব হৈছিল সুকোমলা যেন ভালেৰে থকা নাই। অচিন অজান দেশখনত, অচিন অজান ৰাজগৃহত যেন দুখত আছে সুকোমলা।

তেওঁ বহুবাৰ চহৰিলৈ জীয়েকক চাবলৈ আহিব খুজিছিল। কিন্তু স্বামীৰজাই অনুমতি নিদিলে।

'তোমাক জানো নিমন্ত্ৰণ কৰিছে? তুমি ডিমাবণ্ডৰ দৰে ৰাজ্যৰ ৰাণী। নিমন্ত্ৰণ নোপোৱাকৈ জোঁৱাই হ'লেও আন ৰজাৰ ঘৰলৈ কিয় যাবা?' ৰজাই কৈছিল। বিয়াৰ পিচত জী-জোঁৱাই এবাৰো নহা দেখি অসন্তুষ্টি প্ৰকাশ কৰিছিল।

সুকোমলাৰ আসন্ন মাতৃত্বৰ বাৰ্তা আৰু নিমন্ত্ৰণ পোৱাৰ পিচত সেই বাধা ওফৰাই আহিব পাৰিছে ৰাণী। জীয়েকক নিজে ৰান্ধি-বাঢ়ি এসাঁজ খুওৱাৰ সকলো যা-যোগাৰ আৰু অনেক উপহাৰ লৈ চহৰিলৈ আহিছে। আহি দুৱাৰ মুখতে আনন্দ-বেদনাৰ বা-মাৰলিত সোমাই পৰিছে।

'ইমান দিনৰ মূৰত মোলৈ মনত পৰিল আই? ইমান দিনৰ মূৰত চাবলৈ আহিলা? মইনো কি জগৰ লগালো আই— মোক যে এনেকৈ শাস্তি দিছা?'

মাকৰ বুকুত সোমাই উচুপি উচুপি কৈছে সুকোমলাই। সোণজিৰাই চাই আছে। চাই চাই সোণজিৰাৰ চকুযোৰো সেমেকি উঠিছে। অলপ সময় পিচত সোণজিৰাই ক'লে—

'নাকান্দিবি অ' পহাৰী— গাৱ মণ্ডহে দুখ পায় নহয়। আহ— ভিতৰলৈ আহ— আয়েৰক লৈ আহ। দুখে-ভাগৰে আহি পাইছে। আহক ৰাণী আইদেউ। আলহীদেউ আহক— ভিতৰলৈ আহক।'

'আপোনালোকৰ বোৱাৰীয়ে দেখোন যাবলৈকে নিদিয়ে। বাটভেটি ধৰি আছে।' জীয়েকৰ চুলিত হাত বুলাই বুলাই কছাৰী ৰাণীয়ে ক'লে।

'তুমিও আছিৰ দৰে আহিয়েই ধেমালি কৰাত লাগিলা নহয়?' মাকৰ বুকুৰ পৰা ওলাই চকুপানী মচি মচি সুকোমলাই হাঁহিলে।

'তই নহ'লে কন্দুৱায়েই থাকিবি নহয়।' মাকে হাঁহিলে। মাকৰ হাঁহি থকা চকুযোৰৰ ভেটা ভাঙি আৰু এজোলোকা চকুপানী বৈ আহিল। সুকোমলায়ো আকৌ এবাৰ উচুপি উঠিল। উচুপি উচুপি হাঁহি থকা চকুযোৰ তুলি মাকলৈ চালে—

'কন্দুৱামতো। অতদিনৰ মূৰত জীজনীৰ কথা কোনে মনত পেলাই দিলে আই?'

'তেনেকৈ নক'বিঅ' আইজনী। আমি তিৰোতা মানুহ। আঁহো বুলি জানো আহিব পাৰো? তয়োতো বিয়া হৈ নতুন ঘৰ পাই আমাৰ কথা পাহৰিলি। এবাৰো নগ'লি।'

'যাম বুলি ভাবিছিলো। আপোনাৰ জোঁৱায়ো যোৱাৰ কথা আছিল। কিন্তু' লাজত ৰঙা পৰি তলমূৰ কৰিলে সুকোমলাই।

'সেই কাৰণেইতো উধাতু খাই আহিলো আই।'

'উধাতু খাই আহোতে দুমাহ লাগিল।' সুকোমলাই চকুপানী মচি মচি হাঁহিলে। তাৰ পিচত সোণজিৰাক দেখুৱাই ক'লে—

'এয়া আমাৰ মাদাই হয়। মই যে পত্ৰত লিখিছিলো।'

'অ' নমস্কাৰ জামায়জী।' মাকে সোণজিৰালৈ চাই ক'লে।

'নমস্কাৰ' সোণজিৰাই হাতযোৰ কৰিলে।

'আহক ভিতৰলৈ আহক। আহক আলহীদেউ, আপুনিও আহক।'

অতপৰে ওচৰতে থিয় হৈ বিৰক্তিৰে মাক-জীয়েকৰ মিলন দৃশ্য চাই থকা ধনেশ্বৰে হাতযোৰ কৰি হাঁহিলে—

'মই আলহী ঘৰলৈকে যাওঁ নহ'লে আছি।'

'নালাগে— নালাগে— ভিতৰলৈ আহক। আগতে পত্ৰ কঢ়িওৱা মানুহ হৈ আহিছিল— আজি আলহী হৈ আহিছে। ইয়াতে থাকিব লাগিব। আহক।'

লগত অহা লোকসকলে কঢ়িয়াই অনা বস্তুবোৰ খামছামায়ে লৈ গ'লহি। আটাইবোৰ ভিতৰলৈ সোমাই আহিল। আলহী বহা কোঠাত পাৰি থোৱা আসনত বহি কনচাৰীয়ে অপেক্ষা কৰি আছিল। তেওঁলোক সোমাই যোৱাত থিয় হ'ল। সোমাই গৈ কনচাৰীক দেখি থমক খাই ৰ'ল ৰাণী। অবাক হৈ কনচাৰীলৈ চাই থাকিল।

'এয়া আমাৰ আৰাই হয় আই।' সুকোমলাই ক'লে।

মূৰত লোৱা ৰিকাওসাখন ভালকৈ লৈ দুহাত জোৰ কৰি প্ৰণাম জনাই ৰাণীয়ে ক'লে—

'আপোনাৰ কথা সুকোমলাই পত্ৰত লিখিছিল। বিয়ালৈ অহাসকলেও কৈছিলগৈ। ইয়াতে লগ পাই বৰ ভাল লাগিল আই।'

নমস্কাৰ জনাই কনচাৰীয়ে ধীৰবাৰে ক'লে—

'আপোনাক চাবলৈ আমি বৰ হেপাহ কৰিছিলো। অহাই ভাল পালো ছাঃজ। আহক। ইয়াতে অলপ জিৰাই লওক।'

ৰাণী আৰু ধনেশ্বৰ বহিল। সুকোমলা ৰৈ থাকিল। সোণজিৰা ভিতৰলৈ গ'লগৈ।

'আপোনাৰ কথা অনেক শুনিছো আই। আমাৰ তাত সকলোৱে বিয়াত দেখি গৈ কৈছে ৰজাৰ আৰাইৰ দৰে মজাংবা আমাৰ এজনীও মাট্‌লাছাৰ নাই।'

'কি কৈছে?' সুকোমলাৰ মুখলৈ চালে কনচাৰীয়ে।

'আপোনাৰ দৰে ধুনীয়া ছোৱালী এজনীও নাই বুলি কৈছে আবি।' সুকোমলাই ক'লে।

'মই জানো ছোৱালী? মাট্‌লাছা?' হাঁহি উঠিল কনচাৰীয়ে।

কাঁহৰ কাঁহীত দুবাতি জুচা; দুবাতি পানী আৰু তামোলৰ বঁটা লৈ খামছামাই এজনী আৰু সোণজিৰা আহিল।

আটাইবোৰ বস্তু সসম্মানে আগবঢ়াই দি সোণজিৰাই ক'লে—

'ভাগৰে-জুগৰে আহিছে, মুখখন তিয়াই লওক— তাৰ পিচত মুখ-হাত ধুবগৈ।'

ধনেশ্বৰে তেতিয়া লোভত চিক্‌মিকাই উঠা চকুৰে কোঠাৰ মাজত সোণৰ বটাত সজাই থোৱা সোণ-ৰূপৰ তামোল-পাণ দুঠোকলৈ একেথিৰে চাই আছিল।

'ইমান ধুনীয়া তামোল-পাণ দুঠোক। ক'ত পালে আই? কেনেকৈ সাজিলে?' ধনেশ্বৰে নকৈ নোৱাৰিলে।

'ইয়াতে সজা। ভিতৰত সুতা লাহি দি সোণ-ৰূপৰপাত মেৰিয়াই সজা। পাত্ৰবোৰ কিছুমান ৰূপৰ, কিছুমান ৰূপৰ ওপৰত সোণপানী চৰোৱা।' ভাল লাগিছে?' কনচাৰীয়ে হাঁহিলে।

'ভাল লাগিছে আই। বিস্ময় মানিছো। এনে দেৱদুৰ্লভ বস্তু দুচকুৰে কাহানিবা যে দেখিবলৈ পাম ভবাই নাছিলো। আমাৰ ৰজাদেৱৰ ঘৰতো অনেক সোণ-ৰূপ দেখিছো। ইয়াত দেখিলো সোণৰ হাট, ৰূপৰ হাট।'

'প্ৰতাপপুৰ দেখা হ'লে আলহীদেউ কিজানি কিবা হৈ গ'লহেঁতেন।' সোণজিৰাই হাঁহিলে।

'সেইবোৰ দেশলৈ গৈছো আছি। বেপাৰ কৰা দিনবোৰত। আমাৰ নিজৰ মানুহো আছে। সেইবোৰ হ'ল হালোৱা হজুৱা মানুহ। কাঁহৰ কাঁহী-বাতিয়েই সীমা। প্ৰতাপপুৰৰ দুৰ্গৰ ভিতৰলৈ সোমোৱাৰ ভাগ্য হ'লে নহ'ল। ৰজাৰ ভাগ্য আৰু প্ৰজাৰ ভাগ্য জানো একে?'

'সোণ-ৰূপৰ জোখেৰে ভাগ্য জুখিব নাপায় আলহীদেউ। সোণ-ৰূপে জানো শান্তি দিব পাৰে? ৰজাকো নোৱাৰে। সকলোৱে মিলি-জুলি ভালেৰে থাকিব পাৰিলেহে শান্তি পায়।' কনচাৰীয়ে ক'লে।

'আয়ে সঠিক কথাই কৈছে। মিলিজুলি থকাটোহে আচল। মঁয়ো আমাৰ ৰজাক কওঁ। মাটিৰ সীমা বঢ়াই ডাঙৰ ৰজা হোৱাতকৈ সকলোৱে মিলিজুলি ভালেৰে থাকিব লাগে। প্ৰজাৰ ভাল কৰিব লাগে।' সুকোমলাৰ মাকে ক'লে।

'মঁয়ো জকাংকক এই কথাটোৱেই কওঁ। সি আগেয়ে নুবুজিছিল। যুঁজ কৰি সীমাও বঢ়াইছিল। এতিয়া আৰু যুঁজ-বাগৰৰ কথা নাভাবে। খেতিবাতিৰ উন্নতি কৰি, বেহা-বেপাৰৰ উন্নতি কৰি ৰাইজৰ ভাল কৰাত মন দিছে।' কনচাৰীয়ে ক'লে।

'এইবোৰ আমাৰ বুঢ়া দেওৰাজা আৰু কনচাৰী পাইৰ কাৰণেই হৈছে। আমাৰ বুঢ়া দেওৰাজাৰ দৰে সাধু মানুহ ক'ত আছে।' সোণজিৰাই ক'লে।

'তেখেতৰ কথা শুনিছো জামায়জী। সুকোমলাই পত্ৰত লিখিছিল। বিয়ালৈ অহাসকলেও এই কথাবোৰ কৈছে। মোৰ ছোৱালীজনী বৰ ভাল ঠাইত পৰিল। নিজৰ বুলি চাব আৰু আই।'

'আমিনো তাইক কি চাম— তায়েই আমাক চায়। বৰ লুখুমী পহাৰী।' সোণজিৰাই ক'লে।

'তুমি কিন্তু বহুদিন থাকিব লাগিব আই।' সুকোমলাই ক'লে।

'এইবাৰ বহুদিন থাকিব নোৱাৰো ঐ আই। এসাজ খুৱাম বুলি আহিছো। দুদিন থাকি যামগৈ।'

'দুদিন?' সুকোমলা ম্লান হৈ গ'ল। 'দুদিনলৈনো আহিলা কিয়? নাহিলেও হ'লহেঁতেন।'

'দুদিনমান আগতে শগুনে চোতালত মঙহৰ টুকুৰা পেলাইছে। বৰ অমংগলৰ কথা। আই গামাডীৰ পূজা পাতিছো। তাতে এই খেতিৰ বতৰতো বৰষুণ হোৱা নাই। ' মিছেংক' পাতি আই হেৰেম্বেশ্বৰীক পূজা দিয়াৰ কথাও চলিছে। যাব লাগিব আই। কি কৰিবি। আমি হ'লো হাশ্ৰি গজনী— বন্ধ হাবিৰ পহু। থাকো বুলি জানো থাকিব পাৰো? আকৌ আহিম নহয়। সময়ত। তেতিয়া কিছুদিন থাকিম। এইবাৰ দুদিনেই থাকিব পাৰিম আই।'

'বুজিছো দিয়া। মোলৈ মৰম থাকিলেহে।'

'আয়েৰক দুখ দিছনো কিয় অ' পহাৰী? দুদিনলৈ হ'লেও আহিছে যে। ৰাজ্যৰ ৰাণী এগৰাকীৰ কিমান দায়িত্ব থাকে। তই নিজেই ৰাণী। দেখা নাই জানো?' সোণজিৰাই ক'লে। তাৰ পিচত ৰাণীলৈ চাই হাঁহিলে—

'আপোনাৰ জীয়ৰী বৰ আদৰুৱা বুজিছে পাই। আমাৰ লগতো অকণমান কথাতে ওফোন্দ পাতে।'

'আছি— আয়ে সঁচা বুলি ভাবিব।'

'ওফোন্দ নপতা পহাৰী যদি যা আয়েৰক ভিতৰলৈ লৈ যা। মই জলপানৰ দিহা কৰোগৈ।' সোণজিৰাই ক'লে।

'এতিয়া আৰু একো নাখাওঁ জামায়জী। গধুলিয়েই হ'ল।'

'গধুলি হ'ল বুলি শুদামুখে থাকিবনে?'

'আছিয়ে সঠিক কথাই কৈছে। হাতীৰ পিঠিত ঠেকেচনি খাই খাই মোৰ হ'লে পেটৰ কেঁচু-কুমটিও মৰিল যেন লাগিছে।' ধনেশ্বৰে ক'লে।

আটাইবোৰে হাঁহি উঠিল।

'আপুনিও ভিতৰলৈ বলক। আপোনাৰ বাবে আছুতীয়া কোঠা এটা সাজু কৰিছে। তালৈকে যাওক গৈ। জলপান সাজু হয় মানে মুখহাত ধুই লওক।' সোণজিৰাই দুৱাৰমুখতে ৰৈ থকা খামছামাই এটাক ইংগিত দিলে। তেওঁৰ লগতে ধনেশ্বৰ গ'লগৈ।

ধনেশ্বৰৰ মনত উলাহৰ অন্ত নাই। এই প্ৰথম ৰাজগৃহৰ ইমান ভিতৰলৈ সোমাল ধনেশ্বৰ। আগৰবাৰ আহোতে গড়ৰ বাহিৰৰ আলহীঘৰত থাকিবলৈ পাইছিল। বাহিৰতো সদলো সময়তে কোনোবা নহয় কোনোবা লগে লগে থকা কাৰণে বৰ বেছি একো চোৱাৰ সুবিধা পোৱা নাছিল। এইবাৰ সেয়ে ৰাণীৰ লগত চহৰিলৈ আহিছে ধনেশ্বৰ। জানে— ৰজাৰ শাহুৰেকৰ লগত অহা অতিথিক কোনেও একোতে হকা-বাধা নকৰে। এই চেগতে গড়ৰ ভিতৰ-বাহিৰ ভালদৰে চাই যাব পাৰিব ধনেশ্বৰে।

এখোজ এখোজকৈ নিজৰ লক্ষ্যলৈ আগবাঢ়িছে ধনেশ্বৰ। অনেক কথা, অনেক কৌশলেৰে কছাৰী ৰজাৰ মনত জোঙালৰ প্ৰতি তীব্ৰ বিদ্বেষৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। আৰু মাত্ৰ কেইটামান খোজ! তাৰ পিচত—

'আলহীদেউ— এয়া আপোনাৰ সলাবলৈ কাপোৰ।' খামছামাই এটাই ক'লে।

কাপোৰসাজ হাতপাতি লৈ ধনেশ্বৰে খামছামাইজনৰ মুখলৈ চালে। এখন সৰল সহজ দ্বিধাহীন মুখ।

'কাপোৰ নহ'লেও হ'লহেঁতেন অ'। আনিছোৱেই।' ধনেশ্বৰে ক'লে।

'আছিয়ে দিছে। নতুন বুলিছে।'

'তহঁতৰ আছি বৰ ডাঙৰ মনৰ দেই। বৰ ভাল। সেয়েহে এনেহেন দেৱতা যেন ৰজা পাইছ। কিন্তু ৰজাদেৱক নেদেখিলো। তেওঁ ৰাজধানীত নাই নেকি?'

'আছে। গড়ৰ বাহিৰলৈ গৈছে।'

'হয়নেকি? ক'লৈ বা গৈছে?'

'যুঁজৰ আখৰালৈ।'

'যুঁজৰ আখৰালৈ? যুঁজ কৰিবলৈ ওলাইছে নেকি আকৌ?'

'সেইবোৰ আমি নাজানো।' ল'ৰাটোৱে গম্ভীৰ ভাবে ক'লে।

'এনেইহে সুধিছো। আমিও তোৰ দৰেই খামছামাইহে। যুঁজ বুলি শুনিলে ভয় লাগে বুজিছ।' ধনেশ্বৰে হাঁহিলে।

'আপুনি জিৰণি লওঁক।' নমস্কাৰ জনাই খামছামাইজন গ'লগৈ।

তেতিয়া মুখ-হাত ধুই আজৰি হৈ জীয়েকৰ লগত কথাত মগ্ন হৈ আছিল সুকোমলাৰ মাক। জীয়েকৰ অগণন প্ৰশ্নৰ উত্তৰ দি শেষ কৰি মাকে সুধিলে—

'ইয়াত থাকি কেনে পাইছ সুকোমলা?'

'ভালেই লাগিছে। সকলোৱে মোক বৰ মৰম কৰে। কিন্তু মোৰ আপোনালোকৰ কাৰণে চিন্তা লাগি থাকে আই।'

'চিন্তাতো লাগিবই। কিন্তু চিন্তা কৰি দেহাক মিছাকৈ দুখ দি লাভ নাই। আমিতো ভালেই আছো। তই নাই কাৰণে দুখ লাগি থাকে। আফাৰেও দুখ কৰি থাকে। তাৰ বাহিৰে সকলো ভালেৰেই চলি আছে। কি কৰিবি আই— দূৰদেশলৈ নিজেই ভাল হ'ব ভাবি বিয়া হ'লি। এতিয়া মিলিজুলি ভালেৰে থাকিবৰ চেষ্টা কৰিব লাগে। তোৰ আবী আৰু মাদীক দেখি ভাল লাগিল। বৰ ভাল মানুহ। ভালদৰে আল-পৈচান ধৰিবি। বুঢ়ী মানুহ। মৰম বেথা কৰিবি। তেতিয়াহে মৰম পাবি।'

'তেওঁলোক সঁচাকৈয়ে বৰ ভাল আই। মই যিমান পাৰো যত্ন লওঁ। কিন্তু তেওঁলোকে মোক বেছি কাম-বন কৰিবই নিদিয়ে। আবীৰে মোক কিমান যে কি নতুন কথা শিকাইছে। তেওঁ লালুং নহয় নহয়— প্ৰতাপপুৰৰ ৰাণী আছিল। তুমি জানা নহয়?'

'অ'— জানো। কথাবোৰ শুনিছো। বৰ দুখৰ জীৱন।'

'দুখৰ হ'লেও দুখৰ নহয় আই। তেওঁক ইয়াত সকলোৱে দেৱীৰ দৰে সন্মান কৰে। তেৱো এনেকৈ ৰাইজৰ সেৱা কৰিছে আৰু এনেকৈ সমাজৰ এজন হৈ পৰিছে যে মানুহে আজিকালি তেওঁক বাহিৰৰ আছিল বুলিয়েই পাহৰি গৈছে। আমাৰ ইয়াত নাথাকে। গোভাত থাকে। আপোনাৰ জোঁৱায়ে কিমান থাকিবলৈ কয়— ৰাইজৰ অসুবিধা হ'ব বুলি নাহে। এতিয়া অৱশ্যে ইয়াতে আছে। কিছুদিন থাকিব বোলে। মোৰ বৰ যত্ন লয় আই।'

'জোঁৱায়ে পিচে?'

'তেৱোঁ লয়। আমাৰ আফাই তোমাৰ যিমান যত্ন লয় তাতোকৈ কিজানি বেছিয়েই লয়। ইমান ডাঙৰ ৰজা। কিমান কাম। তথাপিও।'

'স্বামীৰ যত্ন পোৱাটো বৰ ভাগ্যৰ কথা। জোঁৱাই হ'বলা ৰাজসভাত আছে?

গধুলি হ'ল— ঘৰত দেখোন নাই?'

'ৰাজসভাত নে ক'ত আছে নাজানো আই। দেওশালত পূজা দি আহি খাই-বৈ ওলাই গৈছে। আহোতে পলম হ'ব বুলি কৈ গৈছে।'

'জোঁৱায়ে তোক ক'লৈ যায় কি কৰে নজনায় নেকি?'

'কেতিয়াবা জনায়। কেতিয়াবা নজনায়। ময়ো সুধিবলৈ টান পাওঁ।'

'নোসোধাই ভাল। তই আন ৰাজ্যৰ ৰজাৰ জী। নতুনকৈ মিত্রতা হৈছে। ৰৰকৈ সুধি থাকিলে বেয়া পাব পাৰে। সাধাৰণ মানুহৰ তিৰোতা হ'লে কথাটো বেলেগ। কিন্তু ৰজাৰ তিৰোতাই সকলো কথা জানিবলৈ বিচাৰিবও নালাগে। আমাৰনো বাহিৰৰ কথা জনাৰ প্ৰয়োজনেই বা কি? মিলেৰে আৰু সুখে-শান্তিৰে থাকিব পাৰিলেই হ'ল।'

'আমাৰ ইয়াত কিন্তু কথাবোৰ অলপ বেলেগ আই। মোৰ শাহু আয়ে নিজেই এখন ৰাজ্য চলাইছিল। আবিয়েও গোভাৰ ঘৰত অকলে থাকি ৰাজ্যৰ বহুতবোৰ কাম চায়। আজিকালি মোকো মাজে মাজে দুই-এটা ৰাইজৰ কামত লগত লৈ যায়। অৱশ্যে দুই-এবাৰহে গৈছো। গা বেয়া হোৱাৰ পৰা ঘৰৰ পৰা ওলাবলৈকে নিদিয়া হৈছে। আমনি লাগি যায়।'

'তোৰ ভাল চিন্তিহে ওলাবলৈ নিদিয়ে। অসন্তোষ নকৰিবি।'

'আই— মোৰ সোণৰ নাওখন নোচোৱা?' হঠাতে মনত পৰি কৈ উঠিল কোমলাই।

'আয়েৰক সোণৰ নাওখন পিচতো দেখুৱাব পাৰিবি। এতিয়া আয়েৰক লৈ আহ। খোৱা-বোৱা কৰকহি।' দুৱাৰমুখত থিয় হৈ সোণজিৰাই ক'লে।

ধনেশ্বৰে তেতিয়া নিজৰ কোঠাৰ খিৰিকিৰে ক'ত কি আছে জুমি জুমি চাই আছিল।

মাকক খাবলৈ দি ধনেশ্বৰক মাতিবলৈ গৈ দুৱাৰমুখত থিয় হৈ ধনেশ্বৰক জুমি জুমি বাহিৰলৈ চাই থকা দেখি সুকোমলাই হাঁহি পেলালে।

'কি চাইছে আলহীদেউ?'

'অহ্ কুঁৱৰী আইদেউ— আহাচোন আহা— কথা এটা কওঁ।' ধনেশ্বৰে উৎকণ্ঠিতভাৱে ক'লে।

'কি হ'ল আলহীদেউ?' ভিতৰলৈ সোমাই আহি সামান্য আচৰিত হৈ সুধিলে সুকোমলাই।

'কথা এটা হ'ল বুজিছা। মই জিৰাই আছিলো। ছাঁ এটা হঠাতে দেখা যেন পাই খিৰিকিৰে চালো। মানুহ এটা চাৎকৈ আঁতৰি গ'ল। মোকেই চাই আছিল।'

'কোনেনো আপোনাক চাই থাকিবহি? আপুনি কিবা জীয়ৰী ছোৱালী নেকি?'

সুকোমলাই হাঁহি উঠিল।

'ঠিক ধৰিছা। কুঁৱৰী আইদেউ বুদ্ধিমতী। কিন্তু তুমি কথাৰ গুৰুত্বহে নুবুজা যেন লাগিছে।' ধনেশ্বৰে গম্ভীৰভাৱে ক'লে।

'মই সঁচাকৈয়ে বুজা নাই।'

'অৱশ্যে কেনেকৈনো বুজিবা। তুমি বা-বাতৰি একো নোপোৱা যে।'

'মইনো কি বা-বাতৰি পোৱা নাই? কিনো ক'ব খুজিছে পোনকৈ কওঁকচোন।'

'পোনকৈয়ে ক'ম বাৰু। কিন্তু মোক কোৱাচোন তুমি সঁচকৈয়ে একো গম পোৱা নাই? গড়ৰ ভিতৰে-বাহিৰে কি হৈ আছে তুমি নাজানা?' গোপন কথা কোৱাৰ দৰে গুণগুণাই ক'লে ধনেশ্বৰে।

'কিনো হৈ আছে? কওঁকচোন?' সুকোমলাও উৎকণ্ঠিত হৈ উঠিল।

'তোমাৰ স্বামীৰজাই যে যুঁজৰ আখৰা কৰি আছে তুমি সঁচাকৈ নাজানা?'

'যুঁজৰ আখৰা কৰিছে? আপোনাক কোনে ক'লে?'

'আজিনো কোনে ক'ব। বহুদিনৰ পৰাই জানো। তোমাক জনোৱাৰ উপায় নাই কাৰণেহে জনোৱা নাছিলো। মই ভাবিছিলো— মানে আমাৰ ৰজাদেৱতাই ভাবিছিল— তুমি কথাবোৰ জানা। তথাপিও নাজানিব পাৰা বুলি ভাবি এখন পত্ৰও দি পঠিয়াইছে। সেয়েহে মই নিজেই আকৌ ৰাণী আইদেউৰ লগত আহিলো।'

পত্ৰখন উলিয়াই সুকোমলাৰ হাতত দি ধনেশ্বৰে ক'লে—

'ৰাণী আইদেৱে কিন্তু একো নাজানে দেই। আমি জনোৱাও নাই। বৰ কোমল মনৰ মানুহ। ভয় খাব। তুমি যাতে একো নোকোৱা।'

'নকওঁ।' পত্ৰখন খৰখেদাকৈ পঢ়ি পঢ়ি সুকোমলাই ক'লে।

'তুমিয়েই এতিয়া সকলো আশা-ভৰসাৰ থল। ৰজা দেৱতাই কৈছে ডিমাবঙক তোমাৰ বাহিৰে আন কোনেও ৰক্ষা কৰিব নোৱাৰে। তোমাৰ ওপৰত তেওঁৰ বিশ্বাস দেখিলে আচৰিত লাগি যায়। তেওঁ কয় 'এনেহেন দেশক ভাল পোৱা ছোৱালী এটিৰ দেউতাক হ'বলৈ পোৱাটো ভাগ্য আৰু গৌৰৱৰ কথা।'

চিঠিখন জাপি সুকোমলাই মুৰ তুলি চালে—

'ইমান ঘটনা ঘটি আছে— মই একো গমেই পোৱা নাই।'

'কেনেকৈনো গম পাবা আইদেউ? তোমাক ক'লেহে। আজিও তোমাৰ স্বামীৰজা যুঁজৰ আখৰালৈ গৈছে। তুমি নাজানা নহয়?'

'নাজানো। মোক কোৱা নাই।'

'তোমাক বিশ্বাসত নলয় যেন লাগিছে আইদেউ। অৱশ্যে তেওঁক দোষ দিব নোৱাৰি। হেজাৰ হওঁক তুমি হ'লা বৈৰী ৰজাৰ জী। ৰজা শত্ৰুৰ ৰাজ্য আক্ৰমণ

কৰিবলৈ যো-জা কৰিছে— তোমাক জনাবইবা কিয়? তুমি জানো ভাল পাবা? তাতে তোমাৰ দেহাও বেয়া।'

'হ'লেও, তেওঁ নোকোৱাকৈও মই অলপ হ'লেও জানিব পাৰিব লাগিছিল। কিন্তু মই কাৰো মুখত কেতিয়াও আমাৰ ৰাজ্য আক্রমণ কৰাৰ কথা চলিছে বুলি এটা শব্দও শুনা নাই।'

'সেয়া— বুজিলানে এতিয়া? সোণজিৰা আছিয়ে নাজানিব পাৰে— কিন্তু আবিয়েও নাজানিবনে? তেওঁতো সকলো কথাতে ভাগ লয়। গড়ৰ ভিতৰৰ দুই-এজন বা তেখেতৰ মুখত হ'লেও তুমি এষাৰ কথা হ'লেও শুনিব লাগিছিল। কথাটো দ'কৈ ভাবি চালে সঁচাই বৰ দুখৰ কথা। তুমি এই ৰাজ্যৰ ৰাণী— তথাপি তোমাক কোনেও একো কথা নজনায়। মৰম কৰা আৰু বিশ্বাস কৰা জানো একে? কিন্তু তেওঁলোকেতো নাজানে তুমি কিমান বুদ্ধিমতী। কিমান সাহসী। তুমি নিজৰ দেশৰ কাৰণে কিমান ত্যাগ কৰিব পাৰা তেওঁলোকে ধাৰণাও কৰিব নোৱাৰে। এনে নাৰীনো ক'ত কেইজনী আছে? কিন্তু আৰু কথা নাপাতো আইদেউ। ব'লা বাহিৰলৈ যাওঁ। কোনে ক'ৰ পৰা চাই থাকে, শুনি থাকে ক'ব নোৱাৰি।'

'মই আপোনাক জলপান খাবলৈকে মাতিবলৈ আহিছিলো। বলক আলহীদেউ।'

পত্রখন লুকুৱাই লৈ চিন্তিতভাৱে বাহিৰলৈ ওলাই আহিল সুকোমলা।

৪২

ডিমাবঙৰ ৰাজগৃহৰ চাৰিওফালে টিৰাশা সৈন্যই আগুৰি ধৰিছে। সকলোৱে হাতে হাতে জ্বলি উঠিছে দীঘল দীঘল জোৰবোৰ। কাঁড়ৰ আগবোৰত লগাই থোৱা নাহৰৰ গুটিবোৰ জ্বলাই জ্বলাই জাকে জাকে মাৰি পঠিয়াইছে ৰাজগৃহৰ ঘৰবোৰলৈ। তেজেৰে তুমৰলি হৈ পৰিছে ৰাজগৃহৰ চোতাল। এনি তেনি পৰি আছে মৃতদেহবোৰ। তেজৰ পিয়াহত উন্মত্ত হৈ পৰা সৈন্যৰ অতর্কিত আক্রমণত ভাগি পৰিছে ৰাজগৃহৰ সুৰক্ষা ব্যৱস্থা।

দাউদাউকৈ জ্বলি উঠিছে ডিমাবঙৰ বাসগৃহ। জ্বলি উঠিছে সমগ্র ৰাজধানী।

জোঁৰৰ পোহৰত চিক্‌মিকাই উঠিছে শান দিয়া তৰোৱাল, বর্শাৰ ফাল, শান দিয়া দা। গড়ৰ চালৰ কবচ পিন্ধা জোঙাল বলহুৰ হাতত তিৰ্‌বিৰাই উঠিছে দেও তৰোৱাল। অস্ত্রহীন বডচাৰ সন্মুখত থিয় হৈ হাঁহি উঠিছে জোঙাল বলহুৱে। কান্দোন, কেঁকনি, কিৰিলি, চিঞৰ, জুইত বাঁহৰ গাঁঠি ফুটাৰ শব্দৰ মাজত তেজৰ ডোঙাত উবুৰি হৈ পৰিল বডচা। তেওঁৰ বুকু শালি পিঠিৰে ওলাই আহিছে দেও তৰোৱালৰ আগ।

উশাহ বন্ধ কৰি অনা কষ্টৰ পৰা মুক্তি পাবলৈ ধৰফৰাই উঠিল সুকোমলাই। গাৰ সমস্ত শক্তিৰে চিঞৰি উঠিল।

'সুকোমলা— সুকোমলা—'

কোনোবাই সুকোমলাৰ বাহুত ধৰি জোকাৰিছে। অনেক কষ্টেৰে চকু মেলিলে সুকোমলাই। মুখৰ ওপৰত এখন উদ্বিগ্ন মুখ।

'কি হৈছে সুকোমলা? গা বেয়া লাগিছে? আছিক মাতো?' জোঙাল বলহুৱে উৎকণ্ঠিতভাৱে সুধিলে।

বিভ্রান্ত দৃষ্টিৰে জোঙাললৈ চাই থাকিল সুকোমলাই। এইখনতো অলপ আগেয়ে দেখা জিঘাংসাত বীভৎস মুখ নহয়। এইখন এজন স্বামীৰ মুখ। গর্ভৱতী স্ত্রীৰ বাবে উদ্বিগ্ন স্বামীৰ এখন মৰমসনা মুখ।

'কি হ'ল সুকোমলা? এনেকৈ কিয় চাইছা? পানী খাবা? আছিক মাতো? আৰিক?'

'পানী খাওঁ।' বিভ্রান্তিৰ পৰা উভতি আহি ভাগৰুৱা মাতেৰে ক'লে সুকোমলাই।

পানী এবাতি আনি সুকোমলাক বহুৱাই খুৱাইদি কাপোৰ এখন তিয়াই সুকোমলাৰ ঘামি থকা মুখখন মচি দিলে জোঙালে। মৰমেৰে ক'লে—

'বেয়া সপোন দেখিছিলা?'

'অ'।' সুকোমলাৰ চকুযোৰ পানীৰে উপচি পৰিল।

তাইক বুকুৰ মাজলৈ চপাই আনি চুলিত হাত বুলাই বুলাই জোঙালে ক'লে—

'কি সপোন দেখিলা?'

'বেয়া সপোন। ক'ব নাপায়। তুলসী গছক ক'ম।'

'তুমিও আছিৰ লগত থাকি থাকি এইবোৰ শিকিলা যেন পাইছো। আছিৰ যে কিমান নিয়ম। মই হ'লে এইবোৰ নামানো। এনে অৱস্থাত এইহেন গাপলগা বতৰত বেয়া সপোন দেখেই। শুৱা। শুই থাকা। আছিক মাতি দিওঁ। মই বসুন্ধৰীৰ পৰা উভতি নহালৈ তোমাৰ ওচৰত থাকক।'

'নালাগে। বহকচোন।' যাবলৈ ওলোৱা জোঙালৰ হাতত ধৰিলে সুকোমলাই।

জোঙাল বহিল। সুকোমলালৈ চালে। আতংক আৰু বিষাদৰ ৰেশ তেতিয়াও লাগি আছিল সেমেকি থকা চকুযোৰত।

'আপুনি কালিৰ দিনটো ক'ত আছিল?' সুকোমলাই সুধিলে। তাইৰ মাতত উত্তেজনাৰ সুৰ স্পষ্ট হৈ উঠিল।

'কিয় জানিব খুজিছা?' জোঙাল আচৰিত হৈ গ'ল।

'সপোনটো দেখি। ক'ত আছিল কালি দিনটো?'

'নতুনকৈ যোগ দিয়া ৰণুৱাবোৰে কৰা যুঁজৰ আখৰা চাইছিলো। মোক সপোনত যুঁজ কৰা দেখিছিলা নেকি?' জোঙালে হাঁহি পেলালে।

'কৈছো নহয়— ক'ব নাপায়। মোৰ মনটো খুব বেয়া লাগিছে। যুঁজ-বাগৰ মোৰ ভাল নালাগে। অকণো ভাল নালাগে।'

'জানো। সেই কাৰণেইতো তোমাক আজিকালি একো নকওঁ। মই মন কৰিছো নহয়— এনেধৰণৰ কথা ওলালেই তুমি মনটো মাৰি পেলোৱা।'

'আপুনিনো আকৌ নতুন ৰণুৱা লৈছে কিয়? ইমানবোৰ ৰণুৱা আছেই দেখোন।'

'একেবোৰ ৰণুৱা সদায় থাকিবনে? নতুন ৰণুৱা নল'লে কেনেকৈ হ'ব। দাঁত সৰা চুলি পকা ৰণুৱাই ৰাজ্য ৰক্ষা কৰিব পাৰে নেকি?' জোঙালে হাঁহিলে। 'তুমি শোৱা। এইবোৰ কথা ভাবি মন বেয়া কৰি থাকিব নালাগে। আছিয়ে কি কৈছিল? এই সময়ত

ভাল কথা ভাবিব লাগে। ভাল কথা শুনিব লাগে। মই যাওঁ। আছিক পঠিয়াই দিও। ৰাতিপুৱাবই।'

সুকোমলাক মৰম কৰি শুৱাই থৈ জোঙাল ওলাই গ'ল। জোঙাল ওলাই যোৱাৰ লগে লগে সুকোমলা উঠি বহিল।

কোমল ৰ'দৰ দৰে মোহসনা মুখখন তেতিয়া ধুমুহাৰ আগৰ আকাশলৈ ৰূপান্তৰিত হৈছিল।

ঠিকেই কৈছে।

ঠিকেই কৈছে আলহীদেৰে।

সুকোমলাইহে বিশ্বাস কৰা নাছিল।

কছাৰী ৰাজ্য আক্ৰমণ কৰাৰ যো-জা কৰিছে জোঙাল বলহুৱে। সৈন্য-সামন্ত, অস্ত্ৰ-শস্ত্ৰ গোটাইছে। মৰমেৰে বশ কৰি ৰাখিছে সুকোমলাক। এঁকো জানিবলৈ দিয়া নাই!

দেশৰ এই বৈৰীৰ কাৰণে গলি যাব খোজে সুকোমলা! মৰমত পমি যাব খোজে!

কি মূৰ্খ সুকোমলা!

শিৱ্রায়ৰ নামত শপত খাই সুকোমলাই দেশ ৰক্ষাৰ দায়িত্ব লৈছিল। নিজৰ জীৱনটো দেশৰ কাৰণে বলি হিচাপে আগবঢ়াইছিল। দেশৰ হৈ চোৰাংচোৰাৰ কাম কৰিব বুলি দায়িত্ব লৈ লালুং ৰজাৰ পত্নী হৈ আহিছিল।

কিনো দায়িত্ব পালন কৰিছে সুকোমলাই।

দেউতাকে তাইক জোঙালৰ ব্যক্তিগত অস্ত্ৰশালাৰ অস্ত্ৰবোৰ এপাট এপাটকৈ দি পঠিয়াবলৈ কৈছিল। জোঙাল অস্ত্ৰাগাৰলৈ সদায় সোমায় কাৰণে সেই কাম কৰিব নোৱাৰিলে সুকোমলাই। গড়ৰ ভিতৰৰ সকলো খুটি-নাটি জনাবলৈ কৈছিল— কিমানখিনিনো জনাব পাৰিলে। পৰা হ'লে কছাৰী ৰাজ্যৰ মংগল হ'লহেঁতেন। জোঙালৰ হাতত নিজৰ ৰাজ্য বিপদগ্ৰস্ত নহ'লহেঁতেন।

আলহীদেৰে ঠিকেই কৈছে।

সুকোমলাৰ বোধশক্তি কম। চোৰাংচোৰা এজনৰ থাকিব লগা নিৰ্মোহ আৰু তীক্ষ্ণ দৃষ্টি সুকোমলাৰ নাই।

দেউতাকে কৈছে— আন একো কৰিব নালাগে সুকোমলাই। মাত্ৰ দেওতৰোৱালখন পঠিয়াই দিলেই হ'ব। এই তৰোৱালখনৰ কাৰণেই জোঙাল বলহুৱ যত অহংকাৰ। এই তৰোৱালখনেই জোঙাল বলহুৱ শক্তিৰ উৎস। এই তৰোৱালখন যদি কছাৰী ৰাজ্যলৈ

পঠিয়াই দিব পাৰে সুকোমলাই, জোঙাল শক্তিহীন হৈ পৰিব।

সুকোমলা বিছনাৰ পৰা নামিল। ক্লান্ত খোজেৰে কোঠাৰ পৰা ওলাই গ'ল।

আজিকালি গাত আগৰ দৰে উলাহ নাই। খুব অলপতে ভাগৰ লাগে।

গাটো দিনে দিনে গধুৰ হৈ আহিছে। গাৰ ভিতৰত ধেমালি কৰিবলৈ আৰম্ভ কৰিছে পৃথিৱীৰ পোহৰ দেখিবলৈ সাজু হৈ উঠা এটা শিশুৱে। এই শিশুটোৱে যেতিয়া ভিতৰৰ পৰাই ভৰি-হাত মাৰি নিজৰ অস্তিত্বৰ জাননী দিয়ে তেতিয়া দ্বিধাগ্রস্ত হৈ পৰে সুকোমলা। এক নামহীন আৱেগ আৰু যন্ত্রণাত ক্ষত-বিক্ষত হয়।

এটা সুতীক্ষ্ণ প্রশ্নই বাৰে বাৰে বুকুত খুন্দিয়ায়।

কোন শ্রেষ্ঠ?

স্বামী নে স্বদেশ?

কোন শ্রেষ্ঠ?

মাতৃত্ব নে ৰণুৱাৰ দায়িত্ব?

এই যে স্বামীগৃহত থাকি পিতৃগৃহক গোপনে সহায় কৰিছে সুকোমলাই ই দেশপ্রেম নে বিশ্বাসঘাটকতা?

প্রতাপপুৰৰ ৰাণী হৈয়ো, স্বামীয়ে ইমান অনুতপ্ত হোৱাৰ পিচতো আবি কনচাৰীয়ে সেই ৰাজত্ব ত্যাগ কৰি গোভালৈ উভতি আহিছে। দাসীপুত্রৰ হাতত দি আহিছে ৰাজ্যভাৰ।

আবি কনচাৰী পালক ৰাজ্যৰ প্রতি কৃতজ্ঞ। দায়বদ্ধ।

আৰু সুকোমলা?

আবি কনচাৰীৰ এই ৰাজ্যত যি স্থিতি, তাতোকৈ অনেক বেছি শক্তিশালী নহয় জানো সুকোমলাৰ স্থিতি?

সুকোমলা এই ৰাজ্যৰ ৰাণী।

জোঙাল বলহুৰ পত্নী। জোঙালৰ সন্তানৰ মাতৃ হ'বলৈ ওলাইছে সুকোমলাই।

কোন শ্রেষ্ঠ?

স্বামী নে স্বদেশ?

আত্মীয়তা নে এখন ৰাজ্যৰ মানুহৰ নিৰাপত্তা?

তেনেকৈ ভাবিলে স্বদেশকেই শ্রেষ্ঠ যেন লাগে সুকোমলাৰ। নিজকে স্বদেশৰ বাবে আত্মত্যাগ কৰিবলৈ ওলোৱা সৈনিক যেন লাগে। কিন্তু জোঙালৰ মৰমবোৰেও সুকোমলাক গলাই পেলাব খোজে। জোঙালৰ ঘুমন্ত মুখখন দেখিলে, নিজৰ শৰীৰৰ

ভিতৰত খেলিবলৈ আৰম্ভ কৰা শিশুটোৱে নিজৰ অস্তিত্বৰ উমান দিলে, ভালবো ভাল আহাৰখিনি পৰিয়ালৰ মানুহবোৰে তাইৰ পাতত তুলি দিয়া দেখিলে, তাই খাই ভালপোৱা বস্তুবোৰ গোটাই দিবলৈ জোঙালৰ তৎপৰতা দেখিলে বুকুখন মাৰন আৰু কৃতজ্ঞতাত পমি যাব খোজে।

গা ধুই উঠি সূর্য নমস্কাৰ কৰি সুকোমলাই ভাবিলে—

এয়েই শেষ। তৰোৱালখন পিতাকলৈ পঠিয়াই দিয়াৰ পাচত তাই আৰু কোনো কাম নকৰে। নিজৰ কর্তব্য শেষ কৰি তাই জোঙালৰ পত্নী হিচাপে, চহৰিৰ ৰাণী হিচাপে জীৱন-যাপন কৰিব। সন্তানৰ বধ শপত দি জোঙালক পিতৃৰাজ্য আক্রমণ কৰাত বাধা দিব। বৈৰীৰজাৰ জী সুকোমলাৰ কথা জোঙালে নুশুনিব পাৰে কিন্তু নিজৰ সন্তানৰ শপত দিয়াৰ পিচতো জোঙালে তাইৰ পিতৃৰাজ্য আক্রমণ কৰিবনে? জোঙাল জানো ইমান নির্দয়? ইমান অমানুহ?

তৰোৱালখনৰ অভাৱত জোঙাল দুর্বল হৈ পৰিব বুলি সুকোমলাই বিশ্বাস নকৰে। তৰোৱালখন পোৱা বেছি দিনতো হোৱা নাই। তাৰ আগতে জানো জোঙালৰ বীৰত্ব নাছিল? কিন্তু দেউতাকৰ কথা সচাওঁতো হ'ব পাৰে। জোঙালে যে কছাৰী ৰাজ্য আক্রমণ কৰিব খুজিছে এই তৰোৱালখনৰ সাহসতেই নহয় জানো? ডিমাৱঙ অধিকাৰ কৰিব পাৰিলে জোঙালৰ সমান ডাঙৰ ৰজা ব্রহ্মপুত্রৰ দক্ষিণপাৰে এজনো নাথাকিব। আহোমসকলৰ ৰাজ্যতকৈও জোঙালৰ খলা চহৰি ডাঙৰ হৈ পৰিব। উত্তৰপাৰে কমতাত ৰত্নসিংহ আছে। প্রতাপপুৰত চামল আছে। গোভা আৰু গোভাৰ অনুগত ৰাজ্যবোৰতো আছেই। আনকি ব্রহ্মপুত্রৰ দক্ষিণ-পশ্চিমৰ সৰু সৰু ৰাজ্যসমুহৰ লগতো খলা চহৰিৰ সুসম্পর্ক আছে। জয়ন্তীয়া আৰু ডিমৰুৱা ৰাজ্যও আত্মীয়ৰ সমপর্যায়ৰ। ৰৰডোবাৰ ভূঞাৰ লগতো চহৰিৰ সুসম্পর্ক স্থাপন হৈছে। জোঙাল সুকোমলাৰ বিয়াৰ মূল ৰভাখন ভূঞাৰাজ্যই বন্ধুত্বৰ চিনস্বৰূপে সাজি দিয়া নাছিল জানো? সেই যাঠিৰে সজা অভূতপূর্ব ৰভাখন দেখি অবাক হৈ যোৱা নাছিল জানো সুকোমলা আৰু সুকোমালৰ বিয়ালৈ অহা ডিমাৱঙৰ লোক সকল? শিৰোমণি ভূঞাৰ বংশৰ লগতেই বন্ধুত্ব হৈছে যেতিয়া সৰু সৰু ভূঞাবোৰক তল কৰোতে কিমাননো সময় লাগিব? দেউতাকে দিয়া যুক্তিবোৰত সুকোমলাৰ বিশ্বাস জন্মিছে। জোঙালৰ গোপন কামকাজবোৰৰ উমান নোপোৱা হ'লে হয়তো সিমান বিশ্বাস নহ'লহেঁতেন। ভালেই হ'ব। তৰোৱালখন দেউতাকলৈ পঠিয়াই দিলে জোঙালৰ আত্মবিশ্বাসৰ ভেঁটিটো দুর্বল হৈ যাব। যুঁজলৈ ওলোৱাৰ আগতে তৰোৱালখন বিচাৰি নাপালে জোঙালে কেতিয়াও যুঁজলৈ যাত্রা নকৰে।

কিন্তু তেতিয়া জানো জোঙালে তাইক সন্দেহ নকৰিব? তায়েই কামটো কৰা বুলি নাভাবিব? জোঙাল যেনে একাচেকা মানুহ তাইক জানো শুদাই এৰিব?

নহয়— জোঙালে তাই কৰা বুলি বিশ্বাস নকৰে। জোঙালৰ সন্তানৰ মাতৃ হ'ব তাই। তাই তেনে এটা কাম কৰিব বুলি জোঙালে নাভাবে।

আৰু যদি ভাবেও উপায় নাই। শ্ৰিবায়ৰ নামত শপত খাই তাই ইয়ালৈ বিয়া হৈ আহিছিল। শপত ৰক্ষা কৰিবলৈ যাওঁতে তাই যদি শাস্তিও মূৰ পাতি ল'ব লাগে ল'ব। তাইতো জোঙালক ধ্বংস কৰিব খোজা নাই। নিজৰ দেশক ৰক্ষাহে কৰিব খুজিছে। দেউতাকেতো তাইক প্ৰতিশ্ৰুতি দিছে তেওঁ কেতিয়াও দেওতৰোৱাল পোৱাৰ পিচত চহৰি আক্ৰমণ নকৰে।

কৰিবনো কিয়?

দেউতাক জানো অমানুহ? নিজৰ জোঁৱায়েকক তেওঁ জানো অন্যায় কৰিব পাৰে? অন্যায় কৰা মানে জীয়েকৰ অন্যায় কৰা নহয় জানো? তাইৰ দেউতাকো বীৰ। হীন নহয়। দেউতাকে ৰাজ্য ৰক্ষা কৰিবলৈ কৌশলৰ আশ্ৰয় লৈছে। কিন্তু প্ৰজাক, ৰাজ্যক ৰক্ষা কৰিবলৈ কোন ৰজাই এনে কাম নকৰে? জোঙালৰ চোৰাংচোৰাই এতিয়াও কছাৰী ৰাজ্যৰ বা-বাতৰি সংগ্ৰহ কৰি নানে জানো? তাই জানো চোৰাংচোৰা প্ৰধানৰ লগত জোঙালে কথা পতা শুনা নাই?

ভালেই হ'ব। তৰোৱালখন পঠিয়াই দিলে দুইকুল ৰক্ষা হ'ব।

সূর্য প্ৰণাম শেষ কৰি সুকোমলা মাকৰ কোঠালৈ আহিল। মাকৰ কোঠাত তেতিয়া আৰি কনচাৰী, সোণজিৰা আৰু মাকে কথা পাতি আছিল। সুকোমলা সোমাই যোৱাৰ লগে লগে সোণজিৰাই কৈ উঠিল—

'পহাৰীজনীৰ আজি ভোক-পিয়াহ লগা নাই নেকি? আয়েৰে একেলগে জলপান খাওঁ বুলি ৰৈ আছে।'

'আই— ব'লা—' সুকোমলাই হাঁহিলে।

'যাওঁ ৰ'— তই আহচোন। তহঁত আটাইলৈ সৰুসুৰা বস্তু কেইপদমান আনিছো। দি লওঁ। মই আই আৰু জামায়জাঁক দিবই খুজিছিলো। তই আহিলে ল'ম বুলি কৈছে।'

সুকোমলা আহি বিছনাতে বহিল। মাকে ওচৰতে থোৱা কাপোৰৰ ফুলাম মোনা এটা তুলি আনিলে। সোণৰ কেৰু এযোৰ, বগা ফুলবচা ক'লা মেখেলা এখন আৰু পাটৰ ৰিহা এখন বটা এখনত থৈ আগবঢ়াই দি মাকে ক'লে—

'কিনো দিম জামায়জী-- সাধাৰণ বস্তু ; ল'লে ভাল পাম।'

'মা ঐ— ইমান ধুনীয়া। এইবোৰ সাধাৰণ বস্তুনে? পিচে পাটৰ শিহাখননো মোৰ কি কামত লাগিব পাই? মেথনি মৰা মেখেলা আৰু চাদৰেৰেই চলে। বান্ধিবলৈ বুটীৰ আছেনো কি? ৰিহাখন তাইকেই দিয়ক পাই।' বস্তুখিনি তুলি লৈ সোণজিৰাই কাজিলা লগাই ক'লা কৰি থোৱা দাঁতকেইটা জিলিকাই হাঁহি উঠিল।

মুখ ঢাকি হাঁহি উঠিল সুকোমলা আৰু সুকোমলাৰ মাকে।

'পুৱাই কেইবাতি জু খালি?' সোণজিৰাৰ মুৰত লাহেকৈ চপৰিয়াই কনচাৰীয়ে হাঁহিলে।

'আমাৰ জু হ'লে খোৱা নাই দেই। পহাৰীৰ আয়ে অনা জুগাৰা খাইছো। ছমাহ ধৰি ৰখা জু। বৰ সোৱাদ।' সোণজিৰাই হাঁহি উঠিল।

সুকোমলাৰ মাকে হাঁহি হাঁহি বটাত এড়ী সুতাৰে বোৱা ফুলাম ৰিহা, ৰিগু আৰু ৰিকাওসা এসাজ, বাখৰামি আঙঠি এটা আৰু হাতীদাঁতৰ কাঁকৈ এখন তামোল-পাণ এযোৰেৰে সৈতে বঁটাত থৈ নমস্কাৰ জনাই কনচাৰীলৈ আগবঢ়াই দিলে।

'আই— এইখিনি আপোনালৈ। আপোনাৰ দৰে দেৱীযেন মানুহ এগৰাকীক কিনো দিম। বস্তুকেইপদ ঘিণ নকৰি গাত ল'লে বৰ সুখ পাম।'

'পাই, আপুনি যেনেকৈ কৈছে তেনেকৈ ক'লে জানো শুৱায়? ইমান ডাঙৰ ৰাজ্যৰ ৰাজৰাণী আপুনি। তাৰ তুলনাত খলা চহৰিনো কি?' সোণজিৰাই ক'লে।

'ডাঙৰ-সৰু জানো ৰাজ্যৰ জোখেৰে জোখে জামায়জী? আপোনাৰ ঘৰলৈ নিজৰ ছোৱালী দিছো। আপোনালোকে মৰম-চেনেহ কৰি ৰাখিছে। নিজৰ বুলি লৈছে। তাতেই মই সৰু হৈ গৈছো। মইতো এতিয়া ৰাণী নহয়, মই মাকহে জামায়জী।'

কনচাৰীয়ে বটাৰ পৰা বস্তুকেইপদ তুলি ল'লে আৰু তাৰ ঠাইত সোণৰ মণি এধাৰ এৰী চাদৰ এখন আৰু কড়ি কেইটামান দি ধীৰ মাতেৰে ক'লে—

ছাঃজ— ডাঙৰ-সৰু একো নাই। তোমাৰ জীয়ৰীয়েও আমাক আদৰ-যতন কৰিছে, আমাৰ ল'ৰাক খুৱাইছে-বোৱাইছে, মৰম-চেনেহ দিছে— আমাৰ ল'ৰাৰ সন্তানৰ মাক হ'বলৈ ওলাইছে। তুমি ডাঙৰ মনৰ মানুহ, সেয়েহে তুমি তল হৈ কথা ক'ব পাৰিছা। তোমাক ফা মহাদেৱে, আই কালিখাই ৰজা আৰু ৰাজ্যৰে সৈতে কুশলে ৰাখক। অহা-যোৱা কৰি থাকিবা। আমিও অহা-যোৱা কৰি থাকিম। তোমালোকৰ দৰে মিতিৰ পোৱাটো ভাগ্যৰ কথা ছাঃজ।'

কনচাৰীৰ কথাশুনি ওচৰতে বহি থকা সুকোমলাৰ চকুযোৰ অকাৰণতে পানীৰে চপচপিয়া হৈ পৰিল। তাই লাহেকৈ ক'লে—

'মোক একো নিদিয়া আই?'

'মাঐ— পহাৰীয়ে কয় কি? আয়েৰে যদি একো অনা নাই আমাক দিয়াবোৰ কি কৰিবলৈ আছে? মোৰ জুগাৰাৰ কলহটো আছে। হৈ যাব।' সোণজিৰাই হাঁহি উঠিল।

'তোলৈকে আটাইতকৈ অধিক আনিছো আই।'

মোনাখনৰ পৰা পুৰুষে গাত লোৱা ফুলাম কাপোৰ এখন, এৰী সুতাৰ চাদৰ এখন আৰু হাতী দাঁতৰ নাল লগোৱা দা এখন উলিয়াই কনচাৰীৰ হাতত দি মাকে ফুলাম কাপোৰখন দেখুৱাই ক'লে—

'এইখনক জুপাই বোলে। ডেকাসকলে বিহুত লয়। এনেয়ো লয়। এইখন বোওঁতে বহুত পৰিশ্রম হয়। এই দুপদ বস্তু জোৱাইলৈ আনিছো। এৰী কাপোৰখন সুকোমলাৰ আজ'লৈ দিছো।'

'দেওৰজাই বৰ ভাল পাব। আমাৰ জকাংকই জুপাইখন পালে কি কৰিব নাজানো— সি এটা বন মানুহহে— জুপাইৰ মোল বা বুজেনে নুবুজে— দাখন হ'লে বৰ ভাল পাব।' সোণজিৰাই হাঁহি উঠিল। হাঁহি উঠিল আটাইবোৰে।

সুকোমলালৈ মোনাটো আগবঢ়াই দি মাকে ক'লে—

'এইখিনি তোৰ। অনেক কিবাকিবি আছে। পিচত লাহে-ধীৰে চাবি। অ'— ৰ'— আজি তই আমাৰ কাপোৰ এসাঁজ পিন্ধিবি। মই আজি তোক নিজে ৰান্ধি এসাঁজ খুৱাম। তোলৈ মই এটা নতুন ধৰণৰ বস্তুও আনিছো, দেখুৱাও ৰ'।'

মোনাটো খুলি পাটৰ ৰিগু ৰিজা স্পাই এযোৰ আৰু ক'লা ফুলবচা ওৰণি হিচাপে লোৱা ৰঙা ৰিকাউসা এখন উলিয়াই সুকোমলাৰ হাতত দি মাকে বনকৰা পাটৰ চোলা এটা উলিয়াই আনিলে। এটা চুটি, চীনা আৰ্হিৰ হাত দীঘল চোলা।

'অ' মা কালিখা— এইটো আকৌ কি?' চোলাটো লিৰিকি বিদাৰি চাই সোণজিৰাই কৈ উঠিল।

'এইটো আমাৰ কাপোৰ নহয়। আহোম ৰজা আৰু ডাঙৰ বিষয়াসকলৰ তিৰোতাসকলে পিন্ধে। পাটকাইৰ সিপাৰৰ বস্তু। সিংখাপৰ চোলা বোলে। গাটো ভালকৈ ঢাক খায়। দেখিবলৈও ভাল।'

'সঁচাই বৰ ধুনীয়া।' কনচাৰীয়ে ক'লে।

'বৰ ধুনীয়া আই। পিন্ধিবলৈ জানো কেনে লাগিব।' সুকোমলাই ক'লে।

'ভাল লাগিব পহাৰী। তোৰ গাটো জানো আমাৰ দৰে শুকান—'

কনচাৰীয়ে সোণজিৰাৰ মুখত সোপা মাৰি ধৰিলে। সুকোমলা হাঁহিত বাগৰি

পৰিল। মাকেও হাঁহি আছিল। তেওঁৰ মনটো পাতল লাগিছে। খুব পাতল। জীয়েকৰ সুখৰে ভৰা সংসাৰখনে তেওঁৰ বুকুৰ পৰা আজৰাই লৈ গৈছে দুশ্চিন্তাৰ গধুৰ শিলছটা।

'ব'লা ছাঃজ— সুকোমলা ব'ল— জলপান খাওগৈ।' কনচাৰী উঠিল।

'আপোনালোক যাওঁক— মই আয়ে দিয়া কাপোৰসাঁজ আৰু চোলাটো পিন্ধি আহোগৈ।'

'ৰ' ৰ'— মোনাটো নাদাঙিবি। খামছামাই এজনীক মাত নানাঃও।' কনচাৰীয়ে ক'লে।

মাকে দিয়া কাপোৰসাজ লৈ সুকোমলা উলাহ উলাহ মনেৰে ওলাই গ'ল। খামছামাই এজনীক কাপোৰৰ মোনাটো দি কনচাৰীহঁত ওলাই আহিল। ধনেশ্বৰে তেতিয়া সোণখটোৱা পীৰাত বহি সম্মুখৰ আসনত যতনাই দিয়া জা-জলপান আগত লৈ অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি আছিল।

মহঙৰ কোমল চাউল, চুঙা পিঠা, মহৰ দৈ, মৌ, তুলসী মালভোগ কল, গুৱসনা ৰোকা নাৰিকল, মধুৰী, ডাঙৰ ডাঙৰ পকা নুনি, পনিয়ল, মৌডিমৰু, সেন্দুৰী আম, বগা জামু, পানী শিঙৰি, টেকেলি মুখত দিয়া পিঠা, লাওপুলি পিঠা, সান্দহ, লোণ জালুকেৰে সজা পিঠা—

'আলহীদেউৰ বোধহয় ৰৈ ৰৈ আমনি লাগিল।' সোণজিৰাই ধনেশ্বৰৰ উচপিচনি দেখি হাঁহি সামৰিব নোৱাৰি কৈ উঠিল।

'আমনি লগা নাই আছি। গণিহে শেষ কৰিব পৰা নাই। ইমানবোৰ ফল-মূল— ইমানবোৰ জা-জলপান— মোৰ লুভীয়া জিভাই সামৰিব পাৰিলেও পেটে সহিব নোৱাৰে। ভাটিফালৰ কলাফুল নাইকিয়া মাটিগিৰিহে আছিলো মই। কছাৰী ছোৱালী বিয়া কৰালে হ'ব কি— বেপাৰীৰ পেটহে। ভয় লাগি গৈছে, অৱশ্যে জিভাৰ পানীও সামৰিব পৰা নাই।'

সুকোমলা হাঁহিত বাগৰি পৰিছে। সোণজিৰায়ো হাঁহিত থাকিব নোৱাৰা হৈছে। গম্ভীৰ হৈ থাকিব খুজিও হাঁহি পেলাইছে সুকোমলাৰ মাক আৰু কনচাৰীয়ে।

মনে মনে দাঁত কৰছিছে ধনেশ্বৰে। ভাবিছে—

'হাঁহ— হাঁহি থাক— চকু নাইকিয়া লালুং কছাৰীৰ জীহঁত। কিমানদিন হাঁহিবি— সৰু হৈ দেখুৱাইছো— সৰু নহয়। চলচাই কঠিয়া পৰা মানুহ মই। গোজ হৈ গজালি কেনেকৈ মেলো দেখিবি। বেছিদিন নাই।'

'জোঁৱাই ৰজাই নাখায় জানো?' সুকোমলাৰ মাকে সুধিলে।

'খাব। পায়হিহে লাগে। সদায় যায় নহয় বসুন্ধৰীলৈ। আপুনি বহক পাই।' সোণজিৰাই ক'লে।

সুকোমলাৰ মাক আৰু কনচাৰী বহিল। সোণজিৰাও। খামছামাই দুজনীয়ে আটাইবে আগত সোণ খটোৱা পীৰাত, সোণৰ কাঁহীত জা-জলপান দি গ'ল।

'সোণৰ কাঁহীত খাব নোৱাৰি আছি। বুকু হমহমাই যায়। ডিমাবঙতো সোণৰ কাঁহী-বাতি, ইয়াতো সোণৰ কাঁহী-বাতি— ইমান সোণ ক'ৰ পৰানো পায়?' ধনেশ্বৰে ক'লে।

'সোণ ক'ত পায় আপুনি জানেই দেখোন আলহীদেউ। দেশ ফুৰা মানুহ। নৈৰ বালিত পায়। সোণচেকুৰা ধুই উলিয়ায়। বৰ টান কাম। আমাৰেই মানুহে কৰে। সোণ সলাই খায়। সোণ ইমান ভাল লাগে যদি সোণধোৱা মানুহৰ জী এজনীকে দিব পাৰিলোহেঁতেন।' কছাৰী ৰাণীয়ে বিৰক্তি লুকুৰাই ধেমালিৰ সুৰেৰে ক'লে।

'নেলাগে পাই। তেওঁৰ চকুৰেই সহিবলৈ টান পাইছে— সোণধোৱা ঘৰৰ জীয়ৰীক দেখিলে চকু চাট্ মাৰি ধৰি বুকু ধৰফৰাই কিবা হ'লহেঁতেন।' সোণজিৰাই হাঁহি উঠিল।

'আলহীদেউক শান্তিৰে খাবলৈ দে সোণজিৰা।' কনচাৰীয়ে হাঁহি লুকুৰাই গহীনভাৱে ক'লে। তাৰ পিচত ধনেশ্বৰলৈ চাই ক'লে—

'সোণৰ কাঁহী-বাতি সম্মানীয় আলহীৰ কাৰণে লাগে আলহীদেউ। ৰজাৰ ঘৰ। নানা ৰাজ্যৰ ৰজা-বিষয়া আহি থাকে। তাতে জকাংক আটাইবে বৰ মৰমৰ। তাৰ আয়ং চামলে দিয়ে। ভায়েক ৰত্নসিংহই দিয়ে। আজ'কে দিয়ে। সি নিজেও আৰ্জে। আপুনিতো জানেই কপিলী, বৰপানীৰ বানে কেনেকৈ খলা চহৰিক জুৰুলা কৰিছে। তাৰ মাজতে সি এনেকৈ খেতিবাতি কৰাইছে যে বছৰৰ ধান অনেক ৰাহি হয়। বেহা-বেপাৰতো সি অনেক আগবাঢ়িছে। অগৰু, চন্দন, হাতীদাঁত, ম'হ, ধান-মাহ আৰু অনেক কিবাকিবি ৰাজ্যৰ বাহিৰলৈ পঠিয়াব পাৰিছে। বাহিৰৰ পৰাও ভাগে ভাগে কামজনা মানুহ আনি বহুৱাইছে। তাৰ দেউতাকৰ দিনতে অহা ব্ৰাহ্মণ পণ্ডিতৰ সহায়ত টোল পাতি আখৰ শিকোৱাৰো দিহা কৰিছে। বৰষুণৰ সমত বৰপানীৰ পানী কপিলীত পৰিলে কপিলীৰ পাৰ বাগৰে। সেয়ে কপিলীৰ পৰা সুতি খান্দি আনি তিতাইমৰাবে কপিলীৰ পানী কলঙত পেলাইছে বানপানীও বহুখিনি বোধ হৈছে। গড় মাৰিও বানপানী বোধ কৰাৰ চেষ্টা কৰিছে। মনপুতি কাম কৰা বাবেই আপুনি এইখিনি দেখিবলৈ পাইছে।'

'কি কথা পাতিছা আবি?' জোঙাল সোমাই আহি শাহুৰেকক নমস্কাৰ জনাই বহিলহি।

'তোৰ কথাকে কৈ আছিলো ছ্যা।' কনচাৰীয়ে হাঁহিলে। 'আহ— বহহি।'

'সুকোমলা ক'ত?' শাহুৰেকৰ পৰা অলপ আঁতৰত বহি জোঙালে ক'লে।

'আহিব ৰ'। আহিয়েই পহাৰীকহে লাগে। ভোক-পিয়াহ ক'লৈ গ'ল?' সোণজিৰাই কৈ উঠিল।

শাহুৰেকৰ উপস্থিতিত লাজ পাই জোঙালে ক'লে—

'ভোক লাগিছে অ' আছি।'

ডালিম যেন পুৰঠ মৌডিমক এটা ভাঙি ভিতৰৰ মৌখিনি চেলেকি চেলেকি ধনেশ্বৰে ক'লে—

'ৰজাদেৱলৈ আমাৰ ৰ'ৰ নহ'ল। প্ৰকৃততে এনে দেৱভোগ্য বস্তু দেখি ৰ'বহে নোৱাৰিলো। ৰজাদেৱৰ ৰূপৰ জেউতিনো নচৰিব কিয়? আমাৰ ডিমাৰঙত ৰজাদেৱৰ কথা ওলালেই বিয়ালৈ অহাসকলে কয়— ৰজাদেৱ বোলে জুৱা স্নানপাং, ডেবা বনলেপপাং।'

'তাৰ মানে কি?' সোণজিৰাই সুধিলে।

'তাৰ মানে তাল গছৰ দৰে ওখ, শিমলু গছৰ দৰে বহল। নহ'বনো কিয়। ৰজাদেৱে যিমান পৰিশ্ৰম কৰে আমিতো ভাবিবও নোৱাৰো। সেই কাৰণে তেলীয়া ৰৰগাহৰীৰ দৰে হৈ পৰিছো দেখিছেনে?'

নিজৰ পেটটোলৈ দেখুৱাই ধনেশ্বৰে ক'লে।

সেই মুহূর্ততে দুৱাৰমুখ পাৰ হৈ অহা সুকোমলাই হাঁহি উঠিল।

জোঙালে ঘুৰি চালে।

চাই অবাক হৈ গ'ল। মুগ্ধ হৈ গ'ল।

গুণাৰে বন কৰা পাটৰ ৰিগু ৰিজাপাই আৰু ৰঙা ৰিকাউসা পিন্ধা সুকোমলাৰ ডিঙিত মাকে অনা সোণে-পোৱালে বনকিয়াই কৰা মণি, কনচাৰীয়ে দিয়া বাজু, হাতৰ ঠাৰিত মুঠিখাৰু, কাণত জোঙালে উজনিৰ পৰা আনি দিয়া বাখৰুৱা জাংফাই কেৰু, আৰু টানকৈ বন্ধা উধনীয়া খোপাত সোণৰ ফুল। বাঘৰ নখ লগোৱা বিৰিৰ লগত শিলিখামণি। গাত বনকৰা চোলা।

'অ' মোৰ গছাই— এই অপেশ্বৰীজনী ক'ৰ পৰা ওলালহি?' সোণজিৰাই কৈ উঠিল। লাজত ৰঙা পৰি গ'ল সুকোমলা।

'আছিয়ে যে কি কয়।' তাই হাঁহিলে।

'আছিয়ে ঠিকেই কৈছে কুঁৱৰীদেউ। তোমাক সঁচাই অপেশ্বৰী যেনেই লাগিছে।'

'দোল, ফহঁতি লগাব লাগিব আকৌ। থুঃ থুঃ' সোণজিৰাই হাঁহিলে।

'দোলফহঁতিৰে নহ'ব আছি। খাব লাগিব। নাখাই নৰৈ গা বেয়া হৈ গৈছে।' জোঙালে লাহেকৈ ক'লে।

'খালেহে। বুজাই বুজাই খুৱাব লাগে। আহ বহহি। পাইৰ ওচৰতে বহ।'

সুকোমলা বহিল।

সেন্দূৰী আম এচকল মুখত ভৰাই ধনেশ্বৰে ক'লে—

'আছিয়ে সঠিক কথাই কৈছে। কুঁৱৰীদেউ বৰ লেছকা। খাব বব লাগে। খালেহে বল-শক্তি হ'ব। ৰজাদেৱক দেখিলে সেয়ে ভাল লাগে। বনৰজা যেন। নহ'বনো কিয়— কলং-কপিলীৰ পুৰঠ মাছ খাবলৈ পায়। আমিতো নাপাওঁ। অ'— মাছৰ কথা ওলাওঁতেহে মনত পৰিল— আমাৰ ৰজাদেৱতাই মোক এটা ঘট ওলোৱা ৰাঘ বৰালী খাবলৈ মন যোৱা বুলি কৈছিল। মই আহিবৰ পৰত কৈছিল— 'জোঁৱাই ৰজাক ক'বাচোন পাৰিলে বৰালী মাছ এটা পঠিয়াই দিবলৈ। পাহৰিয়েই আছিলো। ভাল মনত পৰিল।'

'শহুৰ ৰজাৰ মাত্ৰ ৰাঘবৰালীহে খাবৰ মন গ'ল যে আলহীদেউ? জোৱাইৰ ৰাজ্যত আন একো নাই যেন লাগিছে নেকি?' জোঙালে হাঁহি উঠিল।

জলপান খাই থকা সুকোমলাৰ বুকুখন ধক্‌কৈ উঠিল। আলহীদেৱে ঘট ওলোৱা বৰালী মাছৰ কথা কিয় কৈছে সুকোমলাই জানে।

'আপোনাকনো বৰালী মাছৰ কথা কেতিয়া ক'লে আলহীদেউ? মই দেখোন শুনা নাই।' বিৰক্তিৰে ক'লে সুকোমলাৰ মাকে।

'আপোনাক ক'লে জানো ক'বলৈ দিলেহেঁতেন? আপুনি যি একাচেকা মানুহ। মোকেই মনে মনে ক'লে। আমাৰ ৰজাদেৱতাই জানো আজিলৈকে কাৰোবাক কিবা খুজি পাইছে? জোৱাইৰজা আপোন মানুহ। মৰম সোমাইছে। বৰালী মাছ এটা খাবলৈ মন যোৱা বুলি আনকনো ক'বলৈ গ'লহেঁতেননে? অৱশ্যে তেওঁ খোজা বুলিও ক'ব নোৱাৰি— মইহে চহৰীলৈ অহাৰ কথা ওলাওঁতে ব্ৰহ্মপুত্ৰৰ পুৰঠ বৰালীৰ সোৱাদৰ কথা কৈছিলো। তেতিয়াহে ক'লে। মই বেপাৰ কৰি ফুৰোতে এবাৰ খাইছিলো। পকা ঔৰে বন্ধা। এনে সোৱাদ খাই মৰি যাওঁ মৰি যাওঁ লাগিছিল।'

'ভাগ্যে নমৰিল।' সোণজিৰাই কৈ উঠিল।

হাঁহি উঠিল আটাইবোৰে।

জোঙালেও।

মনটো ভাল লাগি গৈছে। কছাৰী ৰজা সুকোমলাৰ দেউতাক। জোঙালক ৰূপে-গুণে

মুহি পেলোৱা সুকোমলাৰ দেউতাক। ইমানদিনে মনত খচখচাই থকা সন্দেহৰ ভাব এতিয়া আৰু নাই। চোৱাংচোৱাবোৰে কছাৰী ৰজাৰ গতিবিধিৰ যি বাতৰি আনিছে সেই বাতৰিবোৰ কছাৰী ৰজাৰ শান্তি আৰু মৈত্রী প্রচেষ্টাক প্রমাণ কৰিবৰ যোগ্য।

এই প্রথম কছাৰী ৰজাই আত্মীয়ৰ দৰে বস্তু এটা খুজিছে। তাকো সাধাৰণ এটা ঘট ওলোৱা ৰৰালী মাছ।

সুখৰ কথা।

শাহুৰেকলৈ চাই জোঙালে ক'লে—

'আলহীদেৰে ভাল কথাই কৈছে আই। এনে পুৰঠ ৰৰালী কন্যাপুত্রত কেতিয়াবাহে পোৱা যায়। মই নিজেও খাই ৰৰ ভাল পাওঁ। কিন্তু আজিয়েইতো পোৱা নাযাব। ভেটা দি ধৰিব লাগিব। ভেটাত লাগিলেহে দিব পাৰিম।'

'হ'ব— হ'ব— কেতিয়াবা দিলেই হ'ল। নাজানো এই বুঢ়া বয়সত কিনো ঘট ওলোৱা ৰৰালী খাবৰ মন গ'ল।' সুকোমলাৰ মাকে ক'লে।

'মন যাব পাৰে ছাঃজ। মন যোৱাটো ভাল। দেহা ভালে থকাৰ প্রমাণ।' কনচাৰীয়ে ক'লে। ৰাণীয়ে আৰু একো নক'লে। খোৱা সামৰি বহুতৰ চালি, চুপ, আৰু লঙেৰে তামোল এখন খাই ৰাণীয়ে ক'লে

'পাগহালিলৈ যাবৰ হ'বই আৰু। নহ'লে ৰান্ধি অটাব নোৱাৰিম।'

'মই লগত থাকিম কিন্তু পাই। দুটামান পদ শিকি ল'ব পাৰিলেও বহুত। আমাৰ ঘৰতো খাবলৈ ভাল পোৱা ল'ৰা একশ আছেতো।'

'ল'ৰা একশ? কাৰ কেঁচুৱা?' সুকোমলাৰ মাকে আচৰিত হৈ সুধিলে।

'মোৰেই কেঁচুৱা পাই।' সোণজিৰাই ক'লে।

'আপোনাৰ?' আৰু বেছি অবাক হৈ গ'ল সুকোমলাৰ মাক।

'অ' মোৰেই। এই ল'ৰাকণ। জকাংক।'

শাহুৰেকৰ গাম্ভীর্য কাটি কৰি আটাইৰে লগত প্রাণ খুলি হাঁহি উঠিল সুকোমলাৰ মাকে। তাৰ পিচত আসন এৰি থিয় হ'ল—

'বলক জামায়জী যাওঁ। জোৱাইৰজাই যেন ভাত নোখোৱাকৈ ওলাই নাযায়।' জোঙালৈ চাই ক'লে সুকোমলাৰ মাকে।

'নাযাওঁ আই। ভাত খোৱালৈ থাকিম। তাৰ পিচত অৱশ্যে ওলাই যাব লাগিব।'

শাহুৰেক ওলাই যোৱাৰ পিচত সুকোমলালৈ চালে জোঙালে—

'ব'লা পুখুৰীৰ পাৰলৈ যাওঁ।'

সুকোমলাক লৈ জকাংক ওলাই গ'ল। জু খাই খাই বহি থাকিল ধনেশ্বৰ। চাই থাকিল খামচামাইবোৰে সামৰি লৈ যাবলৈ ধৰা কাঁহী-বাতিবোৰলৈ।

দেখিলেই বস্তুবোৰ চুৰ কৰো কৰো যেন লাগি আছে। ডিমাবঙতো সোণ-ৰূপবোৰ দেখিলেই চুৰ কৰো যেন লাগে।

কিন্তু চিকা মাৰি হাত নোগোদ্ধায় ধনেশ্বৰে। সময়ত সকলোবোৰ সামৰিব লাগিব। এই গড়, এই ৰাজ্য— সোণৰ কাঁহী-বাতি— সকলোবোৰ।

তিনিটা ফুলকটা বাঁহৰ চুঙা মেজ এখনৰ ওপৰত পোৱা আছে। সৰু জাতিলাউৰ খোল এটাৰ পেট আৰু মুৰটো খুলি লৈ সজা পাত্ৰ এটাত পেটৰ ফুটাটোৰে ডাঙৰ পাত্ৰ এটাৰ পৰা জুছা ভৰাই মুৰৰ চিকুণ অংশৰে বাঁহৰ চুঙাত ঢালি দি দি ডিমাৰঙৰ বাণীয়ে ক'লে—

'আজি জী-জোঁৱায়ে দি পঠিওৱা জুচা খাওঁক। বৰ সোৱাদ।'

বাঁহৰ চুঙাটো তুলি লৈ ফা বডোচাই হাঁহিলে—

'তুমিতো সোৱাদ পাবাই। জী-জোঁৱাইৰ বাজ্যৰ যে।'

'নহয় ৰজাদেৱতা, সঁচাকৈ সোৱাদ। পিচে আমাৰ জুগাৰাৰ লগত ক'ত পাৰিব।' নিজৰ চুঙাটো তুলি লৈ ধনেশ্বৰে ক'লে।

'এইবাৰ আমাৰ ধনেশ্বৰো পমি গ'ল যেন পাওঁ জোঁৱাই আদৰ পাই।' ৰজাই হাঁহিলে।

'পমা অৱশ্যে নাই ৰজা দেৱতা, কিন্তু আদৰ-সাদৰবোৰ বৰ ভাল লাগিছে। আগৰ দুবাৰ যাওঁতে গড়ৰ বাহিৰত আছিলো। বন্দীয়ে বন্ধা খাইছিলো। এইবাৰ আমাৰ বাণীদেউ আৰু কুঁৱৰীদেউৰ মাদীৰে বন্ধা খাইছো। সৰগত থকা যেন লাগিল।'

'কিনো খুৱালে ইমানকৈ?'

'কৈ শেষ কৰিব নোৱাৰি ৰজা দেৱতা। কিন্তু সঁচা ক'বলৈ হ'লে আমাৰ বাণীদেৱে বন্ধা এবিধহে বৰ ভাল নাপালো। মৌলে অৱশ্যে বন্ধা নাছিল—জোঁৱাইৰজা আৰু কুঁৱৰী আইদেউৰ কাৰণেহে বান্ধিছিল। মই যে নিজেই খুজি খালো। খাই ভাল নাপালো।'

'কিনো বান্ধিছিলাহে? বাণীলৈ চাই ৰজাই ক'লে।

'পা-চা।'

'অ'— সেয়েহে আমাৰ আলহীদেৱে বৰ ভাল নাপালে। এইবিধ বৰ শক্তিদায়ক আহাৰ বুজিছা ধনেশ্বৰ। আমি যেতিয়া চিকাৰলৈ নহ'লে যুঁজলৈ যাওঁ তেতিয়াতো জুই ধৰি বান্ধি খোৱাৰ উপায় নাথাকে। তেতিয়া আমি কেঁচা মাছ বা মঙহ সৰু সৰুকৈ কুটি

থেতালি লৈ তাৰ লগত উৰিয়াম গছৰ কুঁহিপাত থেতেলি ৰস উলিয়াই মিহলাই লওঁ। উৰিয়ামৰ ৰসে মাছ-মঙহবোৰ গলাই পেলায়। পাহাৰৰ মনুহে ইয়াক পা-চা বোলে। খালে গাত জোৰ পায়।'

'উস্—যিমানেই জোৰ নাপাওঁক মই হ'লে আৰু মৰিলেও নাখাওঁ।' ধনেশ্বৰে ক'লে।

ধনেশ্বৰৰ মুখৰ অভিব্যক্তি দেখি হাঁহি উঠিল ৰজা আৰু ৰাণীয়ে।

'তাৰ পিচত মেমেধু, গুৰ, জলকীয়া তেল-লোণ সনা পকা তেতেলী, বেঙেনাৰে ৰন্ধা দৰিক, বাঁহ গাজেৰে ৰন্ধা হাঁহ, খৰিচাৰে ৰন্ধা ঢেকীয়া, মানিকী মধুৰী জহাৰ ভাত, শ'ল মাছৰ জ্বলা, পোৰা বেতগাজ আৰু ভেকুৰি গুটিৰে পাতত দিয়া, আদাপাত, গন্ধকচু মিহলাই সিজোৱা মাটিমাহৰ টেঙা, খৰিকাত দিয়া আৰিমাছ আৰু পহুৰ মঙহ, তিলেৰে ৰন্ধা গাহৰি—

'হ'ব হ'ব আৰু নুশুনো— উস্— দুৰাতি আৰু এদিনত ইমানবোৰ।' ৰজাই হাঁহিলে।

'সঁচাই।' ৰাণীয়ে ক'লে,—'মনটো বৰ ভাল লাগি আছে। বৰ আদৰ-যত্ন কৰিলে। সুখেৰে আছে ছোৱালীজনী। আপোনালৈ কাপোৰ দুসাঁজ দিছে। পাটৰ দীঘ গুণাৰ ৰ্যাণী, সোণমণি খটোৱা বতীয়া তোলা। বৰ ভাল লাগিল গৈ। ছোৱালীজনী ভালেৰে থাকিব। চিন্তা নাই।'

'মই জানো তোমাক কোৱা নাছিলো? তুমিহে মিছাকৈ চিন্তা কৰি আছিলা।'

'কিন্তু আপোনাৰ এই বুঢ়া বয়সত ঘট ওলোৱা ৰাঘৰৰাণী খাবৰ মন গ'লযে? জোঁৱায়ে হাঁহিছিল শুনি। আলহীদেৱেও নোকোৱা হ'লেই ভাল আছিল।' ৰাণীয়ে ক'লে।

ৰজাই এপলক ধনেশ্বৰলৈ চালে। তাৰ পিচত হাঁহি উঠিল—

'ৰাঘ বৰালীৰ সোৱাদ পোৱা জনেহে জানে। পাহাৰৰ নামসান মাছ, ডাউমেছেৰৰ মাংস কিমান খাবা। জোঁৱাইৰ ৰাজ্য কলং কাষৰীয়া। ব্ৰহ্মপুত্ৰবো কাষৰীয়া। সেয়ে কৈছিলো। বেয়া হ'ল নেকি?'

'বেয়ানো কি হ'ব। লাজ নালাগে জানো?'

'ৰাণীদেৱে হওঁতে সঠিক কথাই কৈছে। কিন্তু মই জানো পিচত নিজৰ গাতে পাতি নল'লো? আৰু ৰজা দেৱতাৰ কথাও জানো মিছা? শিলঘৰীয়া মাছ আৰু বনকুকুৰা খাই আমনি লগাৰেই কথা। দোষ নধৰে যদি কওঁ— মাছটো খোজাই ভালহে হোৱা বুলি ভাবো। জোঁৱাইৰজা ইয়ালৈ আজিলৈকে নাহিল। আপোনভাব নোপজাৰ কাৰণেও

নাহিব পাবে। আমাব ৰজাদেৱতাই আপোনভাব দেখুৱাইছে, জোঁৱাই ৰজাই বুজিব। আহ-যাহ হ'ব। আমিও কুঁৱৰী আইদেউক দেখি থাকিব পাৰিম।'

'আলহীদেউৰ পানী নসৰকা কথা। নহয় বুলিনো কেনেকৈ কওঁ।' ৰাণীয়ে হাঁহিলে। তাৰ পিচত উঠিল—

'মই যাওঁ। বহুত কাম আছে। আলহীদেউ খাই-বৈ যাব নেকি?'

'নাখাওঁ ৰাণী আইদেউ। ঘৰৰ জনীয়ে দাবে চকলাচকল কৰিব। জানেই নহয় কেনে একাচেকা। ঘৰ সোমায়েই ওলাই আহিছো।'

'যাবগৈ তেনেহ'লে।' ৰাণী গ'লগৈ।

ৰজাই ধনেশ্বৰলৈ চালে—

'হাঁহিলে?'

'হাঁহিলে নহয় ৰজাদেৱতা— ক'লেও। ৰাণী আইদেৱে আপুনি শুনিলে বেয়া পাব বুলি নক'লে, কিন্তু মই হ'লো আপোনাৰ বন্দী। নক'লে জানো চলে?'

'কিনো ক'লে?'

'ক'লে শহুৰ ৰজাৰ ৰৰালীহে খাবৰ মন গ'ল যে? আমাৰ ৰাজ্যত একো নাই বুলি ভাবিছে নেকি? তাৰ পিচত ইমান হাঁহিলে— ইমান হাঁহিলে— মোৰেই লাজত পলাই আহোঁ আহোঁ যেন লাগিছিল। ৰাণী আইদেৱেনো বেয়া নাপাব কিয়? ইমান অপমাননো সহিব পাৰেনে? ৰাণী আইদেউ কোমল মনৰ মানুহ। পোন। আগেয়ে চহৰিলৈ যোৱা নাই। বিয়াতো নগ'ল। কেনেকৈনো বুজিব কি হৈ আছে। জোঙাল বলহ জোঁৱাইৰজাদেৱৰ কথা শুনি, হাঁহি দেখি, একো নাজানিও ৰাণীদেউৰ বেয়া লাগিছে। মোৰ কেনে লাগিব পাৰে ৰজাদেৱতাই ভাবি চাওঁক। সেই বিয়া হোৱাৰ দিন ধৰি অপমানৰ পিচত অপমান কৰিয়েই আছে। বিয়াত আপোনাক সেৱা নকৰিলে। পুৰোহিত আৰু সমাজৰ বাহিৰে আন কাকো সেৱা নকৰিলে। আমাক গড়ৰ ভিতৰলৈ সোমাব নিদিলে। ইয়ালৈ এবাৰো নাহিল। আপুনি ডাঙৰ মনৰ মানুহ, দোষ নধৰি আগবাঢ়ি ৰাণী আইদেউক পঠিয়ালে, সাধাৰণ মাছ এটা খাবৰ মন যোৱা বুলি ক'লে, তাৰ পিচতো এনেকৈ সকলোৰে আগত হাঁহি, এনে অপমানজনক কথা ক'ব লাগেনে? বৰ বেয়া লাগিল ৰজা দেৱতা।'

'বেয়া লগাৰেই কথা। কিন্তু বেয়া লাগিনো কি কৰিব পাৰিম। জীজনী মাক হ'বলৈ ওলাইছে। তাইকনো দুখত পেলাব পাৰিনে?'

'দুখত পেলাব নালাগেও ৰজা দেৱতা। নিজৰ জীৱ ভাল ভৱাটোহে উচিত। ময়ো গোটেই বাট তাকেই ভাবি ভাবি আহিলো। এবাৰ ভাবিলো— সকলো কথা এৰি

পেলোৱাই ভাল নেকি। জোঁৱাই ৰজাই আক্রমণ কৰিলেও কৰক। কিনো বিশেষ হ'ব। খুব বেছি জোঁৱাইৰ তলতীয়া হৈ থাকিব লাগিব। কৰ-কাটল দি থাকিব লাগিব। তাৰ বেছিতো একো নহয়। আকৌ ভাবিলো— আপোনাক কৰতলীয়া ৰজা হোৱা দেখিলে সহিব জানো পাৰিম? আপুনি দেউতাক। আপুনি হয়তো পাৰিব। কিন্তু মই হ'লো আপোনাৰ বন্দী। আপোনাক দেৱতা বুলি মাতোও। মানোও। নিজৰ দেৱতাক মুৰৰ পাগ খুলি আনৰ ওচৰত আঁঠু লোৱা চাই থাকিব নোৱাৰিম। ল'ৰা-তিৰোতা লৈ ধনশিৰিত জাহ যাম মই।'

'কিয় জাহ যাবা ধনেশ্বৰ। জাহ যাবলগীয়া মই হ'বলৈকে নিদিওঁ। মই হাৎছুংছা ৰজাৰ বংশধৰ। কাৰো তলতীয়া হৈ পোৱা নাই। মোক কোৱা কি দেখি-শুনি আহিলা?'

'মই আপোনাক যি কৈছিলো সেয়াই ঘটি আছে। কুঁৱৰীদেৰে একো গমেই নাপায়। আমি যাওঁতেও জোঙাল বলহু জোঁৱাইৰজাদেৱৰ গড়ৰ বাহিৰত যুঁজৰ আখৰা চলি আছিল। এইবাৰ ৰাণী আইদেউৰ লগত যোৱা কাৰণে ক'তো একো হকা-বাধা নাপালো। সেয়ে গড়ৰ ভিতৰ-বাহিৰ চাই আহিলো। যুঁজৰ আখৰাও চাই আহিলো। উঃ দেখি ভয় লাগি যোৱা কাণ্ড। ইমানবোৰ ৰণুৱা! গড়ৰ ভিতৰৰ এঠাইত বহুত অস্ত্র-শস্ত্র গোটাই থোৱা দেখিলো। শুনিলো আনবোৰ পোৱালি ৰজাও লগ লাগিছে। ৰৰডোবাৰ ভূঞাসকলেও লগ লাগিছে।'

'ঠিকেই কৈছা ধনেশ্বৰ। ৰৰডোবাৰ ভূঞাও এখোজ দুখোজকৈ উঠি আহিছে। কেতিয়াবা বাঘে ধৰাদি ধৰি মুচৰি পেলাব লাগিব।'

'মুচৰি পেলোৱা সহজ নহ'ব যেন পাওঁ ৰজাদেৱতা। চহৰিৰ লগত যি মিলাপ্রীতি দেখিলো। সুকোমলা আইদেউৰ বিয়াৰ ৰভাখন ভূঞাসকলে বন্ধুত্বৰ চিন দেখুৱাই যাঠিৰে সাজি দিয়া নাছিল জানো?'

'হয় হয়। ভাল মনত পেলাই দিলা। ভূঞাও লগ লাগিব পাৰে। বৰ চিন্তাৰ কথা হৈছে ধনেশ্বৰ। একালত দিখৌ নৈৰ পৰা কলঙলৈকে, গোটেই ধনশিৰিত আমাৰ ৰাজ্য আছিল বুজিছা ধনেশ্বৰ। আহোম ৰজাই প্রথমতে আমাৰ পৰা মাত্র তিৰিলাই লাইসিনিৰ সমান মাটি খুজিছিল। যুঁজিবলৈ সাহসেই কৰা নাছিল।'

'তিৰিলাই লাইসিনি কি নুবুজিলো ৰজাদেৱতা।'

'এডাল খেৰৰ সমান বহল বুজিছা। আহোমে নৰাদেশৰ পৰা অহাৰ পিচত আমাৰ পৰা মাত্র নিজৰ কাৰণে খেৰৰ সমান বহল অলপ ঠাই খুজিছিল। তাৰ পিচত চল কৰি নামডাঙলৈ ল'লে। দিখৌৰ পূব পাৰ এৰি দিবলগা হ'ল। ডিলাওৰ ৰাজধানী এৰি

আহিব লগা হ'ল। নষ্টে নগাকো মহঙব লোন পুং এবি দিব লগা হ'ল। ভাবিলে বুকু হমহমাই যায়। কেতিয়াযে হেৰুওৱা মাটিখিনি ঘুৰাই পাম। মই কিন্তু যুঁজ এখন লগামেই। পাটকাইৰ সিপাৰৰ পৰা অহা সিদিনাৰ আহোমক আমাৰ মাটিত নিগাজী হ'বলৈ নিদিওঁ। মহঙো আকৌ লম। জোঙালকো এসেকা দিম। আমি হাৎছুংছাৰ বংশধৰ। বুজিছা। বীৰৰ ল'ৰা।'

'কিন্তু সকলো ফালেনো কেনেকৈ যুঁজিব ৰজাদেৱতা? উত্তৰত ভুএগা, পশ্চিমত চহৰি, পূবত আহোম আৰু নগা, দক্ষিণত জয়ন্তীয়া। কাৰ লগত যুঁজিব? জয়ন্তীয়াই এতিয়ালৈ আমাৰ ৰাজ্য আক্রমণৰ কোনো যো-জা কৰা নাই। মহঙৰ লোণপুঙ পাই নগাও শান্তিত আছে। আহোমেও নগা, ৰবাহী, মৰাণ, চুতীয়ৰ লগত লাগি আছে। আমালৈ চকু দিয়া নাই। সেইফালৰ পৰা আমাৰ এতিয়া বিশেষ ভাবিবলগীয়া নাই। এদিন আমি নিজৰ মাটি ঘুৰাই পামেই। আই ৰণচণ্ডীয়ে সহায় কৰিবই। মাত্র জোঙালক লৈহে চিন্তা। তেওঁৰ হাতত দেও তৰোৱাল আছে। তেওঁৰ পিচত পোৱালি ৰজাবোৰ, গোভা, প্রতাপপুৰ, কমতা আছে। দেখি আহিলো নহয় চহৰিত। সোণপাতেৰে গোটেইগড় মেৰিয়াই বান্ধিব পৰাকৈ সোণ আছে। ৰাণী আইদেউক সুধিবচোন। ক'ব। জোঙালৰ যি গতিবিধি দেখিলো পুৰণি ডিমাৰঙ উভতাই পোৱাৰ আশা মিছা। যদি জোঙালে কেনেবাকৈ আক্রমণ কৰিবলৈ হয় আমি উজুতিতে উফৰি যাম ৰজাদেৱতা। আমাৰ লগত কোন আছে? চৌপাশে শত্রু।'

'ঠিকেই কৈছা ধনেশ্বৰ। আমি দুর্বল হৈ পৰিছো। কি কৰা যায় কোৱাচোন?'

'আমিনো কি জানো? ৰজাদেৱতাই ভাবি চালেই বাট ওলাব। মাত্র মই এটা কথা ক'ব পাৰো আগে যুঁজাজনহে শক্তিশালী। আগে যুঁজাজনহে সুবিধাজনক অৱস্থাত থাকে।'

'ঠিকেই। ময়ো সেইটোকে ভাবিছো। জোঙালে আক্রমণ কৰাৰ দিনক্ষণ গম পালে আমি আগবাঢ়ি গৈ আক্রমণ কৰিম। তেতিয়া সি জিকিব নোৱাৰে।'

'কিন্তু তেওঁতো আমাৰ জোঁৱাই হয়। তেওঁৰ অন্যায় কৰাও আমাৰ বাবে উচিত নহ'ব ৰজাদেৱতা।'

'ঠিকেই। জীজনী দিলো যেতিয়া তাৰ ক্ষতিওতো কৰিব নোৱাৰো। কি কৰা যায় ধনেশ্বৰ?'

'ৰজাদেৱতাই মোক লাজত নেপেলাব। মই সঁচাই যুঁজৰ একো নাজানো। অৱশ্যে আপোনাৰ বহুমূলীয়া কথাবোৰ শুনি শুনি যি শিকিছো বুজিছো তাৰ পৰা এটা কথা

অৱশ্যে ক'ব পাৰো।'

'কোৱাচোন কোৱা।'

'ৰজাদেৱতাই ভাবি চাওক— জোঙালৰ আমি অনিষ্ট কৰিব নোৱাৰো। কৰাটো উচিত নহয়। তেওঁ এনেয়ে বৰ ভাল। মাত্ৰ ৰাজ্য বঢ়োৱাৰ লোভ আছে। ইমানেই। সেই লোভতে নিজৰ বাপেককে বধিলে। এতিয়া দেওতৰোৱাল পাই আৰু চৰিছে। কিন্তু দেওতৰোৱালখন যদি আমি আনিব পাৰো আৰু হঠাতে গৈ যদি চহৰি আক্ৰমণ কৰি জোঙালক বন্দী কৰি পেলাব পাৰো তেতিয়া জোঙালে এশিকনি পাব। পিচত দয়া কৰি এৰি দিম। সৈন্যবল কমি গ'লে আৰু দেওতৰোৱাল নাথাকিলে জোঙালে আমাৰ একো ক্ষতি কৰিব নোৱাৰে। তাৰ মাজতে বৰডোবাৰ ভূঞা, অনালালুং পোৱালি ৰজাবোৰ আৰু মিকিৰৰ লগতো মনে মনে কথা পাতি মিত্ৰতা কৰি থওঁ। মনে মনে নকৰিলেও কথা নাই। মিত্ৰতা কৰিলেও জোঙালে বুজিব নোৱাৰিব। ভাবিব তেওঁৰ মিত্ৰ কাৰণেহে আমিও মিত্ৰ হ'ব খুজিছো।'

'ঠিকেই ধনেশ্বৰ। সেনাপতিক মাতি মই এই বিষয়ে আলোচনা কৰিম।'

'ঠিকেই। সেনাপতিদেৱক নজনোৱাকৈ কাম কৰা উচিতো নহয়। কিন্তু তেওঁৰ গতিবিধিৰ ওপৰত চহৰিৰ চো�ৰাংচোৱাৰ চকু আছে। তেওঁ আগতীয়াকৈ জানিলে বা আপুনি মাতি আনি এইবোৰ কথা পাতিলে চহৰিৰ চোৰাংচোৱাই জানিলে বৰ বিপদ হ'ব। তেতিয়া আমি ৰাজ্যও হেৰুৱাম। কুৰৱী আইদেউকো হেৰুৱাম।'

'তুমি বৰ বিবেচক মানুহ ধনেশ্বৰ। মই নিশ্চয়কৈ কৈছো, তোমাক মই এদিন প্ৰধান মন্ত্ৰী নহ'লে প্ৰধান সনাপতি পাতিমেই।'

'নালাগে ৰজাদেৱতা। মোৰ এনেকৈয়ে ভাল। আপোনাৰ ওচৰলৈ আহো। বহো। দুষাৰ জ্ঞানৰ কথা শুনো। এয়াই মোৰ বাবে বহুত। সেনাপতিদেৱ পুৰণি আৰু বিশ্বাসী মানুহ। অৱশ্যে তেওঁৰ বয়স হৈছে। পোন আৰু কোমলমনৰ। যুঁজ-বাগৰ ভাল নাপায়। কিন্তু বৰ ভাল মানুহ।'

'ভাল মানুহ হ'লে নহ'ব নহয় ধনেশ্বৰ। সাহসী হ'ব লাগিব। বুধিয়ক হ'ব লাগিব। তুমি যেতিয়াৰ পৰা চোৰাংচোৱাৰ দায়িত্ব লৈছা, তেতিয়াৰ পৰা ভূঞাৰ ৰাজ্য, আহোম, নগা, খলাচহৰি, গোভা, জয়ন্তীয়া, ডিমৰুৱা— কোন ৰাজ্যৰ ডাঁৰৰ বাতৰি ডাঁৰে ডাঁৰে নোপোৱাকৈ আছো? নহয় ধনেশ্বৰ। মই তোমাকেই মোৰ প্ৰধান সেনাপতি পাতিম।'

'আপোনাৰ বিবেচনাৰ ওপৰতনো কি মাত মাতিম ৰজাদেৱতা। কিন্তু মই ভাবো এতিয়াই মোক কোনো বাব দিব নালাগে। যদি কেতিয়াবা আমাৰ ডিমাবঙ বিপদত

পৰে তেতিয়া ভাবি চাব। মই তেতিয়ালৈ আপোনাৰ পৰা আৰু অনেক কথা জানিম। বুজিম। আজিলৈ মই উঠো নেকি ৰজাদেৱতা? ঘৰত নহ'লে কেঁচাইখাফ্লিয়ে জীয়াই জীয়াই তেজ পী খাব।' ধনেশ্বৰে প্ৰসংগ সলালে।

'তুমি ঘৈণীক বৰ ভয় কৰা যেন পাইছো।' ৰজাই হাঁহিলে।

'আপুনি দেখোন ফুলখুৰীক জানেই। আপোনাৰেই বান্দী আছিল। বৰ একাচেকা। ভয় নালাগি উপায় নাই। আজি ঘৰ সোমায়েই ওলাই আহোতে সোনকালে উভতি যাবলৈ কৈছিল। নগ'লে ফুলখুৰীক নেদেখোঁগৈ। দেখিম বলিকটা দা লৈ হেৰেমডী আই বহি আছে।' ধনেশ্বৰে হাঁহি উঠিল।

'যোৱাগৈ যোৱা। কালিলৈ আকৌ আহিবা।'

ৰজাক সেৱা জনাই দ্বিতীয় পদক্ষেপৰ কথা ভাবি ভাবি আনন্দ মনেৰে ওলাই আহিল ধনেশ্বৰ।

৪৪

'আজি যুঁজৰ আখৰা শেষ সুকোমলা।'

বাহিৰলৈ যাবলৈ ওলাই জোঙালে ক'লে।

সুকোমলা অন্যমনস্ক হৈ বহি আছিল। পূৰ্ণগৰ্ভা সুকোমলা। জোঙালৰ কথা শুনি মুৰ তুলি চালে—

'আজি সেই কাৰণেই ভোজ দিছে নহয়?'

'অ'। নিয়ম। আখৰা শেষৰ দিনা সকলোৱে মিলি এসাঁজ খোৱা হয়। নতুন ৰণুৱাসকলক আদৰাও হয়। বাহিৰ ওলাই চাবাচোন— গড়ৰ ভিতৰৰ পথাৰত আটাইবোৰ নতুন ৰণুৱা গোট খাব। গড়ৰ চালৰ পাৰু আৰু লাংখুই দিম। কবচো দিম। তোমাক লৈ যাবৰ বৰ মন আছিল। ৰং-ধেমালিও হ'ব। কিন্তু এই অৱস্থাত যোৱানো কেনেকৈ? বাহিৰ ওলায়েই চাবা আৰু। এতিয়া সময় হোৱা নাই। সময় হ'লে মই কৈ পঠিয়াম।'

'ইমানবোৰ নতুন ৰণুৱানো কিয় লৈছে?' সুকোমলাই সোধো নোসোধোকৈ সুধিলে।

'মাজে মাজে নতুন ৰণুৱা ল'ব লাগে। একেখিনি ৰণুৱাৰে সদায় নচলে নহয়। দাঁত সৰা, চুলি পকা ৰণুৱাই ৰাজ্য ৰক্ষা কৰিব পাৰে নেকি? মই তোমাক কোৱা নাছিলো?' জোঙালে হাঁহি উঠিল।

'সেইটো অবশ্যে হয়। কিন্তু ওচৰৰ ভূঞা আৰু পোৱালি ৰজাবোৰকো দেখোন মাতিছে। ক'ৰবাত যুঁজ লগাৰ কথা নেকি?'

'যুঁজৰ কাৰণে নহয়, মাজে মাজে এনেকৈ চুবুৰীয়া ৰজাবোৰক সুবিধা বুজি মাতো। সম্পৰ্কও ভালে থাকে আৰু সীমাৰ সমস্যা, বেহা-বেপাৰৰ কথাও পতা হয়। তুমি অহাৰ পিচত এই প্ৰথম মাতিছো। বিয়ালৈ মাতিছিলো। তাৰ পিচত তেনেকৈ লগ হ'ব পৰা নাই। এইবাৰো মন নাছিল। কিন্তু পাহাৰৰ পৰা গাৰো সকলে দক্ষিণ পশ্চিমৰ ছয়গাঁও, লুকী, বেলতলা আদি ৰাজ্যত বহুদিনৰ মূৰত আকৌ উৎপাত কৰিছেহি। তাৰ পৰা কটকী আহিছিল। সহায় লাগে। সেয়ে ৰাজ্যবোৰৰ ৰজা সকলকো মাতি আনিছো। ৰণুৱা পঠিয়াও নে নপঠিয়াও আলোচনা কৰিব লাগিব।'

'আপোনালোকৰ এনে সভালৈ মোৰ আফাক নামাতে নেকি? তেৰোঁতো আমাৰ চুবুৰীয়া।'

'নহয়— শহুৰ ৰজাৰ কথাটো অলপ বেলেগ। খলাচহৰিৰ লগত আগতে ডিমাৰঙৰ সম্পৰ্ক বৰ ভাল নাছিল জানাই। আমাৰ লগত লালুঙৰ অন্যৰাজ্যবোৰ আৰু আন পোৱালিৰজাবোৰৰ লগত যুঁজ-বাগৰ নহ'লেও মিতিৰালিও তেনেকৈ নাছিল। এতিয়াহে বিয়াৰ পিচত মিতিৰালি হৈছে। এইবাৰ মতাৰ কথা আছিল। কিন্তু সভাখন বৰ লৰালৰিকৈ পাতিব লগা হ'ল। আন ৰজাসকলৰ লগত আগতীয়াকৈ আলোচনা নকৰাকৈ হঠাতে মাতি দিলে শহুৰ ৰজাই কেনে পৰিস্থিতিৰ মুখামুখি হ'ব লাগে ক'বতো নোৱাৰি। শহুৰ ৰজা জানো পোৱালি ৰজা? তেওঁৰ সমান ডাঙৰ ৰজা কেইজন আছে? আহোমৰ লগত ফেৰ মাৰিব পৰা ৰজা। আদৰ-সন্মানেৰে মাতিব লাগিব— ডাঙৰকৈ সভা পাতিব লাগিব। ৰং-ৰহইচ দেখুৱাব লাগিব— শহুৰ ৰজাৰ অসম্মান হ'বলৈ দিব নোৱাৰি নহয়। এই বাৰিষাৰ বতৰত সম্ভৱো নহয়। ব'হাগত মাতিম। নাতিও চাব পাৰিব। এতিয়া যাওঁ। ৰণুৱাসকলক ঢাল লাংখুই দিয়াৰ পিচত ৰাজসভা বহিব। তাৰ পিচতহে খোৱাবোৱা। অ'— এটা কথা— শহুৰ ৰজাই ৰৰালী এটা খাবৰ মন বুলি কৈছিল— দিব নোৱাৰি বেয়া লাগি আছে। কেইবাবাৰো ভেটা দিলো— ৰাঘ ৰৰালী নাপালো। এইবাৰ কাজলী মুখত, য'ত কলং গৈ ব্ৰহ্মপুত্ৰত পৰিছে তাতে ডাঙৰকৈ ভেটা দিছো। ভোজৰ মাছো হ'ল, আৰু যদি ঘট ওলোৱা ৰৰালী উঠে— শহুৰ ৰজালৈ দিবও পাৰিম।'

জোঙালৰ মুখলৈ চাই আছে সুকোমলাই। উৎসাহ উদ্যমত উজ্জ্বল হৈ উঠিছে জোঙালৰ মুখখন। আসন্ন পিতৃত্বৰ আনন্দত জ্বলমলাই উঠিছে।

কি অদ্ভুত মানুহ!

এহাতে শহুৰ ৰজাৰ ৰাজ্য আক্রমণ কৰাৰ যো-জা কৰিছে, আনহাতে ৰৰালী মাছো পঠিয়াব খুজিছে। মৰমো কৰিছে সুকোমোলক। আদৰ যত্ন কৰিছে। কিন্তু বিশ্বাস কৰা নাই। বিশ্বাস কৰা হ'লে জানো এনেকৈ মিছা কথা কয়? ক'ৰ পাহাৰৰ গাৰোৱে কাক আক্রমণ কৰিছে— কাক সহায় কৰিবলৈ ৰজাৰ সভা পাতিছে— এইবোৰ জানো পতিয়ন যাব পৰা কথা? যিদিনা যুঁজৰ আখৰা শেষ, সেইদিনাই ৰজাৰো সভা। মিছা কথা। সকলো মিছা কথা। সুকোমলাক মিছা কথা কৈছে জোঙালে। সুকোমলাৰ পৰা কথা লুকুৱাইছে।

দেউতাকৰ কথাই সঁচা। দেউতাকে তাইলৈ লিখিছিল— দেও লাংখুই

'এই দেওতৰোৱালখন পালেই আমি আমাৰ নিৰাপত্তাৰ ক্ষেত্রত নিশ্চিন্ত হ'ম। আমি বাতৰি পাইছো— জোঙালে যে আমাৰ লগত আদৰ সম্মানেৰে মিতিৰালি ৰাখিছে— সেয়া চতুৰালিহে। তেওঁ ডিমাবঙ আক্রমণ কৰাটো নিশ্চিত। কেতিয়া কৰিব সেই কথা খাটাং নাজানো। তই যিমান সোনকালে পাৰ তৰোৱালখন দি পঠিয়াবি। খাপটো যেনে আছে তেনেকৈ ৰাখিবি। জোঙালে গম নাপাব। আৰু পালেও তোক কেতিয়াও সন্দেহ নকৰে। অলপতে জানো কমতাৰ ৰজা, জোঙালৰ সতীয়া ভায়েক ৰত্নসিংহ অহা নাছিল? সি নিয়া বুলিহে ভাবিব। হেজাৰ হওক নিজৰ ভায়েক নহয়। তাতে ৰত্নসিংহ বৰ উদণ্ডীয়া আৰু খঙাল ল'ৰা। তাৰ স্বভাৱো বহুত বেয়া হৈছে বুলি শুনিছো। তই চিন্তা নকৰিবি। দেও তৰোৱাল পোৱাৰ পিচত সকলো ঠিক হৈ যাব।'

দেউতাকৰ কথাবোৰত অবিশ্বাস কৰিবলগীয়া একো বিচাৰি পোৱা নাই সুকোমলাই। অলপতে ৰত্নসিংহ অহাৰ কথাটোও সঁচা। ৰত্নসিংহ আওবাটে যাব ধৰা বুলি আবি কনচাৰীয়ে দুখ কৰাও শুনিছিল। দেওতৰোৱালখন নাপালে জোঙালে তাইক কেতিয়াও সন্দেহ নকৰে।

'কি ভাবি আছা সুকোমলা?' জোঙালৰ কথা শুনি উচপ খাই উঠিল সুকোমলা।

'নাই— একো ভবা নাই— গাটো অকমান বেয়া লগা যেন লাগিছিল।'

'শুই থাকা তুমি। মই আবি আৰু আছিক তোমাৰ ওচৰত থাকিবলৈ কৈ থৈ যাওঁ। বৰকৈ ঘুৰি নুফুৰিবা। ভোজথলীলৈও যাব নালাগে। শাওন মাহৰ ৰ'দ। কষ্ট পাবা। মই আহো?'

'আহক।'

সুকোমলাক অকণমান আদৰ কৰি জোঙাল ওলাই গ'ল। ভাগৰুৱা মানুহৰ দৰে শুই পৰিল সুকোমলা। আৰু প্রায় লগে লগেই সোমাই আহিল কনচাৰী আৰু সোণজিৰা। তেওঁলোক অহা দেখি সুকোমলা উঠিব খুজিছিল, সোণজিৰাই হুলস্থূল কৰি উঠিল—

'নুঠিবি নুঠিবি— এনে সময়ত নিয়ম-নীতি নচলে অ' পহাৰী। ইমান কওঁ নুবুজ কিয়?'

'কি হ'ল? গা বেয়া লাগিছে?'

ওচৰত বহি সুকোমলাৰ হাত এখন তুলি লৈ কনচাৰীয়ে সুধিলে।

'অলপমান বেয়া লাগিছিল। এতিয়া ভাল পাইছো আবি।'

'মনটো মাৰি আছ কিয়?' কনচাৰীয়ে সুধিলে।

১ 'চিন্তা লাগি আছে আবি। ভয় লাগিছে।' সুকোমলাৰ দেওকুলীয়াই পানীৰে

চপচপিয়া হৈ পৰিল।

'কান্দিছ কিয় অ' পহাৰী? ইমান ভয় খাবলগা কিটো আছে? ঈশ্বৰে দিয়া বস্তু ঈশ্বৰেই ভালে-কুশলে মাথিলৈ আনিব।'

'সোণজিৰাই ঠিকেই কৈছে আই। এনে সময়ত মনলৈ বেয়া ভাব আনিব নাপায়। উঠ। বাহিৰতে বহিবি ব'ল। নানাঃও তাইক ডাবৰ পানী অকণ দিবলৈ কৈ আহ। গাটো শাঁত পৰিব। উঠ আই। শুই থাকিলে দেহা বেয়া হয়।'

সুকোমলা উঠিল।

তেনে সময়তে উলাহত নাচি অহাদি কম বয়সীয়া খামছামাই এজনী সোমাই আহিল।

'আবি— আবি— এটা ঘট ওলোৱা ৰাঘ বৰালী ভেটাত লাগিছে বুলি দেও ৰজাই কৈ পঠাইছে। কাজলীমুখৰ পৰা চোঁচৰাই আনোতে বোলে এটা খালেই গৈ গৈছে। আহি পাবই আৰু।' কথাটো কৈয়েই একে উলাহেৰে দৌৰি যোৱাদি গুচি গ'ল খামছামাইজনী।

'বৰ ভাল হ'ল। ৰজা শহুৰক বৰালীটো দিব নোৱাৰি জকাংকেই বৰ দুখ কৰি আছিল।' সোণজিৰাই দুৱাৰমুখৰ পৰাই ক'লে।

'ঠিকেই কৈছ নানাঃও। বৰালীটো আজিয়েই পঠিয়াব লাগিব। শুদা বৰালীতো পঠাব নোৱাৰি। লগত দিবলৈ কিবাকিবি যা-যোগাৰ কৰগৈ নানাঃও। উঠ আই— তই মোৰ লগতে বহিৰত বহিবি ব'ল। ৰণুৱা বোৰক অলপ পিচতে ঢাল লাংখুই দিব। দুৱৈৰ পথাৰত দিব— ভালকৈ নেদেখিবি— তথাপিও চাওঁগৈ ব'ল। ভাল লাগিব।'

'মই অলপ সময় শুই লওঁ নেকি আবি? গাটো অলপ বেয়া লাগিছে।' সুকোমলাই ক'লে।

'উশাহ ল'বলৈ টান পোৱাটো আছে নেকি?' কনচাৰীয়ে চিন্তিত হৈ সুধিলে।

'নাই। দুদিন ধৰি অসুবিধা হোৱা নাই।'

'কি অসুবিধা পাইছনো?'

'অসুবিধা তেনেকৈ পোৱা নাই আবি। ভাগৰ ভাগৰহে লাগিছে।'

'হ'ব, তই এতিয়া যাব নালাগে। অকণমান বাগৰি থাক। মই তোৰ ওচৰতে বহি আছো।'

সুকোমলাৰ গাত বিছনীৰ বা দি দি কনচাৰী বহি থাকিল।

সুকোমলা চকু মুদি শুই আছে। চেপি ৰখা উত্তেজনাত তাইৰ সঁচাকেয়ে গাটো

বেয়া লাগিবলৈ আৰম্ভ কৰিছে। খামছামাই এজনী ডাবৰ পানী লৈ সোমাই আহিল।

'দে— মোৰ হাততে দে। বিছনীখন ল'।' কনচাৰীয়ে ক'লে।

'আবি, আপোনাক দেওৰাজাই এবাৰ ৰণুৰ বহা পথাৰলৈ যাবলৈ কৈছে। ডিমৰুৱা আৰু বৰডোবাৰ পৰা ৰজাসকল আহি পাইছে বোলে। আপোনাক লগত বহিবলৈ কৈছে। দেওৰাজা আন কামত থাকিব বোলে।' আন এজনী খামছামায়ে দুৱাৰমুখৰ পৰাই ক'লে।

'হ'ব। মই গৈছো।'

'আপোনালৈ দোলা সাজু কৰিবলৈ দিওঁনে? দেওৰজাই দোলাতে যাবলৈ কৈছে। বৰ ৰ'দ।'

'সাজু কৰিবলৈ দে গৈ। মই গৈ আছো।' কনচাৰীয়ে সুকোমলাক আলফুলকৈ বহুৱাই দিলে। ডাবৰ পানীৰে ভৰা বাতিটো সুকোমলাৰ হাতত দি ওচৰতে ৰৈ থকা খামছামাইজনীলৈ চালে—

'তই ৰাণীদেউৰ ওচৰতে থাকিবি। বিচি থাকিবি। জহৰ দিনকেইটা নাযায় নুপুৱায় যেন লাগিছে।'

পানীখিনি একে উশাহে খাই বাতিটো খামছামাইজনীৰ হাতত দি সুকোমলাই ক'লে—

'এই থাকিব নালাগে আবি। মই পাৰিম। অলপ সময় শুই মই বাহিৰতে বহিমগৈ।'

'হয় নেকি? হ'ব দে। লাগিলে টিলিঙা বজাই দিবি। বিছনাৰ পৰা নামোতে খৰধৰকৈ নানামিবি আকৌ।'

'হ'ব আবি।'

'তই শো তেনেহ'লে। মই যাওঁ।'

কনচাৰী আৰু খামছামাইজনী ওলাই গ'ল। অলপ সময় শুই থাকি সুকোমলা উঠিল। ধীৰ আৰু ভাগৰুৱা খোজেৰে কোঠাৰ পৰা ওলাই আহিল।

দুৱৰ পথাৰৰ পৰা আনন্দ উৎসৱৰ শব্দ ভাঁহি আহিছে। পথাৰত শাৰী শাৰী হৈ বহিছে ৰণুৱাবোৰ। বাহিৰ ওলাই সুকোমলাই ৰ' লাগি চাই থাকিল।

এই পথাৰখনত বহি থকা ৰণুৱাবোৰেই কাইলৈ নহ'লে পৰহিলৈ ডিমাবঙৰ মাটিত থিয় হৈ কিৰিলি পাৰিবগৈ। জোঙাল বলহুৱে দিয়া তৰোৱালেৰেই এই ৰণুৱাবোৰে ডিমাবঙৰ মাটি কছাৰী ৰণুৱাৰ তেজেৰে ৰাঙলী কৰি পেলাব।

তাইক মৰম কৰা জোঙালৰ হাত দুখনেই কঢ়ি আনিব দেউতাকৰ মুৰৰ

কুহুমবুলীয়া পাটৰ পাগ।

সুকোমলাক উশাহ বন্ধ কৰি অনা কষ্ট এটাই খামুচি ধৰিছেহি। ঘামন্ন কণিকাৰে ভৰি পৰিছে কপাল।

সুকোমলা উভতি আহিল।

ভিতৰ চোতালত খামছাইবোৰে ডিমাবণ্ডলৈ পঠিয়াবলগীয়া ভাৰভেটি বন্ধাত ব্যস্ত হৈ আছে।

সুকোমলা সোমাই আহি থিয় হোৱা দেখি কোনোবা এটাই দৌৰ মাৰি গৈ আসন এখন আনি দিলে। সুকোমলা বহিল। অন্যমনস্কৰ দৰে চাই থাকিল চোতালত থোৱা হোৱা, কলহ, বেতৰ পেৰাবোৰলৈ। অলপ সময় পিচত বাহিৰ পৰা কেইবাজনো মানুহে ডাঙৰ ঘট ওলোৱা বৰালী মাছ এটা বাঁহ এডালত বান্ধি দাঙি লৈ সোমাই আহিল। মুহূর্ততে ভিতৰ চোতালত উখল-মাখল লাগিল। খামছামাইবোৰ যি য'ত আছে উবুৰি খাই পৰিলহি।

চোতালৰ মাজত পেলাই থোৱা বৰালী মাছটোলৈ একেথৰে চাই থাকিল সুকোমলাই। এই বৰালী মাছটোৰেই সুকোমলাৰ পিতৃ ৰাজাক ৰক্ষা কৰিব। এই বৰালী মাছটোৰেই কোনেও নজনাকৈ চহৰিৰ ৰাজানঃৰ পৰা ডিমাবণ্ডৰ ৰাজগৃহলৈ কঢ়িয়াই লৈ যাব দেও তৰোৱাল। সেইকাৰণেই দেউতাকে ঘট ওলোৱা বৰালী মাছ এটা খাবৰ মন যোৱা বুলি কৈছিল। সেই কাৰণেই অতি কৌশলেৰে ধনেশ্বৰে বৰালী মাছৰ কথা উত্থাপন কৰিছিল।

মনৰ উত্তেজনা চেৰি ৰাখি শান্ত হৈ বহি থাকিল সুকোমলা।

খমছামাইবোৰ এটা সময়ত নিজৰ নিজৰ কামলৈ উভতি গ'ল।

চোতালত মাত্র তিনিজন খামচামায়ে কাম কৰি আছে। ৰাজানঃত আজি মানুহো বেছি নাই। আটাইবোৰ ৰণথলী, ভোজথলী আৰু ৰাজসভাৰ কামত ব্যস্ত হৈ আছে।

সুকোমলা উঠিল। ধীৰ খোজেৰে নিজৰ কোঠা থকা দিশলৈ সোমাই গ'ল।

নির্জন হৈ আছে চৌপাশ। কাৰো মাত-কথা, খোজৰ শব্দ নাই। সুকোমলা লাহে লাহে আগবাঢ়ি গ'ল। জোঙালৰ অস্ত্রাগাৰৰ দুৱাৰমুখত এখন্তেক ৰ'ল সুকোমলা। কাণ উনাই কাৰোবাৰ মাত আৰু খোজৰ শব্দ শুনে নেকি চালে তাৰ পিচত অস্ত্রাগাৰৰ দুৱাৰ খুলি সোমাই গ'ল।

বুকুখনে ধানবনাদি বানিছে।

ঘামি গৈছে সুকোমলা। উত্তেজনাত। পূর্ণগর্ভ শৰীৰৰ ক্লান্তিত।

অস্ত্রাগাৰৰ মাজত থিয় হৈ ইফালে-সিফালে চালে সুকোমলাই। চাৰিওফালে ঢাল, বৰ্শা, তৰোৱাল, দা, যাঠি, ধেনু-কাঁড় সজাই থোৱা আছে। এফালে এটা বেতৰ ডুলিত থোৱা আছে একোচা যাঠি।

সুকোমলাই ইমানলৈকে দেখিছিল। পূজাৰ ফুল-তুলসী হাতত লৈ এইখিনি ঠাইতে থিয় হৈ থকা দেখিছিল জোঙালক। বেছি সময় ৰৈ থাকিবলৈ সাহস নকৰি দুদিন ইমানখিনিলৈকে চাই উভতি গৈছিল সুকোমলা।

ডুলিটোৰ ওচৰলৈ গৈ যাঠিবোৰ হাতেৰে আঁতৰাই আঁতৰাই জুমি চালে সুকোমলাই। ডুলিৰ ভিতৰত কোনো তৰোৱাল নাই।

ক'ত থাকিব পাৰে?

ক'ত লুকুৱাই থৈছে জোঙালে দেও তৰোৱালখন?

সুকোমলা অস্থিৰ হৈ উঠিল। তাই যাঠিবোৰ আকৌ আঁতৰাই আঁতৰাই চোৱাত লাগিল। আৰু তেতিয়াই চকুত পৰিল দুৱাৰখন। যাঠিৰে আঁৰ কৰি থোৱা গোপন দুৱাৰখন।

সুকোমলাই ডুলিটো ঠেলি চালে। বৰ গধু�ৰ। বহুত জোৰ দি ঠেলিলেহে যদি আঁতৰে।

যাঠি আঁতৰাই থোৱাৰ সময় নাই। যিকোনো মুহূর্ততে কোনোবা আহি ওলাব পাৰে। ৰণুৱাসকলক জোঙালে আজি ঢাল-তৰোৱাল দিছে। ঢাল-তৰোৱাল ইয়াৰ পৰাও নিবহি পাৰে।

এক মুহূর্ত ডুলিটোত হাত থৈ ৰৈ থাকিল সুকোমলা। তাৰ পিচত গাৰ সমস্ত শক্তিৰে ডুলিটো থেলি দিলে।

ডুলিটো আঁতৰি দুৱাৰখন ওলাই পৰিল। সুকোমলা এখন্তেক ৰ'ল। এটা তীক্ষ্ণ বিষে কঁকালৰ পিচফালে খোঁচ মাৰি ধৰিছে। দাঁত কামুৰি বিষটো নামি যোৱালৈ ৰৈ থাকিল সুকোমলা, তাৰ পিচত দুৱাৰখন ঠেলি চাপৰি সোমাই গ'ল।

এটা সৰু নির্জন নিস্তব্ধ কোঠা। কোঠাটোৰ পূব কোণত এখন কাঠৰ বেদী। তাৰ ওপৰত এটা কাঠৰ দীঘলীয়া পেৰা। সম্মুখত চাকি এগছ তেতিয়াও জ্বলি আছিল। বেদীত থোৱা ফুলবোৰ তেতিয়া লেৰেলি যাব ধৰিছিল।

সুকোমলাই বেদীত সেৱা কৰিলে। পিঠিৰ ফালৰ বিষটো আকৌ উজাই আহিছে। দাঁতকামুৰি আকৌ বিষটো নামি যোৱালৈ অপেক্ষা কৰিলে সুকোমলাই। তাৰ পিচত তিৰতিৰকৈ কঁপি থকা ঘাম ঘাম হাত দুখনেৰে পেৰাটো খুলিলে। ভিতৰত থকা

তৰোৱালখনলৈ এখন্তেক অবাক হৈ চাই থাকি তৰোৱালখন উঠাই আনিলে। খাপেৰে সৈতে তৰোৱালখন কপালত লগাই সেৱা কৰি খাপৰ পৰা তৰোৱালখন উলিয়াই খাপটো যথাস্থানত থৈ আকৌ সেৱা জনাই তৰোৱালখন লৈ ওলাই আহিল সুকোমলা। দুৱাৰখন জপাই, তৰোৱালপাট একাষে নমাই থৈ আকৌ সমস্ত শক্তিৰে ডুলিটো ঠেলি দিলে সুকোমলাই। মুহূর্ততে প্রচণ্ড বিষ এটাই বিন্ধি ধৰিলে সুকোমলাক। ডুলিটোৰ ওচৰতে আঁঠুকাঢ়ি বহি পৰিল সুকোমলা।

চকুত চকুপানী ভৰি পৰিছে। ওঁঠ কামুৰি ওলাই আহিব খোজা কেঁকনিটো সামৰি সামৰি সুকোমলা বহি থাকিল। কেইটামান মুহূর্ত পিচত কিযটো নামি যোৱাৰ লগে লগে সুকোমলা তৰোৱালপাট লৈ থিয় হ'ল।

নিজৰ কষ্টৰ কথা ভাবিলে নহ'ব। ঘট ওলোৱা পুৰঠ ৰাখৰবালী বৰ আটকীয়া বস্তু। সহজে পোৱা নাযায়। এই সুযোগ আৰু নাহিবও পাৰে।

কাপোৰৰ তলত তৰোৱালখন লুকুৱাই গাৰ বিষ আওকাণ কৰি যিমান পাৰি খৰ খোজেৰে শোৱনী কোঠালৈ গ'ল সুকোমলা। কপাহী, আঁঢ়েহতীয়া গামোচা এখনেৰে তৰোৱালখন মেৰিয়াই কটাৰী এখন তুলি লৈ ভিতৰ চোতাললৈ ওলাই আহিল।

প্রতিটো খোজ দিওঁতে কষ্ট হৈছে। প্রতিটো খোজত বিষ এটাই উশাহ বন্ধ কৰি পেলাব খুজিছে।

শৰীৰৰ কষ্টক আওকাণ কৰি ধীৰ আৰু সহজ খোজেৰে চোতাললৈ আহি আগৰ আসনখনতে বহিল সুকোমলা। তিনিওজন খামছামায়ে তেতিয়া ৰৱালী মাছটো কলপাতেৰে মেৰিয়াই আছিল।

খামছামাইকেইটালৈ চাই সুকোমলাই ক'লে—

'আৰিক মাতি আনগৈ। মোৰ গাটো বেছি বেয়া লাগিছে বুলি ক'গৈ। তই মোলৈ এৰাতি পানী আন। খামছামাই দুজন দৌৰি গুচি গ'ল। অবাক হৈ চাই থকা তৃতীয় খামছামাইটোক সুকোমলাই ক'লে—

'বিছনী এখন আনি দিবি? বৰ বেয়া লাগিছে।'

খামছামাইটো দৌৰি গুচি গ'ল।

ক্ষিপ্র হাতেৰে মাছটোৰ মুখেৰে কটাৰীখন ঠেলি সুমুৰাই বেঁকাকৈ ধৰিলে সুকোমলাই। মাছটোৰ যোৰ লাগি থকা তীক্ষ্ণ ভিতৰমুখীয়া দাঁত দুপাৰি খোল খাই গ'ল। তৰোৱালপাট ভিতৰলৈ সুমুৰাই ওচৰতে পৰি থকা দা এখন আনি নালটোৰে মৰিয়াই মৰিয়াই তৰোৱালৰ মুঠিটো সুমুৰাই দিলে। তাৰ পিচত কটাৰীখন টানি উলিয়াই

আগৰ আসনত আকৌ বহি পৰিল সুকোমলা। ৰৰালীটোৰ মুখখনৰ তলতে থকা ঘটটোত তৰোৱালৰ মুঠিটো খাপ খাই গৈছে। দেখি একো বুজা নাযায়।

খামছামাই দুটাই পানী আৰু বিছনী আনে মানে সুকোমলাই কেঁকাবলৈ আৰম্ভ কৰিছিল।

খামছামাই দুটাই বিমোৰ হৈ সুকোমলাৰ ঘামি থকা মুখখনলৈ চাই থাকিল। তাৰ পিচত এটাই সোণজিৰাক খবৰ দিবলৈ দৌৰি গুচি গ'ল।

প্ৰথমে সোণজিৰা আহিল।

তাৰ পিচত আহিল আবি কনচাৰী। সুকোমলাই তেতিয়া সোণজিৰাক ধৰি ধৰি শোৱনি কোঠালৈ গৈ শুই পৰিছিল। সোণজিৰাই তাইৰ কাপোৰৰ বান্ধবোৰ টিলাই দি আছিল।

কনচাৰীয়ে তাইৰ কি হৈছে জানি ল'লে, তাৰ পিচত চিন্তিতভাৱে সুধিলে—

'কিবা গধুৰ বস্তু দাঙিছিলি নেকি? নে ক'ৰবাত পিচল খালি?'

'অলপমান পিচল খোৱা যেন হৈছিল আবি।' সুকোমলাই ক'লে।

কনচাৰীয়ে সুকোমলাক পৰীক্ষা কৰিলে, তাৰ পিচত ধীৰ মাতেৰে ক'লে—

'ভয় নাখাবি। আই কালিখাই ৰক্ষা কৰিব। মন মুকলি কৰি শুই থাক। মই আছো। নানাঃও তই যা-যোগাৰ কৰ। কপাহী পাইক খবৰ পঠিয়া।'

'জকাংকক মাতি আনো নেকি?'

'নালাগে। সিনো কি আওভাও পাব? ডাঙৰ কামত লাগি আছে। মন বহুৱাব নোৱাৰিব।'

'হ'ব পাই। মই যাওঁ— তই পানী অকণ খাবি নেকি পহাৰী?'

'নাখাওঁ।' সুকোমলাই দুৰ্বল মাতেৰে ক'লে।

সোণজিৰা গ'লগৈ।

কাপোৰ এখন তিয়াই সুকোমলাৰ মুখখন মচি দি কনচাৰীয়ে ক'লে—

'মোক আইৰ দৰে ভাবিবি। লাজ নকৰিবি। এনে সময়ত এজনী মানুহে আই কালিখাৰ শকতি পায় বুজিছ। ঈশ্বৰে মানুহক সৃজন কৰিছে। আকৌ সেই মানুহৰে তিৰোতাবোৰক মানুহ সৃজন কৰিবলৈ দিছে। বৰ ডাঙৰ দায়িত্ব। বৰ ডাঙৰ কাম। ডাঙৰ কাম দিছে কাৰণে ডাঙৰ সাহো দিছে। শকতিও দিছে। আই বসুমতীৰ দৰে আমাৰ বুকুত আহাৰো দিছে। আমি দ'কৈ নাভাবো কাৰণেহে। ভাবিলে বুজি পায়— তিৰোতাৰ কিমান শক্তি। মনত বল বান্ধ আই। অলপ কষ্ট হ'ব। কিন্তু কেঁচুৰা কোলালৈ আহিলেই

সকলো কষ্ট পাহৰি পেলাবি। ঈশ্বৰৰ নিয়ম। ঈশ্বৰেই ৰাখোতা মাৰোতা।' কনচাৰীৰ ভৰসাৰে ভৰা আয়ত চকুযোৰলৈ চাই আছে সুকোমলাই। বৈ বৈ অহা বিষবোৰ লাহে লাহে ঘন হৈ আহিছে। কিন্তু শান্ত হৈ পৰিছে মনটো।

এনে এজনী আৰি যাৰ থাকে— তাৰ দুখ কি? ভয় কি?

সকলো কাম শেষ কৰি জোঙাল যেতিয়া ঘৰলৈ উভতি আহিছে, তাৰ এক প্ৰহৰ পিচত সুকোমলা মাক হ'ল। জোঙাল দেউতাক হ'ল। ঘট ওলোৱা ৰৰালীটো তেতিয়া হাতীৰ পিঠিত গৈ আছিল ডিমাৰঙলৈ।

৪৫

বৰালী মাছৰ লগতে নানা আহার্য বস্তু লৈ খলাচহৰিৰ ৰাজগৃহৰ পৰা অহা মানুহ দুজন যেতিয়া হাতীৰ পিঠিৰ পৰা নামি ডিমাবঙৰ ৰাজগৃহৰ দুৱাৰমুখত থিয় হৈছিল তেতিয়া জিপজিপাই বৰষুণ পৰি আছিল।

ৰাতিপুৱাৰ জলপান খাই ফা বডচা তেতিয়া ৰাজসভালৈ যাবলৈ সাজু হৈছিল।

চহৰিৰ পৰা মানুহ অহা বুলি কোৱাৰ লগে লগে হাউলীত উথপথপ লাগিল। মানুহ দুজনৰ আল-পৈচান ধৰাত লাগি গ'ল দাসসকল। চহৰিৰ আলহীৰ ৰজাৰ ঘৰত গুৰুত্ব কিমান সকলোৱে জানে।

ঘৰৰ ভিতৰৰ পিৰালিলৈ সকলোৱে ধৰাধৰি কৰি বস্তুবোৰ কঢ়িয়াই আনি থ'লেহি। শেষত আহিল মাছটো।

মাছটো দেখাৰ লগে লগে দাসীবোৰে হৈ-চৈ কৰি উঠিল। কছাৰীৰাণী বাহিৰলৈ ওলাই আহিল। মানুহ দুজনে ৰাণীক সেৱা জনালেহি।

'কি বাতৰি আনিছা? মোৰ জী, তোমালোকৰ ৰাণীদেউ ভালে আছেনে? ঘৰৰ আটাইবে কুশলনে?'

'সকলোৱে ভাল ৰাণীদেউ। আমাৰ দেও ৰজাই ফা বডচালৈ ঘট ওলোৱা বৰালি এটা দি পঠাইছে। কাজলীমুখত ভেটা দি ধৰিলে।'

'হয় নেকি? চাও মাছটো।'

কেইবাজনেও ধৰা-মেলা কৰি মাছটো ৰাণীৰ ওচৰলৈ দাঙি আনিলে। মাছটো দেখি অবাক হৈ গ'ল ৰাণী।

'ইমান ডাঙৰ মাছ।'

কোনোবাই কিবা কোৱাৰ আগতে হুৰমুৰাই সোমাই আহিল ধনেশ্বৰ। পিৰালিত থোৱা হোৱা, পেৰাবোৰলৈ এখন্তেক অবাক হৈ চাই থাকি ৰাণীৰ ওচৰলৈ আহি সেৱা জনালেহি।

'ৰজাদেৱতাক এবাৰ দেখা কৰিব লাগিছিল ৰাণী আইদেউ। বৰ গুৰুতৰ কথা এটা আছিল।'

'তেওঁ ৰাজসভালৈ যাবলৈ ওলাইছে। আলহী কোঠাতে বহক আলহীদেউ। মই খবৰ দিওগৈ। চাওঁকচোন আমাৰ জোঁৱাই ৰজাই কিমান ডাঙৰ ৰৱালি এটা দিছে।'

ৰৱালি মাছটো দেখি চকু কপালত উঠিল ধনেশ্বৰৰ। দাস্ ব্ৰজনে তেতিয়া বান্ধ খুলি কলপাতবোৰ এৰুৱাব ধৰিছিল। ধনেশ্বৰে অস্থিৰ হৈ কৈ উঠিল—

'ৰ— ৰ'— পাতবোৰ নুগুচাবি। ৰজাদেৱতা আহক।'

'পাতবোৰ গুচালেহে চাবলৈ ভাল হ'ব।' ৰাণীয়ে বিৰক্তিৰে ক'লে।

'হয়। ভাল হ'ব। কিন্তু ৰজা দেৱতাই আহি নিজে আগত থাকি খোলালে ভাল হয় ৰাণী আইদেউ। এনে ডাঙৰ ৰৱালি জীৱনত দেখা নাছিলো। ঢাকোন খোলা চোৱাটোও এটা আনন্দৰ কথা। ৰ'— ৰ'— নুখুলিবি। ৰাণী আইদেউ— ৰজাদেৱক—

'ৰ'ব— মাতিছো। আপুনি বহকগৈ আলহীদেউ।'

'নালাগে ৰাণী আইদেউ, ৰৱালিটো ভালদৰে চাই লওঁ। আকৌ বা কেতিয়া দেখিবলৈ পাম— নাৰ মাছ, শিলঘৰীয়া মাছতো নহয়।'

ৰাণী বিৰক্তিৰে ভিতৰলৈ সোমাই গ'ল।

'কিহৰ ইমান স্থলস্থূল?' ৰজাই সুধিলে।

'চহৰিৰ আলহী আহিছে। আলহী দেউও আহিছে। গুৰুতৰ কথা আছে বোলে। জোৱায়ে বৰ ডাঙৰ ৰৱালি এটা দি পঠিয়াইছে। ডাঙৰ গাহৰি এটাতকৈও ডাঙৰ।'

কছাৰী ৰজা চমকি উঠিল।

'মাছ দিছে? ৰৱালি মাছ? ক'ত আছে? ইয়ালৈ আনিবলৈ দিয়া।'

'কিনো কয়। মাছটো আকৌ ইয়ালৈ কিয় আনিব?' ৰাণীয়ে অবাক হৈ ক'লে।

'কথা আছে। নহয়— মই নিজেই যাওঁ।' উধাতু খাই ওলাই আহিব খুজিও ৰজা থমক খাই ৰ'ল, তাৰ পিচত গম্ভীৰ খোজেৰে বাহিৰলৈ ওলাই আহিল।

মানুহ দুজনে ৰজাক সেৱা জনালেহি। অন্যমনষ্কভাৱে প্ৰতি সম্ভাষণ জনাই দুই-এটা কুশল প্ৰশ্ন সুধি ৰজাই মাছটোলৈ চালে। ঘৰৰ ভিতৰৰ এনি তেনি বন কৰা মানুহোৰ থিয় হৈ আছে। পৰম আগ্ৰহেৰে মাছটো খোলা চাবলৈ ৰৈ আছে।

'সঁচাকৈ বৰ ডাঙৰ মাছ। বহুদিনৰ পৰা খোৱাৰ মন আছিল। জোঁৱাই ৰজাই যে মনত ৰাখিছে বৰ ভাল পাইছো।' ৰজাই ক'লে।

'আমাৰ নতুন ৰণুৱাবোৰৰ কাৰণে ভোজ পাতিছিল। ৰজাসকলৰ সভাও বহিছিল। তাৰ কাৰণেই কাজলীমুখত ভেটা দি ধৰোতেই ৰৱালিটো পালে।' পৰম উৎসাহেৰে চহৰিৰ পৰা অহা লোক এজনে ক'লে।

'হয় নেকি? আমাৰেই ভাগ্য ভাল বুলিব লাগিব। আপোনালোক জিৰণি লওক। খোৱা-বোৱা কৰক। পিচত কথা পাতিম।' ৰজাই ক'লে।

'আমি পিচে আজি নাথাকো ৰজাদেউ। উভতি যামগৈ।

'উভতি যাব নালাগে। ভাগৰি জুগৰি আহিছে। তাতে ইমান বৰষুণ। বৰষুণ এৰক। আমাৰ ৰাজ্যৰ আলহী এনেকৈ আহিয়েই উভতি গ'লে কেনেকৈ হ'ব?

ৰাজগৃহৰ চোৱাচিতা কৰা বিষয়াজনক মাতি মানুহ দুজনক বাহিৰৰ আলহী ঘৰলৈ পঠিয়াই দি ৰজাই প্ৰধান ৰান্ধনীক মাতিলে—

'মাছটো ভিতৰলৈ লৈ যা। পাতবোৰ নুখুলিবি। পিচত চাম। ধনেশ্বৰৰ লগত কথা পাতি লওঁ। আহা ধনেশ্বৰ। ভিতৰলৈকে আহা।'

এই প্ৰথম মূলঘৰৰ ভিতৰলৈ ধনেশ্বৰক মাতিলে ৰজাই। অবাক হৈ ৰাণীও পিচে পিচে সোমাই গ'ল।

মাছ চাবলৈ ৰৈ থকা বন কৰা মানুহবোৰ হতাশ হৈ আনবোৰ বস্তু সামৰি থোৱাত লাগিল।

দুজনমানে মাছটো ভিতৰৰ কোঠালৈ লৈ গ'ল।

'জীয়েৰে কি বস্তু দি পঠিয়াইছে নোচোৱা নেকি?' মাছ থোৱা কোঠাটোত ধনেশ্বৰৰ ৰগত বহি ৰজাই ক'লে।

'চাম ৰ'ব। আলহীদেউৰে কি বাতৰি আনিছে শুনি যাওঁ।'

'ৰাণীদেৰে ঠিকেই কৈছে ৰজাদেৱতা। ৰাণী আইদেউ থাকিলেহে কথাটো ক'বলৈ ভাল হ'ব।

'কিনো এনে বাতৰি আনিছে আলহীদেউ?' ৰাণীয়ে সুধিলে।

'নতুন বাতৰি নহয় ৰাণীদেউ অধিকখিনি ৰজাদেৱতাই জানেই। আপুনিহে নাজানে। আমাৰ ৰাজ্যৰ বৰ বিপদ ৰাণী আইদেউ।' ধনেশ্বৰে ক'লে।

'কিনো বিপদ হ'ল?' ৰাণীয়ে অবাক হৈ ক'লে।

ৰজাই ধনেশ্বৰলৈ চালে। ইমানদিনে গোপনে ৰখা কথা এটা ৰাণীৰ আগত ক'ব খোজা দেখি আচৰিত হৈ ক'লে—

'এইবোৰ কথা তেওঁক নোকোৱাই ভাল ধনেশ্বৰ।'

'নহয় ৰজাদেৱতা, এতিয়া যি ঘটিবলৈ ওলাইছে ৰাণী আইদেউক নজনালেহে দোষে চুব। মই অলপ আগতে বাতৰি পাইছো জোঙাল বলহু ৰজাদেৰে যুঁজৰ আখৰা শেষ কৰি ভোজভাত খাইছে আৰু ওচৰ-পাঁজৰৰ সকলো ৰজাক মাতি আনি সভা পাতিছে।'

'কিনো হ'ল তাতে? ৰাণীয়ে বিৰক্তিৰে ক'লে।

'ৰৰ ডাঙৰ কথাই হ'ল ৰাণী আইদেউ। সভাত সকলোৱে মিলি ডিমাৰঙ আক্রমণ কৰি তলতীয়া কৰাৰ সিদ্ধান্ত লৈছে।'

ৰাণীয়ে ধনেশ্বৰৰ চকুলৈ এখন্তেক চাই থাকিল। তাৰ পিচত গম্ভীৰভাৱে ক'লে—

'আলহীদেউ— চহৰিত কি হৈ আছে তাৰ ভু লোৱাৰ অধিকাৰ আপোনাক কোনে দিলে?'

'মই দিলো।' ৰজাই খঙেৰে ক'লে।

'কিয়? আমাৰ ৰাজ্যত নিজৰ মানুহ নাই নেকি?'

'কি কথা কৈছা? ধনেশ্বৰ আমাৰ নিজৰ মানুহ নহয় নেকি? আমাৰ ছোৱালী বিয়া কৰাই ইয়াতে নিগাজী হৈছে। আমাক কিমান ধৰণেৰে সহায় কৰিছে।' ৰজাই বিৰক্ত হৈ ক'লে।

'নহয়— ৰজাদেৱতা— ৰাণীদেৱে ভুল কোৱা নাই। হেজাৰ হওঁক মই কছাৰী নহয়। আপুনি মোক আপোন বুলি ভাবিছে, সি আপোনাৰ মহৎ গুণৰ বাবে হৈছে। কিন্তু মইতো আলহীহে। যা বুলি ক'লেই ল'ৰা-তিৰোতা লৈ গুচি যাব লাগিব। তিৰোতা কছাৰী হ'ল কি হ'ল, বান্দীৰ জাতহে। ৰাণী আইদেউৰ গাত দোষ নাই ৰজাদেৱতা। মইনো ক'ত'কি কৰিছো ৰাণী আইদেৱে জানো জানে? জানিলেহে বুজিব।' ধনেশ্বৰৰ মাত থোকাথুকি হৈ গ'ল।

'ঠিকেই। জানিলেহে বুজিব। আগতে তেওঁকেই বুজাই লওঁ। কিন্তু তাৰ আগতে আই হেৰেমডীৰ শপত খাই কাকো একো নকওঁ বুলিব লাগিব।'

ৰজা ৰাণীৰ ফালে ঘুৰি বহিল। ৰাণীক শপত খুৱাই এফালৰ পৰা এটা এটাকৈ কথাবোৰ কৈ গ'ল। অবাক হৈ শুনি থাকিল ৰাণীয়ে।

ধনেশ্বৰৰ শুন নুশুন উচুপনিৰ শব্দই পৰিবেশ গধুৰ কৰি তুলিছে। বিৰক্তিৰে ভৰি পৰিছে ৰাণীৰ মন।

সকলোখিনি কোৱা হোৱাৰ পিচত ৰজাই ক'লে—

'এতিয়া কোৱা— আমি কি কৰিব লাগে।'

'কি কৰিব লাগে মইনো কেনেকৈ জানিম। কিন্তু মোৰ আপুনি কোৱা কথাবোৰ সঁচা যেন লগা নাই। চহৰিলৈ মই গৈ আহিছো। তেওঁলোকৰ কথা-বতৰাত, আচাৰ-আচৰণত মই বেয়া একো দেখা নাই।'

'ৰাণীদেৱে ঠিকেই কৈছে ৰজা দেৱতা। মই নিজেও তেওঁলোকৰ ব্যৱহাৰত পমি যাব খোজো। কিন্তু ব্যৱহাৰেই জানো শেষ কথা ৰাণীদেউ? ভাবি চাওক, জোঙাল

বলহু ৰজাদেৰে ৰাজ্য জয় কৰিবলৈ নিজৰ আফাক আৰিমত্ত ৰজাক মাৰিছিল। আৰিমত্ত ৰজায়ো তেওঁৰ আফাকক মাৰিছিল।'

'মই জানো। তেওঁলোকে জানি-শুনি মৰা নাছিল।' ৰাণীয়ে গম্ভীৰ হৈ ক'লে।

'জানি-শুনি মৰা নাছিল। কিন্তু যেনেকৈ নহওঁক মাৰিছিলতো। তাৰ পিচত জানো জোঙাল বলহু ৰজাদেৰৰ ব্যৱহাৰত দুখৰ কিবা চিন দেখা পাইছে? আৰিমত্ত ৰজাদেৰে ৰাজ্য ত্যাগ কৰি টৌমৰা পাহাৰত ঈশ্বৰৰ নামলৈ দিন নিয়াইছিল। জোঙাল বলহু ৰজাদেৰে কিন্তু ৰাজ্য চলাই আছে। খুব ভালকৈ চলাই আছে। ৰাজ্য আৰু ৰাজ ক্ষমতাৰ লোভ নাথাকিলে কোনোবাই জানো এনেকৈ ৰাজ্য ৰাজ্য কৰি বলিয়া হ'ব পাৰে? আমাৰ ৰজাদেৱতাও ৰজা। কিন্তু তেওঁক জানো আনৰ মাটিলৈ লোভ কৰা দেখিছে? জোঙাল বলহু ৰজাদেৰ যদি ইমান ভাল আমাৰ পৰা কাঢ়ি লোৱা সৰু ৰাজ্যকেইখন এৰিনো নিদিয়ে কিয়? কন্দলীনো এৰি নিদিয়ে কিয়?'

'নিদিব বুলিনো কোনে ক'লে? মিতিৰ হৈছেহে।' ৰাণীয়ে অত্যন্ত বিৰক্ত হৈ ক'লে।

'দিম বুলি ভৰা হ'লে আমি জানো তাৰ উমান নাপালোহেঁতেন? আমি অৱশ্যে নাপাবও পাৰো। কিন্তু ৰাজকুঁৱৰী আইদেৰেতো গম পালেহেঁতেন। তেওঁ জানো কেতিয়াবা জনাইছে? মই বাৰু আপোন নহয়, কিন্তু কুঁৱৰী আইদেউতকৈ আপোননো কোন আছে? তেওঁতো জোঙাল বলহু ৰজাদেৰৰ ল'ৰাৰো মাক হ'বলৈ ওলাইছে। তথাপিও তেওঁ আমাক সকলো বাতৰি দি আছে। সঁচা কথাবোৰ ওচৰৰ পৰা দেখি আছে কাৰণেহে।'

'ঠিকেই ধনেশ্বৰ। এই তিৰোতাবোৰে একো নুবুজে। কিমান ডাঙৰ ৰাজ্য আছিল আমাৰ। এতিয়া পুৰণা ঝুমৰ হৰিণতকৈও দুৰ্বল হৈ গ'লো। ভাল হওঁক বুলি মিতিৰ পাতিলো। তথাপিও আমাৰ মাটিৰ ওপৰত চকু। ধনেশ্বৰ— তুমি চহৰিৰ আলহীক ভালদৰে সোধা-পোছা কৰি আজিয়েই পঠিয়াই দিয়াৰ ব্যৱস্থা কৰা। মই ৰাজসভালৈ যাওঁ। 'গিছিয়া'ক মাতিব লাগিব। আই গামাতীৰ পূজা কৰিবলৈ। ৰ'বা তাৰ আগতে বৰালিটো চাওঁ।'

ৰজা উঠি আহিল। ধনেশ্বৰো। বৰালিৰ মুখ ফালি ৰজাই তৰোৱালখন উলিয়াই আনিলে।

'দিছে। মোৰ মৰমৰ জীয়ৰীয়ে কথা ৰাখিছে।' ৰজাই উলাহেৰে ক'লে।

'কি? এইখন কি?' ৰাণীয়ে ক'লে।

'তৰোৱাল। দেওতৰোৱাল। এইখনৰ জহতেহে জোঙালৰ ইমান দপদপনি। এতিয়া চাওঁ— সি কেনেকৈ ডিমাবঙৰ মাটি চোৱে। তাৰ আগতে ময়েই তাক চলতীয়া কৰিম।'

'কি কৈছে আপুনি? জোঁৱাই ৰজাৰ ৰাজ্য আক্রমণ কৰিব? তাত আমাৰ জীয়ৰী আছে। আজি বাদে কাইলৈ তাই মাক হ'ব। তথাপিও তাইক অন্যায় কৰিব আপুনি?' আচৰিত হৈ ৰাণীয়ে ক'লে।

'অন্যায় কিয় কৰিম? তাক কিবা মাৰি-কাটি পেলামনে? সি জোঁৱাই হ'ল কি হ'ল— আমাৰ বৈৰী। আমাক তলতীয়া কৰিবলৈ সি ৰণুৱা গোটাইছে। ৰজা গোটাইছে।'

'আপুনি জোঁৱাইৰজাৰ লগত মুখামুখিকৈ কথা পাতক।' সম্ভাব্য যুদ্ধৰ আশংকাত অস্থিৰ হৈ উঠিল ৰাণী।

'কি পাতিবলগীয়া আছে? কোনে জানে সি আজিয়েই আহি আক্রমণ কৰিব পাৰে। যাৰ ইমান মাটিৰ লোভ তাৰ লগত কথা পাতি লাভ কি? ইমানদিন ভয় কৰি চলিলো। আৰু নচলো। দেও তৰোৱাল আমাৰ হাতত আছে। আৰু ভয় নাই।'

'কিন্তু—'

ৰাণীয়ে কিবা কোৱাৰ আগতেই বাহিৰৰ পৰা বান্দী এজনীয়ে ক'লে—

'চহৰিৰ পৰা আৰু মানুহ আহিছে।'

'আকৌ কোন আহিল চোৱা। মাছটোও লৈ যাবলৈ কোৱা।'

তৰোৱাল লুকুৱাই থ'বলৈ ৰজা ভিতৰলৈ উঠি গ'ল।

ৰাণী বাহিৰলৈ ওলাই আহিল। অভিবাদন জনাই নাৰিকলৰ লাৰু, নানাবিধ পিঠা আৰু মৌ একলহ ৰাণীৰ হাতত তুলি দিলে মানুহজনে।

'বৰ ভাল বাতৰি এটা লৈ আহিছো ৰাণীদেউ। আমাৰ ৰাণীদেউৰ ল'ৰা এটি হৈছে।'

পিঠা-পনাৰ টোপোলা হাতত লৈ নিৰ্বাক হৈ চাই থাকিল ৰাণীয়ে। চকুৰ পানীয়ে আঁৰ কৰি পেলালে সম্মুখৰ সমস্ত দৃশ্য।

চোতালখন তেতিয়াও কলহৰ কাণেঢলা ৰৰবুণে ধুৰাই আছিল।

"থু দেই নানা থু দেই
তুয়াখা থি খাতে মচৰং ওৱাইজ উনাং।
থুয়াডে থুয়াডে ভাউদিছা মাই জিনানাং
থুদেই, থুদেই।"

মাকে পঠিয়াই দিয়া খিতাপছা এখনেৰে মেৰিয়াই অকমানি গুলপীয়া কেঁচুৱাটো কোলাত লৈ সুকোমলাই কোমল মাতেৰে নিচুকণি গীত গাইছে।

ওচৰতে বহি আছে কনচাৰী আৰু সোণজিৰা।

'তোৰ মাতটো বৰ শুৱলা অ' পহাৰী।' সোণজিৰাই ক'লে। 'গা চোন গা— আৰু এটা গা।'

'সি শুলে আছি।' লাজ পাই সুকোমলাই ক'লে।

'শুৱক দে— আমিতো শুৱা নাই। জু খাই খাই শুনো। আগেয়ে নুশুনা কীত।' সোণজিৰাই হাঁহি উঠিল।

'গা অ' আই— শুনিবলৈ সঁচাই ভাল লাগিছে।' কনচাৰীয়ে ক'লে।

কেঁচুৱাটো শুৱাই থৈ সুকোমলাই কোমলকৈ আকৌ গাঁবলৈ আৰম্ভ কৰিলে—

"মইনাব মইনাছে থিজাওবা
মইনাব কুগেবেং শুৱাৰছ
বাটোৰ বাটোছে থিজাওবা
বাটোব বুকু দগই সে।
নানাঃ লাই দেৰে নুং মাজাংনাং—

'আৰু নাজানো।' সুকোমলাই হাঁহি পেলালে।

'শুনি বৰ ভাল লাগিছিল অ'। কেঁচুৱাকণক কি নাম থ'বি অ'?' সোণজিৰাই ক'লে।

'জা-নো। নাম আপোনালোকেহে থ'ব। মই দুটা নাম ভাবি থৈছো। ঘৰত মাতিবলৈ।

বাৰাগুসু আৰু বুবাউ।'

'তাৰ মানেনো কি?' সোণজিৰাই সুধিলে।

'বাৰাগুসু মানে প্ৰথম ফুল আৰু বুবাউ মানে ফুলকলি।'

'বৰ ধুনীয়া নাম। বুবাউটো বেছি ভাল লাগিছে।' কনচাৰীয়ে ক'লে।

'মোৰো। ভাবিলে দুখেই লাগে পাই— বুবাউটোক ডাঙৰ হোৱা দেখিবলৈ নাপাম।'

'তেনেকৈ কিয় কয় আছি?' সুকোমলাই দুখেৰে ক'লে।

'এনেই কৈছে। জু খাই মতলীয়া হ'লে কয়েই।' কনচাৰীয়ে হাঁহিলে। তাৰ পিচত ক'লে—

'যা আই, খাই-বৈ আহগৈ। মই চাম তাক। এইখিনি সময়ত ভোক বেছি হয়। কেঁচুৰাই গাখীৰ খায় নহয়। তথাপিও এবাৰতে বেছিকৈ নাখাবি। কম কমকৈ, ঘন ঘনকৈ খাবি। নহ'লে গালৈ বেয়া।'

'আছিয়ে দেখোন দিয়েই থাকে।' সুকোমলাই হাঁহিলে।

'যিবোৰ দিয়ে সেইবোৰ খাবি। সোণজিৰাই কি দিব লাগে জানে। যা।'

সুকোমলা আৰু সোণজিৰা ওলাই গ'ল। বিছনাত বহি, শুই থকা কেঁচুৰাটোলৈ চাই থাকিল কনচাৰীয়ে।

নাতিৰ ঘৰৰ পুতি।

বংশৰ বাহক।

বৰ মৰমৰ। বৰ হেঁপাহৰ।

ৰজা প্ৰতাপসিংহও এই অকণমানি মুখখনত সনাসনি হৈ আছে। সনাসনি হৈ আছে আৰিমত্ত আৰু জকাংকও।

যেতিয়াই কেঁচুৰাটোলৈ চায় কনচাৰীয়ে এইমুখবোৰ যেন চমকি চমকি উঠা দেখে। চকু দুটা আয়ত কিন্তু নাকটো অলপ বহল। গাৰ ৰং সোণপোৱালৰ দৰে। হাত-ভৰি লোহোৰা লোহোৰ।

আৰ্য আৰু অনাৰ্য আহি এক হৈ পৰিছে এই শিশুটিৰ দেহত।

ৰজা প্ৰতাপচন্দ্ৰ আৰু চন্দ্ৰপ্ৰভাৰ গাত প্ৰবাহিত হৈছিল আৰ্য শোণিত। আৰিমত্তই সেই শোণিতক প্ৰতিনিধিত্ব কৰিছিল। ৰত্নসিংহয়ো বহন কৰিছে আৰ্যৰক্ত। কিন্তু জকাংকই বহন কৰিছে দুটা পৃথক শোণিতধাৰা— অনাৰ্য-টিৰাশা আৰু আৰ্য ক্ষত্ৰিয়ৰ। এই শিশুৰে টানি আনিছে কছাৰী শোণিতৰ আন এক অনাৰ্য পৰম্পৰা।

এই শিশু এই মাটিৰ দৰে। এই দেশৰ দৰে।

অনেক সুঁতিৰ মিশ্রণেৰে সমৃদ্ধ।

এয়াই বিচাৰিছিল কনচাৰীয়ে।

নির্বাসিত ৰাণী চন্দ্রপ্রভা হৈ যেতিয়া এই দেশত ভৰি থৈছিল— যেতিয়া এই দেশৰ মানুহে দুহাত মেলি চন্দ্রপ্রভাক আঁৱেৰালি লৈছিল, তেতিয়া চন্দ্রপ্রভাই প্রথমবাৰলৈ এখন নতুন সমাজ দেখিছিল— য'ত ৰজাতকৈও সমাজ ডাঙৰ। ৰজাতকৈও মানুহ ডাঙৰ। দেখিছিল কেনেকৈ সৰু সৰু ৰাজ্যবোৰে শান্তিপূর্ণ সহাৱস্থানৰ নীতি মানি সুখে-শান্তিৰে বাস কৰিছে। লালি হিলালী গীতে চন্দ্রপ্রভাক দেখুৱাইছিল কেনেকৈ ভিন ভিন সমাজক এক কৰি জীয়াই থাকিবলৈ শিকিব পাৰি। প্রতাপপুৰত, নিজৰ পিতৃগৃহত চন্দ্রপ্রভাই মাত্র বিজয়তৃষ্ণা দেখিছিল। দেখিছিল মাটিৰ লোভ। দেখিছিল সমাজতকৈ ওপৰত থকা ৰজাৰ বিজয়তৃষ্ণা, আর্য গর্ব, আনক পদানত কৰি পোৱা আসুৰিক তৃপ্তিৰ খণ্ডচিত্র। এই দুই দেশৰ তুলনা কৰি চন্দ্রপ্রভাই গোভাক নির্বাচন কৰিছিল। চন্দ্রপ্রভা নামটো মচি কনচাৰীলৈ ৰূপান্তৰিত হৈছিল। মিলি যাব খুজিছিল এই সমাজৰ লগত। এতিয়াও এই মাটিতে মৰিব খোজে কনচাৰী। মৰি মিলি যাব খোজে এই মাটিৰ লগত।

চন্দ্রপ্রভাৰ পৰা কনচাৰী হ'বলৈ যাওঁতে কনচাৰীয়ে অনেক বিষাদৰ নৈ পাৰ হ'বলগা হৈছে। প্রতাপচন্দ্র আৰু পুত্র আৰিমত্তৰ মনোকষ্ট চাবলগা হৈছে। গংগাৱতীকো দিবলগা হৈছে জীৱনযোৰা যন্ত্রণা। জকাংকয়ো জানো যন্ত্রণা পোৱা নাই কনচাৰীৰ কাৰণে?

কনচাৰীয়ে সমাজক আগমাত বুলি নধৰা হ'লে গংগাৱতী আৰু আৰিমত্তই বৈদ্যগড়ত সংসাৰ পাতিব পাৰিলেহেঁতেন! আৰিমত্ত আৰু জকাংকই পিতৃহত্যাৰ দৰে গভীৰ সন্তাপ নাপালেহেঁতেন। নঘটিলহেঁতেন অঘটনবোৰ।

এই সকলোবোৰ কনচাৰীৰ কাৰণেই হৈছে। চন্দ্রপ্রভাৰ পৰা কনচাৰীলৈ ৰূপান্তৰিত হ'ব খোজা কাৰণেই হৈছে।

আৰু সাধুকুমাৰ?

সাধুকুমাৰৰ জীৱনটো ব্যর্থ কৰি নেপেলালেনে কনচাৰীয়ে? কনচাৰীয়ে এই সমাজৰ কাৰণে যিখিনি কৰিছে সেইখিনিয়ে পূৰাব পাৰেনে এটা ব্যর্থ হৈ যোৱা জীৱনৰ শূন্যতাখিনি?

নোৱাৰে। কনচাৰীয়ে জানে। তথাপিও ভাব হয়— একো ভুল হোৱা নাই। এই সমাজক আগমাত বুলি লৈ একো ভুল কৰা নাই কনচাৰীয়ে।

অনেক দুখৰ সূর্যহীন দিন পাৰ হৈ অৱশেষত যেন ৰ'দ ঘাই চোতালত ভৰি থৈছে কনচাৰীয়ে।

সকলোফালেই এতিয়া ভাল।

পিতৃ হত্যাৰ সন্তাপৰ পৰা ওলাই আহিছে জকাংক। সুকোমলাৰ লগত সুখে-শান্তিৰে সংসাৰ কৰিছে। সমাজৰ কামত মন দিছে। কছাৰী ৰজাৰ লগতো মিত্রতা হ'ল। এতিয়া বৈৰীতা বুলিবলৈ বিশেষ একো নাই।

জকাংকৰ পৰিতৃপ্ত, প্রশান্ত মুখলৈ চালে শান্তি পায় কনচাৰীয়ে। হয়তো লাহে লাহে স্তিমিত হৈ পৰিব ধর্মপালৰ বংশৰ বিজয় তৃষ্ণা। শান্তিপূর্ণ সহাৱস্থানৰ নীতি মানি সিও সাধুকুমাৰৰ দৰেই ৰাজ্য পৰিচালনা কৰিব। সকলোৱে সুখ-সমৃদ্ধিত সুখী হ'ব কনচাৰী। আৰু এদিন এই দেশৰ মাটিত চিৰকাললৈ পৰম শান্তিৰে শুই পৰিব।

কেঁচুৰাটোৰে লৰচৰ কৰি উঠাত কনচাৰী সচকিত হৈ উঠিল। কোলাত তুলি লৈ কোমল হাতেৰে চপৰিয়াই চপৰিয়াই শুৱাই থ'বৰ চেষ্টা কৰিলে। সি আকৌ শুই পৰিল। কেঁচুৰাটোৰ মুখলৈ চাই অজানিতে এটা দুমুনিয়াহ কাঢ়িলে কনচাৰীয়ে।

এই কেঁচুৰাটোৰ মাজেদিয়ে পুত্র আৰিমত্তৰ বংশধাৰা প্রৱাহিত হ'ব। ৰত্নসিংহৰ বংশধাৰা স্তব্ধ হৈ গৈছে। মাতৃ ৰত্নাৱলীৰ অবিবেচনাই নষ্ট কৰি পেলাইছে ৰত্নসিংহক।

মাতৃৰ বিশ্বাসঘাটকতাই আৰু স্খলিত ৰূপে মূললৈকে জোকাৰি পেলাইছিল ৰত্নসিংহক। কাঢ়ি লৈ গৈছিল মানুহৰ প্রতি শ্রদ্ধা। বিশ্বাস। আস্থা।

আৰিমত্তই তাক কমতাৰ ৰজা পাতি সন্ন্যাস লৈ টৌমৰা পাহাৰত বাস কৰিবলৈ গুচি আহিছিল। তাৰ কিছুদিন পিচতেই ফিংগুৱাৰ গড় আক্রমণ কৰি ফিংগুৱা কোঁৱৰক হত্যা কৰিছিল ৰত্নসিংহই। তাৰ পিচত নিজে উটি গৈছিল মধুমদৰ নদীত।

কনচাৰীয়ে দুই-এবাৰ গৈ ৰত্নসিংহৰ লগত আছিল। বিয়া কৰাই দি তাক এটা সুস্থিৰ জীৱন দিবলৈ চেষ্টা কৰিছিল। কিন্তু সি বালিৰ বান্ধ মাত্র।

ৰত্নসিংহই বিয়া নকৰাও বুলি শপত খাইছিল। নাৰীৰ প্রতি তাৰ শ্রদ্ধা নাছিল। ভালপোৱা নাছিল। মধুমদত ডুবি সি সকলো কথা পাহৰি থাকিব খুজিছিল। একেটা সময়তে বৈদ্যগড়ৰ নিঃসংগ ৰাজগৃহ প্রতি ৰাতি আলোড়িত হৈ উঠিছিল মদালসা ৰাৰাংগনাৰ ভৰিৰ কিংকিনিৰ শব্দত। নষ্ট হৈ গৈছিল ৰত্নসিংহ।

গোভাৰ পৰা গৈ ৰত্নসিংহক কনচাৰীয়ে কিমানখিনিয়েই বা সহায় কৰিব পাৰিলে। কনচাৰী তেতিয়া নিজেই যে পৰি গৈছিল যন্ত্রণাৰ দ'খাৰৈত। পুত্রৰ মৃত্যুৰ শোকে, অনেক দুর্ঘটনাৰ শোকে, জুকলা কৰি পেলাইছিল কনচাৰীক।

জকাংকৰ লগত গংগাৱতীৰ দৰে মাক আছিল। সোণজিৰা আছিল। ৰত্নসিংহৰ লগত যে কোনো নাছিল। মাজে মাজে প্ৰতাপপুৰৰ পৰা চামলে আৰু মাজে মাজে কনচাৰী গৈছিল। পিচত, সকলো কথা জনাৰ পিচত জকাংকও গৈছিল। মাজে মাজে ৰত্নসিংহও গোভা আৰু চহৰিলৈ আহিছিল। ইমানেই। বৈদ্যগড়ৰ নিঃসংগতাই আৰু দুঃসহ স্মৃতিয়ে ৰত্নসিংহক নষ্ট কৰি পেলালে। মানসিকভাৱে বিশৃংখল হৈ পৰিল ৰত্নসিংহ। অৱশেষত সি আচাৰ্য প্ৰভাকৰৰ নাতিনীয়েকৰ লগত জোৰ কৰি সংসৰ্গ কৰি প্ৰজাৰ ৰোষত পৰিল। আচাৰ্য প্ৰভাকৰ তেতিয়া জীয়াই নাছিল। প্ৰজাৰ ৰোষত পৰি, ৰজা হৈ থাকিলেও প্ৰায় নিঃসংগ আত্মবিস্মৃত জীৱন কটাইছে অবিবাহিত ৰত্নসিংহই।

স্তব্ধ হৈ যাব সেই বংশধাৰা।

কনচাৰীয়ে জানে।

সকলো খবৰ পায় কনচাৰীয়ে।

কাকো নকয়।

এই ঘৰৰ আনন্দৰ সুঁতিটোত দুখৰ চকুপানী ঢালিব নোখোজে কনচাৰীয়ে। সকলো কষ্ট নিজৰ ভিতৰতে সামৰি ৰাখি ৰাখি কিজানি শিল হৈ গৈছে কনচাৰী। অনেক অনুভূতিৰ ঊৰ্ধ্বলৈ গুচি গৈছে।

অনেক দিনৰ মূৰত এই প্ৰথম মুকলি মুকলি অনুভৱ কৰিছে কনচাৰীয়ে। অনেক অনেক বছৰৰ মূৰত কেঁচুৱা এটাৰ কোমল কোমল কপাহযেন গা চুবলৈ পাই কনচাৰীয়ে যেন সকাহ পাইছে।

'কেঁচুৱা শুৱাই শুৱাই নিজেই শুলা নেকি আবি?' জোঙালে সোমাই আহি হাঁহি হাঁহি ক'লে।

'নাই শোৱা অ' ছ্যা। খোৱা-বোৱা কৰিলি?'

'অ'। তোমাক দেখি ভাল লাগিছে আবি। টাকুৰীৰে সূতাকটা আৰু পুথি পঢ়া দেখি দেখি আমনি লাগি গৈছিল। দিয়ানা, অলপ লওঁ।'

'ল'বি জানো? তোৰ হাতোৰা দুখনেৰে ইয়াৰ অকমানি গাটো মোহাৰি নেপেলাৱতো?'

'হাতোৰা টান হ'ব পাৰে— মনটো জানো টান? সেই একা-বেঁকা জকাংক নাই দেই।' জোঙালে হাঁহিলে।

'তই সঁচাকৈ সলনি হ'লি অ' ছ্যা। সুকোমলাই তোক পোন কৰিহে এৰিলে।' কনচাৰীয়েও হাঁহিলে।

'তাই বৰ ভাল অ' আবি। তাইক বিয়া নকৰোৱা হ'লে ভুলেই হ'লহেঁতেন।' পুতেকক কোলাত লৈ জোঙালে হাঁহি হাঁহি ক'লে।

কনচাৰীয়ে কিবা কোৱাৰ আগতে খামছামাই এজনী থিয় হ'লহি।

'আবি, ডিমাবঙৰ পৰা কেঁচুৱাকণলৈ কিবাকিবি লৈ মানুহ এজন আহিছে— ৰাণীদেউক দেখা কৰিব খুজিছে।'

'যা— ৰাণীদেউক ক'গৈ। মই গৈ আছো। সোণজিৰা আছিক আহিবলৈ ক'।'

'ৰাতি নাথাকো বুলিছে। এতিয়াই উভতি যাবগৈ। কিবা পূজা আছে বোলে। নগ'লে নহয়।'

'মই যাওঁ ৰ'। তই ইয়াক চাব পাৰিবি জানো ছ্যা? অলপ সময় ৰাখ। সোণজিৰা আহিলে আজৰি হ'ব পাৰিবি।' কনচাৰী ওলাই গ'ল।

সুকোমলাই তেতিয়া বস্তু লৈ অনা মানুহজনে অনা গোপন পত্রখন লুকুৰাই লৈ কেঁচুৱাৰ কাৰণে দি পঠিওৱা বস্তুবোৰ চাই চাই ডিমাবঙৰ ৰাজগৃহ প্রধান পৰিচালকৰ লগত কথা পাতি আছিল।

কপিলিত পৰিবলৈ অহা সৰু সৰু সুতিয়েদি তেতিয়া চহৰিৰ ফালে আহি আছিল গোটা কাঠৰ আৰু ফলা কাঠৰ চৈদিয়া নাওবোৰ।

নিঃশব্দে। সংগোপনে।

৪৭

এন্ধাৰ ৰাতি।

ঘোৰ বৰ্ষাৰ কাল।

সকলো জান-জুৰি পানীৰে উপচি পৰিছে। সৰু সৰু নৈ আৰু খালেৰে চহৰিলৈ সোমাই আহিছে অগণন নাও। ভটিয়নী পানী। বঠাৰ চাব বেছিকৈ মাৰিব লগা হোৱা নাই। গুৰিবঠা ধৰি, দীঘল বাঁহৰ চৰিৰে সোঁতৰ মাজেৰে বাট উলিয়াই আহি আছে নাওবোৰ। সম্মুখৰ নাওবোৰত কছাৰী ৰণুৱাবোৰ। একেবাৰে শেষৰফালে চৈদিয়া নাওবোৰত কোমল চাউল, টোপোলা ভাত, সান্দহ, পো�ৰা আলু, শুকানকৈ পাতত দিয়া মাহ, লোণ, তেল আদি লৈ আহাৰ যোগনিয়াৰ আৰু বেজসকল। ৰণুৱা কঢ়িওৱা নাওবোৰৰ সমুখত এখন নাৱত ধনেশ্বৰ, ডিমাবণ্ডৰ বডচা আৰু প্ৰধান সেনাপতি। কলৰ ডোনাৰে ঢাকি লোৱা মাটিৰ চাকিৰ পোহৰত ভূৰ্জপত্ৰত আঁকিলোৱা সৰু সৰু মানচিত্ৰবোৰ চাই চাই ধনেশ্বৰে কোনবাটে যাব লাগিব বুজাই গৈছে।

এঠাইত গৈ নাওবোৰ ৰ'ল। সৈন্যবোৰ দুভাগ হ'ল। এভাগত প্ৰধান সেনাপতি থাকিল। আন ভাগত ৰজা আৰু ধনেশ্বৰ। ভূৰ্জপত্ৰ উলিয়াই চাকিৰ পোহৰত ধৰি ধনেশ্বৰে ক'লে—

'প্ৰধান সেনাপতিয়ে গড়ৰ ওচৰৰ কোঠটো আক্ৰমণ কৰক। কোঠৰ সৈন্যখিনিক বশ কৰিব পাৰিলে গড় অধিকাৰ কৰাত অসুবিধা নহ'ব।' ধনেশ্বৰে ক'লে।

'মাটিৰ চাকি নুমুৰাই দিয়া। জোনাকী পৰুৱা ভৰোৱা অমিতাৰ ঠাৰি লোৱা। কাপোৰেৰে মেৰিয়াই ল'বা। কাগজৰ চিন চাই আগবাঢ়িবা।' ৰজাই ক'লে।

প্ৰধান সেনাপতিৰ নেতৃত্বত ৰণুৱা এভাগ কোঠ আক্ৰমণ কৰিবলৈ গুচি গ'ল। কোৱ, চিপৰাং আৰু অস্ত্ৰ-শস্ত্ৰলৈ আনটো ভাগ ৰজা আৰু ধনেশ্বৰৰ নেতৃত্বত গড়ৰফালে পানীয়ে পানীয়ে আগবাঢ়িল।

'গড়ৰ দক্ষিণ পূবৰ অংশটোহে খান্দিব লাগিব। পশ্চিম আৰু উত্তৰ ফালৰ মাটি বালিচহীয়া। মই চাই গৈছো। খান্দিলে খহি আহিব। দক্ষিণ-পূবৰ মাটি আলতীয়া। অসুবিধা নহয়।' ধনেশ্বৰে ক'লে।

গড় খান্দিবলৈ গোপনে আৰম্ভ কৰিলেও কিছু সময় পিচতে ৰখীয়াৰ চকুত পৰিল। লগে লগে আৰম্ভ হৈ গ'ল যুঁজৰ ভয়াৱহ প্ৰহৰ।

হুলস্থুল শুনি সদাসতৰ্ক জোঙাল বলহু বিছনাত উঠি বহিলে। মুৰ শিতানত থকা দাখন হাতত লৈ ওলাই আহিল। ইতিমধ্যে ৰাজগৃহৰ প্ৰধান ৰখীয়া উখাতু খাই সোমাই আহিছিল।

'কোনোবাই আমাৰ গড় খান্দিবলৈ আৰম্ভ কৰিছে দেওৰাজা।'

'কোনে? কোনে? আহোমে? ভূঞাই? জয়ন্তীয়াই? ডিমৰুৱাই? নেলীয়ে? লুকীয়ে? ৰাণীয়ে? মিকিৰে? নে— নে কছাৰীয়ে?

'কছাৰীয়ে?' জোঙাল থমক খাই ৰ'ল।

কছাৰী ৰজাই আক্ৰমণ কৰিব পাৰেনে জোঙালৰ ৰাজ্য? সম্ভৱ নে?

কিয় অসম্ভৱ? আহোমে কছাৰী ৰাজ্য চেৰাই থলা চহৰিলে নাহে। ভূঞা নাহে, জয়ন্তীয়া নাহে, ৰাণী, লুকী, ডিমৰুৱা— এইবোৰ কেতিয়াও নাহে।

কছাৰী। কছাৰীয়েই হ'ব।

হয়।

প্ৰধান দুৱাৰৰখীয়া দৌৰি আহিছে।

'দেওৰাজা— কছাৰী সৈন্য— কছাৰী সৈন্যই কোঠ আক্ৰমণ কৰিছে। গড় খান্দি আছে, সোমাবই আৰু। গড়ৰ ভিতৰৰ ৰণুৱা যুঁজিবলৈ ওলাই গৈছে। কোঠৰ সৈন্যৰ সহায় পোৱাৰ আশা নাই।'

'একো নহয়। ভয় নাখাবি। আমাৰ দেওলাংখুই আছে। আই কালিখাৰ আশীৰ্বাদ আছে। আমাক কোনেও একো কৰিব নোৱাৰে। তহঁত যা— মই ওলাই গৈছোঁ।'

ৰাজানঃৰ ভিতৰত হুলস্থুল লাগিছে। বাহিৰলৈ ওলাই আহিছে সোণজিৰা, কনচাৰী, আটাইবোৰ।

জোঙাল শোৱনি কোঠালৈ উভতি আহিল।

সুকোমলা বিছনাত বহি আছিল।

'কি হ'ল?' তাই উৎকণ্ঠিতভাৱে সুধিলে।

'তোমাৰ আফাই আমাৰ গড় আক্ৰমণ কৰিছে।'

মোৰ আফাই? 'কিয়? 'কিয় কৰিছে?'

'ৰাজ্য লাগে তোমাৰ আফাক। ছোৱালী দি মিত্ৰতা কৰি চুকতে থাকি বুকু শালিবলৈ আহিছে।' উত্তপ্ত হৈ উঠিল জোঙাল বলহু।

কনচাৰী আৰু সোণজিৰা উধাতু খাই সোমাই আহিল।

'আৰি— আছি— ইয়াৰ লগত থাকা। সুকোমলা— ভাত ৰান্ধাগৈ। গুদা ভাত

হ'লেই হ'ব। নোখোৱাকৈ ওলাই নাযাওঁ। নোখোৱাকৈ যুঁজলৈ যাবলৈ আই কালিখাৰ নিষেধ আছে। তোমাক মই কৈছিলো। যোৱা।'

জোঙাল ওলাই গ'ল। অস্ত্রশালাত সোমাই কবচ পিন্ধাত লাগিল।

সুকোমলাই তেতিয়া পাকহালিত জুই ধৰিছিল। কাহৰ মিঃদুত পানী উতলিবলৈ দি আঁঠুত মুৰ থৈ স্তব্ধ হৈ বহি আছিল সুকোমলা। অস্থিৰ। অশান্ত।

যোৱা ৰাতি পিতৃয়ে পঠোৱা এখন পত্ৰ পাই গোটেই ৰাতি শুব পৰা নাই সুকোমলাই।

'আই, তই আমাৰ দেশৰ কাৰণে বহুত কৰিলি। তই কিজানি মনে মনে ভাবি আছিলি দেশৰ হৈ চোৰাংচোৰাগিৰি কৰাটো তোৰ ভুল হৈছে। কিন্তু তই যে আমাৰ কিমান উপকাৰ কৰিছ সেই কথা ব্ৰাই শিব্ৰায়ে জানে। তই যে তৰোৱালখন পঠিয়াইছ সেই কথা জোঙালে নাজানে কাৰণে সি আমাৰ ৰাজ্য আক্ৰমণৰ যো-জা কৰিছে। সেই কথা গম পাই আমি জোঙালৰ ৰাজ্য আক্ৰমণ কৰিবলৈ আহিছো। দিগ্বিজয়ী তৰোৱাল আমাৰ হাতত আছে— জোঙালে আমাৰ একো ক্ষতি কৰিব নোৱাৰে। আমাৰ দেশ সুৰক্ষিত। কিন্তু জোঙালক আমি অলপ শিক্ষা দিব খোজো। সি যে অপৰাজেয় বীৰ নহয় সেই কথা বুজাই দিব খোজো। তাৰ একো ক্ষতি নহয়। কিন্তু আনৰ ৰাজ্য লোভ কৰা যে বেয়া সেই কথা সি জানিব লাগিব। তই শ্ৰিবায়ৰ নামত, আই হেৰেমডীৰ নামত শপত খাই দেশৰ হৈ জোঙালৰ ৰাজ্যলৈ গৈছিলি। এটা শেষ কাম কৰিবি। জোঙাল যেতিয়া যুঁজলৈ যাবলৈ ওলাব তেতিয়া তাক ভাত খাবলৈ নিদিবি।'

'সুকোমলা— সুকোমলা।'

ৰান্ধনিশাললৈ আহি জোঙালে মাতিলে।

জোঙালৰ ৰন্ধা-বঢ়া সুকোমলাই কৰে। জোঙালে ভালপোৱা আহাৰ ৰান্ধিবলৈ শিকি এই দায়িত্ব নিজেই লৈছিল সুকোমলাই। ভোজনপ্ৰিয় জোঙালক বিভিন্ন ব্যঞ্জন ৰান্ধি খুৱাই তৃপ্তি পাইছিল।

'সুকোমলা, তোমাৰ আফাই আমাৰ ৰাজ্য আক্ৰমণ কৰিছে। মই সপোনতো ভবা নাছিলো নিজৰ জোঁৱায়েকৰ ৰাজ্য কেতিয়াবা তেওঁ আক্ৰমণ কৰিব। কিন্তু মোৰ জোঁৱাই ৰূপহে দেখিছে। জকাংকৰ যুঁজাৰু ৰূপ দেখা নাই। তেওঁ নাজানে মোৰ হাতত আছে দিগ্বিজয়ী তৰোৱাল। মোক কোনেও একো কৰিব নোৱাৰে।'

'কিন্তু মই যে শুনিছো— আপুনিহে বোলে ডিমাবণ্ড আক্ৰমণ কৰিব খুজিছে?' সুকোমলাই মুৰ তুলি চালে।

'কোনে ক'লে?' থমক খাই ব'ল উত্তেজিত জোঙাল। বুকু ভেদি যোৱা তীব্ৰ দৃষ্টিৰে চাই পঠিয়ালে।

'খামছামাইবোৰে কথা পতা শুনিছিলো।'

'খামছামায়ে ক'লে আৰু তুমিঁ বিশ্বাস কৰিলা? সেই কাৰণে তুমি মন মাৰি ইয়াত ভাত ৰান্ধি আছা নেকি?'

'মনটোতো বেয়া লাগিবই।' চল্‌চলিয়া চকুৰে সুকোমলাই ক'লে।

সুকোমলাৰ ওচৰলৈ আহি তাইক দুহাতেৰে ধৰি থিয় কৰাই চকুত চকু থৈ জোঙালে গভীৰ মাতেৰে সুধিলে—

'মোৰ চকুলৈ চাই কোৱা সুকোমলা— মই এনে কাম কৰিব পাৰো বুলি তুমি বিশ্বাস কৰা?'

সুকোমলাই তলমুৰ কৰিলে।

'তুমি মোৰ সন্তানৰ মাতৃ। মোৰ ভালপোৱাৰ পাত্রী। মই তোমাৰ মনত দুখ দিব পাৰোনে? ফা মহাদেউ, আই বসুন্ধৰীৰ শপত— মই কছাৰী ৰাজ্য আক্রমণ কৰাৰ যো-জা কৰা দূৰৈৰ কথা ভবাও নাই। মোৰ ভাত বাঢ়া সুকোমলা ; মই ; সাজু হৈ আহো।' জোঙাল খৰখোজেৰে গুচি গ'ল।

সুকোমলাৰ দুচকু চকুপানীৰে উপচি পৰিছে।

সকলো কথা পৰিষ্কাৰ হৈ গৈছে।

পিতৃৰ উদ্দেশ্যও পৰিষ্কাৰ হৈ গৈছে। অন্ন সিজোৱা পাত্রৰ সম্মুখত সকলো পাহৰি প্রবল কান্দোনত ভাগি পৰিছে সুকোমলা।

কিমান সময় পাৰ হৈ গৈছে নাজানে।

জোঙালৰ হতাশ কিন্তু উত্তেজিত কণ্ঠত চমকি উঠিল সুকোমলা।

'সুকোমলা— মোৰ দেওলাংখুই কোনে নিলে? কোনে মোৰ বুকুত এইপাট শেল মাৰিলে? ক'ত গ'ল মোৰ দিগ্বিজয়ী তৰোৱাল?'

সুকোমলাই কান্দিছে।

জোঙাল ৰান্ধনিশালৰ ভিতৰলৈ সোমাই আহিল। কিছুসময় একেথিৰে সুকোমলাই চাই থাকি ক'লে—

'কিয় কান্দিছা? কিয়? কাৰ অপকাৰ হ'ব বুলি কান্দিছা সুকোমলা? মোৰ নে কছাৰী ৰজাৰ? মোৰ দিগ্বিজয়ী তৰোৱাল নাই— মাত্র খাপটো আছে। থাকক। কোনো কথা নাই। জকাংকই যুঁজলৈ ভয় নকৰে। দিয়া। মোক ভাত দিয়া। দিয়া। ইমান সময় কি কৰিছিলা? কন্দা বন্ধ কৰা। আৰি— আৰি—'

সন্দেহে ভাবাক্রান্ত কৰি তুলিছে জোঙালক। সুকোমলাৰ কান্দোনৰ ধ্বনিত যেন প্রতিধ্বনিত হৈছে বিশ্বাসঘাটকতাৰ শব্দ।

সুকোমলাই ভাত বঢ়া নাই। আঁঠুত মুৰ গুজি কান্দি আছে।

কিছুসময় সুকোমলাৰ মুখলৈ একদৃষ্টিৰে চাই থাকি জুহালৰ ওচৰলৈ আগবাঢ়ি

গ'ল জোঙাল। চৰুৰ ঢাকনি গুচাই থৰ হৈ গ'ল।

পানীত উতলি আছে সৰু সৰু শিল।

ঠিক যেন ভাত উতলাৰ দৰে শব্দ।

সকলো পৰিষ্কাৰ হৈ গৈছে। পানীৰ দৰে পৰিষ্কাৰ।

জোঙালে দুবাহুত ধৰি সুকোমলাক থিয় কৰালে।

'দেও লাংখুই তুমি নিছা নহয়? ডিমাবঙলৈ পঠিয়াই দিছা? মোক মাৰিবলৈ? ভাতখাই যুঁজলৈ গ'লে মোক হুৰুৱাব নোৱাৰিব বুলি শিল সিজাইছা? ভাত নিদিয়া মোক? 'সুকোমলাই কান্দিছে। কোনো উত্তৰ দিয়া নাই। মাত্ৰ কান্দিছে। জোঙালে কিছুসময় সুকোমলাৰ অৱনত, অশ্রুসিক্ত মুখলৈ চাই থাকিল। তাৰ পিচত খুব ধীৰ, খুব শান্ত ভাবে সুধিলে—

'এই কাম কিয় কৰিলা সুকোমলা? মই তোমাৰ কি ক্ষতি কৰিছিলো?'

জোঙাল শান্ত হৈ পৰিছে। ধুমুহাৰ আগৰ আকাশৰ দৰে ভয়াৱহভাৱে শান্ত।

সুকোমলাই একো কোৱা নাই।

জোঙালৰ হাতত উচ্‌পিচাই উঠিছে ঘাটকৰ জিঘাংসা।

সাৰ পাই উঠিছে একাচেকা জকাংক।

আবি কনচাৰী যেতিয়া দৌৰি আহি পাইছে তেতিয়া জুহালৰ ওচৰত পৰি আছিল সুকোমলাৰ মৃতদেহ।

গড়ৰ সিপাৰৰ পৰা ভাহি আহিছিল শত্রুৰ কিৰিলি।

'কি কৰিলি? কি কৰিলি তই জকাংক?' হাহাকাৰ কৰি উঠিল আবি কনচাৰীয়ে।

'মোৰ সকলো শেষ হৈ গ'ল আবি। সুকোমলাই নিজৰ দেশৰ কাৰণে আমাৰ দেশক বিশ্বাসঘাটকতা কৰিলে আবি। মোৰ দিগ্বিজয়ী তৰোৱাল তাই লৈ গ'ল।' জোঙালৰ মাতটো থোকাথুকি হৈ গ'ল। তাৰ পিচত আকৌ উত্তপ্ত হৈ উঠিল জোঙাল।

'তথাপিও জকাংক যুঁজলৈ যাব আবি। মই জানো, মোৰ ৰাজ্যৰ সকলো কথা কছাৰী ৰজাই জানে। সেয়ে ইমান সহজতে তেওঁলোকে যুঁজত জয় হ'ব পাৰিছে। কিন্তু জকাংক এতিয়াও মৰা নাই আবি।'

স্তব্ধ কনচাৰীৰ আগেৰে হাতত অস্ত্র লৈ আৰু দেও লাংখুইৰ খাপটো লৈ ওলাই গ'ল জকাংক।

শেষ যুদ্ধ দিবলৈ।

নির্জন হাবিতলীয়া বাটেৰে হাতীত উঠি আহি আছে কছাৰী ৰাণী আৰু ধনেশ্বৰৰ পত্নী ফুলখুৰি। শৰপহুৰ মাতে উদাস কৰি তুলিছে এন্ধাৰ কৃষ্ণপক্ষৰ ৰাতি। ৰাতি পুৱাবৰ হৈছে। চহৰিৰ সীমাত উপস্থিত হৈছেহি কছাৰী ৰাণী আৰু ফুলখুৰিক কঢ়িয়াই অনা হাতীটো আৰু দেহৰক্ষীকেইজনক কঢ়িয়াই অনা হাতীকেইটা।

'তই মোক আগতে নকলি কিয় ফুলখুৰি?' বিষাদত সেমেকা মাতেৰে ক'লে ৰাণীয়ে।

'জানিলেহে কম আই। মোক জানো কয় বেপাৰীয়ে? যুঁজলৈ ওলোৱাৰ আগেহে কথা পতা শুনিলো। মই দা লৈ কাটিবলৈ গৈছিলো। দা কাঢ়ি লৈ বান্ধি থৈ গ'ল। লগত এজাক মৰাশ খোৱা শগুন নাই জানো? লোভ দেখুৱাই থৈছে। মোক বান্ধিলে। বান্ধি হাঁহি হাঁহি সকলো কথা কৈ গ'ল। আমাৰ ফা বডচাকো মাৰিব। জোঁৱাইৰজাকো মাৰিব। আহোমৰ লগত কথা হৈছে। ডিমাবঙ গোভা, খলাচহৰিৰ ৰজা হৈ আহোমৰ কৰতলীয়া হৈ থাকিব। খাবলৈ নোপোৱা বেপাৰীৰ পো। লোভ কৰিছে চোৱা। তাক পালে আনে কাটিব নালাগে। ময়েই কাটিম। কাটি তেজ পী খাম। কছাৰী ছোৱালী হওঁ মই। দেশৰ কাৰণে মাৰিবও পাৰো। মৰিবও পাৰো। বৰ ভুল কৰিলে ফা বডচাই আই। অচিন কাঠৰ থোৱা জানো লগাব পায়?'

'মই বহুত কৈছিলো অ' ফুলখুৰি। নুশুনিলে। তোকো বিয়া দিলে। আমি হ'লো ব্ৰহ্মপানীৰ মাছ। ভেটা ভাঙিনো যাম ক'লৈ? আমাৰ কথা শুনা হ'লে জানো এনে হয়?'

'মই কিন্তু ভেটা ভাঙি যাম আই। তাক কাটি দুচেও কৰি কাউৰী-শগুনক খুৱাম।'

'অলপ খৰকৈ বলা মাউত আগাই।' ৰাণীয়ে আকুল হৈ ক'লে।

'ইয়াতকৈ জোৰে যাব নোৱাৰি আই। জান-জুৰি পাৰ হ'ব লাগে। কাঁইটিয়া বন আছে। বাঘ চোৱাত গছ আছে।'

'থাকক কাঁইটিয়া বন। চোৱাতে ডাকক। তুমি খৰকৈ বলা। ওলাই আহিবৰ

সময়ত মুৰৰ ওপৰত ডাটকংৰ চৰায়ে মাতিছিল। উঁদেও বুৰ দিয়া দেখিছো। অমঙ্গল হ'ব। বহুত অমঙ্গল। আই হেৰেমডীক কুকুৰা আগ কৰিছো। সকলোকে ৰক্ষা কৰক। খৰকৈ বলা আগাই নহ'লে সকলো শেষ হৈ যাব।' কছাৰী ৰাণীয়ে ক'লে।

সঁচাকৈ তেতিয়া সকলো শেষ হৈ যাব ধৰিছিল। জোঙাল বলহু গড়ৰ ভিতৰতখন তেতিয়া কছাৰী সৈন্যই দখল কৰি লৈছিল। ৰংচোৱা ভেঁটিৰ ঘৰটোত থিয় হৈ ডিমাৰঙৰ ৰজা আৰু ধনেশ্বৰে চাৰিওফালে চাই আছিল। জোৰবন্তিৰে পোহৰ হৈ পৰিছিল লালুং সৈন্যৰ তেজেৰে তুমৰলি হোৱা গড়ৰ ভিতৰৰ পথাৰ। নহয়— কছাৰী সৈন্যৰ তেজো তাত মিহলি হৈ গৈছিল। জোঙালে এমুঠি সৈন্যৰে যুঁজ দি অনেক সৈন্য কাটি অৱশেষত গড়ৰ পৰা ওলাই গৈছে। পিচে পিচে খেদি গৈছে এজাক কছাৰী সৈন্যই।

ধনেশ্বৰৰ বিশ্বস্ত সৈন্যকেইজন। আগতীয়া ইংগিত দি জোঙালৰ পিচত পঠিয়াই দিছে ধনেশ্বৰে।

'জোঁৱাইৰজাক ধৰিবলৈ দিছাতো ধনেশ্বৰ? একো ক্ষতি নকৰেতো?' ৰজাই চিন্তিতভাৱে সুধিলে।

'নকৰে ৰজাদেৱতা। কিয়নো কৰিব? আগতীয়াকৈ আপুনি কৈ থোৱা নাই জানো?'

'কৈছো অৱশ্যে। বৰ চিন্তা লাগিছে ধনেশ্বৰ। মনটো কিয় জানো বৰ বেয়া লাগিছে। ভুল কৰিলো যেন লাগিছে ধনেশ্বৰ। তুমি যিমান ৰণুৱা গোট খোৱা বুলি কৈছিলা— সিমান ৰণুৱাতো নেদেখিলো।'

'কড়িদি ৰখা ৰণুৱা নহয় নহয় ৰজাদেৱতা। চামাদি আৰু গাঁধৰ ঘৰলৈ বেছিভাগ ঘুৰি গৈছে। সময়ত অহাৰ কথা। আমি আগতীয়াকৈ আক্রমণ কৰিব পাৰো বুলি ভবা নাছিল।'

'তেনে হৈছে যদি অৱশ্যে বেলেগ হ'ব। মই জোৱাইক যুঁজ কৰা ইয়াৰ পৰাই দেখিলো ধনেশ্বৰ। ইমান বলশালী, ইমান কৌশলী বীৰ বুলি ভবা নাছিলো। অস্ত্র ভাগি গ'ল। দুহাতেৰেই অতবোৰ ৰণুৱাক মাৰিলে। তাৰ পিচত কেনেকৈ পলাই গ'ল— দেখি দুখ লাগিছে ধনেশ্বৰ। ভাতো খাবলৈ নাপালে কিজানি। ভাত নাখালে থাকিব নোৱাৰা ল'ৰা। কেনেকৈ বা যুঁজিছে।'

'এইবোৰ দুখৰ কথাই ৰজাদেৱতা। আপুনি বুজন মানুহ কাৰণে তেনেকৈ ভাবিছে। কিন্তু আমাৰ ৰাজ্য আক্রমণ কৰা হ'লে আপুনিও জানো এনেকৈয়ে যুঁজিব নালাগিলহেঁতেন?' ধনেশ্বৰে ক'লে।

ৰজাই একো নামাতিলে। অন্যমনস্কভাৱে চাই থাকিল গড় সংলগ্ন কোঠৰ ফালে।

তাৰ পৰা তেতিয়া ভাঁহি আহিছিল কিৰিলি আৰু আৰ্তনাদৰ শব্দ। ৰণৰ বাদ্যৰ শব্দ।

জোঙাল তেতিয়া বিজুলীবেগেৰে দৌৰি গৈ আছিল কলঙৰ ফালে।

নিৰস্ত্ৰ।

নিৰুপায়।

পিচে পিচে খেদি অহা সৈন্যবোৰ ভাগৰি পৰিছে। মাজে মাজে বৈ কাঁড় মাৰি চাইছে। একা-বেঁকা হৈ দৌৰা কাৰণে এডালো কাঁড় লগাব পৰা নাই।

দৌৰি দৌৰি কলং পালেগৈ জোঙাল। পিয়াহত অষ্ঠকণ্ঠ শুকাই গৈছে। শুকাই গৈছে বুকুৰ ভিতৰখন। আত্মা নামৰ নেদেখা স্থিতিটো।

চকুত বাৰে বাৰে ভৰি পৰিছে চকুপানী। মনত পৰিছে সুকোমলালৈ। অকণমানি কেঁচুৰাটোলৈ।

সুকোমলাই জোঙালক ঠগিলে।

সেই সুকোমলাই— যাৰ চুলিত মুখ জুবুৰিয়াই নুশুলে জোঙালৰ টোপনি নাহিছিল। সেই সুকোমলাই— যি জোঙালৰ বুকুত মুখ গুজি টোপনি গৈছিল।

মৰমভৰা দিন-ৰাতিবোৰ মিছা হৈ গ'ল। মিছা হৈ গ'ল স্বামী-স্ত্ৰীৰ সম্পৰ্কৰ সকলো পবিত্ৰতা। বিশ্বাস। আস্থা। নিৰ্ভৰশীলতা।

মৰমৰ চিন দেখুৱাই জোঙালৰ পানীখোৱা পুখুৰীত বিহ ঢালিলে সুকোমলাই। সুকোমলা নামৰ অতি কোমল, অতি নম্ৰ, অতি মৰমীয়াল এজনী নাৰীয়ে। যাক জোঙালে ভাল পাইছিল। খুব ভাল পাইছিল।

কছাৰী সৈন্য বহুত দূৰৈত থাকি আহিছে। জোঙালৰ লগত দৌৰাৰ সাধ্য সিহঁতৰ নাই। কিন্তু জোঙালে যে একো খোৱা নাই। একো নাখালে যে দুৰ্বল হৈ যায় জোঙাল।

পিয়াহত ওঁঠ শুকাই গৈছে।

কলঙৰ পাৰত শুই আজলিৰে পানী তুলি ল'লে জোঙালে।

পুৱতি নিশাৰ নীলা পোহৰত হাতৰ আজলি দেখি উচপ্ খাই উঠিল জোঙাল।

তেজৰ কৰাল! দুহাতত!

কেনেকৈ পানী খায়!

মুখ নমাই গোমুখেৰে পানী টানি ল'লে জোঙালে। আৰু সেই মুহূর্ততে মুখৰ ভিতৰত, বুকুৰ মাজত গমগমাই উঠিল মাকৰ মাত। গংগাৱতীৰ মাত।

'...এয়া তোৰ ফা হয় জকাংক। নিজৰ ফাৰ মুৰ কাটি আনিলি তই? মোৰ কথা নুশুনিলি? থাদক্। কাফুত লাৱা। তোক মই কেতিয়াও ক্ষমা নকৰো। যি দুখন হাতেৰে

তই নিজৰ পিতৃক মাৰিলি সেই দুখন হাতেৰে মৰণকালত তই পানী খাবলৈ নাপাবি। গোমুখে পানী খাই তোৰ মৃত্যু হ'ব। যি অস্ত্রৰ শক্তিত তই শপত পাহৰি গলি সময়ত সেই অস্ত্রই তোক এৰি যাব...'।

কলঙৰ পানীত জোঙালৰ চকুৰ পৰা দুটোপাল তপত চকুলো সৰি পৰিল।

'বুজিছো— সকলো বুজিছো, মাঃ তুমি তৰা হৈ আকাশত থাকি মোক চাই আছা, মোৰ আফাৰ কাৰণে তুমি কান্দি আছা—'

কছাৰী সৈন্যৰ দলটো ওচৰ পাইছেহি। কাঁড় মাৰিছে। জোঙাল কলঙত জঁপিয়াই পৰি বুৰ মাৰিলে। ভটিয়নি সোঁতত গৈ থাকিল।

পাৰে পাৰে সৈন্যবোৰে খেদি আহিছে। পানীলৈ কাঁড় মাৰিছে। বর্শা, যাঠি দলিয়াইছে। দা দলিয়াইছে। জোঙাল নাই। পানীৰ তলে তলে বহুদূৰ গুচি গৈছে জোঙাল।

কিছুদূৰ আহি পানীৰ পৰা মূৰ দাঙি উশাহ লৈ পাৰলৈ চালে জোঙালে। মুহূর্ততে তীক্ষ্ণ এপাট বর্শা উৰি আহিল।

ক্ষিপ্রভাৱে পানীৰ তললৈ গুচি গ'ল জোঙাল।

কছাৰী সৈন্য বিৰুধত পৰিছে। সিহঁতক ধনেশ্বৰে যেনে-তেনে জোঙালক বধ কৰাৰ নির্দেশ দিছে। কিন্তু কাঁড়, বর্শা, যাঠি, জোং, দা সকলো শেষ হৈ গ'ল। কলঙৰ পানীত তেজ বিৰিঙি নোলাল। বুৰ মাৰি ভটিয়াই গৈ থাকিল জোঙাল।

কছাৰী ৰাণী তেতিয়া ৰংচোৱা ভেঁটিলৈ উঠি আহিছিল। ফুলখুৰীক দেখিয়েই ধনেশ্বৰে পলাবলৈ নামি যাব খুজিছিল। ফুলখুৰীয়ে দলিয়াই দিয়া দাৰ ঘাপত ধনেশ্বৰৰ ভৰি এখন খহি পৰিল। কান্দোনত গছৰ পাত সৰুৱালে ধনেশ্বৰে।

কছাৰী ৰজাই অবাক হৈ ফুলখুৰী আৰু ৰাণীলৈ চালে।

ৰাণী আৰু ফুলখুৰী আগবাঢ়ি গ'ল। ৰজাৰ ওচৰত আঁঠুকাঢ়ি বহি মাটিত মূৰ থৈ কান্দোনত বাউলি হৈ পৰিল ফুলখুৰী। কৈ গ'ল কথাবোৰ।

কোঠৰ সৈন্য বন্দী কৰি প্রধান সেনাপতি আৰু কেইজনমান গা-ৰখীয়া তেতিয়া ৰংচোৱা ভেঁটিলৈ উঠি আহিছিল। নির্বাক হৈ সকলোৱে কথাবোৰ শুনিলে। তাৰ পিচত ৰজাৰ নির্দেশলৈ বাট নাচাই গা-ৰখীয়া সৈন্যবোৰ দা আৰু যাঠি লৈ ৰংচোৱা ভেঁটিৰ অলপ দূৰৈত পৰি থকা ধনেশ্বৰক ঘেৰি ধৰিলেগৈ। যাঠিৰ খোঁচত, দাৰ কোবত, ভৰিৰ গচকত ছিন্ন-ভিন্ন হৈ গল বেপাৰী ধনেশ্বৰ।

'সেনাপতি— যোৱা এতিয়াই যোৱা— জোঁৱাইক সিহঁতে মাৰি পেলাব। মই

বুজিছো— সকলো বুজিছো— বহুত ভুল গৈ গ'ল সেনাপতি— বহুত ভুল হৈ গ'ল।' কান্দোন বিজড়িত মাতেৰে ৰজাই ক'লে।

জোঙালে তেতিয়া ভটিয়নি সোঁতত পানীৰ তলে তলে আহি এঠাইত পাৰত বহি জিৰণি লৈছিল।

ভোক-পিয়াহ পাহৰি গৈছে জোঙালে। শৰীৰ আৰু মন জুৰি ভৰি পৰিছে মাত্র ভাগৰ আৰু ভাগৰ।

সকলো অর্থহীন হৈ গৈছে।

এই ৰাজ্য, এই সংসাৰ, এই মাটি— সকলো অসাৰ হৈ গৈছে।

এজনী সুকোমলা নাৰীয়ে মৰমৰ মুখা পিন্ধি জোঙালৰ পৰা কাঢ়ি লৈ গ'ল যুঁজৰ অস্ত্র। নহয়— যুঁজৰ অস্ত্রই নহয়— কাঢ়ি লৈ গ'ল জোঙালৰ পৰা জীয়াই থকাৰ অর্থ।

কিয় এনে কৰিলে সুকোমলাই? কি দিয়া নাছিল তাইক জকাংকই?

কি দুখ দিছিল তাইক?

কি দোষ কৰিছিল?

নহয়— সুকোমলাৰ দোষ নহয়— এযা জোঙালৰ পাপৰ ফল। জোঙাল পিতৃ হত্যাকাৰী। মাতৃৰ শাপেৰে অভিশপ্ত। মাতৃৰ আশীর্বাদ যি পুত্রই নাপায় সেই পুত্র জানো জয়ী হ'ব পাৰে? সেই পুত্রৰ ঘৰত জানো বাস কৰিবলৈ আহে সৌভাগ্য লক্ষ্মী? আনন্দৰ দেৱতা?

কছাৰী সৈন্যবোৰ দৌৰি আহি আছে। ভাগৰত লেবেজান হৈ পৰিছে সৈন্যবোৰ। সাধাৰণ ৰণুৱাৰ পৰা ডাঙৰ বিষয়া হোৱাৰ লোভে সিহঁতক দৌৰাই আনিছে কলঙৰ পাৰে পাৰে। যিমানে ভাগৰিছে সিমানে ক্রোধত উত্তপ্ত হৈ পৰিছে ৰণুৱাবোৰ। ধনুবোৰ সিহঁতে দলিয়াই পেলালে। কাঁড়ৰ টুন শূন্য।

জোঙাল কলঙত জঁপিয়াই পৰিল।

কিছু দূৰৈত কাজলীমুখ।

ব্রহ্মপুত্রত পৰিব পাৰিলে সিপাৰলৈ গুচি যাব জোঙাল। সিপাৰত চামল আয়ং আছে। ভায়েক ৰত্নসিংহ আছে।

জোঙাল আকৌ উভতি আহিব।

পৰাজয় স্বীকাৰ নকৰে জোঙালে।

জোঙাল ভীৰু নহয়।

কাপুৰুষ নহয়।

সুকোমলাই ভাঙি পেলোৱা মনটো আকৌ বান্ধিব। জোঙাল জীয়াই থাকিব। বুবাউৰ কাৰণে। অকণমানি বুবাউৰ কাৰণে। চামল আয়ং আৰু ভায়েক ৰত্নসিংহৰ সহায়লৈ জোঙাল আকৌ উভতি আহিব অস্ত্র-শস্ত্রৰে সজ্জিত হৈ। উদ্ধাৰ কৰিব সাতখলপীয়া গড়। পানীৰে আগুৰা ৰাজধানী। খলা চহৰি।

কিন্তু বাট ক'ত? বাট?

কাজলি মুখ ভেটা দিয়া আছে ডাঙৰ ডাঙৰ গোটা বাঁহেৰে। জোঙালেই দিয়া ভেটা। শহুৰ ৰজাক বৰালি মাছ খুৱাবলৈ দিয়া ভেটা।

উভতি যাবলৈ বাট নাই।

পাৰত থিয় হৈ আছে কছাৰী সৈন্য এঘাৰজন। জিঘাংসাত চক্‌চকাই উঠিছে সিহঁতৰ চকুৰোৰ।

পাৰৰ ওচৰতে থকা কেইডালমান বাঁহ উঘালি ল'লে সৈন্যবোৰে।

ভেটাত লাগি ধৰা জোঙাললৈ দলিয়াই দিলে জোঙাকৈ কাটি থোৱা এডাল মোকাল বাঁহ।

ফা বডচাই তেতিয়া ৰাণী, ফুলখুৰী আৰু গা-ৰখীয়া সৈন্য কিছুমান লৈ পুৰুষহীন ৰাজানঃৰ ভিতৰলৈ সোমাই গৈছিল।

পাগহালিত পৰি থকা সুকোমলাৰ ওচৰত কোলাত কেঁচুৱা লৈ নির্বাক হৈ বহি আছিল কনচাৰী। হিয়া ভুকুৰাই কান্দি আছিল সোণজিৰাই। কান্দি আছিল মাৰ্‌গি খামছামাই কেইজনীয়ে।

কছাৰী ৰাণী দুৱাৰমুখত থিয় হৈ শিল হৈ গ'ল। শিল হৈ গ'ল ৰজা। ফুলখুৰী। সৈন্যবোৰ।

কনচাৰীয়ে মুৰ তুলি চালে। চায়েই থাকিল। কছাৰী ৰাণী সুকোমলাৰ ওপৰত উবুৰি খাই পৰিল। হিয়াভগা কান্দোনত কঁপি উঠিল মৰিশালী হৈ পৰা জোঙাল বলহুগড়।

ম'হৰ গাখীৰ পনীয়া কৰি কঁপাহেৰে তিয়াই তিয়াই কান্দি থকা কেঁচুৱাটোক খুৱাই আছে সোনজিৰাই। মাটিত আঁঠুত মুৰ গুজি বহি আছে কনচাৰী। একেদৰেই বহি আছে ফুলখুৰী আৰু কছাৰী ৰাণী।

নিস্তব্ধ হৈ আছে ৰাজানঃ

বাহিৰৰ চোতালত কাপোৰেৰে ঢাকি শুৱাই থোৱা আছে সুকোমলা আৰু জোঙালৰ মৃতদেহ। মৃতদেহৰ ওচৰত তলমুৰ কৰি বহি আছে কছাৰী ৰজা আৰু প্ৰধান সেনাপতি। চাৰিওফালে মাত্ৰ কাপোৰেৰে ঢাকি থোৱা শাৰী শাৰী মৃতদেহ। কোনটো কছাৰী ৰণুৱাৰ, কোনটো লালুং ৰণুৱাৰ ধৰিব নোৱাৰি। গড়ৰ ভিতৰত অত-তত তলমুৰ কৰি বহি আছে কছাৰী আৰু লালুঙৰ ৰণুৱাবোৰ।

সকলোৱে কথাবোৰ গম পাইছে।

সুগভীৰ বিষাদে হৰি নিছে সকলোৰে মুখৰ মাত।

সিংহদুৱাৰ খুলি দিয়া হৈছে।

জাকে জাকে মানুহ সোমাই আহিছে। চুবুৰীয়া ৰজাসকল সোমাই আহিছে। আজি আপ্যায়ন কৰিবলৈ কোনো নাই। যিয়ে য'ত পায় তাতেই বহিছেহি। গড়ৰ ভিতৰে বাহিৰে মানুহ আৰু মানুহ।

হিয়াভঙা কান্দোনৰ শব্দৰ বাহিৰে আন শব্দ একো নাই। মাত্ৰ অৰ-তৰ পৰা ভাঁহি আহিছে বাঁহ কটাৰ শব্দ।

সকলোৱে বডচা ৰজালৈ চাইছে। নিঃশব্দ ঘৃণা আৰু ধিক্কাৰৰ অদৃশ্য সহস্ৰ কাড়ে শালি ধৰিছেহি ডিমাবঙৰ ৰজাক। তলমুৰ কৰি বহি আছে কছাৰী ৰজা।

শুকান চকুৰে।

বুকুত চকুপানীৰ সাগৰ এখন লুকুৱাই।

থাকি থাকি বুকুৰ মাজত গমগমাই উঠিছে কছাৰী ৰাণীৰ মাত।

'কি পালে? কি পালে আপুনি এইবোৰ কৰি? আমাৰ ইমান ডাঙৰ বীৰ জোঁৱাইক বধ কৰি কি পালে? নিজৰ জীক বলি দি কি পালে? কি লাভ লোভ কৰি? কি পালে

আপুনি ফা বডচা? আৰু অলপ মাটি? আৰু অলপ গছ? আৰু দুখন নৈ? আৰু সোণ? আৰু অস্ত্ৰ? এই মানুহবোৰক জানো পাইছে? আপোনাক মিতিৰ বুলি মূৰ দোওৱা মানুহবোৰ? এই মানুহবোৰে আপোনাক এতিয়া ঘিণ কৰিব। আপোনাৰ নাম শুনিলে মাটিলৈ থুৱাব। থু লগা মাটিবোৰ লৈ কি কৰিব ফা বডচা? কি কৰিব?'

'অ' দেওৰাজা— মোৰ সোণযেন ল'ৰাকণক সিহঁতে খুচি খুচি মাৰিলে। তাক বিৰিণা পাতেৰে উভতাই চাল বখলিয়াই বখলিয়াই মাৰিলে—'

ৰাজানঃৰ চোতালত আহি থিয় হোৱা সাধুকুমাৰৰ ওচৰত আঁঠুকাঢ়ি বহি কান্দোনত বাউলি হৈ গ'ল সোণজিৰা। সমূহীয়া হাহাকাৰৰ শব্দই আকৌ এবাৰ জোকাৰি গ'ল জোঙাল নগৰ।

'উঠ নানাঃও। শুনিছো মই। কাৰো দোষ নাই নানাঃও। খৰম। কি কৰিবি।'

সাধুকুমাৰে ধীৰ মাতেৰে ক'লে।

ৰজা বডচা উঠি আহিল। সাধুকুমাৰৰ ওচৰত আঁঠু কাঢ়ি বহিল।

'আপুনি সঁচাকৈ বুজিছে দেওৰাজা?' কান্দোনত ভিজা মাতেৰে ডিমাবঙৰ ৰজাই সুধিলে।

'বুজিছো মিতিৰ ৰজা। উঠক। আপুনিও জীক হেৰুৱাইছে। আমিও নাতি হেৰুৱাইছো। হ'বলগা আছিল হৈ গ'ল।'

'দেওৰাজা 'নিয়ক।' দাহলৈ নিবৰ হ'ল।' জ্বেলাবাৰ'ই উঠি আহি লাহেকৈ ক'লে।

কালৈকো নাচাই ভিতৰলৈ সোমাই গ'ল সাধুকুমাৰ।

কেঁচুৱা কোলাত লৈ শিল হৈ বহি আছিল কনচাৰী। কনচাৰীৰ ওচৰত থিয় হৈ, সময়ে গৰকা, যন্ত্ৰণাই গৰকা কনচাৰীৰ স্তব্ধ আৰু ভাগৰুৱা মুখখনলৈ চাই থাকিল সাধুকুমাৰে।

কনচাৰীয়ে মূৰ তুলি চালে।

চায়েই থাকিল।

ক'বলৈ একো নাছিল।

সুধিবলৈও একো নাছিল।

এটা সময়ত কনচাৰীৰ ওচৰত বহিল সাধুকুমাৰ। কোনো কথা নোকোৱাকৈ কনচাৰীৰ হাত এখন দুহাতেৰে তুলি ল'লে।

কনচাৰীয়ে সাধুকুমাৰৰ চকুলৈ চালে—

'শপত ভাঙি ঘৰৰ ভিতৰলৈ কিয় আহিল গোভাৰজা?'

'নাহিলে জানো হ'লহেঁতেন ৰাণীদেউ?'

'নহ'লহেঁতেন— নহ'লহেঁতেন— গোভা ৰজা। নহ'লহেঁতেন।' সাধুকুমাৰৰ হাতত মূৰ থৈ সহস্ৰ সহস্ৰ দিনৰ মূৰত নিঃশব্দ কান্দোনত ভাগি পৰিল কনচাৰী।

৫০

জীৱনৰ জানো সমাপ্তি আছে?

জীৱন প্ৰবাহৰ জানো বিৰতি আছে?

আশাৰ জানো অন্ত আছে?

গছ মৰি যায়।

পুলি হৈ আকৌ গজি উঠে।

মানুহ মৰি যায়।

জীৱনৰ অভীপ্সা থৈ যায় উত্তৰ পুৰুষৰ হাতত। জোঙালেও থৈ গৈছে।

যেনেকৈ তাক থৈ গৈছিল আৰিমত্তই।

যেনেকৈ আৰিমত্তক থৈ গৈছিল প্ৰতাপচন্দ্রই।

এই অকমানি বুবাউটো।

এই ফুলকলিটোৰে ভাঙো ভাঙো হৈ পৰা জীৱন নামৰ দুৰ্গটো এতিয়াও দুহাতেৰে ধৰি ৰাখিছে।

সাধুকুমাৰ, কছাৰী ৰজা, কছাৰী ৰাণী, সোণজিৰা, আৰিকনচাৰীৰ মাজত ধিমিক্ ধামাক্‌কৈ জ্বলাই ৰাখিছে জীৱনমুখী চাকি এগছ।

ডিমাবঙৰ ৰাণী আৰু ৰজাই আৰি কনচাৰীৰ আগত আঁঠুকাঢ়ি বহি বুবাউক ভিক্ষা কৰিছিল।

কনচাৰীয়ে কৈছিল—

'ভাবিবলৈ মোক সময় লাগিব আই। কামবোৰ হৈ যাওক। কিন্তু সি ইয়াত থকানো কি আৰু ডিমাবঙত থকানো কি? আপোনাৰেই মাটি।'

'তেনেকৈ নক'ব আই। তেনেকৈ নক'ব। এই মাটি মোক নালাগে। মাটিৰ লোভ মোৰ জুয়ে দহি লৈ গৈছে। আমি ডিমাবঙলৈ উভতি যাম আই। এই মাটিৰ অধিকাৰী আমি নহয়। আমি সামান্য কথাত ; আনে ৰোৱা সামান্য কথাতে মন ৰেয়া কৰা মানুহ। আপোনালোকৰ ভৰি পৰা মাটিত খোজ থোৱাৰো অধিকাৰ আমাৰ নাই। আমাক মাত্র বুবাউক দিয়ক। তাক লৈ আমি উভতি যাম।' ফা বডচাই কৈছিল।

'ডাঙৰ হৈ সি যেতিয়া জানিব যে তাৰ দেউতাকক আপুনি মাৰিছিল— কি বুলি

ক'ব তাক?' কনচাৰীয়ে সুধিছিল।

'এই উত্তৰ মোৰ হাতত নাই আই।' ডিমাবঙৰ ৰজাই তলমূৰ কৰিছিল।

'ভাবিবলৈ সময় দিয়ক। কৰমৰ কাম শেষ হওঁক।' কনচাৰীয়ে কৈছিল।

আজি কৰম শেষ হৈছে।

ডিমাবঙৰ ৰজা আৰু ৰাণী গড়ৰ বাহিৰৰ বাহৰৰ পৰা গড়ৰ ভিতৰৰ ৰাজানঃলৈ আহিছে।

মানুহ-দুনুহেৰে গমগমাই থকা জোঙাল নগৰ এতিয়া শূন্য।

তেজৰ কৰালবোৰ ধুই পেলোৱা হৈছে। সামৰি পেলোৱা হৈছে সিঁচৰতি হৈ থকা অস্ত্ৰ-শস্ত্ৰবোৰ।

কছাৰীয়ে খন্দা অংশটো এতিয়াও তেনেকৈয়ে পৰি আছে। উন্মুক্ত। বিধ্বস্ত।

কুঁৱৰীয়ে গাধোৱা পুখুৰীত এতিয়াও উপঙি আছে সোণৰ শিকলিৰে বন্ধা সোণ খটোৱা নাওখন।

আলহী বহা কোঠাত এতিয়াও ৰূপৰ বটাত সজাই থোৱা আছে সোণ-ৰূপৰ তামোল দুঠোকা।

মাত্ৰ সতেজ ফুলবোৰ নাই।

মৰহা ফুলবোৰৰ মৰহা সুবাসে মাত্ৰ যাওঁ নাযাওঁকৈ সাৱটি ধৰি আছে শব্দহীন কোঠাটো।

আৰু একো নাই।

ৰাজানঃত সোমাবলৈ লৈ দুৱাৰমুখত থমকি ৰ'ল ডিমাবঙৰ ৰজা আৰু ৰাণী।

দুৱাৰৰ সিপাৰে থিয় হৈ আছে চামল। সেই একেই কঠিন আৰু উদাসীন মুখ। সেই একেই সাধাৰণ সৈনিকৰ পোছাক।

'আমি বুবাউক নিবলৈ আহিছো প্ৰতাপপুৰৰ ৰজাদেউ।' নমস্কাৰ জনাই কছাৰী ৰজাই ক'লে।

'মই প্ৰতাপপুৰৰ ৰজা নহয়। প্ৰতাপপুৰত এতিয়া মহামন্ত্ৰী সগৰৰ পুত্ৰই সিংহাসনত আৰোহন কৰিছে। মোৰ নাম চামল। খলা চহৰিৰ পৰিচালক। দেওৰাজা সাধুকুমাৰৰ দাস। আবি কনচাৰী ইয়াত নাথাকে। বুবাউ নাই। আবি কনচাৰী আৰু মোৰ মা বুবাউক লৈ গুচি গৈছে। মোক কৈ গৈছে— বুবাউৰ ওপৰত আপোনাৰ অধিকাৰ নাই— কাৰণ আপোনাৰ হাতত বুবাউক দিবলৈ উত্তৰ নাই।'

এক কঠিন শিলাখণ্ডৰ সম্মুখত বাট হেৰুৱাই বৈ গ'ল ডিমাবঙৰ বডছা।

তেতিয়া আকাশত ফুৰিমছৰ উদয় হৈছিল।